সুৰজিত বৰুৱা ৰচনা সংগ্ৰহ

(প্ৰথম খণ্ড)

চিৰন্তন সাহিত্যৰ দিন

SURAJEET BARUAH RACHANA SANGRAH : A collection of works of Surajeet Baruah, edited by Shankar Saikia and Published by Chirantan Sahityar Din, Guwahati in association with NEFEDUR, Guwahati
First Edition, 1st July, 2007 Price : Rs. 100/-

সুৰজিত বৰুৱা ৰচনা সংগ্ৰহ (প্ৰথম খণ্ড)

সম্পাদক
শঙ্কৰ শইকীয়া

সম্পাদনা সহযোগী
ভবেন গোস্বামী, নৱজ্যোতি বৰা,
সাবিত্ৰী শইকীয়া বৰুৱা, অলক অধিকাৰী

....

প্ৰকাশক
চিৰন্তন সাহিত্যৰ দিন, গুৱাহাটী

সহযোগী
নেফেদুৰ, গুৱাহাটী

প্ৰথম প্ৰকাশ : ১ জুলাই, ২০০৭

বেটুপাত
দীপ কাকতি

বেটুপাত পৰিকল্পনা
ভবেন গোস্বামী, অলক অধিকাৰী

অক্ষৰ বিন্যাস
অপূৰ্ব পাটোৱাৰী, নেফেদুৰ, গুৱাহাটী ক্লাব, গুৱাহাটী

মুদ্ৰক
ভাৰত অফছেট,
নু-নাৰেঙ্গী তিনিআলি, গুৱাহাটী-৬

মূল্য : এশ টকা

জনমুখী সাহিত্য-সংস্কৃতি আৰু প্ৰগতিশীল সামাজিক সংগ্ৰামত

যিসকলে নিজকে

আপোচহীন দায়বদ্ধতাৰে সমৰ্পণ কৰিলে

সেইসকল সৈনিকৰ

সোঁৱৰণত

সাঁজৰ তৰা

'চিৰন্তন সাহিত্যৰ দিন'ৰ প্ৰতিষ্ঠাৰ আগৰে পৰাই যেন জনমুখী সাহিত্য-সংস্কৃতিৰ এটা ধাৰাক অমঙ্গলে খেদি ফুৰিছে। অসম আন্দোলনৰ সময়তেই পুণ্ডৰীকাক্ষ ভড়ালী এক অপ্ৰত্যাশিত দুৰ্ঘটনাৰ মাজেৰে আঁতৰি গ'ল। তাৰ কেইবছৰমান পিছত আকস্মিকভাৱে হেৰাই গ'ল ফণী মহন্ত— সেয়া আছিল আশীৰ দশক। নব্বৈৰ দশকতো তেনে দুটা দুৰ্ঘটনাই আমি সহিবলগীয়া হ'ল। এক দুৰাৰোগ্য ৰোগত বাম গগৈ হেৰাল। তাৰে কেইদিনমান পিছত অৱনী চক্ৰৱৰ্তী নিৰুদ্দিষ্ট হ'ল। আটাইকেউগৰাকী অন্তৰংগ বন্ধু আছিল। আটাইকেউগৰাকীয়েই আছিল জনমুখী সাহিত্য-সংস্কৃতিৰ দায়বদ্ধ কৰ্মী, অসমীয়া জাতীয় জীৱনৰ একোগৰাকী অগ্ৰণী সৈনিক।

দুহেজাৰ চনত 'চিৰন্তন সাহিত্যৰ দিন' গঠন হ'ল। প্ৰথমটো কাৰ্যসূচী আছিল বাৰ নৱেম্বৰ দুহেজাৰ চন। এই বাৰ নৱেম্বৰৰেই এসপ্তাহ আগেয়েই 'চিৰন্তন সাহিত্যৰ দিন'ৰ প্ৰতিষ্ঠাপক সভাপতি জনমুখী কবি ৰোহিণী কুমাৰ পাঠকেও আকস্মিকভাৱে হৃদৰোগত আক্ৰান্ত হৈ আমাক এৰি থৈ গুচি গ'ল। সেই সময়ত কাৰ্যকৰী সভাপতি আছিল সুৰজিত বৰুৱা। সুৰজিত বৰুৱা আছিল 'চিৰন্তন সাহিত্যৰ দিন'ৰ প্ৰাণ স্বৰূপ। আনহাতে 'চিৰন্তন সাহিত্যৰ দিনো' সুৰজিত বৰুৱাৰ প্ৰাণ স্বৰূপেই আছিল। সাধাৰণতে আমাৰ দৰে মধ্যবিত্তসকলে যিবোৰ স্বেচ্ছামূলক সংগঠন কৰোঁহক সেইবোৰ দেওৰীয়া আজৰিপনৰ কামকাজহে! এনেধৰণৰ নীতিৰ তীব্ৰ বিৰোধী আছিল সুৰজিত বৰুৱা। প্ৰত্যয়, সততা আৰু নিষ্ঠা আছিল সুৰজিত বৰুৱাৰ মূল সম্পদ। স্বতন্ত্ৰভাৱে পৰা অসমীয়া জাতীয় জীৱনৰ প্ৰগতিশীল ধাৰাটোৰ সৈতে বৰুৱা একাত্ম আছিল। নিঃসন্দেহে মাৰ্ক্সবাদী বিশ্ববীক্ষা আছিল তেখেতৰ জীৱন দৰ্শন— কিন্তু মাৰ্ক্সবাদৰ দ্বান্দ্বিক গতিশীলতাৰ সৈতে য'ত কেৱল মন্ত্ৰোচ্চাৰণৰ পদ্ধতি প্ৰয়োগ কৰিব বিচৰা হয় তাতেই সুৰজিত বৰুৱাই নিজৰ প্ৰতিবাদী কণ্ঠস্বৰ তুলি ধৰে। অসমত শেহতীয়াভাৱে চৰ্চিত হোৱা আণ্টনিঅ' গ্ৰামছিৰ আত্মিক দৰ্শনৰ দ্বাৰা সুৰজিত বৰুৱা অনুপ্ৰাণিত হৈছিল। যেনে— মাৰ্ক্সবাদৰ মূল তত্ত্ব 'শ্ৰমিক শ্ৰেণীৰ মাজত ঐক্যহে থাই— বিভাজনৰ কোনো সম্ভাৱনা নথকাৰ ধাৰণাটোক আমাৰ দৰে পিছপৰা সমাজখনত বিভিন্ন জাত-পাত-ধৰ্ম-বৰ্ণৰ বিভাজনে কেনেদৰে প্ৰত্যাহ্বান জনাই শ্ৰমিক শ্ৰেণীৰ ঐক্য ব্যাহত কৰিছে— এই বিষয়টো গুৰুত্বসহকাৰে আলোচনা কৰাৰ পোষকতা কৰিছিল। 'নিম্নবৰ্গৰ আধিপত্য'ৰ ধাৰণাটো বৰুৱাই প্ৰায়েই আলোচনাৰ মেজলৈ টানি আনিছিল। ভাৰতৰ সাংস্কৃতিক বৈচিত্ৰ্যৰ মাজতো তেওঁ ঐক্যৰ বীজ বিচাৰি

পাইছিল। সুৰজিত বৰুৱাই নীতিগতভাৱে অসমীয়া জাতিৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰত বিশ্বাস কৰিছিল— সেইদৰে বিশ্বাস কৰিছিল সকলো জাতিৰ সমানাধিকাৰৰ ভিত্তিত ভাৰত ৰাষ্ট্ৰখনক প্ৰকৃত যুক্তৰাষ্ট্ৰীয় আৰ্হিত গণতান্ত্ৰিকভাৱে পুনৰ্গঠন কৰাত। 'প্ৰত্যয়' নামৰ যিখন আলোচনীৰ সুৰজিত বৰুৱা সম্পাদক আছিল তাত এনেধৰণৰ গণতান্ত্ৰিকতা, যুক্তৰাষ্ট্ৰীয় আৰ্হি আৰু স্বায়ত্তশাসনৰ সপক্ষে নিজৰ মতামত প্ৰকাশ কৰিছিল। গোলকীয়কৰণৰ নেতিবাচক দিশসমূহৰ বিৰুদ্ধে বৰুৱা যেনেদৰে সজাগ আছিল তেনেদৰে বিশ্বায়নৰ ইতিবাচক দিশসমূহকো ৰাজহুৱাভাৱে প্ৰক্ষেপ কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল।

গণতান্ত্ৰিকতাৰ লগতে প্ৰগতিশীলতা যিহেতু বৰুৱাৰ জীৱনাদৰ্শ আছিল সেইবাবে ব্যৱহাৰিক জীৱনতো তেওঁ তাৰ পৰা বিচ্যুত হোৱা নাছিল। বিভিন্ন গণসংগ্ৰামৰ লগত তেখেত সততে জড়িত হৈ পৰিছিল। 'জনগণতান্ত্ৰিক মঞ্চ'ৰ উদ্যোগত গুৱাহাটীত 'সমাজতন্ত্ৰৰ ভৱিষ্যৎ' শীৰ্ষক এখন আলোচনা চক্ৰ অনুষ্ঠিত হৈছিল। তাৰ প্ৰতিটো কামত এনেদৰে জড়িত হৈ পৰিছিল যে তেওঁ যে উদ্যোক্তা সংগঠনৰ সদস্য নহয় সেইষাৰ কথাও মনত নাৰাখিছিল। হাতত আঠাৰ টেমা লৈ গোটেইখন গুৱাহাটীত চিটিবাছে চিটিবাছে ঘূৰি পদপথৰ দাঁতিৰ বেৰত পোষ্টাৰ মৰা কাম কৰোঁতে বা গুৱাহাটীৰ কাছাৰীত চিটিবাছৰ গাত পোষ্টাৰ মৰা কামটো কৰোতে তেওঁ যে এজন মহাবিদ্যালয়ৰ অধ্যাপক তেনে কোনো অহংকাৰ কাহানিও দেখা পোৱা নগৈছিল। এনে ধৰণৰ সাধাৰণ কামৰ মাজেৰে সুৰজিত বৰুৱাৰ অসাধাৰণ গুণৰাশিহে স্বতঃস্ফূৰ্তভাৱে প্ৰকাশ পাইছিল। নিৰহংকাৰ আৰু দৃঢ়তা আছিল বৰুৱাৰ ভূষণ। সেই গুণৰাশিও বৰুৱাৰ পৰিয়ালৰ সূত্ৰেই যে তেওঁ আহৰণ কৰিছে সেই সম্পৰ্কত কোনো সংশয় নাই। ৰবদেউতাক ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱা, ককায়েক প্ৰখ্যাত শিল্পী নীলপৱন বৰুৱা, ইতিহাসবিদ, ৰাজনৈতিক বিশ্লেষক সুনীলপৱন বৰুৱা আদিৰ সান্নিধ্যত সুৰজিত বৰুৱাৰ মনৰ দিগন্ত প্ৰসাৰিত হৈছিল। শেহতীয়াভাৱে 'নিৰ্যাতন বিৰোধী ঐক্যমঞ্চ'ৰ এগৰাকী অতি নিষ্ঠাবান, সৎ-কৰ্মী হিচাপে সমাজত নিজৰ পৰিচয় ৰাখি থৈ গৈছে। 'নেফেন্দুৰ'ৰ সঞ্চালক মণ্ডলীৰ অন্যতম সঞ্চালকো আছিল। 'চিৰন্তন সাহিত্যৰ দিন'ৰ কাৰ্যকৰী সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি থাকোঁতেই সুৰজিত বৰুৱা আমাৰ মাজৰ পৰা আঁতৰি গ'ল।

'চিৰন্তন সাহিত্যৰ দিনে' সুৰজিত বৰুৱাক আখ্যা দিলে 'সাঁজৰ তৰা' বুলি। সাঁজৰ তৰাটো সঁচাকৈয়েই ব্যতিক্ৰম। অকলে ওলায়, জিলিকি ওলায়, চঞ্চল পোহৰ নহয়— গম্ভীৰ পোহৰ, অলেখ সময়ৰ বাবে ওলায়— কিন্তু ওলোৱা সময়খিনিতেই ৰাখি যায় তাৰ অক্ষয় স্বাক্ষৰ।

সুৰজিত বৰুৱা যে এক ব্যতিক্ৰমী প্ৰতিভাৰ অধিকাৰী আছিল আৰু সাংগঠনিক দক্ষতাথকা ব্যক্তিত্ব আছিল সেইষাৰ কথা বৰুৱাক লগ পোৱা প্ৰতিজন মানুহেই স্বীকাৰ কৰে। সময়নিষ্ঠা আছিল বৰুৱাৰ ব্যক্তিত্বৰ এটা অনিবাৰ্য অংগ। সফলতা, নিষ্ঠা, অনুসন্ধিৎসু মনৰ

ব্যক্তিসত্তক বাদ দি যেনেদৰে সুৰঞ্জিত বৰুৱাৰ পৰিচয় আধৰুৱা হৈ থাকে— সময়নিষ্ঠা বাদ দি সুৰঞ্জিত বৰুৱাৰ পৰিচয়ো সম্পূৰ্ণ নহয়। যিকোনো অনুষ্ঠান বা সভা সমিতিত সময়ৰ আগতেই যদি এজন মানুহ উপস্থিত হয় তেনেহ'লে সেইজন হ'ল সুৰঞ্জিত বৰুৱা। একমাত্ৰ এই কাৰণতেই বিভিন্ন ৰাজহুৱা দায়িত্ব পালন কৰাৰ পিছতো সুৰঞ্জিত বৰুৱাই মাধ্যমিক স্তৰৰ পৰা স্নাতক পৰ্যায়লৈ ভালেমান ইতিহাস বিষয়ক পাঠ্যপুথি শিক্ষাৰ্থীৰ বাবে প্ৰণয়ন কৰিব পাৰিছিল। ইতিহাসৰ দৰে নিথৰ নিৰস তথ্যসমৃদ্ধ বিষয় এটাক সুৰঞ্জিত বৰুৱাই সৃষ্টিশীল সাহিত্য আৰু গৱেষণাসমৃদ্ধ অনুসন্ধানৰ এক মিশ্ৰণ হিচাপে নিৰ্মাণ কৰাত গুৰুত্ব দিছিল। ইতিহাসক জনগণৰ আত্মপ্ৰতিষ্ঠাৰ এক দলিল হিচাপে চোৱাটো আছিল তেওঁৰ অনুসন্ধিৎসাৰ দৰ্শন। ইতিহাস মানে কেৱল ৰাজনৈতিক ইতিহাসেই শেষ কথা নহয়। সমাজৰ সকলো বিষয়েই ইতিহাসৰ দলিলৰ অংগ হ'ব পাৰে।

'সংস্কৃতি, মতাদৰ্শ আৰু ইতিহাস চৰ্চা' নামৰ ৰচনাত বৰুৱাই উল্লেখ কৰিছে 'আমি বিশ্বাস কৰো যে সকলো প্ৰকৃত ইতিহাসেই হ'ল সমসাময়িক ইতিহাস। সেয়েহে, প্ৰতিটো যুগৰ জনগণৰ আত্মপ্ৰতিষ্ঠাৰ বাস্তৱ সমস্যাক লৈ ঐতিহাসিকসকলে ইতিহাস চৰ্চা কৰাটো স্বাভাৱিক। এনেকৈয়ে আত্মপ্ৰতিষ্ঠা, ইতিহাস চৰ্চা আৰু সাংস্কৃতিক মতাদৰ্শৰ মাজত মিলন সাঁকো প্ৰতিষ্ঠা হয়। ...মতাদৰ্শগত আলাপ-আলোচনা বা বিতৰ্ক আদি বিষয়সমূহ বৌদ্ধিক ইতিহাসৰ অংগ। ফলত বুদ্ধিজীৱীসকলৰ স্থিতিৰ ওপৰত সমাজৰ শ্ৰমজীৱী জনগণৰ অগ্ৰণী অংশটোৰ বৈপ্লৱিক সত্তা বিকাশৰ প্ৰশ্নটো বহুখিনি নিৰ্ভৰ কৰিব। কিন্তু, বৌদ্ধিক চিন্তা-চৰ্চা আৰু সাংস্কৃতিক মতাদৰ্শ অবিহনে যিহেতু সমাজ ৰূপান্তৰ হ'ব নোৱাৰে, এনে পৰিস্থিতিত সমাজতন্ত্ৰত বিশ্বাসী 'জৈৱিক বুদ্ধিজীৱী' সকলেই বৌদ্ধিক বিতৰ্ক, ৰাজনৈতিক বা অন্যান্য সামাজিক সংগঠনৰ হৈ কাম-কাজৰ মাজেৰে এক বিকল্প সংস্কৃতিৰ নিৰ্মাণৰ বাবে জনগণক প্ৰস্তুত কৰিব লাগিব।' বৰুৱাৰ এনে কথাই বুদ্ধিজীৱীসকলক এক বিশেষ শ্ৰেণীভুক্ত কৰি তাৰ ঐতিহাসিক দায়বদ্ধতাকেই প্ৰতিফলিত কৰিছে। এইখিনি কথাত গ্ৰামচিৰ অনুৰণন শুনিবলৈ পোৱা যায়। সেইদৰে 'জ্যোতিপ্ৰসাদৰ সময়ৰ অসম' নামৰ ৰচনাত অসমীয়া জাতীয়তাৰ উন্মেষৰ আৰ্থ-সামাজিক পৃষ্ঠভূমিৰ বহুমাত্ৰিক ব্যাখ্যা দিবলৈ বৰুৱা যত্নপৰ হৈছে।

অসমৰ প্ৰখ্যাত লেখক, অৰ্থনীতিবিদ, তাত্ত্বিক, কবি শ্ৰীযতীন্দ্ৰ কুমাৰ বৰগোহাঞিয়ে 'ড° সুৰঞ্জিত বৰুৱা : সময়ে হৰুৱাব নোৱৰা মানুহজন' শিৰোনামাৰে সুৰঞ্জিত বৰুৱাৰ লেখাৰ ওপৰত গুৰুত্বপূৰ্ণ মূল্যায়ন কৰি দি আমাক ঋণী কৰিছে। পাঠকসকলে ড° সুৰঞ্জিত বৰুৱাৰ লেখা আৰু বৰগোহাঞিৰ তাত্ত্বিক মূল্যায়ন দুয়োটাই পঢ়িবলৈ পাব। ড° সুৰঞ্জিত বৰুৱাৰ লেখাখিনি উলিওৱাই দিয়াৰ ক্ষেত্ৰত এই মানসিকতাটো আমি ৰখা নাই যে ড° বৰুৱা 'চিৰন্তন সাহিত্যৰ' দিনৰ কাৰ্যকৰী সভাপতি আছিল বাবে, সংগঠক হিচাপে থাকিও ড° বৰুৱাই কেনেদৰে এক পদ্ধতিগত সফল বৌদ্ধিক অনুশীলন আৰম্ভ কৰিছিল

তাৰ স'তেহে আমি পাঠকক পৰিচয় কৰি দিয়াৰ যত্ন কৰিছো। কি এক দুৰন্ত প্ৰতিভা ড° বৰুৱাৰ চিন্তা-চেতনাত বিয়পি আছিল— যি প্ৰতিভাই কলি পেলাইছিলহে মাথোন— প্ৰস্ফুটিত হ'বলৈ সময়েই নাপালে। ই এক বিশাল ক্ষতি। ক্ষতি আমাৰ জাতীয় জীৱনটোৰেই। 'চিৰন্তন সাহিত্যৰ দিন' এনে ক্ষতিৰ যেনিবা নির্মম প্ৰত্যক্ষ অংশীদাৰ।

এই লেখাকেইটা ছপাই উলিওৱাৰ ক্ষেত্ৰত যিগৰাকীয়ে এশ শতাংশ উদ্যোগ লৈছে সেয়া হ'ল ড° সুৰজিত বৰুৱাৰ সুযোগ্যা পত্নী বিদ্যানুৰাগী সাবিত্ৰী শইকীয়া বৰুৱা। লেখা কেইটা বিচাৰি-খুচৰি যুগুতাই দিয়াত যি উদ্যোগী ভূমিকা লৈছে সিয়েই এই গ্ৰন্থখন প্ৰকাশ হৈ ওলোৱাত আগভাগ লৈছে। মোৰ দৰে সময় মিলাব নোৱৰা মানুহ এজনক লৈ সাবিত্ৰী নিঃসন্দেহে বৰ অসুবিধাত পৰিছিল। অক্ষৰ বিন্যাস আৰু বৰ্ণাশুদ্ধিক লৈ অসুবিধাত পৰিছিল 'নেফেন্দুৰ'ৰ নবজ্যোতি বৰা— শেষলৈ নবই মোক ক'বলৈকে এৰিছিল। কেৱল এখাৰ অনুৰোধতেই অতি কম সময়ৰ ভিতৰতে গ্ৰন্থখন ছপা কৰি উলিয়াই দিছে 'ভাৰত অফচেট প্ৰেছ'ৰ স্বত্বাধিকাৰী শ্ৰীপবিত্ৰজীৱন বৰুৱাই। সদৌটিকে 'চিৰন্তন সাহিত্যৰ দিন'ৰ তৰফৰ পৰা ধন্যবাদ আৰু কৃতজ্ঞতা জনালো। অসমীয়া গ্ৰন্থৰ বজাৰৰ মন্দা দিনত 'সুৰজিত বৰুৱা ৰচনা সংগ্ৰহ'খন পৰিৱেশনৰ বাবে এন. এল. পাব্লিকেশ্বনে দায়িত্ব গ্ৰহণ কৰি আমাক অনুগৃহীত কৰিছে। সম্পাদনাৰ দৰে জটিল আৰু সূক্ষ্ম কামটোত বিশেষভাৱে সহায় কৰিছে বিদ্যানুৰাগী শ্ৰীভবেন গোস্বামী, শ্ৰীনবজ্যোতি বৰা আৰু শ্ৰীঅলক অধিকাৰীয়ে। শ্ৰীপ্ৰদীপ বৰুৱায়ো গ্ৰন্থখনৰ অলংকৰণত সহায় কৰি দি আমাক কৃতজ্ঞ কৰিছে। শ্ৰীদীপ কাকতিয়ে বেটুপাতখন কৰি দি আমাক ধন্য কৰিছে। সংশ্লিষ্ট সদৌটিকে 'চিৰন্তন সাহিত্যৰ দিন'ৰ তৰফৰ পৰা ধন্যবাদ জনালো।

বিদ্বৎ সমাজে গ্ৰন্থখনত সামান্য কিবা নতুনত্ব আৰু সমল বিচাৰি পালে আমাৰ শ্ৰম সাৰ্থক হ'ব। এইদৰেই আমি পাহ মেলা প্ৰয়াত প্ৰতিভাৰ প্ৰতি সামান্যতম শ্ৰদ্ধা জনাব পাৰো। পাঠকসকলৰ এইখিনিয়েই আমাৰ বিনম্ৰ অনুৰোধ।

শঙ্কৰ শইকীয়া
সম্পাদক
চিৰন্তন সাহিত্যৰ দিন

দিনাংক : ১ মে' ২০০৭ চন।

ড° সুৰজিত বৰুৱা ঃ
সময়ে হৰুৱাব নোৱৰা মানুহজন

ড° সুৰজিত বৰুৱাৰ ৰচনাৰ বিষয়বস্তুলৈ দৃষ্টিপাত কৰিলেই আমি এই কথা বুজিব পাৰো যে এইগৰাকী ডেকা গৱেষক লঘু বিষয়বস্তুৰ প্ৰতি অনুৰক্ত নাছিল। অসমীয়া সমাজখনৰ আৰ্থ-সামাজিক, সাংস্কৃতিক তথা ৰাজনৈতিক ভেটি নিৰ্মাণত যিবোৰ উপাদানে গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰিছিল, সেই উপাদানবিলাক চিহ্নিত কৰা আৰু সেই সমূহৰ এক বস্তুভিত্তিক বিশ্লেষণৰ আধাৰত অসমীয়াৰ প্ৰগতিশীল মনটো গঢ় দিয়াৰ ক্ষেত্ৰত যৎপৰোনাস্তি অৰিহণা যোগোৱাৰ প্ৰতি তেওঁ আছিল চিৰসজাগ। অকালতে তেওঁৰ মৃত্যু নোহোৱা হ'লে সম্ভৱ তেওঁ অধিক ব্যাপক বস্তুনিষ্ঠ আলোচনাৰে অসমীয়া ভাষা-কৃষ্টি আৰু জাতি-গঠনৰ সুস্থ প্ৰক্ৰিয়াটোৰ প্ৰতি গুৰুত্বপূৰ্ণ অৰিহণা যোগাব পাৰিলেহেঁতেন। কালৰ কুটিল গতিত ... কৰ্ম-সম্পাদনৰ বাবে বেছি সময় নাপালে যদিও তাৰ মাজতে যিখিনি কৰি থৈ গ'ল— সেয়া নিচেই কম গুৰুত্বপূৰ্ণ নহয়। মনত ৰখা ভাল যে তেওঁ বিভিন্ন সামাজিক কামত ওতপ্ৰোতভাৱে জড়িত থাকি এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ মাজতে এই গৱেষণামূলক লিখাবোৰ সম্পূৰ্ণ কৰিছিল। সম্ভৱতঃ তেওঁৰ দায়িত্বশীল কৰ্ম-জীৱনে গৱেষণামূলক কৰ্মৰ বাবে নিয়োজিত হ'ব পৰা বহু সময় আজুৰি নিলেও, এই সামাজিক দায়বদ্ধতাই তেওঁৰ লিখাবোৰ অধিক দায়বদ্ধ আৰু বাইজ নিবেদিত কৰাত প্ৰচুৰ অৰিহণাও যোগাইছিল।

ড° বৰুৱাৰ প্ৰধান বৈশিষ্ট্যই হ'ল তেওঁৰ সামাজিক-বস্তুবাদী দৃষ্টিভংগী। এই দৃষ্টিভংগী তেওঁৰ মাৰ্ক্সবাদ-লেনিনবাদ অধ্যয়নে পুৰঠ কৰিছিল। সততা আৰু নিষ্ঠাৰে অসমৰ ইতিহাসৰ পুনৰ মূল্যায়নৰ প্ৰয়াস কৰিছিল আৰু অতি কম দিনৰ ভিতৰতে, অতি কম-সংখ্যক সুচিন্তিত ৰচনাৰেই তেওঁ এগৰাকী নিৰ্মোহ বস্তুনিষ্ঠ বিশ্লেষক হিচাপে নিজৰ আসন গজগজীয়া কৰিছিল। কিন্তু দুৰ্ভাগ্যৰ কথা যে তেওঁ আৰম্ভ কৰা সকলো কাম সমাপ্ত কৰিবৰ বাবে যথেষ্ট সময় নাপালে। তথাপি নিচেই কম দিনৰ ভিতৰতে, সুচিন্তাপ্ৰসূত যি কেইটা প্ৰবন্ধৰে তেওঁ অসমীয়া গৱেষণাধৰ্মী তথা গভীৰ বিশ্লেষণধৰ্মী সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গ'ল, গুৰুত্বৰ বিচাৰত সেয়াই বহুত বেছি। এই সংকলনটিত তেনে মূল্যবান প্ৰবন্ধকেইটা একত্ৰে আগবঢ়োৱা হৈছে। এইকেইটা প্ৰবন্ধৰ বাহিৰেও তেওঁৰ কিছু ৰচনা 'প্ৰস্তুত' আলোচনীখনৰ পাতত থাকি গৈছে।

এই সংকলনত অন্তৰ্ভুক্ত প্ৰবন্ধকেইটা হ'ল— জ্যোতিপ্ৰসাদৰ সময়ৰ অসম, বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ অসমৰ ইতিহাস চৰ্চা, ইতিহাস চৰ্চাত সাম্প্ৰদায়িকতাবাদ আৰু

ঔপনিৱেশিক অসমত দেশী সুৰাৰ ৰাজনীতি।

জ্যোতিপ্ৰসাদ সম্পৰ্কীয় তেওঁৰ ৰচনাখনৰ তাৎপৰ্য কি? যিসময়ত কেবাগৰাকীও লব্ধপ্ৰতিষ্ঠ লোকে জ্যোতিপ্ৰসাদ আৰ্য বংশোদ্ভূত আছিল নে তদানীন্তন অসমীয়া সমাজখনৰ সীমাইদি প্ৰৱেশ কৰা এক ব্যৱসায়লিপ্ত সমন্বয়মুখী আৰু সংস্কৃতিসম্পন্ন পৰিয়ালৰ প্ৰতিনিধি আছিল সেইটো লৈ অবাঞ্ছিত বিতৰ্ক আৰম্ভ কৰিছে, সেই সময়ত ড° বৰুৱাই জ্যোতিপ্ৰসাদৰ উদ্ভৱ কালৰ আৰ্থ-সামাজিক অৱস্থাৰ বিশ্লেষণ কৰিছে: নৱৰঙ্গমল আগৰৱালাই অসমত স্থাপন কৰা বংশটো আৰ্য আছিল, সেই কাৰণেহে তেওঁলোকে অসমীয়া সমাজ আৰু সংস্কৃতিৰ ৰঘৰ নিৰ্মাণলৈ গুৰুত্বপূৰ্ণ অৰিহণা যোগাব পাৰিলে, তেনেধৰণৰ দুষ্টবুদ্ধিসম্ভূত সিদ্ধান্ত শুদ্ধ হোৱা হ'লে এতিয়াও অসমৰ নগৰে নগৰে ব্যৱসায়-বাণিজ্যৰ একোটা বাণিজ্যিক অঞ্চল স্থাপন কৰি বাস কৰা সকলো আৰ্য-বংশোদ্ভূত ব্যৱসায়ীয়েই কলা-সংস্কৃতি আৰু সাহিত্যৰ সোণোৱালী সৌধ নিৰ্মাণ কৰিব পাৰিলেহেঁতেন! বাস্তৱত সেইটো হোৱা দেখা নাই। কিন্তু জ্যোতিপ্ৰসাদ আগৰৱালাৰ পূৰ্বসূৰী সকলৰ ভালেকেইজন এই ক্ষেত্ৰত ব্যতিক্ৰম আছিল। তেওঁলোকে যদিও ব্যৱসায় বাণিজ্য কৰিছিল, তথাপি ইংৰাজ উপনিৱেশবাদীসকলে অসমীয়া সমাজখনৰ ওপৰত জাপি দিয়া শোষণ আৰু নিষ্পেষণৰ নিৰ্মম নীতিসমূহৰ বিষয়ে তেওঁলোক সদা-সজাগ আছিল আৰু তেওঁলোকে অসমীয়া সমাজখনৰ ভিতৰুৱা হৈ এনে শোষণ-নিষ্পেষণৰ বিৰোধিতা কৰিবলৈ আৰম্ভ কৰিছিল ৰাজস্থানৰ পৰা অহা এই আগৰৱালা পৰিয়ালটো জাতে-পাতে অসমীয়া হৈ পৰা মূল হেতু অৱশ্যে বৈবাহিক বা সামাজিক আদান-প্ৰদান, সাংস্কৃতিক সাধনাৰ সফল ভেটি আৰু ৰাজনৈতিকভাৱে স্বাধীনতা সংগ্ৰামীসকলৰ প্ৰতি থকা সম্ভ্ৰম আৰু সবাতো উপৰিও ভাৰতীয় ব্যৱসায়ী উদ্যোগী শ্ৰেণীৰ ক্ষেত্ৰত সততে দুৰ্লভ— গতিশীল দৃষ্টিভংগী। জ্যোতিপ্ৰসাদৰ সময় বুলিলে আমি বিংশ শতাব্দীৰ প্ৰথমাৰ্দ্ধৰ কথাই বুজাওঁ। এই সময়চোৱা অসমৰ সামাজিক অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক জীৱনত কেইবাটাও দিশৰপৰা বিশেষ তাৎপৰ্যপূৰ্ণ। এই যুগতে অসমৰ মধ্যশ্ৰেণীৰ প্ৰচেষ্টাত কংগ্ৰেছ দলৰ উত্থান, ১৯৩৫ চনৰ পিছত ন-সূৰুযৰ পোহৰ পাই ধীৰে ধীৰে ঠন ধৰি উঠা গছৰ দৰে সমাজতান্ত্ৰিক চিন্তাধাৰাৰ ভিত্তি প্ৰতিষ্ঠা, কংগ্ৰেছৰ নেতৃত্বত স্বৰাজ ত্যাগ আন্দোলন আৰু ১৯৪৭ চনত স্বৰাজ লাভ সম্ভৱ হয়। প্ৰকৃতাৰ্থত এই যুগটো অসমীয়া মধ্যশ্ৰেণীৰ নেতৃত্বত অসমীয়া জাতি ভাৰতীয় ৰাজনীতিৰ লগত দৃঢ়ভাৱে সম্মিলিত হোৱাৰ সময়। 'আছাম এছোচিয়েশ্যন' কংগ্ৰেছ দলৰ লগত চামিল হোৱা আৰু এই চামিলকৰণৰ জৰিয়তে অসমীয়া শিক্ষিত শ্ৰেণীৰ বাবে বলিষ্ঠভাৱে ভাৰতীয়ত্ব গ্ৰহণ কৰাৰ বাবে পথ উন্মোচিত হয়। অলপৰা অসমীয়া সমাজৰ লগত বৈবাহিকসূত্ৰে সম্পূৰ্ণ একাত্ম হৈ পৰা আগৰৱালা পৰিয়াল কপান্তৰমুখী এই যুগত অসমৰ সমাজ, সংস্কৃতি আৰু ৰাজনীতিৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ পৰিল। জ্যোতিপ্ৰসাদ হ'ল এই সমন্বয়মুখী পৰিয়ালটোৰ যেন এক নৱজাগৰণৰ স্বৰ্ণকমল জ্যোতিপ্ৰসাদ অসমৰ শ্ৰমিক, কৃষক

আৰু জনজাতিসকলৰ সমস্যাসমূহৰ প্ৰতি সজাগ আছিল আৰু তেওঁ সাম্ৰাজ্যবাদী ইংৰাজৰ বিৰুদ্ধে সংগ্ৰামত জঁপিয়াই পৰোতে এই সাধাৰণ শ্ৰেণীৰ মানুহৰ সমস্যাবোৰ সমাধানৰ লক্ষ্যৰে আগবাঢ়িছিল। জ্যোতিপ্ৰসাদে কংগ্ৰেছ ছচিয়েলিষ্ট দলৰ লগত গঢ়ি তুলিছিল সম্পৰ্ক। বিয়াল্লিছৰ গণ-আন্দোলনত বৰ বৰ নেতাসকলক আটক কৰাৰ পিছত জ্যোতিপ্ৰসাদে ভাৰতীয় সমাজতান্ত্ৰিক আন্দোলনৰ বৰিষ্ঠ নেতা জয়প্ৰকাশ নাৰায়ণৰ পদাংক অনুসৰণ কৰিয়েই আত্মগোপন কৰিছিল আৰু সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামক ইয়াৰ চূড়ান্ত পৰ্যায়লৈ উন্নীত কৰাৰ প্ৰয়াস কৰিছিল। কংগ্ৰেছ আদৰ্শ গ্ৰহণ কৰিও শ্ৰমিক আৰু সাধাৰণ মানুহৰ প্ৰতি অনুৰাগী হৈ পৰা জ্যোতিপ্ৰসাদৰ মনত অৱশ্যেই গভীৰভাৱে ক্ৰিয়া কৰিছিল ইংৰাজৰ দিনত সৃষ্টি হোৱা অনগ্ৰসৰতা, নিষ্পেষণ আৰু খাজনা বৃদ্ধিয়ে। খাজনা দিব নোৱৰা নাইবা জৰিমনা দিব নোৱৰা কৃষকৰ বিৰুদ্ধে ইংৰাজে গ্ৰহণ কৰা দমনমূলক ব্যৱস্থা, সম্পত্তি বাজেয়াপ্তকৰণৰ উপৰিও, খাজনাৰ বোজা বহন কৰিব নোৱাৰি কৃষকে খেতিৰ মাটি এৰি দিবলগীয়া হৈছিল। এই শ্ৰমিক-কৃষক শ্ৰেণীৰ প্ৰতি থকা অনুৰাগেই জ্যোতিপ্ৰসাদক কংগ্ৰেছী স্বৰাজ আন্দোলনৰ অংশীদাৰ হোৱা সত্ত্বেও, স্বৰাজ লাভৰ পিছত সাম্যবাদ বিৰোধী আৰু ৰূপান্তৰকামী শক্তিৰ বিৰোধী ভূমিকা গ্ৰহণ কৰা কংগ্ৰেছৰ প্ৰতি বীতশ্ৰদ্ধ কৰি তুলিছিল।

ড° বৰুৱাই সঠিকভাৱেই উল্লেখ কৰিছে 'জ্যোতিৰ শিল্পসত্তাৰ বিস্ফোৰক ৰূপটোৱে আছিল তেওঁৰ ৰাজনীতি। জাতীয় মুক্তি আন্দোলনত তেওঁ জনগণৰ ৰাজনৈতিক আৰু সাংস্কৃতিক আন্দোলনক একেটা বিন্দুতে কেন্দ্ৰীভূত কৰাৰ চেষ্টা কৰিছিল।' জ্যোতিপ্ৰসাদৰ শিল্পী সত্তাৰ বৈপ্লৱিক জাগৰণৰ কাৰণসমূহ জাতীয় জাগৰণৰ বিশেষ পটভূমিৰ লগত জড়িত। শিল্পী সত্তাৰ বিশেষ বৈচিত্ৰ্যই হ'ল যে ই কেৱল আৰ্থ-সামাজিক ব্যৱস্থাৰদ্বাৰা সৃষ্টই নহয়, ই দ্বন্দ্বমূলকভাৱে আৰ্থ-সামাজিক ব্যৱস্থাক শিল্পীৰ মনোমতভাৱে গঢ়াৰ সাধনাতো ব্ৰতী কৰায়। জ্যোতিপ্ৰসাদ আছিল এনে এক বিৰল প্ৰতিভাধৰ ব্যক্তি যি থলুৱা গীত-মাত, সুৰ আৰু কৃষ্টিক জগত-সভালৈ নিয়াৰ বাবে, ইয়াৰ বৈপ্লৱিক ৰূপান্তৰ ঘটোৱাৰ বাবে আৰম্ভ কৰিছিল সাধনা। জ্যোতিপ্ৰসাদ জাতে-পাতে মহামানৱীয় সংস্কৃতিৰ পূজাৰী হোৱা সত্ত্বেও তেওঁ কিয় থলুৱা কৃষ্টি, নৃত্য-গীত, সুৰ, বাদ্যযন্ত্ৰ আৰু সাজ-পাৰৰ মাজত বিশিষ্ট জগত জিনিব পৰা ৰূপ এটা দেখা পাইছিল আৰু তাকেই ৰূপান্তৰৰ কাৰিকৰ হিচাপে গণ বিপ্লৱৰ অস্ত্ৰত পৰিণত কৰিবলৈ প্ৰয়াস কৰিছিল? বিষ্ণুপ্ৰসাদেও একেটা কামেই সফলভাৱে কৰিছিল। ড° বৰুৱাই অসমীয়া মধ্যশ্ৰেণীৰ সেই দুৰ্বলতাৰ কথা পৰ্যালোচনা কৰিছে, যি দুৰ্বলতাৰ বাবে থলুৱা কৃষ্টিৰ বুকুৰ পৰাই জগতসভালৈ যাব পৰা বৈপ্লৱিক কৃষ্টিৰ সংগ্ৰাম অব্যাহত ৰখাত তেওঁলোক ব্যৰ্থ হৈছে।

ঔপনিবেশিক যুগত ৰাজ ব্যৱস্থাৰ এক সম্যক তথ্য-সমৃদ্ধ বিশ্লেষণ— 'বিদেশী শক্তিকাৰ প্ৰথমাৰ্দ্ধৰ অসমৰ ঔপনিবেশিক ভূমি ৰাজহ ব্যৱস্থা' প্ৰবন্ধত কৰিছে, ড° বৰুৱাৰ এইটো বিদ্যায়তনিক গৱেষণাৰ বিষয়; পণ্ডিতকে প্ৰচুৰ তথ্য তেওঁ গোটাইছিল

আৰু আঁত লগাই, চমুকৈ বিশ্লেষণো কৰিছিল। ইংৰাজ অসমলৈ অহাৰ পিছত যিকেইটা যুগান্তকাৰী আৰু ইতিবাচক পৰিবৰ্তনৰ সূচনা ইংৰাজে নিজৰ স্বাৰ্থতে কৰিছিল সেই কেইটা হ'ল পৰিবহণ ব্যৱস্থাৰ উন্নয়ন সাধন, শিক্ষাৰ প্ৰসাৰ আৰু বাগিচা শিল্পৰ উন্নয়ন তথা কৃষি আৰু উদ্যোগৰ প্ৰাৰম্ভিক উন্নয়ন। অসমত বৰ্তমান যিবোৰ অৰ্থকৰী শস্যৰ বহুলভাৱে খেতি হয়, সেইবিলাক খেতি মধ্যযুগৰ অসমত বহুলভাৱে হোৱাই নাছিল। চাহ, মৰাপাট, কুঁহিয়াৰ ইয়াৰ ভিতৰত প্ৰধান। তাৰ বাহিৰেও আধুনিক যুগত জনপ্ৰিয় হোৱা শাক-পাচলিবিলাক আৰু ফল-মূলৰ ব্যাপক খেতিও মূলতঃ ইংৰাজৰ যুগত বিস্তাৰিত হোৱা। কৃষিৰ উন্নয়নৰ এই দিশটো কিন্তু ইংৰাজৰ স্থায়ী ভূমি ব্যৱস্থাৰ প্ৰৱৰ্তন আৰু ৰাজহ বৃদ্ধিৰ লগত সাঙোৰ খাই আছে। ইংৰাজৰ যুগত ভূমি-ৰাজহ বৃদ্ধিয়ে প্ৰথম অৱস্থাত বহু থলুৱা কৃষকক ভূমিৰ অধিকাৰ প্ৰত্যাহাৰ কৰিবলৈ বাধ্য কৰিছিল। মুদ্ৰা হাতত নথকা কৃষকে সামান্য ৰাজহো মুদ্ৰাৰে পৰিশোধ কৰিব নোৱাৰিছিল। গতিকে মুদ্ৰাৰে ৰাজহ পৰিশোধ কৰা এটা স্থায়ী ব্যৱস্থা প্ৰৱৰ্তন আৰু ইয়াৰ সমান্তৰালভাৱে চাহ বাগিচা খোলা চাহাবসকলক দীৰ্ঘম্যাদী চুক্তিৰ ভিত্তিত ৰাজহ মুক্ত ভূমি প্ৰদান ব্যৱস্থাই ইংৰাজৰ ৰাজহ নীতিৰ ঔপনিৱেশিক চৰিত্ৰটো স্পষ্ট ৰূপত উদঙাই দিয়ে। 'ঔপনিৱেশিক ভূমি ৰাজহ ব্যৱস্থা'ৰ দৰেই ঔপনিৱেশিক আবকাৰী শুল্কৰ ব্যৱস্থা তথা কানি আৰু সুৰাৰ ব্যৱসায়ো আছিল মূলতঃ থলুৱা স্বাৰ্থৰ বিৰোধী। মনত ৰখা ভাল যে ইংৰাজৰ কানি ব্যৱসায় আৰু থলুৱা কানিৰ খেতিৰ ওপৰত লগোৱা কৰে অসমত প্ৰথম কৃষি-বিদ্ৰোহ 'ফুলগুৰি ধেৱা'ৰ সূচনা কৰিছিল মণিৰাম দেৱানৰ ফাঁচিৰ মাত্ৰ তিনিবছৰ পিছতে। ভাৰতৰ ইতিহাসতে ই এক গুৰুত্বপূৰ্ণ ঘটনা। 'ঔপনিৱেশিক অসমত দেশী সুৰা'ৰ প্ৰচলন' একেদৰেই মূলতঃ বাগানৰ শ্ৰমিকসকলক কপৰ্দকহীন কৰাৰ এটা ব্যৱস্থা। প্ৰতিখন বাগানতে এখন দেশী সুৰাৰ মহল খুলি দিয়াৰ ফলত এফালে ইংৰাজৰ ৰাজহ বাঢ়িছিল দ্ৰুত গতিৰে, আনফালে শ্ৰমিক সকলৰ সাপ্তাহিক মজুৰীৰ ধনৰ সামান্য ৰাহি অংশটো উৰি গৈছিল দেশী সুৰাত। গতিকে এই ব্যৱস্থাটোৱে এক দুমুখীয়া অস্ত্ৰৰ দৰে কাম কৰিছিল। বিত্তীয়ভাৱে বাস্তৱক টনকিয়াল কৰা এইটো এটা ভ্ৰান্ত ৰাজহ ব্যৱস্থা— যিটোৰ বিষয়ে ড° বৰুৱাই 'ঔপনিৱেশিক অসমত দেশী সুৰাৰ ৰাজনীতি' প্ৰবন্ধটোত সুন্দৰভাৱে ব্যাখ্যা কৰিছে। দুমুখীয়া অস্ত্ৰপাতৰ আনটোফালে আছে সামাজিক ৰাজনৈতিক শান। মনত ৰখা ভাল যে অসম চৰকাৰৰ ৰাজহ-নীতি প্ৰণয়ন কৰা শাসকবৰ্গই আজিকোপতি দেশী সুৰাৰ মহল তথা সুৰাৰ মহলক শুল্ক সংগ্ৰহৰ এক উৎস হিচাপে গণ্য কৰি আহিছে। এই ঔপনিৱেশিক যুগতে বাদ্ধি দিয়া কেৰোণীয়া বিত্তীয় আলিটোৰ পৰা আঁতৰি অহাৰ বাবে স্বাধীনোত্তৰ যুগতো তথাকথিত সুবিধাবাদী মধ্যশ্ৰেণীৰ সজাগতা সৃষ্টি নহ'ল। ড° বৰুৱাই বিস্তৃত তথ্য-পাতিৰে ইংৰাজৰ দেশী সুৰাৰ ৰাজনীতিৰ স্বৰূপ উদঙাই দিছে, এই স্বৰূপ বৰ্তমানৰ ৰাজনীতি কৰা কংগ্ৰেছী আৰু জাতীয়তাবাদী উভয় শিবিৰে অনুধাৱন কৰা ভাল। প্ৰসংগতঃ উল্লেখযোগ্য যে দেশী সুৰাৰ বাণীয়ে শ্ৰমিক শ্ৰেণীক মতলীয়া কৰি এফালে 'পকেট কটা'ৰ ব্যৱস্থা কৰে,

আনকালে সুবাৰ মহলদাৰসকলৰ ওঁৰাল টানকিয়াল কৰে! স্বৰাজোত্তৰ কালত এই দেশীসুবাৰ মহলদাৰসকল হৈ পৰিল ৰাজনীতিৰো শক্তিশালী ঠিকাদাৰ। এওঁলোকৰ ধন আৰু সহযোগিতা নহ'লে ইংৰাজৰ দখলদাৰী ব্যৱস্থা নচলিছিল। এতিয়া, স্বৰাজোত্তৰ কালতো এওঁলোকৰ সহায় নহ'লে শ্ৰমিক শ্ৰেণীক নিয়ন্ত্ৰণ, দেশৰ ক্ষমতা দখলৰ বাবে নিৰ্বাচনী পুঁজি সংগ্ৰহ তথা মন্ত্ৰীত্বৰ গাদীদখল একেবাৰেই নচলে। ইংৰাজ আমোলৰ দেশীসুবাৰ ৰাজনীতি বিষয়ক প্ৰবন্ধটো বৰুৱাৰ চিন্তা-চৰ্চাৰ প্ৰগতিশীল আৰু জনমুখী ধাৰাটোৰ স্বাক্ষৰ বহনকাৰী ৰচনা।

ইতিহাসৰ অনুসন্ধিৎসু গৱেষক হিচাপে ড° বৰুৱাই ইতিহাস চৰ্চাৰ নীতি আৰু দৰ্শন সম্পৰ্কীয় দুটা প্ৰবন্ধ ৰচনা কৰি থৈ গৈছে। সংস্কৃতি, মতাদৰ্শ আৰু ইতিহাস চৰ্চা তথা 'ইতিহাস চৰ্চাত সাম্প্ৰদায়িকতাবাদ' এই দিশৰ চৰ্চাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান। অসমত বিদ্যায়তনিক ক্ষেত্ৰত যিসকল ইতিহাসবিদে বিদ্যায়তনিক সীমাবদ্ধতাৰ মাজত থাকি ইতিহাস চৰ্চা কৰিছে, যিসকলে চৰকাৰী পৃষ্ঠপোষকতাত ইতিহাস চৰ্চা কৰিছে তেওঁলোকৰ বেছি ভাগৰে ঐতিহাসিক দৃষ্টিভংগী কেৰোণীয়া। অসমৰ সংস্কৃতি আৰু ইতিহাসৰ মূল ধাৰা (Main Streem) কোনটো আজি-পৰ্যন্ত এই প্ৰশ্নটোৰ সম্যক উত্তৰ মতান্ধসকলে বিচাৰি উলিয়াব নোৱাৰে। অতীত ইতিহাস চৰ্চাত অবাঞ্ছিত আৰ্যবাদী (Pro-Aryan) দৃষ্টি-ভংগীয়ে যিদৰে কিৰাত, নিষাদ আৰু দ্ৰাবিড়সকলৰ অৱদান সম্পৰ্কে বিভ্ৰান্তিৰ সৃষ্টি কৰে, একেদৰে মধ্যযুগত হিন্দুত্ববাদী (Pro-Hindu) বা মুছলমান-বিদ্বেষী চিন্তায়ো সঠিক ইতিহাস চৰ্চাত বাধাৰ সৃষ্টি কৰে। একে ধৰণৰ বিভ্ৰান্তি আমি দেখা পাওঁ, অতি অবাঞ্ছিতভাৱে ইংৰাজমুখী তথা ঔপনিৱেশিকতাবাদী (Pro-Imperialist) বিভ্ৰান্তি। এনে ধৰণৰ বিভ্ৰান্তিৰ ফলতে আজিকোপতি সঠিক ইতিহাস ৰচনা প্ৰতিষ্ঠিত বিদ্যায়তনিক ক্ষেত্ৰত সম্ভৱ হোৱা নাই। যদিও ব্যতিক্ৰম আছে- তথাপি চিৰাচৰিত ধাৰাটো হৈ আছে প্ৰগতি-বিমুখ, ৰূপান্তৰ-বিমুখ আৰু স্থিতাৱস্থাৰ প্ৰতি অনুৰাগী। ইয়াৰ স্বাক্ষৰ আমি ১৮৫৭ চনৰ মুক্তি সংগ্ৰামৰ মূল্যায়ন আৰু তাৰো পিছৰ কৃষক বিদ্ৰোহৰ মূল্যায়ন, ইংৰাজ বিৰোধী সশস্ত্ৰ কাম-কাজবিলাকৰ মূল্যায়নৰ ক্ষেত্ৰত পাওঁ। ১৮৫৭ চনত মণিৰাম দেৱানৰ ফাঁচী হোৱাৰ আগতেই গমধৰ কোঁৱৰ-ধনঞ্জয় বৰগোহাঞিৰ নেতৃত্বত, ধনঞ্জয় বৰগোহাঞি-পিয়লি ফুকনৰ নেতৃত্বত ডাঙৰীয়া বিদ্ৰোহ হ'ল ইংৰাজৰ বিৰুদ্ধে। ইতিহাস ৰচকসকলৰ এক প্ৰকাৰ বাতুলামি আৰু ঔপনিৱেশিকতাবাদী চৰিত্ৰৰ বাবে বিদ্ৰোহীসকলৰ চৰিত্ৰহনন চলি থাকিল সুদীৰ্ঘকাল— বিদ্ৰোহৰ মূল লক্ষ্য কি আছিল তাৰ মূল্যায়নৰ পৰিবৰ্তে ইংৰাজে কিদৰে 'সৌভাগ্যক্ৰমে' বিদ্ৰোহবোৰ দমন কৰিবলৈ সমৰ্থ হ'ল তাৰ বৰ্ণনাতে আমাৰ প্ৰায়ভাগ ইতিহাসবিদ বিভ্ৰান্ত। তেওঁলোকে পক্ষ ল'লে ইংৰাজৰ। একেদৰে ফুলগুৰি ধেৱা'ত বিদ্ৰোহটোক কিছুমান কানীয়াৰ ভৱিষ্যতে সৃষ্ট অশান্তি বুলি বহুদিন ধৰি সতীয়া মন্তব্য দিয়া হ'ল। পথৰুঘাটৰ কৃষক বিদ্ৰোহ আৰু ৰঙিয়া-ব্যাসকুছি লছিমাৰ কৃষক বিদ্ৰোহ সম্পৰ্কতো মূল্যায়ন নতুনকৈ কৰাৰ প্ৰয়োজনীয়তা আছে। ঔপনিৱেশিকতাবাদী

দৃষ্টিভংগীৰ অৱসান সাম্প্ৰতিক কালত ঘটিছে আৰু এই অৱসান-ঘটোৱা প্ৰক্ৰিয়াত যিসকল ধীমান ইতিহাসবিদে অৰিহণা যোগাইছে তেওঁলোকৰ মাজত ড° বৰুৱা আছিল অন্যতম। ড° বৰুৱাৰ উল্লিখিত প্ৰবন্ধ দুটা এই দিশত অত্যন্ত গুৰুত্বপূৰ্ণ সংযোজন। ভাৰতৰ ইতিহাস চৰ্চাত বিপন চন্দ্ৰ, হৰবংস মুখিয়া, ৰমিলা থাপাৰ, ইৰফান হবিব তথা দামোদৰ কোচাম্বীয়ে যি বৈপ্লবিক ৰূপান্তৰ সাধনৰ প্ৰয়াস কৰিছে, সেই প্ৰক্ৰিয়াত স্বাভাৱিকতে বহু প্ৰশ্নই এতিয়াও অমীমাংসিতভাৱে থাকি গৈছে। অসমৰ থলুৱা ইতিহাসৰ জগত বিজড়িত ঘটনাসমূহ বিশ্লেষণৰ ক্ষেত্ৰত এনে প্ৰশ্নবোৰৰ উত্তৰ হয়। আমাৰ ইতিহাসবিদ বহুতেই বাস্তৱবাদী হোৱাৰ নামত ভাৰতৰ বিশাল উপমহাদেশীয় পটভূমিত Pro-Regional বা আঞ্চলিক দৃষ্টিভংগী গ্ৰহণ কৰে। দিল্লীৰ ইতিহাসবিদে দিল্লীকেন্দ্ৰিক, মহাৰাষ্ট্ৰৰ ইতিহাসবিদে মহাৰাষ্ট্ৰকেন্দ্ৰিক, গৌড়ৰ ইতিহাসবিদে গৌড়কেন্দ্ৰিক আৰু অসমৰ একাংশ ইতিহাসবিদে অসমকেন্দ্ৰিক আৰু একাংশই দিল্লীকেন্দ্ৰিক দৃষ্টিভংগী গ্ৰহণ কৰাৰ ফলস্বৰূপে প্ৰকৃত ইতিহাস ক'ৰবাতে তল পৰি থাকিল। আধুনিক যুগত ইতিহাস মূলতঃ সমগ্ৰ সমাজৰ মানুহৰ ইতিহাসলৈ ৰূপান্তৰিত হৈছে— ই কেৱল ৰজাই-ৰজাই যুঁজ-বাগৰৰ ইতিহাস হৈ থকা নাই। আনহাতে, মূল ধাৰা বা Main Stream সম্পৰ্কীয় ভ্ৰান্ত সাম্ৰাজ্যবাদপুষ্ট ধাৰণাবোধ তন্ন-তন্নকৈ বিশ্লেষণ কৰাটোও এই সময়ত অতীব প্ৰয়োজনীয় দাবী হৈ পৰিছে। ড° বৰুৱাই এই যুগৰ দাবীৰ প্ৰতি যে উপযুক্তভাৱে সঁহাৰি দিছিল তাৰ স্বাক্ষৰ আছে এই প্ৰবন্ধ দুটাত।

ড° বৰুৱাৰ গভীৰ চিন্তা আৰু সামাজিক দায়বদ্ধতাৰ নিদৰ্শন ফুটি উঠিছিল তেওঁৰ একক প্ৰচেষ্টাত সু-সম্পাদিত ৰূপত প্ৰকাশিত অধুনালুপ্ত 'প্ৰত্যয়' আলোচনীত। আলোচনীখনে প্ৰগতিশীল চিন্তা-চৰ্চাৰ বুনিয়াদ গঢ় দিয়াত এক উল্লেখনীয় অভাৱ পূৰণৰ প্ৰয়াস কৰিছিল। অসমৰ ন-পুৰণি এচাম লিখকৰ অৰ্থনীতি, কলা-শিল্প, সাহিত্য সম্পৰ্কীয় বিভিন্ন প্ৰবন্ধ সময়োচিতভাৱে যুগুতাই উলিয়াই দিয়াটো নিজেই এক গুৰুত্বপূৰ্ণ অবদান। এই আলোচনীখনৰ সম্পাদকীয় নিবন্ধ আৰু প্ৰাসঙ্গিক চিন্তা শিতানৰ ৰচনাসমূহত তেওঁৰ গভীৰ বাস্তৱ চেতনা ফুটি উঠিছিল। আলোচনীখনৰ চিন্তা-চৰ্চা প্ৰসংগত প্ৰাৰম্ভতে এই কথা কোৱা উচিত হ'ব যে ড° বৰুৱাই সামাজিক বস্তুবাদী দৃষ্টিৰে অসমৰ অতীত, বৰ্তমানৰ আৰু ভৱিষ্যতৰ সমস্যাবিলাক চালি-জাৰি চাবৰ বাবে প্ৰয়াস কৰিছিল। ১৯৯৫ চনত প্ৰকাশিত প্ৰথম বছৰ প্ৰথম সংখ্যাতে ড° বৰুৱাই লিখিছিল : "মধ্যযুগৰ অসমৰ সামন্তবাদী অৰ্থনীতিৰ আধাৰত জন্মলাভ কৰা সামাজিক আন্দোলনৰ পৰম্পৰা, উন্নত পুঁজিবাদী অৰ্থ-ব্যৱস্থা আৰু বস্তুনিষ্ঠ ইতিহাস চৰ্চাৰ জগত গভীৰভাৱে সংযোগ সাধন নোহোৱা তথা বৰ্তমানৰ স্থূল ভোগবাদী জীৱন-বোধৰ পটভূমিত সোলোক-ঢোলোক— ঐতিহ্যহীনতা, শ্ৰমবিমুখিতাত ভোগা অসমীয়া জাতি ছিন্নমূল হোৱাৰ আশংকা আজি বোধকৰো অমূলক নহয়। সাম্প্ৰতিক সাংস্কৃতিক সংকটৰ কাৰণো বিচাৰি চাব পৰা যায় অৰ্থনৈতিক অনগ্ৰসৰতা তথা স্থানীয় পুঁজিৰ বিকাশৰ শামুকীয়া গতিৰ মাজত।"— ড° বৰুৱা অসমীয়া মধ্যশ্ৰেণীৰ এই দুৰ্বলতা আৰু

সাংস্কৃতিক জীৱনৰ সংকটৰ প্ৰতি সদা-সচেতন আছিল। সুবিধাবাদী ৰাজনীতিৰ হাতিয়াৰ হোৱাৰ পৰা মধ্যশ্ৰেণীক আঁতৰাই অনা আৰু সঠিক চৰ্চাৰ আধাৰত এক নৱ-জাগৰণৰ সূচনা কৰাই আছিল 'প্ৰত্যয়'ৰ উদ্দেশ্য। চাৰিটা বছৰ ধৰি 'প্ৰত্যয়'য়ে কৰা বৌদ্ধিক সংগ্ৰামৰ বিশ্লেষণ কৰিলে আমাৰ চকুত পৰে যে ড° বৰুৱাই মূলতঃ কেইটামান দিশত নিজৰ বিজ্ঞানসন্মত ব্যাখ্যা আগবঢ়াবলৈ প্ৰয়াস কৰিছিল. সেই কেইটা হ'ল— (এক) অসমৰ আঞ্চলিকতাবাদী প্ৰবক্তাবিলাকৰ মাজত থকা আদৰ্শগত অপুষ্টি, (দুই) সৰ্বভাৰতীয় দলবিলাকৰ ভিতৰত কংগ্ৰেছৰ অসমৰ সামগ্ৰিক স্বাৰ্থৰ প্ৰতি অবহেলা, (তিনি) ৰাষ্ট্ৰীয়তাবাদী শক্তিবিলাকৰ সাম্প্ৰদায়িক সংকীৰ্ণতা আৰু মৌলবাদী শক্তিবিলাকৰ ক্ষতিকাৰক স্থিতি; (চাৰি) প্ৰগতিশীল শক্তিবিলাকৰ অসমৰ বিশেষ পৰিস্থিতিত নেতৃত্ব গ্ৰহণত ব্যৰ্থতা আৰু (পাঁচ) গোলকীকৰণৰ যুগত সৃষ্টি হোৱা আৰ্থ-সামাজিক আৰু সাংস্কৃতিক বিপৰ্যয়। এই দিশসমূহ উন্মোচন কৰোঁতে কিন্তু ড° বৰুৱাই যান্ত্ৰিক থৰ-বাগৰ মৰাৰ কৌশল গ্ৰহণ কৰা নাই। বৰং তেওঁৰ ব্যাপক অধ্যয়নপুষ্ট মনটোৱে যিমানলৈকে ঢুকি পায়— ঠিক সিমান বহলভাৱে অসমীয়া সুধী সমাজক এক যুক্তিবাদী নেতৃত্ব দিবলৈ প্ৰয়াস কৰিছিল। এই ক্ষেত্ৰত চতুৰ্থ বছৰ প্ৰথম সংখ্যাৰ 'অৰ্দ্ধশতকীৰ অনুভৱ' সম্পাদকীয় নিবন্ধটো বিশেষ উল্লেখনীয়। তেওঁৰ যুক্তিবাদী মনটোৰ পৰিচয় পোৱা যায় নিম্নোক্ত কথাখিনিত:

"জাতীয় নেতৃত্বৰ এই দোদুল্যমান অৱস্থাটো কিন্তু বহুসাৰ আৱৰণৰে ঢাকি ৰাখিব খোজা হৈছে— স্বাধীনতা আন্দোলনৰ ইতিহাস চৰ্চাৰ এক সংশোধনবাদী প্ৰক্ৰিয়াৰ মাজেদি। এই ক্ষেত্ৰত উল্লেখযোগ্য ১৯৮৮ চনত প্ৰকাশিত অধ্যাপক বিপনচন্দ্ৰৰ 'Indian National Movement : The Long Term Dynamics' নামৰ গৱেষণামূলক গ্ৰন্থখন। গ্ৰামছিৰ দৃষ্টিভঙ্গী গ্ৰহণ কৰি লেখকে এক বিশেষ চৰিত্ৰৰ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে জাতীয় কংগ্ৰেছৰ নেতৃত্বধীন আধিপত্যকামী সংগ্ৰামৰ কৌশল সঠিক আছিল বুলি যুক্তি প্ৰদৰ্শন কৰিছে।" ড° বৰুৱাই এই ক্ষেত্ৰত এক আপত্তি প্ৰদৰ্শন কৰি কৈছে যে এই ধাৰাটোৱে কংগ্ৰেছৰ শ্ৰেণীগত সীমাবদ্ধতাক বিশেষ কায়দা-কৌশলৰে বৈধতা প্ৰদান কৰিছে।" ড° বৰুৱাৰ মতে জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত গৱেষকসকলৰ ৰচনাও এই ক্ষেত্ৰত যথেষ্ট ভ্ৰান্তিকৰ। তেওঁলোকৰ আক্ৰমণৰ মূল লক্ষ্য ৰজনীপাম দত্তৰ 'ইণ্ডিয়া টু-ডে' নামৰ গ্ৰন্থখন— যিখনৰ ঐতিহাসিক যুক্তিনিৰ্ভৰতা আৰু বস্তুবাদী বিশ্লেষণ অতীৱ গভীৰ। আন এক ঐতিহাসিক গৱেষক স্কুল, উত্তৰ আধুনিকতাৰ দ্বাৰা প্ৰভাৱান্বিত 'চাব অল্টাৰ্ণ স্কুল'ৰ সীমাবদ্ধতাৰ কথাও ড° বৰুৱাই উদঙাই দিছে। এই স্কুলেও সাম্ৰাজ্যবাদৰ লগতে থকা নিষ্পেষিত জন-গণৰ সংগ্ৰামক ভুলভাৱে 'নিম্নবৰ্গ'ৰ লগত দেশী-বিদেশী 'elite'ৰ মাজত সংঘাত হিচাপে দেখুৱাবলৈ প্ৰয়াস কৰিছে। ড° বৰুৱাই এনে বিভ্ৰান্তিকৰ ব্যাখ্যাৰপৰা সাৱধানে থকাৰ বাবে সকীয়নি দিছে।

চতুৰ্থ বছৰ দ্বিতীয় সংখ্যাৰ সম্পাদকীয় 'নতুন শতিকা অভিমুখে'ত ড° বৰুৱাই

এই শতিকাৰ মূল আৰ্থ-ৰাজনৈতিক আৰু সাংস্কৃতিক সমস্যাসমূহ অতি থোৰতে আলোচনাৰ মাজলৈ আনিছে। এই সম্পাদকীয়ত তেওঁৰ ৰাষ্ট্ৰযন্ত্ৰৰ দমনমূলক চৰিত্ৰটোৰ ব্যাখ্যাত মাৰ্ক্সীয় চিন্তাৰ সুপ্ৰয়োগৰ আহ্বান প্ৰকৃততেই তাৎপৰ্যপূৰ্ণ।

অসমৰ জাতীয় জীৱনৰ বিকাশ তথা জাতীয়তাবাদী প্ৰৱণতাৰ বিকাশ সম্পৰ্কে ড° বৰুৱাই ভালেমান সম্পাদকীয়ত আলোচনা কৰিছে। এই আলোচনা তেওঁৰ ইতিহাস-গৱেষণালব্ধ জ্ঞানৰ ফচল। পূৰ্বে আমি তেওঁৰ গৱেষণা সম্পৰ্কীয় তাৎপৰ্যসমূহ উল্লেখ কৰি আহিছো। এই জাতীয় সম্পাদকীয় সমূহৰ ক্ষেত্ৰত সেয়ে নতুনকৈ কোনো মন্তব্য দিয়াৰ পৰা আমি বিৰত থাকিলো।

তেওঁ এটা সম্পাদকীয়ত সাম্প্ৰদায়িক ৰাজনীতিৰ লগত জিন্নাৰ যি প্ৰভেদ আছিল, তাৰ ওপৰত শৈলেশ কুমাৰ বন্দোপাধ্যায়ৰ 'জিন্না/পাকিস্তান, নতুন ভাবনা' গ্ৰন্থৰ মূল্যায়নৰ আধাৰত আলোকপাত কৰিছে। ধৰ্ম-চৰ্চা আৰু অসাম্প্ৰদায়িক দৃষ্টিভংগীৰ ক্ষেত্ৰত যে ব্যক্তিৰ নিজা আচৰণ আৰু ধৰ্ম-বিশ্বাসৰ গুৰুত্ব বেছি সেই কথা জিন্নাৰ দৃষ্টিভঙ্গীয়ে প্ৰমাণিত কৰে। ড° বৰুৱাৰ সংযোজন এই ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ— "হিন্দুসকলৰ স্বাৰ্থ বহুদূৰ জাতীয়তাবাদী মতাদৰ্শৰ মাজতে পূৰণ হৈছিল· এনে পৰিস্থিতিত শেষ পৰ্যায়ত মুছলিম সাম্প্ৰদায়িকতাই উগ্ৰৰূপ লোৱাত উগ্ৰবাদী হিন্দু সংগঠনবোৰেও কিন্তু পিছপৰি থকা নাছিল তথা জাতীয় কংগ্ৰেছেও সন্দেহজনক ধৰ্মনিৰপেক্ষ অৱস্থানৰ পৰা পৰিস্থিতি নিয়ন্ত্ৰণত ব্যৰ্থ হৈছিল।"

ড° বৰুৱাই সম্পাদকীয় সমূহত মূলতঃ জন-সাধাৰণক সাম্ৰাজ্যবাদী শক্তিৰ বিৰুদ্ধে, ভাৰতীয় শাসকবৰ্গৰ সাম্ৰাজ্যবাদৰ তোষণ-নীতি আৰু শোষক চৰিত্ৰৰ বিৰুদ্ধে, অসমৰ আঞ্চলিকতাবাদী দলবোৰৰ বৌদ্ধিক আৰু নৈতিক দুৰ্বলতাবোৰৰ বিৰুদ্ধে আৰু বাওঁপন্থী দলবোৰৰ কিছু পৰিমাণে আংশিক আৰু কেৰোণীয়া দৃষ্টি-ভঙ্গীৰ বিৰুদ্ধে সজাগ কৰি দি সচেতন শ্ৰেণী-সংগ্ৰামৰ পক্ষে সংগঠিত হ'বলৈ আহ্বান জনাইছিল· গোলকীকৰণৰ যুগত এনে এক প্ৰতিভাশালী ব্যক্তিৰ দৃঢ় দৃষ্টি-ভংগীৰ অভাৱে বৰ্তমান আমাক যথেষ্ট পীড়া দিছে। আমাৰ আশা, ড° বৰুৱাৰ অনুৰাগী সমাজে ড° বৰুৱাৰ বস্তুনিষ্ঠ আৰু দ্বন্দ্বমূলক ঐতিহাসিক দৃষ্টিভঙ্গীৰ সম্যক উপলব্ধিৰ ওপৰত গুৰুত্ব দিব·

ড° বৰুৱাক আমি অকালতে হেৰুৱালো। আমাৰ ধাৰণা, তেওঁৰ ৰচনাৰাজিৰ প্ৰকাশে আমি· কাল্পিকভাৱে হেৰুৱা মানুহজনক জাগ্ৰত ধী-শক্তিৰ ধাৰক হিচাপে যুগান্তৰলৈ জীয়াই ৰখাত অৰিহণা যোগাব। ড° বৰুৱাৰ উপযুক্ত সহধৰ্মিনী সাবিত্ৰীৰ এই প্ৰয়াস সাফল্যমণ্ডিত হওঁক· শুভ-কামনাৰে—

২২ ফেব্ৰুৱাৰী, ২০০৭ — যতীন্দ্ৰ কুমাৰ বৰগোহাঞি

সুৰজিত বৰুৱা ৰচনা সংগ্ৰহ

প্ৰথম খণ্ড

সূচীপত্ৰ

- জ্যোতিপ্ৰসাদৰ সময়ৰ অসম ... ১
- ইতিহাস চৰ্চাত সাম্প্ৰদায়িকতাবাদ ৪৪
- সংস্কৃতি, মতাদৰ্শ আৰু ইতিহাস চৰ্চা ৬৬
- বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ অসমৰ ঔপনিৱেশিক ভূমি ৰাজহ ব্যৱস্থা .. ৭৯
- সাম্ৰাজ্যবাদ, নিম্নবৰ্গৰ সমাজ আৰু সুৰাৰ ব্যৱসায় ১০২
- নেতাজীৰ ৰাজনৈতিক চিন্তাধাৰা : এটি সমীক্ষা ১১৪
- ঔপনিৱেশিক অসমত দেশী সুৰাৰ ৰাজনীতি ... ১২২
- সাম্প্ৰদায়িকতাবাদ : দুটা মৌলিক প্ৰশ্ন ১৪২
- ছাৰ অলটাৰ্ণ দৃষ্টিত অসমৰ অনুপ্ৰৱেশ-সমস্যা ... ১৪৭
- মধ্যবিত্তৰ মননত কিছু ১৫২
- সম্পাদকীয় ১৫৯
- ড° সুৰজিৎ বৰাৰ জীৱনপঞ্জী ১৬১

জ্যোতিপ্ৰসাদৰ সময়ৰ অসম

বিংশ শতাব্দীৰ প্ৰথমাৰ্দ্ধত অসমৰ ৰাজনৈতিক, আৰ্থ-সামাজিক পৰিস্থিতি আছিল জটিল। এফালেদি ঔপনিবেশিক শোষণৰ হেঁচাত অসমীয়া সাধাৰণ প্ৰজাৰ জীৱন-যাত্ৰা দুৰ্বহ্ হৈ উঠিছে আনফালে প্ৰশাসনিকভাৱে অসমক ১৯১৯ চনলৈকে পূৰ্ণ ৰাজ্যৰ মৰ্যাদা দিয়া হোৱা নাই। শিক্ষিত এটা চামে জাতীয় জীৱনৰ নিৰ্মাণৰ প্ৰস্তুতি চলাইছে, কিন্তু পূৰ্ণ মৰ্যাদা লাভৰ পাছতো ৰাজনৈতিকভাৱে অসমক প্ৰতিনিধিত্ব কৰাৰ সুযোগ-সুবিধা আছিল তেনেই সীমিত। অৱশ্যে সৰ্বভাৰতীয় পৰ্যায়ৰ ৰাজনৈতিক ঘটনা প্ৰৱাহৰ পৰা যে অসম বাহিৰত আছিল এনে নহয়। এই সময়ছোৱাত অসমীয়া মধ্যবিত্তৰ বৈপ্লৱিক উত্তৰণৰ মূল ভিত্তিও তৈয়াৰ হৈছিল। এই যাত্ৰা আছিল ১৯০৩ চনৰ আসাম এছ'চিয়েছন, ১৯১৬ চনত অসম ছাত্ৰ সন্মিলন জন্মৰ মাজেৰে ১৯২১ চনত জাতীয় কংগ্ৰেছৰ অসম শাখা প্ৰতিষ্ঠা হোৱালৈকে।

এনে এক ঐতিহাসিক প্ৰেক্ষাপটত ১৯০৩ চনত তামোলবাৰী চাহ বাগিচাতে জন্ম লাভ কৰিলে সাম্প্ৰতিক কালৰ মহান শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালাই। জ্যোতিপ্ৰসাদৰ বংশ পৰিচয়ৰ প্ৰশ্নতে মাৰোৱাৰী সম্প্ৰদায়ৰ লোকৰ অসম আগমণৰ প্ৰসংগটো আহি পৰে। উনবিংশ শতিকাৰ প্ৰথম ভাগৰ পৰাই এই সম্প্ৰদায়ৰ ব্যৱসায়ীসকলে অসমত খোপনি পুতি ওচৰ-চুবুৰীয়া জনজাতি লোকৰ লগত কঁপাহী কাপোৰ, ৰঙীন কমাল, লোণ, কানি আদি সোণ, ৰূপ, বাখৰ, মান দেশীয় কাপোৰ আৰু চীনামাটিৰ বাচনৰ লগত সাল-সলনি কৰিছিল বুলি জনা যায়। (ড° হেৰম্ব কান্ত বৰপূজাৰী : অসমৰ নৱ জাগৰণ : অনা অসমীয়াৰ ভূমিকা, গুৱাহাটী ১৯৮৭। পৃষ্ঠা ২৯) পৰ্যায়ক্ৰমে ঔপনিবেশিক কাঠামোৰ ভিতৰতে মাৰোৱাৰীসকল অসমত এটা প্ৰভাৱশালী বেপাৰী শ্ৰেণীত পৰিণত হ'লগৈ। আমাৰ আলোচ্য সময়ছোৱাত উক্ত শ্ৰেণীটোৱে মূলধনী ব্যৱসায়ৰ লগত জড়িত হৈ অসমীয়া কৃষক প্ৰজাক শুষণ কৰাৰ কথাও আলোচনা কৰিছো। কিন্তু জ্যোতিপ্ৰসাদৰ পৰিয়ালটো আছিল এক বিশাল সাংস্কৃতিক ঐতিহ্যৰ উত্তৰাধিকাৰী— সাধাৰণ ব্যৱসায়িক চামটোৰ লগত থাকিল এওঁলোকৰ আকাশ-পাতাল প্ৰভেদ। ড° হেৰম্ব কান্ত বৰপূজাৰীয়ে লিখিছে, 'সাধাৰণতে এই বেপাৰী সম্প্ৰদায়টো বহুবা লোকৰ পৰা সামাজিকভাৱে আঁতৰি আছিল। অৱশ্যে সীমিত সংখ্যক কেইটামান পৰিয়ালে নিজকে সম্পূৰ্ণৰূপে অসমীয়াৰ জীৱন আৰু সংস্কৃতিৰ

লগত মিলাই দিছিল। বৈষ্ণৱপন্থী নাওবংৰামে দৰঙৰ নেওগ পৰিয়ালৰ সোণপাহী আৰু কন্দুৰা ৰাজখোৱাৰ ছোৱালী সাদৰীক বিয়া কৰাইছিল; প্ৰথম গৰাকীৰ পৰা কাজিৰামৰ আৰু পিছৰগৰাকীৰ বাপীৰাম, হৰিবিলাস, কেতেকী আৰু থানুৰামৰ জন্ম হয়। (ড° হেৰম্ব কান্ত বৰপূজাৰী : অসমৰ নৱ-জাগৰণ : অনা অসমীয়াৰ ভূমিকা, গুৱাহাটী ১৯৮৭, পৃষ্ঠা-৩০)। এই নাওবংৰামেই আছিল জ্যোতিপ্ৰসাদৰ পৰিয়ালটোৰ উপৰি পুৰুষ। এওঁৰ সামাজিক ক্ষেত্ৰখন কিন্তু অকল বেপাৰ বাণিজ্যক কেন্দ্ৰ কৰিয়েই প্ৰসাৰ হোৱা নাছিল। নাওবংৰাম মণিৰাম দেৱানৰ দিনত আহোম চৰকাৰ আৰু পাছলৈ বৃটিছ চৰকাৰ— উভয়ৰ পৰা পদবী লাভ কৰিছিল। জ্যোতিপ্ৰসাদে নিজে লিখিছে— 'এইদৰে আহোম স্বৰ্গদেউসকলৰ আমোলৰে পৰা বিষয়া নিযুক্ত হৈ, তাৰ পিছত ব্ৰিটিছ আমোলতো ক্ষমতাশালী বিষয়া হোৱাত তেওঁ অসমীয়া সমাজৰ বুকুত সোমাই অসমীয়া প্ৰজাৰ ভিতৰত এজন ক্ষমতাশালী লোক হ'বলৈ সুবিধা পায়। লগে লগে বেপাৰ-বাণিজ্যতো নিজৰ বিচক্ষণতাৰে উন্নতি কৰি মহা ধনশালী হৈ পৰাত তেওঁ স্বভাৱসুলভ বদান্যতাৰ ফলত তেজপুৰ খণ্ডত এজন প্ৰতাপী মানুহ হৈ পৰি অসমীয়া ৰাইজৰ এজন ভক্তিভাজন নেতাস্বৰূপ হৈ পৰে। (জ্যোতিপ্ৰসাদ ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ, পৃষ্ঠা ৭৬৯) গতিকে অকল ধনশালী হোৱাই নহয়, বিশেষ সামাজিক-পদমৰ্যাদাইহে জ্যোতিপ্ৰসাদৰ পৰিয়ালটোক অসমীয়া সমাজত সন্মানজনক স্থান দিছিল। ইয়াৰ লগত জড়িত হৈ পৰিছিল সাংস্কৃতিক ঐতিহ্য। হৰিবিলাস আগৰৱালা আছিল অসমীয়া সাহিত্যৰ এজন মহান পৃষ্ঠপোষক। তেওঁ মিছনেৰীসকলে দেখুওৱা বাটেদি আগবাঢ়ি শংকৰদেৱ, মাধৱদেৱ আদিৰ গ্ৰন্থসমূহ সংগ্ৰহ আৰু প্ৰকাশৰ কাম হাতত লৈছিল। (ড° হেৰম্ব কান্ত বৰপূজাৰী : উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ৩০-৩১) অৱশ্যে এটা কথা পাহৰিলে নচলিব যে হৰিবিলাস আগৰৱালাই উত্তৰাধিকাৰ সূত্ৰে দেউতাকৰ বাণিজ্যিক সাম্ৰাজ্যখন লাভ কৰিছিল। কিন্তু প্ৰজা শোষণৰ আহিলাস্বৰূপ সাধাৰণ মূলধনী ব্যৱসায়তকৈ তেওঁৰ বাণিজ্যিক ক্ষেত্ৰখন আছিল বহু বহল। হৰিবিলাসে (১৮৪২-১৯১৬) বংগদেশৰ ব্যৱসায়ীসকলৰ লগত কাঠ, লা, চাহপাত, কানি, আৰু হাতীৰ বৃহৎ পৰিসৰৰ ব্যৱসায় কৰিছিল। (ড° হেৰম্ব কান্ত বৰপূজাৰী : উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ৩০) জ্যোতিৰ পৰিয়ালটোৰ লগত এই কানি ব্যৱসায়ৰ সম্পৰ্কটোৰ বাবে এচামে বিৰূপ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাও দেখা যায়। কিন্তু আমাৰ বোধেৰে সাম্ৰাজ্যবাদৰ বিধ্বংসী কানি নীতিৰ স'তে ঔপনিবেশিক কাঠামোৰ সীমাবদ্ধতাৰ মাজতে দুই এক ব্যৱসায়ীয়ে সুযোগৰ সদ্ ব্যৱহাৰ কৰি দুই-এপইচা ঘটাৰ কথাটো নিশ্চয় একে নহয়। ইয়াৰ উপৰিও কানি বেপাৰী হ'লেও আবকাৰী কানি বন্ধ কৰাৰ বিষয়ে কানি তদন্ত আয়োগ (Opium Enquary Commission)ৰ কামত গুণাভিৰাম বৰুৱা আদিৰ লগত হৰিবিলাসে যোগ দিছিল। (ড° হেৰম্ব কান্ত বৰপূজাৰী : উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ৩০),

সম্ভৱ, পুঁজিবাদী উদাৰনৈতিক চিন্তাধাৰাৰ প্ৰভাৱ এটা পৰিয়ালটোৰ ওপৰত নপৰাকৈ থকা নাছিল। এই ঐতিহ্যৰ মাজতে প্ৰথম পুত্ৰ চন্দ্ৰকুমাৰ আগৰৱালাই 'জোনাকী' (১৮৮৯) আলোচনী প্ৰতিষ্ঠা কৰিলেও তেওঁ বেহা-বেপাৰ আৰু ঔদ্যোগিক কাম-কাজৰ বাহিৰেও বোপা-ককাৰ দিনৰ পৰা বাগৰি অহা সাহিতিক পৰম্পৰাৰ সুঁতিটো নতুন যুগত বোৱাই ৰাখিলে। (ড° হেৰম্ব কান্ত বৰপূজাৰী ঃ উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ৩১)। হৰিবিলাসৰ তৃতীয় পুত্ৰ সংগীত সাধক পৰমানন্দ আগৰৱালাৰ সুযোগ্য সন্তান আছিল জ্যোতিপ্ৰসাদ আগৰৱালা।

জ্যোতিপ্ৰসাদ আছিল একেধাৰে কবি, গীতিকাৰ, নাট্যকাৰ, সংগীতকাৰ চলচ্চিত্ৰ নিৰ্মাতা। কিন্তু তাৰো ওপৰত আছিল তেওঁৰ মহৎ সাংস্কৃতিক আৰু বৈপ্লৱিক জীৱনবোধ। জ্যোতিপ্ৰসাদৰ ৰচনাৱলীৰ ভূমিকাত লিখা হৈছে— 'অসমৰ সাংস্কৃতিক আৰু ৰাজনৈতিক জীৱনত জ্যোতিপ্ৰসাদে যি মহান বিপ্লৱী শিল্পীৰ ভূমিকা গ্ৰহণ কৰি গৈছে তাৰ তুলনা দিবলৈ দ্বিতীয় এজন ব্যক্তি হয়তো বিচাৰি পোৱা টান হ'ব। সেয়েহে, অসমীয়াৰ সামাজিক সত্তাটো প্ৰতিফলিত হোৱা তেওঁৰ বিশাল সাংস্কৃতিক কৰ্মৰাজিৰ লগতে তেওঁৰ বৈপ্লৱিক সামাজিক-সাংস্কৃতিক আৰু ৰাজনৈতিক চেতনা তথা উত্তৰণৰ আভাস পাবলৈ তেওঁৰ সময়ছোৱাৰ (১৯০৩-৫১) সামাজিক অৱস্থাৰ পৰ্যালোচনাৰ প্ৰাসংগিকতাও আহি পৰে। এই প্ৰসংগতে এই আলোচনাৰ সূত্ৰপাত।

আৰ্থ-সামাজিক পৰিস্থিতি ঃ কৃষক দৰিদ্ৰতাৰ প্ৰশ্ন

ঊনবিংশ শতাব্দীৰ পৰা অসমত চলি অহা সাম্ৰাজ্যবাদী শোষণৰ নগ্নৰূপৰ আত্মপ্ৰকাশ ঘটিছিল কৃষকৰ দৰিদ্ৰতা আৰু ঋণগ্ৰস্ততাৰ মাজত। জ্যোতিপ্ৰসাদৰ সময়ছোৱাত অসমৰ গ্ৰাম্য অৰ্থনীতিৰ এয়া আছিল এক বিশেষ বৈশিষ্ট্য। বিশেষকৈ কৰৰ বোজাই যে সংখ্যাগৰিষ্ঠ জনগণৰ দৰিদ্ৰতাৰ মূল কাৰণ আছিল তাক চৰকাৰীভাৱেও মানি লোৱা হৈছে। ১৯৩১-৩২ চনত, অৰ্থাৎ বিশ্বজোৰা অৰ্থনৈতিক সংকটৰ আৰম্ভণিৰ সময়ছোৱাত প্ৰতিবিঘা মাটিৰ ওপৰত ভূমি ৰাজহৰ গড়ে বোজা আছিল ১৬০ টকা। ৰাজ্যখনৰ মুঠ সম্পত্তিৰ হিচাপ দিয়া হৈছিল ৪৪.৯১৫ কোটি টকা আৰু সামগ্ৰিক ধাৰৰ বোজা হৈছিলগৈ প্ৰতিজন ব্যক্তিৰ বিপৰীতে ১৬০ টকা। কৃষিখণ্ডৰ শতকৰা ৮৫ ভাগ পৰিয়ালেই ধাৰৰ বোজাত পোত গৈছিল। (ASP: Rev A, June 1938, Nos. 73-76 : Figure supplied by Deveshwar Sarma in the council) মনকৰিবলগীয়া যে ১৯১১-১২ চনত, ব্ৰহ্মপুত্ৰ উপত্যকাত সংগ্ৰহ হোৱা মুঠ ভূমি ৰাজহৰ পৰিমাণ ৫৪,৮২,৩৮৭ টকা ১৯২৭-২৮ চনত হয়গৈ ৮১,৭০,৯৯৯ টকা।

বিশ্বজোৰা অৰ্থনৈতিক মন্দা (১৯৩১-৩২ পৰা ১৯৩৬-৩৭)ৰ সময়ত এই পৰিমাণ কিছু কমিলেও ১৯৪৩-৪৪ চনৰ বছৰটোত ভূমি ৰাজহ সংগ্ৰহ হৈছিল ১,১৪,৩৩,৩৫৩ টকা। (RLRA : Assam Valley 19 (11-12 to 44-45): Appendix V) ইয়াৰ উপৰিও চৰকাৰে ৰাজহ কেৱল ভূমিৰ পৰাই সংগ্ৰহ কৰা নাছিল। অসমৰ সংখ্যাগৰিষ্ঠ কৃষকে কানি বৰ্বিহৰ কৰাল গ্ৰাসত পৰা কথাটো সৰ্বজনবিদিত। ১৮৬০ চনৰ চৰকাৰে স্থানীয়ভাৱে হোৱা কানি উৎপাদন বন্ধ কৰি আমদানি কৰি অনা কানি খাবলৈ কৃষক প্ৰজাক বাধ্য কৰে। তেতিয়াৰ পৰাই অসহযোগ আন্দোলনৰ দুটামান বছৰ বাদ দি ১৯৩০ চন মানলৈকে কানিৰ পৰা সংগৃহীত হোৱা খাজনা আছিল অস্বাভাৱিক ধৰণেৰে ঊৰ্ধ্বমুখী। উদাহৰণস্বৰূপে ১৯১২-১৩ চনত সংগ্ৰহ হোৱা খাজনা ২৭,১৭,৪৭০ টকা ১৯২০-২১ চনত ৪৪,১২,৩০৮ টকালৈ বৃদ্ধি হয়। ১৯১২-১৩ চনত প্ৰতি সেৰ কানি সেৱনৰ বিপৰীতে হোৱা কৰৰ বোজা আছিল শতকৰা ৪৪.১ ভাগ, এই পৰিমাণ ১৯২০-২১ চনত হয়গৈ ৬৮.৩ শতাংশ। (Sep Rev A GJD, December 1926, P. 8) ১৯২০-২১ চনত সংগ্ৰহ হৈছিল ২৬,৬৪,২১৮ টকা। (RAED Assam 1930-31, Section VI) ঠিক সেইদৰে চৰকাৰী পৃষ্ঠপোষকতাতে প্ৰসাৰিত হোৱা দেশী মদৰ বেপাৰেও নিম্নবৰ্গৰ সমাজখনক আলোড়িত কৰি যায়। ১৯১২-১৩ চনৰ পৰা ১৯৩৯-৪০ চনৰ ভিতৰতে দেশী মদৰ পৰা চৰকাৰে খাজনা হিচাপে সংগ্ৰহ কৰা ধন, ১৪,০৭,৩৬৬ টকাৰ পৰা ২১,৮৭,৩৮৪ টকাৰ ভিতৰত আছিল (RAED Assam, 1912-13 to 1939-40, Imperial Return No 1) এই পৰিস্থিতিতে চৰকাৰী কৰ-কাটলে জুৰুলা কৰা অসমীয়া কৃষকৰ অসহায় অৱস্থাৰ লগত সংযোগ হোৱা আন এক গুৰুত্বপূৰ্ণ দিশ আছিল কৃষিখণ্ডৰ উৰ্বৰা শক্তি কমি যোৱাটো। ১৯১৭-৪৭ চনৰ ভিতৰত নথি-পত্ৰসমূহ বিশ্লেষণ কৰিলে দেখা যায় যে, গৰাখহনীয়া ৰোধিবৰ বাবে লোৱা সৰু-সুৰা ব্যৱস্থাৰ বাহিৰে জলসিঞ্চনকে আদি কৰি কৃষি অগ্ৰগতিৰ লগত জড়িত কোনো গঠনমূলক কৰ্মসূচী প্ৰশাসন-যন্ত্ৰৰ অন্তৰ্গত নাছিল। (RAA: 1914-15, P 7; 1920-21 P.5,1923-24, P.5-1927-28, P.5, RLRA: 1939-40, Assam Valley P-10 Susma Valley P-6)। ১৯৩৭ চনত বিধানসভাৰ মজিয়াত স্বাধীনতা সংগ্ৰামী সিদ্ধিনাথ শৰ্মাই অসমত বৰ্তি থকা ঔপনিবেশিক কৃষি-নীতিৰ কঠোৰ সমালোচনা কৰিছিল। তেওঁৰ মতে, গ্ৰাম্য অঞ্চলত কেৱল শোষণৰ হেঁচা পৰিছিল, উৎপাদনশীলতা বৃদ্ধিৰ নামমাত্ৰও লেশ নাছিল। আধুনিক জলসিঞ্চন ব্যৱস্থা অসমত একেবাৰে অচিনাকি আছিল। কিছুমান অঞ্চলত আদিম পদ্ধতিৰেহে পানী যোগান ব্যৱস্থা চলি আছিল। মাটিত কৃত্ৰিম সাৰ প্ৰয়োগৰ চৰকাৰী কৰ্মসূচী নাছিল, আনকি গ্ৰাম্য অঞ্চলত বাটপথ মেৰামতিৰ বাবেও চৰকাৰে এটা পইচাও খৰচ কৰা নাছিল (ASP : Rev A June 1938, Nos 73-76, PP 2-3).

অৱশ্যে, উপনিৱেশবাদৰ মূল ভিত্তি কেৱল খাজনা শোষণেই নাছিল নতুন আৰ্থ-সামাজিক পৰিস্থিতিয়ে কিছুমান নতুন সম্ভাৱনাৰ বাটো মুকলি কৰি দিছিল। কিন্তু বিশেষ ঐতিহাসিক পৰিস্থিতিত সাধাৰণ অসমীয়া প্ৰজাই নতুন সা-সুবিধাবোৰৰ সুযোগ গ্ৰহণ কৰাৰ পৰাও বঞ্চিত হৈছিল। বিষয়টো পৰিষ্কাৰ কৰিবৰ বাবে কৃষক দৰিদ্ৰতাৰ প্ৰসংগটো আমি উপনিৱেশবাদৰ সমগ্ৰতাৰ মাজত আলোচনা কৰিব লাগিব। চৰকাৰী ৰাজহযন্ত্ৰই কৃষকক দৰিদ্ৰতাৰ ফাললৈ ঠেলি দিছিল, কিন্তু ঋণগ্ৰস্ত হৈ সৰ্বস্বান্ত হোৱা অৱস্থাটোৰ লগত উদ্যোগীকৰণ, কৃষিখণ্ডৰ ব্যৱসায়ীকৰণ আদিৰ দৰে বিষয়বোৰহে মূলতে জড়িত আছিল। উক্ত প্ৰসংগটো আমি ঔপনিৱেশিক নীতিৰ মূল চৰিত্ৰৰ পৰাই আৰম্ভ কৰো' India was fully integrated into the world capitalist economy in a subordinate. Colonial position during the ninteenth century It emerged as classic colony playing a crucial role in the development of British capitalism' (Bipan Chandra : Nationalism and Colonialism in Modern India, New Delhi 1996, P.209) আৰু বৃটিছ পুঁজিৰ বিকাশৰ ক্ষেত্ৰত সকলোতকৈ বেছি মূল্য দিবলগীয়া হৈছিল ভাৰতীয় কৃষকসকলে। কাৰণ ঔপনিৱেশিক ভাৰতবৰ্ষত কৃষিৰ প্ৰশ্নটো ইয়াৰ উদ্যোগিক খণ্ডৰ বিকাশৰ লগত সম্পৰ্কিত নাছিল, অৰ্থাৎ ইয়াৰ বিকাশৰ ভিতৰুৱা নাছিল। ইয়াৰ বিপৰীতে জড়িত আছিল বিশ্ব পুঁজিবাদী বজাৰ অৰ্থনীতিৰ লগতহে। উন্নত দেশৰ বজাৰসমূহৰ বাবে কৃষিখণ্ডৰ উৎপাদিত সামগ্ৰী ক্ৰয় কৰা হৈছিল আৰু মিলত তৈয়াৰী বস্তুৰে গ্ৰাম্য বজাৰ উভৈনদী কৰি দিয়া হৈছিল। ব্যৱস্থাটোৱে গ্ৰাম্য অঞ্চলত পণ্য সামগ্ৰীৰ চলাচল আৰু পুঁজি সমন্বয়ৰ প্ৰক্ৰিয়াটো বাধাগ্ৰস্ত কৰিছিল। স্বাভাৱিকতে এই প্ৰক্ৰিয়াটোৱে ইংৰাজ ব্যৱসায়ী শ্ৰেণীটোক বেছিকৈ উপকৃত কৰিছিল। (D. N. Gupta Edited Changing Modes of Production in India. Delhi 1995, P 80).

ঔপনিৱেশিক অৰ্থনীতিৰ এই কাঠামোৰ ওপৰতে অসমৰ কৃষি অৰ্থনীতি নিৰ্ভৰশীল আছিল। বিশেষকৈ অসমৰ দৰে পিছপৰা অঞ্চল এটাত ইয়াৰ প্ৰভাৱ কিমান সুদূৰপ্ৰসাৰী আছিল— তাক আমি পৰ্যায়ক্ৰমে পাই যাম উনবিংশ শতিকাৰ শেষৰফালে ব্ৰিটেইনৰ তৈয়াৰী সামগ্ৰীয়ে অসমৰ বজাৰ দখল প্ৰায় সম্পূৰ্ণ হৈ উঠিল। (Dr Amalendu Guha. Medieval and Early Colonial Assam Calcutta 1991 PP 263-264) আনকি অৰ্থনৈতিকভাৱে স্ব-নিৰ্ভৰশীল ৰাজ্যখনত জন-প্ৰব্ৰজন (বিশেষকৈ চাহ শিল্পৰ বাবে) ৰ ফলত উদ্ভৱ হোৱা খাদ্য-শস্যৰ অতিৰিক্ত প্ৰয়োজন বিশেষ ঐতিহাসিক পৰিস্থিতিত স্থানীয় অসমীয়া কৃষকে মিটাব পৰা নাছিল। ফলত ১৮৭২ চনৰ পৰা ১৮৯৫-৯৬ চনৰ ভিতৰত ভাৰতবৰ্ষৰ অন্যান্য অঞ্চল তথা বিদেশৰ পৰা আমদানিকৃত খাদ্যশস্যৰ পৰিমাণ যথেষ্ট পৰিমাণে বৃদ্ধি পাব ধৰিলে। (Dr. Priyam Goshwami Assam in the Ninteenth Century Industrialization

and Colonial penetration.PP 218-219). এই পটভূমিত উদ্যোগীকৰণেও গ্ৰাম্য অঞ্চলৰ ব্যৱসায়িক লেনদেনত বহিৰাগত স্থানহে সুৰক্ষিত কৰিলে। ড° প্ৰিয়ম গোস্বামীয়ে লিখিছে— "On the other hand, the growth of tea. coal and oil industries considerably stimulated the local interest in cash crops. This did dot mean that the new techniques were adopted for development of cash crops. The implication was an increase in the importance of money in the new economy. An important consequence of this was indebtness of the peasants which drew swarms of money-lenders and middlemen into the prince. In fact keya and the Mahajan assumed a prominent place in the economy of the region. (Ibid-219). আচলতে ঔপনিৱেশবাদৰ প্ৰবল হেঁচা, বিশেষ ভৌগোলিক পৰিস্থিতিত অসমৰ দৰে ৰাজ্য এখনত পুঁজি বিকাশৰ গতি আছিল তেনেই লেহেমীয়া। এনে পৰিস্থিতিত কৃষিখণ্ডৰ ব্যৱসায়ীকৰণত মাৰোৱাৰী মহাজনসকলৰ ভূমিকাই সক্ৰিয় হৈ পৰিছিল। এয়া অকল ঊনবিংশ শতিকাৰে বৈশিষ্ট্য নহয়, বিংশ শতাব্দীৰ প্ৰথম দশকৰ পৰাই এই শ্ৰেণীটোৰ স্থিতি আৰু বেছি সুদৃঢ় হ'বলৈ ধৰিলে। তাৎপৰ্যপূৰ্ণভাৱে ১৯০৪-০৫ চনত প্ৰকাশ পোৱা এটা চৰকাৰী মূল্যায়নত গ্ৰাম্য ঋণগ্ৰস্ততাৰ প্ৰসংগটো বৰ গুৰুত্বসহকাৰে উত্থাপিত হোৱা নাই। কিন্তু উচ্চ হাৰত ধন ধাৰে দিয়াৰ কথা উল্লেখ আছে। ধন ধাৰে দিয়া শ্ৰেণী হিচাপে অকল মাৰোৱাৰীসকলকে চিহ্নিত নকৰিলেও গ্ৰাম্য অঞ্চলত যে তেওঁলোকেই সম্পত্তিবান শ্ৰেণী— কথাটো মানি লোৱা হৈছে। কিন্তু কৃষি ব্যৱসায়ীকৰণৰ ক্ষেত্ৰত উক্ত সম্প্ৰদায়টোৰ সম্পৰ্কৰ কথা স্পষ্টভাৱে উল্লেখ আছে। বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাতে প্ৰচলিত প্ৰথা অনুসৰি দুখীয়া কৃষকসকলে তেওঁলোকৰ স্থায়ী শস্যৰ বিপৰীতে মাৰোৱাৰীৰ পৰা আগধন লয়, ফলত পাছত বজাৰৰ দৰতকৈ যথেষ্ট কম দৰত খাদ্য শস্য বিক্ৰী কৰিবলগীয়া হয়। তাতোকৈ গুৰুত্বপূৰ্ণ কথাটো আছিল— সৰিয়হৰ দৰে নগদ শস্যৰ ক্ষেত্ৰটো যাতায়াতী অসুবিধা তথা কৃষকৰ অভাবগ্ৰস্ততাৰ বাবে বজাৰৰ লগত কৃষকৰ সংযোগকাৰী আছিল একমাত্ৰ মাৰোৱাৰীসকল। (Provincial Gazetter of Assam. Shillong 1906 P. 47).খাদ্য পণ্যৰ চলাচলৰ বাবে ৰেলৰ ভাৰাও কেতিয়াও কৃষকৰ স্বাৰ্থত নিৰ্ধাৰণ কৰা হোৱা নাছিল। ১৯২৭ চনত ভাৰতৰ কৃষিৰ ওপৰত প্ৰকাশিত ৰয়েল কমিছন (Royal Commission) ৰ তথ্যত প্ৰকাশ যে বিশ্বনাথ, উত্তৰ লখিমপুৰকে ধৰি বহুৰত দুৱাৰকৈ খেতি কৰা অতি সাৰুৱা অঞ্চলসমূহতো ৰেলৰ যাতায়াতৰ অসুবিধাৰ বাবে অতি কম দামতে কৃষকে তেওঁলোকৰ খাদ্য-শস্য মধ্যভোগী ব্যৱসায়ীসকলৰ ওচৰত বিক্ৰী কৰিবলৈ বাধ্য হৈছিল। (S. B. Medhi. Transport System and Economic Development in Assam, Guwahati 1978. PP. 113-114) কৃষকৰ পুঁজি সঞ্চয়ৰ সম্ভাৱনা এনেকৈয়ে শেষ হৈ গৈছিল।

ত্ৰিশৰ দশকৰ বিশ্বজোৰা অৰ্থনৈতিক সংকটৰ সময়ত পৰিস্থিতি আৰু বেয়াৰ ফাললৈ ঢাল খায়। চৰকাৰী হিচাপ অনুসৰি ১৯০৫ চনৰ আগতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ কৃষকে প্ৰতি মোন চাউলৰ দাম ১৫০ টকাকৈ পাইছিল। ১৯২৫-২৬ চনত এই দাম কিছু বৃদ্ধি হ'লেও সংকটৰ সময়ছোৱাত বিশেষকৈ ১৯৩৭-৩৮ চনৰ ভিতৰত মূল্য হ্ৰাস হৈ ১২০ টকা হয়গৈ। (ASP : Rev. A. June 1938, Nos 73-76. PP2-3: Statement made by Sidhinath Sharmah in the Council.) অসমৰ গ্ৰাম্য অৰ্থনীতিৰ মূল সমস্যাটো আছিল কৃষকৰ হাতত নগদ ধনৰ অভাব। এই পৰিস্থিতিত বজাৰে আনি দিয়া সামান্য সম্ভাৱনাখিনিও সংকটকালীন অৱস্থাই কৃষকৰ পৰা কাঢ়ি নিলে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে, ওপৰত দাঙি ধৰা তথ্য আছিল সিদ্ধিনাথ শৰ্মাই বিধানসভাৰ মজিয়াত দাঙি ধৰা চৰকাৰী হিচাপ। পৰিস্থিতি সাপেক্ষে মাৰোৱাৰী ব্যৱসায়ীৰ লগত হোৱা চুক্তি অনুসৰি এই মূল্য আৰু কমি যাবলৈ বাধ্য। অধিকাংশ খেতিয়কে বজাৰৰ মূল্যতকৈ মাৰোৱাৰী মহাজনে বান্ধি দিয়া মূল্যৰ ওপৰতহে নিৰ্ভৰশীল আছিল। সংকটৰ সময়ছোৱাত সংগঠিত হোৱা এক কৃষক অনুসন্ধান সমিতিৰ সদস্যৰূপে স্বাধীনতা সংগ্ৰামী দেবেশ্বৰ শৰ্মাই প্ৰায় ১৯০ জন কৃষকৰ সাক্ষ্য গ্ৰহণ কৰি বিধানসভাত কৃষক জীৱনৰ এখন মৰ্মস্পৰ্শী ছবি দাঙি ধৰিছিল : 'I found that, if the actual cost of cultivation is taken into calculation on consideration of the profit and loss of our actual village cultivators, the village cultivators does not gain anything.' (Ibid, PP 23-24).

আলোচ্য সময়ছোৱাত কৃষিখণ্ডৰ এনে হতাশজনক পৰিস্থিতিত বিশেষকৈ উদ্বিগ্নতাৰ বিষয়টো আছিল— চৰকাৰী দমনমূলক ব্যৱস্থাত জুৰুলা হৈ কৃষকে এৰি দিয়া মাটিৰ পৰিমাণ বৃদ্ধি হোৱা আৰু আনফালেদি মাৰোৱাৰীসকলৰ হাতলৈ কৃষি মাটি হস্তান্তৰ হোৱাটো। আচলতে ভূমি ৰাজহ প্ৰশাসনৰ দমনমূলক ব্যৱস্থাৰ হাত সাৰিবলৈ হওঁক বা দৈনন্দিন জীৱনৰ অন্যান্য প্ৰয়োজনৰ বাবেই হওঁক, কৃষকৰ নগদ টকাৰ দাবী মিটাবপৰা শক্তি বিশেষকৈ মাৰোৱাৰীসকলৰহে আছিল। মাৰোৱাৰীসকলৰ লগত অধিক টকাৰ লেনদেন ঘটাৰ ফলত ভূমিহীন কৃষক বৃদ্ধি হোৱাটোৱেই আছিল স্বাভাৱিক। এয়াই এক পটভূমি আছিল, য'ত স্থানীয় পৰম্পৰাগত ভূ-স্বামী বা অন্যান্য অৱস্থাসম্পন্ন কৃষকসকলতকৈও অধিক সক্ৰিয় ৰূপত মাৰোৱাৰী মহাজনসকলে গ্ৰাম্য অঞ্চলত এক নতুন সামাজিক শ্ৰেণীৰ ৰূপত আত্মপ্ৰকাশ কৰাৰ চেষ্টা চলাব ধৰিলে। উনবিংশ শতিকাৰ মাৰোৱাৰী মহাজনৰ ধাৰণা বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধত বহুদূৰ এনেকৈ সলনি হৈ আহিল।

চৰকাৰে দিয়া তথ্যপাতিৰে বিচাৰ কৰিলে কথাটো পৰিষ্কাৰ হ'ব। ১৯১২-১৩ চন মানৰ পৰা সময়মতে খাজনা পৰিশোধ কৰিব নোৱাৰা ৰায়তৰ বিৰুদ্ধে চৰকাৰে দমনমূলক ব্যৱস্থা তীব্ৰতৰ কৰি তোলে। (১৯১২-১৩ চনত চৰকাৰে ভূমি ৰাজহ দিব

নোৰবাৰ বাবে ৬০,৮৪২ খন এষ্টেট (কৃষকৰ ব্যক্তিগত ভূমি সম্পত্তি) আৰু ১৯১৩-১৪ চনত ৬৮,৫৮২ খনৰ বিৰুদ্ধে জাননী জাৰি কৰে। লগে লগে সম্পত্তি ক্ৰোক কৰাৰ ঘটনাও বৃদ্ধি পাবলৈ ধৰে। (RAA : 1913-14 P 5) ১৯১৬-১৭ চনত ৰাজহ দিব নোৱৰাৰ বাবে সৰ্বমুঠ ১২, ৮৬০ খন 'এষ্টেট'ৰ বিৰুদ্ধে জাননি দিয়া হয় আৰু প্ৰকৃততে ৫৩৬ খন বিক্ৰী কৰি দিয়া হয়। [RAA.1916-17 P7] ১৯২০-২১ চনত ৪৭৩ খন বিক্ৰী কৰা হয়। RAA : 1920-21,P 5) ১৯২৭-২৮ চনত সম্পত্তি ক্ৰোকৰ বাবে দিয়া জাননিৰ সংখ্যা আছিল ২৬, ২২৭ খন। ১৮ টা গোচৰৰ ক্ষেত্ৰত ভূমি সম্পত্তি বিক্ৰী কৰা হয়। কাছাৰত ভূমি সম্পত্তি বিক্ৰী নকৰিলেও চিলেটত ২৩৫ টা গোচৰৰ ক্ষেত্ৰত ভূমি সম্পত্তি বিক্ৰী কৰা হয়। (RAA : 1927-28 P 5) মুঠতে ভূমি সম্পত্তিয়েই হওঁক বা স্থাৱৰ সম্পত্তিয়েই হওঁক— সাধাৰণ অৱস্থাত তাক বচাই ৰখাটো কৃষকৰ কাৰণে এক জটিল সমস্যা হৈ পৰিল। ১৯৩৫-৩৬ চনত ব্ৰহ্মপুত্ৰ উপত্যকাত স্থাৱৰ সম্পত্তি ক্ৰোককৰণৰ গোচৰ আছিল ৫৭,৪৬২ টা আৰু পাছৰ বছৰটোত আছিল ৫৬,৫১৬ টা উক্ত বছৰ দুটাত যথাক্ৰমে ১,৭৫১ আৰু ২,৫৯৪ টা গোচৰৰ ক্ষেত্ৰত সম্পত্তি ক্ৰোক কৰা হয় দুয়োটা বছৰতে ভূমি সম্পত্তিৰ বিক্ৰীৰ সংখ্যা আছিল যথাক্ৰমে ৩, ৪৩৬ আৰু ৩,৭৮১ খন 'এষ্টেট'। (RLRA : Assam Valley. 1936-37. P 7) আকৌ চৰকাৰী ৰোষৰ পৰা হাত সাৰিবৰ বাবে কৃষকে স্বইচ্ছাৰেও মাটি এৰি দিবলৈ বাধ্য হৈছিল প্ৰতিনিধিত্বমূলক হিচাপে আমি বাছি লোৱা চাৰিটা বছৰত ১৯২৩-২৪, ১৯৩০-৩১, ১৯৩২-৩৩ আৰু ১৯৩৯-৪০ চনত কৃষকে ৩০ হাজাৰৰ পৰা ৬০ হাজাৰ একৰৰ ভিতৰত আবাদী মাটি এৰি দিছিল (RLRA . A 19 (23-24. 30-31. 32-33. 39-40), Appendix II). আনফালে মাটিৰ ওপৰত স্বত্ব নথকা অস্থায়ী কৃষি অঞ্চলৰ কৃষকসকলৰ দুৰ্দশাগ্ৰস্ত আৰ্থিক অৱস্থা বিধান সভাৰ সদস্যসকলৰো দৃষ্টিগোচৰ হৈ আহিছিল. আৰু পৰিস্থিতিৰ অৱসান ঘটোৱাৰ বাবে সজোৰে দাবী উত্থাপিত হৈছিল। (ALCP. 12 th January 1918 ; AG Part VI Shillong 1981.)

মাটি অপৰ্যাপ্ত থকা অৰ্থনীতিত কৃষকসকলে বহিৰাগতৰ হৈচাত অন্ততঃ মাটি এৰি দিবলগীয়া হোৱা নাছিল। অৱশ্যে সামান্য এটা অংশ কোনো প্ৰাকৃতিক কাৰণতো কৃষকে এৰি দিব পাৰে, কিন্তু এনেদৰে এৰি দিয়া মাটিৰ এটা বৃহৎ অংশ আত্মসাৎ কৰিছিল মাৰোৱাৰী ব্যৱসায়ীসকলে। নকলৈ চলে যে, ব্যৱসায়ীৰ লগতে ভূমি ৰাজহ সময়মতে শোধাবৰ বাবে এই শ্ৰেণীটোৰ পৰা আগধন লৈ কৃষকসকল সৰ্বস্বান্ত হৈছিল। উদাহৰণস্বৰূপে ১৯১৭-১৮ চনত মাৰোৱাৰী ব্যৱসায়ীসকলে ১৫, ৩৮৮ একৰ কৃষি মাটি হস্তগত কৰে এই পৰিমাণ পাছৰ বছৰটোত হয়গৈ ১৬, ৩১১ একৰ মাৰোৱাৰীসকলে কৃষকৰ অসহায় পৰিস্থিতিৰ সুযোগ লোৱা কথাটো চৰকাৰী মহলেও মানি লৈছে। "The increase on the area held by Marwaris is attributed to

the transfer of land from indebted rayats, either by private purchase or through civil courts sales, (RLRAA : 1918-19). পৰিস্থিতিৰ জটিলতা তথা ৰাজনৈতিক মহলত বিৰূপ প্ৰতিক্ৰিয়াৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে নতুন দীৰ্ঘম্যাদী পট্টা বিতৰণৰ ক্ষেত্ৰত এটা চৰ্ত ৰাখি দিলে। এই চৰ্ত অনুসৰি এতিয়াৰ পৰা জিলা বিষয়াসকলৰ অনুমতি নোলোৱাকৈ কোনো ৰায়তে অকৃষি-শ্ৰেণীৰ হাতত মাটি বিক্ৰী কৰিব নোৱৰা হ'ল। মাৰোৱাৰী শোষণৰ পৰা অভাৱগ্ৰস্ত কৃষকক ৰক্ষা কৰাৰ ই এক কাৰ্যকৰী ব্যৱস্থা হ'ব বুলি চৰকাৰীভাৱে কোৱা হ'ল। (Ibid). কিন্তু নতুন ব্যৱস্থাটো কিমানদূৰ আন্তৰিকতাৰে প্ৰয়োগ কৰা হৈছিল, তাত পূৰ্ণমাত্ৰাই সন্দেহৰ অৱকাশ ৰৈ গ'ল। কাৰণ প্ৰশাসনে মাৰোৱাৰীসকলৰ ওপৰত কোনো নিয়ন্ত্ৰণ জাপি দিয়া নাছিল। ইয়াৰ উপৰিও পিছৰ বছৰবোৰত উক্ত শ্ৰেণীটোৰ ভূ-সম্পত্তি বাঢ়ি যোৱাহে দেখা গ'ল। ১৯২৪-২৫ চনত মাৰোৱাৰীসকলৰ হাতত থকা কৃষি মাটিৰ পৰিমাণ আছিল ১৭,৪৬৮ একৰ (RLRA: Assam Valley 1924-25, Appendix IV) এই পৰিমাণ ১৯৩০-৩১ চনত ২২,৭৪২ একৰলৈ বৃদ্ধি হয়। (RLRA; Assam Valley 1930-31, Appendix IV) বিশ্বজোৰা অৰ্থনৈতিক সংকটৰ সময়ত কৃষকৰ অসহায় অৱস্থাৰ সুযোগ গ্ৰহণ কৰি তেওঁলোকে ২৮,০৮৫ একৰ কৃষি মাটি হস্তগত কৰে। (RLRA; Assam Valley 1933-34, Appendix IV) ১৯৩৬-৩৭ চনত এই পৰিমাণ লক্ষণীয়ভাৱে ৩৩,৮৬৬ একৰলৈ বৃদ্ধি হয়। (RLRA; Assam Valley 1936-37, Appendix IV) প্ৰসংগক্ৰমে উনুকিয়াব পাৰি যে, ভূমি ৰাজহ ব্যৱস্থাৰ জটিল কাঠামোৰ মাজতে ঊনবিংশ শতিকাৰ অসমত গ্ৰাম্য জীৱনত শ্ৰেণী বিভাজন ঘটিছিল। উক্ত শতিকাৰ শেষৰফালে গ্ৰাম্য অঞ্চলৰ মুঠ জনসংখ্যাৰ আঠ ভাগ আছিল বৃহৎ ভূ-স্বামী— যিয়ে খেতি নকৰিছিল, তাৰে ৮৯ ভাগ আছিল মালিকীস্বত্ব থকা সাধাৰণ কৃষক, সাত ভাগ আছিল ভূমিহীন কৃষক (tenants) আৰু বাকী তিনিভাগ আছিল কৃষি বনুৱা। (Dr. Amalendu Guha : Medieval and Early Colonial Assam. Calcutta 1991 P 270. আমাৰ আলোচনাই সাধাৰণভাৱে কিছু অৰ্থনৈতিক আৰু সাংস্কৃতিক ভিত্তিত থকা বৃহত্তৰ কৃষক সমাজখনকেই সামৰি লৈছে; অৱশ্যে শ্ৰেণী বৈষম্য থাকিলেও কৃষক সমাজখনৰ ভিতৰৰা সংঘাত তীব্ৰতৰ আছিল বুলি ক'ব নোৱাৰি। ঊনবিংশ শতিকাৰ প্ৰসংগত ড' অমলেন্দু গুহই সঠিকভাৱে উল্লেখ কৰিছে যে, বিভিন্ন শ্ৰেণীৰ মাজত শ্ৰেণী সচেতনতা প্ৰবল নাছিল, আনফালে পৰম্পৰাগত সামাজিক আন্দোলনৰ মাজত ভূ-স্বামী আৰু ভূমিহীন কৃষকৰ মাজত সংঘৰ্ষৰ তীব্ৰতা নাছিল। Dr. Amalendu Guha : Medieval an Early Colonial Assam. Calcutta 1991. P 270. আমাৰ আলোচ্য সময়ছোৱাৰ ক্ষেত্ৰতো একেটা কথাই ক'ব পাৰি, সম্ভৱ ইয়াৰ কাৰণ আছিল স্ব-নিৰ্ভৰশীল অৰ্থনীতিৰ কাঠামোগত ভিত্তিত মুদ্ৰা অৰ্থনীতিৰ সীমিত প্ৰসাৰ। বিংশ শতাব্দীৰ প্ৰথমাৰ্দ্ধত কৃষকৰ

নগদ ধনৰ দাবী পূৰণ কৰাৰ সামৰ্থ্য বিশেষকৈ ধৰ্মীয় কাৰণতে মাটি ৰেহাই পোৱা সংখ্যালঘু ভূ-স্বামী শ্ৰেণীটোৰ নাছিল। অৱশ্যে ইয়াৰ বিপৰীতে এই শ্ৰেণীটোৱে কৃষকৰ অসহায় পৰিস্থিতিৰ সুযোগ গ্ৰহণ কৰি শ্ৰেণীগত কিছুমান সাধাৰণ সা-সুবিধা লাভ কৰিবলৈ সক্ষম হৈছিল। একাংশ কৃষকে লাহে লাহে এওঁলোকৰ ওপৰত নিৰ্ভৰশীল হৈ যোৱাটো আছিল স্বাভাৱিক। চৰকাৰী তথ্য মতে চৰকাৰক আধা খাজনা দিব লগাৰ বাধ্যবাধকতা থকা ভূ-স্বামীসকলৰ ইচ্ছাধীন প্ৰজাত পৰিণত হৈছিল এক বৃহৎ পৰিমাণৰ কৃষক। এওঁলোকে যিহেতু খাজনাৰ এটা অংশ দিব লাগিছিল, সেইবাবে ভূমিহীন কৃষকৰ দ্বাৰাই তেওঁলোকৰ মাটি চহাইছিল আৰু সময়ে সময়ে চৰকাৰী নিৰিখত কৃষকৰ পৰা খাজনা দাবী কৰিছিল। Assam State Land Revenue Manual : 1931, Reprint Shillong 1968, PCXI). এই পটভূমিত স্বাভাৱিকভাৱেই অসমৰ গ্ৰাম্য সমাজত এই শ্ৰেণীটোৰ স্থান দখল কৰিবলৈ আগুৱাই আহিছিল মূলধনী ব্যৱসায়ীসকলে।

চৰকাৰ কৃষক সমস্যাৰ প্ৰতি যে সহানুভূতি নাছিল তাৰ ইংগিত আমি ইতিমধ্যে দিছো। অন্তঃসাৰশূন্য পদক্ষেপ হিচাপে প্ৰশাসনে অৰ্থনৈতিক সংকটৰ আগৰ সময়ছোৱাত দুই-এটা গাঁৱলীয়া বেংক প্ৰতিষ্ঠা কৰি কৃষকক ধন ধাৰ দি ব্যৱসায়িক শ্ৰেণীৰ হাতৰ পৰা সকাহ দিয়াৰ চেষ্টা কৰিছিল। কিন্তু কোনো ধৰণৰ দীৰ্ঘম্যাদী আঁচনি নথকাৰ বাবে এই প্ৰতিষ্ঠানসমূহে কৃষকক বিশেষ একো সকাহ দিব নোৱাৰিলে। আনফালে কৃষকৰ অৱস্থাই অসমীয়া মধ্যবিত্তৰ একাংশকো জোকাৰি গ'ল। কিছু সংখ্যক বৰেণ্য ব্যক্তি, যেনে কৃষ্ণ শৰ্মা, দেৱীচৰণ বৰুৱা, গড়মূৰীয়া সত্ৰাধিকাৰ, চন্দ্ৰধৰ বৰুৱা, কনকলাল বৰুৱা আদিয়ে চৰকাৰী প্ৰচেষ্টাত উৎসাহী হৈ ব্যক্তিগত খণ্ডত সমবায় ভিত্তিত কৃষকৰ খাদ্য-শস্য বেচা-কিনাৰ সমিতি এখন প্ৰতিষ্ঠা কৰিছিল। ব্যৱসায়ী মহাজনসকলে আগধন দি খেতিয়কৰ ধান, মাহ, সৰিয়হ আগতীয়াকৈ আধা দামত কিনা; প্ৰতি বছৰে গৰু কিনা, খাজনা আদি অভাৱৰ কাৰণে মাৰোৱাৰীৰ ওচৰত ধাৰে পোত খোৱা আদি ঘটনাবোৰ তেওঁলোকে প্ৰত্যক্ষ কৰিছিল। কৃষকৰ যাতে বজাৰখনৰ ওপৰত নিয়ন্ত্ৰণ থাকে— এই লক্ষ্য লৈয়ে তেওঁলোকে কৃষিজাত উৎপন্ন বস্তুৰ বিক্ৰীৰ দায়িত্ব ল'ব বিচাৰিছিল। সমিতিখনৰ মূল উদ্দেশ্য আছিল বাইজৰ পৰা টকা তুলি এটা সাহায্যনিধি গঢ়ি কেন্দ্ৰীয় সভাৰ অনুমোদনৰ জৰিয়তে প্ৰয়োজন অনুসৰি টকা ধাৰে দিয়া দৰিদ্ৰ কৃষকৰ আৰ্থিক স্বাৰ্থ ৰক্ষা কৰা। যোৰহাটৰ ১০ টাৰ পৰা ১২ টা মান মৌজাত শাখাও খোলা হৈছিল। কিন্তু কোনো চৰকাৰী সাহায্যৰ বিনে এই প্ৰচেষ্টাই বিশেষ সফলতা অৰ্জন কৰিব নোৱাৰিলে। (কৃষ্ণ শৰ্মা : কৃষ্ণ শৰ্মাৰ ডায়েৰী, গুৱাহাটী ১৯৭১, পৃষ্ঠা ৭২-৭৩) অৱশ্যে সংকটৰ কালছোৱাত পৰিস্থিতিয়ে কিছু বেলেগ ৰূপ ল'লে। এফালেদি দমনমূলক ৰাজহ প্ৰশাসন আনফালেদি মহাজনী

শোষণ— এই দ্বৈত ব্যৱস্থাৰ হেঁচাত ব্ৰহ্মপুত্ৰ উপত্যকাত ভূমি ৰাজহ সংগ্ৰহ হঠাতে লক্ষণীয়ভাৱে কমি আহিল। (RLRA; Assam Valley 19(28-29, 31-32, 33-34, 35-36, 37-38, 38-39) Appendix V] বাধ্য হৈ চৰকাৰে ব্ৰহ্মপুত্ৰ উপত্যকাত টকাটোৰে প্ৰতি তিনি অনাকৈ খাজনা মাফ কৰাৰ সিদ্ধান্ত লয়। কাছাৰ আৰু চিলেটত এই হাৰ আছিল যথাক্ৰমে এক অনা আৰু দুই অনা। [ASP : Rev A June 1938, Nos 45-72 Letter dated Shillong the 15 th October, 1937] বিশ বছৰৰ বাবে ৰেহাই ব্যৱস্থাটো চলি থাকে আৰু বেছিভাগ জিলাতে বকেয়া হৈ থকা চৰকাৰৰ কৃষি ঋণসমূহ সাময়িকভাৱে সংগ্ৰহ নকৰাৰ সিদ্ধান্ত লয়। (RLRAA : 1934-35) আচলতে ভূমি ৰাজহ ৰেহাইৰ পৰিমাণ পৰিস্থিতি সাপেক্ষেহে নিৰ্ধাৰণ কৰা হৈছিল আৰু কোনো এটা নীতি নোহোৱাকৈ উক্ত ব্যৱস্থাই কৃষকৰ অৱস্থাৰ উত্তৰণ ঘটাব নোৱাৰিলে। বিষয়টোৰ প্ৰতি চৰকাৰৰ যে সদিচ্ছা নাছিল সেয়া প্ৰমাণিত হ'ল যেতিয়া ১৯৩৪-৩৫ চনত আকৌ খাজনা বৃদ্ধিৰ চিন্তা-চৰ্চা চলিল, অৱশ্যে এচাম কাউন্সিলৰৰ হেঁচাত সেয়া সম্ভৱ হৈ নুঠিল। পিছৰ কাললৈ পৰিস্থিতি ইমানেই বেয়াৰ ফাললৈ গৈছিল যে অকল কৃষকেই নহয়, স্বয়ং মৌজাদাৰসকলৰ এটা অংশই মাৰোৱাৰীসকলৰ পৰা ঋণ লৈ কৃষকৰ পৰা পাব লগীয়া বকেয়া ধন আদায় দি চৰকাৰী দাবী পূৰণ কৰি তেওঁলোকৰ স্থাৱৰ সম্পত্তি ৰাজহৰা নীলামৰ পৰা ৰক্ষা কৰিছিল। (ASP : Rev A. June 1937, Nos 107-149) ইয়াৰ উপৰিও প্ৰশাসন যিকোনো উপায়েৰে খাজনা ৰেহাইৰ ক্ষতি পূৰণৰ প্ৰতি আছিল দৃঢ়প্ৰতিজ্ঞ। ১৯৩৯-৪০ চনত অসম চৰকাৰৰ সচিব এ জি পেটন (A. G. Patton) ৰ মন্তব্যত এই কথা স্পষ্ট—Government hope that this sacrifice of revenue will be repaid by a more rapid increase of prosperity among the population which will justify return to more normal rate of assessment (RLAA: 1939-40) অৱশ্যে এই আশা পূৰণ নহ'বলৈ কৃষিজাত বস্তুৰ দাম সামান্য বৃদ্ধি হৈছিল যদিও ইয়াৰ পৰা কৃষকে লাভবান হোৱাৰ সুবিধা আছিল তেনেই কম। ইয়াৰ বিপৰীতে দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰাৰম্ভিক কালত বজাৰৰ নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ মূল্য অভাৱনীয়ভাৱে বৃদ্ধি পালে। চৰকাৰে ১৯৩৯ চনত এটা আদেশ অনুসৰি দাম নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিছিল যদিও ই ফুটুকাৰ ফেনত পৰিণত হ'লগৈ। (RLRAA: 1939-40)

স্বাধীনতা আন্দোলনৰ আশা-উদ্দীপনাৰ মাজতে সংখ্যাগৰিষ্ঠ অসমীয়াৰ দৰিদ্ৰতাৰ ৰূপটো মধ্যবিত্ত শ্ৰেণীৰ বিশেষভাৱে দৃষ্টি-গোচৰ হৈছিল। বিশেষকৈ বিশ্বজোৰা অৰ্থনৈতিক মন্দাৰ প্ৰভাৱতে এচাম শিক্ষিত সমাজকৰ্মীয়ে সাংগঠনিক কাম-কাজেৰে কৃষি সমস্যা সমাধানৰ চেষ্টা চলালে। অগ্ৰণী অনুষ্ঠান জাতীয় কংগ্ৰেছে এই ক্ষেত্ৰত বিশেষ তৎপৰতা দেখুৱালে। অসমৰ কংগ্ৰেছী নেতাসকলৰ বাবে বিশেষ অনুপ্ৰেৰণাৰ উৎস আছিল ১৯৩১ চনত গান্ধীয়ে চৰকাৰৰ ওচৰত দাঙি ধৰা এঘাৰ

দফীয়া দাবী। ইয়াৰ ভিতৰত ভূমি ৰাজহ শতকৰা ৫০ ভাগলৈ কমাই দিয়াটোৱে আছিল অন্যতম (কৃষ্ণ শৰ্মাৰ ডায়েৰী, গুৱাহাটী ১৯৭২, পৃষ্ঠা ১৮৬)। এই পটভূমিতে ১৯৩৩ চনত যোৰহাটৰ ওচৰৰ টিলিকিয়ামত বিভিন্ন অঞ্চলত সিঁচৰতি হৈ থকা ৰায়ত সভাসমূহ একত্ৰিত কৰি এক উমৈহতীয়া সংগঠন 'অসম ৰায়ত সভা'ৰ জন্ম হয়। স্বাধীনতা সংগ্ৰামী কৃষ্ণনাথ শৰ্মা আছিল ইয়াৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক। (কৃষ্ণ শৰ্মাৰ ডায়েৰী, গুৱাহাটী, ১৯৭২, পৃষ্ঠা ২০৩-২০৪) কমিউনিষ্টসকলৰ মতাদৰ্শৰ প্ৰভাৱতো ব্ৰহ্মপুত্ৰ উপত্যকাত আন কেইবাটাও কৃষক সংগঠনে জন্মলাভ কৰে। এই সময়ছোৱাত ধীৰেণ দত্ত, জিউৰাম হাজৰিকা, ৰামচন্দ্ৰ বৰুৱা আদিৰ নেতৃত্বত গোলাঘাটত জন্ম হয় হালোৱা সংঘৰ। ১৯৩৮ চনত ইয়াৰ বছৰেকীয়া অধিৱেশন বহে আৰু ইয়াৰ নতুন নাম দিয়া হয় গোলাঘাট জিলা কৃষকসভা (দধি মহন্ত ঃ অসমত কমিউনিষ্ট আন্দোলনৰ জন্ম আৰু বিকাশ সম্বন্ধে। গুৱাহাটী ১৯১৩, পৃষ্ঠা ৩৮-৩৯) আন এক সংগঠনৰ নাম আছিল কৃষক-বনুৱা পঞ্চায়ত। ই আছিল ১৯৩৭ চনত সৌমেন্দ্ৰ নাথ ঠাকুৰৰ নেতৃত্বত অসমত জন্ম লাভ কৰা ৰাজনৈতিক দল কমিউনিষ্ট লীগ (পাছলৈ আৰ চি পি আই) ৰ এটা বিশেষ শাখা। উক্ত সংগঠনৰ সদস্যসকলে গাওঁ অঞ্চলসমূহ পৰিভ্ৰমণ কৰি কৃষকক ভূমি ৰাজহৰ বোজাৰ বিৰুদ্ধে সজাগ হ'বলৈ আহ্বান দিছিল (হৰিবিলাস ডেকা ঃ জীৱন আৰু সংগ্ৰাম, গুৱাহাটী ১৯৯২, পৃষ্ঠা ২৬ ২৮, ৩৫-৩৬)।

উল্লিখিত আটাইবোৰ সংগঠনৰে উদ্দেশ্য আছিল কৃষকৰ অৱস্থাৰ উন্নতি কৰা, তৎকালীনভাৱে তেওঁলোকক কৰৰ বোজাৰ পৰা ৰেহাই দিয়া। তথ্যপাতিয়ে দিয়া সাক্ষ্য অনুসৰি ৰায়ত সভাৰ ভূমিকাই আছিল বেছি সক্ৰিয়। ১৯৩৩-৩৭ চনৰ ভিতৰত উক্ত সভাৰ প্ৰায় ৩০০ মান শাখাৰ সদস্যসকলে বিভিন্ন অঞ্চল পৰিভ্ৰমণ কৰি কৃষকৰ সমস্যাবোৰ সঠিক ৰূপত দাঙি ধৰি সচেতন মহলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। (কৃষ্ণ শৰ্মা ঃ কৃষ্ণ শৰ্মাৰ ডায়েৰী, গুৱাহাটী ১৯৭২, পৃষ্ঠা ২৪৯-২৫১)।

বিশ্বজোৰা অৰ্থনৈতিক সংকটৰ সময়ছোৱাত জাতীয় কংগ্ৰেছৰ সামাজিক ভিত্তি বহুখিনি প্ৰসাৰিত হ'ল। বিশেষকৈ ১৯৩৬ চনৰ কংগ্ৰেছৰ লক্ষ্ণৌ অধিৱেশনত বাওঁপন্থীসকলৰ হেঁচাত ৰাজ্যসমূহৰ নৱগঠিত চৰকাৰসমূহক কৃষকৰ সমস্যাৰ প্ৰতি সহানুভূতিশীল হ'বলৈ নিৰ্দেশ দিয়া হয়। (D. G. Tendulkar : Mahatma Vol. 4 Govt. of India 1960, PP65-66) এই পটভূমিতে ১৯৩৫ চনৰ আইনৰ স্বত্ব অনুযায়ী ১৯৩৭ চনৰ এপ্ৰিল মাহৰ ১ তাৰিখে অসমত অকংগ্ৰেছী সন্মিলিত চৰকাৰ এখন গঠন হয়। স্বাভাৱিকতে প্ৰথমৰ পৰাই প্ৰভাৱশীল উদাৰনৈতিক কংগ্ৰেছী সদস্যসকলে কৃষকৰ সমস্যা, দুৰৱস্থাৰ কথা সকলোকে অৱগত কৰালে। কংগ্ৰেছৰ কৰ্মসূচীৰ অংশ হিচাপে ১৯৩৭ চনৰ ২২ জুলাই তাৰিখে কাউন্সিলৰ সিদ্ধিনাথ শৰ্মাই

সম্পূর্ণ খাজনা দিয়া খাৰিজ, আধা খাজনা দিয়া বিশেষ সুবিধা প্ৰদত্ত মাটিৰ ওপৰত চৰকাৰী খাজনা শতকৰা ৫০ ভাগ ৰেহাই দিয়াৰ দাবী উত্থাপন কৰে। কৃষক শোষণৰ বিভিন্ন দিশ পৰ্যালোচনা কৰি ইংৰাজীত উত্থাপন কৰা ঐতিহাসিক প্ৰস্তাৱটোৰ অংশ বিশেষ আছিল এনেকুৱা— "Therfore on the basis of reduced return for agricultural produce an increase of indebtness and permanent proverty of rayats; the reduction should be 50 percent." (ALCP, 12th July 1937; ASP:Rev, A June 1938, Nos 73-76, PP 1-4) প্ৰস্তাৱটোৱে সদনৰ মজিয়াত তুমুল বিতৰ্কৰ সূত্ৰপাত ঘটালে। ইতিমধ্যে কিছু খাজনা ৰেহাই দিয়া হৈছিলেই, ইয়াৰ ওপৰতো আকৌ ৫০ ভাগ ৰেহাইৰ কথাটো চৰকাৰে সহজভাৱে মানি ল'ব নোৱাৰিলে। অকংগ্ৰেছী এচাম সদস্যইও চৰকাৰৰ পক্ষ ল'লে। যি কি নহওঁক। তুমুল বাক-বিতণ্ডাৰ মাজেৰে চৰ্ত সাপেক্ষ ভূমি-ৰাজহ শতকৰা ৩৩ ভাগ কমাই দিয়াৰ সংশোধিত প্ৰস্তাৱ এটাহে গৃহীত কৰা হ'ল। ASP:Rev. A june 1938. Nos 42-72. Submitted by D. N. Sharmah. 2 October. 1937) অৱশেষ ১৯৩৮ চনৰ ছেপ্টেম্বৰ মাহত বৰদলৈৰ নেতৃত্বত কংগ্ৰেছ চৰকাৰে পূৰ্ণ ক্ষমতা লাভ কৰাৰ পিছত পৰিস্থিতিৰ কিছু সলনি হ'ল। নতুন চৰকাৰখনে সংখ্যাগৰিষ্ঠ কৃষকে সুবিধা লাভ কৰিব পৰাকৈ শতকৰা পঞ্চাশ ভাগ ভূমি ৰাজহৰ ৰেহাইৰ সিদ্ধান্ত লৈ পূৰ্বৰ স্থিতি বাহাল ৰাখে। সংখ্যালঘিষ্ঠ ধনী কৃষকসকলৰ ক্ষেত্ৰত ৰাজহৰ বোজা শতকৰা ২০ ৰ পৰা ৩০ ভাগলৈ কমাই দিয়া হ'ল। এই ব্যৱস্থা ১৯৩৮-৩৯ চনৰ পৰা কাৰ্যকৰী হয়। ৰায়তৱাৰী অঞ্চলৰ সংখ্যাগৰিষ্ঠ কৃষক প্ৰজা এই ব্যৱস্থাৰ দ্বাৰা কিছু হ'লেও উপকৃত হৈছিল বুলি ক'ব পাৰি। (A. C. Bhuyan and Sivapada De (Edited) Political History of Assam Vol.-III, Guwahati 1980 P. 5 কৃষ্ণ শৰ্মা : কৃষ্ণ শৰ্মাৰ ডায়েৰী, গুৱাহাটী ১৯৭২, পৃষ্ঠা ২৫২, শ্ৰীমান প্ৰফুল্ল মহন্ত, জীৱন স্মৃতি নলবাৰী, ১৯৭৭ পৃষ্ঠা ৩২)।

নব্য ৰাজনৈতিক সাংস্কৃতিক চেতনাৰ উন্মেষ : মধ্যবিত্তৰ ভূমিকা

ইতিমধ্যে আমি ঔপনিবেশিক অসমৰ আৰ্থ-সামাজিক ব্যৱস্থাৰ এটা গুৰুত্বপূৰ্ণ দিশ— কৃষক দৰিদ্ৰতাৰ বিষয়টো আলোচনা কৰিছো। ভাৰতীয় সমাজৰ দৰিদ্ৰতাই আছিল সাম্ৰাজ্যবাদৰ লগত সংঘাতৰ মূল ভিত্তি। ইয়াৰ আত্মপ্ৰকাশ ঘটিছিল জাতীয় মুক্তি আন্দোলনৰ বিভিন্ন পৰ্যায় আৰু ধাৰাৰ মাজত। ভাৰতীয় জনগণৰ সামাজিক সাংস্কৃতিক উত্তৰণৰ প্ৰক্ৰিয়াৰে ৰাজনৈতিক ক্ষেত্ৰলৈকে এই দীঘলীয়া যাত্ৰাৰ নেতৃত্বত আছিল মধ্যবিত্ত শ্ৰেণী।

ভাৰতৰ বিভিন্ন প্ৰান্তত মধ্যশ্ৰেণীৰ উত্থানৰ কিছু সুকীয়া বৈশিষ্ট্য থাকিলেও সাম্ৰাজ্যবাদী ব্ৰিটিছ চৰকাৰৰ সামাজিক প্ৰয়োজনৰ লগত ই আছিল বহু দূৰ সম্পৰ্কিত। ঔপনিৱেশিক অসমত নতুন সামাজিক শ্ৰেণী বিন্যাসৰ সন্দৰ্ভত ড° প্ৰফুল্ল মহন্তই লিখিছে— 'নতুন প্ৰশাসনীয় ব্যৱস্থাত আহোম যুগৰ ৰজা-বিষয়া শ্ৰেণীৰ প্ৰয়োজন প্ৰায় শেষ হৈছিল। তাৰ উপৰি নতুন প্ৰশাসনীয় নীতিৰ আও-ভাও বিষয়া শ্ৰেণীয়ে বুজিও পোৱা নাছিল। ব্ৰিটিছ সাম্ৰাজ্যৰ স্বাৰ্থতে পুৰণি পাইক আৰু খেল প্ৰথা উচ্ছেদ কৰি নতুন ভূমি আৰু ৰাজহ ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল। ৰাজহৰ বাহিৰে প্ৰজা শোষণৰ অন্য কোনো পথ তৎকালীন অসমৰ সমাজত নাছিল। পাইক আৰু খেল পথাৰ বিলোপ সাধনৰ লগে লগে, তাৰ ওপৰত বৰ্তি থকা ৰজা আৰু বিষয়া শ্ৰেণীটো সাধাৰণ প্ৰজাৰ শ্ৰেণীলৈ অৱনমিত হৈছিল। কিন্তু সাধাৰণ প্ৰজাৰ ধৰ্মৰ প্ৰতি থকা আনুগত্যই ধৰ্মীয় সম্ভ্ৰান্ত শ্ৰেণীটোক প্ৰাচীন মান-মৰ্যাদা লৈ বৰ্তি থকাত সহায় কৰিছিল। প্ৰজাৰ আনুগত্য আদায়ৰ কাৰণে বৃটিছেও এই শ্ৰেণীটোৰ ওপৰত হাত দিয়া নাছিল। এইদৰে মধ্যযুগীয়া সামন্তীয় সমাজখন থান-বান হোৱাৰ লগে লগে, নতুন প্ৰশাসনীয় ব্যৱস্থাৰ অনুকূলে, নতুন সামাজিক শ্ৰেণীয়ে আত্মপ্ৰকাশ কৰিছিল ; (ড° প্ৰফুল্ল মহন্ত ঃ অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ইতিহাস, গুৱাহাটী ১৯৯১, পৃষ্ঠা ৪৩) নতুন যুগত যিবিলাক সা-সুবিধা ওলাইছিল— অৰ্থাৎ চাকৰিৰ ক্ষেত্ৰত চৰকাৰে আগৰ উচ্চ হিন্দুবৰ্ণৰ হিন্দু মানুহখিনিক নিয়োগ কৰি নগৰ অঞ্চলত এটা অনুগত শ্ৰেণীৰ সৃষ্টি কৰিছিল। সেইদৰে গাওঁ অঞ্চলটো ঔপনিৱেশিক শাসন-শোষণৰ কাৰণে মৌজাদাৰ, মণ্ডল, গাঁওবুঢ়া আদিৰ পদ সৃষ্টি কৰি গাঁৱৰ প্ৰভাৱশালী অভিজাত লোকক নিয়োগ কৰিছিল। সত্ৰাধিকাৰ, ব্ৰাহ্মণ পণ্ডিত, পুৰোহিত, দৈৱজ্ঞ আদিক লৈ এই শ্ৰেণীটো সংগঠিত হৈছিল। (ড° প্ৰফুল্ল মহন্ত ঃ অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ইতিহাস, গুৱাহাটী ১৯৯১, পৃষ্ঠা ৫০) ঐতিহাসিক কাৰণতে নগৰ আৰু গাওঁ অঞ্চলত সমান্তৰালভাৱে বিকাশ হোৱা নতুন শ্ৰেণীটোৰ ব্যৱসায় বাণিজ্যৰ জৰিয়তে পুঁজি সঞ্চয়ৰ সম্ভাৱনা আছিল তেনেই সীমিত। ইয়াৰ বিপৰীতে তেওঁলোকৰ কাৰণে এখন দুৱাৰেই খোলা আছিল। সেইয়া হ'ল পশ্চিমীয়া শিক্ষা গ্ৰহণ। নতুন যুগৰ সা-সুবিধাবোৰ লাভ কৰিবৰ বাবে আধুনিক শিক্ষা গ্ৰহণৰ প্ৰয়োজনীয়তা এওঁলোকেই বুজি উঠিছিল, আৰু এই দিশত এই অভিজাত শ্ৰেণীটোৱে অগ্ৰসৰ হৈছিল। কাৰণ সাম্ৰাজ্যবাদৰ স্বাৰ্থতেই ১৮৩৫ আৰু ১৯৪১ চনত ক্ৰমে গুৱাহাটী আৰু শিৱসাগৰত দুখন ইংৰাজী স্কুল স্থাপনেৰে অসমত যি আধুনিক শিক্ষাৰ সূচনা কৰা হৈছিল, তাৰ সুফল লাভ কৰাটো এওঁলোকৰ বাবে সম্ভৱ হৈ উঠিছিল ড° প্ৰফুল্ল মহন্তৰ মন্তব্যৰ পৰা অসমীয়া মধ্যবিত্তৰ জন্মৰ পটভূমিটো পৰিষ্কাৰ হৈ উঠিব। 'সেই সময়ত যেতিয়া অসমত মাথোন দুখন ইংৰাজী স্কুল আছিল, তেতিয়া সাধাৰণ মানুহৰ ল'ৰা-ছোৱালীৰ কাৰণে সেই শিক্ষা লাভ কৰাটো যে মুঠেই সম্ভৱ

নাছিল সি সহজেই অনুমেয়। আনহাতে সৰ্বসাধাৰণ শ্ৰেণীৰ মাজত আধুনিক শিক্ষা প্ৰৱৰ্তন কৰাটো ব্ৰিটিছৰ উদ্দেশ্যও নাছিল। গতিকে পুৰণি সম্পদশালী অভিজাত শ্ৰেণীটো (ব্ৰিটিছৰ আমোলা শ্ৰেণীটো আৰু ধৰ্মীয় অভিজাত শ্ৰেণীটো)ৰ ল'ৰা-ছোৱালীয়েই প্ৰথমে সেই সুবিধা লাভ কৰিছিল। ইয়াৰ মাজতে এচামে কলিকতাত উচ্চ শিক্ষালৈ অসমলৈ ঘূৰি আহিছিল। কলিকতাৰ আধুনিক চিন্তা-চেতনাৰ লগত এওঁলোকৰ পৰিচয় হৈছিল। সেই সময়ত কলিকতাই ভাৰতীয় তথাকথিত নৱজাগৰণৰ (প্ৰকৃত অৰ্থত নৱজাগৰণ আখ্যা দিব পৰা নাযায়) প্ৰাণকেন্দ্ৰ আছিল। আধুনিক শিক্ষা-চিন্তা-চেতনাৰে পুষ্ট হৈ অসমলৈ ঘূৰি আহি, এচাম ল'ৰাই চাকৰি-ব্যৱসায়-বাণিজ্য আদিত হাত দিছিল। এইদৰে অসমত এটা নতুন সামাজিক শ্ৰেণী (অৰ্থনৈতিক ভিত্তি)ৰ উদ্ভৱ হৈছিল— এইটোৱেই আছিল আধুনিক মধ্যবিত্ত শ্ৰেণী' (ড° প্ৰফুল্ল মহন্ত : অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ইতিহাস, গুৱাহাটী ১৯৯১, পৃষ্ঠা ৫৯)।

কিন্তু পৰিৱৰ্তিত ঔপনিবেশিক আৰ্থ— সামাজিক পৰিস্থিতিৰ পৰ্যায়ক্ৰমে নতুন সা-সুবিধাবোৰৰ প্ৰসাৰ ঘটা তথা পশ্চিমীয়া শিক্ষা গ্ৰহণ আৰু বিস্তাৰৰ জৰিয়তে মধ্যবিত্ত শ্ৰেণীটোৰ মাজেদি এক নতুন সামাজিক দৃষ্টিভংগীৰ প্ৰকাশ ঘটিছিল। যাৰ ফলত সামন্তীয় ঐতিহ্যৰ লগতে এওঁলোকৰ যোগাযোগ ক্ষীণ হৈ আহিছিল। প্ৰসংগটো আমি ড' ৰাজেন শইকীয়াৰ গৱেষণামূলক মূল্যায়নৰ ওপৰত ভেঁজা দি উত্থাপন কৰিব খুজিছো। "The emergence of the Assamese middle class in the second half of the nineteenth century was the permanent and positive legacy of British rule. Unlike other social classes such as the priests, the peasants and the pensioners of the old nobility, the middle class had no inseparable link with the past. They had no nobility pride in them. In a sence, they marked a repture with the past" (Rajen Saikia, Socoial and Economic History of Assam. 1853-1921, New Delhi 2000, P-159) অৰ্থাৎ মানসিক, সাংস্কৃতিকভাবে অতীতৰ লগত বিচ্ছেদকৰণ আছিল শ্ৰেণীটোৰ অন্যতম বৈশিষ্ট্য। ইয়াৰ উৎস সম্পৰ্কত তেওঁ আকৌ লিখিছে যে "The Assamese middle class was the compound product of colonial bureaucracy, English education and tea industry. It is indissoluble. Though the three components played mutually supportive, the social formation of the class was flexible and it was capable of absorbing newer elements. It was a process, not an event." (Rajen Saikia Socoial and Economic History of Assam. 1853-1921, New Delhi 2000, P-163). ড° শইকীয়াই তথ্যসমৃদ্ধ আলোচনাৰে দেখুৱাইছে যে মধ্যযুগৰ অসমীয়া সমাজখনত বিশেষ ভূমিকা থকা সত্ৰ অনুষ্ঠান বা মৌজাদাৰৰ পৰিয়াল আদিৰ সামন্ততান্ত্ৰিক অভিজাত ঐতিহ্যৰ লগতে নতুন সমাজিক শ্ৰেণীটোৰ উৎসে প্ৰত্যক্ষভাৱে জড়িত নাছিল। ইয়াৰ বিপৰীতে মধ্যবিত্তৰ লগত গভীৰভাৱে সংযোগ হৈছিল নগৰীয়া

বৈশিষ্ট্যবহে। (Rajen Saikia: Social and Economic History of Assam. 1853-1921, New Delhi 2000, P-162). আনফালে সৰ্বসাধাৰণৰ কাৰণে শিক্ষা নহ'লেও পশ্চিমীয়া শিক্ষাৰ ক্ষেত্ৰখন কেৱল দুই এটা অভিজাত অনুষ্ঠানৰ মাজত সীমাবদ্ধ হৈ থকা নাছিল, নতুন যুগৰ সা-সুবিধা গ্ৰহণ কৰিব খোজা বহল অংশ এটাৰ্লৈ পৰ্যায়ক্ৰমে প্ৰসাৰিত হৈছিল। (Rajen Saikia: Social and Economic History of Assam. 1853-1921, New Delhi 2000, P-163).

ওপৰৰ আলোচনাই স্পষ্ট কৰি দিয়া দিশটো হ'ল যে মধ্যবিত্ত শ্ৰেণীটোৰ বিকাশৰ এক উদাৰ আৰু গণতান্ত্ৰিক ভিত্তি আছিল। পুৰণাৰ লগত সম্পৰ্ক থাকিলেও, সামন্তবাদী ধ্যান-ধাৰণাৰ মাজৰ পৰা ওলাই আহিলেও, সামন্তবাদী অভিজাত ঐতিহ্যৰ লগত মধ্যবিত্তই গভীৰ সংযোগ ৰক্ষা কৰি আহিছিল বুলি কোৱাটো যুক্তিসংগত নহয়। এই প্ৰসংগতে মধ্যবিত্তৰ সাম্ৰাজ্যবাদৰ প্ৰতি আপোচমুখী চৰিত্ৰৰ বিষয়টোও তেওঁলোকৰ সামন্ততান্ত্ৰিক চেতনাৰ লগত যুক্ত কৰাটো ইতিহাস সম্মত হ'ব নোৱাৰে। ইয়াৰ উপৰিও সাম্ৰাজ্যবাদ বিৰোধিতাৰ প্ৰশ্নটোৱেও তেওঁলোকৰ সামাজিক স্থিতিৰ ক্ষেত্ৰত নিৰ্ণায়ক ভূমিকা ল'ব নোৱাৰে। সৰ্বভাৰতীয় পটভূমিৰ কথাটো আলোচনা কৰিব পাৰি। ভাৰতীয় নৱজাগৰণৰ পুৰোধা ব্যক্তিসকলেও সাম্ৰাজ্যবাদী চৰকাৰৰ প্ৰতি গভীৰ আনুগত্য প্ৰকাশ কৰিও সংস্কাৰবাদী প্ৰচেষ্টাৰে ভাৰতীয় সমাজখনৰ আমূল পৰিৱৰ্তনৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰিছিল। কিন্তু এইক্ষেত্ৰত তেওঁলোকৰ বিফলতাৰ কাৰণ দৰ্শাই ঐতিহাসিক কে. এন. পাণিকাৰে লিখিছে— "However, the inability to grasp contradiction between British imperialism and the interest of the Indian People bled the intellectual to believe that this transformations would occur within the colonial political frame work-- a false conciousness created primarily by the influence of the bourgeois liberal ideoligies disseminated by the colonial rulers and internalized by the intellectuals." (K. N. Panikar : culture, Ideology, Hegemony, Intellectual and Social Eonociousness in Colonial India. New delhi. 1998. P-25. এওঁলোকৰ মাজত থকা ভ্ৰান্তচেতনা, দ্বিধাগ্ৰস্ততা, সংশয় আদিৰ কাৰণ বিচাৰিলে আমি প্ৰকৃত ঐতিহাসিক পটভূমিত বুদ্ধিজীৱি ইতিহাস পৰ্যালোচনা কৰিব লাগিব। এটা কথা পাহৰিলে নচলিব যে উনবিংশ শতিকাৰ ভাৰতীয় মধ্যবিত্ত শ্ৰেণীটো এটা বিকাশশীল বুৰ্জোৱা ব্যৱস্থাৰ অংগাংগী (Organic) নাছিল; বৰঞ্চ এওঁলোক, সামন্ততান্ত্ৰিক সমাজ এখন সাম্ৰাজ্যবাদৰ অধীনত পৰনিৰ্ভৰশীল পুঁজিবাদী ব্যৱস্থা এটালৈ উত্তৰণৰ সময়ছোৱাত উদাৰনৈতিক বুৰ্জোৱা ভাবাদৰ্শ মূল্যবোধ গ্ৰহণ কৰি এক বিকাশ কৰাৰ চেষ্টা কৰিছিল। (K. N. Panikar : culture, Ideology, Hegemony, Intellectual and Social Eonociousness in Colonial India. New delhi. 1998. P-33.

অসমীয়া সমাজৰ সংস্কাৰধৰ্মী প্ৰচেষ্টা এটা আনন্দৰাম ঢেকীয়াল ফুকনৰ দিনৰ

পৰাই আৰম্ভ হৈছিল। এজন সুদক্ষ চৰকাৰী বিষয়া হিচাপে প্ৰশাসনিক সংস্কাৰৰ বাবে মিলচৰ ওচৰত দাখিল কৰা আবেদনখন অতি তথ্যসমৃদ্ধ দলিলৰূপে আজিলৈকে স্বীকৃতি পাই আহিছে। আনফালেদি জগদীশ্বৰক প্ৰাৰ্থনা কৰাৰ চলেৰে তেওঁ অসমীয়া সমাজখনৰ আমূল পৰিবৰ্তনৰ বাবে জনগণক উৎসাহিত কৰাবো চেষ্টা কৰিছিল। উদাৰনৈতিক বুৰ্জোৱা চিন্তাধাৰাৰ ওপৰত প্ৰতিষ্ঠিত অসমীয়া জাতীয়তাবাদৰে তেওঁ আছিল প্ৰথম প্ৰবক্তা। কিন্তু এই জাতীয়তাৰ আদৰ্শই সংখ্যাগৰিষ্ঠ অসমীয়া জনগণক আকৰ্ষিত কৰিব পৰা নাছিল। তেওঁৰ সপোন বাস্তৱত পৰিণত নোহোৱাৰ কাৰণ দৰ্শাই ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই লিখিছে, 'এইটো যে এখন উন্নত পুঁজিবাদী সমাজ গঢ়াৰ সপোন আছিল সেই বিষয়ে বিন্দুমাত্ৰাও সন্দেহ নাই। কিন্তু ই এটা প্ৰাৰ্থনাস্বৰূপহে। বৃটিছ সাম্ৰাজ্যবাদীসকলে যে কৃষিৰ উন্নয়ন, কুটিৰ শিল্পৰ বিকাশ আৰু মণিৰাম দেৱানৰ দৰে উদ্যোগী লোকক উদ্যোগ স্থাপনত বাধা দিছিল, সেই কথাৰ সাৰমৰ্ম তেওঁ বুজিব পৰা নাছিল। (বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যঃ ডেকশ বছৰৰ অসমীয়া সংস্কৃতিত এভুমুকি, গুৱাহাটী ১৯৭৮, পৃষ্ঠা-১৫)। আধুনিকতাৰ অগ্ৰদূত ঢেকীয়াল ফুকনে অৱশ্যে সাম্ৰাজ্যবাদৰ নগ্ন চৰিত্ৰটো বুজি নোপোৱা বা বুজিবলৈ চেষ্টা নকৰাটো বিশেষ অস্বাভাৱিক কথা নহয়। কিন্তু গুৰুত্বপূৰ্ণ কথাটো হ'ল— সৰ্বভাৰতীয় পটভূমিৰ ক্ষেত্ৰত, অসমত বৃটিছ ৰাজ প্ৰতিষ্ঠা হোৱাৰ পাছৰ প্ৰায় ছটামান দশকলৈ অসমীয়া মধ্যবিত্তই অসমীয়া জাতিৰ উন্নতিৰ বাবে কোনো বাস্তৱ পদক্ষেপ ল'ব পৰা নাছিল। বেছিভাগ ক্ষেত্ৰতেই ঢেকীয়াল ফুকনৰ প্ৰাৰ্থনাৰ দৰে অসমীয়া বুদ্ধিজীৱীসকলৰ সমাজসংস্কাৰৰ প্ৰচেষ্টা ব্যক্তিগত পৰিসৰৰ মাজত আবদ্ধ আছিল। ইয়াৰ মূল কাৰণ আছিল তেওঁলোকৰ শ্ৰেণীগত ভিত্তি দুৰ্বল হোৱাটো। ড° মনোৰমা শৰ্মাৰ তথ্যসমৃদ্ধ আলোচনাই দেখুৱাইছে যে ঊনবিংশ শতিকাৰ শেষৰ দশকটোৰ পৰাহে অসমীয়া মধ্যবিত্তই সচেতনভাৱে নিজক সংগঠিত কৰি অসমীয়া সমাজত বিশেষ ভূমিকা গ্ৰহণ কৰিবলৈ আগবাঢ়ি গৈছিল। ইয়াৰ সফল প্ৰয়োগ দেখা গৈছিল ১৮৯৩ চনৰ কৃষক বিদ্ৰোহৰ সময়ত। কৃষকসকলে প্ৰথমবাৰৰ বাবে চৰকাৰী খাজনা বৃদ্ধিৰ প্ৰতিবাদ জনাই চৰকাৰলৈ প্ৰেৰণ কৰা বিভিন্ন আবেদন পত্ৰসমূহ এই শ্ৰেণীৰ দ্বাৰাই প্ৰস্তুত কৰা হৈছিল বুলি ভবাৰ থল আছে। কাৰণ ঊনবিংশ শতিকাৰ সীমিত শিক্ষাৰ বিস্তাৰৰ পৰিবেশত কৃষকৰ বাবে সেইয়া সম্ভৱ নাছিল। এই পটভূমিতে কৃষক বিদ্ৰোহৰ পৰম্পৰাগত নেতৃত্বত থকা 'ৰাইজৰ মেল' অনুষ্ঠানটোৱেও সংস্কাৰমুখী মধ্যবিত্ত নিয়ন্ত্ৰিত 'ৰায়ত সভা'লৈ বাট এৰি দিছিল। (Manorama Sharma: Social and Economic Change in Assam-Middle Class Hegemony, Delhi 1990, P-140) এই পৰিবৰ্তনৰ অতি গুৰুত্বপূৰ্ণ কাৰণটো আছিল তুলনামূলকভাৱে দুৰ্বল মধ্যবিত্ত শ্ৰেণীয়ে কৃষকসকলৰ সমৰ্থন আদায় কৰি তেওঁলোকৰ শ্ৰেণীগত ভিত্তি সবল কৰিব বিচৰাটো।

ইয়াৰ উপৰিও ড° শৰ্মাই ভাবে যে গ্ৰাম্য জীৱনৰ লগতে অসমীয়া মধ্যবিত্তৰ নিবিড় সম্পৰ্কৰ বাবে কৃষি খণ্ডলৈ তেওঁলোকৰ নেতৃত্ব সহজেই প্ৰসাৰিত হোৱাত সহায় লৈছিল। [Rajen Saikia: উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-২৩৩] ড° ৰাজেন শইকীয়াই অসমীয়া মধ্যবিত্তৰ লগত গ্ৰাম্য জীৱনৰ সম্পৰ্কৰ দিশটোৰ প্ৰতি বিশেষ উৎসাহ নেদেখুৱালেও শ্ৰেণী হিচাপে মধ্যবিত্তৰ পূৰ্ণতা প্ৰাপ্তি তথা প্ৰাধান্য বিস্তাৰৰ ক্ষেত্ৰত দ্বিমত প্ৰকাশ কৰা নাই। "By the end of the nineteenth century the presence of the middle class was felt as a major social phenomenon in Assam." Manorama Sharma: উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-১৪৬)।

আৰ্থিক ভিত্তি যিয়েই নহওঁক, ঊনবিংশ শতিকাৰ শেষৰ ফালৰ পৰা বিংশ শতাব্দীৰ প্ৰথম দুটামান দশকৰ ভিতৰত অসমীয়া সামাজিক জীৱনত এই শ্ৰেণীটোৱে নিৰংকুশ প্ৰাধান্য লাভ কৰিছিল। জ্যোতিপ্ৰসাদৰ সময়ৰ অসমত নৱা ৰাজনৈতিক চিন্তাধাৰাৰ উন্মেষৰ প্ৰসংগত ইয়াৰ আধিপত্যকামী চৰিত্ৰৰ কথা উল্লেখ কৰিব লাগিব। "It is thus clear that by the first decade of the twentieth century the newly emerged middle class had risen to a position of dominance in the Assamese society and this dominance became more and more pronounced during the course of the next few decades and in the post independent period. This appears to be a peculiar phenomenon, where a non-ruling class, and that too a class which was economically not very dominant either could dominate a society in this particularly. There is no other way to explain this dominence except to call it hegemony. (Rajesn Saikia : উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ১৯৪)।

এচাম বস্তুনিষ্ঠ গৱেষকে অৱশ্যে অসমীয়া মধ্যবিত্তৰ এই আধিপত্যকামী ভূমিকা ঠেক প্ৰাদেশিক দৃষ্টিভংগীৰ ওপৰত প্ৰতিষ্ঠিত বুলি ক'ব খোজে। কাৰণ ১৮৮৯ চনৰ পৰা প্ৰকাশিত হোৱা জোনাকী আলোচনীৰ পাতত বাংলা আধিপত্যৰ বিৰুদ্ধে অসমীয়া ভাষাৰ উন্নতিৰ জৰিয়তে অসমীয়াৰ আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামো সচেতন আৰু পৰিকল্পিতভাৱে আগবাঢ়ে। এই পটভূমিতে, অসমীয়া ভাষা ১৮৩৬ চনৰ পৰা কাছাৰী, বিদ্যালয়ৰ পৰা বাহিৰ কৰি দিয়া ঘটনাটো 'বঙালী আমোলৰ ষড়যন্ত্ৰ'ৰূপে অভিহিত হোৱা জনপ্ৰিয় বঙালী বিদ্বেষৰ ধাৰণা ১৯১৭ চনত অসম সাহিত্য সভাৰ জন্ম হোৱাৰ পাছৰ পৰা বিশেষ প্ৰতিষ্ঠা লাভ কৰে। সাম্প্ৰতিক বস্তুনিষ্ঠ গৱেষণাই স্পষ্ট কৰি দেখুৱাইছে যে ঊনবিংশ শতিকাৰ ভাষা সম্পৰ্কীয় বিবাদৰ মূল ভিত্তি আছিল সাম্ৰাজ্যবাদী কৌশলহে। ইয়াত বঙলা আমোলাৰ বিশেষ হাত নাছিল। সিদ্ধান্তটো মানি লৈও এটা প্ৰশ্ন অৱতাৰণা কৰিব পাৰি। অসমীয়া মধ্যবিত্তৰ ভাষাকেন্দ্ৰিক আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰাম কেৱল প্ৰাদেশিক বা সাম্প্ৰদায়িকেই আছিল নেকি? ইয়াৰ কোনো ঐতিহাসিক

বা বাস্তৱ ভিত্তি নাছিল নেকি? বিষয়টো পৰিষ্কাৰ কৰিবৰ বাবে আমি ড° অপূৰ্ব বৰুৱাৰ তথ্যসমৃদ্ধ আলোচনালৈ আঙুলিয়াব খুজিছো। তেওঁ দেখুৱাইছে যে, অসমীয়া যে ভাষা আদালতৰ পৰা বাজ কৰাটো কেৱল সাম্ৰাজ্যবাদী বিভাজন নীতিৰ অংগ বুলি ক'লে ভুল কৰা হ'ব। সেই সময়ৰ অসমত থকা বঙালী এলিট শ্ৰেণী আৰু বংগত থকা তেওঁলোকৰ অনুবংগীসকলেও উক্ত চৰকাৰী নীতিটোৰ গ্ৰহণত অৰিহণা যোগাইছিল। (সবিশেষ তথ্যৰ বাবে-Milton. S. Sangma. Edited: Essays on North East India, New Delhi 1994, PP 253-257) ইয়াৰ উপৰিও উনবিংশ শতিকাত অসমলৈ অহা ১৮৭৪ চনত চিলেটৰ দৰে বঙালী সংখ্যাগৰিষ্ঠতা থকা অঞ্চল এটা অসমৰ লগত অন্তৰ্ভুক্ত কৰা ঘটনাই অসমত অসমীয়া সংখ্যালঘু হোৱাৰ আশংকা কৰিছিল অসমীয়া মধ্যবিত্তই। ইতিমধ্যে শিক্ষিত অসমীয়াৰ চাকৰি সংৰক্ষণৰ বাবেও ১৮৮৪ চনৰ পৰা যোৰহাট সাৰ্বজনিক সভাই মাত মাতি আহিছিল। (সবিশেষ তথ্যৰ বাবে Milton S. Sangma Edited : Essays on North-East India. New Delhi 1994 পৃষ্ঠা ২৫৭-২৫৮) সম্ভবত: প্ৰব্ৰজনৰ আশংকায়ে উনবিংশ শতিকাৰ শেষৰ ফালে অসমীয়া জাতীয়তাবাদী চেতনাৰ বিকাশত বিশেষ অৰিহণা যোগাইছিল আৰু এনে জটিল পৰিস্থিতিত 'The fear of losing national identity and the need to develop national conciousness exercised the minds of the advanced sections of the Assamese People.' (সবিশেষ তথ্যৰ বাবে— Milton S. Sangma, Edited Essays on North-East India, New Delhi 1994 P-260) সামগ্ৰিকভাৱে অসমীয়া মধ্যবিত্তৰ এই মানসিক উত্তৰণ আৰু জাতীয় মুক্তি আন্দোলনত অংশগ্ৰহণৰ প্ৰক্ৰিয়া সম্ভৱ হৈ উঠিল গৈ বিভিন্ন ঘটনা প্ৰবাহৰ মাজেৰে।

ৰাজনৈতিক পট পৰিবৰ্তন

বিংশ শতাব্দীৰ প্ৰথমাৰ্দ্ধত, ১৯০৩ চনত আছাম এছ'চিয়েশ্যনৰ জন্মলগ্নৰ পৰা ১৯২১ চনত আছাম প্ৰাদেশিক কংগ্ৰেছ কমিটী গঠনৰ মাজৰ সময়ছোৱাই ব্ৰহ্মপুত্ৰ উপত্যকাত ৰাজনীতি চিন্তা-চেতনাৰ প্ৰসাৰ আৰু মধ্যবিত্তৰ মানসিক উত্তৰণৰ সন্ধিক্ষণৰ যুগ বুলি অভিহিত কৰিব পাৰি। ড° অনুৰাধা দত্তই লিখিছে 'The Nineteenth Century Left a very rich legacy of National movements as a beaconlight for organised political association which took shape in the first tow decadeds of the twentieth century (Anuradha Dutta : Assam in the freedom movement. Calcutta 1991 Pg.-49)' বিংশ শতাব্দীৰ প্ৰথমাৰ্দ্ধত জাতীয় সচেতনতাৰ বিকাশৰ সকলোবোৰ দিশ আছাম এছ'চিয়েশ্যনক কেন্দ্ৰ

কৰিয়েই সম্ভৱ হৈছিল। ঊনবিংশ শতিকাৰ শেষৰফালে অসমত ভূমি ৰাজহৰ অভাৱনীয় বৃদ্ধিৰ বিৰুদ্ধে চৰকাৰী প্ৰতিনিধিৰ আগত প্ৰতিবাদ সাব্যস্ত কৰিবলৈ মানিক চন্দ্ৰ বৰুৱাৰ নেতৃত্বত প্ৰায় ৪০জন শিক্ষিত মধ্যবিত্ত সংগঠিত হোৱাৰ মাজেৰেই নতুন সংগঠনটোৰ জন্ম হোৱাৰ বাট মুকলি হয়। ৰাজা প্ৰভাত চন্দ্ৰ বৰুৱা আছিল ইয়াৰ প্ৰতিষ্ঠাপক সভাপতি। জন্ম লগ্নৰে পৰা ১৯১৫ চনলৈ সম্পাদকৰ পদ অলংকৃত কৰা মানিক চন্দ্ৰ বৰুৱাৰ আহোপুৰুষাৰ্থতে অনুষ্ঠানটোৰ সামগ্ৰিক বিকাশ ক্ষিপ্ৰতৰ হৈ উঠে। (Anuradha Dutta : Assam in the Freedom Movement. Culcutta 1991 Pg. 51-52)। এক কথাত কবলৈ গ'লে, ইতিমধ্যে সচেতনভাৱে সংগঠিত হোৱা অসমীয়া মধ্যবিত্তৰ এইখনেই প্ৰথম সুপৰিকল্পিত ৰাজনৈতিক মঞ্চ বুলি ক'লে বঢ়াই কোৱা নহ'ব। স্বাভাৱিকতে ইয়াৰ চৰিত্ৰ আছিল আধিপত্যকামী — 'It served to show that the Association was not a sectarian organisation. Indeed it was the common forum of different sections of the people seeking articulation through the educated community.' (Anuradha Dutta : Assam in the Freedom Movement Calcutta 1991, Pg.-52) অৱশ্যে চৰিত্ৰৰ ফালৰ পৰা ই তেতিয়াও আছিল সাৰ্বজনিক সভাৰ সমগোত্ৰীয়। সাম্ৰাজ্যবাদৰ লগত সংঘাতলৈ অহা কোনো নীতি সংগঠনটোৱে গ্ৰহণ কৰা নাছিল। আশা কৰা মতে, সাংবিধানিক সংস্কাৰ, আবেদন-নিবেদন প্ৰস্তাৱ গ্ৰহণ আদিৰ জৰিয়তে সামাজিক বৈষম্য আঁতৰোৱাৰ বাবে ই কাৰ্যসূচী গ্ৰহণ কৰিছিল। (Anuradha Dutta : Assam in the Freedom Movement Calcutta 1991)

অৱশ্যে আছাম এছ'চিয়েশ্যনৰ মাজতে নতুন বীজ অংকুৰিত হৈ আছিল। পৰিৱৰ্তিত দ্ৰুত পৰিস্থিতিৰ কথা উল্লেখ কৰি বিজনলাল চৌধুৰীয়ে লিখিছে 'এই বিশেষ আৱৰ্তত অসমীয়া মধ্যবিত্তৰ যাত্ৰা পথত এদল নতুন যুৱ-নায়কে নেতৃত্ব দিবলৈ আৰম্ভ কৰিলে। ইতিহাসৰ যেন পটপৰিৱৰ্তন হ'ল। এই নতুন যুগৰ নায়কসকল হ'ল চন্দ্ৰনাথ শৰ্মা, অম্বিকা চৰণ ৰায়চৌধুৰী, নবীন চন্দ্ৰ বৰদলৈ, কুলধৰ চলিহা, তৰুণৰাম ফুকন আদি। আছাম এছ'চিয়েশ্যনৰ ভিতৰতে এইসকল তীব্ৰ চেতনাসম্পন্ন বুদ্ধিজীৱী সক্ৰিয় হৈ আছিল আৰু অতীতত এইসকল প্ৰবীণ নেতা জগন্নাথ-মানিক-প্ৰভাতৰ পদাংক অনুসৰণ কৰিছিল। তথাপি তেওঁলোকেই ইতিহাসৰ দেৱালত কি লিখি থৈ গৈছে— পঢ়িবলৈ সমৰ্থ হৈছিল। (শ্ৰীবিজনলাল চৌধুৰী : জোনাকীৰ আলোড়ন। গুৱাহাটী ১৯৯৩, পৃষ্ঠা ১৫৬)।

এছ'চিয়েশ্যনৰ বুকুতে ৰাজনৈতিক পৰিৱৰ্তন ঘটিছিল আৰু তাত অৰিহণা যোগাইছিল দেশৰ ৰাজনৈতিক ঘটনা প্ৰবাহে। ইয়াৰ ভিতৰত গুৰুত্বপূৰ্ণ আছিল বংগ বিভাজন (১৯০৫) আৰু ইয়াৰ বিৰুদ্ধে হোৱা উত্তাল জনজাগৰণ। অৱশ্যে উক্ত

আঁচনিখনৰ বিভিন্ন দিশ প্ৰতিবাদ কৰিও তথা অসমৰ সুকীয়া ভৌগোলিক, সাংস্কৃতিক অস্তিত্ব বজাই ৰখাৰ দৰে মত পোষণ কৰিও এছ'চিয়েশ্যনে ১৯০৬ - ১২ চনৰ ভিতৰত বংগত হোৱা প্ৰবল জনজাগৰণৰ আদৰ্শৰে ব্ৰহ্মপুত্ৰ উপত্যকাত কোনো ধৰণৰ ব্ৰিটিছ বিৰোধী উত্থানৰ নেতৃত্ব দিয়াৰ সাহস গোটাব নোৱাৰিলে (Anuradha Dutta : উল্লিখিত গ্ৰন্থ, পৃষ্ঠা - ৫৩)। অৱশ্যে এছ'চিয়েশ্যনৰ প্ৰত্যক্ষ নেতৃত্বৰ অবিহনেই ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন অঞ্চলত গণ আন্দোলন সংগঠিত হোৱাৰ উপৰিও কিছুমান বিশেষ স্থানত প্ৰতিবাদ সভা আদি অনুষ্ঠিত হৈছিল। (Anuradha Dutta : উল্লিখিত গ্ৰন্থ, পৃষ্ঠা - ৫৪) পৰিস্থিতিটোৱে বেছিকৈ প্ৰভাৱান্বিত কৰিছিল অসমীয়া মধ্যবিত্তৰ তৰুণ চামক। বিশেষকৈ সেইসময়ৰ বংগৰ ছাত্ৰ সমাজৰ বৈপ্লবিক কাৰ্যসূচীয়ে এওঁলোককো দেশমাতৃৰ আহ্বানত ৰাজপথলৈ ওলাই আহিবলৈ প্ৰেৰণা দিছিল। বিদেশী বস্ত্ৰ বৰ্জন কৰি স্বদেশী মন্ত্ৰ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰচাৰ কৰাত ছাত্ৰ সমাজে বিশেষ অবিহণা যোগাইছিল। বিশেষকৈ গুৱাহাটীত সংগঠিত হোৱা ছাত্ৰসকলৰ ভিতৰত অন্যতম আছিল অম্বিকাগিৰি ৰায়চৌধুৰী। প্ৰথম অৱস্থাত নিধিৰাম দাসক কেপ্টেইন ছেক্ৰেটাৰী পাতি ছাত্ৰসকলে 'সেৱা সংঘ' নামে এটা অনুষ্ঠান খুলিছিল। বিষ্ণুৰাম মেধি, অম্বিকাগিৰি, ত্ৰিগুণা বৰুৱা, গণেশ দাসগুপ্ত, ধীৰেশ্বৰ ভট্টাচাৰ্য তথা অন্যান্য সদস্যসকলে সেৱা সংঘতে মনপুতি লাগি অসমৰ পৰা বৃটিছ শাসন উচ্ছেদ কৰি দেশ স্বাধীন কৰাত ব্ৰতী হৈছিল। কিছুদিনৰ পিছতে চৰকাৰী দমনমূলক ব্যৱস্থা বাঢ়ি যোৱাৰ লগে লগে ছাত্ৰ আন্দোলন সন্ত্ৰাসবাদৰ ফাললৈ ঢাল খালে। বিশেষকৈ বংগৰ অনুশীলন সমিতি নামে এনাৰ্কিষ্ট পাৰ্টি সংগঠনৰ আৰ্হিত অসমতো সন্ত্ৰাসবাদী দল গঠনত সকলোতকৈ উৎসাহী আছিল অম্বিকাগিৰি। তেওঁ বিনন্দ বৰুৱা, ত্ৰিগুণা বৰুৱা, বঙ্কিম বৰা আদিৰ সহযোগত স্বাধীনভাৱে এনাৰ্কিষ্ট দল গঠন কৰাৰ কামত লাগি যায়। বিভিন্ন ধৰণৰ সন্ত্ৰাসবাদী কাৰ্য-কলাপৰ মাজেৰে দলটো কিছুদিনলৈ প্ৰভাৱশালী হৈ আছিল যদিও প্ৰবীণ উদ্যোক্তা অম্বিকাগিৰিৰ ওপৰত পুলিচৰ জোৰ দৃষ্টি পৰাত তেওঁ ৰৰপেটাত অন্তৰীন হৈ থাকিবলগীয়া হয় (ৰমেশ কলিতা : ভাৰতৰ স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকা (১৮২৬-১৯৪৭), নলবাৰী ১৯৮৬, (পৃষ্ঠা-২৫-২৭), ড° ৰমেশ কলিতাই উল্লেখ কৰিছে যে, অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ মনত উদয় হোৱাৰ আগতে ছাত্ৰসকলৰ মনতহে দেশ মাতৃকাৰ স্বাধীনতাৰ উদ্যোগ জাগি উঠিছিল [ৰমেশ কলিতা : ভাৰতৰ স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকা (১৮২৬-১৯৪৭), নলবাৰী ১৯৮৬ পৃষ্ঠা ২৬]; সম্ভৱত : প্ৰবীণ বুদ্ধিজীৱীসকলৰ লগত ছাত্ৰসকলৰ শ্ৰেণী-স্বাৰ্থৰ বিশেষ পাৰ্থক্য নাছিল, কিন্তু চাকৰি-বাকৰি আদিৰ দাবাই বান্ধ খাই নথকা বাবে এওঁলোকে অধিক সক্ৰিয়ভাৱে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে থিয় হৈ প্ৰবীণ

চামৰ জড়তাও ভাঙিব পাৰিছিল। অম্বিকাগিৰিৰ ওপৰত পুলিচৰ কোপ দৃষ্টি পৰাৰ লগে লগে অসমত সন্ত্ৰাসবাদী আন্দোলনৰ গতি স্তিমিত হৈ আহিব ধৰিলে। ইয়াৰ উপৰিও কোনো নিৰ্দিষ্ট কাৰ্যপন্থা নোহোৱাকৈ কোনো ধৰণৰ বৈপ্লৱিক আদৰ্শই সমাজত বেছি দিন জীয়াই থাকিব নোৱাৰিলে। যি কি নহওঁক, ছাত্ৰসকলৰ মাজত জাগ্ৰত হোৱা দেশ প্ৰেম আৰু আলোড়নৰ মাজতেই চন্দ্ৰনাথ শৰ্মাৰ উৎসাহী প্ৰচেষ্টাৰ মাজেৰে ১৯১৬ চনৰ ২৫ ডিচেম্বৰ দিনা আছাম এছ'চিয়েশ্যনৰ মণ্ডপতে 'অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলন' প্ৰতিষ্ঠা হয়। পিছলৈ ইয়াৰ নাম ৰখা হয় অসম ছাত্ৰ সন্মিলন [ৰমেশ কলিতা : ভাৰতৰ স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকা (১৮২৬-১৯৪৭), নলবাৰী, ১৯৮৬ পৃষ্ঠা ৩১-৩২]। নিঃসন্দেহে প্ৰথম অৱস্থাত ছাত্ৰ সন্মিলনৰ চৰিত্ৰ আছিল আপোচমুখী। অগ্ৰণী প্ৰবীণ চামে ছাত্ৰসকলক ৰাজনৈতিক আন্দোলন আনকি ৰাজনৈতিক আলাপ-আলোচনাৰ পৰাও সম্পূৰ্ণ বাহিৰত ৰখাৰহে চেষ্টা কৰিছিল (ৰমেশ কলিতা : ভাৰতৰ স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকা (১৮২৬-১৯৪৭), নলবাৰী, ১৯৮৬ পৃষ্ঠা ৩২)।, অৱশ্যে পিছলৈ ছাত্ৰসকলে অসমৰ ৰাজনীতিৰ পটপৰিবৰ্তনত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিছিলগৈ।

আচলতে অসমত ছাত্ৰসকলৰ সামাজিক জীৱনত অংশগ্ৰহণে 'এছ'চিয়েশ্যন'ৰ সামাজিক, ৰাজনৈতিক কৰ্মসূচীত নতুন মাত্ৰা সংযোজন কৰিলে। উক্ত সংগঠনটোৰ তৎপৰতাতে অন্যান্য সাংবিধানিক সা-সুবিধাৰ জৰিয়তে ১৯১৯ চনত ৰাজ্যখনে পূৰ্ণ মৰ্যদা লাভ কৰিব পৰাটো প্ৰবীণ নেতাসকলৰ বাবে আছিল এক বিৰল কৃতিত্ব হৈছিল। (Anuradha Dutta : উল্লিখিত গ্ৰন্থ, পৃষ্ঠা - ৫৯) ইয়াৰ ওপৰিও বংগ আন্দোলনৰ সময়ৰ পৰা ঘটা বিভিন্ন ঘটনাৱলী— যেনে ১৯০৭ চনত কংগ্ৰেছৰ মাজত বিভাজন, সাংবিধানিক বিকাশ, হ'মৰুল আন্দোলন, ১৯১৯ চনৰ আইনৰ বিফলতা, ৰাওলাট আইন গ্ৰহণ, জালিয়ানৱালাবাগ হত্যাকাণ্ড আদিয়ে ভাৰতৰ ৰাজনীতিত যি উত্তপ্ত পৰিৱেশৰ সৃষ্টি কৰিছিল— তাৰ পৰা এছ'চিয়েশ্যান বাহিৰত নাছিল। এনে পৰিস্থিতিত হিন্দু-মুছলমান ঐক্য আৰু গান্ধীজীৰ সক্ৰিয় প্ৰভাৱত ভাৰতবৰ্ষত সাম্ৰাজ্যবাদ বিৰোধী আন্দোলনে এক নতুন মোৰ ল'লে। ১৯২০ চনৰ ৪-৯ ছেপ্টেম্বৰলৈ কলিকতাত বহা কংগ্ৰেছৰ বিশেষ অধিৱেশনত গান্ধীজীয়ে অসহযোগৰ প্ৰস্তাৱ দাঙি ধৰে আৰু একে চনৰে ডিচেম্বৰ মাহত বহা নাগপুৰ অধিৱেশনত শান্তিপূৰ্ণ আৰু বৈধ উপায়েৰে স্বৰাজ লাভ কৰাটোৱে ভাৰতীয় জনগণৰ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে মূল লক্ষ্য বুলি ঘোষণা কৰা হয়।

এনে পৰিস্থিতিত আসাম এছ'চিয়েশ্যানে লোৱা ভূমিকাৰ ওপৰতে অসমীয়াৰ জাতীয় তথা ৰাজনৈতিক ভৱিষ্যতৰ প্ৰশ্নটো নিহিত হৈ আছিল। ইয়াৰ সহকাৰী

সাধাৰণ সম্পাদক চন্দ্ৰনাথ শৰ্মাৰ নেতৃত্বত নবীনচামে তৎকালীনভাৱে জাতীয় আন্দোলনৰ দাবীৰ প্ৰতি সমৰ্থন জনালে। ইতিমধ্যে কেবাজনো সদস্য কলিকতা আৰু নাগপুৰ অধিৱেশনত অংশগ্ৰহণ কৰি আহিছিল। সামগ্ৰিকভাৱে সংগঠনটোৰ সদস্যসকলে প্ৰাদেশিক দৃষ্টিভংগী সলনি কৰি জাতীয় আন্দোলনৰ লগত জড়িত হৈ পৰাৰ পক্ষে মত পোষণ কৰে। ১৯২০ চনৰ ১১ ছেপ্টেম্বৰত গুৱাহাটীত অনুষ্ঠিত হোৱাৰ বিশেষ সভাত স্বৰাজ লাভৰ বাবে চৰকাৰৰ লগত অসহযোগৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। (Anuradha Dutta : উল্লিখিত গ্ৰন্থ, পৃষ্ঠা - ৬০) এতিয়াৰ পৰা অসমীয়াৰ মধ্যবিত্তই সৰ্বভাৰতীয় চেতনাৰ মাজেৰেই স্থানীয় সমস্যাবোৰ সমাধানৰ দাবীত অগ্ৰসৰ হ'ল। এছোচিয়েশ্যন লাভ কৰিলে এক নতুন পৰিচয় 'The Assam Association wholly identified itself with the aims and objectives of the congress and it became defunct with the foundation of the Assam provincial congress in June, 1921.' [Anuradha Dutta : উল্লিখিত গ্ৰন্থ)।

জাতীয় কংগ্ৰেছৰ গণতান্ত্ৰিক ভিত্তি

এনেকৈয়ে অসমীয়া মধ্যবিত্তৰ শ্ৰেণী আধিপত্যৰ লগত জাতীয় কংগ্ৰেছৰ ৰাজনীতিক জড়িত হৈ পৰিল। ব্ৰহ্মপুত্ৰ উপত্যকাত ৰাজনৈতিক চেতনা প্ৰসাৰৰ ই এক পৰিপূৰ্ণ ৰূপ। গান্ধীৰ যুগত ব্যাপক গণভিত্তি লাভ কৰা ভাৰতীয় জাতীয় কংগ্ৰেছৰ আধিপত্যকামী সংগ্ৰামৰ চৰিত্ৰৰ বিষয়ে অধ্যাপক বিপান চন্দ্ৰই লিখিছে, 'By Hegemonic struggle, we mean a struggle for the minds and hearts of men and women so that the nationalist influence would continously grow among the people through different channels and through the different phases and stages of the national movement' (Bipan Chandra and others; India's struggle for independence. New Delhi 1988, Pg. - 507)। কংগ্ৰেছৰ এই আধিপত্যকামী কৌশল ৰচনা কৰা হৈছিল ভাৰতত প্ৰতিষ্ঠিত ঔপনিৱেশিক শাসনৰ জটিলতাৰ পৰিপ্ৰেক্ষিতত। ই সম্পূৰ্ণৰূপে দমনমূলক নাছিল, তাৰ বিপৰীতে আছিল আধা আধিপত্যকামী— যাৰ ভিত্তি আছিল সীমিত অৰ্থত আইনৰ শাসন আমোলাকেন্দ্ৰীক প্ৰশাসন, সাংবিধানিক সংস্কাৰ, শিক্ষা বিস্তাৰ, সমাজ সংস্কাৰ ইত্যাদি (Bipan Chandra : Indian National movement. The long-terms dynamics. New Delhi 1989, Pg.- 3) গান্ধীৰ যুগত— 'The national movement derived its entire force from the militancy and self sacrificing spirit of the masses' (Bipan Chandra . Indian National Movement. The long-term dynamics. New Delhi, 1989, Pg. 1)। প্ৰথম

অৱস্থাত ৰেডিকেল জাতীয়তাবাদী বুদ্ধিজীৱীসকলৰ কাৰ্যসূচীৰ দ্বাৰা আৰম্ভ হৈ পৰ্যায়ক্ৰমে জাতীয় আন্দোলনে যুৱক-সমাজ, নাৰী সমাজ, চহৰীয়া ক্ষুদ্ৰ (Petty) বুৰ্জোৱা, চহৰ আৰু গাঁৱৰ দুখীয়াজন, চহৰীয়া আৰু গাঁৱলীয়া কাৰিকৰ (Artisans), সংখ্যাগৰিষ্ঠ কৃষক আৰু ক্ষুদ্ৰ মাটিৰ মালিক আদিকো সংগঠিত কৰাত সফল হৈছিল। (Bipan Chandra : Indian National movement the long-term dynamics. New Delhi. 1989)।

সামগ্ৰিকভাৱে জাতীয় আন্দোলনৰ কালছোৱাত সাম্ৰাজ্যবাদ বিৰোধী শক্তিসমূহ এক গণতান্ত্ৰিক মঞ্চত পৰিণত হৈছিল, কথাটো সাম্প্ৰতিক মাৰ্ক্সবাদী ইতিহাস চৰ্চাইও মানি লৈছে। আৰ পি দত্তৰ পৰা নাম্বুদ্ৰিপাড (E. M. S. Namboodirpad) লৈকে বিস্তৃত হৈ থকা জাতীয় আন্দোলনৰ মাৰ্ক্সবাদী ইতিহাস চৰ্চাৰ পৰ্যালোচনা কৰি ইৰফান হবিবে লিখিছে 'It seems to me that there is now a general understanding that the national movement was a united front of all classes of the Indian people, the peasantry, other petty bourgeoisie, the bourgeoisie and the working class, to the exclusion of the big landowners and princes. The major nationalist organisation, The Indian National Congress didnot always reflect the united front, although as in the late 1930, it came very close to such a position' (Irfan Habib : Essays in Indian History, toward marxist perception, New Delhi 1997, Pg. 9-10)। অৱশ্যে পাহৰিলে নচলিব যে, ভাৰতীয় বা অসমীয়া জাতীয়তাবাদৰ মূল শ্ৰেণীগত ভিত্তি আছিল উদাৰনৈতিক বুৰ্জোৱা আদৰ্শ। সাম্ৰাজ্যবাদ বিৰোধিতা কৰি পুঁজিবাদী গাঁঠনিৰ মাজতে স্বাধীন অৰ্থনীতি গঢ় দিয়াই আছিল ভাৰতীয় জাতীয়তাবাদৰ লক্ষ্য। (বিপন চন্দ্ৰ : উল্লিখিত গ্ৰন্থ, পৃষ্ঠা - ৭৮) স্বাভাৱিকতে এটা প্ৰশ্ন উঠে,— কৃষক শ্ৰমিকৰ স্বাৰ্থ জড়িত জংগী মতাদৰ্শ বা বামপন্থী মতাদৰ্শৰ স্থান জাতীয় আন্দোলনত ক'ত আছিল? বুৰ্জোৱা ভাবাদৰ্শই কমিউনিষ্ট আন্দোলন দুৰ্বল কৰাত অৰিহণা যোগাইছিল বুলি ভবাৰ থল আছে। কিন্তু ইয়াৰ বিপৰীত প্ৰসংগ এটাও অৱতাৰণা কৰিব পাৰি। কংগ্ৰেছৰ মঞ্চত মুক্তভাৱে কাম-কাজ কৰাৰ সুবিধা পাইও কমিউনিষ্টসকলে বৈপ্লবিক আদৰ্শসমূহৰ মাজত যোগসূত্ৰ স্থাপন কৰি জাতীয় আন্দোলনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰিলে কিয়? বা তেওঁলোকৰ আধিপত্য প্ৰতিষ্ঠা কিয়?— 'Why this failure occurd? We believe that, in view of the fact that the left was able to work freely in the congress, the answer has to be basically located in the theories and pactices of the left and not in the inevitability of the strangle hold the right wing or Gandhi over it (বিপান চন্দ্ৰ : উল্লিখিত গ্ৰন্থ, পৃষ্ঠা - ৯০)

পৰ্যায়ক্ৰমে যে কংগ্ৰেছৰ গণতান্ত্ৰিকৰণ প্ৰক্ৰিয়া এটা চলি আছিল ; বিশেষকৈ ত্ৰিশৰ দশকৰ পিছৰ পৰা কংগ্ৰেছৰ মঞ্চত কমিউনিষ্ট মতাদৰ্শৰ প্ৰভাৱ বৃদ্ধি, বিভিন্ন অংগী মতাদৰ্শৰ লগত সংযোগ স্থাপন, আদি বিষয়বোৰ বস্তুনিষ্ঠ আলোচনাই আঙুলিয়াই দিছে। (বিপন চন্দ্ৰ : উল্লিখিত গ্ৰন্থ, পৃষ্ঠা - ৮৯-৯০)

অসমীয়া জাতীয়তাবাদৰ চৰিত্ৰ

১৯২১ চনৰ পিছৰ পৰা অসমীয়া জাতীয় চেতনাইও সৰ্বভাৰতীয় চেতনাৰ লগত চামিল হৈ বৈপ্লৱিক ৰূপ গ্ৰহণ কৰে। অৱশ্যে অসমীয়া জাতীয়তাবাদ সৰ্বভাৰতীয় জাতীয়তাবাদৰ সমগোত্ৰীয় হ'ব পৰা নাছিল, তুলনামূলকভাৱে ই আছিল দুৰ্বল— ড° অপূৰ্ব বৰুৱাই ইয়াৰ দুটা কাৰণৰ কথা কৈছে। প্ৰথমটো উনবিংশ শতিকাৰ শেষ ভাগ আৰু বিংশ শতাব্দীৰ প্ৰথম ভাগত অসমীয়া মধ্যবিত্তই অৰ্থনৈতিকভাৱে আৰু জনসংখ্যাৰ ফালৰপৰাও আছিল দুৰ্বল। ইয়াৰ বাবে সাংস্কৃতিক দিশৰ পৰা তেওঁলোকে বলিষ্ঠভাৱে জাতীয়তাবাদক পোহপাল দিব পৰা নাছিল। দ্বিতীয়তে, এনে পৰিস্থিতিত সেই সময়ত জাতীয় কংগ্ৰেছৰ নেতৃত্বত জাতীয় মুক্তি আন্দোলন ভাৰতবৰ্ষৰ অন্যতম ৰাজনৈতিক শক্তিত পৰিণত হৈছিল, সেই সময়ত অসমীয়াৰ দৰে পিছপৰা জাতি এটাই তাৰ লগত সমানে খোজমাৰি যাব পৰা নাছিল। (Milton. S. Sangma Edited : Essays on North-East India, New Delhi 1994, Pg.-260) বিশেষ ঔপনিবেশিক পৰিস্থিতিত আন প্ৰদেশৰ তুলনাত আৰ্থিকভাৱে দুৰ্বল আৰু বেপাৰ-বাণিজ্যৰ ক্ষেত্ৰতো বিশেষ আগুৱাব নোৱৰা অসমীয়া মধ্যবিত্তৰ সন্মুখত মূল সমস্যাটো আছিল বহিৰাগতৰ। বিষয়টো আমি উনবিংশ শতিকাৰ প্ৰসংগত অৱতাৰণা কৰিছো, কিন্তু জ্যোতিপ্ৰসাদৰ সময়ছোৱাত এই দিশটোত নতুন মাত্ৰাৰ সংযোজন হ'ল। স্বাধীনতা প্ৰাপ্তিৰ সময়লৈকে আৰু স্বাধীনতাৰ পিছতো মধ্যবিত্তৰ আত্মসংৰক্ষণমূলক দৃষ্টিভংগীয়ে অসমীয়া জাতীয়তাবাদৰ বিকাশত এক সুকীয়া চৰিত্ৰ প্ৰদান কৰি আহিছে। বিংশ শতাব্দীৰ দ্বিতীয় দশকত প্ৰব্ৰজন সমস্যাকে কেন্দ্ৰ কৰি নিৰাপত্তাহীনতাত ভোগা অসমীয়া জাতিৰ মানসিক অৱস্থাটোৰ বিষয়ে আমি সেই সময়ৰ কটন কলেজৰ ছাত্ৰ এজনৰ মুখৰ পৰাই শুনো। 'সেই যুগটো আছিল অসমীয়া জাতিৰ এটা গভীৰ অৱসাদৰ যুগ। জাতিটোৱে যেন আত্মপ্ৰতিষ্ঠাৰ শক্তি আৰু চেতনা হেৰুৱাই পেলাইছিল। এটা মহিমাময় অতীতৰ কৰ্মব্যস্ত জীৱনৰ অন্তত জাতিটোৰ, জীৱনৰ দিগন্ত ব্যাপি আহিছিল এটা অলস ক্লান্তি। তেনে সময়ত নৱ-জাগৰণৰ বাণী লৈ ওলাই আহিছিল

ডেকাগিৰি (স্বৰ্গগত অম্বিকাগিৰি ৰায় চৌধুৰী), ডেকাফুকন (প্ৰয়াত মহেন্দ্ৰ নাথ ফুকন) আৰু ডেকাবেজ (প্ৰয়াত মাধৱ চন্দ্ৰ বেজবৰুৱা)। এই ত্ৰিশক্তিয়ে সেইদিনৰ তৰুণ জনমানসত এটা নতুন আলোড়ন আনিবলৈ সমৰ্থ হৈছিল। (এম ইব্ৰাহিম আলী সম্পাদিত ঃ মাধৱ চন্দ্ৰ বেজবৰুৱা (জীৱনী গ্ৰন্থ), গুৱাহাটী ২০০১, পৃষ্ঠা - ১২৯)। বিশেষকৈ ১৯২০ চন মানৰ পৰা ১৯৩৭ চন মানৰ ভিতৰত বিভিন্ন সময়ত বিভিন্ন প্ৰসংগত অম্বিকাগিৰি (ড° প্ৰফুল্ল মহন্ত ঃ অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ইতিহাস, গুৱাহাটী ১৯৯১ পৃষ্ঠা ২৬৬) মাধৱ বেজবৰুৱা। (এম ইব্ৰাহিম আলী সম্পাদিত ঃ উল্লিখিত গ্ৰন্থ, পৰিশিষ্ট (II) পৃষ্ঠা ১৮১-১৮৮) আদিয়ে অসমীয়াৰ অস্তিত্বৰ প্ৰতি অহা ভাবুকিবোৰৰ প্ৰতি জনগণক সচেতন কৰি অসম মাতৃৰ সামুহিক মংগলৰ বাবে চেষ্টা চলাইছিল। চাকৰি-বাকৰিৰ সংৰক্ষণৰ দাবীৰ পৰা পূৰ্ব বংগৰ পমুৱা মুছলমান, বঙালী লোকৰ প্ৰব্ৰজনকে ধৰি বিভিন্ন সমস্যাৰ বিষয়ে অসমীয়া মধ্যবিত্তই বিভিন্ন কাকত, আলোচনী, স্মাৰক-পত্ৰৰ যোগেদি জনমত গঠন কৰি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিছিল। আনকি ১৯২৬ চনত অম্বিকাগিৰিয়ে 'অসম সংৰক্ষণী সভা' নামৰ এটা জাতীয়তাবাদী সংগঠন গঢ়ি তুলি অসমীয়া জাতিৰ সংৰক্ষণৰ বাবে যুক্তি দাঙি ধৰিছিল আৰু কংগ্ৰেছৰ নেতৃত্বৰ মূল সুঁতিৰ ওপৰত প্ৰভাৱ পেলাবলৈ সক্ষম হৈছিল। আমি অৱশ্যে গুৰুত্ব দিবলগীয়া মূল কথাটো হ'ল যে, আত্মসংৰক্ষণমূলক প্ৰসংগটো কেৱল মধ্যবিত্ত শ্ৰেণীৰ লগতে যুক্ত হৈ থকা নাছিল, আমাৰ আলোচ্য সময়ছোৱাত সাধৰণ কৃষক সমাজখনলৈও ইয়াৰ গণ ভিত্তি প্ৰসাৰিত হৈছিল। মাৰোৱাৰী শোষণৰ কথাটো আমি ইতিমধ্যে আলোচনা কৰিছো। কিন্তু সামগ্ৰিকভাৱে বহিৰাগতসকলৰ হাতলৈ পৰ্যায়ক্ৰমে খেতিৰ মাতি হস্তগত হোৱাটোৱেই আছিল অসম কৃষক প্ৰজাৰ বাবে উদ্বিগ্নতাৰ প্ৰধান কাৰণ। চৰকাৰী নথি-পত্ৰই দেখুৱাইছে যে, আলোচ্য সময়ছোৱাত মাৰোৱাৰীসকলৰ ওপৰিও অসমলৈ অহা প্ৰব্ৰজক গোষ্ঠীবোৰ আছিল (ক) পূৰ্ববংগৰ পৰা অহা পমুৱা মুছলমান, (২) চাহ বাগিচা বা অন্যান্য সংস্থাত কাম কৰা বঙালী বাবুসকল, (গ) নেপালী, (ঘ) চাওতাল (ঙ) ৰে'ল বিভাগত কাম কৰা শ্ৰমিক আদি। ইয়াৰ ওপৰিও চাহ বাগিচাত ম্যাদ উকলি যোৱা শ্ৰমিকসকলক তেওঁলোকৰ বাগিচাৰ কাষত মাটি দি সংস্থাপিত কৰা হৈছিল। ১৯২৩-২৪ চনত অসমত সকলোধৰণৰ বহিৰাগতই প্ৰায় আঠ লাখ একৰ আবাদী মাটি হস্তাগত কৰি লৈছিল (R. L. R. A. Assam Valley, 1923-24 appendix-IV)। ১৯৩৮-৩৯ চনত এনেকুৱা মাটিৰ পৰিমাণ হৈছিলগৈ ১০,৩৬,০১৪ একৰ। (R. L. R. A. Assam Valley, 1938-39 appendix-IV). অৱশ্যে মাৰোৱাৰী-সকলক বাদ দি অন্যসকলৰ মাটি আত্মসাৎকৰণে অসমৰ স্বনিৰ্ভৰশীল গ্ৰাম্য অৰ্থনীতি প্ৰত্যক্ষভাৱে বিপৰ্যস্ত কৰিছিল বুলি ভবাৰ থল নাই। তৎসত্বেও, চাৰিওফালৰ

বহিৰাগতৰ অৱস্থান আৰু তেওঁলোকৰ ভূমিকাই নিম্নবৰ্গীয় গ্ৰাম্যসমাজখনক শংকিত কৰি তুলিছিল বুলি ভাবিব পাৰি। বিশেষকৈ পমুৱা মুছলমান সকলে অসমীয়া কৃষকৰ প্ৰতি সৃষ্টি কৰা ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি ড° প্ৰফুল্ল মহন্তই লিখিছে— 'কৃষক প্ৰজাৰ মাজতো যে এনে আশংকাৰ সৃষ্টি হোৱা নাছিল তেনে নহয়— হৈছিল। সেয়েহে চৰকাৰে কৃষক প্ৰজাৰ শংকা দূৰ কৰাৰ উদ্দেশ্যেৰে লাইন প্ৰথাৰ সূচনা কৰিছিল। (ড° প্ৰফুল্ল মহন্ত : উল্লিখিত গ্ৰন্থ, পৃষ্ঠা - ২৬৬) ইয়াৰ উপৰিও বহিৰাগতসকলৰ অৱস্থানৰ পটভূমি গ্ৰহণ কৰা ঔপনিবেশিক ভূমি ৰাজহ নীতিও অসমীয়া কৃষকৰ বাবে এক ভাৰসাম্যহীন অৱস্থাৰ সৃষ্টি কৰিছিল। মনকৰিবলগীয়া যে, ১৯২৩-২৪ চনৰ ভিতৰৰ ব্যৱস্থাত ভূমিৰ খাজনা বৃদ্ধিৰ সমৰ্থনত প্ৰশাসনে দাঙি ধৰা প্ৰবল যুক্তি আছিল শস্য উৎপাদন হোৱা আবাদি মাটিৰ প্ৰসাৰ ঘটা। গুৰুত্বপূৰ্ণভাৱে উনবিংশ শতিকাৰ শেষ ভাগলৈকে অসমত কৃষি মাটিৰ বিকাশৰ হাৰ আছিল মন্থৰ (Provincial Gazetter of Assam, Shillong 1906, Pg-47) আলোচ্য সময়ছোৱাত অৱশ্যে কৃষি মাটিৰ প্ৰসাৰৰ এক বাস্তৱ ভিত্তি আছিল পৰিসংখ্যাৰ বাবে : (ASP : Rev A, June 1924, Nos. 17-89. Letter No. 3177, dated Gauhati the 2nd February, 1923)। কিন্তু এয়া সম্ভৱ হৈছিল বহিৰাগতসকলক মাটি সংস্থাপন দিয়াতহে। এটা উৎসাহী টোকাত চৰকাৰৰ ফালৰ পৰা ১৯২৩-২৪ চনৰ বছৰটোৰ খাজনা বৃদ্ধিৰ প্ৰসংগত কোৱা হৈছে— 'The increase was mainly due to the settlement of new lands. This expansion, as in previous years, was due mainly to the influx of immigrants from Bengal while settlement with ex-tea garden coolies was a contributory cause. (RLRAA, 1923-24) সামগ্ৰিকভাৱে বিষয়টোৰ লগত অসমীয়া কৃষক প্ৰজাৰ কোনো সংযোগ নাছিল। তেওঁলোকৰ কৃষি উৎপাদন বা জীৱনৰ মান— কোনোটোৱে বঢ়া নাছিল। অথচ তেওঁলোকে অতিৰিক্ত কৰৰ বোজা মূৰপাতি ল'বলগীয়া হৈছিল।

আমাৰ বোধেৰে এই পটভূমিত, সংৰক্ষণমূলক ভাবাদৰ্শই অসমীয়া জাতীয়তাবাদক বিশেষভাৱে প্ৰভাবান্বিত কৰিছে। ঐতিহাসিক পৰিস্থিতি ইয়াৰ চৰিত্ৰ ঠেক প্ৰাদেশীক বা সাম্প্ৰদায়িক আছিল বুলি কোৱাটো উচিত ন'হ'ব। কাৰণ কংগ্ৰেছৰ আধিপত্যই ইয়াক আত্মসাৎ কৰিও গণতান্ত্ৰিক চৰিত্ৰ অৰ্জন কৰিব পাৰিছিল। লগতে প্ৰভাৱশালী নহ'লেও অন্যান্য মতাদৰ্শৰ বাবেও কংগ্ৰেছৰ দুৱাৰ খোলা আছিল। উদাহৰণস্বৰূপে, দ্বিতীয় বিশ্বযুদ্ধৰ আগলৈকে অসমত বাওঁপন্থীসকলে কিছু সীমাবদ্ধতা সত্বেও প্ৰত্যক্ষভাৱে কংগ্ৰেছৰ মঞ্চৰ পৰাই কাম-কাজ চলাই গৈছিল

(Arun Chandra Bhuyan, Sivapada De edited . Political History of Assam. Vol. III, Gauhati, 1980, Pg. - 135)। আনকি মঞ্চৰ ভিতৰতে থাকি বাওঁপন্থীসকলে ১৯৩৭ চনৰ ৭ নৱেম্বৰৰ দিনা অক্টোবৰ বিপ্লৱৰ স্মৃতিত গোলাঘাট জন সভা সংঘটিত কৰিছিল। আৰু তেতিয়াৰ পৰাই তেওঁলোকে এখন মঞ্চ প্ৰতিষ্ঠাৰ বাবেও পৰিকল্পনা আৰম্ভ কৰে। ইয়াৰ ফলস্বৰূপে ১৯৪০ চনৰ ২৯-৩০ জানুৱাৰীত গোলাঘাটৰ মিচামৰাত কমিউনিষ্ট নেতা ধীৰেন দত্তৰ অহোপুৰুষাৰ্থীয় প্ৰচেষ্টাত ১৯৩৪ চনত ব্ৰহ্মপুত্ৰ উপত্যকাত কংগ্ৰেছ ছ'চিয়েলিষ্ট পাৰ্টিৰ আৰ্হিত এটা আঞ্চলিক সমাজবাদী দল গঠন হয়। শ্ৰীমান প্ৰফুল্ল গোস্বামী আছিল ইয়াৰ প্ৰথম সাধাৰণ সম্পাদক। (Arun Chandra Bhuyan, Sivapada De edited : Political History of Assam. Vol. III, Gauhati, 1980, Pg. - 137)। অসমত এইদৰে কমিউনিষ্ট আন্দোলনৰো সূত্ৰপাত ঘটিছিল। জন্মলগ্নৰে পৰা উক্ত সংগঠনটোৱে সমান্তৰালভাৱে কাম-কাজ চলালেও কংগ্ৰেছৰ প্ৰতি সহযোগিতামূলক নীতিয়ে গ্ৰহণ কৰিছিল। ১৯৪০ চনত ৬ এপ্ৰিলৰ দিনা সম্পাদক গোস্বামীয়ে এটা প্ৰেছ টোকাত বিষয়টো স্পষ্ট কৰি ঘোষণা কৰিছিল— 'His pasty would not work against the congress Ideology nor would it allow any misunderstanding to develop between the socialist and the congressites (Arun Chandra Bhuyan, Sivopada De Edited : Political History of Assam. Vol. - III, Gauhati, 1980).

সাংস্কৃতিক পটভূমি

ব্ৰহ্মপুত্ৰ উপত্যকাৰ ৰাজনৈতিক পট-পৰিবৰ্তনে অসমীয়া সংস্কৃতিৰ ধাৰাটো কি ধৰণে প্ৰভাৱান্বিত কৰিছিল তাক আমি দুই-এখন কাকত-আলোচনীৰ প্ৰসংগত খুউব চমুকৈ আলোচনা কৰিম। জ্যোতিপ্ৰসাদৰ সাংস্কৃতিক চিন্তা-চেতনাৰ বিকাশৰ সন্দৰ্ভত এই দিশটো আওকাণ কৰিব নোৱাৰি।

অসমীয়া মধ্যবিত্তই সচেতনভাৱে নিজকে শ্ৰেণী হিচাপে সংগঠিত কৰাৰ সময়ৰ পৰাই— অৰ্থাৎ ঊনবিংশ শতিকাৰ শেষভাগত নিয়মীয়াকৈ প্ৰকাশ পায় জোনাকী আলোচনীখন। জোনাকী গোষ্ঠীৰ শ্ৰেণী স্বাৰ্থ বা ৰাজভক্তিৰ বিষয়ে আলোচনা কৰাটো আমাৰ মূল উদ্দেশ্য নহয়। আমাৰ মূল কথা হ'ল— সাংস্কৃতিকভাৱে জনগণক প্ৰতিনিধিত্ব কৰাৰ কাকতখনত থকা আন্তৰিক প্ৰচেষ্টা। অন্ততঃ জোনাকীৰ 'প্ৰজানীতি'ৰ প্ৰাসংগিকতাও আমি ইয়াৰ মাজতে বুজিব লাগিব। সমালোচনামূলক দৃষ্টিভংগী গ্ৰহণ কৰিও 'জোনাকী'ৰ এই সামগ্ৰিক আবেদনৰ কথা

ড° প্ৰফুল্ল মহন্তই বলিষ্ঠ ভাষাৰে প্ৰকাশ কৰিছে, 'জোনাকী গোষ্ঠীৰ নেতৃত্বত সংগঠিত সাহিত্যিক আন্দোলনে অসমীয়া জাতিলৈ ভালেখিনি মহৎ দান দি গ'ল, যাৰ কাৰণে তেওঁলোক অসমীয়া জাতিৰ চিৰস্মৰণীয়। জন-জীৱনৰ পৰা বিচ্ছিন্ন হ'লেও, 'জোনাকী গোষ্ঠীয়ে নতুন সাহিত্য-সংস্কৃতিৰ যি ঢল অসমলৈ বোৱাই আনিছিল তাৰ পলসতে ন-দৃষ্টিৰ প্ৰেৰণাৰে ন-ন প্ৰতিভাৰ জন্ম লৈ আঞ্চলিক জাতীয় চেতনাৰ সীমা চেৰাই সৰ্বভাৰতীয় চেতনাৰ জন্ম দিছিল। সেই চেতনাই সময়ৰ লগে লগে বিশ্ব মানৱতাক আকোঁৱালি লোৱাৰ প্ৰয়াস কৰিছিল (ড° প্ৰফুল্ল মহন্ত : উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ৩১৯)। জোনাকী গোষ্ঠীৰ প্ৰবল সামাজিক আৰু গণতান্ত্ৰিক ভিত্তি থকাৰ বাবেই চন্দ্ৰ কুমাৰ আগৰৱালাৰ পৃষ্ঠপোষকতাত ১৯১৮ চনত জন্মলাভ কৰিছিল সাদিনীয়া অসমীয়া। মহাত্মা গান্ধীৰ আদৰ্শ, কংগ্ৰেছৰ কাৰ্যবিৱৰণী আদিৰ লগতে কানি নিবাৰণ আদিৰ দৰে বিভিন্ন সমস্যা দাঙি ধৰি কাকতখনে জনগণৰ মাজলৈ সাম্ৰাজ্যবাদী বিৰোধী চেতনাৰ প্ৰসাৰ ঘটাইছিল [প্ৰসন্ন কুমাৰ ফুকন : অসমৰ সংবাদ-পত্ৰৰ সমীক্ষাত্মক অধ্যয়ন। (১৮৪৬ ৰ পৰা ১৯৮৬ লৈকে) দেৰগাওঁ, ১৯৯৬, পৃষ্ঠা - ২৩, ৩২]। জোনাকী হীৰাটো অধিক বিকাশশীল ৰূপত প্ৰতিফলিত হয় 'আৱাহন'ৰ পাতত। 'চেতনা' বন্ধ হৈ যোৱাৰ পিছতে ১৯২৯ চনত ডাঃ দীননাথ শৰ্মাৰ সম্পাদনাত আৱাহন প্ৰকাশ পায়। সম্পাদকে 'নিবেদন'ত বিনীতভাৱে কৈছিল— "অসমত আজি নতুন যুগৰ সূচনা, সকলোপিনে এটি নৱ-জাগৰণৰ ভাব। আজি সাহিত্য ফুলনিৰ ভক্তিচন্দন সনা আধা ফুলা ফুলৰ ভৰা আঁজলি লৈ জননী চৰণ বন্দনাৰ অৰ্থে আৱাহন প্ৰতিষ্ঠা কৰি আমি আগবাঢ়িলো। আমাৰ কাকতৰ সকলো বিষয়ৰে আলোচনা নিৰপেক্ষভাৱে কৰাৰ যত্ন কৰা হ'ব" (প্ৰসন্ন কুমাৰ ফুকন : অসম সংবাদ-পত্ৰ সমীক্ষাত্মক অধ্যয়ন (১৮৪৬ - ১৯৮৬ লৈকে) দেৰগাওঁ, ১৯৯৬ পৃষ্ঠা ৪২)। জননীৰ মংগল কামনাৰ সংকল্প লৈ কাকতখনে অসমকেন্দ্ৰীক বিভিন্ন সমস্যা, বিষয়বস্তুৰ উপৰিও জাতীয় আন্দোলনৰ বিভিন্ন দিশকে ধৰি সৰ্বভাৰতীয় ঘটনাৱলী; সমাজতান্ত্ৰিক ভাবধাৰাৰ প্ৰসংগৰ উপৰিও অন্যান্য আন্তৰ্জাতিক ঘটনাৰ সাহিত্য চিন্তা-ধাৰাৰ আলোচনা কৰিছিল। নতুন পুৰুষক নিত্য-নতুন চেতনাৰে প্ৰভাৱান্বিত কৰাত কাকতখন সফল হৈছিল। কিন্তু আৱাহনৰ সকলোতকৈ গুৰুত্বপূৰ্ণ দিশ এটাৰ প্ৰতি আঙুলিয়াই দি ড° প্ৰফুল্ল মহন্তই লিখিছে যে "আৱাহনে জাতীয় সমস্যাক সাহিত্যৰ সমস্যা হিচাপে গ্ৰহণ কৰি এক ঐতিহাসিক দায়িত্ব পালন কৰিছিল"। (ড° প্ৰফুল্ল মহন্ত : উল্লিখিত গ্ৰন্থ, পৃষ্ঠা - ৩২৮) সম্ভৱত : অসমত প্ৰগতিশীল সাহিত্য চিন্তাৰ বিকাশৰ ভিত্তিভূমি তৈয়াৰ হৈছিল এই কাকতখনৰ বুকুতে। এই প্ৰসংগতে আমি জয়ন্তীৰ কথা উল্লেখ কৰিব লাগিব। ১৯৩৭ চনৰ জন্মলাভ কৰা জাতীয়তাবাদী ভাবধাৰাৰ এই আলোচনীখনিত অসমীয়া সাহিত্যৰ

এক প্ৰগতিশীল চিন্তা-ধাৰাৰ সূত্ৰপাত ঘটে (প্ৰসন্ন কুমাৰ ফুকন ঃ উল্লিখিত গ্ৰন্থ, পৃষ্ঠা - ১৬৯, ১৭০)। ইয়াৰ বুকুতে অমূল্য বৰুৱা, ভবানন্দ দত্ত আদিয়ে সাম্যবাদী ভাবধাৰাৰে অসমীয়া সাহিত্য-সংস্কৃতিৰ বৈপ্লৱিক উত্তৰণৰ এক নতুন সম্ভাৱনাৰ পথ প্ৰশস্ত কৰিলে।

ওপৰত বাছি লোৱা তিনিখন আলোচনীয়ে অসমীয়া সংস্কৃতিৰ পৰিবৰ্তনৰ ধাৰা এটা প্ৰতিনিধিত্ব কৰে। খুউব স্বাভাৱিকভাৱে জোনাকী যুগৰ 'প্ৰজানীতি' প্ৰতিফলিত হোৱা জাতীয়তাবাদী 'চেতনা' সাম্ৰাজ্যবাদবিৰোধী চেতনালৈ পৰ্যবসিত হৈছিল মূলতঃ আৱাহনৰ বুকুতে। আনফালে 'জয়ন্তী'ৰ মাজত এই ধাৰাটোৰ উত্তৰণৰ অন্য এটা দিশৰ কথা আমি উল্লেখ কৰিছো। কিন্তু এই সাংস্কৃতিক পট-পৰিবৰ্তনৰ ওপৰত আত্মসংৰক্ষণমূলক ৰাজনৈতিক দৃষ্টিভংগীৰ প্ৰভাৱো নপৰাকৈ থকা নাছিল। ইয়াৰ বলিষ্ঠ ৰূপত প্ৰকাশ ঘটিছিল অসমীয়াৰ সম-সাময়িকভাৱে ১৯১৯ চনত চন্দ্ৰনাথ শৰ্মা আৰু অম্বিকাগিৰি সম্পাদনাত প্ৰকাশ পোৱা 'চেতনা' আলোচনীখনত। সম্পূৰ্ণ জাতীয়তাবাদী আলোচনীখনে বিভিন্ন সমস্যা সন্দৰ্ভত অসমীয়া জাতিক সতৰ্ক কৰি দি দেশপ্ৰেমেৰে উদ্বুদ্ধ কৰাৰ চেষ্টা চলাইছিল। চেতনাৰ পাতে পাতে জাতীয় চেতনাৰ জাগ্ৰত কৰাৰ প্ৰয়াস বিদ্যমান আছিল (প্ৰসন্ন কুমাৰ ফুকন ঃ উল্লিখিত গ্ৰন্থ পৃষ্ঠা - ১৪৫)। অৱশ্যে লেনিন, অক্টোবৰ বিপ্লৱ, তথা দেশ-বিদেশৰ নানা বাতৰিৰ পৰা নতুন দৃষ্টিভংগীৰে লেখা দুই-এটা প্ৰবন্ধ প্ৰকাশ হোৱা সত্ত্বেও কাকতখনে আঞ্চলিক জাতীয় চেতনাৰ চাৰিসীমাৰ পৰা বাহিৰ ওলাব পৰা নাছিল বুলি ড° প্ৰফুল্ল মহন্তই ভাবে (ড° প্ৰফুল্ল মহন্ত ঃ উল্লিখিত গ্ৰন্থ পৃষ্ঠা ৩২৬) কিন্তু, আমাৰ বোধেৰে, আমি ইতিমধ্যে আলোচনা কৰা পৰিস্থিতিত আঞ্চলিক চেতনাই সহজতে সৰ্বভাৰতীয় চেতনাক বাট এৰি দিয়াটো সহজ নাছিল। অৱশ্যে আত্মসংৰক্ষণমূলক দৃষ্টিভংগীয়ে অসমীয়া জাতীয় চেতনালৈ যিখিনি নেতিবাচক প্ৰৱণতা আনিছিল— তাৰ বাবে ঔপনিবেশিক আৰ্থ-সামাজিক পৰিস্থিতিও কম জগৰীয়া নাছিল। যিকি নহওঁক। যিকোনো ধৰণৰ প্ৰতিকূল পৰিস্থিতিৰ মাজতো এজোন যুগনায়কে সমাজৰ বৈপ্লৱিক উত্তৰণৰ সাংস্কৃতিক মানবিক ভিত্তি তৈয়াৰ কৰিব পাৰে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ এই প্ৰসংগত এই বিষয়টোলৈ আমি পিছত আকৌ ঘূৰি আহিম।

জাতীয় মুক্তি আন্দোলনৰ ধাৰা

জ্যোতিপ্ৰসাদৰ সময়ছোৱাত অসমৰ সামাজিক জীৱন প্ৰবলভাৱে প্ৰভাৱান্বিত কৰিছিল জাতীয় মুক্তি আন্দোলনৰ উত্তাল জোৱাৰে। ইতিমধ্যে আমি আলোচনা কৰা কৃষকৰ সমস্যা মধ্যবিত্তৰ বিকাশ আৰু উত্তৰণ, সৰ্বভাৰতীয় ঘটনা 'প্ৰবাহ'

আদিয়ে ইয়াৰ ক্ষেত্ৰভূমি তৈয়াৰ কৰিছিল। এটা কথা পাহৰিলে নচলিব যে, অসমীয়া মধ্যবিত্তই প্ৰথমে নিজস্ব ধৰণে বৃহত্তৰ কৃষক সমাজখনক সংগঠিত কৰিয়েই সচেতনভাৱে শ্ৰেণী চেতনাৰ পৰিচয় দিছিল। ইয়াৰ উপৰিও, পৰ্যায়ক্ৰমে গণভিত্তি প্ৰসাৰ কৰি উক্ত শ্ৰেণীয়ে ভাৰতীয় জাতীয়তাবাদীসকলৰ লগত খোজ মিলাই যাবলৈ সমৰ্থ হৈছিল। অৱশ্যে সামগ্ৰিকভাৱে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ চৰিত্ৰ আৰু ব্যাপকতাৰ কথা উপলব্ধি কৰিবলৈ ভাৰতীয় জাতীয়তাবাদীসকলৰ সাম্ৰাজ্যবাদৰ প্ৰতি থকা মনোভাৱৰ এটা আভাস ল'ব লাগিব। 'Of all the national movement in colonial countries, the Indian national movement was the most deeply and firmly rooted in and understanding of the nature and character of colonial economic domination and exploitation. Its early leaders, known as moderates, were the first in the 19th centurey to develop an economic critique of colonialism.' (Bipan Chandra and others India's struggle for Independance. New Delhi 1988. Pg.-91)। আচলতে সাম্ৰাজ্যবাদৰ লগত সংঘাতলৈ অহাৰ আগৰ পৰাই মধ্যবিত্তৰ সাংস্কৃতিক পৰিমণ্ডলত অৰ্থনৈতিক সাম্ৰাজ্যবাদ সম্পৰ্কীয় বিভিন্ন আলোচনা-সমালোচনাৰ প্ৰভাৱ পৰিছিল। ঊনবিংশ শতিকাৰ অসমত কিন্তু তেনে পৰিৱেশ নাছিল, ফলত ঔপনিৱেশিক আৰ্থিক শোষণৰ বিৰুদ্ধে জনগণৰ সংগ্ৰাম তীব্ৰতৰ কৰি তোলাত অসমীয়া মধ্যবিত্তৰ প্ৰভাৱ কিছু সীমিত আছিল। ইয়াৰ উপৰিও স্ব-নিৰ্ভৰশীল অৰ্থনীতিৰ কাঠামোৰ ভিতৰত অসমীয়া কৃষক প্ৰজাই নিজৰ আৰ্থ-সামাজিক দুৰাৱস্থাৰ বাবে বহিৰাগতৰ সমস্যাটোকেই বিশেষভাৱে জড়িত কৰিছিল বুলি ভবাৰ থল আছে। তৎসত্ত্বেও, সমান্তৰালভাৱে জাতীয়তাবাদীসকলে কংগ্ৰেছৰ সামাজিক ক্ষেত্ৰখন প্ৰসাৰিত কৰাৰ চেষ্টা চলাইছিল। জনগণৰ আশা-আকাংখা প্ৰতিফলিত কৰা অন্যান্য ধাৰাসমূহৰ লগত সংযোগ সাধন হৈ কংগ্ৰেছ-নিয়ন্ত্ৰিত অসমীয়া জাতীয়তাবাদে পৰিপূৰ্ণতা লাভ কৰাৰ পথত অগ্ৰসৰ হৈছিল।

এই পৰিস্থিতিত স্বাভাৱিকভাৱে কংগ্ৰেছী জাতীয়তাবাদীসকলৰ আধিপত্যৰ মাজেৰে অসমত জাতীয় আন্দোলনৰ বিকাশ আৰু বিস্তাৰ সম্ভৱ হৈছিল। প্ৰাদেশিক জাতীয় কংগ্ৰেছৰ ধাৰাটোৱে আছিল ইয়াৰ মূলসূঁতি, ভাৰতবৰ্ষৰ অন্যান্য অঞ্চলৰ দৰে অসমতো অসহযোগ আন্দোলন, আইন অমান্য আন্দোলন আৰু বিশেষকৈ বিয়াল্লিশৰ গণ আন্দোলনৰ মাজেৰেই জাতীয় জীৱনৰ সামগ্ৰিক ৰাজনৈতিক-সাংস্কৃতিক পৰিবৰ্তনসমূহ পৰিস্ফুট হৈছিল। অৱশ্যে তুলনামূলকভাৱে প্ৰথম ভাগৰ আন্দোলনসমূহৰ ব্যাপকতা সম্পৰ্কে কিছু সন্দেহৰ আশংকা বৈ যোৱাটো অস্বাভাৱিক নহয়, কিন্তু বিস্তৃত আলোচনাৰ মাজেৰে ড° সাগৰ বৰুৱাই গুৰুত্বপূৰ্ণ সিদ্ধান্তত উপনীত হৈছে, 'দীঘলীয়া আলোচনাৰ অন্তত পৰিস্ফুট হৈছে যে স্বাধীনতা

সংগ্ৰামৰ প্ৰথম অধ্যায় অসহযোগ আন্দোলনত অসমৰ মানুহে ভাৰতৰ অন্যান্য দেশৰ দৰে সক্ৰিয় তথা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।' (ড° সাগৰ বৰুৱা : ভাৰতৰ স্বাধীনতা আন্দোলনত অসম (প্ৰথমখণ্ড) গোলাঘাট ১৯৯৯, পৃষ্ঠা - ১৩৬)। অসহযোগ আন্দোলনে অসমত গণ আন্দোলনৰ ৰূপ লৈছিল বুলি ক'লেও বঢ়াই কোৱা নহ'ব। অসমৰ কৃষক, মজদুৰ, চৰকাৰী চাকৰিয়াল, স্কুল-কলেজৰ ছাত্ৰ সকলো জড়িত হৈ পৰিছিল। কৃষকসকলে খাজনা বন্ধ (no rent) কাৰ্যসূচী আৰম্ভ কৰিছিল। শ্ৰমিক মজদুৰসকল আন্দোলনৰ দ্বাৰা প্ৰভাৱান্বিত হৈ মালিক পক্ষৰ শোষণৰ বিৰুদ্ধে প্ৰকাশ্য বিদ্ৰোহ কৰিছিল। (ড° সাগৰ বৰুৱা : ভাৰতৰ স্বাধীনতা আন্দোলনত অসম (প্ৰথমখণ্ড) গোলাঘাট ১৯৯৯, পৃষ্ঠা-১৩৭-১৩৮)। প্ৰথম অৱস্থাতে গণভিত্তি লাভ কৰা স্বাধীনতা আন্দোলনৰ পৰৱৰ্তী পৰ্যায়বোৰৰ ব্যাপকতা সম্পৰ্কে অনুমান কৰিব পাৰি। বিভিন্ন গৱেষকে বস্তুনিষ্ঠ দৃষ্টিকোণৰ পৰা এই দিশসমূহৰ নিৰ্মোহ বিশ্লেষণ কৰিছে। একেখিনি কথাকে আমি ইয়াত পুনৰাবৃত্তি কৰাৰ চেষ্টা নকৰো। আমি কংগ্ৰেছৰ ধাৰাটোক মূলসূঁতি বুলি উল্লেখ কৰিছো, কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে, কংগ্ৰেছী জাতীয়তাবাদীসকলে অসমীয়া সামাজিক জীৱনৰ সকলোবোৰ দিশেই প্ৰতিনিধিত্ব কৰিছিল। বিশেষ ঐতিহাসিক প্ৰয়োজনত স্বাধীনতা আন্দোলনত অন্য কেবাটাও ধাৰাৰ বিকাশ হোৱাৰ কথা আগতে উল্লেখ কৰা হৈছে। সমান্তৰাল চৰিত্ৰ এটা অৰ্জন কৰিলেও এই ধাৰাসমূহে কংগ্ৰেছৰ গণতান্ত্ৰিক মঞ্চতে কেন্দ্ৰীভূত হৈ জাতীয় আন্দোলনলৈ সমগ্ৰতা আনি দিছিল। জ্যোতিপ্ৰসাদৰ মানসিক উত্তৰণৰ প্ৰসংগটো আলোচনাৰ প্ৰাসংগিতা আহি পৰে।

প্ৰথমে আমি উল্লেখ কৰিব লাগিব ১৯১৬ চনত জন্ম লাভ কৰা অসম ছাত্ৰ সন্মিলনীৰ ভূমিকাৰ কথা। জ্যোতিপ্ৰসাদেও ছাত্ৰ অৱস্থাতে অসহযোগ আন্দোলনত জঁপিয়াই পৰিছিল। বিশেষ ঐতিহাসিক পৰিস্থিতিত যেতিয়াই অসমৰ প্ৰবীণ নেতাসকলে নিজৰ জড়তাৰ বাবে সংশয় আৰু দ্বিধাগ্ৰস্ততাত ভুগিছিল, সেই সময়ত ছাত্ৰসকলে নিৰ্ভীক দেশপ্ৰেম আৰু সাহসেৰে ঐতিহাসিক দায়িত্ব পালন কৰি জাতীয় আন্দোলনৰ অগ্ৰগতিত অৰিহণা যোগাই গৈছিল। এক কথাত ই কংগ্ৰেছৰ মূল চালিকা শক্তি আছিল। আছাম এছ'চিয়েশ্যনে প্ৰাদেশিক কংগ্ৰেছ কমিটিলৈ বাট এৰি দিয়াত ছাত্ৰনেতা চন্দ্ৰনাথ শৰ্মা আদিৰ ভূমিকাৰ কথা যথাস্থানত আলোচনা কৰিছো। গুৰুত্বপূৰ্ণভাৱে, অসমত মহাত্মা গান্ধীৰ প্ৰকৃত অসহযোগ আন্দোলন কটন কলেজৰ চৌহদৰ পৰাহে আৰম্ভ হয়। কটন কলেজৰ ছাত্ৰই এই আন্দোলনটো সূত্ৰপাত কৰাৰ আগলৈকে প্ৰবীণ নেতাসকলে একো বিশেষ কৰিব পৰা নাছিল। কটন কলেজৰ পৰা পঢ়া এৰি ওলাই অহা ছাত্ৰ শক্তিয়েহে অসমৰ মুক্তিযুদ্ধত সৰ্বতোপ্ৰকাৰে সাহপিত আৰু শক্তি-সামৰ্থ্য যোগাইছিল। (ৰমেশ কলিতা : উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-৫০)। ১৯৩০

চনৰ আইন অমান্য আন্দোলনৰ সময়ত কংগ্ৰেছৰ সংগঠনত গভীৰ সংকটে দেখা দিছিল। নেতৃত্বত থকা প্ৰবীণ ৰাজনৈতিক নেতাসকলৰ এটা অংশই আইন অমান্য আন্দোলন চলোবাৰ অপাৰগতা প্ৰকাশ কৰি পদত্যাগ কৰে। এনে জটিল মুহূৰ্তত বিষ্ণুৰাম মেধি, অমিয় কুমাৰ দাস, হেমচন্দ্ৰ বৰুৱা আদিয়ে কংগ্ৰেছৰ পতাকাৰ তলত অসমত আইন অমান্য আন্দোলন সক্ৰিয় কৰি তুলিবৰ বাবে আগবাঢ়ি আহে, কিন্তু পুনৰগঠিত কংগ্ৰেছে আন্দোলন চলাবলৈ সক্ষম হৈছিল ছাত্ৰ শক্তিৰ সহযোগতহে (ৰমেশ কলিতা : উল্লিখিত গ্ৰন্থ, পৃষ্ঠা - ৮০)। কানিংহাম চাৰ্কুলাৰৰ বিপক্ষে হোৱা ছাত্ৰসকলৰ আন্দোলনে কংগ্ৰেছৰ সংস্কাৰধৰ্মী আন্দোলনৰ প্ৰবল গণভিত্তি প্ৰস্তুত কৰিছিল। "ছাত্ৰসকলে অকল কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদ কৰিয়েই সন্তুষ্ট থকা নাছিল, তেওঁলোকে লগতে কংগ্ৰেছৰ নীতি আৰু আদৰ্শ জানি লৈ স্বেচ্ছাসেৱকভুক্ত হৈছিল আৰু স্বেচ্ছাসেৱক সংগ্ৰহ কৰি আইন অমান্য আন্দোলন সংগঠন তথা প্ৰসাৰত আত্ম নিয়োগ কৰিছিল। আৰু ছাত্ৰসকলৰ যত্নতেই প্ৰধানতঃ কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদ আন্দোলনৰ কংগ্ৰেছৰ আইন অমান্য আন্দোলনৰ লগত একাকাৰ হৈ পৰিছিল"। (ৰমেশ কলিতা : উল্লিখিত গ্ৰন্থ, পৃষ্ঠা - ৯২)। সেইদৰে ভাৰত ত্যাগ আন্দোলনৰ আগে আগেও ছাত্ৰসকলে প্ৰবল যুদ্ধ বিৰোধী অভিযান চলাই অসমৰ ইংৰাজ চৰকাৰৰ সিংহাসন কঁপাই তুলিবলৈ সক্ষম হৈছিল। (ৰমেশ কলিতা : উল্লিখিত গ্ৰন্থ, পৃষ্ঠা - ১২৮-১৩১)। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে, অসহযোগ আন্দোলন হঠাতে বন্ধ ৰখাত গান্ধীৰ অহিংসা নীতিৰ প্ৰতি অনাসক্ত হৈ এচাম যুৱকে দেশমাতৃক উদ্ধাৰৰ বাবে সন্ত্ৰাসবাদেই একমাত্ৰ পথ বুলি সিদ্ধান্ত লৈছিল। কানপুৰৰ হিন্দুস্থান ৰিপাব্লিকান এছচিয়েশ্যন; বংগৰ অনুশীলন সমিতি, শ্ৰীসংঘ আদিৰ প্ৰভাৱত সন্ত্ৰাসবাদী আন্দোলন ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চললৈ প্ৰসাৰিত হৈছিল। অসমতো একাংশ ছাত্ৰ যুৱক ইয়াৰ প্ৰভাৱাধীন হৈছিল। বিশেষকৈ অসহযোগ আন্দোলনৰ পৰৱৰ্তী সময়ছোৱাত অসমৰ বিভিন্ন ঠাইত সশস্ত্ৰ বিপ্লৱৰ আখৰা আৰম্ভ হৈছিল। কিন্তু সুনিৰ্দিষ্ট কৰ্মসূচী নথকাৰ বাবে প্ৰথম পৰ্যায়ৰ দৰে সন্ত্ৰাসবাদী আন্দোলনৰ দ্বিতীয় পৰ্যায়তো জনগণৰ সমৰ্থন লাভ কৰিব পৰা নাছিল। (ড° সাগৰ বৰুৱা : উল্লিখিত গ্ৰন্থ, পৃষ্ঠা - ১৩০-১৩১)।

ইয়াৰ উপৰিও বাওঁপন্থী চিন্তা-ধাৰা আৰু সংগঠনেও অসমৰ জাতীয় আন্দোলনৰ মূলধাৰাৰ ওপৰত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাই আহিছিল। ১৯৩৪ চনত কংগ্ৰেছ ছ'চিয়েলিষ্ট পাৰ্টী গঠন হোৱাৰ মাজেৰেই অসমত কমিউনিষ্ট আন্দোলনৰ সাংগঠনিক সূত্ৰপাত হোৱাৰ কথা আমি ইতিমধ্যে চমুকৈ আলোচনা কৰিছো। ইয়াৰ উপৰিও ১৯৩৭ চনত 'কমিউনিষ্ট লীগ'ৰ জন্মৰ কথাও উল্লেখ কৰা হৈছে। আনহাতেদি ছাত্ৰসকলেও অসমত মাৰ্ক্সবাদী চিন্তা-ধাৰাৰ প্ৰবেশ ঘটোৱাত আগভাগ

লৈছিল। ১৯৩৬ চনত কমিউনিষ্ট সকলৰ নেতৃত্বত সৰ্বভাৰতীয় পৰ্যায়ত এটা ছাত্ৰ সংগঠন (Student Federation)ৰ জন্ম হৈছিল। ইয়াৰ প্ৰভাৱতে অসমতো অসমীয়া ছাত্ৰৰ মূল মুখপাত্ৰ অসম ছাত্ৰ সন্মিলনে আৰু দুটা চুবুৰীয়া সংগঠৰ স'তে লগলাগি ১৯৩৯ চনত নতুন নামকৰণেৰে বামপন্থী ভাবাদৰ্শৰ এটা উমৈহতীয়া ছাত্ৰ সংগঠন (All Assam Student Confederation) প্ৰতিষ্ঠা কৰে। ১৯৪০ চনত এই সংগঠনটো ইতিমধ্যে আমি উল্লেখ কৰা সৰ্বভাৰতীয় ছাত্ৰ সংগঠন (All India Student Federation)টোৰ পৰা স্বীকৃতি লাভ কৰিবলৈ সক্ষম হয়। এইদৰে অসমৰ ছাত্ৰসকলে অসমৰ ৰাজনীতিত প্ৰগতিশীল চিন্তা-চৰ্চাৰ এক নতুন অধ্যায় সূচনা কৰে। (Arun Chandra Bhuya, Sibopade De edited : Political History of Assam, Vol. III, Gauhati, 1980, Pg. 138)। অসমত অৱশ্যে ১৯৪৩ চনতহে ভাৰতীয় কমিউনিষ্ট পাৰ্টী (চি পি আই)ৰ বংগৰ প্ৰাদেশিক কমিটীৰ অধীনত ব্ৰহ্মপুত্ৰ উপত্যকাটো শাখা সমিতিৰ প্ৰতিষ্ঠা হৈছিল (Arun Chandra Bhuya, Sibopade De edited : Political History of Assam, Vol III, Gauhati, 1980, Pg. 168)। তথাপিও আগৰে পৰা চি পি আইৰ ধাৰাৰ কমিউনিষ্টসকলেও তেওঁলোকৰ কৰ্মসূচী চলাই নিছিল। ইয়াৰ উপৰিও ১৯৩৮ চনত নেতাজীৰ দ্বাৰা প্ৰতিষ্ঠিত সমাজতান্ত্ৰিক চিন্তা-ধাৰাত বিশ্বাসী ফৰৱাৰ্ড ব্লকৰ সদস্যসকলেও সীমিতভাৱে ব্ৰহ্মপুত্ৰ উপত্যকাৰ ৰাজনীতিৰ লগত জড়িত হৈ পৰিছিল। কাছাৰত এওঁলোকৰ ক্ষেত্ৰখন যথেষ্ট প্ৰসাৰিত হৈছিল বুলি জনা যায়। (Arun Chandra Bhuyan, Sibopade De edited · Political History of Assam, Vol. III, Gauhati, 1980, Pg. 152) যি কি নহওঁক, পাৰ্টীৰ আদৰ্শ বা মতাদৰ্শগত পাৰ্থক্য থাকিলেও দ্বিতীয় বিশ্বযুদ্ধৰ আৰম্ভণিৰ সময়ত প্ৰায়কেইটা বামপন্থী সংগঠনে কংগ্ৰেছৰ লগত সহযোগিতামূলক মনোভাৱেৰে সাম্ৰাজ্যবাদী যুদ্ধৰ বিৰোধিতা কৰিছিল (Arun Chandra Bhuya, Sibopade De edited : Political History of Assam, Vol. III, Gauhati, 1980, Pg. 142-143)। সামগ্ৰিকভাৱে, দ্বিতীয় বিশ্বযুদ্ধৰ আগলৈকে অসমত বাওঁপন্থী আন্দোলনৰ প্ৰভাৱ কৃষিক-শ্ৰমিক ক্ষেত্ৰলৈ প্ৰসাৰিত হৈছিল। কমিউনিষ্ট সকলৰ প্ৰভাৱতে ত্ৰিশৰ দশকত অসমত কেবাটাও কৃষক সংগঠন গঢ় লৈ উঠা, এওঁলোকৰ প্ৰভাৱতে ৰায়ত সম্ভাই মাটিৰ খাজনা হ্ৰাস কৰাৰ বাবে চৰকাৰক বাধ্য কৰি ঐতিহাসিক বিজয় সাব্যস্ত কৰা আদি কথা আমি অন্য এক প্ৰসংগত আলোচনা কৰিছো। আনফালেদি অসমৰ অৰ্থনীতিত নিৰ্মম শোষণৰ বলি হোৱা চাহ শ্ৰমিকসকলৰ মাজলৈও বামপন্থী ভাবাদৰ্শ প্ৰসাৰ হোৱা ঘটনাই কমিউনিষ্ট আন্দোলনৰ কথাকে সূচায় (The phase of labour struggles during the years 1937-40 was a turning point in Assam history in more than one aspect.

From the very beginning, these struggles directed against British Capital, had a clear anti-imperialist character as well as a broad left nationalist organisation. (Dr. Amalendu Guha Planter-raj to Swaraj, New Delhi 1998, Pg.-244)। অৱশ্যে ১৯৪১ চনত ছোভিয়েট ৰাছিয়াৰ নিৰ্দেশত ভাৰতৰ কমিউনিষ্ট পাৰ্টীয়ে সাম্ৰাজ্যবাদী যুদ্ধ জনযুদ্ধ লৈ পৰিবৰ্তন কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰাত ইয়াৰ নেতিবাচক প্ৰভাৱ সমগ্ৰ দেশৰ কমিউনিষ্ট আন্দোলনৰ ওপৰত পৰিছিল বুলি ভবাৰ থল আছে। চি পি আইৰ প্ৰভাৱাধীন অসমৰ ছাত্ৰ আন্দোলনো ইয়াৰ বাহিৰত নাছিল। সৰ্বভাৰতীয় কেন্দ্ৰীয় সমিতিয়ে পাটনাত 'জনযুদ্ধ'ৰ প্ৰতি সমৰ্থনত গ্ৰহণ কৰা নীতি অসমৰ কেবাখনো জিলা ছাত্ৰ কমিটীয়ে কিন্তু প্ৰকাশ্য বিৰোধিতা কৰিছিল বুলি জনা যায় (Arun Chandra Bhuya, Sibopade De edited · উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-১৫৫) যাৰ ফলত ছাত্ৰ সকলৰ ব্যাপক অংশই বিভিন্ন ধাৰাৰ লগত সংযোগ সাধন কৰি জাতীয় কংগ্ৰেছৰ নেতৃত্বত প্ৰসাৰ হোৱা ভাৰত ত্যাগ আন্দোলনৰ সময়তো সবল গণভিত্তি প্ৰদান কৰাত সফল হৈছিল (ড° অনুৰাধা দত্ত ঃ উল্লিখিত গ্ৰন্থ, পৃষ্ঠা - ২৭৫-৭৬)।

জ্যোতিপ্ৰসাদৰ সামাজিক-সাংস্কৃতিক দৃষ্টি ভংগীৰ প্ৰসাৰ

বিংশ শতাব্দিৰ প্ৰথমাৰ্দ্ধত অসমত বিকাশ হোৱা নব্য চিন্তা-ধাৰাৰহে প্ৰৱক্তা আছিল জ্যোতিপ্ৰসাদ আগৰৱালা। কিন্তু তেওঁৰ ৰাজনৈতিক-সামাজিক ভাবধাৰা, তেওঁৰ সাংস্কৃতিক জীৱনবীক্ষা সমগ্ৰতাৰ পৰা বিচ্ছিন্ন নাছিল। জ্যোতিপ্ৰসাদ আছিল সকলোৰে শিল্পী মনটো জগাই তুলি, সুন্দৰৰ অনুভূতিৰ প্ৰকাশ ঘটাই, জনতাৰ লগত মিলি গৈ দুষ্কৃতিৰ বিৰুদ্ধে যুঁজ দিয়া এজন আজন্ম সংগ্ৰামী শিল্পী। তেওঁৰ এই শিল্প চেতনাৰ প্ৰসাৰ ঘটিছিল বিংশ শতিকাৰ অসমীয়া সমাজখনৰ এক জটিল সন্ধিক্ষণৰ পটভূমিত। আমি যি নব্য জাতীয় চেতনাৰ কথা কৈছো তাৰ বহিঃপ্ৰকাশ ঘটিছিল অসমীয়া জাতীয় সাংস্কৃতিক-ৰাজনৈতিক আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামৰ মাজত। জ্যোতিপ্ৰসাদৰ মুখত আছিল এটা মৃতপ্ৰায় জাতি। উপৰিসৌধৰ ৰাজনৈতিক পৰিবৰ্তনসমূহেও যেন অসমীয়া জাতিৰ জীৱনৰ অন্তৰ্নিহিত সত্তাক জগাই তুলিব পৰা নাছিল। এনে পৰিস্থিতিত শিল্পীজনাৰ সাংস্কৃতিক জীৱনবোধ কেন্দ্ৰীভূত হৈছিলগৈ অসমীয়া জাতীয় জীৱন নিৰ্মাণৰ ঐতিহ্যৰ মাজত। এনে এক মহান দায়িত্ব পালনৰ গভীৰ অনুপ্ৰেৰণা লাভ কৰিছিল ভাৰতীয় আধ্যাত্মিকতাৰ সাগৰ মঠি পোৱাৰ 'কৃষ্ণ সংস্কৃতি'ৰ অৰ্থৰ মাজত। জ্যোতিপ্ৰসাদে নিজৰ উপলব্ধিৰ কথা এইদৰে লিখিছে — "এই অৰ্থ পাই আৰু মোৰ মনত সদায়ে মোক জুমুৰি দি থকা কথাটো

মানুহ যে শিল্পীহে শিল্পী হৈয়েই সি জীৱনক অপৰিচ্ছিন্নভাৱে চাব লাগিব, ধৰিব লাগিব আৰু শিল্পীৰূপেই তাৰ জীৱন আদৰ্শৰ পূৰ্ণ উপলব্ধি হ'ব, ইয়াত মোৰ গভীৰ বিশ্বাস হৈছে। [জ্যোতিপ্ৰসাদ ৰচনাৱলী (অসম প্ৰকাশন পৰিষদ) পৃষ্ঠা-৪২৩]। তেওঁৰ মতে, কৃষ্ণ সংস্কৃতিয়ে মানৱ প্ৰকৃতি সাংস্কৃতিক আৰু দুষ্কৃতিমূলক হোৱাৰ তত্ত্বও কৈ দি মানুহক মানুহৰ জীৱনৰ মহাৰ্থ আৰু সেই অৰ্থ মতে চলি মানুহ কোন পথেৰে যাব লাগিব তাৰে ইংগিত দিয়ে (জ্যোতিপ্ৰসাদ ৰচনাৱলীয়ে অসম প্ৰকাশন পৰিষদৰ)। এই কৃষ্ণ সংস্কৃতিৰ আদৰ্শৰে তেওঁ অসমীয়া সমাজখনৰ যি পূৰ্ণ সাংস্কৃতিক উত্তৰণৰ সপোন দেখিছিল তাৰ বাস্তৱ ৰূপ আছিল মহাপুৰুষ শিল্পী শংকৰদেৱৰ আদৰ্শ। কাৰণ তেওঁ বিশ্বাস কৰিছিল যে 'কৃষ্ণ'ৰ আদৰ্শৰ সুন্দৰতম দিশবোৰ মহাপুৰুষজনাৰ মাজেৰে প্ৰকাশ ঘটিছিল। সেয়েহে এক সংকটকালীন অৱস্থাত থিয় দি অসমীয়া সমাজখনক গভীৰ আত্মীয়তাৰ ডোলেৰে বান্ধিব খুজিছে শংকৰী ঐতিহ্যৰ লগত। লগতে তেওঁ ক্ষমতাকেন্দ্ৰিক ৰাজনীতিৰ বিপৰীতে শিল্পীৰ জয়-যাত্ৰাও ঘোষণা কৰিছে। আজিলৈকে অসমীয়াক অসমীয়া কৰি ৰাখি থৈছে কোনে? আমাৰ তাহানিৰ স্বাধীন অসমৰ ৰাষ্ট্ৰক্ষমতা তথা ৰজাসকলে, পাত্ৰমন্ত্ৰীসকলে নে বৰফুকন, বৰবৰুৱা, বৰুৱা, ফুকন বিষয়াসকলে? আমাক আজি অসমীয়া বুলি আমাৰ জাতীয় সভ্যতা-সংস্কৃতিৰ বিশিষ্টভাৱে এটা প্ৰগতিশীল জাতিকৈ ৰাখি থৈছে অসমীয়া সংস্কৃতি সৃষ্টি কৰি দি যাওঁতা, অসমীয়া সুকুমাৰ কলাৰ এটা নিজস্ব বৈশিষ্ট্য দি থৈ যাওঁতা, অসমীয়া সামাজিক জীৱনৰ এটা বিশিষ্ট গঢ় দি যাওঁতা, অসমত এনে সাংস্কৃতিক ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰি থৈ যাওঁতা অসমীয়া জীৱনৰ মহাকলাকাৰ শিল্পীৰো শিল্পী মহাপুৰুষ শ্ৰীশংকৰদেৱ [জ্যোতিপ্ৰসাদ ৰচনাৱলী (অসম প্ৰকাশন পৰিষদ), পৃষ্ঠা - ৪৪৮]। তেওঁৰ মতে, ডেৰশ বছৰীয়া এটা প্ৰচণ্ড পাশ্চাত্য সংস্কৃতিৰ দুৰ্বাৰ আক্ৰমণটো অসমীয়া সংস্কৃতিৰ বৈশিষ্ট্যতা ৰক্ষা পৰিছে শংকৰদেৱে গঢ়ি যোৱাৰ ভেটিৰ ওপৰতে (জ্যোতিপ্ৰসাদ ৰচনাৱলী- অসম প্ৰকাশন পৰিষদ, পৃষ্ঠা - ৪৪৮-৪৪৯)। আনফালেদি, শংকৰী ঐতিহ্যৰ পৰম্পৰা ৰক্ষা কৰি সাংস্কৃতিকভাৱে অসমীয়া জাতিৰ আত্মপ্ৰতিষ্ঠাৰে সংগ্ৰামত ব্ৰতী হোৱা জোনাকী যুগৰ বুদ্ধিজীৱীসকলৰ প্ৰতিও জ্যোতিপ্ৰসাদ আছিল গভীৰ শ্ৰদ্ধাশীল। 'বৰ্তমান অসমীয়া সাহিত্যই প্ৰথম অৱস্থাত যেতিয়া আন্ধাৰত বাট নেদেখি দিগ্‌বিদিগ্ মনিব নোৱাৰি থমক খাই ৰৈ গৈছিল, সেইসময়তে ছাত্ৰ চন্দ্ৰকুমাৰে জোনাকী উজ্জ্বল শলিতা গচি জ্বলাই সাহিত্যত পোহৰ পেলাই দিলে। ক্ষীণ চন্দ্ৰলোকৰ দৰেই সেই পোহৰতে বেজবৰুৱা, হেম গোহাঁই, ৰজনী বৰদলৈকে আদি কৰি সেই যুগৰ সাহিত্য-কোঁৱৰসকলে ইজনে-সিজনক চিনি, জোনাকী চাকিটিৰ চাৰিওফালে গোট খাই অসমীয়া সাহিত্যৰ উন্নতিৰ বৰ সভা পাতি নাম ধৰিবলৈ সুবিধা পাই ওলাল'

[জ্যোতিপ্ৰসাদ ৰচনাৱলী (অসম প্ৰকাশন পৰিষদ), পৃষ্ঠা - ৭৬৩]। জাতিৰ মৰ্মস্থান বুজিয়েই যে বেজবৰুৱাই শংকৰ-মাধৱৰ সাহিত্যত হাত দি অসমীয়াক পুনৰুজ্জীৱন দি জগাব খুজিছিল— সেই কথাও তেওঁ বেলেগ এক প্ৰসংগত উল্লেখ কৰিছে। [জ্যোতিপ্ৰসাদ ৰচনাৱলী (অসম প্ৰকাশন পৰিষদ), পৃষ্ঠা - ৪৯০]।'

অৱশ্যে শিল্পী-সাহিত্যিকসকলে গঢ়ি দিয়া কিবা এক বিমূৰ্ত ঐতিহ্যৰ প্ৰতি জ্যোতিপ্ৰসাদৰ কোনো আবেগিক অন্ধতা নাছিল। তেওঁৰ চিন্তা-ধাৰাৰ কেন্দ্ৰীয় বিষয়বস্তু আছিল মানুহ— কথাটো 'কৃষ্ণ সংস্কৃতি'ৰ অৰ্থ উপলব্ধিৰ প্ৰসংগতে আলোচনাৰ আৰম্ভণিতেই উনুকিওৱা হৈছে। গতিকে শিল্পী-সাহিত্যিকসকলৰ ভূমিকাক তেওঁ মহিমামণ্ডিত কৰিছে জনতাৰ মানসিক-সাংস্কৃতিক উত্তৰণৰ স্বাৰ্থতহে। সুকুমাৰ কলা, সাহিত্য-চৰ্চাৰ মাজেৰে সাংস্কৃতিক শ্ৰেষ্ঠত্ব লাভ কৰা সমন্বয়ধৰ্মী সমাজ এখনতহে জনতাৰ সুষম বিকাশ হ'ব পাৰে— জ্যোতিপ্ৰসাদে তাকে মনে-প্ৰাণে বিশ্বাস কৰিছিল। ওপৰে ওপৰে স্ব-বিৰোধ যেন লাগিলেও এই সমন্বয়ৰ আদৰ্শ তেওঁৰ বিভিন্ন মন্তব্যত তেওঁৰে সাংস্কৃতিক চেতনাৰ মৰ্ম-বস্তুৰ লগত নিহিত হৈ আছে। এঠাইত তেওঁৰ আৰ্য-সংস্কৃতিক আসুৰিক (প্ৰাক্-আৰ্য সংস্কৃতিৰ কথাকে কৈছে) সংস্কৃতিৰ পৰা পৃথক কৰি দেখুৱাইছে কিন্তু এয়া মানসিক উৎকৰ্ষ সাধনৰ আহিলা— আধ্যাত্মিক দৃষ্টিৰ ফালৰ পৰাহে, জাতিগত বৈষম্যৰ সাম্প্ৰদায়িক ভিত্তিত নহয়। [জ্যোতিপ্ৰসাদৰ ৰচনাৱলী (অসম প্ৰকাশন পৰিষদ) পৃষ্ঠা ৪৫৪] আনকি তেওঁৰ 'কৃষ্ণ'ৰ আদৰ্শও বিভিন্ন ধৰ্মাৱলম্বীলোকে বাস কৰা ভাৰতীয় বা অসমীয়া সমাজৰ পৰিপন্থী নাছিল। কাৰণ পৰিবৰ্তিত সময়ত 'কৃষ্ণ'ৰ অৰ্থটোৰ মাজত থকা 'সত্য'টোৱেহে বিশ্বজনীন— সেই কথা দ্বিধাহীনভাৱে ঘোষণা কৰিছে। উদাৰ বাবে ক'ব পাৰিছে সকলোৱে নিজৰ নিজৰ কৃষ্ণৰ দৰে সাংস্কৃতিক প্ৰতীক থকাৰ কথা [জ্যোতিপ্ৰসাদৰ ৰচনাৱলী (অসম প্ৰকাশন পৰিষদ) পৃষ্ঠা ৪২৭] ঠিক সেইদৰে ইছলামৰ আগমনৰ প্ৰসংগত ভাৰতীয় সংস্কৃতি আনৰ পদানত হ'ল বুলি কৈয়ো হিন্দু আৰু ইছলাম সংস্কৃতিৰ সমন্বয়ৰ কথা ক'বলৈ তেওঁ পাহৰা নাই। যাৰ সুন্দৰতম প্ৰকাশ ঘটিছিল 'তাজমহল'ৰ মাজেৰে [জ্যোতিপ্ৰসাদৰ ৰচনাৱলী (অসম প্ৰকাশন পৰিষদ) পৃষ্ঠা ৪৩৪-৪৩৫]। কিন্তু জ্যোতিপ্ৰসাদে অধিক বাস্তৱ সম্মত দৃষ্টিভংগীৰে তেওঁৰ সমন্বয়ৰ আদৰ্শ দাঙি ধৰিলে অসমীয়া জাতীয়জীৱন গঢ় দিয়াৰ বাবে। অসমত বাগিচাৰ বনুৱা, মৈমনচিঙীয়া, নেপালী, বঙালী, মাৰোৱাৰী আদি বাহিৰৰ লোকসকলে নিজ নিজ বিশিষ্টতাক ধৰি ৰাখি ইয়াত বসতিস্থাপন কৰাৰ প্ৰতি দৃষ্টি দি তেওঁ সকীয়াই দিছিল— 'এতিয়া এই জনসংখ্যাৰ মানুহৰ সৰহভাগকেই যদি আমি ইয়াৰ ভাষা, কৃষ্টি আৰু সভ্যতা দি আমাৰ ভিতৰত সোমোৱাব নোৱাৰো তেন্তে আমাৰ বিপদ আছে, [জ্যোতিপ্ৰসাদৰ ৰচনাৱলী (অসম পৰিষদ) পৃষ্ঠা ৪৪৪-

৪৪৫]। পিছে, এয়া কোনো উগ্রজাতীয়তাবাদী মন্তব্য নহয়। কাৰণ অসমীয়া জাতিটোৱে নব-সভ্যতাৰ ভাগ লৈ তাত সুকীয়া ৰহণ দি নিজৰ ভবিষ্যৎ ৰচিব সাংস্কৃতিক সমন্বয়ৰ মাজেদিহে— এই কথা তেওঁ উপলব্ধি কৰিছিল— 'এই সকলোকে অসমীয়া কৰিবলৈ আৰু তেওঁলোকক আমাৰ কৃষ্টিৰ প্ৰভাৱেৰে প্ৰভাৱান্বিত কৰিবলৈ হ'লে উপায় হৈছে সামাজিক সম্বন্ধ স্থাপন— ললিত কলা, শিল্পী, সাহিত্য, স্থাপত্য আৰু সংগীতৰ পোহৰেৰে তেওঁলোকক আমাৰ ভাষা কৃষ্টিলৈ আকৰ্ষণ কৰি অনাটো' [জ্যোতিপ্ৰসাদৰ ৰচনাৱলী (অসম প্ৰকাশন পৰিষদ) পৃষ্ঠা ৪৪৫]।

কিন্তু জ্যোতিপ্ৰসাদে বুজিছিল যে তেওঁ বাস কৰা জটিল পৃথিৱীখনত এখন সুষম সমাজৰ বিকাশ বা মানুহৰ জীৱন যাত্ৰা— কোনোটোৱে সহজ নহয়। এফালেদি সাম্ৰাজ্যবাদৰ হেঁচাত অসমৰ কৃষক প্ৰজাৰ জুৰুলা অৱস্থা, আনফালে জনগণক সংগঠিত কৰাৰ বাবে অসমীয়া মধ্যবিত্তৰ সচেতন প্ৰচেষ্টা, সংৰক্ষণমূলক দৃষ্টিভংগীৰ মাজেৰেই সৰ্বভাৰতীয় চেতনাৰ প্ৰসাৰ, জাতীয় মুক্তি আন্দোলনৰ জোৱাৰ, কংগ্ৰেছৰ আধিপত্যকামী চৰিত্ৰ, মাৰ্ক্সবাদী চিন্তা-চেতনাৰ প্ৰসাৰ আদি বিভিন্ন ঘটনাই জ্যোতিপ্ৰসাদৰ মনৰ জগতত গভীৰ আলোড়নৰ সৃষ্টি কৰিছিল বুলি ভবাৰ থল আছে। তেওঁ গভীৰ সাংস্কৃতিক অন্তৰ্দৃষ্টি সামাজিক নিৰ্মম বাস্তৱতাৰ লগত সংযোগ হৈ এক বৈপ্লৱিক ৰূপ গ্ৰহণ কৰিছিলগৈ। তেওঁ যুগৰ অগ্ৰজ সাংস্কৃতিক প্ৰতিনিধিসকলৰ লগত এইখিনিতেই আছিল জ্যোতিপ্ৰসাদৰ দৃষ্টি-ভংগীৰ মৌলিক পাৰ্থক্য। যতীন্দ্ৰ কুমাৰ বৰগোহাঁয়ে সঠিকভাৱে মূল্যায়ন কৰি লিখিছে যে জ্যোতিপ্ৰসাদৰ বৈপ্লৱিক মানৱতাবাদী আদৰ্শ এফালে এপ্‌ষ্টেইনৰ খ্ৰীষ্টিয়ান নৈতিকতাবাদী আদৰ্শ আৰু আনফালে মাৰ্ক্সৰ শ্ৰেণী-সংগ্ৰামৰ আদৰ্শৰ দুই সীমাৰ মাজত সুন্দৰ শিল্পীৰূপে মানুহৰ সাধনা হিচাপে গঢ় লৈ উঠিছিল— আনহাতে চন্দ্ৰ কুমাৰ আগৰৱালা প্ৰমুখ্যে ৰোমাণ্টিক আদৰ্শবাদী সকলৰ মানৱতাবাদী আদৰ্শ এফালে ফৰাচী চিন্তাবিদ আগাষ্ট কাম্‌টে আনফালে উপনিষদীয় ৰবীন্দ্ৰিক আদৰ্শবাদৰ মাজত ঠন ধৰি উঠিছিল' (শংকৰ শইকীয়া সম্পাদিত : পুণ্ডৰীকাক্ষ ভৰালী, ফণী. মহন্ত, ৰাম গগৈ, অৱনী চক্ৰৱৰ্তীৰ নিৰ্বাচিত কবিতা। গুৱাহাটী, ২০০১, পৃষ্ঠা-৮০)।

জাতীয় আন্দোলনৰ প্ৰেৰণাৰে জ্যোতিপ্ৰসাদে সমাজ ৰূপান্তৰৰ পৰিকল্পনা কৰিছিল। কিন্তু কেৱল কংগ্ৰেছৰ ভলেণ্টিয়াৰ হোৱাতকৈ জনতাৰ ভূমিকা তেওঁৰ দৃষ্টিত আছিল বহু বেছি। কাৰণ পৰোক্ষভাৱে হ'লেও সাম্ৰাজ্যবাদী তথা এনে জনত শত্ৰুৰ অপসংস্কৃতিৰ বিৰুদ্ধে তেওঁ শিল্পী জনতাৰ জয়যাত্ৰাকে ঘোষণা কৰিছিল। তেওঁৰ মতে, এচামৰ স্বাৰ্থপৰতা, ক্ষোভ, সংকীৰ্ণতা, ক্ষমতা লিপ্সাৰ পৰা উদ্ভৱ

হোৱা মানৱ সমাজৰ নানা গোষ্ঠ আঁতৰ কৰিবলৈ মানুহৰ প্ৰতিৰোধ আৰু সংঘাতমূলক অভিযানেই হ'ল বিপ্লৱ। 'সংস্কৃতিৰ ভ্ৰষ্টতা বোধ কৰিবলৈ আৰু ভ্ৰষ্টতাৰ পৰা হোৱা কুসংস্কাৰক ধ্বংস কৰি নতুন সংস্কৃতি গঢ়িবৰ বাবে বিপ্লৱ অনিবাৰ্য হৈ পৰে। মনৰ মাজেদি বিপ্লৱে ক্ৰিয়া কৰি বাহিৰৰ সংঘাতলৈ ওলাই যায়। তেতিয়াই হয় ৰাষ্ট্ৰ বিপ্লৱ, সমাজ বিপ্লৱ' [জ্যোতিপ্ৰসাদৰ ৰচনাৱলী (অসম প্ৰকাশন পৰিষদ) পৃষ্ঠা ৪৬৭]। এই সমাজ বিপ্লৱ কিন্তু সাংস্কৃতিক হৈয়ো মূলতঃ ৰাজনৈতিক। তেওঁ ঔপনিবেশিক দাসত্বৰ পৰা সমাজৰ মুক্তি বিচাৰিছিল জনগণৰ সাংস্কৃতিক স্বাধীনতাৰ বাবে। স্বাধীনতা প্ৰাপ্তিৰ পিছতে লিখা এটা প্ৰবন্ধত তেওঁ উল্লেখ কৰিছে— 'মানুহক স্বাধীনতা কিয় লাগে? জীৱনৰ বিকাশ কৰি উচ্চ সংস্কৃতি গঢ়িবলৈ। ইংৰাজে আমাক গচকা মাৰি ধৰি আমাক আমাৰ প্ৰগতিৰ পৰা সংস্কৃতি গঢ়া মহান সুযোগৰ পৰা বঞ্চিত কৰি থৈছিল। সেই কাৰণে আমি ইংৰাজৰ লগত যুঁজি-বাগৰি আমাৰ হাতলৈ ৰাষ্ট্ৰক্ষমতা আনি আমাৰ জীৱিকা প্ৰয়াসৰ সুবিধা উলিওৱাৰ লগে লগে সংস্কৃতি গঢ়াৰ সুযোগ উলিয়াই লৈছো' [জ্যোতিপ্ৰসাদ ৰচনাৱলী (অসম প্ৰকাশন পৰিষদ) পৃষ্ঠা ৪৪৭]। প্ৰসংগক্ৰমে উনুকিয়াই যোৱাটো সমীচীন হ'ব যে, প্ৰাক-স্বাধীনতাকালৰ অসমত জ্যোতিপ্ৰসাদেই আছিল এনে এজন সাংস্কৃতিক কৰ্মী, যিয়ে জাতীয় আন্দোলনৰ পৰিপূৰকভাৱে এক সমান্তৰাল সাংস্কৃতিক আন্দোলনৰ পৃষ্ঠপোষকতা কৰিছিল। এনে পৰিস্থিতিত জনতাৰ মনোগত, বস্তুগত, সামগ্ৰিক উত্তৰণৰ বাবে তেওঁ থিয় দিছিলগৈ প্ৰাদেশিক কংগ্ৰেছৰ আধিপত্যকামী গণতান্ত্ৰিক জাতীয়তাবাদী শিবিৰত, যাৰ ঐতিহাসিক ভিত্তি আছিল বুৰ্জোৱা মানৱতাবাদী আদৰ্শ, যাৰ মাজেদি অসমীয়াৰ আঞ্চলিক চেতনাই নতুন পথৰ সন্ধান পাইছিল। অসমৰ বিভিন্ন সমস্যাৰ পটভূমিত কংগ্ৰেছে গ্ৰহণ কৰা উদাৰনৈতিক চিন্তাধাৰাই তেওঁৰ ওপৰত নিশ্চিতভাৱে প্ৰভাৱ পেলাইছিল, কিন্তু সামগ্ৰিকভাৱে তেওঁৰ নব্য জাতীয়তাবাদী ৰাজনৈতিক দৃষ্টিভংগীৰ প্ৰসাৰত গভীৰ অনুপ্ৰেৰণা যোগাইছিল গান্ধীজীৰ ত্যাগ, মতাদৰ্শ আৰু জীৱন দৰ্শনৰ ভূমিকাই। অসমৰ জাতীয় জীৱনত শংকৰদেৱৰ প্ৰভাৱৰ দৰেই তেওঁ ভাবিছিল, গান্ধীজীয়ে নবযুগৰ অৱতাৰণা কৰি ভাৰতবৰ্ষক জগাই তুলিবলৈ সক্ষম হৈছে [জ্যোতিপ্ৰসাদৰ ৰচনাৱলী (অসম প্ৰকাশন পৰিষদ) পৃষ্ঠা ৩৫৭]। ১৯২১ চনত গান্ধীজীৰ অসম ভ্ৰমণে অসমৰ সামাজিক-ৰাজনৈতিক জীৱনৰ ওপৰত পেলোৱা প্ৰভাৱ সম্বন্ধে তেওঁ লিখিছে— 'মহাত্মা গান্ধী যোৱাৰ পিছত অসমত উৎসাহৰ প্ৰবল সোঁত বৈ গ'ল। কৰ্মীসকলে দ্বিগুণ উৎসাহেৰে কাম কৰিবলৈ লাগিল। তিৰোতাই যঁতৰত দ্বিগুণ উৎসাহেৰে হাত চলাবলৈ ধৰিলে। চাৰিওফালে উৎসাহ আৰু কৰ্মৰ সোঁত প্ৰবাহিত হ'বলৈ ধৰিলে। বহুত দিন শুই থকা অসমীয়া জাতিয়ে আকৌ এবাৰ সাৰ পালে, [জ্যোতিপ্ৰসাদ ৰচনাৱলী (অসম প্ৰকাশন পৰিষদ) পৃষ্ঠা ৩৯৯]।

আণ্টোনিও গ্ৰামছিৰ চিন্তাধাৰাৰ আলমত সাম্প্ৰতিক সময়ত ইতিহাস চৰ্চাই গান্ধী আন্দোলনৰ আধিপত্যকামী গণভিত্তিৰ প্ৰসংগটো যি ধৰণে ৰূপায়িত কৰিছে— আমাৰ বোধেৰে জ্যোতিপ্ৰসাদেও তেওঁৰ সময়ছোৱাত ইয়াৰ স্বৰূপ উপলব্ধি কৰিব পাৰিছিল। আৰু সেইবাবেই অকল সীমাবদ্ধ শ্ৰেণী-স্বাৰ্থৰ দ্বাৰাই নহয়, মহৎ জীৱনবোধৰ সাৱলীল প্ৰকাশৰ মাধ্যমৰূপে জ্যোতিপ্ৰসাদে গান্ধীজীৰ আদৰ্শ আৰু কংগ্ৰেছৰ পতাকা গ্ৰহণৰ ফালে আগবাঢ়ি আহিছিল।

ধাৰণা কৰি ল'ব পাৰি যে, জ্যোতিপ্ৰসাদৰ সাংস্কৃতিক জীৱনবীক্ষাই জাতীয় মুক্তি আন্দোলনৰ সময়ছোৱাতে অসমীয়া জাতীয়তাবাদী চিন্তাৰ বিভিন্ন উপাদান আত্মসাৎ কৰি লৈছিল। কিন্তু সমাজৰ আমোল ৰূপান্তৰ ঘটাব খোজা, সাধাৰণ মানুহৰ প্ৰতি সহানুভূতিশীল জ্যোতিপ্ৰসাদৰ জাতীয় চিন্তা জীৱনৰ শেষ কাললৈ মাৰ্ক্সবাদী জীৱনবীক্ষালৈ উত্তৰণ ঘটাটো আছিল নিতান্তই স্বাভাৱিক। সাম্ৰাজ্যবাদে সৃষ্টি কৰা জটিল আৰ্থ-সামাজিক পৰিস্থিতি আৰু বিশেষকৈ স্বাধীন কংগ্ৰেছ চৰকাৰৰ জনবিৰোধী নীতিয়েই তেওঁৰ মানসিক পৰিৱৰ্তনত বিশেষ অৰিহণা যোগাইছিল। বস্তুনিষ্ঠ আলোচনাই তেওঁৰ লিখনিৰ বিভিন্ন দিশবোৰ চালিজাৰি চাইছে। কিন্তু আমাৰ আলোচনাত গুৰুত্ব পোৱা আত্মসংৰক্ষণমুখী অসমীয়া জাতীয় চেতনাৰ লগত জ্যোতিপ্ৰসাদৰ জাতীয়তাবাদৰ মৌলিক প্ৰভেদ আছিল কোনখিনিত? প্ৰসংগটো আমি ড° হীৰেন গোহাঁইৰ এটি অতি গুৰুত্বপূৰ্ণ মূল্যায়নৰ ভিত্তিত দাঙি ধৰিবলৈ প্ৰয়াস কৰিছো। জ্যোতিপ্ৰসাদে যিহেতু সাধাৰণ শ্ৰমজীৱী মানুহৰ মুক্তি বিচাৰিছিল, সেয়ে তেওঁৰ ৰাজনৈতিক দৰ্শন গতিশীল আৰু প্ৰগতিকামী হ'ব পাৰিছিল। জাতি আৰু জাতীয়তা সম্পৰ্কে তেওঁৰ চিন্তাতো এই গতিশীলতাৰ সাঁচ বহিছিল। আনহাতে, অম্বিকাগিৰিয়ে অসমীয়া সমাজৰ অভ্যন্তৰত স্থিতাবস্থা ৰক্ষা কৰিবলৈ বিচাৰিছিল। সেয়ে কৃষকৰ মুক্তিতকৈ মধ্যবিত্তৰ ক্ষমতালোভৰ লগতেই শ্ৰেণীগতভাৱে তেওঁৰ জাতীয়তাবোধৰ সম্পৰ্ক আছিল। আকৌ মধ্যবিত্তৰ জাতীয়তাবাদ সদায়ে আত্মকেন্দ্ৰিক আৰু আছুতীয়া। কাৰণ শোষণৰ স্বত্ব তথা বজাৰ বিস্তাৰ বিচাৰি কৰা প্ৰতিযোগিতাই মধ্যবিত্তক উদাৰ আৰু সহনশীল হোৱাৰ শিক্ষা দিব নোৱাৰে। কিন্তু শ্ৰমিক কৃষকৰ জাতীয়তাবাদত অন্য জাতিৰ শোষিতসকলৰ প্ৰতি স্বাভাৱিক সহানুভূতি নিহিত। এই পিনৰ পৰা জ্যোতিপ্ৰসাদৰ জাতীয়তাবাদত মাৰ্ক্সীয় আন্তৰ্জাতিকতাৰ প্ৰভাৱহে স্পষ্ট। সি শ্ৰমিক ভাবাদৰ্শৰ ঠাঁচতে গঢ় লোৱা' (ড° হীৰেন গোহাঁই : বিশ্বায়তন, নলবাৰী ১৯৮৩, পৃষ্ঠা - ১৬৩)। বিংশ শতাব্দীৰ অসমত জ্যোতিপ্ৰসাদ অসমীয়া মধ্যবিত্তৰ এনে এগৰাকী প্ৰতিনিধি আছিল, যিয়ে মধ্যবিত্তৰ সাংস্কৃতিক পৰিমণ্ডলৰ মাজত থাকিয়ে চিন্তা-চৰ্চা কৰি সাম্ৰাজ্যবাদে জন্ম দিয়া বিভিন্ন সমস্যা তথা জাতীয় চিন্তাৰ ধাৰাসমূহৰ মাজত

সামঞ্জস্য বক্ষা কৰি অন্য এক বিপ্লৱী প্ৰান্তৰলৈ খোজ দিছিল। মধ্যবিত্ত চিন্তাৰ পৰা জ্যোতিপ্ৰসাদৰ উত্তৰণ সেয়ে কেৱল ভাবপ্ৰৱণ বা খেয়ালী মনৰ বিলাপ নহয়; ই আছিল গুণগতভাৱে তাৎপৰ্যপূৰ্ণ ৰূপান্তৰ, শেষ জীৱনৰ ভাষণ আৰু প্ৰবন্ধ আদিত এই উত্তৰণৰ চিন সুপৰিস্ফুটহু, (ড° হীৰেন গোহাঁই : বিশ্বায়তন, নলবাৰী ১৯৮৩)।

সাধাৰণ জনগণৰ মুক্তি বিচৰা জ্যোতিপ্ৰসাদে জাতীয় মুক্তি আন্দোলনত নিজেও অংশগ্ৰহণ কৰাৰ উপৰিও জনগণক সংগঠিত কৰাৰ চেষ্টা চলাইছিল। এই বিষয়ে আমি চমুকৈ উল্লেখ কৰি আলোচনাৰ সামৰণি মাৰিম। ছাত্ৰাৱস্থাতে তেওঁ অসহযোগৰ কাম-কাজত আত্মনিয়োগ কৰিছিল। দৰং অঞ্চলত জ্যোতিপ্ৰসাদ আগৰৱালা, অমিয় কুমাৰ দাস আদিয়ে অন্যান্য স্বাধীনতা সংগ্ৰামীসকলৰ সহযোগত 'চ'তমহীয়া ঘৰপোৰা জুইৰ দৰে অসহযোগ আন্দোলনৰ জুইকুৰা দ্‌পদপ্‌কৈ জ্বলাই তুলিছিল।' (দেৱেশ্বৰ শৰ্মা : হেৰাই যোৱা দিনবোৰ, গুৱাহাটী ১৯৮০, পৃষ্ঠা - ৬৭)। পৰৱৰ্তী পৰ্যায়বোৰতো প্ৰচণ্ড চৰকাৰী দমন আৰু সন্ত্ৰাসৰ মাজতো তেওঁৰ এই সংগ্ৰামী যাত্ৰা অব্যাহত আছিল। যিহেতু, এই দিশসমূহ বিভিন্ন গৱেষকে পোহৰলৈ আনিছে, সেইবাবে তেখেতৰ ৰাজনৈতিক দিনপঞ্জী লিখাটো আমাৰ মূল উদ্দেশ্য কৰি লোৱা নাই। এই সন্দৰ্ভত গুৰুত্ব দিবলগীয়া কথাটো হ'ল যে, জ্যোতিপ্ৰসাদ আছিল মূলতঃ এজন শিল্পী। সকলো ধৰণৰ শোষণ নিপীড়ন আঁতোৰোৱাৰ বাবে তেওঁ জনগণৰ সাংস্কৃতিক স্বাধীনতা বিচাৰিছিল। জনগণৰ আত্মিক আৰু মানসিক উৎকৰ্ষ সাধনৰ মাজেৰে ৰাজনৈতিক বিপ্লৱ সম্ভৱ হ'ব পাৰে বুলি তেওঁ বিশ্বাস কৰিছিল— কথাটো আমি আগতে উল্লেখ কৰিছো এনে পটভূমিত, জ্যোতিৰ শিল্পসত্তাৰ বিস্ফোৰক ৰূপটোৱে আছিল তেওঁৰ ৰাজনীতি। জাতীয় মুক্তি আন্দোলনত তেওঁ জনগণৰ ৰাজনীতিক আৰু সাংস্কৃতিক আন্দোলন একেটা বিন্দুতে কেন্দ্ৰিভূত কৰাৰ চেষ্টা চলাইছিল। বিয়াল্লিছৰ বিপ্লৱত দৰং জিলাৰ সন্দৰ্ভত ৰাজনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত সমান্তৰালভাৱে আগবঢ়া জ্যোতিপ্ৰসাদৰ ভূমিকাৰ সমগ্ৰতাৰ সম্বন্ধে ড° অনুৰাধা দত্তই লিখিছে 'Biswadev Sarma and Jyotiprasad Agarawala played a notable part in the undergroud movement in the district. Jyotiprasad Agarawalla's soul-stirring songs moved the young generation to come out for the cause of freedom in ever- increasing numbers Jyotiprasad didnot confine his activities to Darrang only: he visited Guwahati and made necessary contracts to organise the local people.' (ড° অনুৰাধা দত্ত : উল্লিখিত গ্ৰন্থ, পৃষ্ঠা - ২৭২)।

ৰাজনৈতিক আন্দোলনৰ কৰ্মসূচীৰ লগে লগে শিল্পী জ্যোতিপ্ৰসাদৰ মনৰ জগতত চলা এই বিপ্লৱৰ পটভূমি আছিল তেজপুৰত গঢ় লৈ উঠা এক বিশেষ

সাংস্কৃতিক আন্দোলন। তেওঁৰেই প্ৰায় সমসাময়িক বিষ্ণুপ্ৰসাদ ৰাভাই লিখিছে— '১৯২১চন। অসহযোগ আন্দোলন। অসমৰ এচাম ডেকাৰ হিয়াত অসহযোগ আন্দোলন হয়— ৰাজনৈতিক ক্ষেত্ৰত নহয়, সুৰৰ জগতত। হিন্দুস্থানী আৰু বঙালী সুৰ বিদেশী বৰ্জনৰ দৰে ব্যৱস্থা চলে। যিবিলাকক গাঁৱলীয়া সমাজৰ বস্তু বুলি অবহেলাৰ সামগ্ৰী হিচাপে অসমীয়া শিক্ষিত ডেকাসকলৰ অন্তৰত ধাৰণা হৈছিল, সেই বিহুনাম, বনগীত, আইনাম, বিয়ানাম, টোকাৰি নামবোৰৰ সুৰ থিয়েটাৰী গানত ব্যৱহাৰ কৰিব পাৰি নে নোৱাৰি, আৰু সেইবোৰ আধুনিক যন্ত্ৰপাতিৰে বজাই নতুন যুগৰ উপযোগী সাজপাৰেৰে উলিয়াই আনিব পাৰি নে নোৱাৰি, এনে স্বৰূপ জাতীয়ভাৱ উদ্বুদ্ধ হৈ এচাম অসমীয়া ডেকাৰ অন্তৰত খলক লগায়' [যোগেশ দাস আৰু অন্যান্য সম্পাদিত : বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ (দ্বিতীয় খণ্ড) তেজপুৰ, ১৯৯৭, পৃষ্ঠা-১২১৭]। এই নতুন চামৰ ডেকাসকলৰ অন্যতম আছিল জ্যোতিপ্ৰসাদ আগৰৱালা। বাণ ৰংগমঞ্চৰ চৌঁ ঘৰতে শোণিত কুঁৱৰী নাটকৰ বাবে সম্পূৰ্ণৰূপে থলুৱা গীতমাতৰ আধাৰত 'গছে গছে পাতি দিলে ফুলৰে শৰাই' গীতটো সুৰ কৰি তেওঁ একপ্ৰকাৰৰ সাংস্কৃতিক বিপ্লৱৰ সূচনা কৰিলে। বঙলুৱা ভাবধাৰাৰে প্ৰভাৱান্বিত হৈ থকা অন্যান্য সাংস্কৃতিক কৰ্মীসকলে গীতটোক লৈ যেতিয়া ঠাট্টা-মস্কৰা কৰিলে— তেতিয়া জ্যোতিপ্ৰসাদে অভিমান কৰি কৈছিলে— 'মোৰ যদি নতুন অসমীয়া সুৰীয়া গানবোৰ নাগায়, তেন্তে মোৰ নাটকো কৰিব নিদিওঁ। আৰু বাণ থিয়েটাৰত একো সহযোগ নকৰো' [যোগেশ দাস আৰু অন্যান্য সম্পাদিত : বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ (দ্বিতীয় খণ্ড) তেজপুৰ, ১৯৯৭ পৃষ্ঠা -১২২৭]। এয়া আছিল ৰাজনৈতিক সংগ্ৰামৰ লগে লগে চলি থকা জ্যোতিপ্ৰসাদৰ মানসিক আন্দোলনৰ অগ্ৰগতি। গুৰুত্বপূৰ্ণভাৱে জ্যোতিপ্ৰসাদৰ বৈপ্লৱিক চিন্তাধাৰা তেওঁৰ প্ৰবন্ধৰাজিতকৈ গীতৰ মাজেদিয়েই বেছিকৈ ফুটি উঠিছিল। বিষ্ণুপ্ৰসাদ ৰাভাই লিখিছে যে ১৯৩০ চনত বিলাতৰ পৰা ঘূৰি অহাৰ পিছত তেওঁৰ সংস্কৃতিৰ বিশেষকৈ, সুৰৰ ক্ষেত্ৰখন অধিক প্ৰসাৰিত হৈছিল আৰু আইন অমান্য আন্দোলনত জাঁপিয়াই পৰাৰ পৰা তেওঁৰ গীতবোৰ অধিক প্ৰভাৱশালী হৈ জাতীয় জাগৰণৰ অংশত পৰিণত হৈছিল [যোগেশ দাস আৰু অন্যান্য সম্পাদিত : বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ (দ্বিতীয় খণ্ড) তেজপুৰ, ১৯৯৭ পৃষ্ঠা -১২২৯]।

কিন্তু জ্যোতিপ্ৰসাদে তেতিয়াই যে অভিমানটো কৰিছিল তাৰ অৰ্থ কিন্তু আজিও উলিয়াব পৰা নাই, বা বুজিবলৈও চেষ্টা কৰা নাই। সম্পূৰ্ণ আত্মিক চেতনাৰে অসমীয়া জাতিটোক সাংস্কৃতিকভাৱ বিয়পাই তোলাৰ দায়িত্ব আজিও অসমীয়া মধ্যবিত্তই পালন কৰিব পৰা নাই। জ্যোতিপ্ৰসাদে সকীয়াই দিয়া

ক্ষমতাকেন্দ্রিক ৰাজনীতিৰ বিপৰীতে সাংস্কৃতিক সমগ্ৰতাৰে আজিও আমি আমাৰ জাতিটোক মহিমামণ্ডিত কৰিব পৰা নাই। সাম্ৰাজ্যবাদী শাসন-শোষণে এৰি থৈ যোৱা স্বাধীনোত্তৰ অসমৰ বিশেষ ঐতিহাসিক পৰিস্থিতিত অসমীয়া মধ্যবিত্ত আজি বিভিন্ন সমস্যাৰে জৰ্জৰিত। আঞ্চলিক চেতনাই সঠিক উত্তৰণৰ বাট বিচাৰি নাপাই শেষত সন্ত্ৰাসবাদৰ ফালে ধাৱমান হ'ল গৈ। বহুবাৰ ভাতৃঘাতী সংঘৰ্ষৰেও ৰাঙলী হৈ আহিছে ব্ৰহ্মপুত্ৰ উপত্যকা। অসমৰ সোঁপন্থী আৰু বাওঁপন্থী ৰাজনীতিয়ে আজিকোপতি কিন্তু জ্যোতিপ্ৰসাদৰ জাতীয়তাবাদৰ কেতবোৰ মৌলিক দিশ বিচাৰ কৰি চোৱাৰ গুৰুত্ব অনুভৱ কৰা নাই।

ঔপনিবেশিক অসমৰ জটিল আৰ্থ-সামাজিক গাঁথনিৰ মাজত বিকাশ লাভ কৰা 'জ্যোতিৰ চেতনাই' আজিও আমাৰ যুক্তিৰ বাট দেখুৱাব পাৰে। কিন্তু প্ৰশ্ন হ'ল— অতীতৰ ভুলসমূহ শুধৰাইহে জাতি গঢ়াৰ মহান সংকল্প লৈ ওলাই আহিব পাৰিব নে অসমীয়া মধ্যবিত্ত? জন্মশতবৰ্ষৰ বছৰটোত যেন প্ৰতিজন অসমীয়াই এক আত্মসমালোচনামূলক দৃষ্টিভংগী গ্ৰহণ কৰে- অন্ততঃ সেই আশা আমি কৰিব পাৰো।

ABBREVIATIONS

RLRA	:	Report on Land Revenue Administration
RAE	:	Report on Administration of Excise Department
RAA	:	Report of Administration of Assam.
ASP	:	Assam Secretariat Proceedings.
RLRAA	:	Resolution of Land Revenue Administration of Assam.
ALCP		Assam Legislative Council Proceeding.
AG	:	Assam Gazette.

ইতিহাস চৰ্চাত সাম্প্ৰদায়িকতাবাদ

সহজ কথাত, 'সাম্প্ৰদায়িকতাবাদ' হ'ল এনে এক বিশ্বাস, যাৰ দ্বাৰা এদল মানুহে এটি বিশেষ ধৰ্মত বিশ্বাস কৰিলে তেওঁলোকৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক— সকলো স্বাৰ্থই হয়। এনে ধৰণৰ বিশ্বাসৰ আন এটি নাম সাম্প্ৰদায়িকতাবাদ।[১] বিপান চন্দ্ৰৰ এই ঐতিহাসিক সংজ্ঞা তথা লুই ডুমুণ্ট, এম মহান্তী আদিৰ চিন্তাধাৰাৰ বিচাৰ বিশ্লেষণ কৰি 'এগৰাকী গৱেষকে' সাম্প্ৰদায়িকতাৰ তিনিটা প্ৰাথমিক উপাদানৰ কথা উল্লেখ কৰিছে। প্ৰথমতে, ধৰ্মৰ ভিত্তিত এক মৌলিক, সামাজিক-ৰাজনৈতিক ঐক্য গঢ় লৈ উঠে যাৰ লগত শ্ৰেণী, জাতি, ভাষা আৰু সংস্কৃতিৰ বিশেষ সম্পৰ্ক নাই। কেৱল ধৰ্মৰ অনুগামী হিচাপেই সমষ্টিগতভাৱে এটি সম্প্ৰদায়ে তাৰ ৰাজনৈতিক আৰু সামাজিক স্বাৰ্থ ৰক্ষা কৰিব পাৰে। দ্বিতীয়তে, ভাৰতৰ দৰে বহু ধৰ্মালম্বীৰ দেশ এখনত এটা ধৰ্মৰ অনুগামীসকলৰ অধৰ্মীয় অৰ্থাৎ আৰ্থ-সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক স্বাৰ্থ অন্য ধৰ্মৰ অনুগামী সকলৰ স্বাৰ্থৰ পৰা ভিন্ন। তৃতীয়তে, পৰিপূৰ্ণ সাম্প্ৰদায়িকতা হ'ল এনে এক পৰ্যায়ৰ ফচল যেতিয়া বিভিন্ন ধৰ্মৰ অনুগামীসকলৰ স্বাৰ্থ পৰস্পৰ-বিৰোধী আৰু বিদ্বেষপূৰ্ণ বুলি গণ্য কৰা হয়। সামগ্ৰিকভাৱে সম্প্ৰদায় বুলিলে এনে এক জনগোষ্ঠীক বুজায় যি সকলে জাতি, বৰ্ণ, অঞ্চল, ভাষা, জীৱিকা বা ধৰ্মৰ ভিত্তিত পৰস্পৰৰ প্ৰতি ঐক্য অনুভৱ কৰে। আচলতে সম্প্ৰদায়ৰ কোনো এটা সীমাৰেখা নিৰ্ধাৰণ কৰাটো সম্ভৱ নহয়, বৰঞ্চ এজন ব্যক্তি কেতিয়াবা একে সময়তে ভাষিক, ধৰ্ম, আঞ্চলিক, জাতিগত ভিত্তিত একাধিক সম্প্ৰদায়তো অন্তৰ্ভুক্ত হ'ব পাৰে। অৱশ্যে ওপৰত উল্লেখ কৰাৰ দৰে প্ৰচলিত অৰ্থত সাম্প্ৰদায়িকতা বুলিলে দুই বা ততোধিক ধৰ্মীয় সম্প্ৰদায়ৰ মাজৰ পাৰস্পৰিক স্বাৰ্থ, সংশ্লিষ্ট বিদ্বেষ আৰু সংঘাতকে বুজায়। অধিক স্পষ্টভাৱে আমাৰ আলোচনাত ঔপনিৱেশিক যুগ আৰু পৰৱৰ্তী কালৰ হিন্দু-মুছলমানৰ মাজত তিক্ত সম্পৰ্কৰ প্ৰসংগই গুৰুত্বপূৰ্ণ স্থান পাব। ঐতিহাসিক দৃষ্টিকোণৰ পৰা চালে দেখা যাব যে ভাৰতবৰ্ষৰ হিন্দু আৰু মুছলমান সম্প্ৰদায় প্ৰত্যেকৰে নিজস্ব চৰিত্ৰ আৰু চিন্তা-চেতনা আছে, সময়ে সময়ে ধৰ্মৰ ভিত্তিত তেওঁলোক ঐক্যবদ্ধ হোৱাৰ লগতে নিজ স্বাৰ্থ পূৰণৰ বাবে সংগঠিত হৈছে। হিন্দু-মুছলমানৰ সম্পৰ্কৰ পটভূমিৰ কথাখিনি থুলমূলকৈ হ'ল এনেকুৱা— ইচলামৰ অভ্যুদয়ৰ বহু দিন আগৰে পৰা আৰবসকলৰ

লগত ভাৰতৰ মালবাৰ অঞ্চলৰ বাণিজ্যিক যোগাযোগ আছিল। সপ্তম শতাব্দীত হজৰত মহম্মদৰ আৱিৰ্ভাৱৰ পিছত আৰবসকলে ইছলাম ধৰ্ম গ্ৰহণ কৰে আৰু স্বাভাৱিকতে এওঁলোকৰ দ্বাৰাই কেৰালা অঞ্চলৰ অনুপ্ৰৱেশ ঘটে। ইয়াৰ পিছত ৭১২ খৃষ্টাব্দত মহম্মদ বিন কাচিমৰ সিন্ধু বিজয়ৰ পৰা গজনীৰ মাহমুদৰ বিধ্বংসী অভিযান (৯৯৮-১০৩০) সমূহকে ধৰি ১২০৬ চনত দিল্লীত তুৰ্কী ৰাজত্ব প্ৰতিষ্ঠালৈকে এক দীঘলীয়া ৰাজনৈতিক পৰিক্ৰমা। ইয়াৰ লগে লগে অৱশ্যে পশ্চিম আৰু মধ্য এছিয়াৰ অধিক সংখ্যক মুছলমান ব্যৱসায়ীৰ ভাৰতলৈ আগমন আৰু বসতি স্থাপন ভাৰতত চুফী মতবাদৰ প্ৰচাৰ আৰু ধৰ্মান্তঃকৰণ আদি ঘটনাই ইছলাম আৰু হিন্দু ধৰ্মৰ পাৰস্পৰিক আদান-প্ৰদানৰ প্ৰক্ৰিয়াটো ত্বৰান্বিত কৰে। আনফালে সিন্ধু বিজয় অভিযানৰ পিছৰ পৰাই ভাৰতৰ সভ্যতা সংস্কৃতিয়ে মুছলিম সংস্কৃতিক বিশেষভাৱে প্ৰভাৱান্বিত কৰিছিল তাক আৰবৰ সমসাময়িক ঐতিহাসিক সকলৰ বিৱৰণৰ পৰা জনা যায়।[৫] কিন্তু প্ৰাথমিক অৱস্থাত মুছলিম শাসনৰ প্ৰতি ভাৰতীয় সকলৰ প্ৰতিক্ৰিয়া সিমান সুখৰ নাছিল। আবিদ হুছেইনে লিখিছে - 'গুৰ্জৰ আৰু হুন সকলৰ বিষয়ে হিন্দুসকলৰ মনত যি ভাবৰ সৃষ্টি কৰিছিল দিল্লীৰ চুলতানী ৰাজত্বৰ প্ৰতিষ্ঠাও একে ভাবৰ সৃষ্টি কৰিলে। শাৰীৰিকভাৱে তেওঁলোকে বিজয়ীৰ ওচৰত নিজকে আত্মসমৰ্পণ কৰিলে; কিন্তু জাতিগত আৰু ধৰ্মীয় আত্ম-নিৰ্ভৰশীলতা আৰু আন্তৰিক দূৰবৰ্তিতাৰ মাজত তেওঁলোকৰ আত্মা এনেদৰে ভিতৰ সোমাই পৰিলে যে তেওঁলোক আৰু মুছলমানসকলৰ মাজত কোনো অন্তৰ্বিনিময়ৰ সম্ভাৱনা নাথাকিল। গুৰ্জৰ আৰু হুনসকলৰ বাবে ব্যৱহাৰ কৰা ম্লেচ্ছ শব্দটি এতিয়া মুছলমান সকলৰ বাবে ব্যৱহৃত হ'ল।'[৬] একেগৰাকী লেখকে অৱশ্যে চুফী মতাদৰ্শ আৰু ভক্তি আন্দোলনৰ পৰিৱেশে দুয়োটা সম্প্ৰদায়ৰ মাজৰ ধৰ্মীয় সহনশীলতা আৰু সমন্বয়ৰ ভাবধাৰা প্ৰসাৰত গুৰুত্বপূৰ্ণ সফলতা লাভ কৰাৰ কথাও দোহাৰিছে।[৭] আচলতে ইয়াত যি জাতিগত আৰু ধৰ্মীয় আত্ম-নিৰ্ভৰশীলতাৰ কথা কোৱা হৈছে সেয়া হ'ল ভাৰতীয়সকলৰ মাজত জীৱন্ত হৈ থকা পবিত্ৰ আৰু অভ্ৰান্ত আৰ্যাৱৰ্তৰ চেতনা। ইয়াৰ আধাৰ হ'ল-- গ্ৰীকসকলৰ পৰা আৰবসকলৈকে-- ভাৰতৰ দেহত লীন হৈ যোৱা ভিন্ন বহিৰাগত সংস্কৃতিৰ সাহায্যত আৰু সমন্বয়ত অধিক প্ৰসাৰ ঘটা সংস্কৃত ভাষা আশ্ৰিত ধৰ্মতত্ব আৰু ধৰ্মশাস্ত্ৰৰ ধাৰা যাৰ স্বৰূপ সলনি হোৱা নাছিল, বৰঞ্চ এক স্বকীয় সত্বাহে লাভ কৰিছিল। 'কিন্তু তুৰ্কী আক্ৰমণ আৰু তাৰ লগত যুক্ত ইছলামৰ আগমনে এই চেতনাৰ ওপৰত প্ৰচণ্ড আঘাত হানিলে।'[৮] প্ৰথমবাৰৰ বাবে ভাৰতীয় ধৰ্ম তথা সংস্কৃতি এটা উন্নত আৰু পৰিপূৰ্ণ বিদেশী ধৰ্ম, সংস্কৃতিৰ মুখামুখি হ'ব লগা হ'ল। মন কৰিবলগীয়া যে ইছলামৰ আগমনৰ পাছতে সুপ্ৰাচীন ভাৰতীয় ধৰ্ম-দৰ্শন-সংস্কৃতিৰ ওপৰত হিন্দুত্ব আৰোপিত হ'ল।

এনে পৰিস্থিতি দেখা যায়, মধ্য যুগৰ হিন্দু-মুছলমানৰ ইতিহাসত সমন্বয়ৰ উপাদান আছিল যদিও সাম্প্ৰদায়িক স্বতন্ত্ৰবোধৰ অস্তিত্বও আছিল। সাম্প্ৰদায়িক চেতনা আছিল, কিন্তু 'সাম্প্ৰদায়িকতা' নাছিল। 'সাম্প্ৰদায়িকতা'ক মধ্যযুগৰ বা ইতিহাসৰ সাৰপানীৰে জীয়াই ৰখা হয় যদিও ই হ'ল সম্পূৰ্ণৰূপে আধুনিক যুগৰ চিন্তা-ধাৰা। দ্বি-জাতি তত্ত্ব' মধ্য যুগৰ নহয়, আধুনিক ৰাজনীতিৰহে ফচল। অধ্যাপক বিপান চন্দ্ৰৰ মতে, আজিৰ যুগৰ গণভিত্তিক ৰাজনীতি, জনগণৰ সাৰ্বভৌমত্বৰ ৰাজনীতি, জনগণৰ অংশগ্ৰহণ আৰু সমাৱেশৰ ৰাজনীতি, জনমত গঠন আৰু তাৰ সংহত-ভিত্তিক ৰাজনীতি আৰম্ভ হোৱাৰ পিছৰ পৰাই 'সাম্প্ৰদায়িক' ৰাজনীতি আৰু মতাদৰ্শৰ উমান সম্ভৱ হ'ল। এক কথাত কবলৈ গ'লে কিছু সীমিত অৰ্থত গণতান্ত্ৰিক ৰাজনীতিৰ অংগ হ'ল সাম্প্ৰদায়িকতা। মধ্য যুগৰ ৰাজনীতিত শাসন ব্যৱস্থাত জনগণৰ অংশগ্ৰহণৰ প্ৰশ্ন নাছিল। কিন্তু আধুনিক গণতান্ত্ৰিক ৰাজনীতি জনগণৰ অধিক কাষ চাপি যাবলগীয়া হোৱাৰ বাবে শাসক গোষ্ঠীয়ে 'সম্প্ৰদায়' ভিত্তিত জনগণক বিভাজিত কৰি নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰাৰ বাবে চেষ্টা চলাই আহিছে।

সাধাৰণতে বিভিন্ন সময়ত সংঘটিত দাংগা, সংঘৰ্ষ, বিশেষ ৰাজনৈতিক দলৰ ক্ষমতা প্ৰয়োগ আদিৰ দ্বাৰাই সাম্প্ৰদায়িকতাৰ স্বৰূপ বুজিবলৈ চেষ্টা কৰা হয় যদিও মতাদৰ্শ হিচাপে সাম্প্ৰদায়িকতাৰ উদ্ভৱ আৰু বিকাশৰ পৰম্পৰা ইতিহাস চৰ্চাৰ আলোকৰ মাজতে বিচাৰ কৰিব লাগিব। এটা কথা পাহৰিলে নচলিব যে ভাৰতবৰ্ষৰ ইতিহাস পাঁচ হাজাৰমান বছৰৰ পুৰণা হ'লেও ইতিহাস চৰ্চাৰ কাম আৰম্ভ হৈছিল আধুনিক যুগতহে। অৰ্থাৎ উনবিংশ শতিকাত প্ৰশাসনিক স্বাৰ্থতে ইংৰাজসকলৰ দ্বাৰা আধুনিক ৰাজনীতিৰ বিভিন্ন উপাদান সামৰি লোৱা ইতিহাস চৰ্চাই সেয়েহে সচেতন বা অচেতনভাৱেই হওঁক সাম্প্ৰদায়িকতাৰ ভিত্তি প্ৰসাৰত অৰিহণা যোগাইছিল। উনবিংশ শতিকাৰ পৰা সাম্প্ৰতিক কাললৈকে ইতিহাস অনুসন্ধানৰ বিভিন্ন ধাৰাৰ মাজেৰে সাম্প্ৰদায়িকতাবাদ মতাদৰ্শ ঠন ধৰি উঠাৰ ইতিহাস ব্যক্ত কৰাৰ প্ৰসংগতে এই আলোচনাৰ সূত্ৰপাত।

ঔপনিৱেশিক আৰু জাতীয়তাবাদী ঐতিহাসিক গোষ্ঠী

১৭৫৭ চনৰ পলাশী যুদ্ধৰ পিছৰ পৰাই ভাৰতত ইংৰাজ শাসনৰ প্ৰসাৰৰ তাগিদাতেই ঔপনিৱেশিক ইতিহাস চৰ্চাৰ ধাৰাৰ সূচনা হয়। বহু সীমাবদ্ধতা সত্বেও এওঁলোকৰ চিন্তাধাৰাত ইতিহাস নিৰ্মাণৰ আধুনিক কৌশলৰ প্ৰয়োগ দেখা গৈছিল। প্ৰাচ্যতত্ত্ববিদ (Orientalist) হিতবাদী (Utilitarian) আৰু ইভেনজেলিষ্ট (Evangelist) সকলে ঔপনিৱেশিক অতীত চৰ্চাৰ দাৰ্শনিক মাৰ্গ প্ৰশস্ত কৰিছিল

প্ৰাচ্যতত্ত্ববিদসকলৰ অন্যতম উইলিয়াম জনছ, চাৰ্লচ উইলকিন্স, এইচ টি কোলব্ৰুক, এইচ এইচ উইলচন আদি পণ্ডিতসকলে তুলনামূলক ভাষাতত্ত্বৰ অধ্যয়নৰ জৰিয়তে সংস্কৃতৰ লগত গ্ৰীক, লেটিন আদি ভাষাৰ সম্পৰ্ক স্থাপন কৰি ভাৰতীয় আৰু ইউৰোপীয় সভ্যতাৰ মূল শিপাডাল একে আছিল বুলি কোৱাৰ যত্ন কৰিছিল। আনহাতে, হিতবাদীসকলৰ অন্যতম প্ৰবক্তা জেমছ মিলে তেওঁৰ ১৮১৭ চনত প্ৰকাশিত 'হিষ্টৰী অৱ্ ইণ্ডিয়া' নামৰ সু-বৃহৎ আৰু প্ৰণালীবদ্ধ ইতিহাস গ্ৰন্থখনত ভাৰতীয় ইতিহাসক হিন্দু সভ্যতা, মুছলিম সভ্যতা আৰু ব্ৰিটিছ যুগ এই তিনিটা ভাগত বিভক্ত কৰিছিল। মিল আৰু তেওঁৰ অনুগামীসকলে কিন্তু ভাৰতৰ হিন্দু আৰু মুছলমান সভ্যতাৰ মাজত মহিমাময় একো দেখা পোৱা নাছিল, বৰঞ্চ ইয়াৰ অসভ্য আৰু বৰ্বৰতাৰ লক্ষণসমূহ প্ৰত্যক্ষ কৰিছিল। এওঁলোকৰ মূল বক্তব্য আছিল— ব্ৰিটিছ প্ৰশাসক সকলে ইংলণ্ডৰ জনপ্ৰিয় আইন ব্যৱস্থাৰ মাজেৰেহে ভাৰতীয় সমাজখনক এখন প্ৰগতিশীল আৰু পৰিৱৰ্তনকামী সমাজলৈ ৰূপান্তৰ ঘটাব পাৰিব, অৰ্থাৎ ভাৰতৰ হিতসাধন হ'ব। ইভেনজেলিষ্টসকলৰো ভাৰতৰ অতীত সম্বন্ধে দৃষ্টিভংগী হিতবাদীসকলৰ স'তে প্ৰায় একে আছিল। এওঁলোকে যেনিবা মিচনেৰীসকলৰ সহযোগত ধৰ্মান্তৰ আৰু পশ্চিমীয়া শিক্ষাৰ প্ৰসাৰৰ মাজেৰে অধঃপতিত ভাৰতীয় সমাজখনৰ উদ্ধাৰৰ সপোন দেখিছিল। ঔপনিৱেশিক ইতিহাস চৰ্চাৰ এই পটভূমিতেই এচাম ঔপনিৱেশিক প্ৰশাসক ইতিহাসবিদৰ সৃষ্টি। ৰবাৰ্ট অৰ্ম, আলেকজেণ্ডাৰ ডো আদিৰ পৰা ভিনসেণ্ট স্মিথলৈকে ভিন্নজনে এই ধাৰাটো সমৃদ্ধ কৰিছে, অৱশ্যে এওঁলোকৰ বেছিভাগৰ লেখনিতে ভাৰতীয় সমাজ সংস্কৃতিৰ বিচাৰ বিশ্লেষণৰ পৰিৱৰ্তে ব্ৰিটিছ ৰাজত্বৰ শাসনতান্ত্ৰিক আৰু কাৰ্যকলাপৰ তথা প্ৰশাসনৰ লগত যুক্ত ব্যক্তি বিশেষৰহে বিশদ আলোচনা আছে। অৱশ্যে সামগ্ৰিকভাৱে ঔপনিৱেশিক ধাৰাটোৰ অতীত চৰ্চা সৰলীকৃত কৰি পেলোৱাটো উচিত নহ'ব, কাৰণ সংস্কৃতৰ পৰা পুৰাতত্ত্বলৈকে বিভিন্ন সমল ব্যৱহাৰ হোৱাৰ উপৰিও ভাৰতীয় সমাজ, ৰাজনীতি, অৰ্থনীতি সম্পৰ্কীয় কেতবোৰ গুৰুত্বপূৰ্ণ তথ্যও কিছু কিছু লেখনিত প্ৰকাশ পাইছে। কিন্তু ভাৰতীয় সমাজৰ জীৱনৰ মূলসত্তাৰ কাষ চাপিব পৰা নাছিল এনে ধৰণৰ ইতিহাস চৰ্চাই। ঔপনিৱেশিক ধাৰাৰ সীমাবদ্ধতাৰ মাজতে ইয়াৰ কাৰণ নিহিত হৈ আছে। ড° ৰোমিলা থাপাৰে ইয়াৰ চৰিত্ৰ সম্বন্ধে লিখিছে— "Much of this activity was fostered by the belief that knowledge about the colony would enable a greater control over it and would provide a firm foundation to the power that the colonial authorities exercised."

আচলতে ঔপনিৱেশিক গোষ্ঠীৰ লেখকসকলে প্ৰত্যক্ষভাৱে সাম্প্ৰদায়িক আছিল বুলি ক'ব নোৱাৰি। কিন্তু প্ৰশাসনিক স্বাৰ্থত অগ্ৰাধিকাৰ দি একপক্ষীয়ভাৱে হোৱা অতীত অনুসন্ধানৰ মাজত সাম্প্ৰদায়িকতাৰ বীজ অংকুৰিত হৈছিল প্ৰথমে, আমি ঔপনিৱেশিক ধাৰাৰ বাটকটীয়া প্ৰাচ্যতত্ত্ববিদসকলৰ ৰচনালৈ[১০] আঙুলিয়াব পাৰো, য'ত প্ৰাচীন ভাৰতৰ গুণানুকীৰ্তন থাকিলেও প্ৰাচীন যুগক হিন্দু যুগৰ সমাৰ্থক হিচাপে দেখুওৱা হৈছে। ব্ৰাহ্মণ্যবাদক ধৰি লোৱা হৈছে হিন্দু ধৰ্ম হিচাপে আৰু ব্ৰাহ্মণ্য শাস্ত্ৰাৱলীক ভাৰতৰ ইতিহাস বুলি আখ্যা দিয়া হৈছে। আচলতে আৰ্যসকলে ইউৰোপীয়ান সকলৰ সমগোত্ৰীয় বুলি ধৰি লৈ তেওঁলোকে পশ্চিমীয়া সমাজৰ আৰ্হি এটা ভাৰতীয় সমাজৰ ওপৰত জাপি দিব বিচাৰিছিল। ভাৰতত ৰাজনৈতিক পৃষ্ঠপোষকতাত যে বিভিন্ন ধৰণৰ ধৰ্মীয়-সাংস্কৃতিক জনগোষ্ঠীৰ বিকাশ হৈছিল এই কথা তেওঁলোকৰ বোধগম্য হোৱা নাছিল, কাৰণ পশ্চিমীয়া সমাজ এখন খ্ৰীষ্টান ধৰ্মৰ অন্তৰ্ভুক্ত আছিল আৰু ৰাজতন্ত্ৰৰ স্বীকৃতিপ্ৰাপ্ত বিভাজন মাত্ৰ প্ৰটেষ্টাণ্ট আৰু কেথলিকসকলৰ মাজতহে আছিল। গতিকে ভাৰতবৰ্ষতো অনাহকত সমস্যাৰ মাজত নোসোমাই তেওঁলোকে নিজৰ সুবিধা অনুযায়ী এক হিন্দুবাদৰ প্ৰচাৰ চলাইছিল[১১] আনহাতে, মুছলমান শাসনৰ সময়ছোৱালৈ তেওঁলোক একেবাৰে নিৰ্বিকাৰ আছিল হিতবাদী আৰু ইভেনজেলিষ্টসকলৰ দৃষ্টিভংগী অৱশ্যে কিছু বেলেগ আছিল। এই ধাৰাৰ লেখকসকলে হিন্দু আৰু মুছলমান দুযোটা যুগৰ কথা উল্লেখ কৰিলেও মিলৰ দৰে ঐতিহাসিকৰ প্ৰধান দুৰ্বলতা আছিল বৃটিছ শাসনৰ শ্ৰেষ্ঠত্বৰ প্ৰতি থকা প্ৰবল আসক্তি। চি. এইচ. ফিলিপৰ এখন বিখ্যাত গ্ৰন্থৰ উদ্ধৃতি দি ড° হেৰম্বকান্ত বৰপুজাৰীয়ে মিলৰ বিষয়ে লিখিছে— 'তেওঁৰ বদ্ধমূল ধাৰণা আছিল— জাতিভেদ, সুবিধাবাদ আৰু অন্ধবিশ্বাসে ভাৰতীয় সমাজক হেঁচি আছে যে, শিক্ষিত দমন নীতি (enlightened deopotism)ৰ বাহিৰে ইয়াক একোৱে উন্নতি পথলৈ আনিব নোৱাৰে।'[১২] প্ৰচণ্ড আত্ম-অভিমানত বলীয়ান হৈ থকা মিল তথা অন্যান্যসকলে ভাৰতৰ অতীত সম্বন্ধে নিৰাশজনক ছবি দাঙি ধৰিছিল যদিও ইংৰাজ প্ৰশাসকসকলৰ দৃষ্টিত মুছলমানসকলৰ শাসনৰ সময়ছোৱাহে ভাৰতৰ ইতিহাসৰ সম্পূৰ্ণ অন্ধকাৰ যুগ বুলি চিহ্নিত হৈছিল। ইয়াৰ উপৰিও মিলৰ ভাৰত ইতিহাসৰ সাম্প্ৰদায়িক ভিত্তিক যুগ বিভাজন আজিলৈকে কম-বেছি পৰিমাণে চলি আছে যদিও আমাৰ বোধেৰে মিলৰ দৃষ্টিভংগী গতানুগতিক অৰ্থত সাম্প্ৰদায়িক নাছিল। এক কথাত, হিতবাদী আৰু ইভেনজেলিষ্টসকলে ভাৰতৰ অতীত সম্বন্ধে যি অবিচাৰ কৰিছিল তাৰ চূড়ান্ত মূল্য দিব লগা হৈছিল মুছলমান সমাজে। কাৰণ হিন্দু সমাজে অতীতে পৰ্যায়ক্ৰমে ঔপনিৱেশিক ইতিহাস চৰ্চাত স্থান কিছু হলেও সুৰক্ষিত কৰি লৈছিল।

সামগ্ৰিকভাৱে প্ৰশাসক ঐতিহাসিক সকলেও হিন্দু ঐতিহ্যক হেয় প্ৰতিপন্ন কৰিছিল যদিও মুছলমান শাসনকাল সম্পূৰ্ণৰূপে অৱহেলা কৰিছিল। অৱশ্যে পিছৰ ফাললৈ হিন্দু অতীতৰ কেতবোৰ বৈশিষ্ট্য চেগাচোৰোগাকৈ এওঁলোকৰ লেখনিত সোমাই পৰিছিল, কিন্তু সেয়া ঔপনিবেশিক ক্ষমতা তত্ত্বৰ পৰা মুক্ত নাছিল। এই ধাৰাৰ অন্যতম প্ৰবক্তা ভিনচেণ্ট স্মিথে[10] সাহিত্যিক সমলৰ উপৰিও পুৰাতাত্ত্বিক সমল ব্যৱহাৰ কৰি প্ৰাচীন ভাৰতৰ ইতিহাস চৰ্চালৈ অগ্ৰগতি আনিছিল, কিন্তু ডাঙৰ মানুহৰ ইতিহাস লিখি ভালপোৱা স্মিথে প্ৰাচীন ভাৰতত সাম্ৰাজ্যস্থাপন, যুদ্ধজয়, ৰাজ্য বিস্তাৰ আদিক মহিমামণ্ডিত কৰিছিল যদিও সেই যুগৰ ভাৰতীয় সমাজৰ সকলো শ্ৰেষ্ঠ উপাদান গ্ৰীক সংস্কৃতিৰ পৰা ধাৰ কৰা বুলিহে অভিহিত কৰিছিল।

ঔপনিবেশিক ইতিহাস চৰ্চাৰ বিস্তৃত অধ্যয়নৰ পৰিসৰ ইয়াত নাই, কিন্তু আমাৰ ধাৰণা যে ঊনবিংশ শতিকাত এই ধাৰাৰ লেখকসকলে পৰিকল্পিতভাৱে সাম্প্ৰদায়িকতাবাদৰ তত্ত্ব এটা থিয় কৰোৱাৰ প্ৰয়োজনবোধ কৰা নাছিল, কাৰণ তেতিয়ালৈকে বৃটিছ ৰাজনীতি জনগণ (কিছু সীমিত ৰূপত বোধত হ'লেও)ৰ গণতান্ত্ৰিক মত-অমতৰ ওপৰত নিৰ্ভৰশীল হোৱা নাছিল। কিন্তু আওঁপকীয়াকৈ ঔপনিবেশিক চৰ্চাই হিন্দু পুনৰুত্থানবাদক সহায় কৰিছিল— যাৰ প্ৰতিফলন ঘটিছিল তথাকথিত ভাৰতীয় নৱজাগৰণৰ মাজত। কিন্তু বিংশ শতাব্দীৰ প্ৰথমাৰ্দ্ধৰ পৰাই ভাৰতীয় মধ্যবিত্ত ৰাজনীতি অধিক সক্ৰিয় হৈ পৰাৰ লগে লগে সাম্ৰাজ্যবাদে পৰিস্থিতিৰ পৰা সুযোগ আদায় কৰাৰ বাবে আগবাঢ়ি আহিল। প্ৰশাসকসকলে ধৰ্মৰ নামত জনগণক বিভাজিত কৰি নিজ স্বাৰ্থ পূৰণ কৰাৰ লগতে দ্বি-জাতিতত্ত্ব প্ৰাথমিক ভিত্তি প্ৰসাৰত অৰিহণা যোগাইছিল। ঔপনিবেশিক ইতিহাস চৰ্চাৰ প্ৰতিক্ৰিয়াস্বৰূপে জাতীয়তাবাদী ইতিহাস চৰ্চাৰ উৎপত্তি। ঔপনিবেশিক ঐতিহাসিকসকলে ইউৰোপীয়া সভ্যতাৰ শ্ৰেষ্ঠত্বৰ ভিত্তিত ভাৰতীয় সমাজ সংস্কৃতিৰ যি ধৰণে হেয় প্ৰতিপন্ন কৰিছিল, তাৰ বিকল্প মতাদৰ্শ হিচাপে বিংশ শতাব্দীৰ প্ৰথমাৰ্দ্ধৰ পৰাই ভাৰতীয় ঐতিহাসিকসকলৰ হাতত দেশীয় ইতিহাস চৰ্চাই প্ৰাণ পাই উঠে। বিশেষকৈ স্বাধীনতা আন্দোলনৰ প্ৰভাৱত অৰ্থাৎ ১৯২০ চন মানৰ পিছৰ পৰা জাতীয়তাবাদী ঐতিহাসিকসকলৰ লেখনিত[11] প্ৰাচীন ভাৰত সম্বন্ধে কেতবোৰ মৌলিক বৈশিষ্ট্য প্ৰকাশ পাই আহিছে। ভাৰতৰ প্ৰাচীনকাল অন্ধকাৰৰ যুগ বুলি কোৱাৰ বিৰুদ্ধে প্ৰত্যাহ্বান, ভাৰতীয় সংস্কৃতিক ইউৰোপীয় তথা গ্ৰীক সংস্কৃতিৰ প্ৰভাৱৰ পৰা মুক্ত কৰি স্বতন্ত্ৰ চৰিত্ৰ দিয়া, প্ৰাচীন ভাৰতৰ ৰাজনৈতিক ঐক্য সংহতি আদিৰ ওপৰত দিয়া গুৰুত্ব, অতীতৰ ভাৰতত গণতন্ত্ৰ আৰু জনপ্ৰতিনিধিত্বমূলক চৰকাৰ বৰ্তি থকা— আদি কেতবোৰ গুৰুত্বপূৰ্ণ দিশ এই নতুন ধৰণৰ ইতিহাস চৰ্চাৰ অন্তৰ্গত আছিল।

কিন্তু ভাৰতবৰ্ষৰ জাতি বৰ্ণ, ভাষা, ধৰ্মভিত্তিক বহুধা বিভক্ত দেশ এখনত অতীত অনুসন্ধানৰ বৈজ্ঞানিক পথ এটা বিচাৰি উলিওৱাত এই ঐতিহাসিকসকলে বিফল হ'ল। ফলত দৃষ্টিভংগীৰ ভিন্নতা তথা স্বকীয়তা সত্ত্বেও সাম্প্ৰদায়িকতাবাদৰ প্ৰশ্নত তেওঁলোকে সচেতন আৰু অচেতনভাৱে ঔপনিবেশিক চৰ্চাৰ লগত খোজ মিলালেগৈ। প্ৰথম ফালৰ জাতীয়তাবাদী লিখকসকলে মুছলমানসকলৰ স্থিতি বা মধ্যযুগ সন্দৰ্ভত কিছু উদাৰ মত গ্ৰহণ কৰিলেও তেওঁলোকৰ ইতিহাস চৰ্চা হিন্দুধৰ্ম আৰু হিন্দুধৰ্ম আশ্ৰিত সংস্কৃতিৰ মাজত সীমাবদ্ধ হৈ পৰিছিল। মিলে কৰি যোৱা যুগ বিভাজন প্ৰশ্নাতীতভাৱে মানি লোৱাটোৱে আছিল এওঁলোকৰ মাৰাত্মক ভুল। সামগ্ৰিকভাৱে জাতীয়তাবাদী ঐতিহাসিক সকলে হিন্দু আৰু মুছলমান— দুটা ভিন্ন সংস্কৃতিৰ তত্ত্ব অৱচেতনভাৱে মানি লৈয়েই আগবাঢ়িছিল, কিন্তু পৰ্যায়ক্ৰমে প্ৰাচীন হিন্দু যুগ আৰু মুছলমান মধ্য যুগৰ মাজত সীমাৰেখা স্পষ্ট হৈ অহাত ইতিহাস চৰ্চা অধিক সাম্প্ৰদায়িক হৈ পৰিল। ৰোমিলা থাপাৰে লিখিছে— 'This distinction was emphasized by the rather arbitrary association of the most acceptable achievements of the Indian past with Hindu culutre Not suprisingly, nationalism was replaced by a form of militant Hinduism, and the communal atmosphere in Indian politics in the late 1930s and the 1940s tended to vitiate the study of ancient and medieval history'[৭] মন কৰিবলগীয়া যে, দক্ষিণ-পূব এছিয়াৰ কিছুমান দেশক সামৰি বহল হিন্দুবাদৰ আদৰ্শ প্ৰচাৰো এই সময়ৰ পৰা চলিছিল।[৮] সাম্প্ৰতিক কালৰ সাম্প্ৰদায়িক ভয়াবহতাৰ তথা উল্লেখ কৰি পাৰ্থ চট্টোপাধ্যায়ে আৱিষ্কাৰ কৰা সত্যটো হ'ল এই যে— 'হিন্দু সাম্প্ৰদায়িকতা আসলে ভারতীয় জাতীয়তাবাদেরেই প্রতিচ্ছবি, আয়নায় মুখ দেখার মতো— তাৰ ৰূপ, আকৃতি, গড়ন, অবিকল এক।'[৯]

অৱশ্যে জাতীয়তাবাদী ঐতিহাসিকসকলৰ ইতিহাস চৰ্চা প্ৰাচীন ভাৰতৰ মাজতে সীমাবদ্ধ হৈ থকালৈকে হিন্দু-মুছলমান সম্পৰ্কীয় বিষয়টো লৈ কিছু নৰম দৃষ্টিভংগী গ্ৰহণ কৰা হৈছিল। কিন্তু ৰোমিলা থাপাৰে উল্লেখ কৰা দৰে 'মিলিটেণ্ট হিন্দুইজিম'ৰ পৰ্ব আৰম্ভ হ'ল মধ্যযুগৰ ইতিহাস চৰ্চাক কেন্দ্ৰ কৰি। জাতীয়তাবাদী ইতিহাস চৰ্চাৰ আওঁতাৰ মাজতে আমিয়েই বিষয়টো আলোচনা কৰিম। আমি আগতেই উল্লেখ কৰিছিলো যে সাম্প্ৰদায়িক মতাদৰ্শই উগ্ৰৰূপ ধাৰণ কৰিলেই সাম্প্ৰদায়িক সংঘৰ্ষৰ দৰে নিৰ্মম ঘটনাবোৰ ঘটিবলৈ ধৰে। অৱশ্যে, ত্ৰিশ আৰু চল্লিশৰ দশকৰ উগ্ৰ হিন্দু মতাদৰ্শ ক্ষমতা আৰু গণতান্ত্ৰিক ৰাজনীতিৰ লগত জড়িত হোৱাৰ উপৰিও এটা বিশেষ ধৰণৰ সাংস্কৃতিক দৃষ্টি-ভংগী আৰু ইছলামিক মতাদৰ্শইও ইয়াৰ বিকাশত অৰিহণা যোগাইছিল।

মধ্যযুগৰ ইতিহাস চৰ্চা

পৰাধীন ভাৰতবৰ্ষত মধ্যযুগক কেন্দ্ৰ কৰি হোৱা ইতিহাস চৰ্চা আছিল মূলতে সাম্প্ৰদায়িক। প্ৰাথমিক স্তৰৰ জাতীয়তাবাদী চিন্তাধাৰাই ইয়াত ইন্ধন যোগাইছিল যদিও জাতীয়তাবাদী ইতিহাস চৰ্চাৰ এক মৌলিক প্ৰভেদ আছে। অধ্যাপক বিপান চন্দ্ৰই লিখিছে যে জাতীয়তাবাদীসকলৰ হাতত প্ৰাচীন ভাৰতীয় সমাজৰ মহিমা বৰ্ণনা কৰা হৈছিল সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামৰ হাতিয়াৰ হিচাপে। অৱশ্যে এই ধাৰাৰ অবৈজ্ঞানিক বৈশিষ্ট্যসমূহে বহু ভাষী, বহু সংস্কৃতি সম্পন্ন বহুধৰ্মী আৰু বহু জাতি সম্পন্ন দেশ এখনক ক্ষতি কৰাৰ সম্ভাৱনা থাকিলেও এই ব্যাখ্যাৰ এটি ঐতিহাসিকভাৱে প্ৰগতিশীল মৰ্মবস্তু আছিল। কিন্তু সাম্প্ৰদায়িকসকলে ইতিহাস বা অতীতক ব্যৱহাৰ কৰিছিল কেৱল সাম্প্ৰদায়িক অনুভূতিৰ সৃষ্টি আৰু সংহত কৰাৰ কাৰণে।[১৮] অৰ্থাৎ ৰোমিলা থাপাৰ আৰু পাৰ্থ চট্টোপাধ্যায়ৰ মন্তব্যৰ সাৰমৰ্ম হ'লগে যে, জাতীয়তাবাদী ইতিহাস চৰ্চাক পৰ্যায়ক্ৰমে অধিক নিকৃষ্টভাৱে ব্যৱহাৰ কৰি অহা হৈছিল; সাম্প্ৰদায়িকতাবাদী সকল কিন্তু নিজ নিজ সম্প্ৰদায়ৰ উন্নতি আৰু বিকাশৰ প্ৰতি কিমান দূৰ আগ্ৰহী আছিল সেয়া বিচাৰ্যৰ বিষয়, বৰঞ্চ তেওঁলোকে প্ৰচলিত ইতিহাস চৰ্চাই প্ৰতিষ্ঠা কৰা কেতবোৰ ধাৰণা প্ৰতিষ্ঠা কৰি হিন্দু আৰু মুছলমান সম্প্ৰদায়ৰ মাজত ব্যৱধান অধিক প্ৰকটহে কৰি তুলিছিল। দুয়োটা সম্প্ৰদায় নিজ নিজ কেতবোৰ বিশ্বাসত অটল আছিল, যাৰ পৰিণাম আছিল ভয়াবহ 'The justification for the two nation theory that led to partition of India in 1947 was facilitated by the belief that the Hindu and Muslim communities have, from the start of their relationship in Indian history, constituted two distinct nation : therefore a Muslim and Hindu nation-state in our time were historically inevitable.'[১৯]

সামগ্ৰিকভাৱে সংখ্যাগৰিষ্ঠ সম্প্ৰদায়ৰ প্ৰতিনিধিত্বকাৰী হিচাপে মধ্যযুগৰ ইতিহাসৰ বিকৃতকৰণৰ ক্ষেত্ৰত এচাম হিন্দু ঐতিহাসিকক বিশেষভাৱে জগৰীয়া কৰা হয়। ত্ৰিশৰ দশকৰ আৰম্ভণিৰ পৰাই ভি. ডি. চাভাৰকাৰ,[২০] এম. এছ. গোলওৱালকাৰ[২১] আদিৰ কেতবোৰ ৰচনাই সাম্প্ৰদায়িক উত্তেজনাৰ বৃদ্ধিত যে বিশেষভাৱে সহায় কৰি আহিছিল— তাত সন্দেহ নাই। হিন্দু সাম্প্ৰদায়িক ব্যাখ্যা প্ৰাচীন ভাৰত সম্বন্ধে এটা কল্পিত কাহিনীৰ ওপৰত বিশেষভাৱে নিৰ্ভৰশীল আছিল সেয়া হ'ল ভাৰতীয় সমাজ-সংস্কৃতি, ভাৰতীয় সভ্যতা প্ৰাচীন যুগত উচ্চতৰ শিখৰত উঠিছিল, কিন্তু মুছলমান শাসনৰ ফলস্বৰূপে পৰ্যায়ক্ৰমে অধঃপতিত হ'ব ধৰিলে

লুক-ঢাক নোহোৱাকৈ ১৯২৩ চনত হিন্দুত্ব গ্ৰন্থত চাভাৰকাৰে দাবী কৰিছিল যে যিদিনাই মহম্মদ গজনী সিন্ধু নৈ পাৰ হৈ আহিছিল সেই দিনাৰ পৰা ভাৰতীয়সকলৰ জীৱন মৰণ সংগ্ৰাম আৰম্ভ হৈছিল। তেওঁৰ মতে দিনৰ পিছত দিন, দশকৰ পিছত দশক, শতাব্দীৰ পিছত শতাব্দী এই বীভৎস সংঘাত চলি আছিল। এই সংঘাতত গোষ্ঠী, অঞ্চল, জাত নির্বিশেষে সকলো হিন্দুৱেই যন্ত্ৰণা ভোগ কৰিছিল আৰু হিন্দু হিচাপে জয়ী হৈছিল। সমস্ত মুছলমানসকল আছিল শত্ৰু আৰু তেওঁলোকে হিন্দুসকলক ঘৃণা কৰিছিল। তেওঁৰ মূল বক্তব্য আছিল, মুছলমানৰ লগত সম্পৰ্ক স্থাপনৰ পিছৰ পৰাই হিন্দুসকলে হিন্দুত্ব আৰু সংস্কৃতিৰ ঐক্য-সংহতিৰ বাবে যুঁজ চলাই গৈছিল (পৃষ্ঠা ৩৪-৩৬)। ইয়াৰ কিছু বছৰৰ পিছত তেওঁ অধিক পৰিকল্পিত ৰূপত এটা কঠিন সত্য আবিষ্কাৰ কৰিলে, সেয়া হ'ল— তথাকথিত সাম্প্ৰদায়িক প্ৰশ্নসমূহ শ শ বছৰৰ হিন্দু-মুছলমানৰ সাংস্কৃতিক, ধৰ্মীয় আৰু জাতীয় বৈৰীতাৰ লগত যুক্ত ('হিন্দু ৰাষ্ট্ৰ দৰ্শন' পৃষ্ঠা-৬)। গোলওৱালকাৰ তথা অন্যান্য এচামেও প্ৰায় একে সুৰতে বিভিন্ন মন্তব্য দিছে, আমি কিন্তু ইয়াত অধিক উদ্ধৃতি দিয়াৰ পৰা বিৰত থাকিম, কাৰণ আমাৰ উদ্দেশ্য হ'ল হিন্দু সাম্প্ৰদায়িকতাবাদীৰ মূল ব্যাখ্যাৰ চৰিত্ৰৰ ওপৰত গুৰুত্ব দিয়া। প্ৰসংগক্ৰমে কিন্তু এটা কথাত গুৰুত্ব দিয়া প্ৰয়োজন চাভাৰকাৰইতক সাম্প্ৰদায়িক ঐতিহাসিক বুলি লেবেল মাৰি দিয়া হয় যদিও তেওঁলোকেও কিন্তু নিজৰ সময়ত এক বিশেষ সাংস্কৃতিক পৰিমণ্ডলৰ পৰা মুক্ত হ'ব পৰা নাছিল। ইয়াৰ উপৰিও হিন্দু সাম্প্ৰদায়িক ব্যাখ্যাৰ ওপৰত মুছলিম ইতিহাস চৰ্চাৰ প্ৰভাৱৰ বিষয়েও উনুকিওৱা উচিত হ'ব। মন কৰিবলগীয়া যে, বিপান চন্দ্ৰই কোৱাৰ দৰে হিন্দু ঐতিহ্য বিচৰণ কৰিও হিন্দু জাতীয়তাবাদী ইতিহাস চৰ্চাৰ এক গতিশীল মৰ্মবস্তু আছিল, কিন্তু ইয়াৰ বিপৰীতে আধুনিক যুগৰ মুছলিম জাতীয়তাবাদী ইতিহাস চৰ্চা প্ৰথমৰ পৰাই ঠেক সাম্প্ৰদায়িকভিত্তিক আছিল। প্ৰকৃততে ই জাতীয়তাবাদী পৰ্ব অতিক্ৰম কৰিব পৰা নাছিল। অৱশ্যে ইয়াৰো এক বাস্তৱ ভিত্তি নথকা নহয়। ধৰ্ম-শিক্ষা আৰু অৰ্থনৈতিক অনগ্ৰসৰতাৰ চিকাৰ হৈ মধ্যযুগৰ উন্নত মুছলমান সমাজ উনবিংশ শতিকাত এক পশ্চাৎপদ সম্প্ৰদায়ত পৰিণত হ'ল। মূলতে বৃটিছ নীতিক ইয়াৰ বাবে জগৰীয়া কৰা হ'ল যদিও হিন্দু সম্প্ৰদায়ৰ দ্বাৰা পৰিচালিত জাতীয় কংগ্ৰেছত যোগ দিয়াতকৈ সেই সময়ত নিজ সম্প্ৰদায়ৰ বিকাশৰ স্বাৰ্থত মুছলমানসকলে বৃটিছ চৰকাৰৰ শৰণাপন্ন হোৱাটোৱেই অধিক যুক্তিসংগত আছিল বুলি ভবা হয়। মূলতে এই তত্ত্বৰ ওপৰত ভিত্তি কৰিয়েই উইলফ্ৰেদ ক্যান্টওয়েল স্মিথ, এ. আৰ. দেশাই আদি মাৰ্ক্সবাদী ঐতিহাসিক, অপেক্ষাকৃত কিছু আধুনিক লেখক আব্দুল হামিদ, ৰফিক জগকেৰিয়া তথা

পাকিস্তানী আৰু বাংলাদেশী ঐতিহাসিক যথাক্ৰমে ৰহমান মল্লিক আৰু চুৰ্কীয়া আহমদ আদিয়ে মুছলমানসকলৰ সাম্প্ৰদায়িক ভিত্তিত সংগঠন প্ৰাসংগিকতাৰ পক্ষে মত পোষণ কৰিছে।[১১] অৱশ্যে মছলমানসকলৰ অনগ্ৰসৰতাৰ তত্ত্বৰ উৎস কিন্তু লৰ্ড মেয়ৰৰ নিৰ্দেশনাত ১৮৭১ চনত উইলিয়াম উইলচন হাণ্টাৰে মাত্ৰ তিনি সপ্তাহমানৰ ভিতৰতে বঙালী মুছলমান সকলৰ এটি অংশৰ পৰিপ্ৰেক্ষিতত ৰচনা কৰা 'দি ইণ্ডিয়ান মুছলমান' নামৰ গ্ৰন্থখন। সৰলীকৃত ৰূপত সীমিত অঞ্চল এটাৰ পৰিসংখ্যা ভিত্তিতে মুছলমানসকলৰ শোচনীয় ৰূপ এটা তাত দাঙি ধৰা হৈছে, যাক ভাৰতৰ সমগ্ৰ মুছলমানসকলৰ অৱস্থাটো একশীলা নাছিল, অৰ্থাৎ ভিন্ন অঞ্চলত দুয়োটা সম্প্ৰদায়ৰ অৱস্থা ভিন্ন ধৰণৰ আছিল।[১২] যি কি নহওঁক, প্ৰাচ্যতত্ত্ববিদসকলৰ সময়ৰ পৰাই ইতিহাস চৰ্চাত হিন্দু যুগ বা হিন্দু ঐতিহ্যই বিশেষ স্থান লাভ কৰাৰ প্ৰতি দৃষ্টি দিলে মুছলিম অতীত চৰ্চাও সাম্প্ৰদায়িক ভিত্তিত আগবঢ়াৰ কথাটো সিমান অস্বাভাৱিক যেন নেলাগে। কিন্তু গুৰুত্বপূৰ্ণ সমস্যাটো উদ্ভৱ হৈছিল প্ৰথমৰ পৰাই মুছলিম ইতিহাস চৰ্চাৰ ওপৰত পৰা পান ইছলামিক ভাবধাৰাৰ প্ৰভাৱক কেন্দ্ৰ কৰি ছাৰ চৈয়দ আহমদ খানে পোন প্ৰথমবাৰৰ বাবে মুছলমানসকলক ইতিহাসৰ পশ্চিমীয়া ধ্যান ধাৰণাৰ লগত পৰিচয় কৰাই দিছিল। তেওঁ আধুনিক মুছলিম ইতিহাস চৰ্চাৰ পিতৃ পুৰুষ হোৱাৰ লগতে আলিগড় স্কুলৰো প্ৰতিষ্ঠাপক আছিল। চৈয়দ আহমদ খানৰ তাৰিখ-ই-হিন্দুস্থান (Tarikh-i-Hindustan 1847), ১৮৪৭ জাম-ই-জাম (Jam-i-jam, 1847); ১৮৪৭ আচৰ-ই-চানাদিদ (Asar-i-sanadid, 1847), ১৮৪৭ আদি ঐতিহাসিক গ্ৰন্থ এইক্ষেত্ৰত আছিল গুৰুত্বপূৰ্ণ সংযোজন। মোগল যুগৰ ৰাজনৈতিক ঘটনাৱলীৰ লগতে মুছলিম স্থাপত্য-ভাস্কৰ্য আদিৰ বিষয়ে বৈজ্ঞানিক দৃষ্টিভংগীৰে সমলভিত্তিক ইয়াত আলোচনা কৰা হৈছিল। নিঃসন্দেহে চৈয়দ আহমদ খান আছিল গণতান্ত্ৰিক ভাবাপন্ন প্ৰগতিশীল ব্যক্তি, যিজনে অন্যান্য মুছলিম গৱেষকসকলক ধৰ্মীয় আৱৰণৰ পৰা মুক্ত হৈ উনবিংশ শতিকাৰ আধুনিক দৃষ্টিভংগীৰে ইতিহাস ৰচনা কৰিবলৈ আহ্বান জনাইছিল। কিন্তু খানে তেওঁৰ সহযোগী শিবলী নুমানী, মৌলবী জাকাউল্লা, আনকি খুদাবক্স, আমিৰ আলীৰ দৰে ঐতিহাসিকসকলৰ পৰাও প্ৰকৃত সহযোগ পোৱা নাছিল। ফলত প্ৰথম বিশ্বযুদ্ধৰ আগলৈকে মুছলিম ইতিহাস চৰ্চাত ধৰ্মীয় প্ৰভাৱ শক্তিশালী হৈ থকাৰ উপৰিও ঐতিহাসিকসকলৰ ৰচনাত ধৰ্ম সমস্যাতকৈ ইছলামৰ বহিৰাগত উপাদান সমূহৰ সমাৱেশহে বেছিকৈ ঘটিছিল। প্ৰথম বিশ্বযুদ্ধৰ পিছৰ পৰা অৱশ্যে মুছলিম ইতিহাস চৰ্চা অধিক বাস্তৱমুখী হ'বলৈ ধৰিলে, কিন্তু সেই পৰ্বৰ ঐতিহাসিকসকলে মুছলমান সমাজৰ স্বতন্ত্ৰ পৰিচয় ৰক্ষাৰ বাবে ইতিহাসক ৰাজনৈতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ

কৰাৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰে।[২৪] এইটো কথাও পাহৰিলে নচলিব যে, ইয়াৰ বিপৰীতে মৌলানা আবুল কালাম আজাদে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যি হিন্দু-মুছলিম ৰাজনৈতিক ঐক্যৰ পৃষ্ঠপোষকতা কৰিছিল সেইয়া মহম্মদ হাবিব আদিৰ দৰে ঐতিহাসিকৰ হাতৰ পাছৰ ফালৰ উজ্জীৱিত হৈছিল। তৎসত্ত্বেও কিন্তু প্ৰাক্‌স্বাধীনতা কালৰ মুছলিম ইতিহাস চৰ্চা সাম্প্ৰদায়িক দৃষ্টিকোণৰ পৰা মুক্ত হ'ব পৰা নাছিল। ঐতিহাসিক বিপান চন্দ্ৰই এই পৰিস্থিতিৰ বাবে হিন্দু জাতীয়তাবাদী ঐতিহ্যকে দোষাৰোপ কৰিছে।[২৫] কিন্তু হিন্দু সাম্প্ৰদায়িকতাবাদৰ উত্তৰ দিবলৈ গৈ পাছৰ পৰ্বৰ মুছলমান সাম্প্ৰদায়িকসকলেও 'পান ইছলামিজমৰ কোলাত অধিক শৰণাপন্ন হ'ব লগা হ'ল, যিটো ভাৰতীয় ঐতিহ্যৰ বাবে প্ৰত্যাহ্বান স্বৰূপ আছিল। কানপুৰ ৰায়টছ এনক্যোয়্যাৰি কমিটিয়ে লক্ষ্য কৰিছে যে সমগ্ৰ ইছলাম তন্ত্ৰ (Pan-islamism) যেন মুছলমানসকলৰ ওচৰত আশা আৰু আকাংক্ষাৰ এক নতুন দিগন্ত উন্মোচন কৰিছে, যি ভাৰতীয় জাতীয়তাবাদতকৈ অনেক বেছি পচন্দৰ আৰু আকৰ্ষণীয় আছিল। ইয়াৰ কাৰণ আছিল— নতুন দিগন্তত তেওঁলোকৰ কল্পনা শক্তি হিন্দু ৰাজৰ যন্ত্ৰণাদায়ক আতংকৰ পৰা নিৰাপত্তা দিব পাৰিব আৰু সময় অনুকূল হ'লে সম্ভাব্য বিশ্বজোৰা মুছলিম আধিপত্যৰ সপোনত মচগুল থাকিব পাৰিব।[২৬]

আমাৰ বোধেৰে মধ্যযুগক কেন্দ্ৰ কৰি হোৱা হিন্দু আৰু মুছলমান ইতিহাস চৰ্চাৰ অবৈজ্ঞানিক বৈশিষ্ট্যখিনিয়ে ধ্বংসাত্মক সাম্প্ৰদায়িকতাৰ ৰূপ ল'লেগৈ। এই পৰিস্থিতিটোৰ বহিঃপ্ৰকাশ ঘটিছিল ক্ষমতা আৰু ৰাজনীতিৰ মাজত। কম-বেছি পৰিমাণে কংগ্ৰেছ আৰু মুছলিম লীগ দুয়োটা অনুষ্ঠানতে ইয়াৰ প্ৰভাৱ পৰিছিল। এই সন্দৰ্ভত ক্ষমতাৰ সহায়ত ধৰ্ম ভিত্তিক ভাৰত বিভাজনৰ আগজাননী দিয়া মহম্মদ আলী জিন্নাৰ ১৯৪০ চনৰ মাৰ্চ মাহত মুছলিম লীগত লাহোৰ অধিবেশনত দিয়া এষাৰি মন্তব্য প্ৰণিধানযোগ্য। "যোৱা ১২শ বছৰৰ ইতিহাস ঐক্য সাধনত ব্যৰ্থ হৈছে আৰু যুগ যুগ ধৰি দেখিছো যে ভাৰত চিৰকালেই হিন্দু ভাৰত আৰু মুছলিম ভাৰতত বিভক্ত আছিল।"[২৭]

মধ্যযুগৰ ইতিহাস চৰ্চাক কেন্দ্ৰ কৰি হোৱা এই বিষম পৰিস্থিতিৰ বাবে আমি কোনো এটা সম্প্ৰদায়ক জগৰীয়া কৰিব খোজা নাই, বৰঞ্চ দুই সম্প্ৰদায়ৰ শিক্ষিত শ্ৰেণীৰ চিন্তা-ধাৰাই পৰস্পৰে পৰস্পৰৰ প্ৰতি বিদ্বেষ জন্মোৱাত সহায় কৰিছিল। কিন্তু ইতিহাস চৰ্চাৰ আলোকত দ্বি-জাতি তত্ত্বৰ ৰাজনৈতিক ভিত্তিৰ প্ৰসংগতে ইয়াৰ অন্তৰ্নিহিত সাংস্কৃতিক তাৎপৰ্যৰ বিষয়েও গভীৰভাৱে দুয়োটা সম্প্ৰদায়ৰ মাজত থকা ভিন্নতা, বিৰোধ আদিৰ প্ৰশ্নবোধক অগ্ৰাধিকাৰ নিদিয়াকৈ সমন্বয়ৰ দৌল কটকটীয়া কৰিব পৰা নেযাব।

কেমব্ৰীজ আৰু ছাব অলটাৰ্ণ গোষ্ঠী

সাম্প্ৰদায়িকতাৰ প্ৰসংগত স্বাধীনোত্তৰ কালত বিকাশ হোৱা ঔপনিবেশিক ধাৰাৰ অন্তৰ্গত কেমব্ৰীজ ধাৰাৰ বিষয়ে চমুকৈ উনুকিওৱা উচিত হ'ব। ১৯৬৮ চন মানৰ পৰা অনিল শীল, জন গালেঘাৰ, গৰ্ডন জনছন, ডে. এইচ. ব্ৰুমফিল্ড আদিয়ে উক্ত ধাৰাৰ প্ৰতিনিধিত্ব কৰিছিল[২৮] আৰু চাৰি-পাঁচ বছৰ মানৰ ভিতৰতে ই এক সুসংহত ৰূপ ল'বলৈ সক্ষম হৈছিল। এই ধাৰাৰ বিভিন্ন শাখা, উপ-শাখাসমূহৰ বিষয়ে বহলাই কোৱাটো সম্ভৱ নহ'ব, মূলতে ভাৰতৰ জাতীয়তাবাদী আৰু মাৰ্ক্সবাদী ঐতিহাসিকসকলে ভাৰতীয় জাতীয় আন্দোলনৰ সক্ৰিয় ৰূপটো যি ধৰণে পোহৰাই তুলিছিল, তাক প্ৰতিহত কৰাই আছিল তেওঁলোকৰ মূল লক্ষ্য। কেমব্ৰীজ ঐতিহাসিকসকলৰ ভাৰতীয় জাতীয়তাবাদ সম্পৰ্কে আগবঢ়োৱা নতুন তত্ত্ব আছিল এনেকুৱা— ভাৰতীয় মধ্যবিত্তৰ এটা অংশৰ সাহায্য অনুসৰি ইয়াত সাম্ৰাজ্য গঢ়ি তোলা হ'ল আৰু আনটো অংশ বৃটিছ চৰকাৰৰ প্ৰতি থকা বিৰোধিতা ক্ৰমান্বয়ে আঞ্চলিক আৰু সৰ্বভাৰতীয় জাতীয়তাবাদৰ ৰূপ লয়। কিন্তু এওঁলোকৰ দৃষ্টিত ভাৰতীয় জাতীয়তাবাদৰ মাজত আদৰ্শবাদৰ চিনমোকাম নাই। জাতীয়তাবাদী আৰু মাৰ্ক্সবাদীসকলৰ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে পশ্চিমীয়া শিক্ষাৰে শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ গতিশীল ভূমিকাৰ মূল্যায়ন পৰিত্যাগ কৰি এওঁলোকে সজোৰে ঘোষণা কৰিলে যে, উক্ত শ্ৰেণী সমাজৰ বাকী অংশৰ পৰা স্বতন্ত্ৰ, স্বাধীন আৰু সমজাতীয় কোনো মধ্যবিত্ত শ্ৰেণী বা শিক্ষিত উচ্চবৰ্গীয় গোষ্ঠী নাছিল আৰু উৎপাদন ব্যৱস্থাৰ লগতো এওঁলোকৰ কোনো সম্পৰ্ক নাছিল। চৰকাৰৰ লগত এওঁলোকৰ দ্বন্দ্বৰ মূল ভিত্তি আছিল ক্ষমতাক লৈ হোৱা অৰিয়াঅৰি। এই শ্ৰেণীটোৰ ৰাজনৈতিক ক্ৰিয়া-কলাপৰ উৎসভূমি হ'ল অঞ্চল, আৰু চালিকা শক্তি হ'ল ব্যক্তিগত ক্ষমতা বৃদ্ধি। বাক চাতুৰ্য, সংকীৰ্ণ দলাদলিৰ মাজেৰে এওঁলোক সৰ্বভাৰতীয় স্তৰত অতিক্ৰম কৰাৰ চেষ্টা চলাইছিল। প্ৰশাসনিক আৰু ভোটৰ ৰাজনীতিৰ স্বাৰ্থত পৰ্যায়ক্ৰমে আঞ্চলিক স্বাৰ্থৰ লগত প্ৰাদেশিক স্বাৰ্থৰ সংযোগকৰণৰ লগে লগে ৰাজনৈতিক দলসমূহৰ জন্ম হয়, কিন্তু এনেকৈ গঠিত দলবোৰৰ ভিত্তি আছিল বৰ্ণ, শ্ৰেণী আৰু সম্প্ৰদায়। মন কৰিবলগীয়া যে— তেওঁলোকৰ মতে, ব্ৰিটিছ চৰকাৰে যেতিয়াই শাসনতান্ত্ৰিক সংস্কাৰ প্ৰবৰ্তন কৰিছে, তেতিয়াই ভাৰতীয় ৰাজনীতি উত্তাল হৈ উঠিছে, আৰু অধিক স্পষ্টকৈ ক'বলৈ গ'লে ভাৰতৰ জাতীয় আন্দোলনটো আছিল এক ধৰণৰ ভদ্ৰলোকৰ খেল, বিভিন্ন ভদ্ৰলোক বা এলীট গোষ্ঠীসমূহে নিজৰ নিজৰ ৰাজনৈতিক সা-সুবিধা লাভ কৰিবৰ বাবেহে ব্ৰিটিছ চৰকাৰৰ লগত সংঘাতলৈ আহিছিল। তেওঁলোকৰ লগত সাধাৰণ মানুহৰ সম্পৰ্ক আছিল যান্ত্ৰিক, সাম্প্ৰদায়িক আৰু

একান্তভাৱে নিজৰ নিজৰ স্বাৰ্থভিত্তিক। ইয়াৰ পৰিৱৰ্তে বৃটিছ চৰকাৰহে শ্ৰমিক-কৃষক আদি ভাৰতীয় সংখ্যাগৰিষ্ঠ জনগণৰ ত্ৰাণকৰ্তা আছিল। কেম্‌ব্ৰীজ গোষ্ঠীৰ এনেধৰণৰ চিন্তা-ধাৰাৰ মাজতে সাম্প্ৰদায়িক দৃষ্টিভংগীও প্ৰতিফলিত হৈছিল। তেওঁলোকে প্ৰচাৰ চলাইছিল যে ঔপনিৱেশিক ভাৰতবৰ্ষত জাতীয় ঐক্য আৰু সংহতি বুলি কোনো কথা নাছিল, আৰু ওপৰত বৰ্ণনা কৰা 'মডেলে'ৰে ঔপনিৱেশিক শাসনৰ সীমিত সুবিধা ভাগ কৰি ল'বৰ বাবে ভাৰতৰ জনগণ সাম্প্ৰদায়িক ভিত্তিতহে সংগঠিত হৈছিল। অনিল শীলৰ মতে, অৱশ্যে হিন্দু আৰু মুছলমান কোনো সুসংহত স্বাৰ্থ নাছিল, কাৰণ উভয় সমাজতে আৰ্থিক, সামাজিক, সাংস্কৃতিক মননৰ ক্ষেত্ৰত নানা ৰকমৰ পাৰ্থক্য বিৰাজ কৰিছিল। কংগ্ৰেছে যেনেকৈ সকলো ভাৰতীয়ক প্ৰতিনিধিত্ব কৰিব পৰা নাছিল, চৈয়দ আহমদ, আমিৰ আলী আদিয়েও ভাৰতৰ সমগ্ৰ মুছলমানৰ প্ৰতিনিধিত্ব কৰাত বিফল হৈছিল। এনে ধৰণৰ চিন্তাধাৰাই স্বাভাৱিকতে স্বাধীনোত্তৰ ভাৰতবৰ্ষৰ জনগণক জাতীয় নৱ-জাগৰণ, আধুনিক যুক্তিবাদ, ভাৰতীয় জাতীয় আন্দোলনৰ পৰম্পৰাৰ পৰা বিচ্ছিন্ন কৰি অধিক ঠেক সাম্প্ৰদায়িক পৰিসৰত জাতীয় পৰিচয়ৰ সন্ধানত উদ্‌গনি দিয়াৰ সম্ভাৱনাই আছিল বেছি। কেম্‌ব্ৰীজ ঐতিহাসিকসকলৰ চিন্তাধাৰা মূলতে উচ্চবৰ্গীয় লোকৰ লগত সম্পৰ্কীত আছিল আৰু পৰাধীন ভাৰতবৰ্ষত জাতীয়তাবাদৰ বিপৰীতে বৃটিছ চৰকাৰৰ সাংবিধানিক সংস্কাৰৰ কাঠামোৰ মাজত স্বতন্ত্ৰ ধৰ্মীয় সম্প্ৰদায় গঢ়ি উঠাৰ কথা কৈছিল।

সত্তৰৰ দশকৰ আৰম্ভণিৰে পৰা লেটিন আমেৰিকা আৰু ইউৰোপৰ কিছুমান দেশত মধ্যবিত্তৰ চিন্তাধাৰা বা ব্যাখ্যাৰ পৰা ইতিহাস চৰ্চাক মুক্ত কৰাৰ এক প্ৰৱণতা চলি আহিছে। এওঁলোকৰ মূল লক্ষ্য হৈছে ইতিহাস নথকা মানুহৰ ইতিহাস লিখা অৰ্থাৎ 'History from below'। ভাৰতবৰ্ষত এওঁলোকৰ প্ৰবক্তা ড° ৰনজিৎ গুহ আৰু তেওঁৰ সহযোগীসকল, এলিট ইতিহাস চৰ্চাৰ পদ্ধতিক প্ৰত্যাহ্বান জনাই ছাব অলটাৰ্ণ বা নিম্নবৰ্গৰ ইতিহাস চৰ্চাৰ পাতনি মেলে। 'অক্সফোৰ্ড ইউনিভাৰ্চিটী প্ৰেছে' ১৯৮২ চনৰ পৰা এতিয়ালৈকে এই গোষ্ঠীৰ ইতিহাস চৰ্চাৰ কেবাটাও খণ্ড প্ৰকাশ কৰি উলিয়াইছে। কেমব্ৰীজ ঐতিহাসিক সকলৰ লগত এই ধাৰাৰ এটা বিশেষ সাদৃশ্য দেখা যায়। সেইয়া হৈছে ছাব অলটাৰ্ণ গোষ্ঠীৰ ঐতিহাসিকসকলেও পশ্চিমীয়া শিক্ষাৰ প্ৰসাৰৰ মাজেৰে উদ্ভৱ হোৱা মধ্যবিত্ত শ্ৰেণীৰ উত্থান আৰু তেওঁলোকৰ ঐতিহাসিক ভূমিকা তথা এওঁলোকৰ দ্বাৰা প্ৰভাৱান্বিত ভাৰতীয় জাতীয়তাবাদক অস্বীকাৰ কৰে। এওঁলোকৰ মতে, ভাৰতবৰ্ষৰ ইতিহাস চৰ্চা দেশী-বিদেশী এলিটৰ দ্বাৰা প্ৰভাৱান্বিত। সংখ্যাগৰিষ্ঠ মানুহৰ জীৱন ধাৰাৰ প্ৰকৃত ছবিখন তুলি ধৰাত এনেধৰণৰ ইতিহাসৰ অসাৰতাৰ সম্পৰ্কে ড° ৰনজিৎ গুহই লিখিছে— "That, however, historical writing of this kind cannot do is to explain

Indian nationalism for us. For its faills to acknowledge, less interpret, the contribution made by the people on their own, that is independently of the elite to the making and development of this nationalism."[২১] অৱশ্যে কোনো কাৰণতে কেমব্ৰীজ লেখকসকলৰ দৰে ছাব অলটাৰ্ণ গোষ্ঠীয়ে স্বাধীনতা আন্দোলনৰ সময়ৰ ভাৰতৰ গৌৰৱময় অধ্যায় ম্লান কৰিব খোজা নাছিল। গুহৰ বক্তব্য হ'ল— ঔপনিৱেশিক ইতিহাস বিদ্যা অনুযায়ী ভাৰতীয় জাতীয়তাবাদ ইংৰাজ শাসনৰ প্ৰেৰণা আৰু প্ৰতিক্ৰিয়াতে বিকাশ হৈছে। এই জাতীয়তাবাদৰ আদৰ্শত নিঃস্বাৰ্থ জনসেৱাৰ কোনো স্থান নাই। ইয়াৰ বিপৰীতে আছে তাত অৰ্থ, যশ আৰু ক্ষমতাৰ লোভ। কেমব্ৰীজ ধাৰাৰ দৰে এওঁলোকেও জাতীয় আন্দোলন জাতীয়তাবাদীসকলৰ মূল লক্ষ্য ক্ষমতাৰে বান্ধ খাই আছিল বুলি কলেও, ভাৰতীয় জাতীয় আন্দোলন সাফল্যমণ্ডিত কৰাত নিম্নবৰ্গ মানুহৰ যি অৱদান আছিল তাক তথাকথিত ইতিহাস চৰ্চাত উপেক্ষিত হৈছে বুলি এওঁলোকে দাবী কৰে। কিন্তু জাতীয়তাবাদী কাঠামো পৰিহাৰ কৰাৰ লগে লগে এওঁলোকৰ চিন্তাধাৰাটো ক্ষীণকৈ হ'লেও প্ৰায় একে সুৰে প্ৰতিধ্বনিত হ'ল। বিষয়টো হ'ল— পৰাধীন ভাৰতত জাতীয় স্বাৰ্থ বুলি একো নাছিল, বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে নিম্নবৰ্গৰ জনগণ সংগঠিত হৈছিল নিজ নিজ সম্প্ৰদায় আৰু সাম্প্ৰদায়িক ভিত্তিত। এনে পৰিস্থিতিত সাম্প্ৰদায়িকতাৰ প্ৰশ্নটো তেওঁলোকে কিদৰে গ্ৰহণ কৰিছিল? জ্ঞানেন্দ্ৰ পাণ্ডে তথা অন্যান্য কিছু লেখকৰ লেখাৰ আঁত ধৰি আমাৰ বুজা কথাখিনি হ'ল এনেকুৱা — ভাৰতৰ জাতীয় তথা জাতীয়তাবাদী চিন্তা য'তেই অসম্পূৰ্ণ হৈছে, তাতেই বহু সময়ত সাম্প্ৰদায়িকতাক জাতীয়তাবাদৰ বিপৰীতে স্থাপন কৰাটো অনৈতিহাসিক। জাতিয়তাবাদৰ প্ৰধান শত্ৰু সাম্প্ৰদায়িকতাবাদ বা ইয়াৰ একমাত্ৰ নিৰাময় ধৰ্মনিৰপেক্ষতাৰ আদৰ্শৰ মাজত— এনেকুৱা ধৰণৰ ধাৰণাবোৰৰ প্ৰতি এওঁলোক আগ্ৰহী নহয়। ইয়াৰ দ্বাৰা সাম্প্ৰদায়িকতাৰ মূল স্বৰূপ অনুধাৱন কৰাটো প্ৰায় অসম্ভৱ। প্ৰকৃততে চহৰ আৰু গ্ৰাম্য অঞ্চলত নিম্নবৰ্গৰ অসংগঠিত জগতৰ মানুহবোৰে তেওঁলোকৰ নিজস্ব চেতনাৰ ধৰণেৰে পৰিচালিত হয়। জাতীয়তাবাদ, সাম্প্ৰদায়িকতাবাদ, ধৰ্ম নিৰপেক্ষতাৰ দৰে পশ্চিমৰ পৰা ধাৰ কৰা আদৰ্শসমূহ কেৱল ওপৰৰ পৰা আৰোপিত কৰা হয়। এওঁলোকে ক'ব খোজে যে সাম্প্ৰদায়িকতাবাদৰ তথাকথিত ধাৰণাৰে সংগঠিত ৰাজনীতিত হিন্দু-মুছলমান সম্পৰ্ক আৰু পৰস্পৰৰ মনোভাৱৰ ব্যাখ্যা দিয়া হ'লেও ইয়াৰ বাহিৰত যি সুবিস্তীৰ্ণ স্বতন্ত্ৰ ক্ষেত্ৰ আছিল তাত উভয় সম্প্ৰদায়ৰ পাৰস্পৰিক সম্পৰ্ক এই ধৰণৰ সাম্প্ৰদায়িকতাৰ সংজ্ঞাৰে দিব নোৱাৰি। ইয়াৰ সহজ অৰ্থটো হ'ল— ব্ৰিটিছ আইন-কানুন, ৰাজনৈতিক সংগঠনৰ জন্ম আদিক কেন্দ্ৰ কৰিহে যেন 'সাম্প্ৰদায়িকতা' ধাৰণাটো উদ্ভৱ কৰি লোৱা হৈছিল।

জ্ঞানেন্দ্র পাণ্ডেৰ মতে, পণ্ডিতসকলে এতিয়ালৈকে যি ধাৰণা দি আহিছে বা জনগণে বুজি আহিছে সেইয়া হ'ল— সাম্প্ৰদায়িকতা দুই ধৰ্মীয় গোষ্ঠীৰ মাজৰ এক সন্দেহ, ভীতি আৰু অবিশ্বাসৰ সম্পৰ্ক, বিশেষকৈ ভাৰতীয় হিন্দু-মুছলমানৰ মাজত। কিন্তু এই আলোচনাসমূহৰ অধিকাংশই কোনো এটা বিশেষ ধৰ্মীয় গোষ্ঠীৰ বিশেষ কিছুমান দাবীৰ ভিত্তিত সংগঠিত হোৱা ৰাজনৈতিক আন্দোলনক কেন্দ্ৰ কৰি উদ্ভৱ হৈছে। শিক্ষা, চাকৰি, আইনসভা আদি ক্ষেত্ৰত বিশেষ অধিকাৰ আনকি পৃথক প্ৰদেশ বা ৰাষ্ট্ৰ গঠন পৰ্যন্ত দাবী ইয়াৰ অন্তৰ্গত।[৩১] ঔপনিবেশিক যুগত গ্ৰাম্য অঞ্চলত বিভিন্ন সামাজিক গোষ্ঠী, বৰ্ণ, শ্ৰেণীৰ মাজত নানা বিষয়ৰ প্ৰবল অন্তৰ্দ্বন্দ্বই কেনেকৈ সাম্প্ৰদায়িক ৰূপ লয়, এই বিষয়ে নিৰ্মোহ পৰ্যালোচনা কৰা হৈছে। আনকি বহু সময়ত হিন্দু-মুছলমানৰ মাজৰ সংঘৰ্ষৰ মাজতো থাকে বহুমুখী সামাজিক আৰু অৰ্থনৈতিক বৈপৰীত্ব তথা সংঘাত আৰু এনে পৰিস্থিতিত কেন্দ্ৰীয় দ্বন্দ্ব হিন্দু-মুছলমানৰ মাজতে বুলি অভিহিত কৰা তথা-কথিত সাম্প্ৰদায়িক ব্যাখ্যা মানি ল'ব নোৱাৰি। ছাব অলটাৰ্ণ গোষ্ঠীৰ মতে, শ্ৰেণী চেতনাৰ ওপৰত গুৰুত্ব দিও সকলো ধৰণৰ সাম্প্ৰদায়িক ঘটনাৰ ব্যাখ্যা কৰিব নোৱাৰি। স্থান, কাল, পাত্ৰভেদে এই চেতনাৰ স্ফুৰণ ঘটে ধৰ্মৰ সাহায্যত। বহু সময়ত শ্ৰেণী চেতনা আৰু সমষ্টিগত বা সম্প্ৰদায়গত চেতনা সমষ্টিগত পৰস্পৰ বিৰোধী নহৈ পৰিপূৰক হিচাপেহে দেখা যায়।

ছাব অলটাৰ্ণ গোষ্ঠীৰ দৃষ্টিভংগীৰ অতি চমু আভাষ এটাহে আমি ইয়াত দাঙি ধৰিছো। ইয়াৰ পৰা অন্তত দুটা প্ৰয়োজনীয় দিশ ওলাই আহে। প্ৰথমটো ক্ষমতা বা মধ্যবিত্ত (চহৰৰ উচ্চবৰ্গ)ৰ স্বাৰ্থক কেন্দ্ৰ কৰি সাম্প্ৰদায়িকতাৰ প্ৰকৃত ব্যাখ্যা দিব নোৱাৰি। সাম্প্ৰদায়িকতাৰ বিষয়টো সমাজ, ঐতিহ্যৰ বহু ভিতৰলৈ সোমাই গৈছে। দুটা বা ততোধিক সম্প্ৰদায়ৰ মাজৰ বৈৰীতা, অসহিষ্ণুতাৰ (মূলতে ধৰ্মীয়) লগতে বহু কাৰকযুক্ত হৈ থাকে তাক সৰলীকৃত ৰূপত জনা নাযায়। দ্বিতীয়তে ঔপনিবেশিক, জাতীয়তাবাদীৰ পৰা মাৰ্ক্সবাদী ইতিহাস চৰ্চালৈকে কোনোটো আধুনিক মডেলতে যে সাম্প্ৰদায়ীকতাবাদৰ প্ৰকৃত স্বৰূপ উদ্‌ঘাটন হোৱা নাই সেই কথা তেওঁলোকে সজোৰে উত্থাপিত কৰিছে।

কিন্তু সমস্যা হ'ল— এই গোষ্ঠীৰ 'আধুনিকতাবাদ' বৰ্জন সম্পৰ্কীয় বিষয়টো যাক লৈ এগৰাকী আন্তৰ্জাতিক খ্যাতিসম্পন্ন সমাজ বিজ্ঞানীয়ে[৩২]ও শংকা প্ৰকাশ কৰিছে। বিশেষকৈ 'ছাব অলটাৰ্ণ ষ্টাডিজ'ৰ পিছৰ খণ্ডসমূহত এই দিশটো অধিক সক্ৰিয় হৈ আহিছে। ধৰি লʼলো, তথাকথিত জাতীয়তাবাদে জাত-পাত, ধৰ্মভিত্তিক বহু সমস্যাৰে সমাধান দিব পৰা নাই, কিন্তু ঐক্য-সংহতিভিত্তিক ভাৰতীয়ত্বৰ ধাৰণা

বিশেষ আৰ্থ-সামাজিক, ৰাজনৈতিক পৰ্যায়ৰ মাজেৰে শিক্ষিত মধ্যবিত্তৰ চিন্তা-চেতনাৰ পৰা প্ৰবাহিত হৈ আহিছে। যদি ভৌগোলিক অখণ্ডতাই বিনষ্ট হৈ যায়, সাম্প্ৰদায়িক-সম্প্ৰীতি ৰক্ষাৰ বাবে নিম্নবৰ্গৰ জনগণে ক'ত সংগ্ৰাম কৰিব? ইয়াৰ ওপৰিও, মৌলিক পাৰ্থক্য থাকিলেও কেমব্ৰীজ ঐতিহাসিক সকলৰ দৰে সম্প্ৰদায়ৰ চৰ্চা অস্তিত্বক অধিক গুৰুত্ব প্ৰদানে সাম্প্ৰতিক কালৰ সাম্প্ৰদায়িক ৰাজনীতিকহে প্ৰভাবান্বিত কৰিব পাৰে।

সমস্যা সমাধানৰ পথ ঃ মাৰ্ক্সবাদী ইতিহাস চৰ্চা

মাৰ্ক্সবাদী ইতিহাস চৰ্চাৰ মাজত 'সাম্প্ৰদায়িকতাবাদ'ৰ দৰে স্পৰ্শকাতৰ সমস্যা এটা সমাধানৰ কেতবোৰ সম্ভাবনাময় দিশ আবিষ্কৃত হৈছে। মূলতে প্ৰাক্‌স্বাধীনতা কালতে আধুনিক ভাৰত সম্পৰ্কীয় মাৰ্ক্সবাদী বিচাৰ বিশ্লেষণ আৰম্ভ হৈছিল যদিও এই সন্দৰ্ভত স্বাধীনোত্তৰ ভাৰতবৰ্ষত ষাঠিৰ দশক মানৰ পৰা বিকাশ হোৱা মাৰ্ক্সবাদী ঐতিহাসিকসকলৰ প্ৰাচীন ভাৰত অনুসন্ধান সম্পৰ্কে বিকাশ হোৱা এক বিশেষ দৃষ্টিভংগীৰ বিষয়ে উনুকিওৱা উচিত হ'ব। মাৰ্ক্সৰ দ্বন্দ্বাত্মক বস্তুবাদ আৰু ঐতিহাসিক দৰ্শনৰ দ্বাৰা প্ৰভাবান্বিত এই গোষ্ঠীৰ অন্যতম প্ৰবক্তা আৰু পথিকৃত ডি ডি কোশাম্বীয়ে[৩৬] দেখুৱাইছে যে, সময়ে সময়ে সমাজত বৰ্তি থকা উৎপাদন ব্যৱস্থা, উৎপাদনৰ আহিলা আৰু উৎপাদন সম্পৰ্ক আদিৰ দৰে বিষয়সমূহ ইতিহাস ৰচনাৰ মূলভিত্তি হ'ব পাৰে। কোশাম্বীৰ এই চিন্তাধাৰা পিছৰ ফালৰ ৰামচৰণ শৰ্মা, ৰোমিলা থাপাৰ আদি ঐতিহাসিকসকলে বিশেষভাৱে সমৃদ্ধ কৰিছে। এইটো কথা ঠিক যে কোশাম্বীৰ আগতে অৰ্থাৎ ১৯২২ চন মানৰ পৰাই মাৰ্ক্সবাদী ঐতিহাসিকসকলে ভাৰতবৰ্ষৰ আধুনিক ইতিহাসৰ পৰ্যালোচনা আৰম্ভ কৰিছিল। কিন্তু কোশাম্বীৰ প্ৰসংগ প্ৰথমেই অৱতাৰণা কৰাৰ মূল কাৰণটো হ'ল যে প্ৰাচীন ভাৰত সম্পৰ্কীয় নতুন চিন্তা আৰু গৱেষণাই পৰৱৰ্তী কালৰ মাৰ্ক্সবাদী ধাৰাটো বিশেষভাৱে সমৃদ্ধ কৰিছে। সাম্প্ৰদায়িকতাবাদৰ বিষয়টো আধুনিক যুগৰ সৃষ্টি হ'লেও ইয়াৰ শিপাডাল বিচাৰি আমি প্ৰাচীন যুগলৈকে যাব লাগিব। কোশাম্বীৰ অন্যতম কৃতিত্ব আছিল প্ৰাচীন যুগৰ ইতিহাস চৰ্চাক জাত-পাত, বৰ্ণ, ধৰ্ম আদি উপৰিসৌধৰ ক্ষেত্ৰসমূহৰ পৰা আঁতৰাই আনি মূলতে সমাজৰ আৰ্থিক বিকাশৰ স্তৰত প্ৰতিষ্ঠা কৰা। ঔপনিবেশিক বা জাতীয়তাবাদীসকলৰ স্পৰ্শকাতৰ বিষয়কেন্দ্ৰীক অনুসন্ধানৰ বিপৰীতে কোশাম্বীৰ আৰু তেওঁৰ অনুগামী প্ৰাচীন ভাৰতৰ ঐতিহাসিকসকলৰ পথ অনুসৰণ কৰি সাম্প্ৰতিক কালৰ মাৰ্ক্সবাদী সকলেও ভাৰতীয় ঐতিহ্য, ইতিহাসৰ পটভূমিত সাম্প্ৰদায়িকতাবাদ প্ৰসংগ বিচাৰ কৰাৰ সুবিধা পাইছে। এক বিকল্প ঐতিহাসিক দৰ্শনৰ

প্ৰসংগত প্ৰাচীন ভাৰতৰ ইতিহাস চৰ্চাৰ দৰে মধ্যযুগৰ ইতিহাস চৰ্চাৰো এক বিশেষ গুৰুত্ব আছে। মন কৰিবলগীয়া যে, জাতীয়তাবাদী মুছলিম ইতিহাস চৰ্চাক ঠেক পৰিসৰৰ পৰা মুক্ত কৰি মহম্মদ হাবিবৰ পৰা ইৰফান হাবিবলৈকে বিভিন্ন ঐতিহাসিকে মাৰ্ক্সবাদী দৃষ্টিকোণেৰে মধ্য যুগৰ ইতিহাসৰ নতুন সাৰবস্তু প্ৰতিষ্ঠা কৰিছে। ধৰ্ম, বহিৰাগত, ভিন্ন সংস্কৃতি আদি বিষয়বোৰ পৰিহাৰ কৰি তেওঁলোকেও আৰ্থ-সামাজিক বিষয়ৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছে।

এতিয়া আমি মূল সাম্প্ৰদায়িকতাৰ বিষয়টোলৈ আহো। স্বাভাৱিকতে প্ৰাক্-স্বাধীনতাকালত ঔপনিবেশিক ৰাজনীতিৰ পৰিমণ্ডলৰ মাজত আত্মপ্ৰকাশ কৰা মাৰ্ক্সবাদী ঐতিহাসিকসকলে এই বিষয়টো তুলি ধৰিছিল। মানবেন্দ্ৰ ৰায়[৩৪], আৰ পি দত্ত[৩৫], এ আৰ দেশাই[৩৬] আদি ঐতিহাসিকে বস্তুনিষ্ঠ পৰ্যালোচনাৰে সাম্প্ৰদায়িকতাবাদৰ ব্যাখ্যা আগবঢ়াইছে। উদীয়মান মধ্যবিত্ত শ্ৰেণীৰ আৰ্থ-সামাজিক দ্বন্দ্ব, ঔপনিবেশিক আৰ্থ-সামাজিক অৱস্থাত বিভিন্ন সম্প্ৰদায়ৰ অসম আৰ্থিক আৰু সাংস্কৃতিক বিকাশ, ব্ৰিটিছ চৰকাৰ আৰু বিভিন্ন সম্প্ৰদায়ৰ কায়েমী স্বাৰ্থৰ কৌশল আদি কেতবোৰ ঘটনা সাম্প্ৰদায়িকতাবাদৰ উদ্ভৱৰ বাবে বিশেষকৈ জগৰীয়া কৰা হয়। সামাজিকভাৱে মাৰ্ক্সীয় ঐতিহাসিকসকলে অৰ্থনৈতিক নিমিত্তবাদ আৰু শ্ৰেণীতত্ত্ব প্ৰয়োগ কৰি সাম্প্ৰদায়িকতাবাদৰ উৎস অনুসন্ধান কৰিবলৈ চেষ্টা কৰে। এওঁলোকৰ দৃষ্টিত 'সাম্প্ৰদায়িকতাৰ উন্মেষ আৰু প্ৰসাৰত বস্তুগত স্বাৰ্থ সংশ্লিষ্ট দ্বন্দ্বৰ ভূমিকাই আছিল প্ৰধান'।[৩৭] সাধাৰণভাৱে বিশেষ ঔপনিবেশিক কাঠামোৰ বাবে হতাশগ্ৰস্থ হিন্দু আৰু মুছলমান মধ্যবিত্তৰ এটা ডাঙৰ অংশ সম্প্ৰদায় ভিত্তিত সংগঠিত হ'বলৈ বাধ্য হৈছিল আৰু এই ক্ষেত্ৰত মুছলমানসকলৰ অৱস্থা অধিক পশ্চাৎপদ আছিল বুলি এই গোষ্ঠীৰ লেখকসকলে ভাবে। মধ্যশ্ৰেণীৰ ব্ৰিটিছ ৰাজৰ পৰা সম্প্ৰদায়ভিত্তিক ভিন্ন সময়ত লাভ কৰা সাংবিধানিক সা-সুবিধাসমূহে হিন্দু আৰু মুছলমানৰ মাজৰ সম্পৰ্কৰ অধিক অৱনতি ঘটায়। মধ্যবিত্ত শ্ৰেণীৰ প্ৰভাৱ থকা বাবে গ্ৰাম্য অঞ্চললৈও সাম্প্ৰদায়িক চেতনা বিয়পি যায়, য'ত পৰ্যায়ক্ৰমে কিছু বিকৃত ৰূপত হ'লেও সাম্প্ৰদায়িক দাংগাসমূহেও শ্ৰেণী সংগ্ৰামৰ ৰূপ লৈছিলগৈ। স্বাধীনোত্তৰ ভাৰতবৰ্ষত পাছৰ পৰ্যায়ৰ মাৰ্ক্সবাদী ঐতিহাসিকসকলে সাম্প্ৰদায়িকতাবাদৰ স্বৰূপ নিৰ্ণয় আৰু অধিক নতুন মাত্ৰা সংযোজন কৰিছে। কোশাম্বী আদিৰ গৱেষণাইও প্ৰাচীন ভাৰতৰ পৰা নতুন উপাদান গ্ৰহণ কৰাত অৰিহণা যোগাইছিল। ইয়াৰ উপৰিও কেমব্ৰীজ ঐতিহাসিক গোষ্ঠীয়ে ভাৰতীয় সুবিধাবাদী শ্ৰেণীৰ যি ঠেক স্বাৰ্থভিত্তিক ক্ষমতাকেন্দ্ৰীক সাম্প্ৰদায়িকতাৰ কথা কৈছিল— তাক প্ৰতিহত কৰাটোও এওঁলোকৰ উদ্দেশ্য আছিল। মাৰ্ক্সবাদীসকলেও ক্ষমতা ভিত্তিত সাম্প্ৰদায়িক সংগঠনৰ কথা কলেও তেওঁলোকৰ মতে, সাম্প্ৰদায়িকতাৰ মূল উৎস আছিল ব্ৰিটিছ সাম্ৰাজ্যই সৃষ্টি কৰা জটিল আৰ্থ-সামাজিক পৰিস্থিতি এই তত্ত্বটোকে অধিক বিকশাই তোলাত সহায় কৰিছিল অমিৰ বাগচী[৩৮] আদিৰ দৰে ঐতিহাসিকে। বাগচীয়ে

বৃটিছ ভাৰতৰ শিল্পায়নৰ মন্থৰ গতি আৰু অসম বিকাশকে ভাৰতীয়ৰ মনত সাম্প্ৰদায়িকতাৰ উন্মেষৰ বাবে মূলতে জগৰীয়া কৰিছে। জনসংখ্যাৰ দিশৰ পৰা অধ্যয়ন কৰিও তেওঁ দেখুৱাইছে যে মুছলিম সংখ্যাগৰিষ্ঠ অনগ্ৰসৰ অঞ্চলবোৰত সাম্প্ৰদায়িক শক্তিসমূহ অধিক সক্ৰিয় আছিল।

সাম্প্ৰদায়িকতা আৰু সাম্প্ৰদায়িক ৰাজনীতিৰ বিশেষ ভিত্তিভূমি অবিভক্ত বংগত প্ৰাক্‌স্বাধীনতাকালত সংঘটিত হিন্দু-মুছলমানৰ মাজৰ সংঘৰ্ষসমূহৰ মাৰ্ক্সবাদী ঐতিহাসিক মূল্যায়নৰ ৰূপৰেখা এগৰাকী গৱেষকে দাঙি ধৰিছে।[৩১] মূলতে আৰ্থ-সামাজিক অনগ্ৰসৰতাৰ আৰু বৃটিছ নীতিৰ প্ৰভাৱ তথা সংগঠিত ৰাজনীতিৰ ওপৰতে এই ৰচনাসমূহ বিশেষ গুৰুত্ব দিয়া হৈছে। বাংলাৰ গ্ৰাম্য অঞ্চলত সাম্প্ৰদায়িক দাংগাসমূহ কেনেকৈ শ্ৰেণী চৰিত্ৰৰ ৰূপলৈ বৃহত্তৰ ৰাজনীতিৰ পৰিমণ্ডলত প্ৰৱেশ কৰিলে তাৰ বিৱৰণ সুমিত সৰকাৰ, তনিকা সৰকাৰ আদিৰ লেখাত পোৱা যায়। বংগৰ বহু অঞ্চলত বিশ্বজোৰা অৰ্থনৈতিক সংকটৰ সময়ত মুছলমান কৃষকসকলৰ অধিক শোচনীয় অৱস্থাৰ কথা দাঙি ধৰিছে সুগত বোসে। সেইদৰে পি পি যোশী, সুৰঞ্জন দাস আদি গৱেষকসকলেও বস্তুনিষ্ঠ পৰ্যালোচনাৰে বিষয়টোৰ ওপৰত ন' ন' দিশ আলোকপাত কৰিছে। নিম্নবৰ্গৰ মানুহৰ সাম্প্ৰদায়িক চেতনা প্ৰতিষ্ঠানিক ৰাজনীতিৰ লগত যুক্ত হোৱাৰ ব্যাখ্যাও এওঁলোকে দিছে।

স্বাধীনোত্তৰ কালত সাম্প্ৰদায়িকতাৰ বিষয়টো লৈ বিস্তৃত অধ্যয়ন কৰা বিপান চন্দ্ৰই[৩২] সাম্প্ৰদায়িকতাবাদক ভ্ৰান্ত চেতনা বুলি উল্লেখ কৰিছে। সাম্প্ৰদায়িক স্বাৰ্থক অস্বীকাৰ কৰাই হ'ল প্ৰকৃত ধৰ্ম নিৰপেক্ষতা। শ্ৰেণীস্বাৰ্থই প্ৰকৃত স্বাৰ্থ আৰু সমাজৰ বিভিন্ন শ্ৰেণীৰ অস্তিত্বই প্ৰকৃত অস্তিত্ব। তেওঁৰ মতে, ভাৰতবৰ্ষত সাম্প্ৰদায়িকতাৰ মূল ভিত্তি আছিল পেতি বুৰ্জোৱা শ্ৰেণী।

সাম্প্ৰদায়িকতাবাদ সন্দৰ্ভত মাৰ্ক্সবাদী ঐতিহাসিকসকলৰ বহু মূল্যবান ৰচনা এতিয়ালৈকে প্ৰকাশ পাইছে, সময়ে সময়ে স্বাধীনোত্তৰ ভাৰতবৰ্ষত তেওঁলোক সংগঠিত হৈয়ো সাম্প্ৰদায়িকতাবাদক লৈ হোৱা ক্ষমতাৰ অপব্যৱহাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে। আজি জাতীয়তাবাদী ঐতিহাসিকসকলৰ একাংশই হিন্দু-মুছলমানৰ মধুৰ সম্পৰ্কৰ ওপৰত গুৰুত্ব দিলেও সামগ্ৰিকভাৱে বিংশ শতাব্দীৰ মাজভাগ মানলৈকে ইতিহাস চৰ্চাত দুয়োটা সম্প্ৰদায়ৰ পৃথক অস্তিত্বৰ কথাই মানি লোৱা হৈছিল কিন্তু আধুনিক মাৰ্ক্সবাদী ঐতিহাসিক (এচাম জাতীয়তাবাদী ধাৰাৰো আছে) সকলে হিন্দু-মুছলমান সম্পৰ্কৰ নিৰূপণত ধৰ্ম নিৰপেক্ষ দৃষ্টি গ্ৰহণ কৰিছে। তৎসত্বেও মাৰ্ক্সবাদী মূল্যায়নৰ সন্দৰ্ভত কেতবোৰ অভিযোগো নুঠা নহয়। প্ৰশ্ন উঠিছে বস্তুগত দ্বন্দ্ব তথা অৰ্থনৈতিক নিমিত্তবাদৰ তত্ত্বৰে সকলো সময়তে সাম্প্ৰদায়িকতাবাদৰ আত্মপ্ৰকাশ ঘটা দাংগাসমূহৰ জানো প্ৰকৃত ব্যাখ্যা দিব পাৰি? ভিত্তি (Base) আৰু তাৰ

ওপৰত প্ৰতিষ্ঠিত উপৰি কাঠামো (Superstructure) সম্পৰ্কৰে বাস্তৱ সমাজ অধ্যয়নত যে কিছু অসাৰতাও আৱিষ্কৃত হয়, সেই কথা অস্বীকাৰ কৰা টান। বিশেষকৈ প্ৰাক্‌শিল্পায়ন যুগৰ সমাজসমূহৰ বা কৃষকৰ সমস্যা আদি আলোচনা প্ৰসংগ অধিক জটিল হৈ পৰে। কিন্তু অন্যৰূপত হ'লেও নব্বৈ দশকত বিকাশ হোৱা ছাব অলটাৰ্ণ গোষ্ঠীয়েও সংস্কৃতিৰ স্বতন্ত্ৰ ক্ষেত্ৰ এখনৰ কথা কৈছে। অৰ্থনৈতিক নিমিত্তবাদৰ এটা সমস্যা হ'ল যে বহু সময়ত জনগণৰ চেতনা, মনন আৰু সংস্কৃতিৰ সক্ৰিয়তা বা কোনো এখন বিশেষ সমাজৰ সাংস্কৃতিক পৰিমণ্ডল আৰু মানৱ চৈতন্যৰ জটিল দিশসমূহ তথা চেতনাৰ ধাৰাবাহিকতা আদিৰ দৰে সমস্যাসমূহ উপেক্ষা কৰা দেখা যায়। মাৰ্ক্সবাদী চিন্তা-চৰ্চাৰ কাঠামোৰ মাজতে অৱশ্যে এই সমস্যাসমূহৰ সমাধান ওলাইছে। গ্ৰামছী"য়ে চেতনাৰ বস্তুগত ভিত্তিৰ উপৰিও বাহিৰৰ পৰা অহা এক চেতনাইও সংগ্ৰামী জনগণক প্ৰবলভাৱে প্ৰভাৱান্বিত কৰাৰ কথা বিশেষভাৱে পৰ্যালোচনা কৰি দেখুৱাইছে। মূলতে গ্ৰামছী, জৰ্জ লুকাচ, ই পি থমছন আদিয়ে উপৰিসৌধৰ নিয়ন্ত্ৰিত সংস্কৃতিৰ ধাৰাবাহিকতা, জনগণৰ ওপৰত প্ৰভাৱ আৰু ইয়াৰ সক্ৰিয়তাৰ বিষয়ে বিশদ ব্যাখ্যা আগবঢ়াইছে।

জনগণৰ সাংস্কৃতিক সক্ৰিয়তাৰ পৰিৱৰ্তে কিন্তু সাম্প্ৰদায়িকতাবাদক এক ভ্ৰান্ত চেতনা বুলিয়েই বেছিভাগ মাৰ্ক্সবাদী ঐতিহাসিকে প্ৰত্যক্ষ বা পৰোক্ষভাৱে অভিহিত কৰিছে। এজন কৃষক, শ্ৰমিক বা সাধাৰণ ব্যক্তি হিন্দু বা মুছলমান চেতনা সম্পৰ্কীয় বিষয়বোৰে ইতিহাস চৰ্চাত বৰকৈ গুৰুত্ব পোৱা নাই। সাম্প্ৰদায়িকৰণৰ বিষয়টো বিশেষকৈ বুৰ্জোৱা শ্ৰেণী বা উচ্চ বিত্তৰ মাজতে আৱদ্ধ কৰি ৰখা হয়। ব্যতিক্ৰমী ৰচনা নিশ্চয় আছে। ঐতিহাসিক অমলেন্দু দে" যথাৰ্থভাৱে পশ্চাৎপদতাৰ প্ৰেক্ষাপটত বঙালী মুছলমানসকলৰ ইছলামীকৰণৰ ভিত্তিৰ স্বতন্ত্ৰ সাম্প্ৰদায়িক পৰিচয় গঢ়ি উঠাৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰিছে। তেওঁ ইয়াকো দেখুৱাইছে যে হিন্দু সমাজৰ ৰক্ষণশীল অংশই সমাজখনক বিশেষ প্ৰভাৱান্বিত কৰিব পৰা নাছিল, বৰঞ্চ উদাৰনৈতিক যুক্তিবাদৰ প্ৰভাৱ বহুখিনি সজীৱ আছিল। আনফালে মুছলমান সমাজত উপৰিসৌধৰ প্ৰগতিশীল ধাৰাটো আছিল তুলনামূলকভাৱে দুৰ্বল। সামগ্ৰিকভাৱে আৰ্থ-সামাজিক তত্ত্বৰ ভিত্তিতে ঊনবিংশ শতিকাৰ মুছলমান সাম্প্ৰদায়িকতাৰ বিচ্ছিন্নতাবোধৰ সাংস্কৃতিক ক্ষেত্ৰখন আৱিষ্কাৰ কৰিছে ঐতিহাসিকজনে। বংগত ইছলামীকৰণ আন্দোলন পান ইছলামীক ভাবধাৰাই কেনেকৈ শক্তিশালী কৰি তুলিছিল তাৰো ধাৰাবাহিক বিবৰণ ইয়াত পোৱা যায়।

আমাৰ বোধেৰে বৃটিছ বিভাজন তথা শোষণনীতি, পান ইছলামীক ধাৰণা আৰু হিন্দু সাম্প্ৰদায়িকতা— এই তিনিটা উপৰিসৌধৰ 'মডেল'ৰ সমান্তৰালকৈকে ঊনবিংশ শতিকাৰ হিন্দু মুছলমানৰ ধৰ্মীয় সংক্ৰান্তীয় স্বতন্ত্ৰ সাংস্কৃতিক ক্ষেত্ৰখন পৰ্যালোচনা নকৰিলে

সাম্প্ৰদায়িকতাৰ প্ৰকৃত স্বৰূপ উপলব্ধি কৰা নাযায়। মুছলিম সাম্প্ৰদায়িকতাৰ সন্দৰ্ভত আমাৰ যুক্তি হ'ল পান ইছলামিক ধাৰণা আৰু ইছলামীকৰণ প্ৰক্ৰিয়া একবৈখিক নহয়। আকৌ হিন্দু সাম্প্ৰদায়িকতাৰ চৰিত্ৰ সম্পূৰ্ণ স্বাধীন আৰু স্বতন্ত্ৰ বুলি ভবাটোও যুক্তিসংগত নহ'ব।

সাধাৰণ মন্তব্য ঃ

ওপৰৰ আলোচনাত সাম্প্ৰদায়িকতাবাদ সম্পৰ্কে উনবিংশ শতিকাৰ পৰা বিকাশ হোৱা ঐতিহাসিক বৌদ্ধিক মতাদৰ্শৰ এক ৰূপ-ৰেখা দাঙি ধৰা হৈছে। উদ্দেশ্য হৈছে ইতিহাসৰ ভিন্ন সময়ত বিষয়টো লৈ হোৱা মত পাৰ্থক্য আৰু ইয়াৰ গভীৰতাৰ বুজ লোৱা। দৃষ্টিভংগীৰ ভিন্নতাই বিষয়টোৰ জটিলতাৰ আভাষ দিয়ে। আমাৰ বোধেৰে আধুনিক যুগৰ সংগঠিত ৰাজনীতি আৰু জনগণৰ স্বতন্ত্ৰ সাংস্কৃতিক ক্ষেত্ৰ, এই দুয়োটা দিশৰ ওপৰত গুৰুত্ব দিহে সাম্প্ৰদায়িকতাৰ স্বৰূপ উপলব্ধি কৰাটো সম্ভৱ হ'ব পাৰে। ইয়াৰ লগত অৱশ্যে জনগণৰ আৰ্থিক পৰিস্থিতিও জড়িত হৈ থাকে। সাম্প্ৰতিককালত কোনো এটা বিশেষ ৰাজনৈতিক দলক কেন্দ্ৰ কৰি গঢ়ি উঠা সাম্প্ৰদায়িকতাৰ ব্যাখ্যা আৰু ইয়াৰ বিৰুদ্ধে হোৱা ৰাজনৈতিক জোট বন্ধনৰ মাজেৰে এনেকুৱা এক জটিল বিষয়ৰ সমাধান হ'ব বুলি ভবাটো এটা সৰলীকৃত ধাৰণা। হয়তো সাম্প্ৰদায়িক উত্তেজনাৰ বিৰুদ্ধে এনেকুৱা সাময়িক পদক্ষেপৰ কিছু গুৰুত্ব থাকে। কিন্তু আধুনিক যুগৰ ৰাজনীতি আমি যিহেতু এৰিব নোৱাৰো, সাম্প্ৰদায়িকতা আমাৰ মাজত বৰ্তি থকাটো নিতান্তই স্বাভাৱিক। সাম্প্ৰতিক সময়ত জনগণৰ সাংস্কৃতিক বাস্তৱ সাপেক্ষে মননৰ বিচৰণ নকৰাকৈ সমস্যাটো সমাধানৰ পথত আগবঢ়োৱাটো অসম্ভৱ। জনগণৰ প্ৰতিৰোধ সংগ্ৰাম সবল হ'ব পাৰে বা সক্ৰিয় সাম্প্ৰদায়িক চেতনা লুপ্ত হ'ব পাৰে যদিহে সমাজতান্ত্ৰিক বা উন্নয়ন পুঁজিবাদী বিকাশৰ আৰ্হি এটা কল্পনা কৰি ল'ব পাৰো।

সূত্ৰ নিৰ্দেশ

১। Bipan Chandra . Communalism in modern India (Bengali translation) Kolkata 1989 P-1

২ অঞ্জন গোস্বামী ঃ ইতিহাসের প্রেক্ষাপটে হিন্দু-মুছলমান। কলকাতা ১৯৯৫, পৃষ্ঠা ১০-১১

৩ ড' বি এন পান্ডে ঃ ইছলাম ও ভাৰতীয় সংস্কৃতি। কলকাতা ১৯৯৪, পৃষ্ঠা ৫ ৬

৪ আবিদ হুছেইন ঃ ভাৰতৰ জাতীয় সংস্কৃতি, নতুন দিল্লী, ১৯৯০ পৃষ্ঠা ৮৭

৫ ঐ, পৃষ্ঠা ৮৯ ৯০।

৬। অঞ্জন গোস্বামী ঃ উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ৩

৭। সুৰজিত দাসগুপ্ত ঃ ভাৰতবৰ্ষ ও ইছলাম, কলকাতা ১৯৯৮, পৃষ্ঠা ৩৪

৮। বিপান চন্দ্ৰ ঃ উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-৮

৯। Romila Thapar : Early India, New Delhi-2002, Pg-3

১০। ১৭৮৪ চনত প্ৰতিষ্ঠা হোৱা 'এছিয়াটিক ছ'চাইটি'ৰ গৱেষণা পত্ৰবোৰত উইলিয়াম, জনছ এইচ টি ক'লব্ৰুক, চাৰ্লচ উইলকিনকে ধৰি পণ্ডিত বৰ্গৰ প্ৰকাশ পোৱা ৰচনাসমূহৰ কথা ক'ব পাৰি।

১১। Romila Thapar ঃ উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-৩

১২। হেৰম্বকান্ত বৰপুজাৰী, ইতিহাস ৰচনা বিধি আৰু ক্ৰমবিকাশ, গুৱাহাটী ১৯৮৮ পৃষ্ঠা ১১৭

১৩। V. Smith : Early history of India, Oxford 1924, Pg-242

১৪। H. C. Roychoudhary, The Political History of Ancient India. Calcutta 1923; K.P. Jayswal : Hidu Polity, Cultcutta 1924, R.K. Mukherjee Harsa, London 1926, R. C. Mazumdar and others. An advanced history of India. London 1961.

১৫। Romila Thapar : Ancient Indian social history : some interpretations. New Delhi 1996, Pg-13

১৬। ঐ পৃষ্ঠা ১৩ ১৪

১৭। পাৰ্থ চট্টোপাধ্যায় ঃ ইতিহাসের উত্তরাধিকার, কলকাতা ২০০০, পৃষ্ঠা-১৫১

১৮। Bipan Chandra, উল্লিখিত গ্ৰন্থ ঃ পৃষ্ঠা ২৩৬

১৯। Romila Thapar . উল্লিখিত গ্ৰন্থ ঃ পৃষ্ঠা ২১

২০। V.D.Savarkar, The Indian war of Independence 1857, New Delhi 1970; Hindutva, poona 1949 reprint, 1st published 1923, Hindu Rashtra Darshan, Bombay, 1947 আদি উল্লেখযোগ্য।

২১। M.S. Golwalkar, We or our National defined. Nagpur 1947, first published 1939 বিশেষভাৱে উল্লেখযোগ্য।

২২। এই প্ৰসংগত স্মিথৰ Modern Islam in India, A Social Analysis (London 1946); দেশাই, Social Background of India Nationalism (Bombay 1948); হামিদ A Brief Survey of Muslim Separatism in India (London 1968) , জ্যাকৰিয়াৰ Rise of Muslims in Indian politics (Bombay 1970), মল্লিকৰ British Policy and Muslims in Bengal (Dacca 1961) , আহমদৰ The Muslim Community in Bengal (Dacca 1974) উল্লেখযোগ্য।

২৩ অঞ্জন গোস্বামী ঃ উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-৩৪ ৩৫

২৪ B Sheikh Ali . History its Theory and Method. MacMillan 1990 Pg.365

২৫। বিপান চন্দ্র ঃ উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-২৩৬-২৩৭

২৬। ঐ, পৃষ্ঠা-২৩৮

২৭। ঐ, পৃষ্ঠা-২২২

২৮। Anil Seal : The Emergence of Indian Nationalism Competition and Collaboration in the later nineteenth century, 1968; আৰু John Gallaghar, Grodon Johnson, J. H. Broomfield সম্পাদিত - Locality, Province and Nation Essays in Indian Politics 1870 to 1940 (1973) নামৰ গ্ৰন্থখনৰ কথা ক'ব পাৰি।

২৯। Ranjit Guha (Edited) Subaltern Studies I, 1982, Pg.-3

৩০। Gyanendra Pandey ; Construction of Communalism in Colonial North India, (Delhi 1990)

৩১। ঐ, পৃষ্ঠা ৬-৭

৩২। Amartya Sen · On Interpreting Indian past. Calcutta 1996, Pg.-30

৩৩। D. D. Kosambi Introduction to the Study of Indian History, Bombay 1956.

৩৪। M N Roy India in Transition, 1922, (Reprint, 1971, Bombay).

৩৫। R P Dutta · India Today, England 1940.

৩৬। A. R. Desai . Background of Indian Nationalism, Bombay 1948.

৩৭। অঞ্জন গোস্বামী ঃ উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ৫০

৩৮। Amiya Kumar Bagchi · Private Investment in India . 1900-1939; Cambridge 1972

৩৯। অঞ্জন গোস্বামী ঃ উল্লিখিত গ্ৰন্থ, পৃষ্ঠা ৫৫-৬৮

৪০। বিপান চন্দ্র ঃ উল্লিখিত গ্ৰন্থ

৪১। Guintn Hoare and Geoffrey Nowell Smith Edited and Translated. Antonio Gramsci. Selection from the Prison Notebook Channai 1998 Pg. 333.

৪২। Amalendu Dey, Roots of Seperatism in Nineteenth Country Bengal in Essays in Honour of Prof. S C Sarkar, New Delhi 1976.

সংস্কৃতি, মতাদৰ্শ আৰু ইতিহাস চৰ্চা

পটভূমি ঃ

সংস্কৃতিৰ সংজ্ঞা নিৰূপণ কৰাটো বৰ সহজ কথা নহয়। আচলতে প্ৰসংগটো জটিল আৰু ইয়াৰ লগত আমাৰ বৌদ্ধিক সীমাবদ্ধতাৰ প্ৰশ্নটোও জড়িত হৈ আছে। আমি কেৱল ইয়াত কিছু সীমিত ৰূপত সমাজৰ অগ্ৰগতি আৰু ৰূপান্তৰত সাংস্কৃতিক মতাদৰ্শৰ ভূমিকা আৰু ভাৰতবৰ্ষৰ ইতিহাস ৰচনাতত্ত্বত তাৰ প্ৰভাৱ সম্পৰ্কীয় দুটিমান দিশহে উল্লেখ কৰিব বিচাৰিছো। সাধাৰণভাৱে যি বুজো সেয়া হ'ল— মানুহৰেই সংস্কৃতি আছে আৰু মানুহৰ প্ৰকৃত পৰিচয় হ'ল সংস্কৃতি, যাৰ সহায়ত মানুহে প্ৰকৃতিৰ নিয়ম বুজিব পাৰে আৰু সকলো বাধা অতিক্ৰম কৰি আগুৱাই যাব পাৰে সংস্কৃতি সম্পৰ্কীয় কেতবোৰ তত্ত্বত মানুহৰ মানৱিক ক্ৰিয়া, প্ৰক্ৰিয়া আদিকে অধিক গুৰুত্ব দিয়া হয়। আমাৰ আলোচনাটো অৱশ্যে সংস্কৃতিৰ বৌদ্ধিক ক্ষেত্ৰখনেই অগ্ৰাধিকাৰ পাব, কিন্তু সামাজিক সমগ্ৰতাৰ পৰা আঁতৰ কৰি নহয়। ৰেমণ্ড উইলিয়ামছৰ উদ্ধৃতি দি ঐতিহাসিক কে এন পাণিকৰে সংস্কৃতিৰ সামাজিক ব্যাখ্যা এইদৰেই আগবঢ়াইছে— "Culture is a description of a particular way of life, which expresses certain meanings and values not only in art and learning but also institutions and ordinary behaviour."[১]

সংস্কৃতিৰ সামাজিক ভিত্তিৰ প্ৰসাৰৰ ক্ষেত্ৰত ইয়াৰ তিনিটা বিশেষ অৱলম্বনৰ কথা উনুকিয়াব পাৰি। প্ৰথমতে ইয়াৰ মূল ভিত্তি হ'ল জীৱন সংগ্ৰামৰ বাস্তৱ উপকৰণসমূহ (material means); দ্বিতীয়তে, সংস্কৃতিৰ প্ৰধান আশ্ৰয় হ'ল সমাজযাত্ৰাৰ বাস্তৱ অৱস্থা (Social structure) আৰু তৃতীয়তে, সংস্কৃতিৰ শেষ পৰিচয় মানৱ সম্পদ (human resource)ৰ বিকাশ। মাৰ্ক্সবাদী সমাজতাত্ত্বিক গোপাল হালদাৰৰ মতে "এই তিনিটা বিশেষ উপকৰণৰ মাজৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া, ঘাত-প্ৰতিঘাতৰ মাজেৰেই প্ৰতি যুগৰ সংস্কৃতিৰ সমগ্ৰ ৰূপ ফুটি উঠে।" অৰ্থাৎ বাস্তৱ ক্ষেত্ৰত যেনেকৈ জীৱিকাৰ নতুন উপকৰণৰ আৱিষ্কাৰ আৰু বিকাশ হৈছে আৰু তাৰ ফলত মানসিক ক্ষেত্ৰত নতুন চিন্তা-চেতনা সৃষ্টি সম্ভৱপৰ হৈছে, ঠিক তেনেকৈ মানৱিক ক্ৰিয়াকাণ্ডয়ো উপকৰণৰ ক্ষেত্ৰত ন ন সৃজনীশীলতাৰ উদ্ভাৱন আৰু সামাজিক বাস্তৱ ৰূপ এটাৰ সৃষ্টিৰ পথত অগ্ৰসৰ হৈ আহিছে। সামাজিক ভিত্তি আৰু মানৱ সম্পদৰ মাজৰ এনে ধৰণৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াই

কিন্তু শ্ৰেণী বিভক্ত সমাজত কেতবোৰ নতুন মৌলিক সমস্যা আৰু প্ৰশ্নৰ উদ্ভাৱন কৰিছে। বিষয়টো আমি সংস্কৃতিৰ নিৰ্মাণত ইতিহাসৰ ভূমিকাৰ পৰাই আৰম্ভ কৰো। নৱপ্ৰস্তৰ যুগৰ (আনুমানিক দহ হাজাৰ বছৰমানৰ পৰা আৰম্ভ হৈছে) শেষৰ ফাললৈ উপকৰণসমূহৰ উন্নততৰ স্তৰ আৰু মানৱ সম্পদসমূহৰ লগত হোৱা ইয়াৰ অবিৰাম সংযোগে সমাজখনক অধিক বিকাশশীল পৰ্যায়লৈ লৈ গ'ল। কিছু অগা-পিছাকৈ উদ্ভাৱন হোৱা পশুপালন আৰু কৃষিকৰ্মই আদিম সাম্যতন্ত্ৰ ভাঙি পেলালে। সমাজত সম্পত্তিৰ প্ৰশ্ন আহিল, কিবা নহয় কিবা ধৰণে শ্ৰেণীবিভক্ত সমাজৰ প্ৰাথমিক ক্ষেত্ৰখন প্ৰস্তুত হ'ল। কিছু সৰলীকৃতভাৱেই ক'ব পাৰি যে তেতিয়াৰ পৰাই ভিন্ন অৱস্থান, ভিন্ন পৰিপ্ৰেক্ষিত আৰু ভিন্ন ৰূপত বিকাশশীল সমাজসমূহৰ প্ৰাধান্য শ্ৰেণীসমূহেই মানৱ সম্পদৰ এটা ডাঙৰ অংশকে প্ৰভাৱান্বিত কৰাই নহয়, ইতিহাসৰ সমলসমূহো নিয়ন্ত্ৰণ কৰি আহিছে। ফলত সৃষ্টি হৈছে পৰিৱৰ্তনকামী শক্তিসমূহৰ সন্মুখত শোষক শ্ৰেণীৰ সংস্কৃতিৰ এক সন্মোহিনী মায়াজাল। পুঁজিবাদী সমাজত এনে আধিপত্যকামী সমান্তৰাল সংস্কৃতিৰ চৰিত্ৰ অধিক সূক্ষ্ম আৰু জটিল। কাৰণ, বিভিন্ন গণমাধ্যমসমূহ নিয়ন্ত্ৰণ কৰি ৰাষ্ট্ৰই সৰ্বজন গ্ৰাহ্য এক সংস্কৃতিৰ ৰূপ দাঙি ধৰে। জনগণৰ তথা সংগ্ৰামী শক্তিসমূহৰ বাবে এনে বেছ বা প্ৰাচীৰ ভেদ কৰাটো জটিল হৈ পৰে। এনে প্ৰসংগতে আহি পৰে সংস্কৃতিৰ মতাদৰ্শ আৰু মতাদৰ্শগত সংগ্ৰামৰ প্ৰয়োজনীয়তাৰ কথা। বিষয়টো আমি মাৰ্ক্সবাদী তত্ত্বৰ আধাৰত হোৱা সংস্কৃতিৰ চৰ্চাৰ মাজেৰেই অনুপমান বহলাই লওঁ।

প্ৰসংগক্ৰমে উল্লেখ কৰাটো সমীচিন হ'ব যে মাৰ্ক্সে প্ৰণালীবদ্ধ আৰু সুসংহতভাৱে সংস্কৃতিৰ সূত্ৰ এটা দাঙি ধৰা নাই, অৱশ্যে বিক্ষিপ্তভাৱে তেওঁৰ লেখনিসমূহত সংস্কৃতি চৰ্চাৰ প্ৰচুৰ ইংগিত আছে। সেয়েহে আণ্টোনিও গ্ৰামচি, জৰ্জ লুকাচ, ই পি থমচন, ৰেইমণ্ড উইলিয়াম আদি সমাজতাত্ত্বিকসকলে মাৰ্ক্সৰ মূল সূত্ৰৰ আঁত ধৰিয়েই বিশেষকৈ পুঁজিবাদী সমাজত পৰিৱৰ্তন, ৰাজনৈতিক বিপ্লৱ আদিৰ প্ৰসংগত সংস্কৃতিৰ ভূমিকাৰ বিষয়টোত বিশেষভাৱে গুৰুত্ব দি আলোকপাত কৰিছে। এওঁলোক বেছিভাগেই সমাজ ৰূপান্তৰৰ প্ৰশ্নত উপৰিসৌধৰ সমস্যাক অগ্ৰাধিকাৰ দি দৃষ্টি নিক্ষেপ কৰিছে ৰাষ্ট্ৰ আৰু ভাবাদৰ্শৰ ওপৰত, যাক তেওঁলোকে দমন শক্তিৰূপে অভিহিত কৰিছে। সমাজ পৰিৱৰ্তনত সংগ্ৰামী জনগণৰ সচেতন সংস্কৃতিৰ সক্ৰিয় ভূমিকাৰ প্ৰাধান্য থকা সত্বেও প্ৰশ্ন উঠিছে দমনমূলক চেতনা আৰু সংস্কৃতিৰ অস্তিত্ব তথা ইয়াৰ ঐতিহাসিক ধাৰাবাহিকতাৰ কথা। ভিত্তি আৰু উপৰিসৌধৰ দ্বাৰা নিয়ন্ত্ৰিত দুই সমান্তৰাল সংস্কৃতিৰ মাজত ধামখুমিয়াত পৰিৱৰ্তনকামী ব্যক্তিৰ মানসিক অৱস্থানৰ কথা বহলভাৱে ব্যাখ্যা কৰি গ্ৰামচিয়ে উল্লেখ কৰিছে যে সক্ৰিয় সংগ্ৰামী এজন ব্যক্তিৰ মাজত দুই ধৰণৰ চেতনা থাকে। এক ধৰণৰ চেতনা তেওঁৰ কাম-কাজৰ মাজত অন্তৰ্নিহিত থাকে, যিয়ে তেওঁক বাস্তৱ পৃথিৱীখনক

পৰিবৰ্তন কৰাৰ ক্ষেত্ৰত লগৰীয়া শোষিত শ্ৰমিকসকলৰ লগত ঐক্যবদ্ধ কৰে। আনফালে অন্য এক চেতনা বাহিৰৰ পৰা অহা। আধিপত্যগামী শক্তিৰ লগত যুক্ত এই চেতনাই জনগণক পৰম্পৰাগতভাৱে প্ৰভাৱান্বিত কৰে। বহু ক্ষেত্ৰত এই চেতনা বা সংস্কৃতিয়ে জনগণৰ নৈতিক আদৰ্শ আৰু ইচ্ছাশক্তিকো নিয়ন্ত্ৰণ কৰে। কিন্তু সকলোতকৈ ডাঙৰ কথাটো হ'ল— পৰস্পৰবিৰোধী সাংস্কৃতিক পৰিবেশত ব্যক্তিয়ে সচেতন ভূমিকা গ্ৰহণ বা সিদ্ধান্ত লোৱাৰ পৰা বিৰত থাকিবলৈ বাধ্য হয়। এনে পৰিস্থিতিত এক ৰাজনৈতিক নিষ্ক্ৰিয়তাৰ সৃষ্টি হয়।[২] গ্ৰামচিয়ে আলোচনা কৰা এই পৰস্পৰবিৰোধী সাংস্কৃতিক তত্ত্বৰ মাজতে সাংস্কৃতিক আধিপত্য আৰু ইয়াৰ ৰাজনৈতিক প্ৰাসংগিকতাৰ ধাৰণাক বুজিব পাৰি। অৰ্থাৎ আধুনিক যুগত কোনো এটা শ্ৰেণীয়ে ইয়াৰ শাসনৰ বা প্ৰভুত্বৰ বৈধতাৰ বাবে সাংস্কৃতিক মতাদৰ্শভিত্তিক আদৰ্শৰ প্ৰসাৰ কৰে। এনে পৰিস্থিতিত পুঁজিবাদী গাঁথনিত শ্ৰমিক শ্ৰেণীয়ে নিজৰ ৰাজনৈতিক নিষ্ক্ৰিয়তা অতিক্ৰম কৰি যাবৰ বাবে প্ৰয়োজন হয় এক বিকল্প সাংস্কৃতিক মতাদৰ্শগত সংগ্ৰামৰ ক্ষেত্ৰ প্ৰস্তুত কৰা। অৱশ্যে এই মতাদৰ্শগত সংগ্ৰাম ক্ষমতাৰ লগত জড়িত নহয়, বৰঞ্চ ই দ্বান্দ্বিকভাৱে ঐক্যবদ্ধ সমাজ এখনতহে প্ৰযোজ্য। বিকল্প সংস্কৃতিৰ মতাদৰ্শগত সংগ্ৰামত গ্ৰামচিয়ে বুদ্ধিজীৱী শ্ৰেণীৰ বিশেষ ভূমিকাৰ কথাও উল্লেখ কৰিছে। তেওঁ জৈৱিক আৰু পৰম্পৰাগত এই দুই ধৰণৰ বুদ্ধিজীৱীৰ কথা কৈছে। জৈৱিক বুদ্ধিজীৱী কোনো এটা শ্ৰেণীৰ উৎপাদন প্ৰক্ৰিয়াৰ মাজেৰে সমাজত আত্মপ্ৰকাশ কৰাৰ পৰ্বত তাৰ অভ্যন্তৰৰ পৰা সৃষ্টি হয়। আনটো বৰ্গ হৈছে সমাজৰ পৰম্পৰাগত বুদ্ধিজীৱীসকল। সাংবাদিক, সাহিত্যিক, বিজ্ঞানী তথা অন্যান্য বুদ্ধিজীৱী লোকৰ লগতে অতীতৰ লগত সংযোগ ৰক্ষা কৰি অহা পাদ্ৰী পুৰোহিত আদিও ইয়াৰ ভিতৰত পৰে। দেখাত এওঁলোকে কোনো শ্ৰেণীৰ লগত জৈৱিক সম্পৰ্ক নথকাৰ কথা ক'লেও বাস্তৱত তেওঁলোক শ্ৰেণী নিৰপেক্ষ নহয়, বৰঞ্চ বহু সময়ত শোষক শ্ৰেণীৰ পক্ষ গ্ৰহণ কৰাৰ সম্ভাৱনা থাকি যায়? গ্ৰামচিৰ মূল বক্তব্য হ'ল যে সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ বাবে জৈৱিক বুদ্ধিজীৱীয়ে সৰ্বহাৰা শ্ৰেণীৰ মতাদৰ্শ গভীৰভাৱে বিয়পাই দিয়াৰ লগে লগে পৰম্পৰাগত বুদ্ধিজীৱীসকলকো নিজৰ পক্ষলৈ টানি অনাত সফল হ'ব লাগিব।

প্ৰসংগক্ৰমে উল্লেখ কৰাটো প্ৰয়োজন যে সংস্কৃতিৰ মতাদৰ্শৰ প্ৰশ্নতে ইয়াত গ্ৰামচি চিন্তাৰ ৰূপৰেখা এটাহে দাঙি ধৰা হৈছে। গ্ৰামচিৰ চিন্তাধাৰা মূলতঃ ইটালী তথা পশ্চিমৰ উন্নত পুঁজিবাদী দেশসমূহৰ লগত সম্পৰ্কিত। ভাৰতবৰ্ষৰ দৰে তৃতীয় বিশ্বৰ দেশ এখনত ইয়াৰ প্ৰয়োগ সম্বন্ধে বুদ্ধিজীৱী তথা ৰাজনৈতিক দলসমূহেও গভীৰভাৱে পৰ্যালোচনা কৰিব লাগিব। কিন্তু তাকে কৰিবলৈ যাওঁতে আমি অতীত অনুসন্ধানৰ দিশটো আওকাণ কৰিব নোৱাৰি। অৰ্থাৎ প্ৰায় দুশ বছৰ কাল ঔপনিবেশিক শাসনৰ

তলত থকা ভাৰতৰ জনগণে নিজস্ব বিকল্প সংস্কৃতিৰ নিৰ্মাণেৰে কিদৰে আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামত অৱতীৰ্ণ হৈছে বা স্বাধীনোত্তৰ কালত কেনেকুৱা ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে— এই বিষয়সমূহৰ ইতিহাস চৰ্চাৰ মাজেৰে এটা আভাস লোৱাৰ বাবে এই আলোচনাৰ সূত্ৰপাত।

ঔপনিবেশিক সংস্কৃতিৰ বিকল্প :

ভাৰতবৰ্ষৰ ইতিহাস যিমানেই পুৰণা নহওঁক, বৈজ্ঞানিক ভিত্তিত ইতিহাস চৰ্চাৰ কাম আৰম্ভ হৈছিল ঔপনিবেশিক আমোলতহে। এয়া সম্ভৱ হৈছিল ভাৰতবৰ্ষত বেপাৰ-বাণিজ্য কৰিবলৈ আহি শাসন ব্যৱস্থা প্ৰবৰ্তন কৰা ইষ্ট ইণ্ডিয়া কোম্পানীৰ এচাম বিষয়াবৰ্গৰ জৰিয়তে। পৰ্যায়ক্ৰমে নতুন নতুন অঞ্চল কোম্পানীৰ দখললৈ অহাৰ লগে লগে বিষয়াসকলৰ এই দেশখনৰ বিষয়ে জ্ঞান আহৰণ কৰাটো জৰুৰী হৈ পৰে আৰু ইয়াৰ ফলশ্ৰুতিস্বৰূপে প্ৰশাসনিক স্বাৰ্থৰ ওপৰত বৌদ্ধিক আৱৰণ পিন্ধাই আৰম্ভ হ'ল ভাৰতৰ অতীত অনুসন্ধান। প্ৰথমভাগত ভাৰতৰ সভ্যতাৰ ইউৰোপীয় ব্যাখ্যা প্ৰসংগত দুটা মতাদৰ্শ গোষ্ঠীয়ে বিশেষভাৱে প্ৰভাৱান্বিত কৰিছিল। এওঁলোক আছিল প্ৰাচ্যবিদ (Orientalist) আৰু হিতবাদী (Utilitarian)সকল। প্ৰাচ্যবিদসকলে তুলনামূলক ভাষাতত্ত্বৰ অধ্যয়নেৰে সংস্কৃতৰ লগত গ্ৰীক, লেটিন আদি ভাষাৰ সম্পৰ্ক স্থাপন কৰি ভাৰতীয় আৰু ইউৰোপীয় সভ্যতাৰ মূল শিপাডাল একে আছিল বুলি কোৱাৰ যত্ন কৰিছিল। এই চিন্তাধাৰাৰ এক সুসংহত ৰূপ দিছিল ছাৰ উইলিয়াম জ'নছে আৰু ১৭৮৪ চনত ইউৰোপীয় সদস্যৰ প্ৰাধান্যতাৰে গঠিত হোৱা 'এছিয়াটিক ছ'চাইটি'ৰ গৱেষণা-পত্ৰসমূহত ধাৰাবাহিকভাৱে প্ৰকাশ পোৱা অন্যান্য পণ্ডিতসকলৰ প্ৰবন্ধ-পাতিয়েও ইয়াত অৰিহণা যোগাইছিল। প্ৰথমফালে কিছু উৎসাহ-উদ্দীপনা থাকিলেও উনবিংশ শতিকাত ভাৰতীয় সভ্যতাক ইউৰোপীয় সভ্যতা-সংস্কৃতিৰ আগত হেয় প্ৰতিপন্ন কৰাৰ প্ৰৱণতা এওঁলোকৰ মাজত বৃদ্ধি পাইছিল। আনফালে হিতবাদীসকল প্ৰথমৰ পৰাই ভাৰতীয় সভ্যতা-সংস্কৃতিৰ তীব্ৰ সমালোচক আছিল। প্ৰকৃততে এওঁলোক সমসাময়িক ইংলেণ্ডত জনপ্ৰিয় হোৱা আইন-প্ৰণয়নৰ দ্বাৰা সমাজ সংস্কাৰৰ দৰ্শনৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল আৰু ভাৰতীয় সমাজৰ মাজত একো ইতিবাচক দিশ বিচাৰি পোৱা নাছিল। অৱশ্যে অৰ্হতা অনুসৰি ভাৰতীয় সমাজৰ বিকাশকো তেওঁলোকে নুই কৰা নাছিল, কিন্তু সেয়া সম্ভৱ হ'ব সুসভ্য বৃটিছ চৰকাৰৰ মাৰ্জিত আইনৰ শাসনৰ জৰিয়তেহে। ১৮১৭ চনত প্ৰকাশিত জেমছ মিলৰ ভাৰতৰ ইতিহাস সম্পৰ্কীয় কিতাপখনৰ প্ৰভাৱ আজিও একাংশ ঐতিহাসিকৰ ওপৰত বিৰাজমান। ইউৰোপীয় পণ্ডিতসকলৰ ভাৰত সম্বন্ধে এনে অনৈতিহাসিক সিদ্ধান্ত আৰু সাংস্কৃতিক উচ্চাভিমানিকাবোধৰ অন্তৰালত আছিল ক্ষমতাৰ প্ৰশ্ন। ড° ৰমিলা থাপাৰে

এই ঔপনিৱেশিক সংস্কৃতিৰ চৰিত্ৰ সম্বন্ধে লিখিছে— "Much of this activity was fostered by the belief that knowledge about the colony would enable a greater control over it and would provide a firm foundation to the power that the colonial authorities exercised."

এনে পৰিস্থিতিত উনবিংশ শতিকা শতিকাৰ ভাৰতত ঔপনিৱেশিক সংস্কৃতিৰ বিৰুদ্ধে বিকল্প এক মতাদৰ্শ বা সংস্কৃতিৰ নিৰ্মাণৰ প্ৰশ্ন জৰুৰী হৈ পৰিছিল। এই প্ৰত্যাহ্বান মূলতে গ্ৰহণ কৰিছিল কম-বেছি পৰিমাণে পশ্চিমীয়া ধ্যান-ধাৰণাৰে পুষ্ট মধ্যবিত্ত শ্ৰেণীয়ে কৰে। ইয়াৰ লগত আত্মপ্ৰতিষ্ঠা আৰু আত্মপৰিচয়ৰ প্ৰসংগটো জড়িত হৈ আছিল। "Our identities are strongly influenced by the past" কিন্তু উপনিৱেশৰ জনগণৰ ইতিহাস চৰ্চাৰ দোদুল্যমানতাৰ বিষয়ে ঐতিহাসিক কে এন পাণিকৰে এনেদৰেই উল্লেখ কৰিছে— "In fact, to a colonised people, history did not present the posibility of making a clearcut demarcation between the past and the future. Consequently, their conception of the past and of the future tended to be mutually intrusive."[৯] এনে সীমাবদ্ধতাৰ মাজতে ভাৰতীয় মধ্যবিত্তই যি সাংস্কৃতিক মতাদৰ্শগত সংগ্ৰাম চলাইছিল তাৰ দুটা গুৰুত্বপূৰ্ণ দিশ দৃষ্টিগোচৰ হয়। প্ৰথমটো হ'ল— পৰম্পৰাগত সাংস্কৃতিক ধাৰাৰ আদৰ্শগত ভিত্তিৰ বিৰুদ্ধে সংগ্ৰাম আৰু আনটো ঔপনিৱেশিক সাংস্কৃতিক আধিপত্য আৰু আগ্ৰাসন প্ৰতিহত কৰা। প্ৰসংগক্ৰমে উল্লেখ কৰাৰ প্ৰয়োজন যে ঔপনিৱেশিক ইতিহাস চৰ্চা ভাৰতীয় জাতীয় পৰম্পৰা আৰু ৰক্ষণশীল উপাদানসমূহৰ প্ৰতি সজাগ আছিল, কিন্তু তাৰ প্ৰতিবাদ কৰিবলৈ গৈ ভাৰতীয় মধ্যবিত্তই সম্পূৰ্ণৰূপে পশ্চিমৰ ওচৰত আত্মসমৰ্পণ কৰা নাছিল। ইয়াৰে ফলশ্ৰুতি আছিল পশ্চিমীয়া যুক্তিবাদৰ সহায়েৰে অতীত বিশ্লেষণৰ প্ৰয়াস। এনেধৰণৰ প্ৰাথমিক কাম-কাজ আৰম্ভ হৈছিল ভাৰতীয় সংস্কৃতিৰ এক বহুল অংশজুৰি থকা ধৰ্মক কেন্দ্ৰ কৰি। ৰামমোহন ৰায়, ইয়ং বেংগল গোষ্ঠীৰ সদস্য তথা অক্ষয় কুমাৰ দত্ত আদি উনবিংশ শতিকাৰ বুদ্ধিজীৱীসকলে ধৰ্মক যুক্তিবাদী অভিজ্ঞতা, সম্পত্তি ৰক্ষা, সামাজিক সম্পৰ্কৰ প্ৰসাৰ আদিৰ বাস্তৱ প্ৰয়োজনৰ পৰিপ্ৰেক্ষিতত বিচাৰ-বিশ্লেষণ কৰি ঔপনিৱেশবাদ বিৰোধী সাংস্কৃতিক মতাদৰ্শগত সংগ্ৰামৰ ভিত্তি সূচনা কৰিছিল।[১০]

ঔপনিৱেশিক মতাদৰ্শৰ বিৰুদ্ধে বিকল্প পথৰ সন্ধান কৰা বুদ্ধিজীৱীসকলৰ শ্ৰেণীগত ভিত্তি আছিল বুৰ্জোৱা লিবাৰেল আদৰ্শ। সামগ্ৰিকভাৱে ৰাজনীতি, অৰ্থনীতি আৰু সমাজৰ বিচাৰ-বিশ্লেষণত এওঁলোকৰ ওপৰত বুৰ্জোৱা গতিশীলতাৰ প্ৰভাৱ আছিল সুস্পষ্ট। ইয়াৰ মূল কাৰণ আছিল মধ্যবিত্ত মননৰ ওপৰত পশ্চিমীয়া ধ্যান-ধাৰণাৰ প্ৰভাৱ।[১১] অৰ্থাৎ উনবিংশ শতিকাত যুক্তিবাদী সমাজ এখন গঢ়াৰ পথত অগ্ৰসৰ হোৱা ভাৰতীয় বুদ্ধিজীৱীসকল ঔপনিৱেশিক সংস্কৃতিৰ প্ৰাথমিক সুফলবোৰৰ প্ৰভাৱত পশ্চিমৰ

মানৱতাবাদী বুৰ্জোৱা দৰ্শনৰ প্ৰতি আকৃষ্ট হোৱাটো বিশেষ অস্বাভাৱিক নাছিল। এনে পটভূমিত সামগ্ৰিকভাৱে বিচাৰ কৰিলে দেখা যাব যে শ্ৰেণীৰ প্ৰশ্নত এওঁলোকৰ অতীত সংযোগ বা বৰ্তমান সামাজিক প্ৰতিপত্তিয়ে সকলোৰে ক্ষেত্ৰত একেধৰণৰ ভূমিকা গ্ৰহণ কৰা নাছিল। প্ৰকৃততে এওঁলোকক 'প্ৰখ্যাত বুদ্ধিজীৱী' বা 'জৈৱিক বুদ্ধিজীৱী'— কোনো শাৰীতে স্পষ্টকৈ বিভাজন কৰিব নোৱাৰি। ইয়াৰ বিপৰীতে বিশেষ ঐতিহাসিক পটভূমিত বিকল্প নিৰ্মাণৰ প্ৰসংগটোৱেই অগ্ৰাধিকাৰ পোৱাৰ সম্ভাৱনা বেছি। এটা কথা পাহৰিলে নচলিব যে এওঁলোকৰ বেছিভাগৰে বৌদ্ধিক সামাজিক চেতনাৰ বিকাশ হৈছিল সমাজৰ লগত প্ৰত্যক্ষ সংযোগ আৰু বিভিন্ন সাংগঠনিক কাম-কাজৰ মাজেৰে। আনকি জাতীয় মুক্তি আন্দোলনৰ সময়তো জাতীয় কংগ্ৰেছৰ নেতৃত্বত এই ধাৰাৰ প্ৰাবল্যৰ সপক্ষতে যুক্তি দৰ্শাই অধ্যাপক বিপান চন্দ্ৰই ঔপনিবেশিক কাঠামোৰ পৰ্যালোচনা কৰি দেখুৱাইছে যে ঔপনিবেশিক শাসন মূলতঃ দমনমূলক হোৱাৰ পৰিবৰ্তে আছিল আধা আধিপত্যকামী, যাৰ ভিত্তি আছিল— সীমিত অৰ্থত আইনৰ শাসন, আমোলাকেন্দ্ৰিক প্ৰশাসন, সাংবিধানিক সংস্কাৰ, শিল্প বিস্তাৰ, সমাজ সংস্কাৰ ইত্যাদি।[১২] অৰ্থাৎ বৃটিছ শাসনৰ ৰাজনীতিৰ মাজত নিহিত হৈ আছিল সংস্কৃতি আৰু তাৰ বিৰুদ্ধে সকলো শ্ৰেণীৰ লোকৰ মাজত আত্মপ্ৰতিষ্ঠামূলক সংস্কৃতি গঢ়ি ৰাজনৈতিক চেতনা বিকাশ কৰাৰ বাবেও বুৰ্জোৱা ভাবাদৰ্শই প্ৰগতিশীল ভূমিকা গ্ৰহণ কৰিছিল। অৱশ্যে ইয়াত জাতীয় আন্দোলনৰ সময়ত বিকাশ হোৱা অন্যান্য জংগী মতবাদ বা সাংগঠনিক কাম-কাজ অস্বীকাৰ কৰা হোৱা নাই, আমাৰ মূল লক্ষ্য হৈছে ভিন্ন ধ্যান-ধাৰণাক আত্মসাৎ কৰি লোৱা ঔপনিবেশবাদৰ বিকল্প কেন্দ্ৰীয় সাংস্কৃতিক মতাদৰ্শৰ প্ৰশ্ন দাঙি ধৰা।

ঐক্য-সংহতিৰ প্ৰশ্ন ঃ

ঊনবিংশ শতিকাৰ বুদ্ধিজীৱীসকলৰ আত্মপৰিচয়মূলক মতাদৰ্শগত সংগ্ৰামৰ অধিক সুসংবদ্ধ অৱদান আছিল ভাৰতীয়ত্ব আৰু জাতীয়তাবাদৰ বিকাশ। স্বাধীনোত্তৰ কালৰ ইতিহাস চৰ্চাৰ ৰাজনৈতিক আৰু সাংস্কৃতিক মতাদৰ্শ— উভয়ৰে ক্ষেত্ৰত এই প্ৰভাৱ স্পষ্ট। সাৰবস্তুৰ ফালৰ পৰা চাবলৈ গ'লে দেখা যায় যে ঔপনিবেশিক আমোলত জাতীয়তাবাদী ধাৰণাই ভাৰতৰ আভ্যন্তৰীণ বিবাদৰ পৰিবৰ্তে ঐক্যৰ ওপৰত গুৰুত্ব দিয়াৰ এক ধাৰাবাহিক প্ৰয়াস চলাইছিল। প্ৰকৃততে ঔপনিবেশিক ভেদাভেদ নীতিৰ এয়া আছিল ফচল। এই ঐক্য তত্ত্বৰ সাংস্কৃতিক দিশটোৰ সম্বন্ধে ড° অমৰ্ত্য সেনৰ প্ৰতিক্ৰিয়া এনে ধৰণৰ— 'বিভেদ প্ৰৱণতা ভাৰতৰ সৰ্বব্যাপ্ত— এই সাম্ৰাজ্যবাদী বক্তব্যক নসাৎ কৰাৰ অন্তৰালত ভাৰতৰ গ্ৰহণযোগ্য সংস্কৃতিৰ বিশেষ চৰিত্ৰ সম্বন্ধে লুকাই থকা এক গৰ্বই অত্যন্ত গুৰুত্বপূৰ্ণ মনস্তাত্ত্বিক ভূমিকা পালন কৰিছে'।[১৩] আজি কেইবছৰমানৰ

আগতে এছিয়াটিক ছ'চাইটি দিয়া এটা চমু ভাষণত ড° সেনে সাম্প্ৰতিক ভাৰতীয় চিন্তাধাৰাত জাতীয়তাবাদী ঐক্যৰ ধাৰণাৰ প্ৰভাৱৰ কেতবোৰ ইতিবাচক দিশৰ বিষয়ে বুদ্ধিদীপ্ত মন্তব্য আগবঢ়াইছে। তেওঁৰ সামগ্ৰিক উপলব্ধি হ'ল এনেকুৱা যে স্বাধীনোত্তৰ ভাৰতবৰ্ষত জাতীয়তাবাদী সংস্কৃতিয়ে ক্ষমতাৰ লগত সাঙোৰ খাই থকা কথাটো সঁচা, তথাপি আজিকোপতি ভিন্ন ধৰ্ম, ভাষা, লোক-সমাজসমূহৰ সুকীয়া অস্তিত্ব সত্ত্বেও ভাৰতীয় ঐক্যৰ মাজত থকা এক বাস্তৱ সত্যক ই প্ৰতিনিধিত্ব কৰি আহিছে। অৱশ্যে নেতিবাচক দিশসমূহৰ প্ৰতিও তেওঁ সমানেই সচেতন। সাম্প্ৰতিক কালৰ গৱেষণা আৰু সাংস্কৃতিক বিশ্লেষণ আদিয়ে আঙুলিয়াই দি তেওঁ স্পষ্টভাৱে ঘোষণা কৰিছে যে ঊনবিংশ শতিকাত ভাৰতীয় সংস্কৃতি আৰু ইতিহাসত যি সীমাহীন ঐক্যৰ কথা কোৱা হৈছিল, প্ৰকৃততে সেয়া অতি সৰলতাৰ দোষত ভুগিছিল। বিশেষকৈ সাম্প্ৰতিক ভাৰতবৰ্ষত নৃতাত্ত্বিক পৰিপ্ৰেক্ষিতৰ পৰা যিবিলাক প্ৰসংগ অৱতাৰণা কৰা হৈছে, তাত অভিন্নসূচক বৈশিষ্ট্যবিলাকৰ তুলনাত বিভেদৰ উপাদানসমূহৰ ওপৰতে বেছি গুৰুত্ব দিয়া হৈছে।[১৪] অৰ্থাৎ জাত-পাত-ধৰ্ম, আঞ্চলিকতাবাদ আদিক লৈ যি নতুন নতুন সমস্যাৰ উদ্ভাৱন হৈছে— তাৰ সমাধান পৰম্পৰাগত ইতিহাস চৰ্চাত আছে নে নাই? প্ৰসংগক্ৰমে এটা কথা উনুকিয়াই থোৱা উচিত হ'ব যে স্বাধীনোত্তৰ কালত ঊনবিংশ শতিকাৰ মতাদৰ্শগত সংস্কৃতিৰ কিছু বৈপ্লৱিক উত্তৰণো ঘটিছে। A peradigm shift in the understanding of historical change in India was introduced by Marxist interpretations that began as historical debates from the 1950s onwards[১৫] এইধৰণৰ নতুন বিতৰ্কই ইতিহাস চৰ্চাক ঊনবিংশ শতিকাৰ সৰলতাৰ পৰা মুক্তি দি ভাৰতীয় জীৱনৰ জটিল ৰূপসমূহ পোহৰলৈ আনিছে। কিন্তু কিছু ভিন্নতা থাকিলেও জাতীয় আন্দোলন, নেতৃত্ব আৰু কেন্দ্ৰীয় ভাবধাৰাৰ প্ৰতি যে মাৰ্ক্সবাদী ইতিহাস ৰচনাতত্ত্ব শ্ৰদ্ধাশীল সেই কথা বুজিব পাৰি। 'It seems to me that there is now a general understanding that the national movement was a united front of all classes of the Indian people, the peasantry, other petty bourgeoisic, the bourgeoisic and the working class, to the exclusion of the big landowners and princes. The major nationalist organization, the Indian National Congress, did not always reflect the united front, although as in the late 1930, it came very close to such a position[১৬] অধ্যাপক বিপান চন্দ্ৰয়ো লিখিছে, 'the national movement derived its entire force from the militancy and self-sacrificing spirit of the masses.'[১৭] ঊনবিংশ শতাব্দীৰ বুৰ্জোৱা লিবাৰেল আদৰ্শৰ লগত মাৰ্ক্সবাদী আদৰ্শৰ আপোচৰ কথা ইয়াত অহা নাই, কিন্তু যিটো প্ৰশ্ন উঠিছে, সেয়া হৈছে জাতীয় কংগ্ৰেছৰ গণতান্ত্ৰিক ৰূপে আৰু আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামত প্ৰাসংগিকতা লাভ কৰা মতাদৰ্শসমূহৰ ধাৰাবাহিকতা। অৰ্থাৎ ঊনবিংশ শতিকাৰ ভাবধাৰাই, যাৰ বাস্তৱ আত্মপ্ৰকাশ ঘটিছিল

স্বাধীনতা আন্দোলনৰ মাজত, স্বাধীনোত্তৰ কালৰ প্ৰথম ভাগৰ ইতিহাস চৰ্চাক প্ৰভাৱান্বিত কৰিছিল। মতাদৰ্শগত দিশৰ পৰা এয়াও আছিল এক আত্মপ্ৰতিষ্ঠাৰে দৰ্শন, কিন্তু গুৰুত্বপূৰ্ণ কথাটো আছিল এয়েই যে ধ্ৰুপদী জাতীয়তাবাদী ধাৰণাই ৰাষ্ট্ৰযন্ত্ৰৰ প্ৰচাৰ মাধ্যমসমূহক অতিক্ৰম কৰি জনগণৰ ঐক্য-সংহতিৰ সংস্কৃতিক প্ৰতিনিধিত্ব কৰাৰ যত্ন কৰিছিল।

এলিট সাংস্কৃতিক প্ৰত্যাহ্বান :

কিন্তু প্ৰশ্ন উঠিছে, উনবিংশ শতিকাৰ ভাবাদৰ্শসমূহ সাম্প্ৰতিক কালত কিমানদূৰ গ্ৰহণযোগ্য হৈ আছে? বিশেষকৈ এই ঐতিহ্যৰ উত্তৰসূৰী স্বাধীনতা আন্দোলনৰ মাজেৰে আত্মপ্ৰকাশ কৰা বুদ্ধিজীৱীসকলে স্বাধীনোত্তৰ কালৰ ৰাষ্ট্ৰসংস্কৃতিৰ কিদৰে সন্মুখীন হৈছে? 'The intellectual community which was formed during the period of National Movement disinterated itself after independence. Most of the members of that community almost automatically became part of the administrative community. A substantially strong community did emerge from within the left block particularly in area like Kerala, Bengal, Andhra Pradesh. Over the years it has been a diminishing community.'[১৮] এইটো কথা ঠিক যে প্ৰাথমিক পৰ্যায়ত হয়তো জাতি, জাতীয়তা আদিৰ ধাৰণাৰ লগত জাতি, ৰাষ্ট্ৰৰ মৌলিক প্ৰভেদসমূহলৈ বেছিকৈ দৃষ্টিগোচৰ হোৱা নাছিল। যি কি নহওঁক, বুদ্ধিজীৱীসকলৰ মতাদৰ্শগত সংকটে স্বাধীনোত্তৰ কালৰ ইতিহাস চৰ্চাক বিপদগ্ৰস্ত কৰি তুলিছে। সংখ্যাগৰিষ্ঠ জনগণৰ আত্মপ্ৰতিষ্ঠা, লোক সমাজসমূহৰ ভিন্নতা আদিৰ প্ৰসংগত এক বিকল্প সংস্কৃতিৰ নিৰ্মাণত পৰম্পৰাগত ইতিহাস চৰ্চা বিফল হৈছে। পৰিস্থিতিটো অধিক জটিল হৈ পৰিছে বিশ্বায়ন ব্যৱস্থাৰ পুঁজিবাদী আগ্ৰাসনে। মন কৰিবলগীয়া যে ঔপনিৱেশিক আমোলত মুঠ জনসংখ্যাৰ শতকৰা দহভাগ মানকহে শ্ৰেণী কোঠাৰ মাজত ঔপনিৱেশিক আদৰ্শৰ শিক্ষা দিয়া হৈছিল। বেছিভাগৰে ইয়াৰ লগত সম্পৰ্ক বা প্ৰভাৱ আছিল পৰোক্ষ আৰু কিছু অংশত। কিন্তু ইয়াৰ বিপৰীতে সাংস্কৃতিক বিশ্বায়নে অধিক জনগণক সামৰি লৈছে, বিশেষকৈ উচ্চ মধ্যবিত্ত পৰিয়ালৰ বাসগৃহসমূহত দূৰদৰ্শন তথা অন্যান্য মাধ্যমেৰে আক্ৰমণ চলাইছে। ফলস্বৰূপে মধ্যবিত্তৰ চিন্তা-ভাৱনাৰ ধৰণ, জীৱনৰ মূল্যবোধ, ভোগৰ ধৰণ, আনকি প্ৰেম-যৌনতা আদি মানৱীয় প্ৰবৃত্তিৰ লগত সম্পৰ্কিত বিষয়সমূহৰ প্ৰতি দৃষ্টিভংগীৰো আমূল পৰিবৰ্তন ঘটিছে। শক্তিশালী এই শ্ৰেণীটোৱে আমেৰিকাৰ সংস্কৃতি গ্ৰহণ কৰাৰ ভয়াবহ পৰিণাম হ'ল এয়েই যে এওঁলোকে প্ৰাধান্য প্ৰতিষ্ঠা কৰা শ্ৰেণীসমূহৰ ওপৰত এই সংস্কৃতি জাপি দিয়ে। এনে পটভূমিত যোৱা দুই দশকমানৰ ভিতৰত বিকাশ হোৱা ইতিহাস চৰ্চাই সাম্প্ৰতিক ভাৰতীয় সমাজৰ বিচাৰ-বিশ্লেষণৰ ক্ষেত্ৰত 'এলিট সংস্কৃতি' প্ৰধান অন্তৰায় হৈ থকা বুলি অভিহিত কৰিছে।

এক নতুন ধৰণৰ সামাজিক ইতিহাস লিখা হৈছে, য'ত ওপৰৰ পৰা ইতিহাস চৰ্চাৰ পৰিৱৰ্তে তলৰ পৰা ইতিহাস চৰ্চাৰ ধাৰা প্ৰতিষ্ঠা হৈছে।[২০] আনকি পৰম্পৰাগত উচ্চবৰ্গীয় সংস্কৃতিত অন্তৰ্নিহিত লিংগ বৈষম্যৰ বিৰুদ্ধে সৰব হৈ উঠিছে নাৰীবাদী ইতিহাস চৰ্চা।[২১] নৃতাত্ত্বিক বিশ্লেষণ, নাৰী সমস্যা আদিৰ উপৰি নতুন সামাজিক ইতিহাসৰ মূল লক্ষ্য হৈছে পৰম্পৰাগত ইতিহাস চৰ্চাই উপেক্ষা কৰি যোৱা (বহুক্ষেত্ৰত মাৰ্ক্সীয় বিশ্লেষণটো ঠাই নোপোৱা) সমাজৰ এক বহল অংশক তথা তেওঁলোকৰ সংস্কৃতিক ইতিহাসৰ মূল সুঁতিত স্থান দিয়া। অধ্যাপক ৰঞ্জন চক্ৰৱৰ্তীৰ বক্তব্যই কথাখিনি অধিক স্পষ্ট কৰি তুলিব। 'The principal cocern of this variant of social history is to bring under its purview new social classes and marginal groups of all kinds including even the criminals, prostitutes, epdemic disease, popular idieas and the mysterious pathways of mental structures.'[২২]

মতাদৰ্শগত দৃষ্টিকোণৰ পৰা ইতিহাস চৰ্চাত উচ্চবৰ্গীয় সংস্কৃতিৰ বিকল্পৰূপে নিম্নবৰ্গৰ সংস্কৃতি আনকি সুসংহত ৰূপ দাঙি ধৰিছে ছাব অলটাৰ্ণ গোষ্ঠীৰ ঐতিহাসিকসকলে। ১৯৮২ চনত প্ৰকাশ পোৱা 'চাবঅল্টাৰ্ণ ষ্টাডিজ'ৰ প্ৰথম খণ্ডত এই ধাৰণাৰ মূল প্ৰবক্তা ড° ৰঞ্জিত গুহই প্ৰকাশ কৰা ধাৰণা অনুসৰি ভাৰতীয় জাতীয়তাবাদী ইতিহাস ৰচনাতত্ত্বৰ ওপৰত বহুকাল ধৰি উচ্চবৰ্গীয় দৃষ্টিভংগীয়ে আধিপত্য বিস্তাৰ কৰি আহিছে। এই চিন্তাধাৰা ঔপনিবেশিকবাদী আৰু ভাৰতীয় জাতীয়তাবাদী বুৰ্জোৱাৰ। এই দুইধৰণৰ দৃষ্টিভংগীৰ মাজতে পক্ষপাতিত্ব আছে। এওঁলোকে ক'ব খোজে যে ভাৰতীয় চেতনাৰ বিকাশ ঘটোৱাৰ কীৰ্তি একমাত্ৰ উচ্চবৰ্গীয় বা এলিটসকলৰহে।[২৩] তেনেহ'লে ঊনবিংশ শতিকাৰ পৰা প্ৰবাহিত জাতীয় ঐক্য, জাতীয় চিন্তা আদিৰ প্ৰসাৰত নিম্নবৰ্গৰ ভূমিকা কি? 'That, however, historical writing of this kind cannot do is to explain Indian Nationalism for us. For it fails to acknowledge, for less interpret, the contribution made by the people on their own, that is, independently of the elite to the making and development of this nationalism.'[২৪] নিম্নবৰ্গৰ বিকল্প সংস্কৃতি নিৰ্মাণৰ তত্ত্বটো অকণমান বহলাই ক'লে এনেকুৱা হ'ব— শ্ৰেণী বিভক্ত সমাজ ঐতিহাসিক মাল-মচলা বক্ষিত হয় উচ্চবৰ্গৰ স্বাৰ্থসিদ্ধিৰ প্ৰয়োজনত। এই সময়সমূহত নিম্নবৰ্গৰ চেতনাৰ স্বতন্ত্ৰতা কাচিৎহে পৰিলক্ষিত হয়। বহুক্ষেত্ৰত নিম্নবৰ্গক ভীৰু আৰু নিষ্ক্ৰিয় তথা অনুগত জীৱ হিচাপে দেখুওৱা হয়। অন্যৰ দ্বাৰাই যেন এওঁলোক পৰিচালিত হয়। একমাত্ৰ ৰাজনৈতিক বিদ্ৰোহ সংঘটিত কৰিলে সক্ৰিয় প্ৰতিপক্ষ হিচাপে শাসক গোষ্ঠীসমূহে এওঁলোকক গ্ৰাহ্য কৰে। এনেধৰণৰ ঐতিহাসিক বিৱৰণৰ পৰা নিম্নবৰ্গৰ চেতনাৰ আপেক্ষিক স্বতন্ত্ৰপৰাধীনতাৰ দ্বৈত চৰিত্ৰটো উদ্‌ঘাটন কৰাই নিম্নবৰ্গৰ ইতিহাস চৰ্চাৰ প্ৰধান দিশ বুলি গৃহিত হৈছে।[২৫]

এলিট সংস্কৃতি আৰু এলিটৰ ভূমিকাৰ প্ৰতি সমালোচনামূলক দৃষ্টিভংগী লৈয়ে নিম্নবৰ্গৰ সাংস্কৃতিক মতাদৰ্শ গঢ় লৈ উঠিছিল। বিশেষকৈ সামাজিক ইতিহাসত নতুনকৈ স্থান লাভ কৰা শ্ৰেণীসমূহৰ বৈপ্লবিক সংস্কৃতিৰ উত্তৰণৰ সম্ভাৱনা ইয়াৰ মাজতে আছিল। কিন্তু পৰম্পৰাগত মূল্যবোধৰ পৰা বিচ্ছিন্ন এনেধৰণৰ চিন্তাই সমাজক প্ৰকৃততে কিমানদূৰ আগুৱাই নিব পাৰে সেই বিষয় লৈ আমি এতিয়া ঘূৰি আহিম।

উত্তৰ আধুনিক সংস্কৃতি :

প্ৰসংগক্ৰমে যিটো মৌলিক প্ৰশ্ন উত্থাপিত হৈছে, সেয়া হ'ল নিম্নবৰ্গৰ সংস্কৃতিয়ে জনগণৰ স্বাৰ্থত কিবা বিকল্প পথ সঁচাকৈয়ে ৰাখিব পাৰিছে নেকি। ইতিমধ্যে এই ধৰণৰ ইতিহাস ৰচনাৰ পদ্ধতি লৈ বহু আলোচনা-সমালোচনা হৈছে। 'ছাব অলটাৰ্ণ ষ্টাডিজ'ৰ আঠটা খণ্ড প্ৰকাশ হোৱাৰ পিছত ইয়াৰ সামগ্ৰিক মূল্যায়ন ভিত্তিক প্ৰকাশ হোৱা বাংলা সংস্কৰণৰ ভূমিকাত এটা বিষয় স্পষ্টভাৱে কোৱা হৈছে। 'গ্ৰামচিৰ ইংগিতসমূহ অনুসৰণ কৰিয়েই নিম্নবৰ্গৰ ধাৰণাটোৰ উদ্ভৱ। কিন্তু তাক প্ৰয়োগ আৰু বিস্তাৰ কৰা হৈছে ভাৰতবৰ্ষৰ সমাজত ইতিহাসৰ ক্ষেত্ৰত। ইয়াৰ ফলত মাৰ্ক্সীয় তত্ত্ব আৰু বিশ্লেষণ পদ্ধতিত কেতবোৰ নতুন সম্ভাৱনাৰ সৃষ্টি হৈছে। অৱশ্যে আমাৰ আলোচনাত যিহেতু ৰাষ্ট্ৰ সংস্কৃতিৰ বিকল্প নিৰ্মাণৰ প্ৰশ্নটো জড়িত হৈ আছে, তেনেস্থলত প্ৰশ্ন উঠিব নতুন ইতিহাস চৰ্চাত মাৰ্ক্স বা গ্ৰামচিৰ ৰাষ্ট্ৰ সম্পৰ্কীয় ধাৰণাবোৰ কিমানদূৰ ৰক্ষিত? সাম্প্ৰতিক সামাজিক ইতিহাসে তথাকথিত শ্ৰেণী কাঠামোৰ বাহিৰলৈ গৈ নিম্নবৰ্গৰ সংস্কৃতিৰ সন্ধান কৰিছে, ফলত সমাজৰ মৌলিক দ্বন্দ্ববোৰ বুজাত ফুকোৰ বিমূৰ্ত-ক্ষমতা-তত্ত্ব প্ৰায়োগিক দিশৰ পৰা অতি গুৰুত্বপূৰ্ণ হ'ব বুলি ভবা হৈছে। প্ৰকৃততে নতুন প্ৰৱণতাসমূহৰ মূল ভিত্তি হ'ল ইতিহাস চৰ্চাৰ লগত উত্তৰ আধুনিক সংস্কৃতিৰ মিলন। এই মিলন বাৰু কেনেকুৱা হ'ব পাৰে? ছাব অলটাৰ্ণ ইতিহাস চৰ্চাৰ প্ৰসংগ টানি আনি ড° অমৰ্ত্য সেনে লিখিছে, 'উচ্চবৰ্গকে আধুনিকতাৰ অগ্ৰদূতৰূপে মানি ল'লে নিম্নবৰ্গৰ ধাৰণাৰ লগত উত্তৰ আধুনিকতাবাদৰ মিলন স্বাভাৱিক।'[২৮] ছাব অলটাৰ্ণ গোষ্ঠীৰ চিন্তাধাৰাৰ মাজত থকা সম্ভাৱনাময় দিশসমূহ মানি লৈও ড° সেনে সংশয় প্ৰকাশ কৰা দিশটো হ'ল আধুনিকতা বৰ্জন সম্পৰ্কীয়। তেওঁৰ মতে সাম্প্ৰতিক ভাৰতৰ ইতিহাস চৰ্চাত আধুনিকতাৰ বিপৰীতে ঐতিহ্যমুখী প্ৰৱণতা গা কৰি উঠাৰ ভয়াবহ পৰিণাম হ'ব পাৰে। বিশেষকৈ, বিজ্ঞানৰ প্ৰতি উত্তৰ আধুনিক সাহিত্যভিত্তিক আৰু মননগত আন্দোলনৰ যি শীতল আৰু বৈৰী মনোভাৱ আছে, তাৰ নেতিবাচক প্ৰভাৱ পশ্চিমৰ উন্নত ৰাষ্ট্ৰসমূহতকৈ ভাৰতৰ নিচিনা বিভিন্ন ভেদাভেদ থকা দেশ এখনত অধিক সক্ৰিয় হোৱাৰ সম্ভাৱনাই বেছি।'[২৯] অৱশ্যে প্ৰথম অৱস্থাত ছাব অলটাৰ্ণ চৰ্চাত অতীতৰ প্ৰতি সুবিচাৰ বৰ্তমানৰ প্ৰতি অবিচাৰলৈ

পৰ্যবসিত হোবাৰ লক্ষণসমূহ ফুটি উঠা নাছিল। কিন্তু যেতিয়াৰ পৰা ইতিহাস চৰ্চাৰ এই ধাৰা আধুনিকতাবাদ বিৰোধিতাৰ লগত যুক্ত হ'ল, তেতিয়াৰ পৰাই অতীতৰ প্ৰতি সুবিচাৰ আৰু বৰ্তমানৰ প্ৰতি অবিচাৰৰ মাজত এটা সংযোগ স্থাপন হ'ল।[৩০]

হিন্দুত্ব সংস্কৃতিৰ আগ্ৰাসন ঃ

এনেধৰণৰ ইতিহাস চৰ্চাই নিম্নবৰ্গৰ ভূমিকাৰ প্ৰশ্নটো অৱতাৰণা কৰিলেও তেওঁলোকৰ সামাজিক মতাদৰ্শ সাংস্কৃতিক পশ্চাদপদতাত ভোগাৰ আশংকাহে বেছি। বিশেষকৈ ভাৰতীয় ঐক্য-সংহতি আদিৰ প্ৰশ্নত কেতবোৰ মৌলিক কেন্দ্ৰীয় ধাৰণা নাকচ হোৱাৰ লগে লগে বিশ্বায়ন যুগৰ ৰাষ্ট্ৰীয় সাংস্কৃতিক বা-মাৰলীত ভাৰতীয় জাতীয় জীৱন খণ্ড-বিখণ্ড হৈ যোৱাৰহে উপক্ৰম ঘটিছে। কিন্তু পশ্চাদগামী জনগণৰ সন্মুখত সাম্প্ৰতিক এই প্ৰত্যাহ্বান আহিছে মূলতে 'হিন্দুত্ব'ৰ দৰে এক ৰক্ষণশীল সংস্কৃতিৰ ধাৰণাৰ মাজেৰে। ৰাষ্ট্ৰৰ 'হিন্দুত্ব'ৰ বিপৰীতে আকৌ অন্যান্য মৌলবাদী সংগঠনসমূহো গা কৰি উঠিছে। দেশৰ সংখ্যাগৰিষ্ঠ জনগণে আজি জীৱন ধাৰণৰ মৌলিক সমস্যাসমূহৰ সমাধানৰ বাবে প্ৰতিবাদী আন্দোলন গঢ়ি তোলাৰ প্ৰশ্নত প্ৰয়োজন হৈ পৰিছে 'হিন্দুত্ব'ৰ আৱৰণৰ বিৰুদ্ধে বিকল্প সংস্কৃতি নিৰ্মাণ কৰা। কিন্তু এয়া জানো সম্ভৱ হৈছে? কাৰণ পৰিতাপৰ কথা হ'ল এয়েই যে 'হিন্দুত্ব'ৰ ধাৰণাৰ লগত অকল ৰাষ্ট্ৰ সংস্কৃতিয়েই জড়িত হৈ থকা নাই, বৰঞ্চ জনগণৰ সাংস্কৃতিক পশ্চাদপদতাই তাক পোহ-পাল দি ৰাখিছে। কাৰণ বিচাৰিলে দেখা পাম উত্তৰ আধুনিক ইতিহাস চৰ্চাৰ বিজ্ঞান বৈৰীতাৰ লগত সংযুক্ত হৈছে ঊনবিংশ শতিকাৰ ঔপনিৱেশবাদ বিৰুদ্ধ প্ৰতিক্ৰিয়াৰ এটা গুৰুত্বপূৰ্ণ দিশ। সেয়া হৈছে, ভাৰতীয়ৰ আত্ম-পৰিচয় গঢ় দিয়াৰ ক্ষেত্ৰত যুক্তিনিৰ্ভৰ আলোচনাতকৈও আধ্যাত্মিকতাৰ ওপৰত অধিক গুৰুত্ব দিয়া বিষয়টো। ঊনবিংশ শতিকাৰ পটভূমিত ইয়াৰ কিছু প্ৰাসংগিকতা থাকিলেও সাম্প্ৰতিক সময়ত জনগণৰ আত্মপ্ৰত্যয় জগাই তুলিবলৈ তেনেধৰণৰ নেতিবাচক দৰ্শন ব্যৱহাৰ কৰিলে আমাৰ আত্মপৰিচয়ৰ সংকটহে দেখা দিব।[৩১] ইতিহাস চৰ্চাই আত্মপ্ৰতিষ্ঠাৰ বিপৰীতে যদি আত্মসংকটৰ সংস্কৃতিক প্ৰশ্ৰয় দিবলৈ লয়, ইয়াৰ পৰিণাম ভাৰতীয় জীৱনৰ বাবে স্বাভাৱিকতে ভয়ংকৰ হোৱাৰ আশংকাই বেছি।

সামৰণি ঃ

ইতিহাস ৰচনা-তত্ত্বৰ আলোকত মতাদৰ্শগত সংস্কৃতিৰ ক্ষেত্ৰখনৰ এক চমু পৰ্যালোচনাই আছিল আমাৰ এই আলোচনাৰ মূল লক্ষ্য। গ্ৰামচি চিন্তাধাৰাৰ কেতবোৰ কেন্দ্ৰীয় ধাৰণা লৈয়ে ইয়াৰ ৰাষ্ট্ৰ সংস্কৃতিৰ বিকল্প সমান্তৰাল সংস্কৃতিৰ প্ৰসংগ উত্থাপন কৰা হৈছে।

কিন্তু সাম্প্ৰতিক ৰাষ্ট্ৰ সংস্কৃতিৰ বিশ্লেষণ বা ইয়াৰ বিকল্প নিৰ্মাণৰ চৰিত্ৰগত দিশসমূহৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হোৱা নাই। আমি কেৱল ইয়াত ইতিহাস চৰ্চাৰ মাজেৰে বিকল্প সংস্কৃতি নিৰ্মাণৰ এক বাস্তৱ ভিত্তি প্ৰস্তুত কৰাৰ ওপৰত গুৰুত্ব দিছো। আমি বিশ্বাস কৰো যে 'সকলো প্ৰকৃত ইতিহাসেই হ'ল সমসাময়িক ইতিহাস', সেয়েহে প্ৰতিটো যুগৰ জনগণৰ আত্মপ্ৰতিষ্ঠাৰ বাস্তৱ সমস্যাক লৈ ঐতিহাসিকসকলে ইতিহাস চৰ্চা কৰাটো স্বাভাৱিক। এনেকৈয়ে আত্মপ্ৰতিষ্ঠা, ইতিহাস চৰ্চা আৰু সাংস্কৃতিক মতাদৰ্শৰ মাজত মিলন সাকোঁ প্ৰতিষ্ঠা হয়। অৱশ্যে প্ৰসংগক্ৰমে এটা গুৰুত্বপূৰ্ণ দিশ অৱতাৰণা কৰাটো উচিত হ'ব, সেয়া হ'ল মতাদৰ্শগত আলাপ-আলোচনা বা বিতৰ্ক আদি বিষয়সমূহ বৌদ্ধিক ইতিহাসৰ অংগ। ফলত বুদ্ধিজীৱীসকলৰ স্থিতিৰ ওপৰত সমাজৰ শ্ৰমজীৱী জনগণৰ অগ্ৰণী অংশটোৰ বৈপ্লৱিক সত্তা বিকাশৰ প্ৰশ্নটো বহুখিনি নিৰ্ভৰ কৰিব। কিন্তু বৌদ্ধিক চিন্তা-চৰ্চা আৰু সাংস্কৃতিক মতাদৰ্শ অবিহনে যিহেতু সমাজ ৰূপান্তৰ হ'ব নোৱাৰে, এনে পৰিস্থিতিত সমাজতন্ত্ৰত বিশ্বাসী 'জৈৱিক বুদ্ধিজীৱীসকলেই বৌদ্ধিক বিতৰ্ক, ৰাজনৈতিক বা অন্যান্য সামাজিক সংগঠনৰ হৈ কাম-কাজৰ মাজেৰে এক বিকল্প সংস্কৃতিৰ নিৰ্মাণৰ বাবে জনগণক প্ৰস্তুত কৰিব লাগিব।

প্ৰসংগ-পুথি ঃ

১। K. N. Panikar : Culture and consciousness in Modern India. p-23, New Delhi, 1992

২। গোপাল হালদাৰ ঃ সংস্কৃতিৰ বিশ্বৰূপ, পৃষ্ঠা-২৪, কলিকতা, ১৯৮৬।

৩। ঐ, পৃষ্ঠা-২৮

৪। Quintin Hoare and Geoffrey Nowell Smith
Edited and translated : Antonio Gramsci, Selections from the Prison Notebooks, p-333, Channai, 1998.

৫। শোভনলাল দত্তগুপ্ত সম্পাদিত ঃ আনটোনিও গ্ৰামচি বিচাৰ বিশ্লেষণ। প্ৰথম খণ্ড, পৃষ্ঠা-২৯-৩০, কলিকতা, ১৯৯৩।

৬। Quintin Hoare and Geoffrey edited : উল্লিখিত গ্ৰন্থ, বিশদ বিৱৰণৰ বাবে— 'Problems of History and Culture' অধ্যায় চাব পাৰি, পৃ-১-১৪।

৭। Romila Thapar : Early India, p-3, New Delhi, 2002.

৮। Amartya Sen : On interpreting India's Past. p-1, Calcutta, 1996.

৯। K. N. Panikar : Culture, Ideology, Hegemony Intellectuals and Social consciousness in Colonial India. p-87, New Delhi, 1998.

১০। K. N. Panikar : Culture and consciousness in Modern India, p-4-9. New Delhi, 1992.

১১। Bipan Chandra : Indian National Movement : The long Yerns Dynamics, p-3, New Delhi, 1989.

১২। Amartya Sen : উল্লিখিত গ্রন্থ, পৃ-১৬।

১৩। ঐ, পৃ-১৭-১৮।

১৪। Romila Thapar : উল্লিখিত গ্রন্থ, পৃ-২২।

১৫। Irfan Habib : Essays in Indian History : Towards Merxist Perception, p-9-10, New Delhi, 1997.

১৬। Bipan Chandra : উল্লিখিত গ্রন্থ, পৃ-২২।

১৭। K. N. Panikar : Culture and Conciousness in Modern India, p-34, New Delhi-1992.

১৮। Aijaz Ahmed : On Communalism and Globalization, Offensives of the For Right, p-112-113, New Delhi, 2002.

১৯। A. K. Dutta Edited : Intellectual History, Published by Bardowan University, 2000. ইয়াতে সন্নিবিষ্ট রঞ্জন চক্রবর্তীর প্রবন্ধ Gime and Socity : A Historigraphical Quest, p-169.

২০। John C B Webster : Studing History, p-6, New Delhi, 1997.

২১। রঞ্জন ভট্টাচার্যর উল্লিখিত প্রবন্ধ, পৃ-১৭০।

২২। Ranjit Guha edited : Subalteran studies I, OUP, p-1.

২৩। ঐ, পৃ-৩।

২৪। গৌতম ভদ্র, পার্থ চট্টোপাধ্যায় সম্পাদিত : নিম্নবর্গের ইতিহাস, পৃ-৮, কলিকতা, ১৯৯৮।

২৫। ঐ, পৃষ্ঠা-৫।

২৬। রঞ্জন ভট্টাচার্যর উল্লিখিত প্রবন্ধ, পৃ-১৭৮।

২৭। Amartya Sen : উল্লিখিত গ্রন্থ, পৃ-২৯।

২৮। ঐ পৃ-৩০।

২৯। ঐ পৃ-৩৪।

৩০। ঐ পৃ-৩০, ৩১।

বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ অসমৰ ঔপনিৱেশিক ভূমি ৰাজহ ব্যৱস্থা

ভাৰতবৰ্ষত বৃটিছ শাসন প্ৰতিষ্ঠাৰ পাছৰ পৰা নতুন ভূমি ব্যৱস্থাৰ পত্তন, ভূমি ৰাজহ প্ৰশাসন আদিৰ বাবে বিষয়বোৰে বিশেষ গুৰুত্ব পাই আহিছে। ইয়াৰ মূল কাৰণ আছিল ঔপনিৱেশিক শক্তিৰ সুদৃঢ়কৰণ আৰু প্ৰসাৰণ ক্ষেত্ৰত ৰাজহ শোষণৰ ভূমিকা। বিশেষকৈ উনবিংশ শতিকাৰ মাজভাগৰ পৰাই চিপাহী বিদ্ৰোহ দমনৰ নামত ভাৰত চৰকাৰৰ খৰচ বৃদ্ধি, ইংলেণ্ডৰ শিল্পপতিসকলৰ হেঁচাত আমদানিজাত পণ্যৰ ওপৰত শুল্ক ৰেহাই, ভাৰতৰ প্ৰশাসনৰ নামত মাতৃভূমিৰ ব্যয়ৰ শিতান বাঢ়ি যোৱা আদি বিভিন্ন কাৰণত বৃটিছ-ভাৰত চৰকাৰে পৰিকল্পিতভাৱে ভূমি ৰাজহ বৃদ্ধিৰ নতুন কৌশল উলিয়াবলৈ বাধ্য হ'ল।[১] ইতিমধ্যে জমিদাৰী ব্যৱস্থাৰ নিৰ্ধাৰিত হাৰত খাজনা সংগ্ৰহৰ ব্যৱস্থাৰ প্ৰতি প্ৰশাসকসকলৰ মোহভংগ হৈছিল, ফলত উনবিংশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ পৰাই প্ৰভাৱশালী অৰ্থনীতিবিদ ডেভিড ৰিকাৰ্ডোৰ প্ৰভাৱতে ভাৰতবৰ্ষত ৰায়তৱাৰী ব্যৱস্থা প্ৰৱৰ্তনৰ কাম-কাজ পৰীক্ষামূলকভাৱে আৰম্ভ কৰা হয়। ৰায়তক মালিকীস্বত্ব দিয়া, ৰায়তৰ লগত চুক্তি সম্পাদন কৰা আৰু মূলতঃ উৎপাদিত কৃষিজাত দ্ৰব্যৰ এটা অংশ কৃষকৰ পৰা ৰাজহ হিচাপে সংগ্ৰহ কৰাই আছিল এই ব্যৱস্থাৰ অন্তৰ্গত অন্যতম দিশ।[২] ওপৰে ওপৰে চালে ব্যৱস্থাটোৰ কিছু উদাৰনৈতিক উপাদান চকুত পৰে, কিন্তু গভীৰ সামাজিক বৈষম্য সৃষ্টিৰ লগতে পৰ্যায়ক্ৰমে খাজনা বৃদ্ধি কৰি যোৱাই আছিল ইয়াৰ মূল লক্ষ্য। এই কাৰণতে দেখা গ'ল, ১৯২৮-২৯ চনৰ ভিতৰত ভাৰতবৰ্ষৰ কৃষি অঞ্চলৰ মুঠ আবাদী মাটিৰ ৫২ শতাংশই উপৰোক্ত ব্যৱস্থাৰ মাজলৈ অনা হ'ল।[৩]

অসমত বৃটিছ শাসন প্ৰতিষ্ঠা হোৱাৰ পাছত আগৰ পাইক ব্যৱস্থাৰ ঠাইত মুদ্ৰা অৰ্থনীতিৰ প্ৰসাৰৰ প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ হয়। এই ক্ষেত্ৰত সকলোতকৈ গুৰুত্বপূৰ্ণ আছিল নতুন ভূমি ব্যৱস্থা প্ৰৱৰ্তন কৰা। ১৮৫৩ চনত অসমলৈ অহা মিল চাহাব আৰু অসমীয়া মধ্যবিত্তৰ অগ্ৰণী প্ৰতিনিধি আনন্দৰাম ঢেকিয়াল ফুকনে অসমতে ৰায়তৱাৰী ব্যৱস্থাৰ প্ৰসাৰৰ ওপৰতে অত্যধিক গুৰুত্ব দিয়ে। এই ব্যৱস্থাৰ লগত সম্পৰ্কিত নতুন সামাজিক সংগঠনৰ প্ৰতি দুয়ো আকৃষ্ট হৈছিল যদিও দুয়োৰে উদ্দেশ্য আছিল বেলেগ।

ড° অমলেন্দু গুহই লিখিছে— "To sum up, both Dhekial Phukan and Mills wanted the independent ryots and the rural gentry to co-exist within the revenue structure. A rural society of small proprietor led by men of some rank and property and supervised by the British authorities– this was that both aimed at.[৪] ঢেকিয়াল ফুকন বুৰ্জোৱা উদাৰনৈতিক চিন্তাধাৰাৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। বিশেষকৈ জমিদাৰী প্ৰথাত থকা ৰক্ষণশীলতাৰ বিপৰীতে উক্ত ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছিল। আনহাতে, মিলচৰ মনোভংগী আছিল সম্পূৰ্ণৰূপে সাম্ৰাজ্যবাদী। মিলচৰ প্ৰতিবেদনৰ ভিত্তিতেই চিলেট আৰু গোৱালপাৰাক বাদ দি অসমৰ সমগ্ৰ কৃষি অঞ্চলতে এই ব্যৱস্থা সুদৃঢ় কৰা হয়। প্ৰথম অৱস্থাত অৱশ্যে ৰায়তৱাৰী ব্যৱস্থাই অসমীয়া কৃষকলৈ কিছু আশাৰ বাণী কঢ়িয়াই আনিছিল। বিশেষকৈ ১৮৮৬ চনত গৃহিত হোৱা অসম ভূমি ৰাজহ সম্পৰ্কীয় নিয়মাৱলী (Assam Land Revenue Regulation, 1886)য়ে কিছু বছৰৰ বাবে চুক্তিবদ্ধ হোৱা কৃষকক মাটিৰ ওপৰত বৈধ অধিকাৰ প্ৰদান কৰে, অৰ্থাৎ চৰকাৰী বাধ্যবাধকতাখিনি মানি থকালৈকে কৃষকজনে এতিয়া মালিকীস্বত্ব লাভ কৰিলে।[৫] অৱশ্যে কৃষকৰ জীৱনযাত্ৰা সিমান সহজ নাছিল। কাৰণ, আমি আগতে উল্লেখ কৰা সাম্ৰাজ্যবাদী নীতিৰ লগত সম্পৰ্কিত ভূমি ৰাজহ বৃদ্ধিৰ প্ৰৱণতা অসমৰ দৰে পিছপৰা অঞ্চল এটাত আৰু বেছি প্ৰাসংগিক আছিল। ইয়াত পুৰণা পাইক প্ৰথাৰ ঠাইত খাজনা সংগ্ৰহ ব্যৱস্থাৰ নামত নগদ টকা উলিয়াই লৈ যোৱাটোৱে আছিল 'সম্পত্তিৰ নিৰ্গমণ তত্ত্ব'ৰ মূল প্ৰাৰম্ভিক ভিত্তি। ভূমি ৰাজহ সংগ্ৰহৰ লগত সংগতিপূৰ্ণ অতি গুৰুত্বপূৰ্ণ দিশটো আছিল— "One important conclusion may now be drawn. It is that British private interprise in Assam was not the outcome of a laissezfair policy. The heavy cost of early experimentation in Assam tea was entirely borne by the Government.[৬] অৰ্থাৎ চাহ শিল্পকে ধৰি অসমৰ উদ্যোগীকৰণ প্ৰক্ৰিয়াটোক সামগ্ৰিকভাৱে চৰকাৰী যন্ত্ৰই সহায় কৰিছিল আৰু ইয়াৰ হেঁচা পৰিছিল কৃষক প্ৰজাৰ ওপৰত। আনকি বিনামূল্যত বা কম হাৰত প্লেণ্টাৰসকলক মাটি দিয়াৰ ক্ষতিপূৰণো দিব লাগিছিল সাধাৰণ প্ৰজাই। ইয়াৰোপৰি ভূমি ৰাজহ বৃদ্ধি কৰি কৃষকসকলক চাহ বাগিচাৰ বনুৱা হিচাপে কাম কৰোৱাৰ বাবে প্লেণ্টাৰসকলে চৰকাৰৰ ওপৰত হেঁচা প্ৰয়োগ কৰিছিল।[৭] এই পটভূমিত অতি প্ৰাসংগিকভাৱেই ১৮৬৭-৬৮ চনৰ ভিতৰত ভূমি ৰাজহ প্ৰায় ১০০ শতাংশ বঢ়াই দিয়া হ'ল। ইয়াৰ পাছতো ১৮৯২-৯৩ চনত হোৱা অস্বাভাৱিক খাজনা বৃদ্ধি আৰু ইয়াৰ পৰিণামৰ কথা ইতিমধ্যে বিভিন্ন গৱেষকে আলোচনা কৰিছে। ভূমি ৰাজহ সংগ্ৰহ প্ৰক্ৰিয়াৰ জটিল কাঠামোৰ মাজতে উনবিংশ শতিকাৰ অসমৰ গ্ৰাম্য জীৱনত শ্ৰেণী বিভাজন ঘটিছিল। ড° অমলেন্দু গুহৰ তথ্যসমৃদ্ধ আলোচনাই দেখুৱাইছে যে উক্ত শতিকাৰ শেষৰ ফালে মুঠ জনসংখ্যাৰ শতকৰা ৮ ভাগ আছিল বৃহৎ ভূ-স্বামী, যিয়ে খেতি নকৰিছিল, ৮৯ ভাগ আছিল

মালিকী স্বত্ব থকা সাধাৰণ কৃষক, ৭ ভাগ আছিল ভূমিহীন কৃষক (tenants) আৰু বাকী ৩ ভাগ আছিল কৃষি বনুৱা।[৮]

বিংশ শতাব্দীৰ প্ৰথমাৰ্দ্ধৰ অসমৰ গ্ৰাম্য অৰ্থনীতিৰ পৰ্যালোচনা আমি এই পটভূমিতে কৰিব লাগিব। আলোচ্য সময়ছোৱাৰ বিশেষভাৱে বৈশিষ্ট্যপূৰ্ণ দিশটো হ'ল কৃষকৰ দৰিদ্ৰতা আৰু ঋণগ্ৰস্ততা। অৱশ্যে সামাজিক বৈষম্যই কৃষকৰ দুৰ্দশাগ্ৰস্ততাৰ মূল কাৰণ বুলি ক'ব নোৱাৰি, অৰ্থাৎ সামাজিক শ্ৰেণী-শোষণৰ প্ৰশ্নটো মুখ্য নহয়। সম্ভৱতঃ ইয়াৰ কাৰণ আছিল স্ব-নিৰ্ভৰশীল অৰ্থনীতিৰ এক কাঠামোগত ভিত্তি। ড° গুহই সঠিকভাৱে উল্লেখ কৰিছে যে বিভিন্ন শ্ৰেণীৰ মাজত শ্ৰেণী সচেতনতাও প্ৰবল নাছিল; আনফালে পৰম্পৰাগত সামাজিক বান্ধোনৰ মাজত ভূ-স্বামী আৰু ভূমিহীন কৃষকৰ মাজৰ সংঘৰ্ষৰ তীব্ৰতা নাছিল।[৯] ইয়াৰ বিপৰীতে আমি প্ৰতিক্ৰিয়াশীল ভূমি ৰাজহ যন্ত্ৰ, ৰাজহ সংগ্ৰহৰ বাবে দমনমূলক ব্যৱস্থাৰ প্ৰয়োগ, অৰ্থনৈতিক সংকটৰ প্ৰভাৱ, মাৰোৱাৰী বা মহাজনী শোষণ আদিৰ বিষয়বোৰকহে অধিক গুৰুত্ব দি আলোচনা কৰিম।

ভূমি ৰাজহ নীতিৰ প্ৰভাৱ : ১৯১২ চনমানৰ পৰা, বিশেষকৈ অসম দ্বিতীয়বাৰ চীফ কমিছনাৰৰ অধীনলৈ অহাৰ পাছৰ পৰা গ্ৰাম্য অৰ্থনীতিৰ সংঘাতপূৰ্ণ দিশটো হ'ল— এফালেদি, দমনমূলক ভূমি ৰাজহ প্ৰশাসন আৰু আনফালেদি কৃষকৰ ওপৰত ঋণৰ বোজা বৃদ্ধি। ইতিমধ্যে আমি ১৮৯২-৯৩ চনলৈকে হোৱা অভাৱনীয় ভূমি ৰাজহ বৃদ্ধিৰ কথা আলোচনা কৰিছো। অৱশ্যে এই সময়ছোৱাত হোৱা কৃষক বিদ্ৰোহসমূহৰ পৰা প্ৰশাসনেও এটা শিক্ষা পাইছিল, ১৮৯২-৯৩ চনৰ খাজনা বৃদ্ধিৰ নীতি যে দুৰ্ভাগ্যজনক আছিল— অন্ততঃ চৰকাৰী মহলেও কথাটো মানি লৈছিল।[১০] ফলস্বৰূপে ইয়াৰ পাছৰ অৰ্থাৎ ১৯০২-১২ চনৰ ভিতৰত হোৱা ভূমি ৰাজহৰ ব্যৱস্থাত চৰকাৰে কিছু নৰম দৃষ্টিভংগী গ্ৰহণ কৰি কৃষকক ৰেহাই দিবলৈ চেষ্টা কৰিলে। বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ জিলাকেইখনত ৰাজহ সামান্যভাৱেহে বৃদ্ধি কৰা হ'ল। আনকি বিদ্ৰোহৰ কেন্দ্ৰস্থল মংগলদৈ অঞ্চলত খাজনা শতকৰা ৬ ভাগ কমাই দিয়া হ'ল।[১১] অৱশ্যে এয়া আছিল সাময়িক তোষণ নীতি। প্ৰশাসনে ভূমি ৰাজহ বঢ়োৱাৰ বাবে এইবাৰ এটা নতুন তত্ত্ব খাড়া কৰিলে। তেওঁলোকৰ মতে চাহ শিল্পৰ বিকাশৰ লগে লগে কৃষি পণ্যৰ দাম বাঢ়ি গৈছে, ফলত ১৯১২ চনমানৰ পৰা প্ৰকৃতাৰ্থত জনগণৰ আৰ্থিক অৱস্থা উন্নত হৈছে। কিন্তু চাহ শিল্পৰ বিকাশৰ ফলত যে অনা-অসমীয়া ব্যৱসায়িক শ্ৰেণীটোহে বেছি লাভৱান হৈছিল— এই কথা আমি পাছত আলোচনা কৰিছো। যি কি নহওঁক— মূল লক্ষ্য আছিল ৰাজহ বৃদ্ধি। ফলত ওপৰত উল্লিখিত ব্যৱস্থাৰ ১০ বছৰৰ পাছতে অৰ্থাৎ অসহযোগ আন্দোলনৰ আগে আগে অসমৰ প্ৰায়কেইখন জিলাতে ভূমি ৰাজহ যথেষ্ট পৰিমাণে বৃদ্ধি কৰা হ'ল।[১২] চৰকাৰ ইয়াতে ক্ষান্ত নাথাকিল। ইয়াৰ পাছত ৩০ বছৰৰ

বাবে হোৱা বন্দোবস্ত (১৯২৩-২৯) ব্ৰহ্মপুত্ৰ উপত্যকাৰ আটাইকেইখন জিলাতে ভূমি ৰাজহ লক্ষণীয়ভাৱে বৃদ্ধি কৰাৰ নিৰ্দেশ দিয়া হ'ল। অধিক গুৰুত্বপূৰ্ণ কামৰূপ জিলাৰ স্থায়ী কৃষি অঞ্চলসমূহত বৃদ্ধিৰ হাৰ আছিল শতকৰা ২২ ভাগ। আনহাতে, এবছৰীয়া চুক্তিৰ অধীনত থকা অস্থায়ী অঞ্চলসমূহত বৃদ্ধি কৰা হ'ল ২২ শতাংশ। ঠিক সেইদৰে শিৱসাগৰৰ স্থায়ী অঞ্চলসমূহত বৃদ্ধি হৈছিল ২০ শতাংশ।[১৩] সুৰমা উপত্যকাৰ চিলেট ৰায়তবাৰী অঞ্চলসমূহত ১৯২২-২৭ চনৰ ভিতৰত হোৱা নতুন ব্যৱস্থাৰ শতকৰা ৩২ ভাগ ৰাজহ বৃদ্ধি হয়।[১৪] সেইদৰে, কাছাৰত ১৯১৩-১৮ চনৰ ভিতৰত হোৱা নতুন ভূমি বন্দোবস্তত ভূমি ৰাজহ বঢ়াই দিয়া হ'ল প্ৰতি বিঘা মাটিত গড়ে ৩৪ শতাংশলৈ। উল্লেখযোগ্য যে স্বাধীনতা প্ৰাপ্তিলৈকে তাৰ ভূমি ৰাজহৰ হাৰ এই ব্যৱস্থাৰে চলি আছিল।[১৫]

ভূমি ৰাজহ বৃদ্ধিৰ এই প্ৰৱণতা আছিল সাম্ৰাজ্যবাদী আৰু সম্পূৰ্ণ অগণতান্ত্ৰিক। ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি 'অসমীয়া'ৰ সম্পাদকে আঙুলিয়াই দিছিল যে অসমত নীতি বহিৰ্ভূতভাৱে ৰাজহ বিষয়াসকলে ব্যক্তিগত খেয়াল-খুচি অনুসৰি ৰাজহৰ নিৰিখ ধাৰ্য কৰে। মন কৰিবলগীয়া যে ১৯১৭ চনত মনফৰ্ড (Monford) সংস্কাৰ সমিতিৰ আগতে সংসদৰ বিশেষ সমিতিয়ে (Joint Select Committee) দাখিল কৰা প্ৰতিবেদনতো ভূমি ৰাজহ নিৰ্ধাৰণৰ বাবে নিয়মাৱলী প্ৰস্তুত কৰাৰ বাবে আবেদন কৰা হৈছিল। এইবিলাকৰ প্ৰতি চৰকাৰৰ ভ্ৰূক্ষেপ নাছিল। আনকি অসমৰ গাওঁ অঞ্চলসমূহত খাজনা বৃদ্ধিৰ বিষয়ে আগতীয়াকৈ একো জাননীও দিয়া নহৈছিল। 'চেটলমেণ্ট অফিচাৰ'সকলে (Settlement Officer) ব্যক্তিগতভাৱে খাজনাৰ হাৰ প্ৰস্তুত কৰি 'কমিছনাৰ'ৰ (Commissioner) জৰিয়তে অনুমোদনৰ বাবে ওপৰৰ মহলালৈ পঠোৱা হৈছিল। ৰায়তসকলে যিহেতু খাজনা বৃদ্ধিৰ কথা শেষ মুহূৰ্ততহে গম পাইছিল, ফলত অভিযোগ উত্থাপনৰ বাবেও তেওঁলোকৰ অৱকাশ নাছিল।[১৬]

আলোচ্য সময়ছোৱাৰ কৃষকৰ আৰ্থিক বোজাৰ প্ৰকৃত সম্ভেদ পাবলৈ হ'লে ভূমি ৰাজহ সংগ্ৰহৰ পৰিমাণৰ হিচাপটোও মানিব লাগিব। ১৯১১-১২ চনত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো অঞ্চলতে (ৰায়তবাৰী, জমিদাৰী আৰু অন্যান্য সৰু-সুৰা শিতানো সন্নিৱিষ্ট হৈছে) ভূমি ৰাজহ সংগ্ৰহ হৈছিল ৫৪,৮২,৩৮৭ টকা। ১৯২৩-২৪ চনত সংগ্ৰহৰ পৰিমাণ আছিল ৭০,৯৫,৭৮৯ টকা। ১৯২৭-২৮ চনত আছিল ৮১,৭০,৯৯৯ টকা; ১৯৩১-৩২ চনত ৭৭,৫০,৩৯০ টকা; ১৯৩৬-৩৭ চনত ৯৩,৭০,৬৩২ টকা আৰু ১৯৪৩-৪৪ চনত হয়গৈ ১,১৪,৩৩,৩৫৩ টকা।[১৭] স্থানৰ অভাৱৰ বাবে আমি ইয়াত ৰাজহৰ মূল দাবীৰ হিচাপ দিয়া নাই, কিন্তু বিভিন্ন প্ৰতিকূল পৰিস্থিতিৰ মাজতো যে নিৰ্দিষ্ট পৰিমাণৰ ৰাজহ সংগ্ৰহ হৈ আছিল— তাক ওপৰৰ তথ্যপাতিয়ে প্ৰমাণ কৰে। সুৰমা উপত্যকাত এই সময়ছোৱাত সকলো অঞ্চলৰ পৰা হোৱা ভূমি ৰাজহৰ পৰিমাণ

১৪,২০,৫৯২ টকাৰ পৰা ২০,২৭,৬৬২ টকাৰ মাজত আছিল।[১৮] এইখিনিতে আৰু এটা প্ৰসংগ অৱতাৰণা কৰাটো উচিত হ'ব। চৰকাৰে ৰাজহ কেৱল ভূমিৰ পৰাই আহৰণ কৰা নাছিল। অসমৰ সংখ্যাগৰিষ্ঠ কৃষক কানি ৰবৰিহৰ কৰাল গ্ৰাসত পৰা কথাটো সৰ্বজনবিদিত। ১৮৬০ চনত চৰকাৰে স্থানীয়ভাৱে হোৱা কানি উৎপাদন বন্ধ কৰি আমদানি কৰি অনা কানি কিনি খাবলৈ কৃষকসকলক বাধ্য কৰে। তেতিয়াৰ পৰাই অসহযোগ আন্দোলনৰ দুটামান বছৰ বাদ দি ১৯৩০ চনমানলৈকে কানিৰ পৰা সংগৃহিত হোৱা খাজনা আছিল অস্বাভাৱিক ধৰণেৰে উৰ্দ্ধমুখী। উদাহৰণ স্বৰূপে ১৯১২-১৩ চনত সংগ্ৰহ হোৱা খাজনা ২৭,১৭,৪৭০ টকা, ১৯২০-২১ চনত ৪৪,১২,৩০৮ টকালৈ বৃদ্ধি হয়। ১৯১২-১৩ চনৰ প্ৰতি সেৰ কানি সেৱনৰ বিপৰীতে হোৱা কৰৰ বোজা আছিল শতকৰা ৪৪.১ ভাগ। এই পৰিমাণ ১৯২০-২১ চনত হয়গৈ ৬৮.৩ শতাংশ।[১৯] ১৯৩০-৩১ চনত সংগৃহিত হৈছিল ২৬,৬৪,২১৮ টকা।[২০] ইয়াৰ পাছৰ পৰা অৱশ্যে কানি খাজনা চৰকাৰী হিচাপত কমি আহিব ধৰে। ঠিক সেইদৰে চৰকাৰী পৃষ্ঠপোষকতাতে প্ৰসাৰিত হোৱা দেশী মদৰ বেপাৰেও নিম্নবৰ্গৰ সমাজখনক আলোড়িত কৰি যায়। ১৯১২-১৩ চনৰ পৰা ১৯৩৯-৪০ চনৰ ভিতৰত দেশী মদৰ পৰা চৰকাৰে খাজনা হিচাপে সংগ্ৰহ কৰা ধন ১৪,০৭,৩৬৬ টকাৰ পৰা ২১,৮৭,৩৮৪ টকাৰ ভিতৰত আছিল।[২১]

মুদ্ৰা অৰ্থনীতিৰ সীমিত প্ৰভাৱ পৰা অসমীয়া কৃষক সমাজখনৰ ওপৰত বছৰৰ পাছত বছৰ ধৰি আৰ্থিক বোজা বৃদ্ধি হৈ থকাটো কম উদ্বেগপূৰ্ণ কথা নাছিল। ভূমি ৰাজহ যন্ত্ৰই এনেকৈয়ে অসমৰ কৃষক সমাজলৈ চৰম বিপৰ্যয় নমাই আনিছিল। তুলনামূলকভাৱে বিচাৰ কৰি চালে দেখা যায় ঊনবিংশ শতাব্দীৰ তুলনাত বিংশ শতাব্দীত ভূমি ৰাজহৰ নিৰিখ বৰ বেছিকৈ বঢ়া নাছিল। কিন্তু এনেকুৱা মাটিৰ ওপৰত খাজনা বৃদ্ধি কৰা হৈছিল, যাৰ ওপৰত খাজনাৰ হেঁচা ইতিমধ্যেই আছিল অত্যধিক। তদুপৰি আলোচ্য সময়ছোৱাত মাটিৰ উৎপাদনশীলতাও বহু কমি গৈছিল। চৰকাৰে খাজনাহে বিচাৰিছিল, মাটিৰ উৰ্বৰতা শক্তিৰ বৃদ্ধি বা কৃষকৰ উৎপাদন বঢ়োৱাৰ বাবে একো ব্যৱস্থাই লোৱা নাছিল। ১৯১৭ ৪৭ চনৰ ভিতৰৰ চৰকাৰী নথি-পত্ৰসমূহ বিশ্লেষণ কৰিলে দেখা যায় গৰাখহনীয়া ৰোধিৰৰ বাবে লোৱা সৰু-সুৰা ব্যৱস্থাৰ বাহিৰে জলসিঞ্চনকে আদি কৰি কৃষি অগ্ৰগতিৰ লগত জড়িত কোনো গঠনমূলক কৰ্মসূচী প্ৰশাসন-যন্ত্ৰৰ অন্তৰ্গত নাছিল।[২২] ১৯৩৭ চনত বিধানসভাৰ মজিয়াত স্বাধীনতা সংগ্ৰামী সিদ্ধিনাথ শৰ্মাই অসমত বৰ্তি থকা ঔপনিৱেশিক কৃষি-নীতিৰ কঠোৰ সমালোচনা কৰিছিল। তেওঁৰ মতে ইয়াৰ গ্ৰাম্য অঞ্চলত কেৱল শোষণৰ হেঁচা পৰিছিল, উৎপাদনশীলতা বৃদ্ধিৰ নামমাত্ৰও লেশ নাছিল। আধুনিক জলসিঞ্চন ব্যৱস্থা অসমত একেবাৰে অচিনাকি আছিল। কিছুমান অঞ্চলত আদিম পদ্ধতিৰেহে পানী যোগান ব্যৱস্থা চলি আছিল। মাটিত কৃত্ৰিম সাৰ প্ৰয়োগৰ কোনো

চৰকাৰী কাৰ্যসূচী নাছিল, আনকি গ্ৰাম্য অঞ্চলত বাট-পথ মেৰামতিৰ বাবেও চৰকাৰে এটা পইচাও খৰচ কৰা নাছিল।[২৩]

এয়াই আছিল বিংশ শতাব্দীৰ প্ৰথমাৰ্ধৰ কৃষিখণ্ডৰ অনগ্ৰসৰ ৰূপ। তৎসত্ত্বেও কিন্তু খাজনা বৃদ্ধি কৰি থকা হৈছিল আৰু ইয়াৰ বাবে চৰকাৰীভাৱে যি যুক্তি অৱতাৰণা কৰা হৈছিল— তাক এবাৰ চালি-জাৰি চোৱাটো উচিত হ'ব। ১৯২৩-২৯ চনৰ ভিতৰৰ ব্যৱস্থাত খাজনা বৃদ্ধিৰ সমৰ্থনত প্ৰশাসনে দাঙি ধৰা প্ৰবল যুক্তি আছিল শস্য উৎপাদন হোৱা আবাদী মাটিৰ প্ৰসাৰ ঘটা। মন কৰিবলগীয়া যে উনবিংশ শতিকাৰ শেষ ভাগলৈকে অসমত কৃষি মাটিৰ বিকাশৰ হাৰ আছিল মন্থৰ।[২৪] যি কি নহওক, আলোচ্য সময়ছোৱাত দেখা দিয়া পৰিবৰ্তনৰ এক বাস্তৱ ভিত্তি নথকা নহয়। ১৯০১-০২ চনত ব্ৰহ্মপুত্ৰ উপত্যকাৰ ৫ খন জিলাত (গোৱালপাৰা বাদ দি) শস্য উৎপাদন হোৱা মাটিৰ পৰিমাণ আছিল ১৫,২২,৯৫৭ একৰ, ১৯২২-২৩ চনত এই পৰিমাণ হয়গৈ ২২,৭৩,৭২৫ একৰ। এনেকুৱা শস্য-শ্যামলা মাটি প্ৰতি হাজাৰ জনৰ (চাহ শিল্পত নিয়োজিতসকলক বাদ দি) বিপৰীতে ৪৩৯ একৰ আছিল কামৰূপত; ৯৫৭ একৰ দৰঙত; ৮৪৪ একৰ নগাঁৱত; ৯৪০ একৰ শিৱসাগৰত আৰু ৭০৯ একৰ আছিল লক্ষীমপুৰত। ১৯২১-২২ চনত এই পৰিমাণ হয়গৈ কামৰূপত ৯১৯ একৰ; ১,১৩৫ একৰ দৰঙত, ৯৪৪ একৰ নগাঁৱত, ৯৬৬ একৰ শিৱসাগৰত আৰু ৯৩০ একৰ লক্ষীমপুৰ জিলাত।[২৫] কিন্তু কৃষি মাটিৰ বৃদ্ধিৰ লগত অসমীয়া কৃষকৰ বিশেষ সংযোগ নাছিল। এয়া সম্ভৱ হৈছিল বিশেষকৈ পূৰ্ববংগৰ পৰা অহা প্ৰব্ৰজনকাৰী তথা পৰ্যায়ক্ৰমে চুক্তিৰ ম্যাদ শেষ হোৱা চাহ শ্ৰমিকক মাটি আৱণ্টন দিয়াৰ বাবেহে। সদ্যহতে আমি চৰকাৰী নথি-পত্ৰৰ খুটি-নাটি বিশ্লেষণৰ পৰিৱৰ্তে চৰকাৰী পক্ষৰ পৰা দিয়া এটা উৎসাহী মন্তব্য ইয়াত দাঙি ধৰিছো। ১৯২৩-২৪ চনৰ এই টোকাটোত খাজনা বৃদ্ধিৰ কাৰণ হিচাপে কোৱা হৈছে—
"The increase was mainly due to the settlement of new lands. This expansion, as in previous years, was due mainly to the influx of immigrants from Bengal while settlement with ex-tea garden coolies were a contributory cause.[২৬]

কৃষক দৰিদ্ৰতাৰ প্ৰশ্ন : উনবিংশ শতাব্দীৰ পৰা অসমত চলি অহা সাম্ৰাজ্যবাদী শোষণৰ নগ্নৰূপটোৰ আত্মপ্ৰকাশ ঘটিছিল কৃষকৰ দৰিদ্ৰতা আৰু ঋণগ্ৰস্ততাৰ মাজত— বিংশ শতাব্দীৰ গ্ৰাম্য অৰ্থনীতিৰ এয়া এক বিশেষ বৈশিষ্ট্য বুলি আমি আগতেও উল্লেখ কৰিছো। কৰৰ বোজাই যে দৰিদ্ৰতাৰ মূল কাৰণ আছিল তাক চৰকাৰীভাৱেও মানি লোৱা হৈছে। ১৯৩১-৩২ চনত, অৰ্থাৎ বিশ্বজোৰা অৰ্থনৈতিক সংকটৰ আৰম্ভণিৰ সময়ছোৱাত প্ৰতি বিঘা মাটিৰ ওপৰত ভূমি ৰাজহৰ গড় বোজা আছিল ১৬০ টকা। ৰাজ্যখনৰ মুঠ সম্পত্তিৰ হিচাপ দিয়া হৈছিল ৪৪.৯১৫ কোটি টকা আৰু ধাৰৰ বোজা

হৈছিলগৈ প্ৰতিজন ব্যক্তিৰ বিপৰীতে ১৬০ টকা। কৃষিখণ্ডৰ শতকৰা ৮৫ ভাগ পৰিয়ালেই ধাৰৰ বোজাত পোত গৈছিল।[২৭]

অৱশ্যে চৰকাৰী কৰ নীতি বা ভূমি ব্যৱস্থাৰ লগত কৃষকৰ যোগাযোগ প্ৰত্যক্ষ হ'লেও 'ঔপনিৱেশবাদ'ৰ সমগ্ৰতাৰ দিশটো ইয়াৰ পৰা বাহিৰত ৰাখিব নোৱাৰি। বিষয়টো পৰিষ্কাৰ কৰাৰ বাবে ঔপনিৱেশিক নীতিৰ মূল চৰিত্ৰৰ কথা অকণমান উল্লেখ কৰিব লাগিব। "India was fully integrated into the world capitalist economy in a subordinate, colonial position during the nineteenth century. It emerged as classic colony playing a crucial role in the development of British capitalism.[২৮] আৰু বৃটিছ পুঁজিৰ বিকাশৰ ক্ষেত্ৰত সকলোতকৈ বেছি মূল্য দিবলগীয়া হৈছিল ভাৰতীয় কৃষকসকলে। কাৰণ ঔপনিৱেশিক ভাৰতবৰ্ষত কৃষিৰ প্ৰশ্নটো ইয়াৰ ঔদ্যোগিক খণ্ডৰ বিকাশৰ লগত সম্পৰ্কিত নাছিল, অৰ্থাৎ ইয়াৰ বিকাশ ভিতৰুৱা নাছিল। ইয়াৰ বিপৰীতে জড়িত আছিল বাহিৰা শক্তিহে— বিশ্ব পুঁজিবাদী বজাৰ অৰ্থনীতিৰ লগত। উন্নত দেশৰ বজাৰসমূহৰ বাবে কৃষিখণ্ডৰ উৎপাদিত সামগ্ৰী ক্ৰয় কৰা হৈছিল আৰু মিলত তৈয়াৰী বস্তুৱে গ্ৰাম্য বজাৰ উভৈনদী কৰি দিয়া হৈছিল। ব্যৱস্থাটোৱে গ্ৰাম্য অঞ্চলত পণ্য সামগ্ৰীৰ চলাচল আৰু পুঁজি সঞ্চয়ৰ প্ৰক্ৰিয়াটো বাধাগ্ৰস্ত কৰিছিল। স্বাভাৱিকতে এই প্ৰক্ৰিয়াটোৱে ইংৰাজী ব্যৱসায়ী শ্ৰেণীটোক বেছিকৈ উপকৃত কৰিছিল।[২৯]

ঔপনিৱেশিক অৰ্থনীতিৰ এই কাঠামোৰ ওপৰতে অসমৰ কৃষি অৰ্থনীতি নিৰ্ভৰশীল আছিল। ঊনবিংশ শতিকাৰ শেষৰ ফালে বৃটেইনৰ মিলত তৈয়াৰী সামগ্ৰীৱে অসমৰ বজাৰ দখল প্ৰায় সম্পূৰ্ণ হৈ উঠিল।[৩০] আনকি, অৰ্থনৈতিকভাৱে স্ব-নিৰ্ভৰশীল ৰাজ্যখনত জন প্ৰব্ৰজনৰ (বিশেষকৈ চাহ শিল্পৰ বাবে) ফলত উদ্ভৱ হোৱা খাদ্য-শস্যৰ অতিৰিক্ত প্ৰয়োজন স্থানীয় অসমীয়া কৃষকে মিটাব পৰা নাছিল। ফলত ১৮৭২ চনৰ পৰা ১৮৯৫-৯৬ চনৰ ভিতৰত ভাৰতবৰ্ষৰ অন্যান্য অঞ্চল তথা বিদেশৰ পৰা আমদানিকৃত খাদ্য শস্যৰ পৰিমাণ যথেষ্ট পৰিমাণে বৃদ্ধি পাব ধৰিলে।[৩১] এই পটভূমিতে উদ্যোগীকৰণেও গ্ৰাম্য অঞ্চলৰ ব্যৱসায়িক লেনদেনত বহিৰাগতৰ স্থানহে সুকল্পিত কৰিলে। ড° প্ৰীয়ম গোস্বামীয়ে লিখিছে— "On the other hand, the growth of tea, coal and oil industries considerably stimulated the local interest in cash crops This did not mean that the new techniques were adopted for development of cash crops. The implication was an increase in the importance of money in the new economy. An important consequence of this was indebtedness of the peasants which drew swarms of money-lenders and middlemen into the prince. In fact Keya and the Mahajan assumed a prominent place in the economy of the region."[৩২] আচলতে, ঔপনিৱেশিকবাদৰ প্ৰবল হেঁচা,

বিশেষ ভৌগোলিক পৰিস্থিতিত অসমৰ দৰে ৰাজ্য এখনত পুঁজি বিকাশৰ গতি আছিল তেনেই লেহেমীয়া। এনে পৰিস্থিতিত কৃষি খণ্ড ব্যৱসায়ীকৰণত মাৰোৱাৰী মহাজনসকলৰ ভূমিকাই সক্ৰিয় হৈ পৰিছিল। এয়া অকল ঊনবিংশ শতিকাৰে বৈশিষ্ট্য নহয়। বিংশ শতাব্দীৰ প্ৰথম দশকৰ পৰাই এই শ্ৰেণীটোৰ স্থিতি আৰু বেছি সুদৃঢ় হ'বলৈ ধৰিলে। আমাৰ ধাৰণা আলোচ্য সময়ছোৱাত কৃষকৰ দৰিদ্ৰতাৰ প্ৰসংগত মাৰোৱাৰী শোষণৰ প্ৰশ্নটোৱে অগ্ৰাধিকাৰ পাব লাগে। তাৎপৰ্যপূৰ্ণভাৱে ১৯০৪-০৫ চনত প্ৰকাশ পোৱা এটা চৰকাৰী মূল্যায়নত গ্ৰাম্য ঋণগ্ৰস্ততাৰ প্ৰসংগটো বৰ গুৰুত্বসহকাৰে কোৱা হোৱা নাই। কিন্তু উচ্চ হাৰত ধন ধাৰে দিয়াৰ কথা উল্লেখ আছে। ধন ধাৰে দিয়া শ্ৰেণী হিচাপে অকল মাৰোৱাৰীসকলকে চিহ্নিত নকৰিলেও গ্ৰাম্য অঞ্চলত যে তেওঁলোকেই সম্পত্তিবান শ্ৰেণী— সেই কথাটো মানি লোৱা হৈছে। কিন্তু কৃষি ব্যৱসায়ীকৰণৰ ক্ষেত্ৰত উক্ত সম্প্ৰদায়টোৰ সম্পৰ্কৰ কথা স্পষ্টভাৱে উল্লেখ আছে। বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাতে প্ৰচলিত প্ৰথা অনুসৰি দুখীয়া কৃষকসকলে তেওঁলোকৰ স্থায়ী শস্যৰ বিপৰীতে মাৰোৱাৰীৰ পৰা আগধন লয়, ফলত বজাৰৰ দৰতকৈ যথেষ্ট কম দৰত খাদ্যশস্য বিক্ৰী কৰিবলগীয়া হয়। তাতোকৈও গুৰুত্বপূৰ্ণ কথাটো আছিল— সৰিয়হৰ দৰে নগদ শস্যৰ ক্ষেত্ৰতো যাতায়তী অসুবিধা তথা কৃষকৰ অভাৱগ্ৰস্ততাৰ বাবে বজাৰৰ লগত কৃষকৰ সংযোগকাৰী নাছিল একমাত্ৰ মাৰোৱাৰীসকল।[৩৩] খাদ্য পণ্যৰ চলাচলৰ বাবে ৰেলৰ দ্বাৰা কেতিয়াও কৃষকৰ স্বাৰ্থত নিৰ্ধাৰণ কৰা হোৱা নাছিল। ১৯২৭ চনত ভাৰতৰ কৃষিৰ ওপৰত প্ৰকাশিত ৰয়েল কমিছনৰ (Royal Commission) তথ্যত প্ৰকাশ যে বিশ্বনাথ, উত্তৰ লক্ষীমপুৰকে ধৰি বছৰত দুবাৰকৈ খেতি কৰা অতি সাৰুৱা অঞ্চলসমূহতো ৰেল যাতায়াতৰ অসুবিধাৰ বাবে অতি কম দামতে কৃষকে তেওঁলোকৰ খাদ্য-শস্য ব্যৱসায়ীসকলৰ ওচৰত বিক্ৰী কৰিবলৈ বাধ্য হৈছিল।[৩৪] কৃষকৰ পুঁজি সঞ্চয়ৰ সম্ভাৱনা এনেকৈয়ে শেষ হৈ গৈছিল। এই পৰিস্থিতিত চৰকাৰৰ দমনমূলক নীতিয়ে কৃষকৰ ধাৰ পৰ্যায়ক্ৰমে বাঢ়ি যোৱা, গ্ৰাম্য অৰ্থনীতিত মাৰোৱাৰীৰ ভূমিকা অধিক সক্ৰিয় হৈ যোৱাৰ পথ প্ৰশস্ত কৰি তুলিলে।

১৯১২-১৩ চনমানৰ পৰা সময়মতে খাজনা পৰিশোধ কৰিব নোৱৰা ৰায়তৰ বিৰুদ্ধে চৰকাৰে দমনমূলক ব্যৱস্থা অধিক তীব্ৰ কৰি তোলে। ১৯১২-১৩ চনত চৰকাৰে ভূমি ৰাজহ দিব নোৱৰাৰ বাবে ৬০,৮৪২ খন এষ্টেট (কৃষকৰ ব্যক্তিগত ভূ-সম্পত্তি) আৰু ১৯১৩-১৪ চনত ৬৮,৫৮২ খনৰ বিৰুদ্ধে জাননী জাৰী কৰা হয়। লগে লগে সম্পত্তি ক্ৰোক কৰাৰ ঘটনাও বৃদ্ধি পাবলৈ ধৰিলে।[৩৫] ১৯১৬-১৭ চনত ৰাজহ দিব নোৱৰাৰ বাবে সৰ্বমুঠ ১২,৮৬০ খন 'এষ্টেট'ৰ বিৰুদ্ধে বিক্ৰীৰ জাননী দিয়া হয় আৰু প্ৰকৃততে ৫৩৬ খন বিক্ৰী কৰি দিয়া হয়।[৩৬] ১৯২০-২১ চনত এনেকুৱা 'এষ্টেট'ৰ সংখ্যা আছিল ১৭,৪৬২ খন, বিক্ৰী কৰা হয় ৪৭৩ খন।[৩৭] ১৯২৭-২৮ চনত সম্পত্তি ক্ৰোকৰ

বাবে দিয়া জাননীৰ সংখ্যা আছিল ২৬,২২৭ খন। ১৮৩ টা গোচবৰ ক্ষেত্ৰত ভূমি সম্পত্তি বিক্ৰী কৰা হয়।[৩৮] মুঠতে ভূমি সম্পত্তিয়েই হওক বা স্থাবৰ সম্পত্তিয়ে হওক— সাধাৰণ অৱস্থাত তাক বচাই ৰখাটো কৃষকৰ কাৰণে এক জটিল সমস্যা হৈ পৰিল। ১৯৩৫-৩৬ চনত ব্ৰহ্মপুত্ৰ উপত্যকাত স্থাবৰ সম্পত্তি ক্ৰোককৰণৰ গোচৰ আছিল ৫৭,৪৬২ টা আৰু পাছৰ বছৰটোত আছিল ৫৬,৫১৬ টা। উক্ত বছৰ দুটাত যথাক্ৰমে ১,৭৫১ আৰু ২,৫৯৪ টা গোচৰৰ ক্ষেত্ৰত সম্পত্তি ক্ৰোক কৰা হয়। দুয়োটা বছৰতে ভূমি সম্পত্তিৰ বিক্ৰীৰ সংখ্যা আছিল ৩,৪৩৬ আৰু ৩,৭৮১ খন এষ্টেট।[৩৯]

এইটো কথা ঠিক যে এনেকুৱা পৰিস্থিতিত ধৰ্মীয় কাৰণত মাটিৰ খাজনা বেহাই পোৱা ভূ-স্বামী শ্ৰেণীটোৱে কৃষকৰ অৱস্থাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি শ্ৰেণীগত সা-সুবিধাবোৰ লাভ কৰিছিল। একাংশ কৃষকে লাহে লাহে এই শ্ৰেণীটোৰ ওপৰত নিৰ্ভৰশীল হৈ যোৱাটোৱে আছিল স্বাভাবিক। চৰকাৰী তথ্য মতে চৰকাৰক আধা খাজনা দিব লগাৰ বাধ্যবাধকতা থকা ভূ-স্বামীসকলৰ ইচ্ছাধীন প্ৰজাত পৰিণত হৈছিল এক বৃহৎ পৰিমাণৰ কৃষক। এওঁলোকে যিহেতু খাজনাৰ এটা অংশ দিব লাগিছিল, সেইবাবে ভূমিহীন কৃষকৰ দ্বাৰাই তেওঁলোকৰ মাটি চহাইছিল আৰু সময়ে সময়ে চৰকাৰী নিৰিখত কৃষকৰ পৰা খাজনা দাবী কৰিছিল।[৪০] কিন্তু ইয়াতকৈ উদ্বিগ্নতাৰ কথা আছিল— চৰকাৰী দমনমূলক ব্যৱস্থাত জুৰুলা হৈ কৃষকে এৰি দিয়া মাটিৰ পৰিমাণ বৃদ্ধি হোৱা আৰু আনফালে মাৰোৱাৰীসকলৰ হাতলৈ কৃষি-মাটি হস্তান্তৰ হোৱাটো। আচলতে, ভূমি ৰাজহ প্ৰশাসনৰ দমনমূলক ব্যৱস্থাৰ হাত সাৰিবলৈকে হওক বা দৈনন্দিন জীৱনৰ অন্যান্য প্ৰয়োজনৰ বাবেই হওক, কৃষকৰ নগদ টকাৰ দাবী মিটাব পৰা শক্তি বিশেষকৈ মাৰোৱাৰীসকলৰহে আছিল। মাৰোৱাৰীসকলৰ লগত অধিক টকাৰ লেনদেন বন্ধৰ ফলত ভূমিহীন কৃষক বৃদ্ধি হোৱাটোৱে আছিল স্বাভাবিক। এয়াই এক পটভূমি আছিল, য'ত স্থানীয় পৰম্পৰাগত ভূ-স্বামী বা অন্যান্য ধনী কৃষকসকলতকৈও অধিক সক্ৰিয় ৰূপত মাৰোৱাৰী মহাজনসকলে গ্ৰাম্য অঞ্চলৰ এক নতুন সামাজিক শ্ৰেণীৰ ৰূপত আত্মপ্ৰকাশ কৰাৰ চেষ্টা চলাব ধৰিলে। ঊনবিংশ শতিকাৰ মাৰোৱাৰী মহাজনৰ ধাৰণা বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধত বহুদূৰ এনেদৰে সলনি হৈ আহিল।

চৰকাৰে দিয়া পৰিসংখ্যা বিচাৰ কৰিলে কথাটো পৰিষ্কাৰ হ'ব। প্ৰতিনিধিত্বমূলক হিচাপে আমি বাছি লোৱা চাৰিটা বছৰত— ১৯২৩-২৪, ১৯৩০-৩১, ১৯৩২-৩৩ আৰু ১৯৩৯-৪০ চনত কৃষকে ৩০ হাজাৰৰ পৰা ৬০ হাজাৰ একৰৰ ভিতৰত আবাদী মাটি এৰি দিছিল।[৪১] আনহাতে, মাটিৰ ওপৰত স্বত্ব নথকা অস্থায়ী কৃষি অঞ্চলৰ কৃষকসকলৰ দুৰ্দশাগ্ৰস্থ আৰ্থিক অৱস্থা বিধানসভাৰ সদস্যসকলৰো দৃষ্টিগোচৰ হৈ আহিছিল আৰু পৰিস্থিতিৰ অৱসান ঘটোৱাৰ বাবে সজোৰে দাবী উত্থাপিত হৈছিল।[৪২] মাটি অপৰ্যাপ্ত থকা অৰ্থনীতিত কৃষকসকলে বহিৰাগতৰ হেঁচাত মাটি হেৰুৱাৰ লগা হোৱা নাছিল।

অৱশ্যে সামান্য এটা অংশ কোনো প্ৰাকৃতিক কাৰণতো কৃষকে এৰি দিব পাৰে, কিন্তু এনেদৰে এৰি দিয়া মাটিৰ এটা বৃহৎ অংশ আত্মসাৎ কৰি আহিছিল মাৰোৱাৰীসকলে। নক'লেও চলে যে ভূমি ৰাজহ সময়মতে শোধাবৰ বাবে এই শ্ৰেণীটোৰ পৰা আগধন লৈ কৃষকসকল সৰ্বস্বান্ত হৈছিল। উদাহৰণ স্বৰূপে ১৯১৭-১৮ চনত মাৰোৱাৰী ব্যৱসায়ীসকলে ১৫,৩৮৮ একৰ কৃষি মাটি হস্তগত কৰে। এই পৰিমাণ পাছৰ বছৰটোত হয়গৈ ১৬,৩১১ একৰ। মাৰোৱাৰীসকলে কৃষকৰ অসহায় পৰিস্থিতিৰ সুযোগ লোৱা কথাটো চৰকাৰী মহলেও মানি লৈছে— "The increase on the area held by Marwaris is attributed to the transfer of land four indebted rayats, either by private purchase or through civil court sales.[৪৩] পৰিস্থিতিৰ জটিলতা তথা ৰাজনৈতিক মহলত বিৰূপ প্ৰতিক্ৰিয়াৰ সম্ভাবনাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে নতুন দীৰ্ঘম্যাদী পট্টা বিতৰণৰ ক্ষেত্ৰত এটা চৰ্ত বান্ধি দিলে। এই অনুসৰি এতিয়াৰ পৰা জিলা বিষয়াসকলৰ অনুমতি নোলোৱাকৈ কোনো ৰায়তে অ-কৃষি শ্ৰেণীৰ হাতত মাটি বিক্ৰী কৰিব নোৱৰা হ'ল। মাৰোৱাৰী শোষণৰ পৰা অভাৱগ্ৰস্ত কৃষকক ৰক্ষা কৰাৰ ই এক কাৰ্যকৰী ব্যৱস্থা হ'ব বুলি চৰকাৰীভাৱে কোৱা হ'ল।[৪৪] কিন্তু নতুন ব্যৱস্থাটো কিমানদূৰ আন্তৰিকতাৰে প্ৰয়োগ কৰা হৈছিল, তাত পূৰ্ণমাত্ৰাই সন্দেহৰ অৱকাশ বৈ গ'ল। কাৰণ প্ৰশাসনে মাৰোৱাৰীসকলৰ ওপৰত কোনো নিয়ন্ত্ৰণ জাপি দিয়া নাছিল। ইয়াৰ উপৰিও পিছৰ বছৰবোৰত উক্ত শ্ৰেণীটোৰ ভূ-সম্পত্তি বাঢ়ি যোৱাহে দেখা গ'ল। ১৯২৪-২৫ চনত মাৰোৱাৰীসকলৰ হাতত থকা কৃষি মাটিৰ পৰিমাণ আছিল ১৭,৪৬৪ একৰ।[৪৫] এই পৰিমাণ ১৯৩০-৩১ চনত ২২,৭৪২ একৰলৈ বৃদ্ধি হয়।[৪৬] বিশ্বজোৰা অৰ্থনৈতিক সংকটৰ সময়ত স্বাভাৱিকতে এই পৰিমাণ আৰু বৃদ্ধি হয়। কৃষকৰ অসহায় অৱস্থাৰ সুযোগ গ্ৰহণ কৰি ১৯৩৩-৩৪ চনত তেওঁলোকে ২৮,০৮৫ একৰ কৃষি মাটি হস্তগত কৰে।[৪৭] ১৯৩৬-৩৭ চনত এই পৰিমাণ লক্ষণীয়ভাৱে ৩৩,৮৬৬ একৰলৈ বৃদ্ধি হয়।[৪৮]

চৰকাৰে আন্তঃসাৰশূন্য পদক্ষেপ হিচাপে অৰ্থনৈতিক সংকটৰ আগৰ সময়ছোৱাত দুই এটা গাঁৱলীয়া বেংক প্ৰতিষ্ঠা কৰি কৃষকক ধন ধাৰ দি ব্যৱসায়িক শ্ৰেণীৰ হাতৰ পৰা সকাহ দিয়াৰ বাবে চেষ্টা কৰিছিল। অৱশ্যে প্ৰতিষ্ঠা হোৱা দুই এটা সমবায় বেংক চৰকাৰৰ পৰোক্ষ সহযোগতহে হৈছিল। কিন্তু কোনো ধৰণৰ দীৰ্ঘম্যাদী আঁচনি নোহোৱাৰ বাবে এই প্ৰতিষ্ঠানসমূহে কৃষকক বিশেষ একো সহায় কৰিব নোৱাৰিলে। আনফালে, কৃষকৰ অৱস্থাই অসমীয়া মধ্যবিত্তৰ একাংশকো জোকাৰি গ'ল। কিছুসংখ্যক বৰেণ্য ব্যক্তি যেনে— কৃষ্ণ শৰ্মা, দেৱীচৰণ বৰুৱা, গড়মূৰীয়া সত্ৰাধিকাৰ, চন্দ্ৰধৰ বৰুৱা, কনকলাল বৰুৱাই চৰকাৰী প্ৰচেষ্টাত উৎসাহী হৈ ব্যক্তিগত খণ্ডত সমবায় ভিত্তিত কৃষকৰ খাদ্য-শস্য বেচা-কিনাৰ সমিতি এখন প্ৰতিষ্ঠা কৰিছিল। ব্যৱসায়ী মহাজনসকলে আগধন দি খেতিয়কৰ ধান, মাহ, সৰিয়হ আগতীয়াকৈ আধা দামত কিনা, প্ৰতি বছৰে

গৰু কিনা, খাজনা দিয়া আদি অভাৱৰ কাৰণে মাৰোৱাৰীৰ ওচৰত ধাৰত পোত যোৱা আদি ঘটনাবোৰ তেওঁলোকেও লক্ষ্য কৰিছিল। কৃষকৰ যাতে বজাৰখনৰ ওপৰত নিয়ন্ত্ৰণ থাকে— এই লক্ষ্য লৈয়ে তেওঁলোকে কৃষিজাত উৎপন্ন বস্তুৰ বিক্ৰীৰ দায়িত্ব ল'ব বিচাৰিছিল। সমিতিখনৰ মূল উদ্দেশ্য আছিল ৰাইজৰ পৰা টকা তুলি এটা সাহায্য নিধি গঢ়ি কেন্দ্ৰীয় সভাৰ অনুমোদনৰ জৰিয়তে প্ৰয়োজন অনুসৰি দৰিদ্ৰ কৃষকক টকা ধাৰে দি তেওঁলোকৰ আৰ্থিক স্বাৰ্থ ৰক্ষা কৰা। যোৰহাটত ১০ খনমানৰ পৰা ১২ খনমান মৌজাত ইয়াৰ শাখাও খোলা হৈছিল। কিন্তু কোনো ধৰণৰ চৰকাৰী সাহায্যৰ বিনে এই প্ৰচেষ্টা হোৱাই আছিল অস্বাভাৱিক।[৫৯]

বিশ্বজোৰা অৰ্থনৈতিক সংকটৰ প্ৰভাৱ : ত্ৰিছৰ দশকৰ বিশ্বজোৰা অৰ্থনৈতিক সংকটৰ এক বিশেষ বৈশিষ্ট্য আছিল বিশেষ ধৰণৰ এক আন্তৰ্জাতিক পৰিস্থিতিত ভাৰতত উৎপাদিত কৃষি পণ্যৰ মূল্য অবিশ্বাস্যভাৱে কমি যোৱা।[৬০] আৰ্থিক দুৰৱস্থাৰ বলি হোৱা অসমৰ কৃষক সমাজৰ ওপৰতো ইয়াৰ প্ৰত্যক্ষ প্ৰভাৱ পৰিছিল। চৰকাৰী হিচাপ অনুসৰি, ১৯০৫ চনৰ আগতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ কৃষকে প্ৰতি মোন চাউলৰ দাম ১৫০ টকাকৈ পাইছিল। ১৯২৫-২৬ চনত এই দাম কিছু বৃদ্ধি হ'লেও সংকটৰ সময়ছোৱাত— বিশেষকৈ ১৯৩৭-৩৮ চনৰ ভিতৰত মূল্য হ্ৰাস হৈ ১২০ টকা হয়গৈ।[৬১] অসমৰ গ্ৰাম্য অৰ্থনীতিৰ মূল সমস্যাটো আছিল কৃষকৰ হাতত নগদ ধনৰ অভাৱ। এই পৰিস্থিতিত, বজাৰে আনি দিয়া সামান্য সম্ভাৱনাখিনিও সংকটকালীন অৱস্থাই কৃষকৰ পৰা কাঢ়ি নিলে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে ওপৰত দাঙি ধৰা তথ্য আছিল সিদ্ধিনাথ শৰ্মাই বিধানসভাৰ মজিয়াত দাঙি ধৰা চৰকাৰী হিচাপ। পৰিস্থিতি সাপেক্ষে মাৰোৱাৰী ব্যৱসায়ীৰ লগত হোৱা চুক্তি অনুসৰি এই মূল্য আৰু কমি যাবলৈ বাধ্য। অধিকাংশ খেতিয়কে বজাৰ মূল্যতকৈ মাৰোৱাৰী মহাজনে বান্ধি দিয়া মূল্যৰ ওপৰতহে নিৰ্ভৰশীল আছিল। সংকটৰ সময়ছোৱাত সংগঠিত হোৱা এক কৃষক অনুসন্ধান সমিতিৰ সদস্যৰূপে স্বাধীনতা সংগ্ৰামী দেবেশ্বৰ শৰ্মাই প্ৰায় ১৯০ জন কৃষকৰ সাক্ষ্য গ্ৰহণ কৰি বিধানসভাত কৃষক জীৱনৰ এখন মৰ্মস্পৰ্শী ছবি দাঙি ধৰিছিল। "I found that, if the actual cost of cultivation is taken into calculation in consideration of the profit and loss of our actual village cultivators, the village cultivators does not gain anything."[৬২] সুৰমা উপত্যকাত মহাজনী শোষণ সিমান তীব্ৰ নাছিল। বংগৰ ব্যৱসায়ীসকলৰ লগতহে তাৰ কৃষকসকলৰ প্ৰত্যক্ষ সম্পৰ্ক আছিল। কিন্তু কৃষি পণ্যৰ দাম কমি যোৱা তথা ভূমি ৰাজহৰ বোজা বাঢ়ি যোৱাত তাৰ কৃষকসকলৰ অৱস্থাও অত্যন্ত শোচনীয় হৈ পৰিল। তাৰ পৰিস্থিতি ব্যাখ্যা কৰি সেই উপত্যকাৰ এজন কাউন্সিলৰ বাবু শান্তি কুমাৰ দাসে ১৯৩৬ চনত বিধানসভাৰ মজিয়াত জানিবলৈ দিয়ে যে কাছাৰত দৰিদ্ৰতাবশতঃ এজন কৃষকে তেওঁৰ পৰিয়ালৰ আঠাইকেইজন সদস্যকে

হত্যা কৰে। তেওঁৰ মতে পৰিস্থিতি যদি এনেকৈয়ে চলি থাকে, চৰকাৰেও যদি কৃষকৰ উন্নতিৰ কাৰণে একো ব্যৱস্থা নলয়, তেনেহ'লে সেই উপত্যকাৰ শতকৰা ৮০ ভাগ খেতিয়কে এই একে পথকে বাছি ল'ব।[৫৩] ত্ৰিছৰ দশকৰ মন্দাই কাছাৰৰ জনজীৱনকো এনেকৈ জোকাৰি থৈ গ'ল।

কৃষকৰ দৰিদ্ৰতা বা সমস্যা বিংশ শতাব্দীৰ প্ৰথমাৰ্দ্ধ জুৰি আছিলেই— এই কথা আমি যথাস্থানত উল্লেখ কৰিছো। কিন্তু সংকটৰ সময়ছোৱাত একালেদি দমনমূলক ৰাজহ প্ৰশাসন, আনফালেদি মহাজনী শোষণ— এই দ্বৈত ব্যৱস্থাত কৃষকৰ আৰ্থিক অৱস্থা এনে এক পৰ্যায় পালেগৈ যাৰ প্ৰভাৱ চৰকাৰী ৰাজহ নীতিৰ ওপৰতো নপৰাকৈ নাথাকিল। ১৯৩০-৩১ চনত ব্ৰহ্মপুত্ৰ উপত্যকাত ভূমি ৰাজহ সংগ্ৰহ হৈছিল মুঠ দাবীৰ শতকৰা ৭৮ ভাগ। ১৯৩১-৩২ চনত শতকৰা ৬৭ ভাগ। এয়া আছিল ১৯২৮-২৯ চনৰ শতকৰা ১৭ ভাগৰ বিপৰীতে সংগৃহিত পৰিমাণ। পিছৰ বছৰবোৰৰ অৱস্থাও প্ৰায় একে ধৰণৰ আছিল। যেনে ১৯৩২-৩৩ চনত সংগ্ৰহ হৈছিল শতকৰা ৬৮ ভাগ, ১৯৩৩-৩৪ চনত ৬৫ ভাগ, শতকৰা ৬১ ভাগ সংগ্ৰহ হৈছিল ১৯৩৩-৩৪ চনত। ইয়াৰ পিছৰ কেইটামান বছৰত (১৯৩৬-৩৭ৰ পৰা ১৯৪০) ভূমি ৰাজহ সংগ্ৰহৰ পৰিমাণ তুলনামূলকভাৱে কিছু বৃদ্ধি হৈছিল যদিও সংকটৰ আগৰ সময়ছোৱাৰ পৰ্যায় পোৱাগৈ নাছিল।[৫৪] সুৰমা উপত্যকাত ভূমি ৰাজহ সংগ্ৰহ সন্তোষজনক নাছিল। ১৯২৬-২৭ চনত মুঠ দাবীৰ শতকৰা ৮৮ ভাগৰ বিপৰীতে ১৯৩০-৩১ চনত সংগৃহিত হয় ৬৭ ভাগ। ১৯৩১-৩২ চনত আছিল শতকৰা ৬৭ ভাগ। ১৯৩৮-৩৯ চনলৈ ৰাজহ সংগ্ৰহ শতকৰা ৭০ ভাগৰ আশে-পাশে আছিল।[৫৫]

চৰকাৰ কৃষকৰ সমস্যাৰ প্ৰতি সহানুভূতিশীল নাছিল। আনকি সংকটৰ সময়ছোৱাতো দমনমূলক ব্যৱস্থা অব্যাহত থকাৰ কথা আমি ইতিমধ্যে তথ্যপাতি দি দেখুৱাইছো। কিন্তু সংকটৰ প্ৰথমছোৱাতে ভূমি-ৰাজহ সংগ্ৰহ হঠাতে লক্ষণীয়ভাৱে কমি অহাত প্ৰশাসনে বিষয়টোত নতুন দৃষ্টি দিবলৈ বাধ্য হ'ল। বাধ্য হৈ চৰকাৰে ১০,৪৪,৪০৪ টকা খাজনা ৰেহাই দিয়ে।[৫৬] এই উপত্যকাত খাজনা মাফৰ হাৰ আছিল টকাটোৰে প্ৰতি ৩ অনাকৈ। আনফালে সুৰমা উপত্যকাতো একে ধৰণৰ ব্যৱস্থা লোৱা হৈছিল। কাছাৰত টকাটোৰে প্ৰতি ১ অনাকৈ আৰু চিলেটত ২ অনাকৈ আছিল খাজনা মাফৰ হাৰ।[৫৭] (১৯৩২-৩৩ চনৰ পৰা চৰকাৰৰ ৰাজহ সংগ্ৰহ কমি যোৱাৰ এটা কাৰণ খাজনা ৰেহায়ো আছিল।) কিছু বছৰৰ বাবে খাজনা ৰেহাই ব্যৱস্থাটো চলি থাকিল আৰু বেছিভাগ জিলাতে বকেয়া হৈ থকা চৰকাৰৰ কৃষি ঋণসমূহ (সংখ্যালঘিষ্ঠ এটা চামেহে এনেকুৱা ঋণৰ সহায় পাইছিল) সাময়িকভাৱে সংগ্ৰহ নকৰাৰ সিদ্ধান্ত লোৱা হয়।[৫৮] আচলতে, ভূমি ৰাজহ ৰেহাইৰ পৰিমাণ পৰিস্থিতি সাপেক্ষেহে নিৰ্ধাৰণ কৰা হৈছিল। কিন্তু কোনো এক নীতি নোহোৱাকৈ উক্ত অৱস্থাই কৃষকৰ অৱস্থাৰ উন্নতি ঘটাব নোৱাৰিলে। চৰকাৰবো যে

বিষয়টোৰ প্ৰতি সদিচ্ছা নাছিল সেয়া প্ৰমাণিত হ'ল, যেতিয়া ১৯৩৪-৩৫ চনত আকৌ খাজনা বৃদ্ধিৰ বাবে চিন্তা-চৰ্চা চলিল। অৱশ্যে এচাম কাউন্সিলৰ হেঁচাত সেয়া সম্ভৱ হৈ নুঠিল। চৰকাৰে কিন্তু কৃষকৰ অৱস্থাৰ উন্নতি হৈছে বুলি বিপৰীত দাবী তুলি থাকিল। কিন্তু ছবিখন আছিল ওলোটাহে। আমি ১৯৩৬-৩৭ চনমানৰ পৰা খাজনা সংগ্ৰহ সামান্যভাৱে বৃদ্ধি হোৱাৰ কথা উল্লেখ কৰিছো। ইয়াৰ মূল কাৰণ আছিল চৰকাৰৰ দমনমূলক নীতিত ঋণৰ সফলতা। পৰিস্থিতি ইমানেই বেয়াৰ ফাললৈ ঢাল খাইছিল যে অকল কৃষকেই নহয়, স্বয়ং মৌজাদাৰসকলৰ এটা অংশই মাৰোৱাৰীসকলৰ পৰা ঋণ লৈ কৃষকৰ পৰা পাবলগীয়া বকেয়া ধন আদায় দি চৰকাৰী দাবী পূৰণ কৰি তেওঁলোকৰ স্থাবৰ সম্পত্তি ৰাজহুৱা নিলামৰ পৰা ৰক্ষা কৰিছিল।[৫৯] তদুপৰি প্ৰশাসনে যিকোনো উপায়েৰে খাজনা ৰেহাইৰ ক্ষতিপূৰণৰ বাবে আছিল দৃঢ়প্ৰতিজ্ঞ।১৯৩৯-৪০ চনত অসম চৰকাৰৰ সচিব এ জি পেটন (A. G. Patton)ৰ মন্তব্যত এই কথা স্পষ্ট। "Government hope that this sacrifice of revenue will be repaid by a more rapid increase of prosperity among the population which will justify return to more normal rates of assessment."[৬০] অৱশ্যে এই আশা পূৰণ নহ'ল। কৃষিজাত সামগ্ৰীৰ দাম বৃদ্ধি হ'লেও ইয়াৰ পৰা কৃষক উপকৃত হোৱাৰ কোনো অৱকাশ স্বাভাৱিকতে নাছিল। ভূমি ৰাজহৰ হেঁচাৰ পৰা তেওঁলোক কোনোদিনেই মুক্ত হ'ব নোৱাৰিলে। আনফালে কৃষকৰ বাবে আৰু এক নতুন সমস্যাইহে দেখা দিলে। দ্বিতীয় বিশ্বযুদ্ধৰ আগৰ সময়ছোৱাৰ পৰাই বজাৰত নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ দাম অভাৱনীয়ভাৱে বৃদ্ধি পালে। চৰকাৰে ১৯৩৯ চনত এটা আদেশ অনুসৰি দাম নিয়ন্ত্ৰণৰ ব্যৱস্থা লৈছিল যদিও ই ফুটুকাৰ ফেনত পৰিণত হ'লগৈ।[৬১]

প্ৰসংগক্ৰমে আৰু এটা দিশ অৱতাৰণা কৰিব পাৰি। বিশ্বজোৰা অৰ্থনৈতিক মন্দাৰ প্ৰভাৱে অসমৰ দৰে কৃষিপ্ৰধান অঞ্চললৈ বিপৰ্যয় নমাই আনিলেও ভাৰতবৰ্ষৰ কেতবোৰ অঞ্চলত বিশেষ ঔপনিবেশিক পৰিস্থিতিত স্থানীয় শিল্প উদ্যোগৰ বিকাশৰ বাটো মুকলি হৈছিল।[৬২] ইয়াৰ ফলত সমাজৰ এটা অংশৰ উন্নতিৰ লগে লগে অঞ্চলটোৰ সামগ্ৰিক বিকাশত ই অৰিহণা যোগাইছিল। ঔপনিবেশিক কাঠামোৰ ভিতৰত ভাৰতবৰ্ষৰ ভিতৰতে অসমৰ দৰে অতি পিছপৰা ৰাজ্য এখনৰ অৰ্থনীতিত এই ছবিখন আছিল সম্পূৰ্ণ ওলোটা। স্থানীয় পুঁজিৰ বিকাশ কিমান লেহেমীয়া আছিল তাক আমি ঔপনিবেশিক অৰ্থনীতিৰ মূল আধাৰ চাহ উদ্যোগলৈ চকু দিলেই অনুমান কৰিব পাৰো। স্বাধীনতাৰ আগলৈকে এই উদ্যোগৰ মূল অংশীদাৰ আছিল ইউৰোপীয়ানসকল। সামান্য অংশ আছিল ভাৰতীয় পুঁজিৰ দখলত। ইয়াত অসমীয়াৰ স্থান আছিল একেবাৰে নগণ্য।[৬৩] ফলস্বৰূপে, কৃষি নিৰ্ভৰশীল অসমৰ প্ৰায় প্ৰতিটো শ্ৰেণীকে অৰ্থনৈতিক মন্দাই কম-বেছি পৰিমাণে জোকাৰি গ'ল।

গ্ৰাম্য জীৱনৰ এই জটিল পৰিস্থিতিয়ে বিধানসভাতো উত্তপ্ত পৰিৱেশৰ সৃষ্টি কৰিলে। গ্ৰাম্য ঋণগ্ৰস্ততাৰ প্ৰকৃত কাৰণ বিচাৰি উলিওৱাৰ পৰিৱৰ্তে কৃষকৰ ঋণৰ প্ৰশ্নটো মোকামিলা কৰিবৰ বাবে ১৯৩৬ চনত এটা মধ্যস্থতাকাৰী সংস্থা (Debt Conciliation Board) স্থাপনতহে তৎপৰ হ'ল। ইয়াৰ মূল লক্ষ্য আছিল ধাৰ লোৱা আৰু ধাৰ দিওঁতাৰ মাজত সহমত সৃষ্টি কৰা যাতে কৃষি পণ্যৰ দাম কমি যোৱাৰ পৰিপ্ৰেক্ষিতত উভয়ে তেওঁলোকৰ চৰ্তসমূহ কিছু সালসলনি কৰি ল'ব পাৰে।[৬৪] সমবায় বেংক প্ৰতিষ্ঠা কৰাৰ দৰে চৰকাৰৰ এই ব্যৱস্থাও আছিল জোৰা-টাপলি মৰা। কৃষকৰ অৱস্থাৰ উন্নতিৰ পৰিৱৰ্তে এই ব্যৱস্থাত বিশেষকৈ ধন ধাৰে দিয়া মাৰোৱাৰী ব্যৱসায়ী শ্ৰেণী আৰু অসমীয়া উচ্চবিত্তৰ একাংশই চৰকাৰৰ হস্তক্ষেপত ধন ঘূৰাই পোৱাটোহে নিশ্চিত হ'ল। যি কি নহওক, বিধানসভাত হোৱা উপৰ্যুপৰি হেঁচা প্ৰয়োগৰ ফলত অৱশেষত চৰকাৰে ভূমি ৰাজহ নিৰ্ধাৰণৰ এখন নতুন আইন (Land Revenue Assessment Act, 1936) ঘোষণা কৰিলে। ইয়াৰ আগলৈকে ৰাজহ নিৰ্ধাৰণৰ ক্ষেত্ৰত চৰকাৰৰ কোনো বাধ্যবাধকতা নাছিল। নতুন আইন অনুসৰি এতিয়াৰ পৰা কোনো এটুকুৰা নিৰ্দিষ্ট কৃষি ভূমি ৰাজহ সেই মাটি টুকুৰাত উৎপাদিত মুঠ ফচলৰ শতকৰা ১২.৫ ভাগতকৈ বেছি হ'ব নালাগিব। ইয়াৰ উপৰিও ৰায়তক সকাহ দিব পৰাকৈ অন্যান্য কিছু চৰ্তও আইনখনৰ আছিল। যদিও এই ব্যৱস্থাৱলীৰ প্ৰয়োগ ইতিমধ্যে বহু পলম হৈ গৈছিল আৰু কৃষকৰ অৱস্থাৰ পৰিৱৰ্তনত ইয়াৰ ভূমিকাও আছিল নগণ্য।[৬৫]

মধ্যবিত্ত শ্ৰেণীৰ ভূমিকা ঃ কংগ্ৰেছ চৰকাৰৰ ক্ষমতা দখলৰ আগলৈকে বিধানসভাত হোৱা বাদ-প্ৰতিবাদসমূহ বিশেষ প্ৰভাৱশালী নহ'লেও, ইয়াৰ বাহিৰত কিন্তু অসমীয়া মধ্যবিত্তৰ এটা অংশৰ চিন্তা-চেতনাত কৃষকৰ সমস্যাই বিশেষ স্থান দখল কৰি লৈছিল। ঊনবিংশ শতিকাৰ পৰাই কৃষকৰ প্ৰশ্নত মধ্যবিত্ত শ্ৰেণীটোৱে নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলেও এওঁলোকৰ ভূমিকা বিতৰ্কৰ উৰ্ধ্বত নাছিল। যি কি নহওক, বিশ্বজোৰা অৰ্থনৈতিক মন্দাৰ প্ৰভাৱত এচাম শিক্ষিত সমাজকৰ্মীয়ে সাংগঠনিক কাম-কাজেৰে কৃষি সমস্যা সমাধানৰ প্ৰচেষ্টা চলালে। অগ্ৰণী অনুষ্ঠান জাতীয় কংগ্ৰেছে এই ক্ষেত্ৰত বিশেষ তৎপৰতা দেখুৱালে। অসমৰ কংগ্ৰেছী নেতাসকলৰ বাবে বিশেষ অনুপ্ৰেৰণাৰ উৎস আছিল ১৯৩১ চনত গান্ধীয়ে চৰকাৰৰ ওচৰত দাঙি ধৰা ১১ দফীয়া দাবী। ইয়াৰ ভিতৰত ভূমি ৰাজহ শতকৰা ৫০ ভাগলৈ কমাই দিয়াটো আছিল অন্যতম।[৬৬] কংগ্ৰেছীসকলৰ মাজত দেখা দিয়া উৎসাহ-উদ্দীপনাৰ মাজতে ১৯৩৩ চনত যোৰহাটৰ ওচৰৰ টিলিকিয়ামত বিভিন্ন অঞ্চলত সিঁচৰতি হৈ থকা ৰায়ত সভাসমূহ একত্ৰিত কৰি এক উমৈহতীয়া সংগঠন অসম ৰায়ত সভাৰ জন্ম হয়। স্বাধীনতা সংগ্ৰামী কৃষ্ণনাথ শৰ্মা আছিল ইয়াৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক।[৬৭] কমিউনিষ্টসকলৰ মতাদৰ্শৰ প্ৰভাৱতো ব্ৰহ্মপুত্ৰ উপত্যকাত আন কেবাটাও কৃষক সংগঠনে জন্ম লাভ কৰিলে। এই সময়ছোৱাত ধীৰেন দত্ত, জিউৰাম

হাজৰিকা, ৰামচন্দ্ৰ বৰুৱা আদিৰ নেতৃত্বত গোলাঘাটত জন্ম হয় হালোৱা সংঘৰ। ১৯৩৮ চনত ইয়াৰ বছৰেকীয়া অধিৱেশন বহে আৰু ইয়াৰ নতুন নাম দিয়া হ'ল গোলাঘাট জিলা কৃষক সভা।[৬৮] আন এক সংগঠনৰ নাম আছিল কৃষক বনুৱা পঞ্চায়ত। ই আছিল ১৯৩৭ চনত সৌমেন্দ্ৰনাথ ঠাকুৰৰ নেতৃত্বত জন্মলাভ কৰা ৰাজনৈতিক দল কমিউনিষ্ট লীগ (পিছলৈ আৰ চি পি আই)ৰ এটি বিশেষ শাখা। উক্ত সংগঠনৰ সদস্যসকলে গাওঁ অঞ্চলসমূহ পৰিভ্ৰমণ কৰি কৃষকক ভূমি ৰাজহৰ বোজাৰ বিৰুদ্ধে সজাগ হ'বলৈ আহ্বান দিছিল।[৬৯]

সুৰমা উপত্যকাতো কমিউনিষ্ট মতাদৰ্শৰ প্ৰভাৱত কৃষক সংগঠনৰ জন্ম আৰু বিকাশ হয়। ১৯৩৬ চনত চিলেটত জন্ম হয় 'কৃষক সভা'। জমিদাৰী অঞ্চলত ৰায়তৱাৰী অঞ্চলতকৈ ভূমি ৰাজহৰ বোজা কিছু কম আছিল। কিন্তু সময়ে সময়ে জমিদাৰসকলে বে-আইনীভাৱে কৰ-কাটল সংগ্ৰহ কৰি তথা শাৰীৰিক শোষণেৰে প্ৰজাসকলক জুৰুলা কৰিছিল। ফলস্বৰূপে উক্ত সভাৰ নেতৃত্বত বিভিন্ন অঞ্চলত জমিদাৰ বিৰোধী আন্দোলন আৰম্ভ হয়— যাৰ লক্ষ্য আছিল খাজনা দিয়া বন্ধ কৰা। কাছাৰৰ ৰায়তৱাৰী অঞ্চলসমূহতো কৃষক সভাই যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছিল। উক্ত সভাৰ শাখা হিচাপে 'কাছাৰ জিলা কৃষক সভা'ই জন্মলাভ কৰে ১৯৩৭ চনত।[৭০]

ওপৰৰ উল্লিখিত আটাইবোৰ সংগঠনৰে উদ্দেশ্য আছিল কৃষকৰ অৱস্থাৰ উন্নতি কৰা, তৎকালীনভাৱে তেওঁলোকক কৰৰ বোজাৰ পৰা ৰেহাই দিয়া। তথ্যপাতিয়ে দিয়া সাক্ষ্য অনুসৰি ৰায়ত সভাৰ ভূমিকাই আছিল বেছি সক্ৰিয়, কাৰণ এই সভাই ভূমি ৰাজহ শতকৰা ৫০ ভাগ কমাই দিয়াৰ দাবী সজোৰে উত্থাপন কৰিছিল। ১৯৩৩-৩৭ চনৰ ভিতৰত উক্ত সভাৰ প্ৰায় ৩০০ মান শাখাৰ সদস্যসকলে বিভিন্ন অঞ্চল পৰিভ্ৰমণ কৰি কৃষকৰ সমস্যাবোৰ সঠিক ৰূপত দাঙি ধৰি সচেতন মহলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। যি কি নহওক, শেষত তেওঁলোকৰ মূল দাবীটোকে কংগ্ৰেছৰ কাউন্সিলাৰসকলে বিধানসভাৰ মজিয়াত সফলতাৰে দাঙি ধৰিবলৈ সক্ষম হয়।[৭১]

বিশ্বজোৰা অৰ্থনৈতিক সংকটৰ সময়ছোৱাত জাতীয় কংগ্ৰেছৰ সামাজিক ভিত্তি বহুখিনি প্ৰসাৰিত হ'ল। বিশেষকৈ ১৯৩৬ চনৰ কংগ্ৰেছৰ লক্ষ্ণৌ অধিৱেশনত বাওঁপন্থীসকলৰ হেঁচাত ৰাজ্যসমূহৰ নৱগঠিত চৰকাৰসমূহক কৃষকৰ সমস্যাৰ প্ৰতি সহানুভূতিশীল হ'বলৈ নিৰ্দেশ দিয়া হয়।[৭২]

এই পটভূমিতে, ১৯৩৫ চনৰ আইনৰ চৰ্ত অনুযায়ী ১৯৩৭ চনৰ এপ্ৰিল মাহৰ ১ তাৰিখে অসমত অ-কংগ্ৰেছী সম্মিলিত চৰকাৰ এখন গঠন হয়। স্বাভাৱিকতে প্ৰথমৰ পৰাই প্ৰভাৱশীল উদাৰনৈতিক কংগ্ৰেছী সদস্যসকলে বিধানসভাত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি কৃষকৰ সমস্যা, দুৰৱস্থাৰ কথা সকলোকে অৱগত কৰালে। অকল সেয়াই নহয়, ঔপনিবেশিক অসমত প্ৰথমবাৰৰ বাবে তেওঁলোকেই কৃষকৰ সমস্যা সমাধানৰ

বাস্তৱ পদক্ষেপ গ্ৰহণ কৰাৰ বাবে অগ্ৰসৰ হয়। কংগ্ৰেছৰ কৰ্মসূচীৰ অংশ হিচাপে ১৯৩৭ চনৰ ২২ জুলাই তাৰিখে স্বাধীনতা সংগ্ৰামী, কাউন্সিলৰ সিদ্ধিনাথ শৰ্মাই কংগ্ৰেছৰ হৈ এক ঐতিহাসিক প্ৰস্তাৱ উত্থাপন কৰে। প্ৰস্তাৱটোত সম্পূৰ্ণ খাজনা দিয়া খাৰিজ আৰু আধা খাজনা দিয়া বিশেষ সুবিধা প্ৰদত্ত মাটিৰ ৰাজহ শতকৰা ৫০ ভাগলৈ কমাই দিয়াৰ বাবে দাবী তোলা হয়। কৃষকৰ ওপৰত চলি থকা শোষণৰ বিভিন্ন দিশ পৰ্যালোচনা কৰি ইংৰাজী ভাষাত উত্থাপন কৰা প্ৰস্তাৱটোৰ এটা অংশ আছিল এনেকুৱা— "Therefore on the basis of reduced return for agricultural produce; an increase of indebtedness and permanent proverty of rayats, the reduction should be 50 percent."[৭৩] প্ৰস্তাৱটোৰ গুৰুত্ব উপলব্ধি কৰি গোপীনাথ বৰদলৈ, দেবেশ্বৰ শৰ্মা আদি প্ৰায়বোৰ কংগ্ৰেছী নেতাই ইয়াক সমৰ্থন কৰিছিল।[৭৪]

প্ৰস্তাৱটোৱে সদনৰ মজিয়াত তুমুল বিতৰ্কৰ সূত্ৰপাত ঘটালে। ইতিমধ্যে কিছু খাজনা ৰেহাই দিয়া হৈছিলেই, ইয়াৰ ওপৰতো আকৌ ৫০ ভাগ ৰেহাইৰ কথাটো চৰকাৰে সহজভাৱে মানি ল'ব পৰা নাছিল। ঔপনিৱেশিক চৰকাৰৰ বাবে ভূমি ৰাজহৰ ইমান এটা ডাঙৰ অংশ এৰি দিয়াৰ প্ৰশ্নই নাছিল। চৰকাৰৰ পক্ষ লোৱা ৰোহিণী কুমাৰ চৌধুৰী (দুবছৰৰ আগতে তেওঁ কৃষকৰ স্বাৰ্থত মাত মাতিছিল), মহম্মদ ছাদুল্লা আদি অকংগ্ৰেছী সদস্যসকলৰ প্ৰস্তাৱটোৰ বিৰোধিতা কৰিবলৈ ধৰিলে। আনকি ৰাজহ মন্ত্ৰী ৰোহিণী কুমাৰ চৌধুৰীয়ে সমস্যাটোৰ পৃথক পৰ্যালোচনাৰ বাবে এখন অনুসন্ধান সমিতি গঠন কৰা আৰু সাময়িক ব্যৱস্থা হিচাপে ভূমি ৰাজহ শতকৰা ২৫ ভাগলৈ কমাই দিয়াৰহে পৃষ্ঠপোষকতা কৰে।[৭৫] মূলতঃ কংগ্ৰেছৰ কৃষক সমস্যাৰ স্থায়ী সমাধানৰ পদক্ষেপ অকংগ্ৰেছী সদস্যসকলে বিৰোধিতা কৰিছিল, অৱশ্যে তেওঁলোকৰো উদাৰনৈতিক গোট এটাই সমৰ্থন নকৰাকৈ থকা নাছিল। তৎসত্বেও ৫০ ভাগ ৰেহাইৰ প্ৰস্তাৱটো বিধানসভাত গৃহিত নহ'লগৈ। মুঠ ৯০জনৰ ভিতৰত ৬০ জন সদস্যই ভূমি ৰাজহৰ শতকৰা ৩৩ ভাগহে কমোৱাৰ পক্ষে মতামত ব্যক্ত কৰে।[৭৬] পৰিস্থিতিৰ জটিলতাৰ প্ৰতি লক্ষ্য ৰাখি বিধানসভাৰ সচিবে লগে লগে প্ৰস্তাৱটো ৰাজহ বিভাগলৈ প্ৰেৰণ কৰে।[৭৭]

আশ্চৰ্যজনকভাৱে চৰকাৰে এই প্ৰস্তাৱটোও কাৰ্যকৰী নকৰিলে। ইয়াৰ পৰিৱৰ্তে কংগ্ৰেছৰ সদস্যক সম্পূৰ্ণৰূপে বাদ দি চৰকাৰে প্ৰভাৱশালী অকংগ্ৰেছী সদস্যক লৈ এখন ভূমি ৰাজহ সমিতিহে গঠন কৰি দিলে। সমিতিখনৰ এজন গুৰুত্বপূৰ্ণ সদস্য স্বয়ং অকংগ্ৰেছী ৰাজহ মন্ত্ৰীয়ে কৃষকৰ মাটি বিভিন্ন শিতানত অন্তৰ্ভুক্ত কৰি শতকৰা ৫০ ভাগ, ৩৩ ভাগ আৰু ২৫ ভাগ কমোৱাৰ বাবে পৰামৰ্শ আগবঢ়ায়। আগৰ পৰা চলি থকা ৰেহাইৰ ব্যৱস্থাটোও বৰ্তি থাকিবলৈ দিয়া হয়। সমিতিখনৰ অন্যান্য প্ৰতিবেদনখিনিও এই মূল নীতিৰ ওপৰত প্ৰতিষ্ঠিত আছিল।[৭৮] আচলতে সমগ্ৰ প্ৰক্ৰিয়াটোৱে আছিল সাম্ৰাজ্যবাদী চৰকাৰ আৰু অকংগ্ৰেছী গোটৰ মিলিত শক্তিৰ এক ষড়যন্ত্ৰ। এনে ধৰণৰ

কার্যৰ তীব্ৰ বিৰোধিতা কৰি সিদ্ধিনাথ শৰ্মাই আঙুলিয়াই দিয়ে যে এনে ধৰণৰ ফোপোলা ব্যৱস্থাই কম সংখ্যক অৱস্থাপন্নৰ একাংশকহে সামৰি ল'ব, সংখ্যাগৰিষ্ঠ দুৰ্দশাগ্ৰস্ত কৃষকৰ ওপৰৰ পৰা ৰাজহৰ বোজা কেৱল ২৫ ভাগহে কমিব।[৭৯]

যি কি নহওক, সদনৰ কাম-কাজ পুনৰ আৰম্ভ হোৱাৰ লগে লগে বিষয়টো লৈ তুমুল বাক্-বিতণ্ডাৰ সৃষ্টি হ'ল। কংগ্ৰেছৰ স্থিতিৰ সমৰ্থনত অকংগ্ৰেছী গোটটোৰ সদস্যও আগতকৈ কিছু বৃদ্ধি হয়। বিশেষকৈ সদনত এবাৰ গৃহিত হৈ যোৱা প্ৰস্তাৱ এটাক লৈ আকৌ নতুন পৰ্যায় এটা আৰম্ভ কৰা বিষয়টোৰ বৈধতা সম্বন্ধে বেছিভাগ সদস্যই প্ৰশ্ন তুলিলে। অধিকাংশৰ হেঁচাত বাধ্য হৈ চৰকাৰে অনুসন্ধান সমিতি গঠনৰ ব্যৱস্থাটো ৰদ কৰিবলৈ বাধ্য হয়। শেষত, প্ৰতিবন্ধকতাৰ মাজেদি হ'লেও সকলো কৃষি-ভূমিৰ ওপৰত প্ৰত্যক্ষভাৱে শতকৰা ৩৩ ভাগ ভূমি-ৰাজহ ৰেহাইৰ আগৰ প্ৰস্তাৱটোকে সদনত পুনৰ উত্থাপন কৰি গৃহিত কৰা হয়। অৱশ্যে অকংগ্ৰেছীসকলৰ প্ৰভাৱতে প্ৰস্তাৱটো আৰু এটা অংশ জোৰা লগোৱা হ'ল। এই মৰ্মে সদনে এতিয়া চৰকাৰক তেওঁলোকৰ আৰ্থিক স্থিতি অনুসৰিহে প্ৰস্তাৱটো কাৰ্যকৰী কৰিবলৈ আহ্বান জনালে।[৮০]

চৰকাৰে আনুষ্ঠানিকভাৱে মানি ল'লেও প্ৰস্তাৱটো কাৰ্যকৰী কৰাত কোনো উৎসাহ নেদেখুৱালে। তেওঁলোকে অগণতান্ত্ৰিকভাৱে আকৌ এখন অনুসন্ধান সমিতি পাতি দি ১৯৩৮-৩৯ চনৰ বছৰটোত কৃষকক সামূহিকভাৱে দিব লগীয়া ৰেহাইৰ প্ৰশ্নটোহে আলোচনা কৰিলে।[৮১] অৱশ্যে ১৯৩৮ চনৰ ছেপ্টেম্বৰ মাহত গোপীনাথ বৰদলৈৰ নেতৃত্বত কংগ্ৰেছ চৰকাৰে পূৰ্ণ ক্ষমতা লাভ কৰাৰ পাছত পৰিস্থিতিৰ কিছু সলনি হ'ল। নতুন চৰকাৰখনে সংখ্যাগৰিষ্ঠ কৃষকে সুবিধা লাভ কৰিব পৰাকৈ শতকৰা ৫০ ভাগ ভূমি ৰাজহ হ্ৰাস কৰাৰ সিদ্ধান্ত লয়। আনহাতে, সংখ্যালঘিষ্ঠ ধনী কৃষকসকলৰ ক্ষেত্ৰত ৰাজহৰ বোজা শতকৰা ২০ৰ পৰা ৩০ ভাগলৈ কমাই দিয়া হ'ল। এই ব্যৱস্থা ১৯৩৮-৩৯ চনৰ পৰা কাৰ্যকৰী হয়। ৰায়তৱাৰী অঞ্চলৰ সংখ্যাগৰিষ্ঠ কৃষক এই ব্যৱস্থাৰ দ্বাৰা উপকৃত হৈছিল বুলি ক'ব পাৰি। এনেকৈয়ে বৰদলৈ চৰকাৰৰ তৎপৰতাৰ বাবে ৰায়ত সভাৰ দীৰ্ঘদিনীয়া দাবী এটা পূৰণ হয়, লগতে সাম্ৰাজ্যবাদী চৰকাৰৰ প্ৰতি আপোচমুখী কাউন্সিলৰসকলৰ ষড়যন্ত্ৰও ব্যৰ্থ হয়।[৮২]

প্ৰসংগক্ৰমে উল্লেখযোগ্য যে অসমৰ দুয়োটা উপত্যকাৰ চিৰস্থায়ী ব্যৱস্থাৰ অধীনত থকা অঞ্চলসমূহৰ কৃষকৰ দুৰৱস্থাৰ বিষয়টোৱে কংগ্ৰেছ কৰ্মীসকলক বৰ বেছি প্ৰভাৱান্বিত কৰিব পৰা নাছিল। সম্ভৱতঃ একাংশ কংগ্ৰেছ কৰ্মীৰ লগত জমিদাৰসকলৰ বহুদিনীয়া মিত্ৰতা আৰু ঘনিষ্ঠতাও ইয়াৰ কাৰণ হ'ব পাৰে। বিশেষকৈ চিলেটৰ কৃষকসকলৰ মাজত জমিদাৰৰ শোষণৰ বিৰুদ্ধে অসন্তুষ্টিয়ে তীব্ৰ আকাৰ ধাৰণ কৰিছিল। বিভিন্ন স্থানত কৃষকে প্ৰতিবাদ সাব্যস্ত কৰিছিল আৰু কৃষক সংগঠনসমূহো ইয়াৰ লগত জড়িত

হৈ পৰিছিল। উত্তপ্ত পৰিস্থিতিৰ মাজতে অসম বিধানসভাত জমিদাৰৰ বিৰুদ্ধে কৃষকৰ স্বাৰ্থ ৰক্ষাৰ বাবে এখন বিশেষ আইন গৃহিত কৰাৰ বাবে প্ৰস্তুতি চলিছিল। কিন্তু আশ্চৰ্যজনকভাৱে এনেকুৱা এখন বিল ১৯৩৭-৩৯ চনৰ ভিতৰত সদনত উত্থাপনৰ বাবে ছাদুল্লা মন্ত্ৰী সভা আৰু বৰদলৈ মন্ত্ৰীসভা— কোনোখনেই সন্মতি নিদিলে। যি কি নহওক, কংগ্ৰেছ চৰকাৰৰ দিনতে সংশোধিত ৰূপত এখন বিল গৃহিত কৰা হয়, য'ত জমিদাৰৰ বিৰুদ্ধে হোৱা বেছিভাগ দাবীয়েই নাকচ কৰা হ'ল।[৮৩]

কৃষক চেতনাৰ প্ৰশ্ন ঃ ঔপনিবেশিক কাঠামোগত ভিত্তিত কৃষকৰ অকল সমস্যাহে আছিল নেকি? তেওঁলোকৰ চিন্তা-চেতনাৰ স্বতন্ত্ৰতাৰ কোনো অস্তিত্ব নাই নেকি? সাম্প্ৰতিক এই বিষয়টো লৈ পৰ্যালোচনা চলিছে। সকলো দিশৰ খুটি-নাটিৰ আলোচনালৈ নগৈ আমি পাৰ্থ চট্টোপাধ্যায়ৰ এষাৰি মন্তব্য তুলি দিছো। "যি কথাটো প্ৰাসংগিক, সেয়া হ'ল বিদ্ৰোহী কৃষক চেতনাৰ এটা নিৰ্দিষ্ট আৰু স্বতন্ত্ৰ ৰূপ আছে। প্ৰভুত্বৰ বিৰুদ্ধে এক সৰ্বাত্মক প্ৰতিৰোধৰ মাজেৰেই এই ৰূপ প্ৰকাশ পায়। কিন্তু ইয়াৰ লগতে, কৃষক বিদ্ৰোহ সম্বন্ধীয় সকলো ঐতিহাসিক তথ্যই এইটো কথাও প্ৰমাণ কৰে যে বৃহত্তৰ পৰিসৰ আৰু তীব্ৰ আকাৰ ধাৰণ কৰিলেও কৃষক বিদ্ৰোহে কেতিয়াও নিজ শক্তিৰে মৌলিক ৰাষ্ট্ৰ বিপ্লব ঘটাবলৈ সক্ষম নহয়। ইয়াৰ কাৰণে অন্য কোনো শ্ৰেণী বা শ্ৰেণী চেতনাৰ হস্তক্ষেপৰ আৱশ্যক। যদি কোনো শ্ৰেণী বা তাৰ ৰাজনৈতিক নেতৃত্বই বিদ্ৰোহী কৃষক চেতনাৰ স্বৰূপ নিৰ্ধাৰণ কৰিবলৈ সক্ষম হয়, তেতিয়া হ'লে এক বৃহত্তৰ ৰাষ্ট্ৰ বিপ্লৱৰ কাৰ্যকৰ্মৰ লগতে কৃষক বিদ্ৰোহৰ স্বকীয় আৰু স্বতন্ত্ৰ শক্তিক মুক্ত কৰা সম্ভৱ।"[৮৪] অসমত বিশেষকৈ ঔপনিবেশিক ভূমি ৰাজহ নীতিৰ বিৰুদ্ধে বিদ্ৰোহী কৃষক চেতনাৰ উমান পাবলৈ আমি ঊনবিংশ শতিকাৰ নামনি অসমৰ কৃষক বিদ্ৰোহসমূহৰ কথাকে প্ৰথমে ক'ব লাগিব। পথৰুঘাটৰ দৃষ্টান্তই আমাক বিশেষভাৱে আকৰ্ষিত কৰে। গ্ৰাম্য অভিজাত শ্ৰেণীৰ নেতৃত্বৰ কিছু সীমাবদ্ধতা মানি লৈও ড° অমলেন্দু গুহই কৃষকৰ জংগী ৰূপটোৰ কথা উল্লেখ কৰিছে।[৮৫] ড° ৰাজেন শইকীয়াই অৱশ্যে কৃষক চেতনাৰ স্বতন্ত্ৰতাৰ প্ৰতি সংশয় প্ৰকাশ কৰিছে। "Peasents' participation was therefore, inspired not spontaneous. It was more with bravado than conviction that they registered protest.[৮৬] যিহেতু কৃষক চেতনা অন্য কোনো এক গতিশীল চেতনাৰ লগত যুক্ত হোৱাটো স্বাভাৱিক, সেয়েহে অসমত সংঘটিত বিদ্ৰোহসমূহত থকা সম্ভাব্য কৃষক চেতনাৰ ৰূপটোৰ বিষয়ে আলোচনাৰ যথেষ্ট অৱকাশ আছে। অৱশ্যে, পৰ্যায়ক্ৰমে কৃষকৰ সমস্যা আগৰ ৰাইজ মেলৰ পৰিৱৰ্তে ৰায়ত সভা, আছাম এছ'চিয়েচন, জাতীয় কংগ্ৰেছ আদিৰ মধ্যবিত্ত শ্ৰেণী চেতনাৰ লগত সংযুক্ত হোৱাৰ পৰা কৃষক চেতনাৰ তীব্ৰতা কমি আহিবলৈ ধৰিলে। অৱশ্যে এইধৰণে ভবাটো উচিত নহ'ব যে বিংশ শতাব্দীত ঔপনিবেশিক শাসন-শোষণ, সকলো কৃষকসকলে নীৰৱে মানি লৈছিল। মন

কৰিবলগীয়া যে অসহযোগ আন্দোলনৰ সময়তে 'বৰদলি'ত গান্ধীজীৰ খাজনা বন্ধ কৰাৰ সিদ্ধান্তই তেজপুৰ মহকুমাৰ কেবাখনো মৌজাত শতাধিক কৃষকক অনুপ্ৰাণিত কৰিছিল। কিন্তু কৃষকক সঠিক দিশ দেখুওৱাৰ ক্ষেত্ৰত স্থানীয় কংগ্ৰেছৰ নেতাসকল ব্যৰ্থ হ'ল।[৮৭] তৎসত্বেও, চৰকাৰী খাজনা পৰিশোধ বন্ধ কৰি দিয়াৰ বাবে এক বৃহৎ আন্দোলনৰ পিছৰ পৰ্যায়টো বিদ্ৰোহী চেতনাই শাম কটা নাছিল। ১৯২৭-২৮ চনত সম্ভাব্য খাজনা বৃদ্ধিৰ আশংকাত শিবসাগৰ জিলাৰ বহুকেইখন মৌজাৰ সহস্ৰাধিক কৃষকে নিজাকৈ বিভিন্ন কৃষক সংগঠন গঢ়ি তুলি প্ৰতিবাদ সাব্যস্ত কৰিছিল। গুৰুত্বপূৰ্ণ কথাটো আছিল যে এই সংগঠনবোৰৰ ওপৰত শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ প্ৰভাৱ আছিল তেনেই সীমিত।[৮৯] আনহাতে, আইন অমান্য আন্দোলনৰ সময়ত চিলেট জিলাৰ ভানুবিল জমিদাৰী মহলত কৃষক প্ৰজাই জমিদাৰৰ শোষণৰ বিৰুদ্ধে প্ৰবল প্ৰতিৰোধ সংগ্ৰাম গঢ়ি তুলিছিল। সুৰমা উপত্যকাৰ সকলোতকৈ গুৰুত্বপূৰ্ণ এই সংগ্ৰাম মধ্যবিত্তীয় চিন্তা-চেতনাৰ লগত যুক্ত হৈ স্বতন্ত্ৰ ৰূপত আত্মপ্ৰকাশ হৈছিল।[৯০] আমি ইয়াত কেইটামান উদাহৰণহে দিছো। এনেকুৱা ধৰণৰ বহু বিক্ষিপ্ত ঘটনাই গৱেষণাৰ মাধ্যমেৰে পোহৰলৈ আহিছে। কিন্তু কথাটো হ'ল— অসমৰ ইতিহাসত বা বিশেষকৈ স্বাধীনতা আন্দোলনৰ মূল সুঁতিৰ ধাৰালৈ 'কৃষক চেতনা'ৰ অৰিহণা কিমানদূৰ আছিল— সেই বিষয়ে এতিয়াও প্ৰণালীবদ্ধ অধ্যয়ন হোৱা নাই। ইয়াৰ কাৰণ, সৰ্বভাৰতীয় পৰ্যায়ৰ ইতিহাস চৰ্চাত দেশী বিদেশী উচ্চবৰ্গৰ প্ৰভাৱ। আনকি জাতীয়তাবাদৰ প্ৰসাৰৰ প্ৰকৃত ছবিখনো ইয়াত অস্পষ্ট। ড° ৰণজিত গুহই লিখিছে— "That, however, historical writing of this kind cannot do is to explain Indian nationalism for us. For it fails to acknowledge, far less interprest. the contribution made by the people on their own, that is, independently of the elite to the making and development of this nationalism.[৯১] আঞ্চলিক ইতিহাস চৰ্চাও এনেকুৱা প্ৰৱণতাৰ পৰা মুক্ত নহয়। অসমৰ স্বাধীনতা আন্দোলনৰ বহু তথ্যপাতি পোহৰলৈ আহিছে যদিও মধ্যবিত্ত শ্ৰেণীগত অৱস্থানৰ ওকালতি কৰি প্ৰায় সকলোবোৰ ঘটনাৰ ব্যাখ্যা কৰাৰ জনপ্ৰিয় ধাৰাটো এতিয়াও অব্যাহত। আমাৰ বোধেৰে কৃষক চেতনাৰ ধাৰাবাহিকতা ৰূপ, বিভিন্ন বিক্ষিপ্ত কৃষক সংগ্ৰাম সম্পৰ্কীয় ঘটনাৰ মাজত সংযোগ স্থাপন, কমিউনিষ্টসকলৰ আত্মজীৱনীৰ বিশ্লেষণাত্মক অধ্যয়ন, শ্ৰমিক আন্দোলনৰ লগত কৃষক চেতনাৰ সংগতি, লোকসংস্কৃতিৰ সমল পৰীক্ষা কৰা আদিবোৰৰ অত্যধিক গুৰুত্ব দি তথা প্ৰাপ্ত তথ্যপাতিসমূহ পুনৰ পৰীক্ষাৰ মাজেৰে কৃষক স্বতন্ত্ৰতাৰ প্ৰকৃত ইতিহাস ৰচনা কৰা সম্ভৱ হ'ব। ইয়াৰ মাজেৰে অসমীয়া জাতীয়তাবাদী বিকাশৰ পৰিপূৰ্ণ ৰূপটোও আমি ধৰিব পাৰিম। অন্ততঃ তেতিয়াহে আমি বুজিব পাৰিম— নিম্নবৰ্গৰ চেতনাক সামৰি লোৱা গতিশীল অসমীয়া জাতীয়তাবাদৰ লগত ঔপনিৱেশিক শাসনৰ সংঘাত আছিল কোনখিনিত? বা ইয়াৰ চৰিত্ৰ আছিল কেনেকুৱা? ●

পাদটীকা ঃ

১। সব্যসাচী ভট্টাচার্য ঃ ঔপনিবেশিক ভারতের অর্থনীতি, কলকাতা, ১ বৈশাখ, ১৩৯৬; পৃষ্ঠা ৪৮।

২। ঐ, পৃষ্ঠা ৪৪, ৪৫।

৩। ঐ, পৃষ্ঠা ৪৭।

৪। Dr. Amalendu Guha : Medieval and Early Colonial Assam. Calcutta, 1991, P. 228.

৫। Assam Land Revenue Regulation : 1886, Section 32 (1).

৬। Dr. Amalendu Guha : Medieval and Early Colonial Assam, Calcutta, 1991. P. 172.

৭। Dr. H.K. Borpujari : Assam in the days of the Company. Gauhati-1980. P.P. 254, 255.)

৮। Dr. Amalendu Guha : Medieval and Early Colonial Assam. Calcutta, 1991, P. 270.

৯। ঐ।

১০। Assam Land Revenue Manual, 1931; Reprint Shillong 1968; P.P. IXXI-IXXII.

১১। Ibid- P IXXIX.

১২। Ibid- P.P. XXXII-IXXXIII.

১৩। Ibid- P.P. XXXIV.

১৪। Ibid.

১৫। Ibid. P.P. CXXXVI-CXXXVII.

১৬। সম্পাদকীয় ঃ অসমীয়া, ৬ নবেম্বর, ১৯২৭।

১৭। RLRA : Assam Valley : 19(11-12, 23-24, 30-31, 36-37, 43-44). Appendix V.

১৮। RLRA : Surma Valley : 1911-12 to 1944-45, Appendix V.

১৯। Sep. Rev A, G.S.D. December 1926, P.8.

২০। RAED : Assam 1930-31, Section VI

২১। RAED : Assam, 1912-13 to 1939-40, Imperial Return No. 1

২২। RAA : 1914-15, P.7 1920-21, P.S: 1923-24, P.S: 1927-28. P. 5 RLRA : 1939-40, Assam Valley P. 10, Surma Valley. P. 6

২৩। ASP : Rev A, June 1938, Nos 73-76, P.P. 2-3.

২৪। Provincial Gazetteer of Assam; Shillong 1906. P. 47

২৫। ASP : Rev A, June 1924. Nos. 17-98; Letter No 3177. dated Gauhati the 2nd February. 1923.

২৬। RLRAA, 1923-24.

২৭। ASP : Rev A, June 1938, Nos 73-76, Figure supplied by Deveshwar Sharma in the Council.

২৮। Bipan Chandra : Nationalism and Colonialism in Modern India. New Delhi 1996, P. 209.

২৯। D. N. Gupta Edited : Changing Modes of Production in India. Delhi, 1995. . 80.

৩০। Dr. Amalendu Guha : Medieval and Early Colonial Assam, Calcutta 1991, P.P. 263-264.

৩১। Dr. Priyam Goswami : Assam in the Nineteenth Century : Industrialization and Colonial Penetration P.P. 218-219.

৩২। Ibid P. 219.

৩৩। Provincial Gazetteer of Assam, Shillong 1906, P.47.

৩৪। S. B, Medhi : Transport System and Economic Development in Assam. Gauhati 1978. P.P. 113-114.

৩৫। RAA : 1913-14, P. 5

৩৬। RAA : 1916-17, P. 7.

৩৭। RAA : 1920-21, P. 5.

৩৮। RAA : 1927-28, P. 5.

৩৯। RLRA : Assam Valley, 1936-37, P. 7.

৪০। Assam Land Revenue Manual, 1931, Reprint Shillong 1968; P C XI.

৪১। RLRA . 19(23-24, 30-31, 32-33, 39-40) Appendix II.

৪২। ALCP : 12th January 1918; AG, Past VI, Shillong 1918.

৪৩। RLRAA . 1918-19.

৪৪। Ibid.

৪৫। RLRA : Assam Valley 1924-25, Appendix IV

৪৬। RLRA : Assam Valley 1930-31, Appendix IV.

৪৭। RLRA : Assam Valley 1933-34, Appendix IV.

৪৮। RLRA : Assam Valley 1936-37, Appendix IV.

৪৯। কৃষ্ণ শৰ্মা : কৃষ্ণ শৰ্মাৰ ডায়েৰী, গুৱাহাটী ১৯২৭, পৃষ্ঠা ৭২ ৭৩।

৫০। Sabyasachi Bhattachariya edited : Essays in Modern Indian Economic History, Indian history Congress 1987 P 236.

৫১। ASP . Rev A, June 1938. Nos 73-76, P.P. 2-3; Statemnt made by Sidhinath Sharmah in the Council

৫২। Ibid, PP 23-24.

৫৩। Ibid, P-8

৫৪। RLRA : Assam Valley 19(28-29, 31-32, 33-34, 35-36, 36-37, 37-38, 38-39) Appendix V.

৫৫। RLRA : Surma Valley 19(26-27, 30-31, 31-32, 35-36, 36-37, 37-38, 38-39) Appendix V.

৫৬। RLRA : Assam Valley, 1932-33, Section III.

৫৭। ASP : Rev. A June 1938, Nos 45-72; 1, Sharmah to Secıetary No. 12, dated Shillong the 15th October 1937.

৫৮। RLRAA : 1934-35.

৫৯। ASP : Rev A, June 1937, Nos 107-149.

৬০। RLRAA : 1939-40.

৬১। Ibid.

৬২। আশিস নিয়োগী সম্পাদিত ঃ স্বাধীনতা আন্দোলন ও স্বাধীনোত্তৰ ভাৰতবৰ্ষ ঃ আকাঙ্খা, আশঙ্কা সম্ভাৱনা। কলিকতা ১৯৯৮, পৃষ্ঠা ১৬৯, ১৭০।

৬৩। P.C. Goswami : The Economic Development of Assam. New Delhi 1988. P. 163.

৬৪। ALCP : November 11, 1936; A.G. Part VI.

৬৫। ALCP : October 28, 136; A.G. Part VI.

৬৬। কৃষ্ণ শৰ্মাৰ ডায়েৰী, গুৱাহাটী ১৯৭২, পৃষ্ঠা ১৮৬।

৬৭। ঐ, পৃষ্ঠা ২০৩-২০৪।

৬৮। দধি মহন্ত ঃ অসমত কমিউনিষ্ট আন্দোলনৰ জন্ম আৰু বিকাশ সম্বন্ধে, গুৱাহাটী ১৯৯৩, পৃষ্ঠা ৩৮, ৩৯।

৬৯। হৰিদাস ডেকা ঃ জীৱন আৰু সংগ্ৰাম, গুৱাহাটী ১৯৯২, পৃষ্ঠা ২৬-২৮, ৩৫-৩৬।

৭০। চঞ্চল কুমাৰ শৰ্মা ঃ সুৰমা উপত্যকাৰ কৃষক আৰু শ্ৰমিক আন্দোলনেৰ ইতিহাস. কলকাতা ১৯৯০, পৃষ্ঠা ৮ ১০।

৭১। কৃষ্ণ শৰ্মা ঃ কৃষ্ণ শৰ্মাৰ ডায়েৰী, গুৱাহাটী ১৯৭২, পৃষ্ঠা ২৪৯-২৫১।

৭২। D.G. Tendulkar : Mahatma Vol. 4, Govt. of India 1960, P. 65-66.

৭৩। ALCP, 12th July, 1937; ASP : Rev A, June 1938, Nos 73-76, PP 1-4.

৭৪। ASP : Rev A, June 1938, Nos 73-76, PP 23-24.

৭৫। Ibid : PP 9-10.

৭৬। Ibid : P 38.

৭৭। Ibid : No. 108-93-LA, dated Shillong, the 4th December, 1937.

৭৮। ASP : Rev A, June 1938, Nos 45-72; Submitted by D.N. Sharmah, 2 October 1937.

৭৯। Ibid, P. 32.

৮০। Ibid, P. 61-62.

৮১। Ibid, Patton to Bordoloi, No 1157 R, dated Shillong 6 April 1938.

৮২। A. C. Bhuyan & Sivapada De (edited) Political History of Assam Vol-III, Guwahati 1980, P. 5 কৃষ্ণ শৰ্মাৰ ডায়েৰী, গুৱাহাটী ১৯৭২, পৃষ্ঠা ২৫২; শ্ৰীমান প্ৰফুল্ল মহন্ত : জীৱন স্মৃতি, নলবাৰী ১৯৭৭, পৃষ্ঠা ৩২।

৮৩। চঞ্চল কুমাৰ শৰ্মা : সুৰমা উপত্যকাৰ কৃষক আৰু শ্ৰমিক আন্দোলনেৰ ইতিহাস, কলিকতা ১৯৯০, পৃষ্ঠা ১৪-১৬।

৮৪। পাৰ্থ চট্টোপাধ্যায় : 'ইতিহাসেৰ উত্তৰাধিকাৰ, কলকাতা, ২০০০, পৃষ্ঠা ৪০।

৮৫। Dr Amalendu Guha : Planter Raj to Swaraj Delhi, 1988, P. 54.

৮৬। Dr. Rajen Saikia : Social and Economic History of Assam, 1853-1921. Delhi 2000, P. 107.

৮৭। অমিয় কুমাৰ দাস : জীৱন স্মৃতি, গুৱাহাটী ১৯৮৩, পৃষ্ঠা ১২৬-১২৭।

৮৮। Dr. Amalendu Guha : Planter-Raj to Swaraj Delhi, 1988. P. 141.

৮৯। অসমীয়া : ৬ নৱেম্বৰ, ২০ নৱেম্বৰ, ২৮ নৱেম্বৰ ১৯২৭।

৯০। বিশদ বিৱৰণৰ বাবে Dr. Gautam Kr. Sarkar ' Aspect of National Movement in the Surma Valley, Unpublished thesis, submitted to Gauhati University, 1995, P.P. 216-220.

৯১। Ranjit Guha (edited) : Subaltern Studies 1. O.V.P 1982, P. 3.

ABBREVIATIONS :

RLRA	–	Report on Land Revenue Administration
RAED	–	Report on Administration of Excise Department.
RAA	–	Report on Administration of Assam
ASP	–	Assam Secretariat Proceedings.
RLRAA	–	Resolution on Land Revenue Administration of Assam.
ALCP	–	Assam Legislative Council Proceedings.
AG	–	Assam Gazette.

সাম্ৰাজ্যবাদ, নিম্নবৰ্গৰ সমাজ আৰু সুৰাৰ ব্যৱসায়

ভাৰতবৰ্ষত বৃটিছ ঔপনিবেশিক শক্তিয়ে কোনো এটা বিশেষ উৎপাদন ব্যৱস্থাৰ প্ৰতিনিধিত্ব কৰা নাছিল। বৰঞ্চ ই এনে এক ব্যৱস্থা আছিল— য'ত বহু ধৰণৰ উৎপাদন ব্যৱস্থা, উৎপাদন সম্পৰ্ক আৰু শোষণৰ ধৰণ বৰ্তি আছিল।[১] ফলত ভাৰতকে ধৰি অন্যান্য ঔপনিবেশসমূহত য'ত পুঁজিবাদৰ উদ্ভৱ আৰু বিকাশ দেখিকৈ হৈছিল, প্ৰাক-ধনতান্ত্ৰিক ব্যৱস্থাৰ পৰা পুঁজিবাদলৈ ঐতিহাসিক বিৱৰ্তনৰ এক সুষম সুনিৰ্দিষ্ট ৰূপ দৃষ্টিগোচৰ হোৱা নাছিল। এফালেদি এক তাত্ত্বিক প্ৰতিকল্প আৰু আনফালেদি বিভিন্ন দেশৰ বিভিন্ন পৰিস্থিতিত ঐতিহাসিক বিৱৰ্তনৰ বিভিন্নতা— এই সমস্যা লৈ মাৰ্ক্সৰ শেহতীয়া ৰচনা আৰু বিশেষকৈ লেনিনৰ চিন্তাত কিছু তাৎপৰ্যপূৰ্ণ ইংগিত পোৱা গৈছিল। গুৰুত্বপূৰ্ণ বিষয়টো আছিল সামাজিক পুনৰাবৰ্তনৰ প্ৰক্ৰিয়াত দ্বন্দ্বৰ অসম বিকাশৰ সম্ভাৱনা। এই অসম বিকাশ তেতিয়াই দেখা দিয়ে যেতিয়া সমাজ কাঠামোৰ বিভিন্ন অংশত পৰিবৰ্তন প্ৰক্ৰিয়া সমান্তৰালভাৱে আগুৱাই নাযায়। শ্ৰেণী দ্বন্দ্বৰ প্ৰক্ৰিয়াত কোনো বিশেষ শ্ৰেণীৰ প্ৰাধান্য সমান্তৰালভাৱে ৰাষ্ট্ৰক্ষমতা আৰু সাংস্কৃতিক জগতত প্ৰতিষ্ঠা নোহোৱাকৈ থাকে আৰু শ্ৰেণী দ্বন্দ্বৰ মৌলিকতা, বৈৰীতা, প্ৰাধান্য ইত্যাদি গুণবোৰ এক জটিল আৰু পৰিবৰ্তনশীল কাঠামোত বিনষ্ট হৈ থাকে। এনে পৰিস্থিতিত পিছপৰা অৱস্থাত থকা দেশ বা অঞ্চলৰ উৎপাদন ব্যৱস্থাৰ বিশ্লেষণৰ উপৰিও প্ৰয়োজন হৈ পৰে উৎপাদন সম্পৰ্কৰ আৰু ৰাষ্ট্ৰ ক্ষমতা, ধৰ্মীয় জীৱন, সংস্কৃতি তথা ভাবাদৰ্শৰ জগতত শ্ৰেণীদ্বন্দ্বৰ চৰিত্ৰ নিৰ্ণয় কৰা। এই জটিলতা আৰু অনিৰ্দিষ্টতাৰ বাবেই আধুনিক ভাৰতবৰ্ষৰ ইতিহাস আলোচনাত উচ্চবৰ্গ (elite) আৰু নিম্নবৰ্গৰ (Sub-altern) ধাৰণাই তাৎপৰ্য লাভ কৰিছে। এই সংজ্ঞা নিৰ্ণয় কৰা হৈছে সামাজিক সম্পৰ্কৰ সেই অৱস্থাত য'ত ক্ষমতাই হ'ল মূল কথা, অৰ্থাৎ প্ৰভুত্ব/অধীনতাৰ এক কাঠামোৰ মাজত সামাজিক সম্পৰ্ক বান্ধ খাই থাকে। অৱশ্যে ই শ্ৰেণীৰ কোনো বিকল্প সংজ্ঞা নহয়, ঐতিহাসিক বিৱৰ্তনৰ বিশ্লেষণৰ ক্ষেত্ৰত শ্ৰেণীদ্বন্দ্বৰ অসম বিকাশক চিত্ৰিত কৰাৰ প্ৰয়োজনত উৎপাদন সম্পৰ্কৰ পৰিপূৰক এটি ধাৰণা মাত্ৰ।[২] এই পটভূমিতে সাম্ৰাজ্যবাদৰ অধীনত ভাৰতীয় মূল সুঁতিৰ পৰা বিচ্ছিন্ন হৈ পৰা আদিবাসী কৃষক, জনজাতীয় কৃষক অধ্যুসিত অঞ্চলসমূহৰ উপৰিও বিভিন্ন আদিবাসী অঞ্চলৰ পৰা ছলে-বলে-কৌশলেৰে ফুচুলাই অনা কৃষকেৰে

সংগঠিত অসমৰ চাহ বনুৱা সমাজখনৰ বিভিন্ন দিশৰ অনুসন্ধানৰ প্ৰাসংগিকতা আছি পৰে। বৃটিছ চৰকাৰৰ লগত উল্লিখিত সমাজসমূহৰ প্ৰভুত্ব/অধীনতাৰ সম্পৰ্ক আছিল ক'ৰবাত প্ৰত্যক্ষ আৰু ক'ৰবাত পৰোক্ষ। আমাৰ আলোচনাৰ কেন্দ্ৰীয় বিষয়বস্তু— আদিম মূল্যবোধ, সৰলতাক আশ্ৰয় কৰি জীয়াই থকা পিছপৰা এই ক্ষমতাহীন সমাজসমূহৰ ওপৰত জাপি দিয়া সাম্ৰাজ্যবাদৰ এক উমৈহতীয়া আৰ্থিক-সাংস্কৃতিক শোষণৰ স্বৰূপ উদ্‌ঘাটন কৰা।

শোষণৰ হাতিয়াৰ আছিল পৰিকল্পিতভাৱে এই অঞ্চলসমূহলৈ ব্যাপকভাৱে মাদক দ্ৰব্যৰ প্ৰসাৰ ঘটোৱা। অৱশ্যে মুনাফা ভিত্তিক সাম্ৰাজ্যবাদী অৰ্থনীতিৰ লগত সুৰা তথা আন মাদক দ্ৰব্যৰ ব্যবসায়ৰ সম্পৰ্ক একো অস্বাভাৱিক কথা নহয়। আনকি দ্বিতীয় বিশ্বযুদ্ধৰ পাছৰ সময়ছোৱাতো মাৰ্কিন যুক্তৰাষ্ট্ৰৰ বিশাল পুঁজিৰ মালিকসকলে তেওঁলোকৰ পুঁজিৰ এটা বিৰাট অংশ পৃথিৱীৰ বিভিন্ন ক্ষেত্ৰত মাদক দ্ৰব্যৰ ব্যৱসায়ত বিনিয়োগ কৰি আহিছে। ১৯৮৯ চনত বিশ্ববেংকৰ এটি তথ্যত প্ৰকাশ যে সমগ্ৰ বিশ্বত মুঠ ঋণৰ পৰা যি পৰিমাণৰ সুত সংগ্ৰহ হয়, তাতোকৈ বহু বেছি অৰ্থ সংগ্ৰহ কৰে মাদক দ্ৰব্যৰ চোৰাং ব্যৱসায়ীসকলে।[৩] বৃটিছ সাম্ৰাজ্যবাদো এই ক্ষেত্ৰত পিছপৰি থকা নাছিল। অৱশ্যে জনজাতীয় অঞ্চলসমূহৰ সুৰাৰ ব্যৱসায়ৰ অন্তৰালত থকা আৰ্থিক শোষণৰ উদ্দেশ্যৰ উপৰিও অন্য এটি দিশলৈও দৃষ্টি দিয়া প্ৰয়োজন। মন কৰিবলগীয়া যে ঊনবিংশ শতিকাত বৃটিছ শাসকসকলে ইউৰোপৰ পৰা দলে দলে মিশ্যনেৰী আমদানি কৰিছিল, উদ্দেশ্য আছিল আদিবাসীসকলৰ সামন্তবাদ, সাম্ৰাজ্যবাদ বিৰোধী মনোভাৱ নষ্ট কৰা।[৪] অসমতো চাহ শিল্পৰ বিকাশৰ স্বাৰ্থতেই পাহাৰীয়া জনগোষ্ঠীবোৰক সু-শৃংখল আৰু শান্তিপ্ৰিয় কৰি ৰখাৰ প্ৰয়োজনতে যে আমেৰিকাৰ ব্যপ্টিষ্ট মিশ্যনেৰীৰ পদাৰ্পণ ঘটিছিল— বস্তুনিষ্ঠ ইতিহাস চৰ্চাৰ পৰা তাক জানিব পাৰি।[৫] আমাৰ ধাৰণা বিংশ শতাব্দীৰ আৰম্ভণিৰ পৰাই চৰকাৰৰ আদিবাসী বিৰোধী নীতি নিৰ্ধাৰণত মিশ্যনেৰীৰ ভূমিকাৰ লগতে সুৰাৰ ব্যৱসায়ৰ দ্ৰুত প্ৰসাৰেও গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। ভাৰতত দেশী সুৰাৰ প্ৰসাৰ ইমানেই বৃদ্ধি পাইছিল যে ১৯০৪-০৫ চনৰ পৰা ১৯১২-১৩ চনৰ ভিতৰত আবকাৰী সুৰাৰ প্ৰচলনৰ বিৰুদ্ধে বোম্বে, মাদ্ৰাজ, ইউনাইটেড প্ৰভিঞ্চ আদিৰ বিধানসভাত প্ৰতিবাদৰ জোৱাৰ উঠিছিল। তাতোকৈ গুৰুত্বপূৰ্ণ হাৰবাৰ্ট ৰবাৰ্ট (Herbert Robert) নামৰ বৃটিছ পাৰ্লিয়ামেণ্টৰ সদস্য এজনে সুৰা সংক্ৰান্তীয় চৰকাৰী নীতিক বাজহুৱাকৈ সমালোচনা কৰিছিল আৰু ভাৰতৰ বিভিন্ন প্ৰদেশত বিশেষ সমিতি (Advisory Committee) স্থাপন কৰি সুৰাৰ বিৰুদ্ধে জনমত গঠন কৰাৰ ওপৰত গুৰুত্ব দিছিল।[৬] আভ্যন্তৰীণ আৰু আন্তৰ্জাতিক মহলৰ হেঁচাত পৰি স্বয়ং ভাৰত সচিবেই (Secretary of State) ১৯১২ চনত বিষয়টো পৰীক্ষা কৰি চাবৰ বাবে এখন সমিতি গঠন কৰি দিছিল আৰু ইয়াৰ সদস্য হিচাপে গোপালকৃষ্ণ গোখলেই পৰিস্থিতিৰ সঠিক মূল্যায়ন কৰি কৈছিল—

"There is afterall a good deal in saying that no person can serve God and Mammon together and no authority can take care of the Government revenue and at the same time interest in temperance."[৭] অর্থাৎ ৰাগীয়াল দ্ৰব্যৰ প্ৰসাৰ যে স্বাভাৱিক নহয়, সাম্ৰাজ্যবাদী কৌশলৰে অংগ— এই কথা ওপৰৰ বক্তব্যত স্পষ্ট। ৰাজহুৱা স্বাৰ্থত চৰকাৰে সুৰাৰ সৰবৰাহ হ্ৰাস কৰাৰ বাবে দুই এক ব্যৱস্থা নোলোৱা নহয়, কিন্তু কোনো সুফল পৰিলক্ষিত হোৱা নাছিল। সুৰাৰ ব্যৱসায়ৰ ক্ষেত্ৰখন যে মূলতে আদিবাসী অঞ্চলসমূহেই আছিল তথা সৰবৰাহো দ্ৰুতগতিত বৃদ্ধি পাইছিল— বিষয়টো আমি দুটা বিশেষ অঞ্চল তথ্যভিত্তিক অধ্যয়নেৰে পৰীক্ষা কৰি চাব খুজিছো।

অসমত, বিশেষকৈ চাহ বাগিচাসমূহত বৃটিছ চৰকাৰে ব্যাপকভাৱে দেশী মদৰ প্ৰচলন কৰিছিল, যাতে দৈনিক নামমাত্ৰ হাজিৰাৰ এটা অংশ ৰাজকোষলৈ যায় আৰু এক বদ্ধ অৰ্থনীতিৰ মাজত মানসিক ভাৰসাম্য হেৰুৱাই চাহ মালিকৰ শাসন, শোষণ নিৰ্বিবাদে মানি ল'ব পাৰে। অৱশ্যে দেশী মদ, গাঞ্জা, কানি আদি জীৱন নাশক দ্ৰব্যসমূহৰ প্ৰচলনৰ চৰকাৰী নীতি সম্বন্ধে মান্য ভাষাত কোৱা হৈছে, প্ৰথমতে— to prevent all forms of smuggling, দ্বিতীয়তে— to discourage all form of vice including drunkenness আৰু তৃতীয়তে— to give reasonable facilities to moderate consumers, particularly the working class, to obtain a little whole some refreshment after the days work.[৮] পিছে এই তৃতীয় উদ্দেশ্যৰ আঁৰৰ প্ৰকৃত অভিসন্ধি বুজাত অলপো অসুবিধা নহয়। কাৰণ, ১৯০৫-০৬ চনমানলৈকে কেৱল কিছুমান অঞ্চলত মদ বনোৱা ভাটী বা কাৰখানা চলাবৰ বাবে নিৰ্ধাৰিত মূল্যৰ বিপৰীতে অনুজ্ঞাপত্ৰ দিয়াৰহে ব্যৱস্থা আছিল যাৰ ফলত দেশী মদৰ প্ৰচলন ব্যাপক হোৱাৰ সম্ভাৱনা নাছিল। কিন্তু ঠিক সেই সময়ৰ পৰাই চৰকাৰে 'কনট্ৰাক্ট ডিচটিলিয়াৰি' (Contract distillery) আৰু 'কনট্ৰাক্ট চাপ্লাই' (Contract supply) ব্যৱস্থাৰ জৰিয়তে চৰকাৰী পৃষ্ঠপোষকতাত পিছপৰি থকা অঞ্চলৰ বনুৱা, কৃষক শ্ৰেণীৰ সহজলভ্য হোৱাকৈ দেশী মদ যোগান ধৰাৰ এক অভিনৱ পদ্ধতি গ্ৰহণ কৰিলে।[৯] ১৯১২-১৩ চনৰ ভিতৰত চৰকাৰী আবকাৰী খাজনাৰ (দেশী মদৰ পৰা) শতকৰা ৯৮.১৩ ভাগেই সংগৃহিত হৈছিল এই ব্যৱস্থাই সামৰি লোৱা অঞ্চলসমূহৰ পৰা।[১০] এই ব্যৱস্থাৰ অন্তৰ্গত কলিকতাৰ হাজি ইছমাইলি কোম্পানীয়ে ১৯১৭ ৰ পৰা ১৯৩৮ চনমানলৈকে অসমত মদৰ যোগান ধৰাৰ একচেটিয়া ঠিকা লাভ কৰিছিল।[১১] কোম্পানীয়ে পঠোৱা মদ 'Auction' ব্যৱস্থাৰ জৰিয়তে অনুজ্ঞাপত্ৰ লাভ কৰা দোকানসমূহৰ দ্বাৰা বিক্ৰী কৰা হৈছিল। ১৯১২-১৩ চনত এনেকুৱা মদ বা ৰাগীয়াল দ্ৰব্য বিক্ৰী কৰা কেন্দ্ৰ আছিল ৪৩৮ টা।[১২] ১৯৩৯-৪০ চনত এনেকুৱা কেন্দ্ৰৰ সংখ্যা ৮১৭ লৈ বৃদ্ধি হয়।[১৩] ৰাগীয়াল দ্ৰব্যসমূহ— বিশেষকৈ দেশী মদে পিছপৰা

অঞ্চলসমূহত সহজেই জনপ্ৰিয়তা অৰ্জন কৰিছিল। ১৯১২ চনৰ পাছৰ পৰা অসমত দেশী মদ সৰবৰাহৰ দ্ৰুত বৃদ্ধিৰ কাৰণ চাহ শিল্পত নিয়োজিত শ্ৰমিকসকলেই বুলি চৰকাৰীভাৱেই কোৱা হৈছে।[14] ১৯১২-১৩ চনত অসমত মুঠ দেশী মদ সেৱন কৰা হৈছিল, ২,৪৭,৪৬৩ গেলন[15] আৰু সৰ্বোচ্চ সীমা পাইছিল গৈ ১৯২০-২১ চনত। সেই বছৰটোৰ সৰবৰাহ আছিল ৩,০৪,৫৭২ গেলন।[16] অসহযোগ আন্দোলনৰ পিছৰ দুবছৰমান আৰু বিশ্বজোৰা অৰ্থনৈতিক সংকটৰ সময়ছোৱাৰ (১৯৩১-৩৫) বাহিৰে সামগ্ৰিকভাৱে সৰবৰাহৰ ধাৰাবাহিকতা অব্যাহত আছিল। উদাহৰণ স্বৰূপে ১৯৩৫-৩৬ চনত সেৱনৰ পৰিমাণ আছিল ২,১০,৩০২ গেলন।[17] ১৯৪৬-৪৭ চনত এই পৰিমাণ হয়গৈ ২,৪২,০১৫ গেলন।[18] উল্লেখযোগ্য যে অধিক সংখ্যক চাহ বাগিচা অৱস্থিত তেতিয়াৰ লক্ষীমপুৰ আৰু শিৱসাগৰ জিলাতেই দেশী মদৰ সৰবৰাহ আছিল অত্যধিক। ১৯১২-১৩ চনত এই দুখন জিলাতে সৰবৰাহ হৈছিল ১,২৬,২৪৩ গেলন মদ।[19] সেইদৰে, ১৯৩০-৩১ চনত ৯ খন জিলাত বিক্ৰী হোৱা ২,৪১,৬৪২ গেলনৰ বিপৰীতে উপৰোক্ত জিলা দুখনত সৰবৰাহ হৈছিল ১,৪৭,৬৬৬ গেলন।[20] সাম্ৰাজ্যবাদী চৰকাৰৰ খাজনা সংগ্ৰহটো পিছপৰি থকা নাছিল। অনুজ্ঞাপত্ৰৰ পৰা পোৱা মূল্য আৰু সময়ে সময়ে বঢ়াই থকা বিক্ৰী মূল্যৰ দ্বাৰা দেশী মদৰ পৰা সংগৃহিত হোৱা মুঠ খাজনাৰ পৰিমাণ ১৯১২ চনত আছিল ১৪,০৭,৩৫৬ টকা[21] ১৯২০-২১ চনত সংগ্ৰহ কৰা হৈছিল ২১,৬৬,৯৭৮ টকা[22] আৰু ১৯৪৬-৪৭ চনত এই পৰিমাণ হয়গৈ ৪২,০৯,১৮০ টকা।[23]

বৃটিছ চৰকাৰে সৰ্বতোপ্ৰকাৰে বাগিচাসমূহত আবকাৰী মদৰ প্ৰচলন অব্যাহত ৰখাৰ প্ৰচেষ্টা প্ৰত্যক্ষ কৰা হয় বিশ্বজোৰা অৰ্থনৈতিক সংকটৰ কালছোৱাত। এই সময়ছোৱাত (১৯৩১-৩৫) চাহ শিল্পত দেখা দিয়া অস্থিৰতাৰ বাবে চাহ বনুৱাৰ দৈনিক হাজিৰা কমাই দিয়া হয়, যাৰ ফলত বনুৱাৰ ক্ৰয় ক্ষমতা আৰু মদৰ সৰবৰাহ দুয়োটাই কিছু হ্ৰাস পাবলৈ ধৰে। এনে পৰিস্থিতিত ঘৰুৱাভাৱে মদ তৈয়াৰ কৰাৰ প্ৰৱণতা আৰু চোৰাং অবৈধ মদৰ ব্যৱসায়ে চৰকাৰক শংকিত কৰি তুলিলে।[24] সাম্ৰাজ্যবাদৰ বাবে এই পৰিস্থিতিৰ নিয়ন্ত্ৰণ কৰা অন্ততঃ দুটা কাৰণ আছিল, প্ৰথমটো আবকাৰী মদৰ সৰবৰাহ কমি যোৱা মানে এক বুজন পৰিমাণৰ খাজনা হেৰুওৱা আৰু দ্বিতীয়টো অকল টকাৰ বাবেই নহয়, সাম্ৰাজ্যবাদী অৰ্থনীতিৰ অংশ হিচাপে মদৰ নীতিয়ে প্ৰণালীবদ্ধভাৱে সাংস্কৃতিক শোষণত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই পটভূমিত ১৯৩১ চনৰ বছৰটোত এক সম্ভাব্য জটিল পৰিস্থিতিৰ উমান পাই চৰকাৰে গঠন কৰি দিয়া প্ৰাদেশিক আবকাৰী অনুসন্ধান সমিতিয়ে স্পষ্টভাৱে ৰায় দিয়ে যে বাগিচাসমূহত অবৈধ মদৰ বেহাৰ কাৰণ হ'ল চাহিদা অনুসৰি আবকাৰী মদৰ যোগান ধৰিব নোৱৰাটোহে। এই সমিতিৰ পৰামৰ্শ আছিল যে বাগিচাসমূহত কেণ্টিন আৰু নতুনকৈ কিছু বিশেষ

বিক্ৰী কেন্দ্ৰ স্থাপনেৰে মদৰ যোগান ধৰি সমস্যাটোৰ সমাধান কৰিব পৰা যায়।[২৫] চৰকাৰে সন্মতি জনোৱা এই ব্যৱস্থাটোৰ উদ্দেশ্য আছিল প্লেণ্টাৰসকলৰ প্ৰত্যক্ষ সহযোগত বিভিন্ন কৌশলেৰে, প্ৰয়োজন অনুসৰি বল প্ৰয়োগ কৰি হ'লেও বনুৱাসকলক আবকাৰী মদৰ প্ৰতি আকৃষ্ট কৰি ৰখা। এই পৰিকল্পনাৰ অংগ হিচাপে ১৯৩৬-৩৭ চনত প্লেণ্টাৰসকলৰ নিয়ন্ত্ৰণত থকা মদ বিক্ৰী কৰা কেণ্টিন আৰু দোকানৰ সংখ্যা আছিল যথাক্ৰমে ১৪ আৰু ৩০।[২৬] সাধাৰণ বিক্ৰীকেন্দ্ৰবোৰৰ উপৰি চৰকাৰী নিয়ন্ত্ৰিত এই ব্যৱস্থাই যথেষ্ট সুফল দিছিল, কাৰণ অৰ্থনৈতিক সংকটৰ পৰা সামান্যভাৱে মুক্ত হোৱাৰ পিছতেই চাহ বাগিচাসমূহত মদৰ সৰবৰাহ আৰু খাজনা দুয়োটাই বৃদ্ধি হোৱাৰ কথা আমি ইতিমধ্যেই উল্লেখ কৰিছো।

সাম্ৰাজ্যবাদৰ এই সুৰা ব্যৱসায় অকল অসমৰ চাহ বনুৱা অঞ্চল তথা অন্যান্য নিম্নবৰ্গীয়সকলৰ মাজতে সীমাবদ্ধ নাছিল, ভাৰতবৰ্ষৰ বিভিন্ন আদিবাসী অঞ্চললৈও প্ৰসাৰিত হৈছিল বুলি অনুমান কৰিব পাৰি। দক্ষিণ গুজৰাটৰ এটি বৃহৎ আদিবাসী অঞ্চলৰ বিষয়ে এই প্ৰসংগত উল্লেখ কৰাটো সমীচিন হ'ব। মন কৰিবলগীয়া যে ১৯২২ চনৰ পৰা এই অঞ্চলসমূহত এক সামাজিক আন্দোলন গা কৰি উঠিছিল আৰু এই আন্দোলনৰ বিভিন্ন কাৰ্যসূচীৰ লগতে এক উমৈহতীয়া দাবী আছিল সুৰাৰ ব্যৱসায়ীৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰা। সুৰাৰ বিৰুদ্ধে এক প্ৰবল জনমত গঢ়ি উঠা আৰু চৰকাৰী নীতিও তাৰ দ্বাৰা প্ৰভাৱান্বিত হোৱা কথাটো চৰকাৰীভাৱেই মানি লোৱা হৈছে।[২৭] যাৰ জীৱনক লৈ এই বিষয়ৰ সূত্ৰপাত, তেওঁলোকৰ অধিকাংশই বাস কৰিছিল 'ৰাণীমহল' নামৰ এক জংগলাকীৰ্ণ এলেকাত। চৌধুৰী (Chodhri), গমিৎ (Gamit), ধোড়িয়া (Dhodiya) আৰু কোংকনী (Konkani) এই চাৰিটা প্ৰধান জাতিৰ উপৰি বহু উপজাতি এই অঞ্চলৰ বাসিন্দা আছিল। পৰম্পৰাগত ভাৰতীয় গ্ৰামীণ সমাজসমূহৰ বিপৰীতে এই সমাজসমূহত জাত-পাতৰ বিভাজন, অস্পৃশ্যতা, পৰস্পৰৰ মাজত শোষণৰ মাত্ৰা আছিল সামান্য; কিন্তু বাহিৰৰ পৰা অহা পাৰ্চীসকলেহে শ্ৰম শোষণ, সুৰাৰ ব্যৱসায় আদিৰ জৰিয়তে আধিপত্য প্ৰতিষ্ঠা কৰিছিল। মন কৰিবলগীয়া যে অসমৰ চাহ বনুৱা অঞ্চলসমূহৰ দৰে এই এলেকাতো ১৮৭৮ চনৰ আগলৈকে স্থানীয়ভাৱে মদ তৈয়াৰ কৰা হৈছিল, যাৰ ওপৰত চৰকাৰে এটা সামান্য শুল্ক বহুৱাইছিল। কিন্তু এনে ব্যৱস্থাত মদৰ সৰবৰাহ তুলনামূলকভাৱে কম হোৱা আৰু কৰ ফাঁকি দিয়াৰ যথেষ্ট সুযোগ থকাৰ গইনা লৈ বৃটিছ চৰকাৰে ১৯৭৮ চনৰ আইনৰ দ্বাৰা স্থানীয়ভাৱে সুৰা তৈয়াৰ নিষিদ্ধ কৰি কেন্দ্ৰীয়ভাৱে ভাটিখানা বহুৱাৰ অনুমতি দিয়া হয় আৰু মোটা টকাৰ বিনিময়ত সমগ্ৰ মদৰ ব্যৱসায়টোৱেই একচেটিয়াভাৱে তুলি দিয়া হ'ল পাৰ্চীসকলৰ হাতত। সহজলভ্য হৈ যোৱাৰ লগে লগে মদৰ সৰবৰাহো বাঢ়িবলৈ ধৰিলে, যাৰ উমান পোৱা গ'ল আবকাৰী শুল্কৰ বিপুল বৃদ্ধিত। গুৰুত্বপূৰ্ণভাৱে সমগ্ৰ বোম্বে প্ৰেচিডেন্সীতে ১৯৭৫-৭৬

চনৰ মুঠ ভূমি ৰাজহ সংগ্ৰহৰ ৩৮.৮ শতাংশৰ বিপৰীতে আবকাৰী খাজনা আছিল ৪.৪ শতাংশ। ১৯২৫-২৬ চনত ৩৮.১ শতাংশ ভূমি ৰাজহৰ বিপৰীতে সুৰাৰ পৰা সংগৃহীত ধনৰ পৰিমাণ হয়গৈ ২৯.৩ শতাংশ। অকল চুৰাট জিলাতে ১৮৭৭-৭৮ ত দেশী মদ আৰু তাৰীৰ বিক্ৰীৰ পৰা সংগ্ৰহ হোৱা ৩,৭০,৪২০ টকা বাঢ়ি গৈ ১৯২৫-২৬ চনত হয়গৈ ৩৪,৩৬,২৯১ টকা। সামগ্ৰিকভাৱে এই শুল্ক বৃদ্ধিৰ হাৰ আমি উল্লেখ কৰা অঞ্চলসমূহৰ আদিবাসীসকলেই বহন কৰিছিল। চৰকাৰৰ উপৰি এই ব্যৱসায়ৰ পৰা এক বৃহৎ অংশৰ ধন আত্মসাৎ কৰা বিশেষকৈ পাছী ব্যৱসায়ীসকলে ৰাজনৈতিক প্ৰতিপত্তি নথকা আদিবাসীসকলক পৰম্পৰাগতভাৱে ভোগ কৰি অহা মাটিৰ মালিকিস্বত্বৰ পৰা বঞ্চিত কৰাৰো এক প্ৰক্ৰিয়া আৰম্ভ কৰি দিলে। এনেকৈয়ে মাটিৰ ওপৰত মালিকীস্বত্বৰ আবিৰ্ভাৱ আৰু সুৰা সংক্ৰান্তীয় আইন কানুনৰ দ্বাৰা এই অঞ্চলসমূহত এক নতুন শোষণ ব্যৱস্থাৰ ভেটি গঢ়ি দিয়া হ'ল।[২৮]

সাম্ৰাজ্যবাদৰ অধীনত এই নিম্নবৰ্গীয় সমাজসমূহত ৰাজনৈতিক চিন্তাধাৰাৰ বিকাশৰ স্তৰ আছিল কেনেকুৱা? অনৈতিক, অসামাজিক আচৰণৰ বিৰুদ্ধে এই অঞ্চলসমূহত সংস্কাৰ আন্দোলনৰ সূচনা হৈছিল নেকি? যদিওবা হৈছিল— স্বৰূপ আছিল কেনেকুৱা? প্ৰসংগটো নিম্নবৰ্গৰ চেতনা সম্বন্ধীয়। অৰ্থাৎ আদিবাসী অঞ্চলৰ ক্ষমতাৰ লগত সম্পৰ্কহীন জনগণৰ চেতনাৰ অস্তিত্ব, সক্ৰিয়তা আৰু নিজস্বতা। উনুকিয়াই থোৱা ভাল হ'ব যে চাওতাল, মুণ্ডা, ভূমিজ আদি বিভিন্ন আদিবাসী গোষ্ঠীয়ে বৃটিছ সাম্ৰাজ্যবাদ আৰু ইয়াৰ আশ্ৰিত দেশীয় সামন্তসকলৰ বিৰুদ্ধে প্ৰবল প্ৰতিৰোধ আন্দোলন গঢ়ি তুলিছিল। বীৰছা মুণ্ডাৰ আবিৰ্ভাৱৰ পিছৰ পৰা মুণ্ডাসকলৰ আন্দোলনে অতি গুৰুত্বপূৰ্ণ আৰু স্মৰণীয় পৰ্যায় অতিক্ৰম কৰিছিল।[২৯] সম্পূৰ্ণ সফল হ'ব নোৱাৰিলেও এই বিদ্ৰোহসমূহে যে ভাৰতবৰ্ষত বৃটিছ সাম্ৰাজ্যবাদৰ ভেটি কঁপাই তুলিছিল তাত কোনো সন্দেহ নাই। অসমতো উনবিংশ শতিকাত চাহ কুলিৰ সাম্ৰাজ্যবাদী শোষণৰ বিৰুদ্ধে হোৱা আন্দোলনৰ বহল ভিত্তিক পৰ্যালোচনা কৰা হৈছে। বিশেষকৈ, ১৯৩৭-৪০ ৰ ভিতৰত অসমৰ দুয়োখন উপত্যকাৰ চাহ বাগিচাসমূহত পঞ্জীয়নভুক্ত বিভিন্ন শ্ৰমিক সংগঠনৰ নেতৃত্বত সংগঠিত হোৱা বনুৱা আন্দোলনসমূহৰ গুৰুত্ব সম্পৰ্কে প্ৰখ্যাত ঐতিহাসিক ড° অমলেন্দু গুহই লিখিছে—The phase of labour struggles during the years 1937-40 was a turning point in Assam's history in more than one aspect. From the very begining, these struggles, directed against British capital, had a clear acti-imperialist character as well as a broad left nationalist orientation.[৩০] কিন্তু জাতীয়তাবাদী ইতিহাস চৰ্চাত এই আন্দোলনসমূহৰ স্বকীয় ৰূপটোৱে প্ৰকৃত মৰ্যদা পোৱা নাই। ইয়াৰ কাৰণ ব্যাখ্যা কৰি ড° ৰঞ্জিত গুহই কৈছে যে জাতীয়তাবাদী ইতিহাস চৰ্চাৰ মূল লক্ষ্য হ'ল— "to represent Indian nationalism as primarily

an idealist venture in which the indigenous elite led the people from subjugation to freedom."[৩১] অৰ্থাৎ জাতীয়তাবাদী নেতাসকলৰ আদৰ্শ আৰু অনুপ্ৰেৰণাতে নিম্নবৰ্গৰ ৰাজনৈতিক চেতনা জাগ্ৰত হৈছিল— এই কথা সম্পূৰ্ণ সত্য নহয়। আচলতে, বিভিন্ন সময়ত সংঘটিত হোৱা এই ৰাজনৈতিক আন্দোলন তথা ৰাজনৈতিক চিন্তা-চেতনাৰ বিকাশৰ প্ৰেৰণা আহিছিল আদিবাসী অঞ্চলসমূহৰ আৰ্থ-সামাজিক, সাংস্কৃতিক বিবৰ্তনৰ এক গভীৰ অন্তঃমুখী স্ৰোতৰ পৰা আৰু সেই প্ৰবাহমান সাংস্কৃতিক, মানবীয় মূল্যবোধৰ ওপৰত প্ৰতিষ্ঠিত অন্তঃমুখী 'গাঠনিৰ' পৰ্যালোচনা সম্ভৱ হ'ব পাৰে লোককৃষ্টিৰ সমলৰ অধ্যয়নৰ জৰিয়তেহে। লোক-সংস্কৃতিৰ গৱেষকসকলৰ মতে লোকবিদ্যাগত সমলৰ অনুশীলনৰ জৰিয়তে ইতিহাসৰ বিস্মৃত প্ৰায় অনেক তথ্য উদ্ধাৰ কৰাৰ লগে লগে লোক ঐতিহ্য বা পৰম্পৰাৰ পৰাও ইতিহাসৰ মূল্যবান সম্পদৰাজি সংগ্ৰহ কৰিব পাৰি। বিশেষকৈ লিখিত ইতিহাস নথকা সমাজসমূহৰ ইতিহাস লিখিব লগীয়া হ'লে ইতিহাসবিদসকলে নিশ্চিতভাৱে লোক-সংস্কৃতিৰ চৰ্চাৰ ওপৰত ভেজা দি জনগণৰ মুখ পৰম্পৰাত প্ৰচলিত মৌখিক ইতিহাসৰ ওপৰত গুৰুত্ব দিব লাগিব।[৩২] সামগ্ৰিকভাৱে এই বিষয়টোৱে এক নতুন মাত্ৰা লাভ কৰিলে, যেতিয়াৰ পৰা ছাব অলটাৰ্ণ স্কুলৰ ঐতিহাসিকসকলে সাম্ৰাজ্যবাদী আৰু জাতীয়তাবাদী ইতিহাসৰ বিৰোধিতা কৰি তেওঁলোকৰ ইতিহাস চৰ্চাৰ কাৰ্যসূচী নিৰ্দিষ্ট কৰিলে। 'মেনিফেষ্টো' হিচাপে তেওঁলোকে ঘোষণা কৰিলে— "ভাৰতীয় জাতীয়তাবাদীৰ ইতিহাস চৰ্চাত দীৰ্ঘদিন ধৰি ঔপনিবেশিক উচ্চবৰ্গ আৰু বুৰ্জোৱা জাতীয়তাবাদীৰ আধিপত্য চলি আহিছে।"[৩৩] ঔপনিবেশিক অৰ্থনীতি, ৰাজনীতি, শিক্ষানীতিয়ে বান্ধি দিয়া সীমাত আবদ্ধ জাতীয়তাবাদীসকলৰ ঐতিহাসিক ভূমিকা নাকচ কৰি প্ৰাক স্বাধীনতাকালৰ ক্ষমতাহীন নিম্নবৰ্গীয় সমাজসমূহৰ চিন্তা চেতনাৰ স্বকীয় ৰূপটো প্ৰতিষ্ঠা কৰিবলৈ গৈ তেওঁলোকে প্ৰাপ্ত সমলসমূহক নতুন দৃষ্টিভংগীৰে চালি-জাৰি চোৱাৰ উপৰি লোক-সংস্কৃতিৰ অধ্যয়নৰ ওপৰতো গুৰুত্ব দি আহিছে। অৱশ্যে উনুকিয়াই থোৱা ভাল হ'ব যে সাম্প্ৰতিক গৱেষণাই এই কথাও স্পষ্ট কৰিছে যে জটিল সামাজিক বিন্যাসত নিম্নবৰ্গৰ চেতনাৰ এক বিশুদ্ধ পৰিপূৰ্ণ চেহেৰাৰ বৰ্ণনা দিয়া অসম্ভৱ। যিহেতু তেওঁলোকৰ অৱস্থান বহুক্ষেত্ৰত কেৱল উৎপাদন সম্পৰ্কই নিৰ্ধাৰণ নকৰে, ফলত তেওঁলোকৰ ইতিহাস পৰিস্থিতি বিশেষে আংশিক, অসংলগ্ন, অসম্পূৰ্ণ, বহুধাবিভক্ত চেতনা, ক্ষমতাশীল আৰু ক্ষমতাহীন নানা শ্ৰেণী চেতনাৰ বিভিন্ন উপাদানৰ সংমিশ্ৰণ হ'বলৈ বাধ্য।[৩৪] এই কেন্দ্ৰীয় ধাৰণা লৈয়ে আমি ডেভিদ হাৰ্ডিমানৰ এক তথ্য নিৰ্ভৰ অনুসন্ধানৰ ভিত্তিত এটি বৃহৎ আদিবাসী অঞ্চলত সুৰাৰ প্ৰশ্নত সংগঠিত হোৱা এক সামাজিক জাগৰণৰ ৰূপৰেখা চমুকৈ দাঙি ধৰাৰ প্ৰয়াস কৰিছো।

অন্যথাত আমি উল্লেখ কৰা দক্ষিণ গুজৰাটৰ বৃহত্তৰ এলেকাটোত আদিবাসীসকলৰ মাজত নৈতিক তথা সামাজিক উত্তৰণৰ প্ৰশ্নত বৃটিছ সুৰানীতি তথা পাছী সুৰা ব্যৱসায়ীৰ

বিৰুদ্ধে এক প্ৰবল প্ৰতিৰোধ আন্দোলন সংগঠিত হৈছিল। পৰ্যায়ক্ৰমে বিকশিত হৈ অহা সামাজিক জাগৰণৰ লগত জড়িত হৈ পৰিছিল এগৰাকী দেৱী। ১৯১২ চনত আদিবাসী আৰু উপজাতি কৃষকসকল 'চলাহবাই' নামৰ এগৰাকী দেৱীৰ উপদেশ শুনিবৰ বাবে বিভিন্ন এলেকাত সমবেত হ'বলৈ ধৰিলে। এই 'দেৱী' বা 'মা'ৰ কোনো কায়িক ৰূপ নাই। আদিবাসীসকলৰ বিশ্বাস আছিল 'দেৱী' পূবৰ পাহাৰৰ পৰা আহে আৰু মানুহৰ গাত লম্ভি উপদেশ দিয়ে আৰু এই লোকসকলে যি কথা কয় তাক সকলোৱে গভীৰ বিশ্বাসেৰে শুনে। 'দেৱী'ৰ নামত দিয়া এই উপদেশসমূহ আছিল সংস্কাৰধৰ্মী, বিশেষকৈ সুৰাৰ বিৰুদ্ধে আছিল। ছোটনাগপুৰ, উত্তৰ প্ৰদেশ, উৰিষ্যাৰ বিভিন্ন অঞ্চলত কম বেছি পৰিমাণে বিয়পি পৰা এই আন্দোলনৰ স্পষ্ট নীতি নিৰ্দেশনা আছিল এনে ধৰণৰ— সুৰা আৰু তাৰী নেখাবা, মদ-মাংস ত্যাগ কৰা, সুৰা বা তাৰীৰ দোকানত কাম নকৰিবা, তাৰী গছৰ পৰা নিষ্কাষণ নকৰিবা ইত্যাদি। 'দেৱী' ক'ৰ পৰা আহিছিল, কেনেকৈ আহিছিল— এই প্ৰশ্নবোৰৰ সঠিক উত্তৰ পাবলৈ নাই। কিন্তু গুৰুত্বপূৰ্ণ কথাটো হ'ল আদিবাসী অঞ্চলসমূহত বিশেষকৈ দক্ষিণ গুজৰাটৰ শিক্ষিত আদিবাসীৰ সামান্য অংশ এটাই এক প্ৰাচীন লোকবিশ্বাসৰ ওপৰত ভেজা দি এক সমাজ সংস্কাৰ আন্দোলনৰ পাতনি মেলিছিল। পাছলৈ অৱশ্যে এই আন্দোলন গান্ধীৰ আন্দোলনৰ লগত চামিল হৈ ৰাজনৈতিক শক্তি লাভ কৰিছিল, কিন্তু এই সফলতা সৰ্বাত্মক নাছিল। আনহাতে, আদিবাসী উত্তৰণৰ প্ৰশ্নত 'দেৱী' আন্দোলনো সম্পূৰ্ণৰূপে দোষ দুৰ্বলতাৰ পৰা মুক্ত আছিল বুলি ভবাৰো থল নাই।[৩৫]

ওপৰৰ আলোচনাত নিম্নবৰ্গীয় সমাজসমূহত অন্যান্য দিশৰ লগত মাদক দ্ৰব্য নিবাৰণী সচেতনতা সমাজ সংস্কাৰৰ যে এক গুৰুত্বপূৰ্ণ পৰ্যায় আছিল— তাৰ ইংগিত পোৱা যায়। প্ৰসংগক্ৰমে আমি সুৰা ব্যৱসায়ৰ আন এখন ক্ষেত্ৰ অসমৰ চাহ সমাজখনো এক অধ্যয়ন চলাব পাৰো। প্ৰথমেই উনুকিয়াব পাৰি যে ভাৰতৰ জাতীয় আন্দোলনৰ প্ৰথম মহিলা শ্বহীদ আছিল এগৰাকী অসমৰ চাহ বাগিচাৰ মহিলা যাৰ নাম আছিল মালতী মেম ওৰফে মুংৰী। অসহযোগ আন্দোলনৰ কালছোৱাত কংগ্ৰেছ ভলেণ্টিয়াৰসকলৰ সম্পৰ্কলৈ আহি মেমে নিজে মদ ত্যাগ কৰি বাগিচাসমূহত মদ নিবাৰণী অভিযানসমূহত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি চৰকাৰৰ সমৰ্থকৰ হাতত প্ৰাণ বিসৰ্জন দিয়ে।[৩৬] কিন্তু মালতীৰ আত্মত্যাগ, গান্ধীবাবাৰ জনপ্ৰিয়তা, সময়ে সময়ে খণ্ডিত ৰূপত বিকাশ হোৱা ৰাজনৈতিক চেতনায়ো কানিৰ ক্ষেত্ৰত হোৱাৰ দৰে মদৰ সৰবৰাহ যে বনুৱাসকলৰ মাজত কমাব পৰা নাছিল— সেই কথা আমি ইতিমধ্যে উল্লেখ কৰা চৰকাৰী নথিপত্ৰসমূহত স্পষ্ট হৈ আছে। কিন্তু চৰকাৰী হিচাপ বা অন্যান্য প্ৰাপ্ত সমলসমূহৰ ওপৰতে ভেজা দি বনুৱাসকলৰ নৈতিক, সামাজিক-সাংস্কৃতিক উত্তৰণৰ প্ৰকৃত ইতিহাস ৰচনা কৰা সম্ভৱ নহয়। অৱশ্যে এই প্ৰসংগ অৱতাৰণা কৰোতে আমি অন্যান্য আদিবাসী অঞ্চলসমূহৰ

বিপৰীতে অসমৰ চাহ বনুৱা অঞ্চলত ঔপনিৱেশিক অৰ্থনীতৰ নিৰ্মম শোষণৰ প্ৰত্যক্ষ প্ৰভাৱৰ কথাও পাহৰিলে নচলিব। চাহ শিল্পৰ বিকাশৰ স্বাৰ্থত ১৮৩৮ চনৰ পৰা ১৮৭৬ চন মানলৈকে বিভিন্ন সহজ নিয়মাৱলীৰে ইউৰোপীয় প্লেণ্টাৰসকলে চাহ খেতিৰ বাবে লাভ কৰা মাটিৰ পৰিমাণ ব্ৰহ্মপুত্ৰ উপত্যকাতে ১৯২৩ চনত ৭,৭০,৩০৫ একৰ হৈছিলগৈ।[৩৭] এই বৃহত্তৰ ভূখণ্ডত লহপহকৈ বাঢ়ি অহা চাহ গছৰ পাতে পাতে সোমাই আছিল হাজাৰ হাজাৰ চাহ বনুৱাৰ সীমাহীন দুখ-দুৰ্গতি, বঞ্চনা আৰু শোষণৰ কাহিনী। ইয়াৰোপৰিও, এই লোকসকল কিন্তু এক বিশেষ জনগোষ্ঠীৰ লোক নাছিল। স্থানীয় লোকসকল সংঘবদ্ধ হোৱাৰ আশংকা কৰি বিভিন্ন সময়ত চৰকাৰে বিভিন্ন ব্যৱস্থাৰ মাজেদি অন্যান্য আদিবাসী অঞ্চলৰ পৰা বনুৱা অনাৰ দিহা কৰিছিল। ড° অমলেন্দু গুহই দিয়া তথ্য অনুসৰি ১৮৬৭-৬৮ চনতে অসমৰ চাহ বাগিচাত নিয়োজিত মুঠ বনুৱা শক্তিৰ ৩৪,৪৩৩ জনৰ ভিতৰত ২২,৮০০ জনেই আছিল বহিৰাগত।[৩৮] এই অৱস্থা পৰৱৰ্তী পৰ্যায়তো চলি আছিল। ঠিকাদাৰসকলে বিভিন্ন অঞ্চলৰ পৰা ছলে-বলে-কৌশলে ফুচুলাই অনা দৰিদ্ৰ কৃষকসকলে প্লেণ্টাৰসকলৰ সৈতে বিভিন্ন 'এগ্ৰীমেণ্ট'ত বন্দী হৈ গৰু-ছাগলীতকৈও যে নিম্নস্তৰৰ দাসৰ জীৱন কটাইছিল— এই কথা ব্ৰহ্ম প্ৰচাৰকসকলৰ বৰ্ণনাৰ পৰা জানিব পাৰি।[৩৯] এনে পৰিস্থিতিত তেওঁলোকৰ মাজত সামাজিক উত্তৰণৰ প্ৰক্ৰিয়া যে ত্বৰান্বিত হৈছিল সেই কথা অস্বীকাৰ কৰিব নোৱাৰি। এফালেদি, তেওঁলোকৰ মাজত থকা লোকবিশ্বাস, ধৰ্মভিত্তিক বিভাজনৰ পূৰ্ণ মাত্ৰাই সুযোগ গ্ৰহণ কৰিছিল প্লেণ্টাৰসকলে; আনফালেদি বাহিৰৰ পৰা হোৱা সমাজ সংস্কাৰ আন্দোলনৰ তেওঁলোকৰ ওপৰত প্ৰভাৱ পৰাৰ সুযোগ আছিল সীমিত। সমগ্ৰ বৃটিছ শাসনৰ কালছোৱাত একমাত্ৰ বনুৱা দৰদী ব্ৰহ্ম প্ৰচাৰকসকলেই মধ্যবিত্তীয় সীমাবদ্ধতা বহুদূৰ অতিক্ৰম কৰি চাহ বনুৱাৰ দুখ-দৰদ মোচনৰ আন্তৰিক চেষ্টা চলাইছিল যদিও প্ৰশাসনে জাপি দিয়া প্ৰতিবন্ধকতাৰ বাবে সি সম্ভৱ হোৱা নাছিল।[৪০]

তথাপিও, সকলো ধৰণৰ প্ৰতিকূল অৱস্থাৰ বিৰুদ্ধে থিয় দি চাহ বনুৱাসকলে এক সমন্বয়ধৰ্মী বৰ্ণাঢ্য সংস্কৃতিৰ প্ৰতিনিধিত্ব কৰিছিল। লোক-সংস্কৃতিৰ এগৰাকী গৱেষকৰ মতে— 'উমৈহতীয়া শ্ৰম আৰু উমৈহতীয়া জীৱন নিৰ্বাহৰ ভেটিৰ ওপৰতেই বনুৱা সমাজৰ আভ্যন্তৰীণ সমন্বয়ৰ ৰূপটোৰ বিকশাই তোলাত যথেষ্ট প্ৰভাৱান্বিত কৰিছে'। তেওঁৰ মতে এনে সমন্বায়িক জীৱন সংগ্ৰামৰ ফচল সেউজী সংস্কৃতি। এই সংস্কৃতিৰ বুকুত সোমাই আছে (ক) গৃহভূমিৰ পৰা কঢ়িয়াই অনা পৰম্পৰা, (খ) পালিত ভূমিৰ সমাজৰ সৈতে সম্পৰ্কৰ ক্ৰমোন্নতিৰ ধাপে ধাপে অসমৰ সংস্কৃতি আৰু সামাজিক চৰ্চাৰ সৈতে সমাৰোহণৰ ৰূপ।[৪১] তেওঁলোকৰ সাংস্কৃতিক বিৱৰ্তন, অসংলগ্ন ৰাজনৈতিক চেতনাৰ বিকাশ তথা বৃহত্তৰ অসমীয়া সমাজক আত্মীয়কৰণ প্ৰক্ৰিয়াৰ উৎস ৰূপে আমি ঝুমুৰ নৃত্য আৰু ইয়াৰ লগত সম্পৰ্কিত কৰম পূজাৰ কথাও উল্লেখ কৰিব

পাৰো। 'কৰম পূজাৰ লৌকিকতাখিনিৰ লগত মেজিকেল বিশ্বাস এটা লুকাই আছে।'[৪২] অৰ্থাৎ উৎপাদনশীলতা আৰু নাৰীৰ বিশেষ প্ৰাধান্য থকা আচাৰ-অনুষ্ঠানসমূহে 'দেৱী আন্দোলন'ৰ দৰে নিম্নবৰ্গীয় চাহ বনুৱাসকলক নৈতিকতাৰ প্ৰশ্নত সুৰাৰ বিৰুদ্ধে বা অন্যান্য সামাজিক অবিচাৰৰ বিৰুদ্ধে সংগঠিত কৰাত শক্তি যোগাইছিল নেকি তাক ঐতিহাসিক দৃষ্টিৰে চালিজাৰি চোৱাৰ প্ৰয়োজন আছে। আমি অৱশ্যে সম্ভাৱনীয়তাৰ এটা দিশৰ কথাহে কৈছো। বাকীখিনি নিৰ্ভৰ কৰিব উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীসমূহৰ ওপৰত হোৱা কষ্টসাধ্য গৱেষণামূলক অধ্যয়নৰ ওপৰত।

অৱশ্যে জনগোষ্ঠীসমূহৰ সুকীয়া অধ্যয়নৰ বিষয়টো ঐতিহাসিকভাৱে বিপদমুক্ত নহয়, কাৰণ ইয়াৰ মাজত থকা অতীতমুখী প্ৰৱণতাই বিচ্ছিন্নতাবাদক ইন্ধন যোগায় বুলি এচামে ক'ব খোজে। কিন্তু পাহৰিলে নচলিব যে প্ৰগতিশীল হ'লেও জাতীয়তাবাদী ভাবাদৰ্শৰ মাজতে এনেবোৰ বিপদজনক উপাদান নিহিত হৈ থাকে। কাৰণ যিবোৰ সামাজিক স্বত্বৰ ওপৰত ভেজা দি জাতীয় পৰিচয়ৰ ধাৰণাটো উদ্ভৱ হৈছিল, সেইবোৰৰ ভিত্তিয়েই বা আছিল কিমান শক্তিশালী? "The features that are encompassed by the concept of nation include, depending upon a variety of circumstances, citizens in the same state, shared historical experience or a common language, religion or culture. Which feutures come to be accepted as key makers of national identity in a particular depends not only on objective social conditions but on political entrepreneurship of governmental and cultural elites that seek to shape the nation according to their own political agenda."[৪৩] ঔপনিবেশিক ভাৰতবৰ্ষত জাতীয়তাবাদৰ ৰাজনৈতিক ভাবাদৰ্শৰ কথা আমি ইতিমধ্যে উনুকিয়াইছো। ড° ৰঞ্জিত গুহৰ মতে, বৃটিছ শাসন ভাৰতবৰ্ষত ৰূপায়িত কৰা হ'ল নানা ঔপনিবেশিক সংস্থাৰ জৰিয়তে। এইবোৰ পৰিচালনাৰ কাৰণে নিয়মো বান্ধি দিলে। নিয়ম ভাঙিলে কি শাস্তি হ'ব তাকো সকীয়াই দিলে আইন কানুনৰ দ্বাৰা আৰু এইবোৰ যাতে উচ্চবৰ্গৰ বোধগম্য হয় তাৰ বাবে এটা সংস্কৃতিও চালু কৰি দিলে ৰাষ্ট্ৰ ক্ষমতা বৰ্তাই ৰখা আৰু বিস্তাৰ কৰাৰ উদ্দেশ্যৰে। ৰাষ্ট্ৰৰ চিন্তা, কৰ্মৰ উপলক্ষ আৰু বিষয় প্ৰতিফলিত কৰা এই সংস্থা আৰু সংস্কৃতিৰ নাম 'পলিটি্ৰ' আৰু এই ৰাজনীতিত উচ্চবৰ্গক দীক্ষিত কৰা প্ৰণালীটো— 'লাৰ্নিং প্ৰচেচ'টোৰেই নাম জাতীয়তাবাদ।[৪৪] আদৰ্শনিষ্ঠা, নিঃস্বাৰ্থ জনসেৱাৰ পৰিবৰ্তে ক্ষমতাই মুখ্য ভূমিকা লোৱা ভাৰতৰ জাতীয়তাবাদী চিন্তাধাৰাৰ দোষ দুৰ্বলতাসমূহ লুকাই আছে এতিয়াও মূলসুঁতিৰ পৰা বিচ্ছিন্ন হৈ থকা নিম্নবৰ্গীয় সমাজসমূহৰ অস্তিত্বৰ মাজতে। অসমৰ ক্ষেত্ৰতো এই প্ৰসংগ অৱতাৰণা কৰিব পাৰি। অসমীয়া জাতীয়তাবাদলৈ তীব্ৰ প্ৰত্যাহ্বান অহা গোষ্ঠীগত সমস্যাৰ সমাধান কেৱল ৰাজনৈতিক সা-সুবিধা, আৰ্থ-সামাজিক উন্নয়নতে সীমাবদ্ধ হৈ থকা নাই, বৰঞ্চ প্ৰয়োজন হৈছে তেওঁলোকৰ সংস্কৃতিৰ ভিতৰুৱা ৰূপটো, নিজস্ব চিন্তা-চেতনাৰ ৰূপটো

বিকশাই তোলা। এই মুহূৰ্তত অসমীয়াৰ জাতীয়তাবাদৰ পুনৰ মূল্যায়নৰ প্ৰশ্নটোৱে অতি প্ৰাসংগিক বুলি আমাৰ ধাৰণা হৈছে। অসমীয়া মধ্যবিত্তৰ হাতত এনে কি কাৰ্যসূচী আছিল, যাৰ দ্বাৰা তেওঁলোকে সাধাৰণ শ্ৰেণীৰ (Sub-altern) লোকৰ লগত সংযোগ সাধন কৰিব পাৰে? স্বাধীনতা আন্দোলনৰ সময়ছোৱাত অসমৰ জাতীয় নেতৃত্বৰ লগত নিম্নবৰ্গৰ যি ব্যাপক ব্যৱধানৰ সৃষ্টি হৈছিল— তাৰ স্বৰূপ উপলব্ধি কৰিব নোৱাৰিলে জাতীয় জীৱনত পুনৰ নিৰ্মাণৰ কাম প্ৰায় অসম্ভৱ বুলিয়েই আমি ভাবো।

প্ৰসংগ টোকা ঃ

১। *D. N. Gupta (ed) : Changing modes of production in India. An historical analysis, Delhi, 1995, p-68.*

২। গৌতম ভদ্ৰ, পাৰ্থ চট্টোপাধ্যায় (সম্পাদিত) ঃ নিম্নবৰ্গেৰ ইতিহাস, কলিকতা, ১৯৯৮, পৃষ্ঠা-৫৭।

৩। বদৰুদ্দিন উমৰ ঃ প্ৰসংগ ঃ ৰাছিয়া ও পূৰ্ব্ব ইউৰোপ। কলিকতা-১৯৯০, পৃষ্ঠা ৭৬-৭৭।

৪। ড° অচিন্ত্য বিশ্বাস, সব্যসাচী চক্ৰবৰ্তী (সম্পাদিত) ঃ প্ৰসংগ ঃ জনজাতি। কলিকতা, ১৯০৫; পৃষ্ঠা ৬০।

৫। প্ৰসেনজিৎ চৌধুৰী ঃ অৰুণোদই। গুৱাহাটী ১৯৯৫, পৃষ্ঠা ১৯, ২০।

৬। A.S.P, Sep Rev A, Oct 1913, Prog No. 3, Statement submitted by Robert, dated 18th July 1972; Atteched to Revenue, No 85. India Office, London 6th September, 1972.

৭। A.S.P, Sep Rev A, Oct 1913, Prog No. 3, Crewe to the Governor General, India Office, London 6th September, 1912

৮। R.A.A., 1918-19 p-24

৯। R.A.E.B.A, 1905-06 p-168

১০। R.A.E.D, Assam, 1912-13 p-3

১১। R.A.E.D, Assam, 1934-35 p-6

১২। R.A.E.D, Assam, 1912-13, Appendex-D (Provincial)

১৩। R.A.E.D, Assam, 1939-40, Appendex-D (Provincial)

১৪। R.A.E.D, Assam, 1912-13 p-3

১৫। R.A.E.D, Assam, 1912-13, Imperial Return No. V

১৬। R.A.E.D, Assam, 1920-21, Imperial Return No. V

১৭। R.A.E.D, Assam, 1935-36, Imperial Return No. V

১৮। R.A.E.D, Assam, 1946-47, Imperial Return No. V

১৯। R.A.E.D, Assam, 1912-13, Imperial Return No. V

২০। R.A.E.D, Assam, 1930-31, Imperial Return No. V

২১। R.A.E.D, Assam, 1912-13, Imperial Return No. V

২২। R.A.E.D, Assam, 1920-21, Imperial Return No. V

২৩। R.A.E.D, Assam, 1946-47, Imperial Return No. V

২৪। R A E D, Assam, 1934-35, pp-1

২৫। R.A E.D, Assam, 1930-31, P 4-5

২৬। R A E D, Assam, 1936-37, P 3

২৭। Ranjit Guha (ed) A Subaltern Studies Readers, 1986-1995. Calcutta 1998 pp 100, 101

২৮। গৌতম ভদ্র, পার্থ চট্টোপাধ্যায় (সম্পাদিত) : নিম্নবর্গের ইতিহাস। কলিকতা ১৯৯৮, পৃষ্ঠা ৮৯-৯৫।

২৯। ড' অচিন্ত্য বিশ্বাস, সব্যসাচী চক্রবর্তী (সম্পাদিত) প্রসংগ : জনজাতি, কলিকতা ১৯৯৫, পৃষ্ঠা ৫৭ ৬৬।

৩০। Dr Amlendu Guha Planter- Raj to Swaraj, New Delhi, 1998 p 244

৩১। Dr Ranjit Guha (ed) Subaltern Studies I Delhi-1982, p 2

৩২। উপেন্দ্র নাথ শর্মা (সম্পাদিত) : অসমৰ লোক সংস্কৃতি। গুৱাহাটী-১৯৯৯ পৃষ্ঠা ১৭।

৩৩। গৌতম ভদ্র পার্থ চট্টোপাধ্যায় (সম্পাদিত) : নিম্নবর্গের ইতিহাস, কলিকতা ১৯৯৮ পৃষ্ঠা ১১ ।

৩৪। ঐ পৃষ্ঠা ১৭।

৩৫। ঐ পৃষ্ঠা ৯৯ ১১৫।

৩৬। ড° দিপ্তী শর্মা, মুক্তি যুঁজত লুইতপৰীয়া নাৰী, গুৱাহাটী ১৯৯৫, পৃষ্ঠা ৪০ ৪১।

৩৭। R L R A Assam Valley, 1923-24, Appendix I

৩৮। Dr Amalendu Guha Planter- Raj to Swaraj, New Delhi, 1998 p 18

৩৯। কানাইলাল চট্টোপাধ্যায় (সম্পাদিত) : অসামে চা কুলি আন্দোলন ও দ্বারকানাথ বিদ্যাবত্ন, কলিকতা, ১৯৮৯, পৃষ্ঠা ১৪৩-১৪৪।

৪০। প্রসেনজিৎ চৌধুৰী : অসমৰ চাহ বনুৱা আৰু উনৈশ শতিকাৰ বিৱৎ সমাজ, গুৱাহাটী ১৯৮৯, পৃষ্ঠা ১২৫, ১২৬।

৪১। ড° নবীন শর্মা : সাংস্কৃতিক সংবীক্ষণ। গুৱাহাটী ১৯৯৭, পৃষ্ঠা ৩৯।

৪২। ঐ পৃষ্ঠা ৪১।

৪৩। Critigue, A Journal of Critical Theory, September, 1998 p-6

৪৪। গৌতম ভদ্র, পার্থ চট্টোপাধ্যায় (সম্পাদিত) : নিম্নবর্গের ইতিহাস। কলিকতা ১৯৯৮, পৃষ্ঠা ২৮।

ABBREVIATIONS

R A A	Report on the Administration of Assam
R A E B A	Report on the Administration of Eastern Bengal and Assam
R A E D	Report on the Administration of Excise Department
R L R A	Report on the land Revenue Administration

নেতাজীৰ ৰাজনৈতিক চিন্তাধাৰা ঃ এটি সমীক্ষা

ভাৰতৰ স্বাধীনতাৰ সংগ্ৰামৰ মহান বিপ্লৱী নেতা সুভাষচন্দ্ৰ বসুৰে জন্ম শতবাৰ্ষিকীৰ শ্ৰদ্ধাৰ্ঘ জনাই উনুকিয়াই থোৱা ভাল যে এই গৰাকী ব্যক্তিকেই কিন্তু ১৯৪২ চনত প্ৰগতিশীল শিবিৰসমূহে বিশ্বাসঘাতক আৰু ফেছিষ্টৰ হাতৰ পুতলা বুলি নিন্দিত কৰিছিল। অৱশ্যে যুদ্ধোত্তৰ পৰ্বত আই এন এৰ বন্দীসকলৰ সমৰ্থনত দেশজোৰা অভ্যুত্থানৰ সময়ত এই মন্তব্যৰ কঠোৰতাৰ চোক কমিছিল। প্ৰশ্ন উঠিছিল এটা দেশপ্ৰেমিক সংগঠনৰ নেতাজন জানো দেশদ্ৰোহী হ'ব পাৰে। যি কি নহওক ১৯৫১-৫২ চনৰ নিৰ্বাচনৰ প্ৰাক্‌মুহূৰ্ত অবিভক্ত কমিউনিষ্ট পাৰ্টিৰ প্ৰয়াত সাধাৰণ সম্পাদক অজয় ঘোষে স্পষ্টভাৱে ঘোষণা কৰিছিল যে সুভাষচন্দ্ৰক বিশ্বাসঘাটক বুলি কোৱাটো মাৰাত্মক ভুল হৈছে। যুদ্ধ বা আন্তৰ্জাতিক সম্পৰ্কৰ ক্ষেত্ৰত মতবিৰোধ থাকিলেও তেওঁৰ দেশপ্ৰেমক সন্দেহ কৰাটো প্ৰশ্নই নুঠে তথা তেওঁক ফেছিষ্টৰ হাতৰ পুতলা বুলি কোৱাটো নিঃসন্দেহে অন্যায়। আচলতে আন্দোলনৰ সময়ছোৱাত বিশেষ জাতীয় তথা আন্তৰ্জাতিক পৰিস্থিতিত তেওঁৰ ব্যক্তিগত মতাদৰ্শ, বিভিন্ন ৰাজনৈতিক সংগঠনৰ লগত সম্পৰ্ক তথা বিদেশৰ সাহায্য আদি ঘটনাই তেওঁক এজন বিতৰ্কিত ৰাজনৈতিক নায়কত পৰিণত কৰিছিল। এই পটভূমিতে তেখেতৰ ৰাজনৈতিক জীৱনৰ লগত জড়িত কেতবোৰ দিশ আলোচনা কৰাটো বোধকৰো সমিচীন হ'ব।

ৰাজনৈতিক মতাদৰ্শ ঃ

প্ৰথমেই প্ৰশ্ন উঠে নেতাজীৰ ৰাজনৈতিক মতাদৰ্শ কি আছিল? সমাজবাদৰ প্ৰতি কিমান দূৰ আকৃষ্ট হৈছিল? এই প্ৰসংগত আমি তেখেতৰ কেইটিমান ভাষণলৈ আঙুলিয়াব খুজিছো। বৰ্তমান বাংলাদেশৰ ৰংপুৰত ১৯২৯ চনৰ ৩০ মাৰ্চত অনুষ্ঠিত এক ৰাজনৈতিক সম্মিলনৰ সভাপতিৰ আসনৰ পৰা দিয়া ভাষণত স্বামী বিবেকানন্দৰ প্ৰতি থকা তেওঁৰ গভীৰ আস্থা প্ৰতিফলিত হৈছিল। তেখেতৰ আদৰ্শৰে নিপীড়িত

জনগণৰ অধিক কাষ চাপি গৈছিল সঁচা, কিন্তু স্বামীজিৰ ভাবধাৰাৰে তেওঁ সমাজবাদৰ এটা নিজাববীয়া মডেল সৃষ্টি কৰিব বিচাৰিছিল যেন অনুমান হয়। অৰ্থাৎ সেই সময়ৰ কাৰ্লমাৰ্ক্সৰ সমাজতন্ত্ৰতকৈ বিবেকানন্দৰ সমাজতন্ত্ৰই তেওঁক বেছি আকৰ্ষিত কৰিছিল যেন অনুমান হয়। অৱশ্যে ইয়াৰ মাজতো তেওঁৰ একনিষ্ঠ দেশপ্ৰেমেই যে সোমাই আছিল তাত সন্দেহ নাই। ১৯২৮ চনৰ ছেপ্টেম্বৰ মাহত অল বেংগল ষ্টুডেণ্ট এছ'চিয়েচনৰ উদ্বোধনী সন্মিলনৰ প্ৰধান অতিথিৰ আসনৰ পৰাই তেওঁ মত প্ৰকাশ কৰে— ৰাষ্ট্ৰীয় সমাজতন্ত্ৰ, গোষ্ঠীগত সমাজতন্ত্ৰ বা নানা ধৰণৰ প্ৰচলিত সমাজতন্ত্ৰৰ কোনোটিকে অন্ধভাৱে অনুকৰণ নকৰে। অৱশ্যে তেওঁ সকলো সময়তে মানুহৰ সামাজিক আৰু অৰ্থনৈতিক ঐক্য স্থাপনত বিশ্বাসী তথা সম্পদৰ অধিকাৰত সমবণ্টনৰ ওপৰত গুৰুত্ব দি থাকিব। এই প্ৰসংগতে তেওঁ খ্বিলঙৰ পাহাৰী জাতিৰ মাজত বহুদিনৰ পৰা চলি অহা সমাজকৰ্তৃক সম্পত্তিৰ মালিকানা আৰু বণ্টনৰ নিৰ্ধাৰণৰ কথা কৈছে যাৰ চৰিত্ৰ কিন্তু আধুনিক শ্ৰেণীহীন সমাজৰ ধাৰণাতকৈ বেলেগ। অৱশ্যে ইয়াৰ দ্বাৰা প্ৰমাণিত নহয় যে তেওঁ বৈজ্ঞানিক সমাজবাদৰ প্ৰতি আকৃষ্ট হোৱা নাছিল, অথচ ৰুছিয়াত সমাজতন্ত্ৰৰ বিকাশকে আদি কৰি অন্যান্য আন্তৰ্জাতিক বৈপ্লৱীক চিন্তাধাৰাৰ প্ৰতিও স'ততে চকু ৰাখিছিল। ১৯৪৪ চনৰ নৱেম্বৰ মাহৰ টকিঅ' ৰাজকীয় বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ আগত দিয়া ভাষণত সমাজতন্ত্ৰৰ বিষয়ে মত প্ৰকাশ কৰি কৈছিল যে ভাৰতবৰ্ষৰ জনমত এটি সমাজতন্ত্ৰৰ কাঠামোৰ পক্ষে, য'ত অৰ্থনৈতিক সমস্যা সমাধানৰ দায়িত্ব ল'ব ৰাষ্ট্ৰই, ব্যক্তিগত মালিকানাৰ ওপৰত কোনো দায়িত্বই ন্যস্ত নহ'ব। সমাজবাদৰ পৰীক্ষা যে ভাৰতীয় পটভূমিতেই হ'ব লাগিব সেইটো তেওঁ নিৰ্দিষ্ট কৰি দিছিল। এই প্ৰসংগতেই উল্লেখ কৰিব পাৰি যে বিভিন্ন স্থানত ব্যক্ত কৰা অন্যান্য মতামত সমূহৰ পৰ্যালোচনা কৰিলে দেখা যায় যে প্ৰথম পৰ্যায়ত বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে জাতীয় বিপ্লৱ আৰু দ্বিতীয় পৰ্যায়ত শ্ৰেণী সংগ্ৰামৰ পৃষ্ঠপোষকতা কৰিছিল। সংগ্ৰামৰ এই দুই ধাৰাক পৃথক কৰি চোৱাৰ প্ৰৱণতাৰ প্ৰতি লক্ষ্য কৰি বিশিষ্ট মাৰ্ক্সবাদী তাত্বিক, স্বাধীনতা সংগ্ৰামী সত্যেন্দ্ৰ নাৰায়ণ মজুমদাৰে আঙুলিয়াইছে যে মাৰ্ক্সবাদ লেনিনবাদৰ মূল শিক্ষা অনুসৰি প্ৰত্যেক দেশৰ সুনিৰ্দিষ্ট ঐতিহাসিক বৈশিষ্ট্যৰ স'তে সংগতি ৰাখিয়েই মাৰ্ক্সবাদী সূত্ৰসমূহৰ প্ৰয়োগ হ'লেও নেতাজীৰ সমাজতন্ত্ৰৰ সম্পৰ্কিত ধাৰণাত এক ধৰণৰ ভ্ৰান্তি আৰু স্ববিৰোধ আছে। ১৯৩৫ চনত ৰোমা ৰোলাৰ স'তে হোৱা কথোপকথনে উক্ত প্ৰসংগতে তেওঁৰ বামপন্থী দৃষ্টিভংগীৰ উত্তৰণৰ আভাষ দিলেও সামগ্ৰিক বিশ্লেষণত বিপ্লৱৰ দুটি পৰ্যায়ৰ সংগ্ৰামৰ প্ৰকৃতি সম্পৰ্কে তেওঁৰ ধাৰণা নাছিল বুলি তেওঁ মত প্ৰকাশ কৰে। সম্ভৱতঃ বিপ্লৱৰ তত্ত্ব, বিজ্ঞান, সমাজ পৰিবৰ্তনৰ গতিশীলতা নিয়ন্ত্ৰণকাৰী নিয়মসমূহৰ প্ৰতি বৰ বেছি আগ্ৰহী নহে সমাজবাদৰ এটি সৰলীকৃত ৰূপ দাঙি ধৰাটোৱে তেওঁৰ

ৰাজনৈতিক দৃষ্টিভংগীৰ দুৰ্বলতা। অৱশ্যে নেতাজীৰ সন্দৰ্ভত তেখেতৰ অতি গুৰুত্বপূৰ্ণ মূল্যায়ন হৈছে— কুৰিৰ দশকৰ শেষৰ পৰা ঔপনিৱেশিক ভাৰতবৰ্ষত বিকাশ লাভ কৰা বামপন্থী জাতীয়তাবাদী ভাবধাৰাৰ বস্তুনিষ্ঠ আলোচনা নহ'লে নেতাজীৰ ৰাজনৈতিক চিন্তাধাৰাৰ প্ৰাসংগিকতা উপলব্ধি কৰা অসম্ভৱ। জাতীয়তাবাদী বিপ্লৱীৰ উল্লেখযোগ্য অংশ আৰু বামপন্থী স্বাধীনতা সংগ্ৰামী— যিসকলে পোনপটীয়াকৈ কমিউনিষ্ট নাছিল, এই দুই দলৰ চিন্তাধাৰাৰ প্ৰতিফলন ইয়াৰ মাজেৰেই হৈছিল।

ভাৰতীয় জাতীয় আন্দোলনত কমিউনিষ্টসকলৰ ভূমিকাৰ সন্দৰ্ভত লেনিনৰ ৰায় আছিল— 'In Russia we supported the liberation movement of the liberals when it acted against tsarism. The Indian communist must support the bourgeois-democratic movtement, without merging to it' কিন্তু ইয়াৰ বিপৰীতে বামপন্থী জাতীয়তাবাদীসকলে যিহেতু সক্ৰিয়ভাৱে কংগ্ৰেছৰ মঞ্চতে থিয় দিছিল— সেইবাবে তেওঁলোকৰ দৃষ্টিভংগীৰ সংকট, শ্ৰেণীগত সীমাবদ্ধতাৰ প্ৰশ্ন আদি এৰাই চলিব নোৱাৰি। নেতাজী নিশ্চয় ইয়াৰ বাহিৰত নাছিল, কিন্তু ব্যতিক্ৰম আছিল এইখিনিতেই যে তেওঁ সকলো ধৰণৰ প্ৰতিবন্ধকতাৰ বিৰুদ্ধে নিজৰ মতামত নিৰ্ভীকভাৱে প্ৰকাশ কৰাৰ সাহস ৰাখিছিল। বিশিষ্ট মাৰ্ক্সবাদী চিন্তানায়ক শিৱদাস ঘোষৰ মতে, কংগ্ৰেছৰ ভিতৰত বুৰ্জোৱা শ্ৰেণীস্বাৰ্থত সশস্ত্ৰ বিপ্লৱবিৰোধী, আপোচমুখী, সংস্কাৰমুখী ধাৰাৰ প্ৰতিনিধি যদি গান্ধীজী আছিল, ইয়াৰ বিৰোধী পেটি বুৰ্জোৱা বিপ্লৱবাদী আপোচহীন সংগ্ৰামী-ধাৰাৰ প্ৰতিনিধি আছিল নেতাজী। বুৰ্জোৱা গণতান্ত্ৰিক আন্দোলনৰ অবিচ্ছেদ্য অংগ হৈ পৰিলেও এই ধাৰাটোৱে বিভিন্ন সময়ত নিজৰ স্বকীয়তা ৰক্ষা কৰি নেতাজীক সমৰ্থন দিছিল। অৱশ্যে এইখিনিতে এটি প্ৰসংগ অৱতাৰণা কৰিব পাৰি। নেতাজীয়ে নিশ্চয় গান্ধীবাদৰ অকল প্ৰতিক্ৰিয়াশীল ৰূপটোৱেই দেখা নাছিল, বৰঞ্চ অধ্যাপক বিপানচন্দ্ৰই দেখুওৱা গান্ধীবাদী আন্দোলনৰ আধিপত্যকামী চৰিত্ৰৰ (Hegimonic character) তাৎপৰ্য তেতিয়াই অনুধাৱন কৰিছিল যেন অনুমান হয়। অকল সামৰিক শক্তিৰ সহায়ত নহয়— প্ৰশাসনিক সংস্কাৰ, শিক্ষাৰ বিস্তাৰ, নতুন সামাজিক মূল্যবোধৰ প্ৰসাৰ আদিৰ মাজেৰে জনমানসত প্ৰতিষ্ঠা লাভ কৰা ব্ৰিটিছ ঔপনিৱেশিক শক্তিৰ বিৰুদ্ধে সংগ্ৰামৰ জটিলতাৰ পটভূমিত কংগ্ৰেছৰ ব্যাপক গণভিত্তিৰ প্ৰাসঙ্গিকতা নিশ্চয় উপলব্ধি কৰিছিল, কাৰণ তেওঁৰ ৰাজনৈতিক সংগ্ৰামৰ অন্যতম শক্তিশালী দিশটোৱে আছিল যিকোনো ধৰণে নহওক সাম্ৰাজ্যবাদ বিৰোধিতা। গতিকে ৰাজনৈতিক সুবিধাবাদ নহয়, ৰাজনৈতিক লক্ষ্যপূৰণৰ বাবেই গান্ধীবাদী আন্দোলনৰ অংশীদাৰ হৈছিল আৰু অন্যান্য বহু প্ৰগতিশীল কংগ্ৰেছ কৰ্মীৰ ৰাজনৈতিক দোদুল্যমানৰ বিপৰীতে সমাজবাদৰ প্ৰতি দায়বদ্ধতা আৰু বাওঁপন্থী

আন্দোলনৰ লগত থকা বিশেষ সম্পৰ্কই ৰাজনৈতিক জীৱনৰ সংগ্ৰামী সত্তাকেই প্ৰতিফলিত কৰা দেখা যায়।

কমিউনিষ্টৰ লগত সম্পৰ্ক ঃ

মনত ৰখা ভাল, নেতাজীৰ ৰাজনৈতিক চেতনা এদিনতে গঢ় লৈ উঠা নাছিল। নিজে কোৱামতে, ১৫ বছৰ বয়সতে বিবেকানন্দৰ ভাবাদৰ্শ তেওঁৰ অন্তৰত প্ৰৱেশ কৰিছিল। ১৯১৩ চনত প্ৰেচিডেন্সি কলেজত প্ৰৱেশ কৰাৰ পৰা তেওঁ সেই সময়ৰ বংগৰ বিপ্লৱীসকলৰ সম্পৰ্কলৈ আহিছিল। অৰবিন্দ ঘোষৰ ৰচনা সমূহ অধ্যয়ন কৰিছিল— বিভিন্ন মানব হিতৈষী কাম-কাজত জড়িত হৈছিল, হঠাৎ নিৰুদ্দেশ হৈ বাৰানসী বা হৰিদ্বাৰত জীৱনৰ অৰ্থ বিচাৰি সাধু বাবাৰ শৰণ লৈছিল। অৱশ্যে ক'তো তেওঁ সন্তুষ্ট হোৱা নাছিল, কিন্তু নিজেই নিজৰ বাবে পথ প্ৰদৰ্শক হোৱাৰ এক অদমনীয় আত্মপ্ৰত্যয় গঢ়ি উঠিছিল। আচলতে কলিকতীয়া ছাত্ৰজীৱনতে বিভিন্ন সামাজিক কাৰ্যকলাপৰ মাজেৰে তেওঁৰ ৰাজনৈতিক জীৱনৰ সূত্ৰপাত হয়। স্বাধীনতা সংগ্ৰামী হীৰেন মুখাৰ্জীৰ ভাষাত 'No longer in cuttack a political backwater, but in Calcutta than seething as the center of Indian unrest. Subhas's penchant for piety and Philantrphy now propelled itself almost naturally towards politics, but as in every-thing, that he thought or did, there was in this process of his mind a fundamentally serious approach.' ১৯১৭ চনৰ বলচেভিক আন্দোলনে অন্যান্য স্বাধীনতা সংগ্ৰামীৰ লগতে নেতাজীক বিশেষভাৱে প্ৰভাৱান্বিত কৰিছিল আৰু ১৯২১ চনৰ পৰাই স্বাধীনতা আন্দোলন আৰু কংগ্ৰেছৰ লগত প্ৰত্যক্ষ সংযোগ হোৱাৰ পৰাই কমিউনিষ্টসকলৰ লগত অতি বন্ধুত্বপূৰ্ণ সম্পৰ্ক ৰক্ষাৰ উপৰিও আত্মগোপনকাৰী সকলকো বিভিন্ন ধৰণেৰে তেওঁ সহায় সহযোগ আগবঢ়াইছিল। আন্দোলনৰ প্ৰথম চোৱাৰ তেওঁৰ সংগ্ৰামী সত্তা বিশ্লেষণ কৰি চালে দেখা যায় যে, ইতিমধ্যেই তেওঁ তেতিয়াৰ বাংলাদেশৰ বিপ্লৱী গোপন জাতীয় সংগঠনবোৰৰ লগত যুক্ত হৈ পৰিছিল আৰু ১৯২৭-২৮ চনত অনুশীলন, যুগান্তৰ আৰু অন্যান্য বিপ্লৱী দলবোৰৰ যি এক ঐক্যবদ্ধ বিপ্লৱী দল গঠন হৈছিল, নেতাজীক সৰ্বসন্মতিক্ৰমে তাৰ সভাপতি আৰু নেতা মানি লোৱা হৈছিল। অৱশ্যে ইয়াতকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল— ১৯২৭ চনৰ মাদ্ৰাজ অধিৱেশনৰ পৰা জৱাহৰলাল নেহৰুৰ স'তে লগালগি কমিউনিষ্টসকলৰ প্ৰত্যক্ষ সমৰ্থনত কংগ্ৰেছৰ ভিতৰৰ প্ৰতিক্ৰিয়াশীল শক্তিসমূহৰ বিৰুদ্ধে দৃঢ় পদক্ষেপ লোৱাটো। ভাৰতৰ পূৰ্ণস্বাধীনতাৰ দাবীত সেই অধিৱেশনতে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। অৱশ্যে ইয়াৰ পিছৰ কলিকতা অধিৱেশনত গান্ধী তথা অন্যান্য নৰম পন্থীসকলৰ

বিবোধিতাত ই কাৰ্যকৰী নহ'ল, কিন্তু তেওঁলোকৰ তৎপৰতাত ১৯২৮ চনত দিল্লীত বাওঁপন্থী আৰু বাওঁজাতীয়তাবাদীৰ ৰাজনৈতিক লক্ষ্য পূৰণৰ বাবে জন্ম লাভ কৰা নতুন সংগঠন তথা কাৰ্যকলাপৰ ফচল আছিল ১৯২৯ চনৰ লাহোৰ কংগ্ৰেছত ভাৰতৰ পূৰ্ণস্বাধীনতাৰ প্ৰস্তাৱ গ্ৰহণ। ইয়াৰ উপৰিও ১৯৩১ চনত জেললৈ যোৱাৰ আগে আগে কমিউনিষ্টসকলৰ সমৰ্থনত কংগ্ৰেছ ট্ৰেডইউনিয়নৰো সভাপতি হয় আৰু কংগ্ৰেছৰ ভিতৰত প্ৰগতিশীল ধাৰাটো তেওঁৰ নেতৃত্বতে অধিক সক্ৰিয় ৰূপত প্ৰতিষ্ঠা লাভ কৰে। চল্লিশৰ দশকৰ প্ৰথম ভাগত অৱশ্যে নেতাজীৰ লগত কমিউনিষ্টসকলৰ সম্পৰ্কৰ সাময়িক অৱনতি ঘটে। ইয়াৰ কাৰণ কিন্তু তেওঁৰ সুবিধাবাদ নহয়— বৰঞ্চ ঔপনিৱেশিক প্ৰশ্নত লেনিনৰ স্থিতিৰ পৰা ফালৰি কাটি অহা ষষ্ঠ কংগ্ৰেছৰ নিৰ্দেশনাহে,'The main obstacle to the victorious organised struggle against British imperialism and its fudal allies in the period of increasing terrorism and bloody repression is the .influence of opportunist bourgeois nationalism.' এনে পৰিস্থিতিত গান্ধী, নেহৰু, নেতাজী আদিক পুঁজিবাদৰ প্ৰতিনিধি বুলি আখ্যা দিয়া হ'ল আৰু কমিউনিষ্ট আন্দোলন সম্পূৰ্ণৰূপে মূল ধাৰাৰ পৰা আঁতৰি যায়, লগে লগে কমিউনিষ্ট পাৰ্টিৰ নতুন ৰেড-ট্ৰেড-ইউনিয়ন কংগ্ৰেছ সংগঠিত হয়। অৱশ্যে এইখিনি সময়তে ১৯৩৩ চনৰ ১০ জুনৰ লণ্ডনৰ তৃতীয় ভাৰতীয় ৰাজনৈতিক সন্মিলনৰ লিখিত ভাষণত নেতাজীয়ে শেহতীয়া গান্ধী-আৰউইন চুক্তিৰ বিফলতাৰ পটভূমিত নতুন এটা সমাজবাদী দল গঠনৰ প্ৰস্তাৱ দিয়ে। এই প্ৰস্তাৱ আন্তৰ্জাতিক কমিউনিষ্ট আন্দোলনৰ মনোমত নহ'লেও বাওঁ জাতীয়তাবাদী সকলৰো নতুন এখন মঞ্চ গঠনৰ প্ৰয়াস নিশ্চয় তাৎপৰ্যপূৰ্ণ ঘটনা। সামগ্ৰিক বিশ্লেষণত ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে আন্তৰ্জাতিক নিৰ্দেশনাৰ শুদ্ধ অনুধাৱন কৰিব পৰা নাছিল যেন অনুমান হয়। কাৰণ এছ. এ. ডাংগা, চি. পি. যোশী আদিৰ নেতৃত্বত এচাম কমিউনিষ্টে তেতিয়াও কিন্তু কংগ্ৰেছৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উপৰিও আলিপুৰ জেলত নেতাজীৰ লগত যোগাযোগ ৰাখিছিল। ১৯৩৬ চনত ভাৰতীয় কমিউনিষ্ট পাৰ্টিয়ে কমিউনিষ্ট, কংগ্ৰেছ, সমাজবাদীসকলক লৈ পুনৰ এখন উমৈহতীয়া মঞ্চৰ পৃষ্ঠপোষকতা কৰাৰ লগে লগে কংগ্ৰেছৰ ভিতৰত নেতাজীৰ ভূমিকা গুৰুত্বপূৰ্ণ হৈ উঠে আৰু প্ৰগতিশীলসকলৰ সহযোগত ত্ৰিপুৰী কংগ্ৰেছত গান্ধীৰ সমৰ্থিত প্ৰাৰ্থীক পৰাজিত কৰি পুনৰবাৰ জাতীয় কংগ্ৰেছৰ সভাপতি নিৰ্বাচিত হয়। শেষত শাৰীৰিক কাৰণত ৰক্ষণশীলসকলৰ লগত মোকাবিলা কৰিব নোৱাৰি কিন্তু আপোচ নকৰি কলিকতাৰ ৱেলিংটন স্কোৱাৰৰ এ. আই. চি. চি. অধিৱেশনত পদত্যাগ পত্ৰ দাখিল কৰাৰ সময়ত লক্ষ্য লক্ষ্য জনতাই তথাকথিত গান্ধীবাদক ধিক্কাৰ দিয়া তথা তেওঁৰ জনপ্ৰিয়তাৰ কথা প্ৰত্যক্ষদৰ্শী তথা স্বাধীনতাসংগ্ৰামী ৰথীন সেনৰ অভিজ্ঞতাৰ পৰা জনা যায়। এই ঘটনাটো তেওঁৰ

জীৱনৰ এটি টাৰ্ণিংপইণ্ট। হয়তো প্ৰতিষ্ঠিত ৰাজনৈতিক ধাৰাৰ প্ৰতি তেওঁৰ আস্থা কমি আহিছিল। আনফালেদি ফ'ৰৱাৰ্ড ব্লক গঠন কৰাৰ সময়ত কমিউনিষ্টসকলে কংগ্ৰেছৰ সমান্তৰালভাৱে আৰু এটা সংগঠনলৈ পূৰ্ণ সমৰ্থন দিয়াত অমান্তি হয়। এনে পৰিৱেশত নেতাজীৰ বাবে এক বিকল্প পথ সন্ধান কৰাটো অপৰিহাৰ্য হৈ পৰিল। প্ৰসংগক্ৰমে উনুকিয়াই থোৱা ভাল হ'ব যে, নেতাজীৰ ঘটনাবহুল ৰাজনৈতিক জীৱন এই চমু পৰিসৰত সীমাবদ্ধ কৰাটো সম্ভৱপৰ নহ'লেও এটা কথা স্পষ্ট হয় যে কংগ্ৰেছৰ মঞ্চৰ পৰা লোৱা তেওঁৰ বেছিভাগ ৰাজনৈতিক সিদ্ধান্তৰ আধাৰ আছিল কমিউনিষ্ট সকলৰ পৰা লাভ কৰা প্ৰত্যক্ষ বা পৰোক্ষ সমৰ্থন।

নেতাজী আৰু ফেছিষ্ট ঃ

সম্ভৱতঃ নেতাজীৰ ৰাজনৈতিক জীৱনৰ অতি বিতৰ্কিত দিশটো হৈছে— ফেছিষ্টৰ লগত তেওঁৰ সম্পৰ্ক। অন্ততঃ দ্বিতীয় বিশ্বযুদ্ধৰ সময়ছোৱাত নেতাজীৰ লগত ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ চূড়ান্ত সংঘাতৰ পটভূমিও হ'ল এয়ে। অৱেশ্যে এফালে যদি কমিউনিজম আৰু ফেছিজমৰ সংমিশ্ৰণ বিভ্ৰান্তিকৰ আছিল আনফালে কংগ্ৰেছৰ ভিতৰত ৰক্ষণশীল উপাদানসমূহৰ সক্ৰিয়তা আৰু ভাৰত ত্যাগ আন্দোলনত কমিউনিষ্ট পাৰ্টিৰ ভূমিকাও নিশ্চয় বিতৰ্কৰ বাহিৰত নাছিল। কংগ্ৰেছৰ ভিতৰৰ ঘাত-সংঘাত তথা কমিউনিষ্ট পাৰ্টিয়েও সঘনে লাইন সলনি কৰা আদি কাৰণত নিষ্ঠাবান-দেশপ্ৰেমিক নেতাজীয়ে ইতিমধ্যেই ৰাজনৈতিক লক্ষ্য পূৰণৰ বাবে আন্তৰ্জাতিক পৰিস্থিতিৰ লগত ভাৰতৰ বৈদেশিক নীতি চামিল কৰাৰ পৰিকল্পনা কৰিছিল। ১৯৩৯ চনৰ ২৮ মাৰ্চ তাৰিখে নেহৰুলৈ এখন চিঠিত তেওঁ লিখিছিল— 'Foreign policy is a realistic affair to be determined largely from the point of view of a nations self interest. The Soviet Russia for instance with all her communism in her internal politics she never allows sentiment to dominate her foreign policy... It is no use condemning countries like Germany and Italy on the one hand, and on the other, giving a certificate of good conduct to British and Franch Imperialism. For sometime past I have been urging on everybody concerned, including Mahatma Gandhi and yourself, that we must utilise the international situation to India's advantage' ভাৰতৰ স্বাধীনতাৰ স্বাৰ্থতেই যে তেওঁ বিভিন্ন দেশৰ লগত আন্তৰ্জাতিক সম্পৰ্ক গঢ়ি তুলিছিল সেইটো স্পষ্ট হয় অন্য এক প্ৰসংগৰ পৰা। ১৯৪০ চনৰ মাজভাগত ভাৰত ত্যাগ কৰি বাহিৰৰ পৰা সাম্ৰাজ্যবাদৰ বিপক্ষে সামৰিক অভ্যুত্থানৰ পৰিকল্পনা কৰা নেতাজীয়ে কিন্তু প্ৰথমে ৰাছিয়ালৈ যোৱাবহে চেষ্টা চলাইছিল আৰু মধ্য এছিয়াত সামৰিক ঘাটি স্থাপনৰ

বাবে চিন্তা কৰিছিল। মূল পৰিকল্পনা আছিল ৰুছ-আফগান সীমা অতিক্ৰম কৰা আৰু এই ক্ষেত্ৰত তেওঁক বিশেষভাৱে সহায় কৰিছিল পঞ্জাবৰ কমিউনিষ্ট নেতা আচহৰ সিং চেনা তথা পাঠান কমিউনিষ্ট বিপ্লৱী ভগতৰাম তলোৱাৰ আদিয়ে। অৱশ্যে কেবাবাৰো কৰা প্ৰচেষ্টাত অসফল হৈ শেষত তেওঁ বাৰ্লিনলৈ গুচি যোৱা সৰ্বজনবিদিত। কিন্তু পাহৰিলে নচলিব ফেছিবাদ যে সাম্ৰাজ্যবাদৰেই বহিঃপ্ৰকাশ কথাটো নেতাজীয়ে গভীৰভাৱে উপলব্ধি কৰা নাছিল, ফলত ফেছিষ্টৰ প্ৰতি এক ৰোমাণ্টিক আকৰ্ষণ বহুদিনৰ পৰা তেওঁৰ আছিল। ১৯৩০ চনৰ পিছত তেওঁৰ লগত একেলগে আলিপুৰ চেণ্ট্ৰলজেলত থকা সতীশ পাকড়াশীয়ে নেতাজীৰ লগত হোৱা আলোচনা প্ৰসংগত কৈছিল যে সুভাষচন্দ্ৰই জাতীয়তাবাদ, সমাজতন্ত্ৰ আৰু ফেছিবাদৰ সমন্বয়ৰে স্বাধীন ভাৰতবৰ্ষৰ ভিত্তি গঢ়ি তুলিব বিচাৰিছিল। অৱশ্যে ১৯৩৮ চনত লণ্ডনত ৰজনীপাম দত্তৰ লগত হোৱা এটি সাক্ষাৎকাৰত ফেছিবাদৰ সন্দৰ্ভত তেওঁৰ পুৰণি মতামত বহুখিনি সলনি কৰে— য'ত তেওঁ সমাজবাদৰ প্ৰতি আস্থাপ্ৰকাশৰ লগতে ভাৰতত কমিউনিষ্টসকলৰ ভূমিকাৰ প্ৰতি সমালোচনামূলক দৃষ্টি ভংগী ব্যক্ত কৰে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে ১৯৩৫ চনৰ পৰা ১৯৩৬ চনৰ ভিতৰত ইউৰোপৰ প্ৰায়বোৰ ঠাই ভ্ৰমণ কৰাৰ সময়ত তেওঁ বাৰ্লিনলৈও গৈছিল আৰু তাতে তেওঁৰ জাৰ্মানীৰ নতুন জাতীয়তাবাদৰ প্ৰতি থকা স্বপ্নভংগ হৈছিল। তেওঁ মত প্ৰকাশ কৰিছিল যে নাজীদৰ্শনৰ লগত সাঙোৰখাই থকা সাম্প্ৰদায়িক দৃষ্টিকোণৰ কোনো বৈজ্ঞানিক ভিত্তি নাই। তথা এই নব্যজাতীয়তাবাদ অতি ঠেক আৰু স্বাৰ্থপৰ। তৎসত্বেও তেওঁ ভৱিষ্যতে জাৰ্মানী আৰু ভাৰতৰ মাজত সু-সম্পক গঢ়াৰ আশাও এৰা নাছিল। হয়তো ইয়াৰ কাৰণ আছিল আগতে উল্লেখ কৰাৰ দৰে ব্ৰিটিছৰ বিৰুদ্ধে যিকোনো আন্তৰ্জাতিক পৰিস্থিতিৰ সুযোগ লোৱা। ১৯৩৮ চনত হৰিপুৰ কংগ্ৰেছৰ সভাপতিৰ ভাষণৰ পৰা কৈছিল— 'In the years to come, international development will favour our struggle in India. But we must have a correct appreciation on the world situation at every stage and should know how to take advantage of it.' ১৯৩৯ চনৰ ত্ৰিপুৰী কংগ্ৰেছৰ ভাষণতো আন্তৰ্জাতিক পৰিস্থিতিৰ সম্পৰ্কত তেওঁৰ গভীৰ বিশ্লেষণধৰ্মী দৃষ্টিভংগী প্ৰকাশ পাইছিল— য'ত তেওঁ মিউনিক পেক্টৰ পিছত নাজী জাৰ্মানীৰ শক্তিশালী হোৱা তথা ফ্ৰান্স, গ্ৰেটব্ৰিটেনৰ প্ৰতিপত্তি কমি যোৱাৰ কথা কৈছিল। লগতে সাম্ৰাজ্যবাদী দেশবোৰৰ একেলগ হৈ ৰাছিয়াক এঘৰীয়া কৰি ৰখাৰ ৰাজনীতিৰো তীব্ৰ বিৰোধিতা কৰিছিল। এই নতুন পৰিস্থিতিৰ পটভূমিত জাৰ্মানীক ভাৰতৰ অধিক কাষ চপাই অনাৰ পৰিকল্পনাই সঠিক আছিল, কিন্তু চৰ্তসাপেক্ষে যে, 'আজাদহীন ফৌজ'ৰ শক্তিক ৰাছিয়াৰ বিৰুদ্ধে প্ৰয়োগ কৰা নহ'ব। সম্ভৱতঃ তেওঁৰ এই বিতৰ্কিত ৰাজনৈতিক জীৱনৰ বিতৰ্কিত অধ্যায়ৰ চালিকা শক্তি আছিল তেওঁৰ এক বদ্ধমূল

ধাৰণা যে যিকোনো দেশৰ স্বাধীনতা সংগ্ৰামত বিদেশী শক্তিৰ সাহায্য লোৱা প্ৰশ্নটোৰ এক ঐতিহাসিক ভূমিকা আছে। অধ্যাপক হীৰেন মুখাৰ্জীয়ে শুদ্ধভাৱে বিশ্লেষণ কৰিছে— 'He did not see the fallacy of his favourite formulation. Do not be carried by ideological considerations; do not bother about the internal politics of other countries, which is no concern of ours. He was too set on the conviction that Britains enemy (for the time being) was invariably our friend' প্ৰসংগক্ৰমে উনুকিওৱা ভাল যে, বিদেশী শক্তিৰ লগত নেতাজীৰ সম্পৰ্ক এটা উপৰুৱা ঘটনা নহয়, বৰঞ্চ এক গতিশীল ৰাজনৈতিক দৃষ্টিভংগীৰ বহিঃপ্ৰকাশ। ভৱিষ্যতৰ যিকোনো ধৰণৰ পৰিবৰ্তিত ব্যাপক গণ সংগ্ৰামেই স্বাধীনতা আন্দোলনক সঠিক দিশৰ সন্ধান দিব বুলিয়ে তেওঁৰ গভীৰ বিশ্বাস আছিল।

উপসংহাৰ ঃ

সামগ্ৰিকভাৱে ওপৰৰ আলোচনাৰ পৰা দেখা যায় তেওঁৰ ৰাজনৈতিক জীৱনৰ লগত সততে সাঙোৰ খাই থকা গুৰুত্বপূৰ্ণ দিশকেইটা হ'ল— প্ৰথমৰ পৰাই সাম্ৰাজ্যবাদৰ চৰিত্ৰ চিনি পোৱা আৰু সাম্ৰাজ্যবাদ বিৰোধিতা, দ্বিতীয়তে, প্ৰগতিশীল ৰাজনৈতিক দৰ্শনৰ প্ৰতি দায়বদ্ধতা, তৃতীয়তে, মতাদৰ্শগত সংকট শ্ৰেণীগত সুবিধাবাদৰ উৰ্দ্ধত কথা। চতুৰ্থতে, জটিল জাতীয় তথা আন্তৰ্জাতিক পৰিস্থিতি বাওঁ জাতীয়তাবাদীত্ব ভাবধাৰাৰ প্ৰতিনিধিত্ব কৰা, পঞ্চমতে, বিদেশীৰ লগত সম্পৰ্কত তেওঁৰ নিষ্ঠাবান দেশপ্ৰেমৰেই বহিঃপ্ৰকাশ ঘটা ইত্যাদি। বাস্তৱিকতে এনে ধৰণৰ সুস্থ ৰাজনৈতিক চেতনাৰে তেওঁ ভাৰতৰ জাতীয় ঐক্য সংহতিৰ বাবেও বিশেষ অৱদান দি গৈছে, যাৰ ফলত তেওঁৰ জনপ্ৰিয়তা, বৈপ্লৱিক কাৰ্যকলাপ কোনো এটা অঞ্চলতে আবদ্ধ হৈ থকা নাছিল। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত জেলৰ ভিতৰৰ পৰাই গোপীনাথ বৰদলৈ, তৈয়বুল্লা আদিয়ে প্ৰচণ্ড উল্লাসেৰে আজাদ হিন্দ্ ফৌজক আদৰণি জনোৱা নিশ্চয় এক তাৎপৰ্যপূৰ্ণ ঘটনা আছিল।

প্ৰাসংগিক ঃ

১) নিৰ্বাচিত প্ৰবন্ধ ঃ সত্যেন্দ্ৰ নাৰায়ণ মজুমদাৰ
২) Bow of Barning gold: Hiren Mukharjee
৩) Subhas Chandra Bose and Indian Communist Movement : Gautam Chattopadhyay
৪) গণদাবী-২৫ ফেব্ৰুৱাৰী, ১৯৯৭
৫) Mainstream : January 25, 1997.

ঔপনিবেশিক অসমত দেশী সুৰাৰ ৰাজনীতি

ঔপনিবেশিক ভাৰতবৰ্ষত দেশী সুৰাৰ প্ৰসাৰ, ব্যৱসায়, জনগণৰ ওপৰত প্ৰভাৱ আদি বিষয়বোৰৰ সন্দৰ্ভত গৱেষণামূলক অধ্যয়ন যথেষ্ট পৰিমাণে আগ বঢ়া নাই। একভাবে ক'বলৈ গ'লে বৃটিছ অধিকৃত ভাৰতবৰ্ষত 'সুৰা আৰু সুৰা সেৱনৰ ইতিহাস' আছিল অৱহেলিত, যদিও সুৰাৰ পৰা সংগৃহিত ধন মাটিৰ খাজনাৰ পাছতে অন্যতম গুৰুত্বপূৰ্ণ আছিল। ইয়াৰ অন্ততঃ দুটা কাৰণৰ কথা উল্লেখ কৰিব পাৰি। প্ৰথমটো হ'ল— দেশী মদ যিহেতু নিম্নবৰ্গৰ সাধাৰণ শ্ৰেণীৰ মানুহে সেৱন কৰি কৰৰ বোজা বহন কৰিছিল, গতিকে খুব কম সংখ্যক ঐতিহাসিকে তেওঁলোকৰ দুখ-দুৰ্দশাৰ প্ৰতি মনোযোগ দিছিল। দ্বিতীয়তে— গোড়া ধৰ্মীয় অনুশাসন মানি চলা হিন্দু-মুছলিম তথা জৈন ধৰ্মাৱলম্বীসকলৰ দৃষ্টিত সুৰা সেৱন আছিল অসামাজিক আৰু ইয়াৰ লগত জড়িতসকল আছিল বিপথে যোৱা লোক। এনে পটভূমিত অস্বাভাবিক ভূমি খাজনা বৃদ্ধিক ভাৰতৰ সম্পদৰ উত্তৰাধিকাৰী জ্ঞানী কৃষক (honest agriculturist)সকলৰ ওপৰত হোৱা মানৱীয় শোষণ হিচাপে গণ্য কৰা হৈছিল। আনহাতে সুৰাৰ বৰ্ধিত খাজনাই অসামাজিক কাৰ্য-কলাপ ৰোধ কৰাত সহায়ক হ'ব বুলিহে ভবা হৈছিল।[১] অৰ্থাৎ ঔপনিবেশিক 'ভূমি নীতিৰ অনুসন্ধান' এক সম্মানজনক ক্ষেত্ৰ বুলি ধৰাৰ পৰিবৰ্তে 'সুৰাৰ ইতিহাস' চৰ্চাত ধৰ্ম বিষয়ক বাধা আৰোপ কৰা হৈছিল। পৰিস্থিতিটো 'ছাব অলটাৰ্ণ' শ্ৰেণীৰ ইতিহাস চৰ্চাত ৰুচি থকাসকলৰ বাবে উদ্বিগ্নতাৰ কাৰণ হ'ব পাৰে, কাৰণ সাধাৰণৰ বাবে চৰকাৰী কৰ সংগ্ৰহ নীতিতকৈও বিষয়টোৰ পৰিসৰ আছিল বহল। "Even our desire is merely to obtain a balanced view of the impact of colonial taxation on the people of India, we need to place far greater emphasis on this history. But there is of course more to drinking, than taxation alone." ই সম্পৰ্কিত আছিল এক সামাজিক প্ৰথাৰ লগত।

সুৰা আৰু নিম্নবৰ্গৰ সমাজ ঃ

ভাৰতবৰ্ষৰ এক বৃহত্তৰ অঞ্চলৰ মূলত ঃ আদিবাসী, জনজাতীয় কৃষক, চাহ বাগিচাৰ বনুৱা আদিৰ মাজত কেৱা শতিকাজুৰি সুৰাৰ প্ৰচলন হৈ আহিছে। ঔপনিবেশিক

সুৰা নীতিৰ লগত ইয়াৰ কিন্তু প্ৰত্যক্ষ সংযোগ নাছিল। বিষয়টো পৰিষ্কাৰ কৰিবৰ বাবে প্ৰতিনিধিত্বমূলক হিচাপে দক্ষিণ গুজৰাটৰ আদিবাসী অধ্যুষিত অঞ্চলসমূহৰ ওপৰত হোৱা এক তথ্যভিত্তিক অনুসন্ধানৰ কথা উনুকিয়াব পাৰো। বৃটিছ চৰকাৰৰ অধীনত বোম্বে প্ৰেচিডেন্সিৰ অন্তৰ্গত দক্ষিণ গুজৰাটৰ চুৰাট, নৱচাৰি (Navsari), ধৰমপুৰ, চচিন, বন্সৰা (Vansda) আদি কেইবাটাও এলেকা সন্নিৱিষ্ট হৈ আছিল। যাৰ জীৱনক লৈ এই বিষয়ৰ সূত্ৰপাত তেওঁলোক আছিল মূলতঃ চৌধৰী (Chodhri), গমিত (Gamit), ধোড়িয়া (Dhodiya) আৰু কোঙ্কনী (Konkanı)— এই চাৰিটা প্ৰধান জনজাতিৰ লোক। ইয়াৰ উপৰি অন্যান্য সৰুসুৰা উপজাতিয়েও এই অঞ্চলত বাস কৰিছিল। বহু শতিকা ধৰি উক্ত আদিবাসী কৃষকসকলৰ ঘৰত বনোৱা তাৰী আৰু দেশী মদ (দাৰু)ৰ প্ৰতি থকা আসক্তিৰ কথা জনা যায়। অন্যান্য ভাৰতীয় গ্ৰামীন সমাজসমূহৰ বিপৰীতে এই সমাজসমূহত জাত-পাতৰ বিভাজন, অস্পৃশ্যতা, শ্ৰেণী-শোষণ আদিৰ মাত্ৰা কম আছিল, কিন্তু বাহিৰৰ পৰা অহা পাৰ্চীসকলেহে শ্ৰম শোষণ, সুৰাৰ ব্যৱসায় আদিৰ জৰিয়তে আধিপত্য প্ৰতিষ্ঠা কৰিছিল। অৱশ্যে পাৰ্চীসকলৰ কিছু নিয়ন্ত্ৰণ সত্ত্বেও সমগ্ৰ অঞ্চলটোৰ সুৰা সেৱনৰ পৰিমাণ বহু বেছি নাছিল আৰু জনগণৰো ইয়াৰ লগত সম্পৰ্ক আছিল নিতান্তই স্বাভাৱিক আৰু পৰম্পৰাগত।[৩]

এই পটভূমিতে আমাৰ আলোচনাত মুখ্য স্থান লাভ কৰা অসমৰ চাহ বনুৱাসকলৰ প্ৰসংগও অৱতাৰণা কৰিব পাৰি। বৃটিছ অধিকৃত অসমত এক বৃহৎ ভূখণ্ডত লহপহকৈ বাঢ়ি অহা চাহগছৰ পাতে পাতে সোমাই আছিল হাজাৰ হাজাৰ বনুৱাৰ সীমাহীন দুখ-দুৰ্গতিৰ, বঞ্চনা আৰু শোষণৰ কাহিনী। ইয়াৰ উপৰিও এই লোকসকল কিন্তু কোনো এক বিশেষ জনগোষ্ঠীৰ নাছিল। স্থানীয় লোকসকল সংঘবদ্ধ হোৱাৰ আশংকা কৰি বিভিন্ন সময়ত চৰকাৰে বিভিন্ন ব্যৱস্থাৰ মাজেদি অন্যান্য অঞ্চলৰ পৰা বনুৱা অনাৰ দিহা কৰিছিল। ড° অমলেন্দু গুহই দিয়া তথ্য অনুসৰি ১৮৬৭-৬৮ চনত অসমৰ চাহ বাগিচাৰ নিয়োজিত মুঠ ৩৪,৪৩৩ জন বনুৱাৰ ভিতৰত ২২,৮০০ জনেই আছিল বহিৰাগত।[৪] এই প্ৰক্ৰিয়া পৰৱৰ্তী পৰ্যায়তো চলি আছিল। ঠিকাদাৰসকলে বিভিন্ন আদিবাসী অঞ্চলৰ পৰা ছলে-বলে-কৌশলেৰে ফুচুলাই অনা দৰিদ্ৰ কৃষকসকলে বিভিন্ন 'এগ্ৰীমেণ্ট'ত বন্দী হৈ গৰু-ছাগলীতকৈও যে নিম্ন স্তৰৰ দাসৰ জীৱন কটাইছিল— এই কথা ব্ৰাহ্ম প্ৰচাৰকসকলৰ বৰ্ণনাৰ পৰা জানিব পাৰি।[৫] ভাৰতৰ বিভিন্ন আদিবাসী সমাজত স্থানীয়ভাৱে মদ তৈয়াৰ কৰাৰ পৰম্পৰা এই লোকসকলেই লৈ আনিছিল বুলি ভবাৰ থল আছে। কাৰণ ১৯০৫ চনত প্ৰকাশিত এটা চৰকাৰী তথ্যত কোৱা হৈছে যে চাহ বাগিচাৰ বহিৰাগতসকলেই মূলতঃ দেশী মদ সেৱন কৰিছিল। বিংশ শতাব্দীৰ একেবাৰে প্ৰথম ভাগত চৰকাৰে মদ বনোৱা ব্যৱসায়িক জাতিসমূহ আবকাৰী নিয়ন্ত্ৰণৰ মাজলৈ আনি কিছু সুফল লাভ কৰিবলৈ সক্ষম হৈছিল। মদ তৈয়াৰ কৰা তথা বিক্ৰীৰ অধিকাৰ নিবিদাৰ জৰিয়তে

স্থানীয় মানুহক প্ৰদান কৰা হৈছিল। এই ব্যৱস্থাৰ দ্বাৰা চৰকাৰে ১৮৮১-৯০ চনৰ ভিতৰত গড়ে ২ লাখকৈ আৰু তাৰ পাছৰ দশকটোত প্ৰায় ৫ লাখকৈ টকা গড়ে ৰাজহ সংগ্ৰহ কৰিবলৈ সমৰ্থ হৈছিল।[৬] মন কৰিবলগীয়া যে কানি সেৱনৰ প্ৰবল প্ৰচলনে বনুৱাসকলৰ দেশী মদ সেৱনৰ অভ্যাসত প্ৰভাৱ পেলাব পৰা নাছিল।[৭]

প্ৰসংগক্ৰমে গুৰুত্ব প্ৰদান কৰিবলগীয়া বিষয়টো হ'ল— ঔপনিবেশিক কৰ-কাটলৰ কিছু হেঁচা আহি পৰিলেও আদিবাসী অঞ্চলসমূহত স্থানীয়ভাৱে সুৰা তৈয়াৰ কৰাৰ পৰম্পৰাৰ ওপৰত হস্তক্ষেপ কৰা হোৱা নাছিল। কিন্তু পৰ্যায়ক্ৰমে সাম্ৰাজ্যবাদে জনগণৰ অধিকাৰসমূহ কাঢ়ি লৈ গৈছিল। বিষয়টো আমি পৰ্যায়ক্ৰমে আলোচনা কৰি যাম। কিন্তু ইয়াৰ পৰিণাম আছিল ভয়াবহ। কাৰণ নিম্নবৰ্গৰ 'সুৰাৰ সংস্কৃতি' আছিল তেওঁলোকৰ জীৱনধাৰাৰ স্বাভাৱিক অভিব্যক্তি, দৈনন্দিন জীৱন যাত্ৰাৰ স্বাভাৱিক অংগ। এনে পৰিস্থিতিত পুঁজিবাদৰ প্ৰবল হেঁচাৰ মাজত তেওঁলোকৰ সমস্যাসমূহ অনুধাৱনৰ ক্ষেত্ৰত বুৰ্জোৱা যুক্তিবাদৰ অসাৰ প্ৰয়োগৰ কথা উল্লেখ কৰি হান্স মেডিক (Hans Medik)-এ লিখিছে যে সাধাৰণ শ্ৰেণীৰ মানুহৰ সংস্কৃতিয়ে ধাৰণ কৰে... "that sensuous physical character [which] distinguishes itself from the "public realm of reason" of educated bourgeoisie and from the seigneurial, ceremonial self display of the aristrocrecy...[৮] আমি প্ৰথমে সুৰাৰ ব্যৱসায়ীকৰণ প্ৰক্ৰিয়াৰ বিষয়ে আলোচনা কৰিম।

পুঁজিবাদী ব্যৱস্থাৰ প্ৰভাৱ ঃ

ঔপনিবেশিক শাসনত পৰ্যায়ক্ৰমে জনগণৰ সুৰা সেৱনৰ স্বাভাৱিক অভ্যাস বহুখিনি সলনি হৈ গ'ল। বহু অঞ্চলত স্থানীয়ভাৱে সুৰা তৈয়াৰ কৰাৰ প্ৰক্ৰিয়া আইনৰ দ্বাৰা নিষিদ্ধ কৰা হ'ল। পুঁজিবাদী ৰাজনীতিয়ে পৰম্পৰাগতভাৱে উৎপাদিত সুৰাক পণ্যত পৰিণত কৰিলে। এনে পৰিস্থিতিত সুৰাৰ বিষয়টো সমাজ ইতিহাসৰ বাবে আৰু অস্বাভাৱিক কথা হৈ নাথাকিল। সুৰাৰ ব্যৱসায় লাহে লাহে ব্যৱসায়ীসকলৰ মুনাফা লাভৰ ৰমৰমীয়া ক্ষেত্ৰ আৰু চৰকাৰসমূহৰ বাবে খাজনা সংগ্ৰহৰ বিশেষ উৎসত পৰিণত হ'বলৈ ধৰিলে। কিন্তু এয়া সম্ভৱ হৈছিল চৰকাৰসমূহে ৰাজনৈতিকভাৱে সুৰাৰ নীতি প্ৰস্তুত কৰা আৰু পুলিচ ব্যৱস্থাৰ দ্বাৰা নিয়ন্ত্ৰণৰ জৰিয়তে।[৯] ব্ৰিটিছে ভাৰতবৰ্ষত কেনেকৈ সুৰাৰ ব্যৱসায় প্ৰসাৰ কৰিছিল— সেই প্ৰসংগলৈ আমি পাছত ঘূৰি আহিম, কিন্তু দ্বিতীয় বিশ্বযুদ্ধৰ পাছৰ সময়ছোৱাতো বিশ্বৰ জনগণ সুৰাৰ বিভীষিকাৰ পৰা হাত সাৰিব পৰা নাছিল এচাম মুনাফালোভীৰ স্বাৰ্থৰ বাবে। এই সময়ছোৱাত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ বিশাল পুঁজিৰ মালিকসকলে তেওঁলোকৰ পুঁজিৰ এটা বিৰাট অংশ পৃথিৱীৰ বিভিন্ন প্ৰান্তত (বিশেষকৈ তৃতীয় বিশ্বৰ দেশসমূহত) মাদক দ্ৰব্যৰ প্ৰসাৰ বিনিয়োগ কৰি আহিছে। ১৯৮৯ চনৰ বিশ্ব বেংকৰ এটি তথ্য প্ৰকাশ যে সমগ্ৰ বিশ্বৰ মুঠ ঋণৰ পৰা যি পৰিমাণৰ সুত সংগ্ৰহ

হয়, তাতকৈ বহু বেছি অৰ্থ সংগ্ৰহ কৰে সুৰাৰ ব্যৱসায়ীসকলে।[১০] বিংশ শতাব্দী জুৰি চলি থকা সুৰাৰ প্ৰবল ব্যৱসায় আৰু ৰাজনীতিৰ জৰিয়তে পুঁজিবাদী শ্ৰেণী আৰু সংশ্লিষ্ট চৰকাৰসমূহে সাধাৰণ মানুহৰ ওপৰত অভিনৱ ধৰণে প্ৰভুত্ব প্ৰতিষ্ঠা কৰাত সক্ষম হৈছিল। বিশেষকৈ উপনিবেশসমূহত কৃষকসকলৰ অভিজ্ঞতা কেনেকুৱা আছিল? "Through their experience of this process, peasents have been made to feel the power of both the capitalist classes and the state in a most direct and striving manner. For then it has been a political education"[১১] এই পটভূমিত ঔপনিবেশিক তথা স্বাধীনোত্তৰ ভাৰতবৰ্ষত— 'A history of drink provides a means toward a better understanding of the relationship between peasents and the dominant classes."[১২]

সুৰা যোগানৰ ঔপনিবেশিক আঁচনি :

সাম্ৰাজ্যবাদৰ অধীনত অসমত বৃটিছ ৰাজৰ প্ৰতিনিধি চাহ বাগিচাৰ মালিকসকলৰ দমনমূলক চৰিত্ৰ প্ৰসাৰ কৰাত অবাধ সুৰাৰ ব্যৱসায়ে বিশেষ অৰিহণা যোগাইছিল। ইতিমধ্যে আমি চাহ বনুৱাসকলৰ মাজত চলি থকা 'সুৰা' সেৱনৰ অভ্যাস, আবকাৰী নিয়ন্ত্ৰণৰ প্ৰাথমিক প্ৰসাৰৰ কথা উল্লেখ কৰিছো। বিংশ শতিকাৰ প্ৰথমটো দশকত আবকাৰী বিভাগে উপলব্ধি কৰিলে যে চাহ বাগিচা অধ্যুসিত অঞ্চলসমূহতে দেশী মদৰ পৰা সংগৃহীত হোৱা খাজনা আছিল অত্যধিক। আনফালে, সেই অঞ্চলসমূহত বহুসংখ্যক লোকে তেতিয়াও ঘৰুৱাভাৱে চাউলৰ পৰা সুৰা উৎপাদন কৰি আবকাৰী নিয়ন্ত্ৰণৰ পৰা মুক্ত হৈ আছিল।[১৩] এই পৰিস্থিতিত চৰকাৰে অসমৰ চাহ বাগিচা আৰু সামগ্ৰিকভাৱে সমগ্ৰ প্ৰদেশখনলৈ নিজাববীয়াকৈ ব্যাপকভাৱে দেশী মদৰ প্ৰচলনৰ সিদ্ধান্ত লয়। ইয়াৰ মূল উদ্দেশ্য আছিল যাতে বনুৱাসকলৰ দৈনিক নামমাত্ৰ হাজিৰাৰ এটা অংশ প্ৰণালীবদ্ধভাৱে ৰাজকোষলৈ যায় আৰু এক বদ্ধ অৰ্থনীতিৰ মাজত মানসিক ভাৰসাম্য হেৰুৱাই তেওঁলোকে চাহ মালিকসকলৰ শাসন, শোষণ নিৰ্বিবাদে মানি ল'ব পাৰে। আদিম সৰল মূল্যবোধত বিশ্বাসী এচাম মানুহৰ দৈনন্দিন জীৱনযাত্ৰাৰ অংগ এটা স্বাভাৱিক উপাদান এনেদৰে পণ্যলৈ ৰূপান্তৰিত কৰাৰ অভিনৱ পদ্ধতি গ্ৰহণ কৰিলে সাম্ৰাজ্যবাদী চৰকাৰে। অৱশ্যে দেশী মদ, গাঞ্জা, কানি আদিৰ দৰে জীৱন নাশক দ্ৰব্যৰ প্ৰচলনৰ ৰাজনৈতিক বৈধতা প্ৰদান কৰি চৰকাৰে ইয়াৰ তিনিটা বিশেষ উদ্দেশ্যৰ কথা ঘোষণা কৰিলে। প্ৰথমটো হ'ল— 'to prevent all forms of smuggling'; দ্বিতীয়টো 'to discourage all forms of vice including drunkenness' আৰু তৃতীয়টো 'to give reasonable facilities to moderate consumers, particularly the working class, to obtain a little wholesome refreshment after the days work.[১৪] কিন্তু সুৰাৰ প্ৰচলনৰ

ঔপনিবেশিক আঁচনিৰ প্ৰতি দৃষ্টি দিলেই ওপৰৰ কথাখিনিৰ অন্তঃসাৰশূন্যতা প্ৰকট হৈ উঠিব।

আগতেই উল্লেখ কৰা হৈছে যে ১৯০৫-০৬ চনমানলৈকে কেৱল কিছুমান মদ তৈয়াৰ কৰা ভাটি বা কাৰখানা চৰকাৰে অনুজ্ঞাপত্ৰ প্ৰদানৰ জৰিয়তে নিয়ন্ত্ৰণ কৰিছিল। কিন্তু ঠিক সেই সময়ৰ পৰাই আবকাৰী বিভাগে স্থানীয় মানুহৰ পৰা মদ তৈয়াৰ কৰাৰ অধিকাৰ কাঢ়ি লৈ যোৱাৰ পৰিকল্পনা গ্ৰহণ কৰিলে। কণ্ট্ৰেক্ট ডিচ্‌টিলিয়াৰি (contract Distillery) আৰু পাছলৈ কণ্ট্ৰেক্ট চাপ্লাই (contract supply) ব্যৱস্থাৰ জৰিয়তে অসমৰ পিছপৰি থকা অঞ্চলসমূহলৈ চৰকাৰী পৃষ্ঠপোষকতাত বনুৱা, কৃষক শ্ৰেণীৰ সহজলভ্য হোৱাকৈ দেশী মদ যোগান ধৰাৰ নতুন আঁচনি প্ৰস্তুত কৰি উলিওৱা হ'ল। এই ব্যৱস্থাৰ অংশ হিচাপে ১৯০৫ চনৰ ১ অক্টোবৰৰ পৰা কাৰ্যক্ষম হোৱাকৈ চৰকাৰী তত্বাৱধানত উজনিৰ চাহ বাগিচাসমূহৰ কেন্দ্ৰস্থ যোৰহাটত এটা মদ বনোৱা কাৰখানা (Distillery) খোলা হ'ল দুটা শাখা (depot) প্ৰতিষ্ঠা কৰা হ'ল গোলাঘাট আৰু নাজিৰাত। মদৰ ঠিকাদাৰসকলে (এওঁলোকক বহিৰাগত বুলি অনুমান কৰি ল'ব পাৰি) নামমাত্ৰ মূল্যৰ বিনিময়ত উক্ত কাৰখানাত মদ তৈয়াৰ কৰাৰ সকলো সুবিধা লাভ কৰিলে। এওঁলোকেই নিবিদাৰ জৰিয়তে অনুজ্ঞাপত্ৰ লাভ কৰা খুচুৰা ব্যৱসায়ীসকললৈ মদৰ যোগান ধৰাৰ কাম আৰম্ভ কৰিলে। মদৰ ক্ৰেতাসকলৰ লগত প্ৰত্যক্ষ সংযোগ হৈছিল ব্যৱসায়ীসকলৰ। বিভাগীয় কঠোৰ নিয়ন্ত্ৰণৰ মাজত এওঁলোকে প্ৰতি গেলন দেশী মদৰ সৰবৰাহৰ বিপক্ষে চৰকাৰক খাজনা দিয়াৰ উপৰি অনুজ্ঞাপত্ৰৰ বাবে এটা কৰ আৰু ঠিকাদাৰসকলে মদ তৈয়াৰ কৰাৰ বিনিময়ত পাব লগা অংশও চৰকাৰৰ ঘৰত জমা দিব লগা হৈছিল।[১৫] ১৯০৮ চনৰ ভিতৰত ব্ৰহ্মপুত্ৰ আৰু সুৰমা উপত্যকাৰ আটাইকেইখন জিলালৈকে উক্ত ব্যৱস্থাৰ সম্প্ৰসাৰণৰ ফলত পৰ্যায়ক্ৰমে স্থানীয়ভাবে ব্যৱসায় ভিত্তিক বা ঘৰুৱাভাৱে প্ৰস্তুত কৰা সুৰাই ইয়াৰ বৈধতা হেৰুৱালে।[১৬] ১৯১২-১৩ চনত নতুন ব্যৱস্থাই সামৰি লোৱা অঞ্চলসমূহৰ পৰা চৰকাৰে দেশী মদৰ পৰা সংগৃহীত মুঠ খাজনাৰ শতকৰা ৯৮ ভাগেই সংগ্ৰহ কৰিবলৈ সমৰ্থ হ'ল। অৰ্থাৎ আগৰ ব্যৱস্থাটো ভৈয়ামৰ লক্ষীমপুৰ জিলাৰ এটা সৰু অংশ তথা পাহাৰীয়া জিলাকেইখনৰ কিছু অংশত বৰ্তি থাকিবলৈ।[১৭] ১৯৩১ চনত অৱশ্যে ভৈয়ামৰ উক্ত অঞ্চলটো নতুন ব্যৱস্থাপনাৰ মাজলৈ অনাৰ কাম সম্পূৰ্ণ হ'ল।[১৮] গতিকে দেখা গ'ল ১৯১২ চনত অসমক দ্বিতীয়বাৰৰ বাবে চীফ কমিছনাৰৰ নতুন প্ৰশাসনিক গাঁথনিৰ অন্তৰ্গত কৰাৰ পাছৰ পৰাই সাম্ৰাজ্যবাদী সুৰাৰ ৰাজনীতিয়ে পৰম্পৰাগত সুৰাৰ ক্ষেত্ৰখন সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰি পেলালে।

নতুন ব্যৱস্থাপনা অনুসৰি মেচাৰ্চ ফৰ্বচ এণ্ড চালমাৰ্চ (Messers Forbes and Chalmers) নামৰ কোম্পানী এটাই ১৯১৮ চনমানলৈকে যোৰহাটৰ কাৰখানাৰ জৰিয়তে অসমত দেশী মদৰ যোগান ধৰিছিল। অৱশ্যে পৰ্যায়ক্ৰমে কিছু প্ৰশাসনিক সাল-সলনি

ঘটোৱাৰ চিন্তা কৰা হ'ল। চৰকাৰৰ মূল লক্ষ্য আছিল যোৰহাটৰ কাৰখানাটো বন্ধ কৰি দিয়া। কাৰণটো আছিল আবকাৰী বিভাগৰ দ্বাৰা অধিক মুনাফা আদায়ৰ ব্যৱস্থা কৰা। চৰকাৰে এতিয়া যোৰহাটৰ ব্যৱস্থাপনাৰ নামত খৰচ বহন কৰি থকা কোনো যুক্তি-যুক্তিকতা নেদেখিলে। অৱশ্যে এতিয়ালৈকে উক্ত কাৰখানাত মদ বনোৱাৰ বাবে আগ বঢ়োৱা সামান্যতম সা-সুবিধাৰ বাবে আবকাৰী বিভাগে নামমাত্ৰ খৰচহে বহন কৰি আহিছিল। তদুপৰি আবকাৰী বিভাগৰ বিষয়াসকলে লক্ষ্য কৰিলে যে ৰাজ্যখনৰ ভিতৰত মদ তৈয়াৰ কৰাতকৈ বাহিৰৰ পৰা অধিক সস্তাতে মদ আমদানি কৰিব পাৰি। অৱশ্যে ইয়াৰ লগত প্ৰদূষণৰ সমস্যাও জড়িত হৈ আবকাৰী বিভাগৰ সন্মুখলৈ আহিল আন এক নতুন প্ৰত্যাহ্বান। যোৰহাটৰ কাৰখানাটো আৰম্ভ কৰা হৈছিল প্ৰথম অৱস্থাত শিৱসাগৰ জিলাৰ অন্তৰ্গত বাগিচাসমূহৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি। স্বাভাৱিকতে প্ৰথম অৱস্থাত ইয়াৰ কাম-কাজ আছিল সীমিত। কিন্তু ১৯১২ চনমানৰ পৰা সমগ্ৰ ৰাজ্যখনকে সুৰাৰ প্ৰয়োজন পূৰাবলগীয়া হোৱাত নতুন সমস্যাই দেখা দিলে। কাৰখানাৰ পৰা অধিক হাৰত নিৰ্গত হোৱা পেলনীয়া পদাৰ্থই যোৰহাট নগৰখনৰ জনগণৰ কাৰণে ভাবুকিৰ সৃষ্টি কৰিলে। বিষয়টোৰ মীমাংসাৰ বাবে এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰি দিয়া হয়[১৯] আৰু ইয়াৰ পৰামৰ্শ অনুসৰি ১৯১৮ চনৰ ৩১ মাৰ্চৰ পৰা কাৰ্যকৰী হোৱাকৈ চৰকাৰে যোৰহাটৰ কাৰখানা বা ডিচটিলিয়াৰি বন্ধ কৰাৰ নিৰ্দেশ দিয়ে। আবকাৰী বিভাগৰ দায়িত্ব এতিয়াৰ পৰা কেৱল আইন প্ৰশাসন আৰু খাজনা সংগ্ৰহৰ মাজতে সীমাবদ্ধ হৈ পৰিল।[২০]

নতুন পৰিস্থিতিত, এতিয়া বাহিৰৰ পৰা সম্পূৰ্ণ নিজাববীয়াকৈ মদৰ যোগান ধৰিব পৰাকৈ কোনো বিশেষ কোম্পানীৰ লগত চুক্তিবদ্ধ হোৱাটো আবকাৰী বিভাগৰ বাবে জৰুৰী হৈ পৰিল। ইতিমধ্যে আগৰ উল্লিখিত কোম্পানীৰ ম্যাদ শেষ হৈ আহিছিল আৰু কাম-কাজো আছিল কিছু সীমিত। চৰকাৰে বাদ্ধি দিয়া নতুন নিয়ম অনুসৰি ১৯১৮ চনৰ পৰা ১৯৩৮ চন মানলৈকে কলিকতাৰ হাজি ইছমাইল কোম্পানীয়ে (Haji Ismail Sait and Sons Limited of the Russa Distillery, Calcutta) অসমত মদৰ যোগান ধৰাৰ একচেটীয়া ঠিকা লাভ কৰিছিল।[২১] ইয়াৰ পাছত উক্ত দায়িত্ব বহন কৰিছিল বিহাৰৰ চুলতান গঞ্জ ডিচটিলিয়াৰিৰ লগত জড়িত আন এটা কোম্পানীয়ে।[২২] আবকাৰী বিভাগৰ তত্বাৱধানত কেৱল চৰকাৰী 'ওৱেৰ হাউচ'সমূহত মদ জমা ৰখাৰ জৰিয়তে অনুজ্ঞাপত্ৰ লাভ কৰা বিক্ৰী কেন্দ্ৰসমূহলৈ মদৰ চালান ধৰা হয়। উদাহৰণ স্বৰূপে ১৯১২-১৩ চনত ওৱেৰ হাউচসমূহত প্ৰায় ৪,৭৮,০৮৯ গেলন জমা কৰি ৰখা হৈছিল। সেই বছৰতে খুচুৰা ব্যৱসায়ীসকলৰ বাবে ৪,৭০,৪৬১ গেলন মুকলি কৰি দিয়া হৈছিল।[২৩] ১৯১২-১৩ চনত সকলো ধৰণৰ বাগীয়াল দ্ৰব্য বিক্ৰী কৰা কেন্দ্ৰ আছিল ৮৩৮ টা।[২৪] ১৯৩৯-৪০ চনত ইয়াৰ সংখ্যা আছিল ৮১৭ টা।[২৫] খুচুৰা ব্যৱসায়ীসকলে

সুৰাৰ উৎপাদন মূল্যৰ লগতে অনুজ্ঞা মাচুল চৰকাৰক দিব লাগিছিল— যিটো আবকাৰী খাজনাৰ এটা অংশ আছিল। ১৯১২-১৩ চনত আবকাৰী বিভাগে এনেদৰে সংগ্ৰহ কৰিছিল প্ৰায় ১৫ লাখৰ বেছি টকা। ১৯২৪-২৫ চনত কেৱল ব্ৰহ্মপুত্ৰ উপত্যকাতে সংগ্ৰহ হৈছিল ৩৩,৯৪,৯৮৭ টকা।[২৭] ইয়াৰ পৰাই অসমত দেশী মদ তথা অন্যান্য মাদক দ্ৰব্যৰ ব্যাপক ব্যৱসায়ীকৰণ, প্ৰসাৰ তথা এই ক্ষেত্ৰত খুচুৰা ব্যৱসায়ীসকলৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা অনুমান কৰিব পাৰি।

দেশী মদৰ সৰবৰাহ ঃ

সুৰা যোগান ধৰাৰ ঔপনিৱেশিক আঁচনি গ্ৰহণ কৰাৰ পৰাই অসমত ইয়াৰ সৰবৰাহ অভাৱনীয়ভাৱে বৃদ্ধি হ'ল বুলি নিশ্চিতভাৱে ক'ব পাৰি। চৰকাৰী নথি-পত্ৰ বিশ্লেষণ কৰিলে ১৯০৮ চনৰ পৰাই এই উৰ্ধ্বমুখী গতি পৰিলক্ষিত হয়। উক্ত চনটোত সমগ্ৰ প্ৰদেশখনত সুৰাৰ মুঠ সৰবৰাহ আছিল ১,৭৯,৪০৭ গেলন, যাৰ পৰিমাণ ২,৪৭,৩৬৩ গেলনলৈ বৃদ্ধি হয় ১৯১১-১২ চনত।[২৮] এই সময়ছোৱাত নতুন আঁচনিয়ে সমগ্ৰ প্ৰদেশখনকে সামৰি লোৱাৰ কথা আমি আগতে উল্লেখ কৰিছো। ১৯২০-২১ চনত ৰাজ্যখনৰ মূলতঃ নিম্নবৰ্গৰ জনগণে সেৱন কৰিছিল ৩,০৪,৫৭২ গেলন দেশী মদ।[২৯] অৱশ্যে বিশ্বজোৰা অৰ্থনৈতিক সংকটৰ ফলত উদ্ভৱ হোৱা এক অভাৱনীয় পৰিস্থিতিয়ে সৰবৰাহ কিছু কমাই দিয়ে। যেনে ১৯৩০-৩১ চনত এই পৰিমাণ কমি গৈ ২,৪১,৬৪২ গেলন হয়গৈ।[৩০] পিছত কেইবছৰমান (১৯৩৫-৩৬ চনলৈকে) এই ধাৰা অব্যাহত আছিল যদিও সংকটৰ হেঁচা কমি অহাৰ লগে লগে পৰিস্থিতিও স্বাভাৱিক হৈ আহিল। লক্ষণীয়ভাৱে ১৯৪১-৪২ চনত দেশী মদৰ মুঠ সৰবৰাহ আছিল ৩,২৩,৬৫৯ গেলন।[৩১]

নিম্নবৰ্গৰ ইতিহাস চৰ্চাৰ আঁত ধৰি আমি সুৰাৰ সৰবৰাহ প্ৰসংগত দুটা দিশৰ ওপৰত গুৰুত্ব দি চমুকৈ আলোচনা কৰিম। প্ৰথমটো হ'ল চাহ বাগিচাৰ নিম্নবৰ্গৰ বনুৱাসকলৰ ওপৰত হোৱা আবকাৰী বিভাগৰ শোষণ আৰু দ্বিতীয়টো সংকটকালীন সময়ছোৱাত চৰকাৰে গ্ৰহণ কৰা নীতি।

প্ৰথমেই আমি চাহ বনুৱাৰ প্ৰসংগলৈ আহো। এই লোকসকলক কেন্দ্ৰ কৰিয়েই অসমত সুৰাৰ নতুন নীতি প্ৰস্তুত কৰাৰ কথা আমি আগতেই উল্লেখ কৰিছো। চৰকাৰে এই ক্ষেত্ৰত সফলতা লাভ কৰিলে, কাৰণ ১৯১২-১৩ চনৰ পৰা দেশী মদৰ সৰবৰাহৰ নাটকীয় বৃদ্ধিৰ প্ৰসংগত চৰকাৰী সূত্ৰই সময়ে সময়ে চাহ শিল্পৰ বিকাশক কেন্দ্ৰ কৰি বিভিন্ন আদিবাসী অঞ্চলৰ পৰা অসমলৈ প্ৰব্ৰজিত হোৱা লোকসকলকেই জগৰীয়া কৰিছে।[৩২] ঔপনিৱেশিক আঁচনিয়ে নিম্নবৰ্গৰ বসতিপূৰ্ণ চাহ বাগিচা অঞ্চলসমূহ সামৰি লোৱাৰ কথাকে আওপকীয়াকৈ ইয়াত কোৱা হৈছে। দেশী মদৰ ক্ৰেতা যে মূলতঃ চাহ বাগিচাৰ বনুৱাসকলেই আছিল— কথাটো অন্যান্য চৰকাৰী নথিপত্ৰৰ সহায়ত পৰীক্ষা

কৰিব পাৰি। এই সন্দৰ্ভত আমি দুখন প্ৰধান চাহ উৎপাদন হোৱা জিলা শিৱসাগৰ আৰু লক্ষীমপুৰকে বাছি লও। ১৯১২-১৩[৩৩] আৰু ১৯৩০-৩১[৩৪] চনত ৰাজ্যখনৰ ৯ খন জিলাত সৰবৰাহ হোৱা মুঠ দেশী মদৰ শতকৰা ৫০ ভাগেই উপৰোক্ত জিলা দুখনৰ চাহ অধ্যুষিত অঞ্চলসমূহত হৈছিল। তদুপৰি ওৱেৰ হাউচসমূহৰ পৰাও যথেষ্টসংখ্যক গেলন মদ এই জিলা দুখনলৈ যোগান ধৰা হৈছিল। উদাহৰণ স্বৰূপে ১৯১২-১৩ চনত খুচুৰা ব্যৱসায়ীসকলে উলিয়াই নিয়া মুঠ ৪,৭০,৪৬১ গেলনৰ ৩,৪৮,৮৫৭ গেলন উপৰোক্ত জিলা দুখনলৈ অনা হৈছিল।[৩৫] সেইদৰে ১৯৩০-৩১ চনত অনা হৈছিল ১,৫৩,৪৩০ গেলন। ইয়াৰ বিপৰীতে অন্যান্য পাঁচখন গুৰুত্বপূৰ্ণ জিলা— কাছাৰ, চিলেট, গোৱালপাৰা, দৰং আৰু নগাঁৱৰ পৰিমাণ আছিল মাত্ৰ ৮৮,৩৬৭ গেলন মদ।[৩৬] ১৯৩৯-৪০ চনত শিৱসাগৰ আৰু লক্ষীমপুৰ জিলাত খুচুৰা ব্যৱসায়ৰ বাবে মুকলি হোৱা সুৰাৰ পৰিমাণ আছিল ৩,১২,৯৩৪ গেলন।[৩৭]

আনফালে, বিশ্বজোৰা অৰ্থনৈতিক সংকটৰ সময়ছোৱাত চৰকাৰী নীতি আছিল উদ্বেগজনক। গুৰুত্বপূৰ্ণ উক্ত সময়ছোৱাত (১৯৩০-৩৬) চাহ বনুৱাসকলৰ ক্ৰয় কৰাৰ ক্ষমতা যথেষ্ট পৰিমাণে কমি গ'ল। পৰিস্থিতিটোৱে চাহৰ অঞ্চলসমূহত অবৈধ সুৰাৰ প্ৰচলন বৃদ্ধিত অৰিহণা যোগালে।[৩৮] আৰম্ভণিৰ বছৰটোৰ ২,৪১,৬৪২ গেলনৰ পৰিমাণ ১৯৩৪-৩৫ চনত ১,৩৪,৪৭১ গেলনলৈ নামি আহে।[৩৯] কিছু সৰলীকৃত হিচাপ-নিকাচ অনুসৰি ১৯৩৪-৩৫ চনৰ বছৰটোৰ মুঠ সৰবৰাহৰ বিপৰীতে শিৱসাগৰ, লক্ষীমপুৰ আৰু কাছাৰৰ চাহ অধ্যুসিত অঞ্চলসমূহত প্ৰায় ৭২,০০০ গেলন অবৈধভাৱে সেৱন কৰা হৈছিল। এচাম মুনাফালোভী ব্যৱসায়ীৰ হস্তক্ষেপত সমস্যাটোৱে জটিলতাৰ ৰূপ ধাৰণ কৰিলেগৈ। চাহ বনুৱাসকলেও স্থানীয়ভাৱে উৎপাদন কৰা সুৰাৰ পৰিমাণ বৃদ্ধি কৰিবলৈ ধৰিলে।[৪০]

আনহাতে, নতুন পৰিস্থিতিত সম্ভাব্য বিপদৰ আশংকা কৰি চৰকাৰে সংকটকালীন সময়ৰ প্ৰথম বছৰটোতে বিষয়টোৰ মূল্যায়নৰ বাবে এখন সমিতি গঠন কৰি দিয়ে। উক্ত সমিতিয়ে প্ৰথমৰ পৰাই অবৈধ সুৰাৰ প্ৰসাৰৰ ভয়াবহতাৰ বিৰুদ্ধে উদ্বিগ্নতা প্ৰকাশ কৰে। কিন্তু আশ্চৰ্যজনকভাৱে অবৈধ সুৰা সেৱন বা ব্যৱসায়ৰ কাৰণ হিচাপে চৰকাৰী যোগান ব্যৱস্থা পৰ্যাপ্ত নোহোৱা বুলিহে ব্যাখ্যা কৰা হয়। অবৈধ সুৰাৰ কবলৰ পৰা বিশেষ চাহ বাগিচা অঞ্চলসমূহত নতুন ব্যৱস্থাৰে অধিক সুৰাৰ বিক্ৰী কেন্দ্ৰ স্থাপনৰ ওপৰত কমিটীখনে গুৰুত্ব প্ৰদান কৰে।[৪১] ফলস্বৰূপে ১৯৩১ চনৰ ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱাকৈ চাহ বাগিচাৰ মেনেজাৰসকলৰ তত্বাৱধানত কিছুমান নতুন কেন্টিন খোলা হয়[৪২] আৰু পাছৰ কাললৈ একে ব্যৱস্থাৰে প্ৰদেশখনত থকা সাধাৰণ বিক্ৰী কেন্দ্ৰসমূহৰ উপৰি চাহ বাগিচা অঞ্চলসমূহত কিছুমান বিশেষ দেশী মদৰ খুচুৰা বিক্ৰী কেন্দ্ৰ খোলা হ'ল যাতে দেশী মদ বনুৱাসকলৰ বাবে অধিক সহজলভ্য হৈ পৰে।[৪৩]

প্ৰকৃততে, চাহ বাগিচাৰ বনুৱাসকলৰ প্ৰকৃত অৱস্থা অনুধাৱন কৰাৰ উদ্দেশ্য সমিতিখনৰ নাছিল। ইয়াৰ বিপৰীতে অধিক কটকটীয়া আবকাৰী নিয়ন্ত্ৰণৰ মাজেৰে নিম্নবৰ্গৰ চাহ বনুৱাসকলক যিকোনো ধৰণৰ ত্যাগৰ বিনিময়ত আবকাৰী সুৰা সেৱন কৰোৱাটোৱেই আছিল চৰকাৰৰ মূল লক্ষ্য। তাতকৈও গুৰুত্বপূৰ্ণ কথাটো আছিল আবকাৰী বিভাগে এই সময়ৰ পৰা দমনমূলক ব্যৱস্থাৰে 'ছাব অলটাৰ্ণ' সমাজত ৰাজনৈতিক অনুশাসন জাপি দিয়াৰ বাবে কৌশলগতভাৱে ইউৰোপীয়ান চাহ খেতিয়ক মালিক-মেনেজাৰসকলক জড়িত কৰি লৈছিল। চৰকাৰী নথি-পত্ৰত কথাটো স্পষ্ট হৈ আছে। "The influential member of the planting community had now begun to understand the gravity of the situation and came forward to extend all co-operation to the department for the development of canteens and lessee manager's shops. The system seemed to be very converient method of dealing with the malpractices by making the garden managers well acquanted with the merit of the system and the simple details of its working."[৪৪]

আবকাৰী নিয়ন্ত্ৰণৰ বিৰুদ্ধে অবৈধ সুৰাৰ উৎপাদনে চাহ বনুৱাসকলৰ মাজত অপৰাধ প্ৰৱণতাৰ বৃদ্ধিৰ কথাকে সূচায়। অৱশ্যে সাম্ৰাজ্যবাদী চৰকাৰে সঠিক সময়ত উপযুক্ত নীতি গ্ৰহণ কৰি পৰিস্থিতি নিয়ন্ত্ৰণ কৰাত সফল হৈছিল। বিশ্বজোৰা সংকটৰ প্ৰভাৱ কমি অহাৰ লগে লগে পৰিৱেশ আকৌ স্বাভাৱিক হৈ পৰিল। আবকাৰী খাজনা আৰু সৰবৰাহ— দুয়োটাৰেই ঊৰ্ধ্বমুখী ধাৰা চৰকাৰে আশা কৰা ধৰণেই অব্যাহত থাকিল।

চৰকাৰী সুৰা নিবাৰণী অভিযান ঃ

সাম্ৰাজ্যবাদৰ অধীনত মদ, ভাং, কানি আদিৰ দৰে যি জীৱননাশক দ্ৰব্যৰ প্ৰসাৰ ঘটিছিল তাৰ বিৰুদ্ধে অৱশ্যে জনমতো গঠন হৈছিল। এই দ্ৰব্যসমূহৰ মুকলি ব্যৱহাৰ তথা জনগণৰ ওপৰত হোৱা ইয়াৰ প্ৰভাৱৰ বিৰুদ্ধে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত ব্যৱস্থাপক সভাসমূহৰ প্ৰতিবাদৰ জোৱাৰ উঠিছিল। আনকি, ১৯১২ চনত মদ নিবাৰণৰ সপক্ষে জনমত গঠন সম্পৰ্কীয় এখন সমিতিৰ সদস্যৰূপে বৃটিছ পাৰ্লিয়ামেণ্টৰ সদস্য হাৰ্বাৰ্ট ৰবাৰ্টে (Herbert Robert) চৰকাৰী নীতিৰ তীব্ৰ প্ৰত্যাহ্বান আগবঢ়ালে। তেওঁ বিভিন্ন অঞ্চলত পৰামৰ্শমূলক সমিতি পাতি বিষয়টোৰ ওপৰত জনমত গঠন কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে।[৪৫] এনে পৰিস্থিতিত অন্যান্য প্ৰদেশৰ লগতে অসম চৰকাৰেও বিষয়টো গুৰুত্ব সহকাৰে ল'বলৈ বাধ্য হয়। সেই অনুসৰি মুখ্য আয়ুক্তই (Chief Commissioner) ১৯১৫ চনত আইন প্ৰণয়ন কৰি চহৰ অঞ্চলত মিউনিচিপাল ব'ৰ্ডসমূহক আৰু গ্ৰাম্য অঞ্চলত লোকেল ব'ৰ্ডসমূহক বিশেষ পৰামৰ্শমূলক সমিতি হিচাপে ঘোষণা

কৰে।[৪৬] প্ৰথম অৱস্থাত জনমত গঠন সম্পৰ্কীয় এনেকুৱা সমিতিৰ সংখ্যা অসমত ১১ খন আছিল।[৪৭] অৱশ্যে প্ৰথমৰ পৰাই উক্ত সমিতিসমূহৰ কাম-কাজত কিমানদূৰ আন্তৰিকতা আছিল সি বিচাৰ্যৰ বিষয়। কাৰণ ১৯১৬ চনত বৃটিছ পাৰ্লিয়ামেণ্টৰ এজেন সদস্যই ব্যৱস্থাটোৰ প্ৰতি সমালোচনামূলক স্থিতি গ্ৰহণ কৰি ইয়াৰ অন্তঃসাৰশূন্যতাৰ দিশটোলৈ আঙুলিয়াই দিয়ে। তেওঁৰ মূল দাবীটো আছিল— উক্ত সমিতি স্থানীয় জনগণৰ প্ৰতিনিধিত্ব দিয়াৰ সম্পূৰ্ণ ব্যৱস্থা কৰা।[৪৮] অসম চৰকাৰে কিন্তু বিষয়টোৰ সন্দৰ্ভত কোনো ধৰণৰ গণতান্ত্ৰিক দৃষ্টিভংগী গ্ৰহণ কৰিব খোজা নাছিল, ইয়াৰ বিপৰীতে, ১৯৩১ চনত প্ৰকাশিত চৰকাৰী টোকা এটাই তেওঁলোকৰ ঔপনিবেশিক স্থিতিহে প্ৰতিফলিত কৰিছিল। "Local bodies have obviously not yet learnt the obvious truth that the framing of an excise policy for the province is not part of their functions, and that their proposals should be framed to make the accepted policy of government work as smoothly as possible in consideration of local difficulties."[৪৯] প্ৰকৃততে, সুৰা নিবাৰণৰ ক্ষেত্ৰত উক্ত সমিতিসমূহে কোনো ধৰণৰ ইতিবাচক স্থিতি গ্ৰহণ কৰাটো চৰকাৰে বিচৰা নাছিল। দেশৰ ভিতৰত আৰু বাহিৰৰ হেঁচাত গ্ৰহণ কৰা বৃটিছৰ সুৰা নিবাৰণী অভিযান তেওঁলোকৰে মুনাফা ভিত্তিক নীতিৰ লগত সংঘাতলৈ আহি সম্পূৰ্ণৰূপে বিফল হৈছিল। স্বয়ং ভাৰত সচিবে (Secretary of State) ভাৰতত সুৰাৰ বিষয়টোৰ অনুসন্ধানৰ বাবে গঠন কৰি দিয়া এখন কমিটীৰ সদস্যৰূপে গোপাল কৃষ্ণ গোখলেই সৰ্বভাৰতীয় পটভূমিত বিষয়টো অতি সুন্দৰভাৱে ব্যাখ্যা কৰি গৈছে। "There is after all a good deal in saying that no person can serve god and mammon togather and no authority can take care of the government revenue and at the same time take interest in temperance"[৫০]

চৰকাৰী নীতিৰ এই স্ব-বিৰোধৰ পটভূমি কি আছিল? বৃটেইনত পুঁজিপতি ব্যৱসায়ীসকলে সুৰাৰ সন্দৰ্ভত এক দুমুখীয়া নীতি গ্ৰহণ কৰিছিল। বজাৰৰ পণ্য হিচাপে সুৰাৰ গুৰুত্ব আছিল অপৰিসীম, আনফালে, সুৰা আছিল সকলো ধৰণৰ সামাজিক ব্যাধিৰ উৎস। যি কি নহওক, শিল্প বিপ্লৱৰ পাছৰ পৰা উক্ত শ্ৰেণীটোৱে ব্যৱসায়িক স্বাৰ্থ ত্যাগ কৰিও সুৰা নিবাৰণৰ পক্ষে থিয় দিছিল। ইয়াৰ কাৰণ আছিল সুৰাৰ অত্যাধিক প্ৰচলনে বনুৱা শ্ৰেণীটোক ক্ষতিগ্ৰস্ত কৰিছিল, যাৰ প্ৰভাৱ শিল্পৰ বিকাশত নেতিবাচক আছিল। এই বিষয়টোক কেন্দ্ৰ কৰি ১৮৩২ চনৰ সংস্কাৰৰ পাছৰ পৰা বনুৱা শ্ৰেণীৰ প্ৰতিনিধিত্ব বৃটিছ সংসদত বৃদ্ধি পাবলৈ ধৰিলে। ইয়াৰ ফলস্বৰূপে ঊনবিংশ শতিকাৰ শেষৰ ফাললৈ হাউচ অব কমন্সত মদ নিবাৰণৰ সপক্ষে এটা শক্তিশালী লবীৰ আৱিৰ্ভাৱ ঘটিল যাৰ প্ৰভাৱৰ পৰা চৰকাৰী আবকাৰী নীতি মুক্ত হ'ব পৰা নাছিল।[৫১] এয়াই আছিল উন্নত দেশৰ কথা। কিন্তু ঔপনিৱেশিক পৰিস্থিতিত বিষয়টো একেবাৰে বেলেগ আছিল, বৃটেইনত ঘটা ঘটনাৰ প্ৰতিধ্বনি হৈহে ইয়াত সুৰা নিবাৰণৰ প্ৰসংগটো চৰকাৰৰ

আলোচনাৰ মাজলৈ আহিছিল। ভাৰতবৰ্ষত নিম্নবৰ্গৰ সমাজৰ লোকৰ স্থানীয় বিধানসভাবোৰত কোনো প্ৰতিনিধিত্ব নাছিল। আনফালে চৰকাৰেও অৰ্থনৈতিক স্বাৰ্থ ত্যাগ কৰি জনগণৰ সামূহিক মংগলৰ কথা চিন্তা কৰাৰ প্ৰয়োজনবোধ কৰা নাছিল।[৫২] গুৰুত্বপূৰ্ণভাৱে অসমত ১৯১৫ চনৰ স্বায়ত্ত শাসন আইন (Local Self Government Act) অনুসৰি লোকেল ব'ৰ্ডসমূহৰ ভোটাৰসমূহ আছিল গাওঁ অঞ্চলৰহে, চাহ বাগিচাৰ লোকৰ ইয়াত কোনো প্ৰতিনিধিত্ব নাছিল। ফলত গ্ৰাম্য অঞ্চলত জনমত গঠন কৰা এই নিকাইসমূহত গ্ৰাম্য অঞ্চলৰ উচ্চ বিত্ত শ্ৰেণী এটাইহে সুৰাৰ প্ৰশ্নত নিম্নবৰ্গক প্ৰতিনিধিত্ব কৰিছিল।[৫৩] অৱশ্যে ঊনবিংশ শতিকাৰ শেষৰ ফালে শিক্ষিত মধ্যবিত্তৰ নেতৃত্বত ভাৰতবৰ্ষত সুৰাৰ প্ৰসাৰৰ বিৰুদ্ধে সামাজিক আন্দোলন সংঘটিত হৈছিল। মধ্যবিত্ত ধ্যান-ধাৰণাই নিম্নবৰ্গ সমাজৰ বিভিন্ন দিশতে যে প্ৰভাৱান্বিত কৰিছিল তাত সন্দেহ নাই, কিন্তু এলীট মূল্যবোধৰ ওপৰত প্ৰতিষ্ঠিত আন্দোলনসমূহৰ স্থায়িত্ব তেওঁলোকৰ মাজত কিমানদূৰ আছিল সেয়া বিচাৰ্যৰ বিষয়। কাৰণ সচেতন মধ্যবিত্তই সুৰাৰ বিৰুদ্ধে থিয় দিছিল, কিন্তু তেওঁলোকৰ মতে সুৰাৰ সেৱন আছিল ভাৰতীয় ধৰ্মীয় পৰম্পৰা আৰু সংস্কৃতিৰ বিৰোধী।[৫৪]

নিম্নবৰ্গৰ চেতনা — দেৱী আন্দোলনৰ প্ৰসংগ ঃ

সমগ্ৰ পৰিস্থিতিটোৰ বিৰুদ্ধে নিম্নবৰ্গৰ চিন্তা-চেতনাৰ প্ৰসংগটো আলোচনা কৰোতে আমি সাম্ৰাজ্যবাদী সুৰানীতিৰ সামাজিক লক্ষণৰ বিষয়েও উনুকিয়াব লাগিব। প্ৰবন্ধৰ আৰম্ভণিতে লিখিছিলো যে চৰকাৰী সুৰাৰ নীতিৰ প্ৰক্ৰিয়াই খাজনা সংগ্ৰহৰ পৰ্যায় ভেদ কৰি সামাজিক ক্ষেত্ৰলৈ প্ৰসাৰিত হৈছিল। বিষয়টোৱে ৰাজনৈতিক তাৎপৰ্য বহন কৰিছিল। ঔপনিবেশিক পৰিস্থিতিত সুৰাৰ ইতিহাস পৰ্যালোচনা কৰিলে সুৰা সেৱনৰ মাজেৰে আদিবাসী সমাজসমূহৰ লগত দমনমূলক শক্তিৰ সম্পৰ্কৰ এটা স্পষ্ট ধাৰণা আমাৰ মনলৈ আহে। কাৰণ দৈনন্দিন জীৱনৰ অংশ সুৰা সেৱনৰ নিয়ন্ত্ৰিত প্ৰক্ৰিয়াটো প্ৰসাৰ ঘটিছিল চৰকাৰী পুলিচী ব্যৱস্থাৰ জৰিয়তেহে।

এনেকুৱা এক স্পৰ্শকাতৰ সামাজিক পৰিস্থিতিত চৰকাৰী দমনৰ বিৰুদ্ধে সাধাৰণভাৱে জীয়াই থকা মানুহখিনিৰ প্ৰতিৰোধমুখী সংগ্ৰামৰ বিষয়ে আমি কিমানদূৰ জানো জাতীয়তাবাদী ইতিহাস চৰ্চাই এওঁলোকৰ প্ৰকৃত মূল্যায়ন কৰিব পাৰিছেনে? ড° ৰঞ্জিৎ গুহই লিখিছে— "it fails to acknowledge, far less interpreat, the contribution made by the people of their own, that is, independently of the elite the making of and development of this nationalism."[৫৫] প্ৰকৃততে ভাৰতীয় জাতীয় আন্দোলনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা বিভিন্ন প্ৰান্তৰ আদিবাসী আন্দোলনসমূহৰ মনস্তাত্বিক ভিত্তিৰ অধ্যয়নৰ প্ৰসংগটো সুৰাৰ দৰে বিষয় এটাৰ আলোচনাৰ প্ৰাসংগিকতা আহি

পৰে। অৰ্থাৎ নিম্নবৰ্গৰ জাতীয় চেতনাৰ প্ৰসাৰৰ প্ৰশ্নত দেশী সুৰা সেৱনৰ দৰে এটা সামাজিক প্ৰথাক কেন্দ্ৰ কৰি আদিবাসীসকল বা অসমৰো আদিবাসী চাহ বনুৱাসকলৰ মাজত হোৱা ক্ৰিয়া-প্ৰক্ৰিয়া জনাটো আমাৰ বাবে গুৰুত্বপূৰ্ণ। বিষয়টো অলপ আগতে উল্লেখ কৰা দক্ষিণ গুজৰাটৰ পৰিস্থিতিৰ উল্লেখ কৰি নিম্নবৰ্গীয় চেতনাৰ প্ৰসংগ পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিম।

মন কৰিবলগীয়া যে অসমৰ দৰে দক্ষিণ গুজৰাটৰ অঞ্চলটোত পাৰ্চীসকলৰ কিছু নিয়ন্ত্ৰণ সাপেক্ষে স্থানীয়ভাৱে সুৰা উৎপাদন প্ৰক্ৰিয়া অব্যাহত আছিল— কথাটো অলপ আগতে উল্লেখ কৰিছো। অধিক মুনাফা লাভৰ অজুহাতত সাম্ৰাজ্যবাদী চৰকাৰে ১৮৭৮ চনত এখন আইন প্ৰণয়নৰ দ্বাৰা উক্ত অঞ্চলটোত স্থানীয়ভাৱে সুৰা উৎপাদন বা তৈয়াৰ নিষিদ্ধ কৰি কেন্দ্ৰীয়ভাৱে সুৰা যোগানৰ বাবে ভাটিখানা বহুৱাৰ ব্যৱস্থা কৰা হ'ল। আইন লিপিবদ্ধ হোৱা নিৰ্দেশনা অনুসৰি ভাটিখানাৰ পৰাহে মদ যোগান ধৰা হ'ব, উক্ত মদ বা সুৰাৰ ওপৰত শুল্ক ধাৰ্য কৰা হ'ব, অনুজ্ঞাপত্ৰ লাভ কৰাসকলেহে ব্যৱসায়টোত জড়িত হ'ব পাৰিব। আবকাৰী নিয়ন্ত্ৰণৰ কাৰ্যকৰীকৰণৰ বাবে ব'ম্বে প্ৰেছিডেন্সীত প্ৰথমবাৰৰ বাবে এজন আবকাৰী আয়ুক্ত নিযুক্তি দিয়া হ'ল আৰু ১৮৮৮ চনৰ ভিতৰত সমগ্ৰ দক্ষিণ গুজৰাট অঞ্চল নতুন ব্যৱস্থাৰ মাজলৈ অনা হ'ল।[২৬] এইদৰে উনবিংশ শতিকাৰে শেষৰ ভাগৰ পৰাই নিম্নবৰ্গৰ জনগণ এক নতুন ধৰণৰ ঔপনিবেশিক শোষণ-শাসনৰ কবলত পৰিল। স্বভাৱজাতভাৱে ঘৰতে উৎপাদন কৰি বা সামান্য মূল্যৰ বিনিময়ত পাৰ্চী ব্যৱসায়ীৰ পৰা কিনিব পৰা সুৰাৰ ওপৰত পৰ্যায়ক্ৰমে জাপি দিয়া নতুন আবকাৰী নিয়ন্ত্ৰণ তথা শুল্কৰ হেঁচাই তেওঁলোকক আৰ্থিকভাৱে জুৰুলা কৰিলে। প্ৰতিবাদ স্বৰূপে ১৮৯৫ চনমানৰ পৰাই উক্ত অঞ্চলসমূহত স্থানীয় জনগণৰ সক্ৰিয় অংশগ্ৰহণেৰে সুৰাৰ আবকাৰী নীতিৰ বিৰুদ্ধে সময়ে সময়ে সৰু-সুৰা বিদ্ৰোহ সংঘটিত হৈ আহিছিল যদিও এই বিলাকৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী নাছিল। অৱশ্যে এই সামাজিক জাগৰণে বিস্ফোৰক ৰূপ লৈছিল গৈ ১৯২২-২৩ চনত আৰম্ভ হোৱা দেৱী আন্দোলনৰ মাজেৰে।[২৭]

দক্ষিণ গুজৰাটৰ বৃহত্তৰ এলেকাটোৰ আদিবাসীসকলৰ মাজত নৈতিক তথা সামাজিক উত্তৰণৰ প্ৰশ্নত বিকশিত সামাজিক আন্দোলনৰ লগত জড়িত হৈ পৰিছিল এগৰাকী দেৱী। ১৯২২ চনত আদিবাসী আৰু উপজাতি কৃষকসকলে 'চালাহবাই' নামৰ এগৰাকী দেৱীৰ উপদেশ শুনাৰ বাবে বিভিন্ন এলেকাত সমবেত হ'বলৈ ধৰিলে। তথাকথিত মদ নিবাৰণী অভিযানৰ অন্তঃসাৰশূন্যতাৰ বিপৰীতে এই দেৱীৰ প্ৰভাৱ আছিল অপৰিসীম। 'দেৱী' বা 'মা'ৰ কোনো কায়িক ৰূপ নাছিল। আদিবাসীসকলৰ বিশ্বাস আছিল যে দেৱী পূবৰ পাহাৰৰ পৰা আহে আৰু মানুহৰ গাত ধাৰণ কৰি উপদেশ দিয়ে আৰু এনেকুৱা লোকসকলে যি কথা কয় তাক সকলোৱে বিশ্বাসেৰে শুনে। দেৱীৰ নামত দিয়া এই উপদেশসমূহ আছিল সংস্কাৰধৰ্মী— বিশেষকৈ সুৰাৰ বিৰুদ্ধে। ছোটানাগপুৰ, উত্তৰ

প্ৰদেশ, উৰিষ্যাৰ বিভিন্ন অঞ্চললৈ বিয়পি পৰা আন্দোলনৰ স্পষ্ট নীতি-নিৰ্দেশনা আছিল এনে ধৰণৰ— সুৰা আৰু তাৰী নাখাবা, মদ-মাংস ত্যাগ কৰা, সুৰা বা তাৰীৰ দোকানত কাম নকৰিবা, তাৰী গছৰ পৰা নিষ্কাষণ নকৰিবা ইত্যাদি। দেৱী ক'ৰ পৰা বা কেনেকৈ আহিছিল— এই প্ৰশ্নবোৰৰ সঠিক উত্তৰ পাবলৈ নাই। কিন্তু গুৰুত্বপূৰ্ণ কথাটো হ'ল— দক্ষিণ গুজৰাটৰ শিক্ষিত আদিবাসীৰ সামান্য অংশ এটাই প্ৰাচীন লোকবিশ্বাসকে সমল কৰি লৈ এক অভূতপূৰ্ব সমাজ সংস্কাৰ আন্দোলনৰ পাতনি মেলিছিল।[৫৮]

ছাব অলটাৰ্ণ দৃষ্টিভংগী প্ৰতিফলিত নহ'লেও মধ্যবিত্ত সমাজ সংস্কাৰকসকলেও সুৰাৰ সমস্যাটো আন্তৰিকতাৰে গ্ৰহণ কৰিছিল। প্ৰাৰম্ভিক কালৰ জাতীয়তাবাদীসকলৰ এই ক্ষেত্ৰত কিছু উল্লেখনীয় ভূমিকাও আছিল। অৱশ্যে ভাৰতৰ ৰাজনীতিত গান্ধীজীৰ আবিৰ্ভাৱৰ পিছতহে সুৰাৰ নিবাৰণী বিষয়টো জাতীয় আন্দোলনতো বিভিন্ন কাৰ্যসূচীৰ লগত প্ৰত্যক্ষভাৱে জড়িত হৈ পৰিল জাতীয় কংগ্ৰেছে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰি দেৱী আন্দোলনলৈ প্ৰত্যক্ষ সমৰ্থন আগবঢ়াই ১৯২২-২৬ ৰ ভিতৰত উক্ত অঞ্চলসমূহত সুৰা বিৰোধী আন্দোলন প্ৰবল কৰি তুলিছিল। ফলস্বৰূপে পাছৰ দশকটোত ব'ম্বে প্ৰেচিডেন্সিকে ধৰি দেশৰ বিভিন্ন আদিবাসী অঞ্চলত সুৰাৰ সৰবৰাহ লক্ষণীয়ভাৱে কমি আহিছিল। সাম্ৰাজ্যবাদী চৰকাৰে তেওঁলোকৰ খাজনাৰ এটি ডাঙৰ অংশ ত্যাগ কৰিবলৈ বাধ্য হৈছিল।[৫৯] গুৰুত্বপূৰ্ণভাৱে ব'ম্বে বিধানসভাত বেচৰকাৰী সদস্যসকলৰ গুৰুত্ব বৃদ্ধি পোৱাত সুৰাৰ ক্ষতিকাৰক দিশটোৱে অধিক গুৰুত্ব লাভ কৰে। আবকাৰী বিভাগৰ তত্বাৱধানত থকা এজন নিৰ্বাচিত মন্ত্ৰী চুনীলাল মেহতাৰ তৎপৰতাতে ১৯২৩ চনত বিষয়টো আলোচনাৰ বাবে এখন সমিতি গঠন কৰি দিয়া হয়। চৰকাৰী, বেচৰকাৰী বহু সদস্যই ইয়াৰ ওপৰত ৰায়দান দিয়ে আৰু পৰ্যায়ক্ৰমে সুৰাৰ সৰবৰাহ কমাই অনা, সম্পূৰ্ণ নিষিদ্ধ কৰা আদি বিষয় লৈ তুমুল তৰ্ক-বিতৰ্কৰ সৃষ্টি হয়। আশ্চৰ্যজনকভাৱে বিধানসভাৰ বাহিৰে-ভিতৰে সুৰাৰ বিৰুদ্ধে প্ৰবল সংগ্ৰাম চলি থকাৰ সময়ত প্ৰকৃততে সুৰাপান কৰা নিম্নবৰ্গৰ নিজা মতামত, চিন্তাধাৰা ব্যক্ত কৰাৰ কোনো সুবিধা নাছিল।[৬০] যি কি নহওক ১৯৩৫ চনৰ আঞ্চলিক স্বায়ত্ত আধাৰত ১৯৩৭ চনৰ পৰা কংগ্ৰেছ চৰকাৰে বিভিন্ন প্ৰদেশত কাৰ্যভাৰ গ্ৰহণ কৰাৰ পৰা সুৰাৰ নিষিদ্ধকৰণৰ প্ৰসংগত কিছু বাস্তৱ পদক্ষেপ গ্ৰহণ কৰা হ'ল। অৱশ্যে স্বাধীনতা প্ৰাপ্তিৰ পিছতহে ব'ম্বে প্ৰেচিডেন্সিত দেশী সুৰা সেৱন সম্পূৰ্ণৰূপে নিষিদ্ধ কৰি আইন গৃহীত কৰা সম্ভৱ হ'লগৈ।[৬১]

ওপৰত উল্লেখ কৰা ঘটনাৱলীয়ে দক্ষিণ গুজৰাটৰ আদিবাসী জীৱনত গভীৰ সংস্কাৰমুখী প্ৰভাৱ পেলাইছিল বুলি ভবাটো কিন্তু যুক্তিসংগত নহ'ব। সুৰাৰ প্ৰশ্নত দেৱী আন্দোলনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল সঁচা, ইয়াৰ অৰ্থ কিন্তু এইটো নহয় যে নিম্নবৰ্গৰ স্বাধীন চিন্তা-চেতনাই তাত হঠাতে এক পৰিপূৰ্ণ ৰূপ পাইছিল। প্ৰকৃততে আদিবাসীসকলৰ বিৰোধ সুৰাৰ লগত নাছিল, আছিল আবকাৰী সুৰাৰ নীতিৰ লগত।

আনকি দেৱী আন্দোলনৰ সম্পৰ্কীলৈ আহিও তেওঁলোকে পৰম্পৰাগত জীৱনবোধৰ লগত সম্পৰ্কিত সুৰাৰ পৰা সম্পূৰ্ণ আঁতৰি থাকিব খোজা নাছিল। গুৰুত্বপূৰ্ণভাৱে উক্ত আন্দোলনৰ সমসাময়িকৰূপে ১৯২৫ চনমানৰ পৰা সংখ্যাগৰিষ্ঠ কৃষকৰ সমৰ্থনত আন্দোলনসমূহত সোমাই পৰা মধ্যবিত্ত সংস্কাৰৰ বিৰুদ্ধে এক প্ৰতিবাদী আন্দোলনক আগুৱাই নৈ যোৱাত যে সহায়ক হোৱা নাছিল সি সহজেই অনুমেয়। আনকি পাছৰ পৰ্যায়বোৰতো কংগ্ৰেছৰ ৰাজনৈতিক আন্দোলনৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী হ'ব পৰা নাছিল। কাৰণ ১৯৪৯ চনত সুৰা নিষিদ্ধ কৰাৰ পাছত চুৰাট জিলাত হোৱা এটা সমীক্ষাই প্ৰমাণ কৰে যে তেতিয়াও শতকৰা ৭২ ভাগ মানুহ স্বাভাৱিকভাৱে সুৰা সেৱন কৰি আছিল।[৬৩] গুৰুত্বপূৰ্ণভাৱে আবকাৰী সুৰাৰ প্ৰচলনৰ সময়ৰ পৰাই দক্ষিণ গুজৰাটৰ জনগণে বিভিন্ন সময়ত আবকাৰী আইন ভংগ কৰি প্ৰতিবাদ কৰা ঘটনা একেবাৰে তাকৰ নাছিল, কিন্তু নিষিদ্ধকৰণৰ পাছত এই ঘটনা তাৎপৰ্যপূৰ্ণভাৱে বৃদ্ধি পাবলৈ ধৰিলে। সহজ কথাত নিম্নবৰ্গৰ সমস্যাৰ প্ৰকৃত অনুধাৱন নকৰাকৈ ওপৰৰ পৰা জাপি দিয়া সংস্কাৰে অপৰাধমূলক প্ৰৱণতাৰ প্ৰসাৰ কৰাতহে বিশেষভাৱে অৰিহণা যোগাইছিল।[৬৪]

অসমৰ পৰিস্থিতিত বিষয়টো পৰ্যালোচনাৰ বাবে গৱেষণামূলক অনুসন্ধানৰ প্ৰয়োজন আছে বুলি আমাৰ ধাৰণা হয়। এতিয়ালৈকে আমাৰ হাতত পৰা চৰকাৰী নথি-পত্ৰসমূহত আবকাৰী সুৰাৰ বিৰুদ্ধে চাহ বনুৱাসকলৰ কোনো বিশেষ প্ৰতিক্ৰিয়া বা বিদ্ৰোহ আদিৰ কথা উল্লেখ নাই। ব্ৰাহ্ম প্ৰচাৰকসকলে দি যোৱা তথ্য-পাতিও বিশেষকৈ ঊনবিংশ শতিকাৰ লগতহে সম্পৰ্কিত। আনকি ঊনবিংশ শতিকাৰ শেষৰ ফাললৈ শ্ৰেণী হিচাপে আত্মপ্ৰকাশ কৰা অসমীয়া মধ্যবিত্তই কৃষকৰ সমস্যা, সংখ্যাগৰিষ্ঠ অসমীয়াৰ জীৱন জোকাৰি যোৱা কানি আদিৰ বিষয় লৈ জনমত গঠন কৰিছিল যদিও দেশী মদৰ বিষয়টোক বিশেষ গুৰুত্ব দিয়া নাছিল। সম্ভৱতঃ চাহ বনুৱাসকলক কিমান দূৰলৈ অসমীয়া জাতীয় জীৱনৰ লগত জড়িত কৰিব পাৰি এই বিষয় লৈ তেওঁলোকৰ দ্বিধাগ্ৰস্ততা আছিল।

অৱশ্যে চৰকাৰী নথি-পত্ৰৰ উৎসৰ পৰাও নিম্নবৰ্গৰ চিন্তা-চেতনাৰ বিষয়ে কিছু আভাস পাব পাৰি। বিশেষকৈ ১৯৩১-৩৬ চনমানৰ ভিতৰত আবকাৰী সুৰাৰ বিৰুদ্ধে পূৰ্ণ মাত্ৰাত প্ৰসাৰ ঘটা অবৈধ সুৰাৰ ব্যৱসায় তথা বনুৱাসকলৰ অপৰাধ প্ৰৱণতাই নিম্নবৰ্গৰ প্ৰতিবাদী চৰিত্ৰ এটাকে প্ৰতিনিধিত্ব কৰিছিল। অৱশ্যে অসমত সুৰাৰ প্ৰশ্নটো চাহ শিল্পৰ প্ৰসাৰৰ লগত জড়িত আছিল বাবে বনুৱাসকলৰ ওপৰত প্লেণ্টাৰসকলৰ দমন-শোষণ ভাৰতবৰ্ষৰ অন্যান্য আদিবাসী অঞ্চলসমূহতকৈ অধিক আছিল ফলত দক্ষিণ গুজৰাটৰ দৰে ইয়াত সামাজিক আন্দোলন এটা থিয় কৰোৱাৰ মুকলি পৰিৱেশো নাছিল। সামগ্ৰিকভাৱে অসমত সুৰা সম্পৰ্কীয় বিষয়টোত স্থানীয় মানুহৰ মতামত বা চিন্তাধাৰাৰ বিষয়ে জানিবলৈ আমাৰ হাতত পৰ্যাপ্ত সমল নাই। বৃটেইনৰ পৰা আমদানীকৃত চৰকাৰী

মদ নিবাৰণী আন্দোলনেহে ইয়াৰ ক্ষতিকাৰক দিশটো মাজে সময়ে পোহৰলৈ আনিছিল। আনকি কোনো ধৰণৰ মধ্যবিত্ত আন্দোলনৰ পৰিবৰ্তে চৰকাৰী মহলৰ ভিতৰতে সৃষ্টি হোৱা চাপ অনুসৰিহে ১৯৪৭ চনত অসম চৰকাৰে সুৰাৰ নিষিদ্ধকৰণৰ বিষয়টো পৰ্যালোচনাৰ বাবে এখন সমিতি গঠন কৰি দিয়ে।[৬৫]

প্ৰসংগক্ৰমে উনুকিয়াই থোৱা ভাল হ'ব যে সুৰাৰ প্ৰশ্নত নহ'লেও সামগ্ৰিকভাৱে সাম্ৰাজ্যবাদী শোষণৰ বিৰুদ্ধে উনবিংশ শতিকাৰ পৰাই চাহ কুলিসকলে কিন্তু বিদ্ৰোহাত্মক স্থিতি গ্ৰহণ কৰি আহিছিল। আনকি প্ৰগতিশীল চিন্তা-ধাৰায়ো তেওঁলোকক প্ৰভাৱান্বিত কৰিছে। বিশেষকৈ ১৯৩৭-৪০ চনৰ ভিতৰত অসমৰ দুয়োখন উপত্যকাৰ চাহ বাগিচাসমূহত পঞ্জীয়নভুক্ত বিভিন্ন শ্ৰমিক সংগঠনৰ নেতৃত্বত সংগঠিত হোৱা বনুৱা আন্দোলনসমূহৰ গুৰুত্ব সম্পৰ্কে প্ৰখ্যাত ঐতিহাসিক ড° অমলেন্দু গুহই লিখিছে— "The phase of labour struggles during the years 1937-40 was a turning point in Assam's history in more than one aspect. From the very beginging, these struggles, directed against British capital had a clear auti-imperialist character as well as a broad left nationalist orientation."[৬৬] কিন্তু বিভিন্ন দিশত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা এই আন্দোলনসমূহ তথা অন্যান্য কাৰ্যসূচীয়ে চাহ বনুৱাসকলৰ মানসিক উত্তৰণত কিমানদূৰ অৰিহণা যোগাইছিল? স্বাধীনতাৰ পাছতো ভোট বেংকত পৰিণত হোৱা ঘটনাই সম্প্ৰদায়টোৰ ওপৰত তথাকথিত মধ্যবিত্তীয় মূল্যবোধৰ প্ৰভাৱৰ অন্তঃসাৰশূন্যতাৰ দিশটোহে প্ৰতিপন্ন হয়। এনে পৰিস্থিতিত নিম্নবৰ্গৰ চাহ বনুৱাসকলৰ চিন্তা-চেতনাৰ ব্যাপ্তি, তেওঁলোকৰ সংস্কৃতিৰ ভিতৰুৱা ৰূপটো অধ্যয়ন কৰা অতি প্ৰয়োজনীয়। অন্ততঃ অসমীয়া জাতীয়তাবাদলৈ তীব্ৰ প্ৰত্যাহ্বান অহা জনগোষ্ঠীয় সমস্যা সমাধানৰ ক্ষেত্ৰতো এই ধৰণৰ দৃষ্টিভংগীৰ প্ৰাসংগিকতা আহি পৰে। চাহ বনুৱাসকলৰ চিন্তা-চেতনাৰ সক্ৰিয় দিশটো আমি সুৰাৰ প্ৰসংগৰ পৰাই আৰম্ভ কৰিব পাৰো। এই ক্ষেত্ৰত গতানুগতিক সমলৰ পৰিবৰ্তে আমি মৌখিক ইতিহাসৰ সমল অনুসন্ধানৰ ওপৰত অধিক গুৰুত্ব দিব লাগিব। প্ৰসংগক্ৰমে উনুকিয়াব পাৰি যে সকলো ধৰণৰ প্ৰতিকূল ব্যৱস্থাৰ বিৰুদ্ধে থিয় দি চাহ বনুৱাসকলে নিজস্ব ধৰণে এক বৰ্ণাঢ্য সংস্কৃতিৰ প্ৰতিনিধিত্ব কৰিছিল। তাৰেই প্ৰতিফলন ঘটিছিল তেওঁলোকৰ বাৰেৰহণীয়া কৃষ্টিৰ মাজত। এগৰাকী গৱেষকৰ মতে এনে সমন্বায়িক জীৱন সংগ্ৰামৰ ফচল সেউজী সংস্কৃতি। এই সংস্কৃতিৰ বুকুত সোমাই আছে গৃহভূমিৰ পৰা কঢ়িয়াই অনা পৰম্পৰা, পালিত ভূমিৰ সমাজৰ সৈতে সম্পৰ্কৰ ক্ৰমোন্নতিৰ ধাপে ধাপে অসমৰ সংস্কৃতি আৰু সামাজিক চৰ্চাৰ মতে সমাৰোহন ৰূপ।[৬৭] এনে ধৰণৰ বৈপ্লৱিক অন্তঃস্ৰোতাৰ ফচল আছিল ঝুমুৰ নৃত্য আৰু ইয়াৰ লগত সম্পৰ্কিত কৰম পূজা। "কৰম পূজাৰ লৌকিকতাখিনিৰ লগত মেডিকেল বিশ্বাস এটা সোমাই আছে।"[৬৮] অৰ্থাৎ উৎপাদনশীলতা আৰু নাৰীৰ বিশেষ প্ৰাধান্য থকা আচাৰ অনুষ্ঠানসমূহে 'দেৱী আন্দোলন'ৰ দৰে নিম্নবৰ্গৰ চাহ বনুৱাসকলক নৈতিকতাৰ

প্ৰশ্নত সুৰাৰ বিৰুদ্ধে বা অন্যান্য সামাজিক অবিচাৰৰ বিৰুদ্ধে সংগঠিত কৰাত শক্তি যোগাইছিল নেকি তাক ঐতিহাসিক দৃষ্টিৰে চালিজাৰি চোৱাৰ প্ৰয়োজন আছে। আমি অৱশ্যে সম্ভাৱনীয়তাৰ এটা দিশৰ কথাহে কৈছো। বাকীখিনি নিৰ্ভৰ কৰিব উত্তৰ-পূব অঞ্চলৰ জনগোষ্ঠীসমূহৰ ওপৰত হোৱা কষ্টসাধ্য গৱেষণামূলক অধ্যয়নৰ ওপৰত। ক্ষমতাৰ লগত সম্পৰ্কহীন এচাম লোকৰ সাংস্কৃতিক বিবৰ্তন, অসংলগ্ন ৰাজনৈতিক চেতনা আদিৰ দৰে বিষয়বোৰ ইতিহাসত আৰু উপেক্ষিত হৈ থাকিব নোৱাৰে। বৰঞ্চ সমন্বয়ৰ 'মডেল' এটা ঠিক কৰোঁতাৰ সময়ত ইয়াৰ প্ৰাসংগিকতা আহি পৰে।

আবকাৰী খাজনা ঃ

শেষত, অসমত আবকাৰী বিভাগৰ দেশী সুৰাৰ পৰা সংগৃহীত খাজনাৰ বিষয়ে উল্লেখ কৰি আলোচনা সামৰিম। তথ্যপাতি চালি জাৰি চালে দেখা যাব যে সাধাৰণভাৱে জীয়াই থকা মানুহখিনিৰ বিশেষকৈ চাহ বনুৱাসকলৰ সামান্য আয়ৰ এটা বৃহৎ অংশ সাম্ৰাজ্যবাদী চৰকাৰে উলিয়াই লৈ গৈ নিজৰ ৰাজভঁৰাল টনকিয়াল কৰিছিল। চৰকাৰী খাজনাৰ মূল উৎস আছিল সুৰাৰ সৰবৰাহৰ ওপৰত ধাৰ্য কৰা 'ডিউটী' বা বিক্ৰী কৰ।[৬৯] ১৯১২ চনৰ পৰা দেশী সুৰাৰ সৰবৰাহ বৃদ্ধিৰ লগে লগে আবকাৰী বিভাগে বিক্ৰী কৰো সময়ে সময়ে বঢ়াই যাবলৈ ধৰিলে। অৱশ্যে প্ৰথম ভাগত অৰ্থাৎ ১৯১২ চনৰ পৰা ১৯২৫-২৬ চনমানৰ ভিতৰত উক্ত বিক্ৰী কৰ প্ৰতি গেলনৰ বিপৰীতে ৩ টকাৰ পৰা ৫ টকালৈ বৃদ্ধি পায়। পাছৰ কেইবছৰমানলৈও উক্ত কৰ প্ৰায় একে আছিল।[৭০] কিন্তু ১৯৪৩ চনৰ পৰা ১৯৪৫ চনৰ ভিতৰত উক্ত কৰ ৫ টকাৰ পৰা অভাৱনীয়ভাৱে ২২ টকালৈ বৃদ্ধি হয়। আনকি বিশ্বজোৰা অৰ্থনৈতিক সংকটৰ সময়ত চাহ বনুৱাসকলৰ চৰম আৰ্থিক দুৰ্দশাৰ সময়তো মুনাফালোভী চৰকাৰে খাজনা ৫ টকাৰ পৰা সামান্য ৪ টকা ৬ অনালৈহে কমাইছিল।[৭১] সাধাৰণভাৱে সুৰাৰ উৎপাদন মূল্যৰ তাৰতম্য, সৰবৰাহৰ পৰিমাণ, অবৈধ ব্যৱসায় আৰু বিশেষকৈ অধিক খাজনা সংগ্ৰহৰ অভিপ্ৰায় আদি কিছু কাৰকে কৰ নিৰ্ধাৰণ নীতিত প্ৰভাৱ পেলাইছিল।

এনেকুৱা ব্যৱস্থাৰ মাজেৰে স্বাভাৱিকতে আবকাৰী বিভাগে ঔপনিবেশিক আঁচনিৰ অন্তৰ্ভুক্ত চাহ অধ্যুষিত অঞ্চলসমূহৰ পৰা যথেষ্ট টকা অৰ্জন কৰিছিল। ১৯১২-১৩ চনত বিভাগত সুৰাৰ পৰা সংগৃহীত মুঠ আয় আছিল ১৪,০৭,৩৫৬ টকা।[৭২] মন কৰিবলগীয়া যে উক্ত সংগ্ৰহ ১৮৮১ পৰা ১৮৯০ চনৰ ভিতৰত গড়ে ২ লাখ আৰু তাৰ পাছৰ দশকটোত গড়ে প্ৰায় ৪ লাখ টকাৰ বিপৰীতে আছিল যি সময়ত ঔপনিবেশিক সুৰা যোগানৰ ব্যৱস্থাৰ প্ৰসাৰ ঘটা নাছিল।[৭৩] পৰ্যায়ক্ৰমে সংগ্ৰহ বাঢ়ি গৈ ১৯২০-২১ চনত ২১,৬৬,৯৭৮ টকা[৭৪] আৰু ১৯২৯-৩০ চনত ২৪,৩০,০০৪ টকা হয়গৈ।[৭৫]

আর্থিক সংকটৰ কালছোৱাত খৰচেই কমি যোৱাত সৰ্বনিম্ন সংগ্ৰহ ১৯৩৩-৩৪ চনত ১২,১৩,৭৭৪ টকা হৈছিল।[৭৬] কিন্তু কাৰ্যক্ষমভাৱে অবৈধ সুৰাৰ ব্যৱসায়ক নিয়ন্ত্ৰণ কৰা আবকাৰী বিভাগে ১৯৩৮-৩৯ চনত ১৮,৭২,১৬১ টকা সুৰাৰ পৰা সংগ্ৰহ কৰিবলৈ সক্ষম হয়।[৭৭] সামগ্ৰিকভাৱে দুই-চাৰিটা বছৰ বাদ দি ১৯১২-৪৭ সময়ছোৱাত দেশী সুৰাৰ সৰবৰাহ আৰু খাজনা দুয়োটাৰে উৰ্ধ্বমুখী ধাৰা অব্যাহত আছিল। সমগ্ৰ বৃটিছ শাসন কালছোৱাৰ ভিতৰতে সৰ্বোচ্চ আয় আছিল ১৯৪৬-৪৭ চনত সংগৃহীত ৪২,০৯,১৮০ টকা।[৭৮]

প্ৰসংগ টোকা ঃ

১। David Hardiman, 'From Custom to Crime : The Politics of Drinking in Colonial South Gujrat', Ranjit Guha edited : Subaltern Studies iv, OXFORD, 1985 p.165.

২। ঐ, পৃষ্ঠা ১৬৬

৩। গৌতম ভদ্ৰ, পাৰ্থ চট্টোপাধ্যায় (সম্পাদিত) ঃ নিম্নবর্গের ইতিহাস, কলিকতা ১৯৯৮, পৃষ্ঠা-৮৯-৯৫।

৪। Dr. Amalendu Guha : Planter-Rai to Swaraj, New Delhi 1988, p-18.

৫। কানাইলাল চট্টোপাধ্যায় (সম্পাদিত) ঃ আচামে চা কুলি আন্দোলন ও রামকুমার বিদ্যারত্ন, কলিকতা ১৯৮৯, পৃষ্ঠা ১৪৩-১৪৪।

৬। Provincial Gazetteer of Assam, 1906, Reprint New Delhi 1983, p-82.

৭। Assam Congress Opiun Enquiry Report, Jorhar, september 1925, p-145.

৮। David Hardiman ঃ উল্লিখিত প্ৰবন্ধ, Subaltern Studies V, 1985 পৃষ্ঠা-১৬৬।

৯। ঐ, পৃষ্ঠা-১৬৬-১৬৭।

১০। বদৰুদ্দিন উমর ঃ প্ৰসংগ ঃ রাচিয়া ও পূর্ব ইউরোপ, কলিকতা-১৯৯০, পৃষ্ঠা ৭৬ ৭৭।

১১। David Hardiman : উল্লিখিত প্ৰবন্ধ, Subaltern Studies iv, 1985, p-167.

১২। ঐ

১৩। Provincial Gazetteer of Assam, 1906, Reprint New Delhi, 1983, p-81-83.

১৪। RAA : 1998-19, p-24.

১৫। RAEBA : 1905-06, p-168.

১৬। RAEBA : 1908-09, p-4

১৭। RAEDA : 1912-13, p-3

১৮। RAEDA : 1930-31, p-21.

১৯। ASP : FD, Sep Rev. A, 1916, nos 1-4, Botham to the Commissioner, No 3898 F, dated Shillong the 2nd July 1915.

২০। ASP : FD, SEP Rev. A, February 1917, Nos 1-60; Memorandum No 7435; dated Shillong the 30 January 1917.

২১। RAEDA 1934-35, p-6

২২। RAEDA 1939-40, p-5

২৩। RAEDA 1912-13, Appendix G (Provincial)

২৪। RAEDA 1912-13, Appendix D (Provincial)

২৫। RAEDA 1939-40, Appendix D (Provincial)

২৬। RAEDA 1912-13, Appendix D (Provincial)

২৭। RAEDA 1924-25, Appendix D (Provincial)

২৮। ASP : Sep Rev. A, March 1915, Now 59-93, p-18

২৯। RAEDA : 1920-21, Imperial Return No V

৩০। RAEDA : 1930-31, Imperial Return No V

৩১। RAEDA : 1941-42, Imperial Return No V

৩২। RAEDA : 1912-13, p-3

৩৩। RAEDA : 1912-13, Imperial Return No V

৩৪। RAEDA : 1930-31, Imperial Return No V

৩৫। RAEDA : 1912-13, Appendix G (Provincial)

৩৬। RAEDA 1930-31, Appendix G (Provincial)

৩৭। RAEDA . 1939-40, Appendix G (Provincial)

৩৮। RAEDA 1930-31, p-1.

৩৯। RAEDA 19(30-31, 33-34, 34-35) Imperial Return No V

৪০। RAEDA 1934-35, p-5

৪১। RAEDA 1930-31, pp 4-5

৪২। RAEDA 1930-31, p-5

৪৩। RAEDA 1934-35, p-4

৪৪। RAEDA 1934-35, p-5

৪৫। ASP . Sep Rev A, Oct 1913, Prog No 3 statement submitted by Robert, dated 18th July 1912, Attached to Revenue No 85, India Office, Londan 6th September.

৪৬। ASP : Sep, Rev A, November 1916, No 1-20; From Botham to the Commissioner of Excise, No 3816 F, dated Shillong the 14th June 1916.

৪৭। ASP : Sep Rev A, FD November 1916. Nos 1-20, p-2.

৪৮। ঐ, Memorandum on excise committee.

৪৯। RAEDA : 1930-31, Statement made by FAS Thomas, then Commissioner of Excise p-3.

৫০। ASP : Sep Rev A, October 1913, prog No-3; Crew to the Governor General, India Office London, dated 6th septermber 1912.

৫১। David Hardiman : উল্লিখিত প্রবন্ধ, Subaltern Studies iv, OXFORD 1985, পৃষ্ঠা-১৬৭।

৫২। ঐ

৫৩। ASP : GSD, Sep Rev. A, June 1924, Nos 1-37 : Reid in the Council, prog No 36, p-17.

৫৪। David Hardman : উল্লিখিত প্রবন্ধ, Subaltern Studies iv, OXFORD, 1985, p-167.

৫৫। Ranjit Guha edited : Subaltern Studies 1, OXFORD 1982 p-3

৫৬। David Hardman : উল্লিখিত প্রবন্ধ, Subaltern Studies IV, OXFORD, 1985, পৃষ্ঠা-১৯০।

৫৭। ঐ পৃষ্ঠা ২১৩-২১৪।

৫৮। পার্থ চট্টোপাধ্যায় সম্পাদিত : নিম্নবর্গের ইতিহাস, কলিকতা১৯৯৮, পৃষ্ঠা ৯৯ ১১৫।

৫৯। David Hardman : উল্লিখিত প্রবন্ধ, Subaltern Studies IV, OXFORD, 1985, পৃষ্ঠা-২২০।

৬০। ঐ পৃষ্ঠা ২১৭-২১৯।

৬১। ঐ পৃষ্ঠা ২২১।

৬২। ঐ পৃষ্ঠা ২২২।

৬৩। ঐ পৃষ্ঠা ২২১।

৬৪। ঐ পৃষ্ঠা ২২৫-২২৬।

৬৫। RAEDA : 1947-48, p-4

৬৬। Dr. Amalendu Guha : Planter Raj to Swaraj, New Delhi 1998, p-244.

৬৭। ড॰ নবীন শর্মা : সাংস্কৃতিক সংবীক্ষন, গুৱাহাটী ১৯৯৭, পৃষ্ঠা-৩৯।

৬৮। ঐ, পৃষ্ঠা-৪১।

৬৯। ASP : GSD, sep Rev A, Dec 1926, No. 40-45, p-12

৭০। RAEDA : 1941-45 (Combined) pp 1-2

৭১। RAEDA : 1934-35, p-2

৭২। RAEDA : 1912-13, Imperial Return No-1

৭৩। Provincial Gazetteer of Assam, 1906, Reprint New Delhi 1983, p-82.
৭৪। RAEDA : 1920-21, Imperial Return No-1
৭৫। RAEDA : 1929-30, Imperial Return No-1
৭৬। RAEDA : 1933-34, Imperial Return No-1
৭৭। RAEDA : 1939-40, Imperial Return No-1
৭৮। RAEDA : 1946-47, Imperial Return No-1

ABBREVIATION :

ASP : Assam Secretariat Proceeding.
FD : Financial Development.
GSD : General and Judicial Development.
MD : Municipal Department.
RAA : Report on the Administration of Assam.
RAEBA : Report on the Administration of Eastern Bengal and Assam
RAEDA : Report on the Administration of Excise Department of Assam.

সাম্প্রদায়িকতাবাদ ঃ দুটা মৌলিক প্ৰশ্ন

সাম্প্ৰতিক কালত সাম্প্ৰদায়িকতাবাদ বা সাম্প্ৰদায়িক সংকট, সংঘৰ্ষ আদিক ভাৰতীয় সমাজৰ মূল সমস্যা বুলি দাঙি ধৰাৰ এক প্ৰবণতা দেখা যায়। অন্ততঃ এনেকুৱা এটা ধাৰণাৰ ওপৰত ভিত্তি কৰিয়েই ক্ষমতা বিন্যাসৰ এখন ক্ষেত্ৰ তৈয়াৰ হৈছে, য'ত প্ৰগতিশীলসকলৰো এটা বৃহৎ অংশই সচেতন বা অচেতনভাৱে ভাৰতীয় জাতীয় কংগ্ৰেছৰ শিবিৰত নিজকে অন্তৰ্ভুক্ত কৰিছে। সামগ্ৰিকভাৱে ভাৰতীয় জনতা পাৰ্টীক সমকালীন সাম্প্ৰদায়িক সমস্যাৰ মূল উৎস বুলি ধৰি লৈ ইয়াৰ কাৰ্যাৱলীৰ বিৰুদ্ধে আক্ৰমণাত্মক স্থিতি গ্ৰহণ কৰি পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা চলোৱা হৈছে। কিন্তু এটা কথা মনত ৰাখিব লাগিব— ভাৰতীয় সংবিধানৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত কংগ্ৰেছ যি অৰ্থত এক গণতান্ত্ৰিক দল, একে অৰ্থত ভাৰতীয় জনতা পাৰ্টীও এটা গণতান্ত্ৰিক দল। আনহে নালাগে যোৱা লোকসভাৰ নিৰ্বাচনৰ আগতে প্ৰকাশ হোৱা নিৰ্বাচনী ইস্তাহাৰতে উক্ত সংগঠনটোৰ এই ভাবমূৰ্তি প্ৰকাশ পাইছে। অৱশ্যে, মোৰ এই মন্তব্যৰ বিৰুদ্ধে গুজৰাট বা বাবৰি মছজিদ আদিৰ বিষয়ে লৈ যে একাংশ গুজৰি উঠিব তাত সন্দেহ নাই। অৱশ্যে তেখেতসকলক বিনম্ৰভাৱে এষাৰ কথা কওঁ— মই তথাকথিত ক্ষমতাকেন্দ্ৰিক কোনো ৰাজনৈতিক দলৰে সমৰ্থক নহওঁ, তথা নীতিৰ প্ৰশ্নত কাৰো প্ৰতি মোৰ আস্থা নাই। কিন্তু শুনি বৰ ভাল নালাগিলেও ক'ব লাগিব— ভাৰতীয় জনতা পাৰ্টীৰ লগতে যুক্ত এগৰাকী পণ্ডিত ব্যক্তি তথাগত ৰায়ে (নিৰ্বাচিত প্ৰবন্ধ সংগ্ৰহ, বিবেকানন্দ সাহিত্য কেন্দ্ৰ, বল-৭৩) বিস্তৃত তথ্যপাতিৰ সৈতে অভিযোগ তুলিছে যে কংগ্ৰেছ আৰু চি পি এম দলে সাম্প্ৰদায়িকতা কৰে চোৰাং পথেৰে। এওঁলোকে সংখ্যালঘু জনগোষ্ঠীৰ মাজত আধুনিক শিক্ষাৰ বিস্তাৰ কৰি তেওঁলোকৰ অপৰিসীম দৰিদ্ৰতাৰ অৱসান ঘটাবলৈ চেষ্টা কৰা নাই। তেওঁলোকে সংখ্যাগুৰু-সংখ্যালঘু বিভাজন হ্ৰাস হোৱাটো নিবিচাৰে। আচলতে আধুনিক ৰাজনীতিত কাৰো অৱস্থান ধৰ্মনিৰপেক্ষ নহয়। অধ্যাপক বিপান চন্দ্ৰৰ মতেও ভাৰতবৰ্ষত গণতান্ত্ৰিক ৰাজনীতি থকালৈকে সাম্প্ৰদায়িকতাও থাকিব। এই পৰিস্থিতিত, কেৱল ক্ষমতা সম্পৰ্কীয় তত্ত্বৰ মাজতে আবদ্ধ নাথাকি বৌদ্ধিক সমাজে সাম্প্ৰদায়িকতা সন্দৰ্ভত ইতিহাসে দিয়া ধাৰণাসমূহৰ কেতবোৰ মৌলিক বৈশিষ্ট্য নতুন ৰূপত উত্থাপন কৰাৰ প্ৰয়োজন আছে বুলি আমি অনুভৱ কৰিছো।

প্ৰথম বিষয়টো হ'ল সম্প্ৰদায়সমূহৰ অস্তিত্ব তথা সুকীয়া পৰিচয় সম্পৰ্কীয়। নিঃসন্দেহে হিন্দু-মুছলমানৰ মাজৰ আদান-প্ৰদানক কেন্দ্ৰ কৰিয়েই বিষয়টো বিস্তৃত হৈ

আছে। কিছু সবলীকৃত ৰূপত সম্প্ৰদায় বুলিলে এনে এক জনসমষ্টিক বুজোৱা হয়, যিসকলে জাতি, বৰ্ণ, অঞ্চল, ভাষা, জীৱিকা বা ধৰ্মৰ ভিত্তিত পৰস্পৰৰ মাজত ঐক্য অনুভৱ কৰে। সম্প্ৰদায়সমূহ অৱশ্যে একৰৈখিক হ'ব নোৱাৰে অৰ্থাৎ সম্প্ৰদায়সমূহৰ মাজতো বিভিন্ন দিশ লৈ বিভাজন থকাটো স্বাভাৱিক, কিন্তু সাধাৰণতে কোনো এক বিশেষ স্বাৰ্থৰক্ষাৰ বাবে সংগঠিত হোৱা দেখা যায় আৰু ভাৰতবৰ্ষত এই ক্ষেত্ৰত ধৰ্মই বিশেষ সক্ৰিয় ৰূপত ভূমিকা পালন কৰে। সম্ভৱতঃ বৃটিছৰ বিভাজন নীতি বা ওপৰ তলাৰ ৰাজনীতি মুখ্য নহয়, ঔপনিবেশিক ভাৰতবৰ্ষত পুঁজিবাদৰ প্ৰসাৰ আৰু জাতীয়তাৰ বিকাশে পূৰ্ণতা নোপোৱাৰ বাবেই সাম্প্ৰদায়িক অস্তিত্ব আৰু সাম্প্ৰদায়িক মনোভাৱে ভাৰতীয় সমাজৰ অভ্যন্তৰত প্ৰতিক্ৰিয়াশীল আৰু প্ৰগতিশীল দুয়োবিধ উপাদানেৰে সক্ৰিয় হৈ আছে। কেমব্ৰীজ আৰু ছাব অলটাৰ্ণ— এই দুই গোষ্ঠীৰ ঐতিহাসিকসকলে ভিন্ন দৃষ্টিকোণেৰে প্ৰাক স্বাধীনতাকালীন ভাৰতবৰ্ষত জাতীয়তাবাদী ভাবাদৰ্শৰ ঐক্য-সংহতিৰ প্ৰশ্নটো নাকচ কৰিছে। ছাব অলটাৰ্ণ ঐতিহাসিকসকলৰ মতে নিম্নবৰ্গৰ জনগণৰ চিন্তা-চৰ্চাৰ এখন সুকীয়া তথা স্বতন্ত্ৰ ক্ষেত্ৰ আছিল, যাৰ মাজেৰে হিন্দু আৰু মুছলমানসকলেও ধৰ্মভিত্তিক সুকীয়া পৰিচয় ধৰি ৰাখিছিল। জ্ঞানেন্দ্ৰ পাণ্ডে, পাৰ্থ চট্টোপাধ্যায়, দীপেশ চক্ৰৱৰ্তী আদিয়ে সাম্প্ৰদায়িকতাৰ প্ৰশ্নত নিম্নবৰ্গৰ সাম্প্ৰদায়িক চেতনাৰ দিশটোৰ ওপৰত গুৰুত্ব দিছে। অৱশ্যে, পৰম্পৰাগত ইতিহাসবিদসকলতকৈ এওঁলোকৰ দৃষ্টিভংগী বেলেগ। সাধাৰণতে গভীৰ ধৰ্মীয় মনোভাৱে সাম্প্ৰদায়িক অশান্তিৰ বাট মুকলি কৰে— এনেকুৱা তত্ত্ব চাবঅল্টাৰ্ণিষ্টসকলে মানি নলয়। তেওঁলোকৰ মতে ধৰ্মীয় বিশ্বাস আৰু সাম্প্ৰদায়িকতাবাদ— দুয়োটা সমাৰ্থক নহয়। তথাকথিত পণ্ডিতসকলে ইমান দিনে যি শিক্ষা দি আহিছে, সেয়া হৈছে সাম্প্ৰদায়িকতা হ'ল দুই ধৰ্মীয় গোষ্ঠী, বিশেষকৈ হিন্দু আৰু মুছলমানৰ মাজৰ সন্দেহ, ভীতি আৰু অবিশ্বাসৰ সম্পৰ্ক আৰু এই পৰিস্থিতিৰ উদ্ভৱ হৈছে বিশেষকৈ বৃটিছ যুগত দুই পক্ষৰে ভিন্ন ধৰণৰ ৰাজনৈতিক অধিকাৰৰ দাবীক কেন্দ্ৰ কৰি। বেছিভাগ ক্ষেত্ৰতে সাম্প্ৰদায়িকতাক ওপৰ তলাৰ ৰাজনীতিৰ লগত যুক্ত কৰি চোৱা হয়, নতুবা শ্ৰেণী বা গোষ্ঠীগত সংঘৰ্ষসমূহৰ চৰিত্ৰ মূল্যায়নৰ ..... হয়। কিন্তু সাম্প্ৰদায়িক হিন্দু-মুছলমান জনগণৰ সম্পৰ্কৰ বুজ লোৱাৰ বাবে এনে চিন্তাধাৰাৰ পৰিসৰ সীমিত। নিম্নবৰ্গৰ ঐতিহাসিকসকলে উচ্চবৰ্গৰ দ্বাৰা প্ৰভাৱান্বিত চহৰৰ ৰাজনীতিৰ পৰা দূৰৰ গ্ৰাম্য অঞ্চলত বিভিন্ন সামাজিক গোষ্ঠীৰ মাজৰ স্বাৰ্থ তথা বৰ্ণ আৰু শ্ৰেণীৰ মাজত হোৱা নানা বিষয়ৰ অৰ্ন্তদ্বন্দ্বই কেনেকৈ সাম্প্ৰদায়িক ৰূপ লয় তাক দেখুৱাইছে। এনেকৈয়ে ধৰ্মৰ ভিত্তিত সংঘটিত হ'লে ধৰ্মীয় সাম্প্ৰদায়িকতাৰ উন্মাদনা বাঢ়ে। বিভিন্ন ধৰণৰ আৰ্থ-সামাজিক কাৰণ তথা সময়ে সময়ে ওপৰ তলাৰ ৰাজনীতিৰ লগত যুক্ত হ'লেও এই বিৰোধসমূহ কিন্তু সদায়েই সাম্প্ৰদায়িকতাবাদৰ বহিঃপ্ৰকাশ বুলি ধৰি লোৱা ঠিক নহ'ব। আকৌ এনে ধৰণেৰে ভবাটো যুক্তিসংগত নহ'ব যে সাম্প্ৰদায়িকতাৰ নিজা ভাষা নাই বা ওপৰ তলাৰ ৰাজনীতিয়ে ইয়াক পৰিচালিত কৰি আছে বা দুই বিপৰীত

ধৰ্মাৱলম্বীৰ মাজত পৰ্যায়ক্ৰমে সন্দেহ-অবিশ্বাস বৃদ্ধি হৈ থাকে। হিন্দু আৰু মুছলমান— দুই পৃথক ধৰ্মক কেন্দ্ৰ কৰি এই দুই সম্প্ৰদায়ৰ মাজত পৃথক অস্তিত্ব যেনেকৈ ঔপনিৱেশিক আমোলত আছিল— আজিও আছে, আনকি দ্বিজাতি তত্ত্বৰ ভিত্তি প্ৰসাৰতো সাধাৰণ জনগণৰ সক্ৰিয় সহযোগ আছিল। কিন্তু তেওঁলোকৰ মাজৰ অবিশ্বাস, সন্দেহ তথা ভুল বুজাবুজিবোৰ হ'ল সাময়িক। কোনো বিশেষ পৰিস্থিতিত সমস্যাৰ উদ্ভৱ হ'লেও পৰ্যায়ক্ৰমে সি শাম কাটি যায়। এনে পৰিস্থিতিত আমি সাম্প্ৰদায়িকতাৰ প্ৰকৃত স্বৰূপ উপলব্ধিৰ বাবে ভিন্ন পৰিস্থিতিত দুই ধৰ্মাৱলম্বী মানুহৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া তথা সাম্প্ৰতিক কালত ভোটাৰ হিচাপে তেওঁলোৰ মানসিকতা কেনেকুৱা আদি বিষয়বোৰক অধিক গুৰুত্ব দিয়াটো প্ৰয়োজন। পাহৰি গ'লে নচলিব— এজন ব্যক্তি ক্ষমতাৰ ৰাজনীতিৰ উপৰি অন্যান্য সামাজিক কাৰকেও নিজৰ জাত-পাত-ধৰ্ম আদিৰ প্ৰতি প্ৰবল আসক্তি অনুভৱ কৰাত ইন্ধন যোগাব পাৰে। বিশেষ অৱস্থাত সময়ে সময়ে দুটা সম্প্ৰদায়ৰ মাজত পৰস্পৰ সম্প্ৰদায়ৰ বহিৰ্ভূত মানুহৰ প্ৰতি এক অসহিষ্ণুতাৰ ভাব বৃদ্ধি হোৱাটো স্বাভাৱিক। কিন্তু ঔপনিৱেশিক যুগৰ অভিধা 'সাম্প্ৰদায়িক চেতনা' ইয়াৰ বহিঃপ্ৰকাশ নহ'বও পাৰে। অৰ্থাৎ এটা সম্প্ৰদায়ে আনটো সম্প্ৰদায়ৰ মানুহক সম্পূৰ্ণ নিঃশেষ কৰি পেলোৱাৰ মনোভাব নাৰাখিব পাৰে। সেয়েহে আমি 'সাম্প্ৰদায়িকতাবাদ', 'সাম্প্ৰদায়িক চেতনা' আদিৰ দৰে শব্দবোৰ অধিক প্ৰয়োগ নকৰি সামাজিক পৰিৱেশৰ গণতান্ত্ৰিককৰণৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ প্ৰয়োজন। আচলতে আমি বৈচিত্ৰ্যৰ মাজৰ ঐক্যৰ কথা কৈহে থাকো, কিন্তু তাক কেনেকৈ আহৰণ কৰিব লাগে তাৰ অনুশীলন আমাৰ নাই। ৰাজনীতি বাদ দি অৱশ্যে কথাবোৰ আলোচনা কৰিলে নহ'ব, কিন্তু এক বিশেষ সামাজিক মনস্তত্ত্বৰ ওপৰত যে ৰাজনৈতিক ভাৰসাম্য ৰক্ষা কৰি চলা হয়— তাকো মনত ৰাখিব লাগিব।

দ্বিতীয় প্ৰসংগটো হ'ল, হিন্দুত্ব সম্পৰ্কীয় তথা ইতিহাসত গঢ়ি উঠা তাৰ ধাৰণা। বৰ্তমান ভাৰতৰ ৰাজনীতিত 'হিন্দুত্ব' আৰু 'হিন্দু ঐতিহ্য' ভিত্তিক ব্যাখ্যাই যথেষ্ট পানী ঘোলা কৰিছে বাবে বিষয়টো টানি অনা হ'ল। এচাম প্ৰগতিশীল বুদ্ধিজীৱী তথা সামাজিক-ৰাজনৈতিক সংগঠনে সাম্প্ৰদায়িকতাৰ ক্ষমতাৰ ৰাজনীতি বহিৰ্ভূত সামাজিক ক্ষেত্ৰখন বিচৰণ নকৰাকৈ 'হিন্দুত্ব'ক সাম্প্ৰদায়িকতাবাদৰ সমাৰ্থক হিচাপে ব্যৱহাৰ কৰিছে। ফলত দেখা দিছে জনগণৰ মাজত বিভ্ৰান্তি, নিম্নবৰ্গৰ হিন্দু জনগণে ধৰিব পৰা নাই— 'হিন্দুত্ব'ৰ লগত তেওঁলোকৰ বিৰোধ ক'ত? 'হিন্দুত্ব'ক যেতিয়া ৰাজনৈতিক কাৰণত ব্যৱহাৰ কৰা হয়, তেতিয়া ই সুকীয়া কথা, কিন্তু 'হিন্দুত্ব' ভিত্তিক সাংস্কৃতিক জাতীয়তাবাদৰ পৰিধিৰ পৰা হিন্দু জনগণক উলিয়াই আনিব পৰা যাব নেকি, তাক তথাকথিত যুক্তি নিৰ্ভৰ আলোচনাৰ সীমা অতিক্ৰম কৰি বিচাৰ কৰিব লাগিব। পাহৰি গ'লে নচলিব যে 'হিন্দুত্ব' ধাৰণাৰ লগত ভাৰতীয় জনগণৰ প্ৰায় বহু হাজাৰ বছৰীয়া সভ্যতা-ঐতিহ্য জড়িত হৈ আছে, লগতে যুক্ত হৈছে উক্ত ধাৰণাৰ উদ্ভৱ আৰু বিকাশৰ এক নিম্নবৰ্গীয় প্ৰেক্ষাপট। ভাৰতলৈ ইছলামৰ আগমনৰ পাছত পৰ্যায়ক্ৰমে ভাৰতীয় হিন্দুসকলে প্ৰাচীন

ভাৰতীয় ধৰ্ম, সভ্যতা, দৰ্শনৰ সাংস্কৃতিক ৰক্ষা কবচ 'হিন্দুত্ব' নিজেই পিন্ধি লৈছিল। প্ৰায় ২৫০০ বছৰীয়া ভাৰতীয় ঐতিহ্যই যি নতুন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল— তাৰ বাস্তৱ ভিত্তি সম্পৰ্কে আবিদ হুছেইনে লিখিছে, 'গুৰ্জৰ আৰু হুনসকলৰ বিষয়ে হিন্দুসকলৰ মনত যি ভাবৰ সৃষ্টি কৰিছিল দিল্লীৰ চুলতানী ৰাজত্বৰ প্ৰতিষ্ঠায়ো একে ভাবৰ সৃষ্টি কৰিলে। শাৰীৰিকভাৱে তেওঁলোকে বিজয়ীৰ ওচৰত নিজকে আত্মসমৰ্পণ কৰিলে, কিন্তু জাতিগত আৰু ধৰ্মীয় আত্মনিৰ্ভৰশীলতা আৰু আন্তৰিক দূৰৱৰ্তিতাৰ মাজত তেওঁলোকৰ আত্মা এনেদৰে ভিতৰ সোমাই পৰিল যে তেওঁলোক আৰু মুছলমানসকলৰ মাজত কোনো অন্তৰ্বিনিময়ৰ সম্ভাৱনা নাথাকিল।

অৱশ্যে, একেজন লেখকে চুফী মতাদৰ্শ আৰু ভক্তি আন্দোলনৰ পৰিবেশে পৰৱৰ্তী কালত দুয়োটা সম্প্ৰদায়ৰ মাজত ধৰ্মীয় সহনশীলতা আৰু সমন্বয়ৰ ভাবধাৰা বিকাশৰ ক্ষেত্ৰত যি সফল হোৱাৰ কথা লিখিছে তাক আমিও মনে-প্ৰাণে সমৰ্থন কৰো। আচলতে হিন্দু আৰু মুছলমান দুয়োটা সম্প্ৰদায়ৰ মাজৰ সমন্বয় আৰু বিৰোধৰ দীঘলীয়া ইতিহাস আছে, কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে 'হিন্দুত্ব' এটা আৱৰ্জনীয়া কথা আৰু ইয়াৰ অস্তিত্ব অপ্ৰাসংগিক। অথচ জনগণৰ ঐতিহ্যভিত্তিক চিন্তা-চেতনাৰ যেতিয়া প্ৰতিফলন ঘটিল উনবিংশ শতিকাৰ নৱজাগৰণৰ সূচনাপৰ্বত, তাক 'হিন্দুত্ব' ভিত্তিক সাম্প্ৰদায়িকতাবাদ বুলি এক যান্ত্ৰিক ব্যাখ্যা আগবঢ়াবলৈ আৰম্ভ কৰিলে এচাম ঐতিহাসিক, আলোচক-সমালোচকে। শুভঙ্কৰ মুখোপাধ্যায়ে শেহতীয়া এখন গৱেষণামূলক গ্ৰন্থত দেখুৱাইছে যে ভাৰতীয় নৱজাগৰণৰ পুৰোধা ব্যক্তি ৰামমোহন ৰায়ে হিন্দু-অতীত তথা 'হিন্দুত্ব'ভিত্তিক সাম্প্ৰদায়িক ইতিহাস চৰ্চাৰ পাতনি মেলে। বঙ্কিম চন্দ্ৰ বা পৰৱৰ্তী কালত বিবেকানন্দও ইয়াৰ পৰা মুক্ত নাছিল। আচলতে উনবিংশ শতিকাৰ পটভূমিত তেওঁলোকৰ মুছলমানসকলৰ প্ৰতি দৃষ্টিভংগী ভালেই থাকিব লাগিব বুলি আমি জানো দাবী কৰিব পাৰো? অথচ তেওঁলোকে এতিয়া মহাপাপ আৰ্জিব লগা হৈছে তেওঁলোকৰ ঐতিহ্য চৰ্চাক কেন্দ্ৰ কৰি। যি কি নহওক এওঁলোকৰ চিন্তাধাৰাৰ প্ৰভাৱ পৰৱৰ্তী জাতীয়তাবাদী ঐতিহাসিকসকলৰ ওপৰতো পৰিছে। সামগ্ৰিকভাৱে ১৯২০ চনমানৰ পৰা জাতীয়তাবাদী লিখকসকলে নিজস্ব ৰাজনৈতিক দৃষ্টিকোণেৰে হিন্দু আৰু মুছলমান— দুটা ভিন্ন সংস্কৃতিৰ তত্ত্ব অৱচেতনভাৱে মানি লৈয়ে তেওঁলোকৰ বৌদ্ধিক চৰ্চা আগবঢ়াই নিয়া পৰিলক্ষিত হয়। কিন্তু পৰ্যায়ক্ৰমে হিন্দু প্ৰাচীন যুগ আৰু মুছলমান মধ্য যুগৰ মাজৰ সীমাৰেখা স্পষ্ট হৈ পৰাত ইতিহাস চৰ্চা সাম্প্ৰদায়িক হৈ পৰা বুলি ৰমিলা থাপাৰে দাবী কৰে। "The distinction was emphasised by the rather arbitrary association of the most acceptable achievements of the Indian past with Hindu culture. Not suprisingly, nationalism was replaced by a form of militant Hinduism, and the communalism in Indian politics in the late 1930s and 1940s tended to vitiate the study of ancient and medieval history." কিন্তু 'হিন্দুত্ব'ৰ মাপকাঠিৰে সাম্প্ৰদায়িকতাক বিচাৰ কৰাৰ মানসিকতাৰ পৰা উক্ত মন্তব্যফাকিও মুক্ত

নহয়। আনহাতে, তথাকথিত হিন্দুত্বই যেতিয়াই উগ্ৰ হিন্দুবাদৰ ঠাই লৈছে তেতিয়াই তাক এক সামাজিক সংকট বুলি দেখুওৱা হৈছে। অৱশ্যে তাৰ বাস্তৱ কাৰণো আছে। ১৯২৩ চনত 'হিন্দুত্ব' গ্ৰন্থত চাভাৰকাৰে দাবী কৰিছিল যে যিদিনাই মহম্মদ গজনী সিন্ধু নৈ পাৰ হৈ আহিছিল, সেইদিনাৰ পৰাই ভাৰতীয়সকলৰ জীৱন-মৰণ সংগ্ৰাম আৰম্ভ হৈছে। ইয়াৰ কিছু বছৰৰ পাছত তেওঁ যিটো কঠিন সত্য আৱিষ্কাৰ কৰিলে, সেয়া হ'ল— তথাকথিত সাম্প্ৰদায়িক প্ৰশ্নসমূহ শ শ বছৰৰ হিন্দু-মুছলমান সাংস্কৃতিক, ধৰ্মীয় আৰু জাতীয় বৈৰীতাৰ লগত ....। কিন্তু এনে ধৰণৰ উগ্ৰতাও জানো এক ঐতিহ্যিক আছিল? এই সন্দৰ্ভত ইছলামিক আন্তৰ্জাতিকতাৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া নহয়। ঊনবিংশ শতিকাৰ মাজভাগত মুছলিম ইতিহাস চৰ্চাৰ পিতৃপুৰুষ তথা আলিগড় স্কুলৰ প্ৰতিষ্ঠাপক চৈয়দ আহমদ খানে কেবাখনো গ্ৰন্থ প্ৰণয়ন কৰি ধৰ্মীয় আৱৰণমুক্ত গৱেষণাৰ দুৱাৰ মুকলি কৰিছিল। কিন্তু এই ক্ষেত্ৰত তেওঁ শিবালী নুমানী, মৌলবী জাকাউল্লা, খুদা বক্স, আমিৰ আলীৰ দৰে ঐতিহাসিকৰ পৰা প্ৰকৃত সহযোগ পোৱা নাছিল। ফলত প্ৰথম বিশ্বযুদ্ধৰ আগলৈকে মুছলিম ইতিহাস চৰ্চাত ধৰ্মীয় প্ৰভাৱ শক্তিশালী হৈ থকাৰ উপৰি ঐতিহাসিকসকলৰ ৰচনাত ঘৰৰ সমস্যাতকৈ ইছলামৰ বহিৰাগত উপাদানসমূহৰ সমাৱেশহে বেছিকৈ ঘটিছিল। প্ৰথম বিশ্বযুদ্ধৰ পাছত ব্যতিক্ৰম নিশ্চয় আছিল, কিন্তু সামগ্ৰিকভাৱে মুছলমান সমাজৰ স্বতন্ত্ৰ পৰিচয়ৰ বাবে ইতিহাসক ৰাজনৈতিক অস্ত্ৰ হিচাপে ব্যৱহাৰৰ মাত্ৰা বাঢ়ি যাব ধৰিলে। এনে পৰিস্থিতিত 'হিন্দুত্ব'ৰ অভিধা সন্মুখলৈ আনিলে পুনৰ নতুন সমস্যাই আগুৰি ধৰিব। অৰ্থাৎ ইছলাম আন্তৰ্জাতিকতাৰ প্ৰশ্নটোও আমি মোকাবিলা কৰিব লাগিব।

শেষত দুটামান কথাৰ পুনৰ দোহৰাৰ প্ৰয়োজন আছে বুলি অনুভৱ কৰিছো। আমাৰ মূল কথা হ'ল শেহতীয়া দশকটোৰ ৰাজনৈতিক গতিবন্ধনক দোহাই দি কেৱল 'হিন্দুত্ব'ক প্ৰত্যাহ্বান জনাই দেশৰ সচেতন চামৰ এটা অংশই সাম্প্ৰদায়িকতাবাদ বিৰোধী যি ভূমিকা গ্ৰহণ কৰিছে, তাৰ দ্বাৰা কিমান দূৰলৈ সমস্যা সমাধান হ'ব সেয়া সন্দেহৰ বিষয়। কাৰণ ঊনবিংশ শতিকাৰ বৌদ্ধিক চৰ্চাত আহি পৰা 'হিন্দুত্ব'ক বহু সময়ত অপব্যাখ্যা কৰা হৈছে। এটা কথা মনত ৰখাৰ প্ৰয়োজন— হিন্দু আৰু মুছলমান দুই সম্প্ৰদায়ৰ বিৰোধৰ অৱসানৰ বাবে কোনো এটা সম্প্ৰদায়ৰ সংখ্যাগৰিষ্ঠ জনগণৰ ধৰ্মীয় অনুভূতিক আঘাত দিয়াৰ প্ৰশ্ন নুঠে। তদুপৰি বিৰোধ আৰু সাম্প্ৰদায়িকতা বহু সময়ত একাকাৰ কৰি পেলোৱাত আৰম্ভ হৈছে নতুন বিচ্যুতি। 'সাম্প্ৰদায়িকতাবাদ'ৰ দৰে এটা আধুনিক ব্যাখ্যা পৰম্পৰাগত সমস্যা এটা সমাধানৰ বাবে কিমানদূৰ প্ৰযোজ্য হ'ব পাৰে— তাক ভাবি চোৱা উচিত হ'ব। আমাৰ বোধেৰে নতুন পদ্ধতি অৱলম্বনেৰে 'সাম্প্ৰদায়িকতা' নহয়— দুয়োটা সম্প্ৰদায়ৰ মাজৰ বিৰোধৰ মৰ্মকথাখিনি বুজিবলৈ চেষ্টা কৰাটোহে অধিক ফলপ্ৰসূ হ'ব।

'ছাব অলটার্ণ' দৃষ্টিত অসমৰ অনুপ্ৰৱেশ-সমস্যা

অনুপ্ৰৱেশৰ সমস্যা লৈ অসমৰ ৰাজনীতি সদায়ে উত্তপ্ত। সাম্প্ৰতিক সময়ত অসমৰ জনগণে বাংলাদেশী বা বিদেশীৰ বিপক্ষে অৰ্থনৈতিক অৱৰোধৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ লগে লগে আৰম্ভ হৈছে পুনৰ এক পৰম্পৰাগত বিতৰ্ক। বুৰ্জোৱা জাতীয়তাবাদীসকলে অসম প্ৰেমৰ কথা কওঁতে কিবা নহয় কিবা এটা লাভালাভৰ অংক কৰি লয়— এনেকুৱা এটা পূৰ্ববৰ্তী ধাৰণা থকাৰ বাবে জাতীয় সমস্যাসমূহৰ ক্ষেত্ৰত একাংশ মাৰ্ক্সবাদীৰ ধাৰণা নিতান্তই যান্ত্ৰিক। বহু ভাষা-ভাষী, জাতি-গোষ্ঠী বাস কৰা অঞ্চল এটাৰ সামাজিক ভাৰসাম্য ৰক্ষাৰ প্ৰশ্নত জাতীয়তাবাদী উগ্ৰতা যদি নিন্দনীয়, মাৰ্ক্সবাদী মানৱতাও বহুক্ষেত্ৰত পেলনীয়া হ'ব পাৰে। বাস্তৱ পৰিস্থিতি অনুযায়ী পদক্ষেপ গ্ৰহণ কৰাটোৱে শুভ বুদ্ধিসম্পন্ন ব্যক্তি তথা অনুষ্ঠানৰ মূল কৰ্তব্য বুলি আমি বিশ্বাস কৰো। স্বয়ং কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ সূত্ৰতে একাধিকবাৰ প্ৰকাশ হোৱাৰ পাছত অসমত বিদেশী প্ৰসংগটো এৰাই চলাৰ কিটিপ-কায়দাবোৰো এতিয়া অচল। আই. এম. ডি. টি. থাকিব লাগে নে নালাগে— সেই লৈ এতিয়া বিতৰ্কৰ অৱকাশ নাই, আলোচনা হ'ব লাগে আইনখন বাতিলৰ পাছত উদ্ভৱ হ'ব পৰা সম্ভাব্য পৰিস্থিতিৰ পৰ্যালোচনাক লৈ। অৱশ্যে, বিতৰ্কবোৰত নতুন সংযোজনো নোহোৱাকৈ থকা নাই। সংখ্যালঘু ৰাজনীতিৰ নামত আৰম্ভ হৈছে নতুন বাগধাৰা। আনফালে সংযুক্ত মুক্তি বাহিনী, অসমৰ সংখ্যালঘু প্ৰীতিয়ে আকৌ আমাৰ জাতীয় চিন্তা-ধাৰাক আউল লগাইছে। বিতৰ্ক যিকোনো পৰ্যায়ৰ পৰা হ'ব পাৰে, কিন্তু সকলো ধৰণৰ উচ্চবৰ্গীয় আলাপ-আলোচনা ক'ৰবাত নহয় ক'ৰবাত ৰাজনৈতিক ক্ষমতাৰ লগত যুক্ত হৈ পৰিছেগৈ। কোনোৱে হয়তো অচেতনভাৱেও এনে কাৰ্য কৰিছে। কিন্তু এনে ধৰণৰ 'বাগধাৰা'বোৰৰ মাজত সমস্যা সমাধানৰ পথ ওলাইছেনে? নে জনগণৰ মতামতক অগ্ৰাহ্য কৰা হৈছে। ড° ৰঞ্জিত গুহই অভিযোগ কৰা মতে: আমাৰ ইতিহাস চৰ্চাৰ ধাৰা দেশী-বিদেশী এলিটৰ দ্বাৰা প্ৰভাৱান্বিত। অন্ততঃ স্বাধীনোত্তৰ অসমৰ সমাজ সম্পৰ্কীয় ধাৰণা সংখ্যাগৰিষ্ঠ জনগণে যে ক্ষমতাৰ ৰাজনীতি আৰু ইয়াৰ বিভিন্ন বাহকসমূহৰ পৰা লাভ কৰিছে তাত কোনো সন্দেহ নাই। তথাপিও এটা প্ৰশ্ন থাকি যায়— আমাৰ জাতীয় জীৱনৰ চালিকা শক্তি কোনো মতাদৰ্শগত তত্ত্ব প্ৰাক স্বাধীনতা কালত শিক্ষিত উচ্চবৰ্গই আকাশৰ পৰা খহাই অনা নাছিল। এনে মতাদৰ্শ আছিল জাতীয়তাবাদৰ, যাৰ মূল আধাৰ আছিল আত্মসংৰক্ষণৰ তত্ত্ব আৰু যি গঢ় লৈ উঠিছিল অনুপ্ৰৱেশৰ সমস্যাটো। এতিয়া প্ৰশ্ন হ'ল— এনে ভাবাদৰ্শ কিমানদূৰ ব্যাপক আছিল? ছাব অলটাৰ্ণ ঐতিহাসিকসকল

দাবী— সমাজৰ নিম্নবৰ্গৰ জনগণে উচ্চবৰ্গৰ দ্বাৰা প্ৰভাৱান্বিত নোহোৱাকৈ নিজা উদ্যোগত নিজস্ব চেতনাৰে জাতীয় চিন্তাৰ বিকাশৰ পথ প্ৰশস্ত কৰিব পাৰে। কথাষাৰ হয়তো কিছু পুথিগত, কাৰণ নিম্নবৰ্গ আৰু উচ্চবৰ্গৰ মাজৰ সংযোগেৰেহে সমাজত মতাদৰ্শৰ ভিত্তি তৈয়াৰ হ'ব পাৰে। উনবিংশ শতিকাত আত্মসংৰক্ষণৰ তত্ত্ব নিশ্চয় নিম্নবৰ্গই গঢ় দিয়া নাছিল, কিন্তু সমগ্ৰ প্ৰক্ৰিয়াটোত নিম্নবৰ্গীয় উপাদান কিমানদূৰ জড়িত হৈ আছিল তাক বিচাৰ কৰাই হ'ব আমাৰ মূল লক্ষ্য। অৰ্থাৎ পৰম্পৰাগত ব্যাখ্যা এৰি নিম্নবৰ্গীয় দৃষ্টিকোণৰ পৰা অসমীয়া জাতীয় জীৱনৰ মূল সূত্ৰ বুজাৰ প্ৰচেষ্টা আৰু আজিৰ জনগণৰ বিদেশী বহিষ্কৰণৰ যি নিজা উদ্যোগ— তাৰ ঐতিহাসিক সংযোগ সেঁতু বাহিৰ কৰা। প্ৰথমে দুটা কথা কৈ থোৱা উচিত হ'ব— প্ৰথম নিম্নবৰ্গ বুলিলে আমি ইয়াৰ ক্ষমতাৰ লগত যুক্ত নথকা সাধাৰণ অসমীয়া প্ৰজা বা খিলঞ্জীয়া লোকৰ কথা বুজাইছো। দ্বিতীয়, আমাৰ প্ৰকল্প তৈয়াৰ কৰাৰ ক্ষেত্ৰত বিশেষ তথ্য-পাতি দিব পৰা হোৱা নাই, কিন্তু আমাৰ ধাৰণা— কিছু সম্ভাৱনাৰ কথা কোৱাটো নিশ্চয় দোষণীয় নহ'ব।

উনবিংশ শতিকাৰ আত্মসংৰক্ষণৰ তত্ত্বৰ পম খেদি গ'লে মধ্যবিত্ত শ্ৰেণীৰ ভূমিকাৰ কথা আহি পৰিব। আনন্দৰাম-গুণাভিৰাম আদিয়ে অসমীয়া সমাজক সৰ্বাংগসুন্দৰ কৰাৰ যি সপোন দেখিছিল, তাক পূৰ্ণাংগ ৰূপ দিয়াৰ চেষ্টা কৰিছিল পাছৰ প্ৰতিনিধিসকলে। অৱশ্যে, উদাৰনৈতিক বুৰ্জোৱা সংস্কাৰত বিশ্বাসী মধ্যবিত্তই উনবিংশ শতিকাৰ শেষৰ ফাললৈহে নিজকে সংগঠিত কৰি অসমীয়া সমাজত আধিপত্যকামী ভূমিকা ল'বলৈ সক্ষম হৈছিল। ইয়াৰ আধাৰ অৱশ্যে সাম্ৰাজ্যবাদ বিৰোধিতা নাছিল, আছিল ১৮৮৯ চনৰ পৰা প্ৰকাশিত হোৱা জোনাকী আলোচনীৰ পাতত আৰম্ভ হোৱা বাংলা আধিপত্যৰ বিৰুদ্ধে অসমীয়া ভাষাৰ উন্নতিৰ জৰিয়তে অসমীয়াৰ আত্মসংৰক্ষণমূলক সংগ্ৰাম। একেখন আলোচনীৰ পাততে ঘোষিত 'প্ৰজা নীতি'ৰ মাজতেই আমি বিষয়টোৰ মাজত থকা নিম্নবৰ্গীয় উপাদানৰ চৰিত্ৰ বিচাৰ কৰা উচিত হ'ব। আমাৰ বোধেৰে অসমীয়া এলিট আৰু বাংলা এলিটৰ মাজৰ দ্বন্দ্বই 'প্ৰজা নীতি'ৰ মূল বৈশিষ্ট্য হ'ব নোৱাৰে। কাৰণ এটা কথা পাহৰিলে নচলিব যে এই সময়ছোৱাৰ পৰা কিছু এৰা-ধৰাকৈ প্ৰায়বোৰ সামাজিক সমস্যাৰ লগত উক্ত শ্ৰেণীটো জড়িত হৈ পৰিছিল। অসমীয়া মধ্যবিত্তই হয়তো বুজি উঠিছিল যে সাম্ৰাজ্যবাদ বিৰোধিতাতকৈও সেই সময়ৰ পৰিস্থিতিত জনগণৰ চিন্তা-চেতনাৰ সক্ৰিয় স্তৰটো বুজি উঠাহে বেছি প্ৰয়োজন। পাছৰ ফাললৈও দেখা যায়, যি ধৰণৰ সীমাবদ্ধতাই নাথাকক কিয় মধ্য শ্ৰেণীটোৱে কৃষক সংগ্ৰামৰ পৰা স্বাধীনতা সংগ্ৰামলৈকে ভিন ভিন পৰ্যায়ত ভিন্ন ধৰণেৰে জনগণৰ স্বাৰ্থৰ পক্ষ লৈছিল। এনে পৰিস্থিতিত তথাকথিত 'এলিট ডিচকোৰ্চসমূহৰ মাজতে আবদ্ধ নাথাকি উনবিংশ শতিকাৰ শেষ ভাগত বঙালী তথা অন্যান্য প্ৰব্ৰজনকাৰীসকলৰ বিৰুদ্ধে অসমীয়া প্ৰজাৰ চেতনাত কেনে ভাব, চিন্তা, ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ উদয় হৈছিল, তাক বহল ভিত্তিক পৰ্যালোচনাৰ প্ৰয়োজন আছে।

বিংশ শতাব্দীৰ প্ৰথম ভাগৰে পৰাই কিন্তু প্ৰব্ৰজনৰ সমস্যাই নিম্নবৰ্গৰ সমাজখন অধিক আলোড়িত কৰি আহিছিল। ১৯০৩ চনত আসাম এছ'চিয়েশ্যনৰ জন্ম, ১৯২১ চনৰ অসহযোগ আন্দোলন আদিৰ মাজেৰে অসমীয়া জাতীয় চেতনাই সৰ্বভাৰতীয় চেতনাৰ লগত চামিল হৈ বৈপ্লৱিক ৰূপ গ্ৰহণ কৰে। কিন্তু ইয়াৰ মাজতো আত্মসংৰক্ষণমূলক তত্ত্ব হেৰাই যোৱা নাছিল, বৰঞ্চ প্ৰব্ৰজনক কেন্দ্ৰ কৰি অধিক প্ৰসাৰিতহে হৈছিল। বিশেষকৈ ১৯২০ চনৰ পৰা ১৯৩৭ চনমানৰ ভিতৰত মাধৱ বেজবৰুৱা, অম্বিকাগিৰি আদিয়ে অসমীয়াৰ অস্তিত্বৰ প্ৰতি অহা ভাবুকিবোৰৰ প্ৰতি জনগণক সচেতন কৰি অসম মাতৃৰ সামূহিক মংগলৰ বাবে চেষ্টা চলাইছিল। চাকৰি-বাকৰিৰ সংৰক্ষণৰ দাবীৰ পৰা পূৰ্ববংগৰ পমুৱা মুছলমান, বঙালী লোকৰ প্ৰব্ৰজনকে ধৰি বিভিন্ন সমস্যাৰ বিষয়ে মধ্যবিত্তই বিভিন্ন কাকত, আলোচনী, স্মাৰকপত্ৰৰ যোগেদি জনমত গঠন কৰি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা চলাইছিল। বিশেষকৈ, ১৯২৬ চনত অম্বিকাগিৰিয়ে 'অসম সংৰক্ষণী সভা' নামৰ জাতীয়তাবাদী সংগঠন এটা গঢ়ি তুলি আত্মসংৰক্ষণমূলক সামাজিক আন্দোলনৰ পৃষ্ঠপোষকতা কৰাত জাতীয় আন্দোলনৰ মূলসূঁতিও যে ইয়াৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল, তাক সমকালীন সূত্ৰসমূহেও দাবী কৰে।

ওপৰত এলিট চিন্তাৰ এটা চমু প্ৰতিনিধিত্বমূলক আভাস দাঙি ধৰাৰ পাছত আমি আকৌ সোমাই যাম নিম্নবৰ্গীয় সমাজখনলৈ— যিখন সমাজ মূলতে আছিল কৃষিজীৱী। মধ্যবিত্তীয় আধিপত্যই আত্মসংৰক্ষণৰ ফালে অধিক মনোনিৱেশ কৰাৰ মূল কাৰণটো আছিল প্ৰব্ৰজনক কেন্দ্ৰ কৰি সাধাৰণ প্ৰজাৰ মাজত বাঢ়ি যোৱা নিৰাপত্তাহীনতা আৰু আশংকা। ইয়াৰ ভিতৰত সকলোতকৈ গুৰুত্বপূৰ্ণ ৰূপ লৈছিল 'পূৰ্ববংগ আৰু অসম' প্ৰতিষ্ঠাৰ সময়ৰ পৰা। বিশেষকৈ ১৯১২ চন মানৰ পৰা পূৰ্ববংগৰ পৰা হোৱা মুছলমান অনুপ্ৰৱেশৰ সমস্যা। বৃটিছ চৰকাৰে ১৯১৬-১৭ চনৰ পৰাহে এনে প্ৰব্ৰজিত লোকসকলক নৈপৰীয়া পৰিত্যক্ত সাৰুৱা অঞ্চলসমূহত অন্যান্য অঞ্চলৰ কৃষকসকলৰ দৰে সমমৰ্যাদা দি সংস্থাপিত কৰাৰ আনুষ্ঠানিক নীতি গ্ৰহণ কৰে। পাছৰ সময়ছোৱাত অৰ্থাৎ স্বাধীনতা প্ৰাপ্তিৰ আগলৈকে এই মাটিহীন লোকসকলৰ বাবেই বছৰে বছৰে ব্ৰহ্মপুত্ৰ উপত্যকাত কৃষিযোগ্য মাটি অভাৱনীয় বৃদ্ধিৰ কথা চৰকাৰী নথি-পত্ৰসমূহত লিপিবদ্ধ হৈ আছে। উদাহৰণ স্বৰূপে উল্লিখিত বছৰটোতে (১৯১৬-১৭) কামৰূপ জিলাৰ বৰপেটা মহকুমাত পমুৱাসকলে প্ৰায় ১৯,০৯১ একৰ মাটি দখল কৰিছিল। ঠিক সেইদৰে ১৯২৩-২৪ চনত কৃষিযোগ্য মাটি অগতানুগতিকভাৱে ১১০,০৭৭ একৰলৈ বৃদ্ধি পায়। ইয়াৰে ভিতৰত পূৰ্ববংগীয়সকলে কামৰূপ জিলাত ২১,৫৩৯ একৰ; নগাঁৱত ১৮৯৭৭ একৰ আৰু দৰঙত ১৫,৯৩৯ একৰ মাটি হস্তগত কৰিছিল। এনে ধৰণৰ হিচাপ বহু বেছি দি থকাৰ উদ্দেশ্য আমাৰ নাই, কিন্তু কথা হ'ল পমুৱা মুছলমানসকলৰ লগতে অন্যান্য কিছু গোষ্ঠীয়েও কৃষিভূমি অধিকাৰ কৰিছিল। ইয়াৰ ভিতৰত আছিল চাহ বাগিচা আৰু

অন্যান্য সংস্থাত কাম কৰা বঙালী বাবু, চাওতাল, নেপালী, ৰে'ল বিভাগত কাম কৰা শ্ৰমিক, মাৰোৱাৰীসকল ইত্যাদি। এটা চৰকাৰী হিচাপ মতে (RLRA, Assam Valley, Appendix IV, ১৯২৩-২৪, ১৯৩৮-৩৯) ১৯২৩-২৪ চনত সকলো ধৰণৰ বহিৰাগতই প্ৰায় ৮ লাখ একৰ আবাদী মাটি হস্তগত কৰিছিল আৰু ১৯৩৮-৩৯ চনত এনেকুৱা মাটিৰ পৰিমাণ হয়গৈ ১০,৩৬,০১৪ একৰ।

ইয়াৰোপৰি ভূতৰ ওপৰত দানহ পৰাদি অন্য এটা ঘটনাও ঘটিল। ১৯২৩-২৪ চনৰ ভিতৰত ভূমিৰ খাজনা বৃদ্ধিৰ সমৰ্থনত চৰকাৰে দাঙি ধৰা প্ৰবল যুক্তি আছিল শস্য উৎপাদন হোৱা আবাদী মাটিৰ প্ৰসাৰ ঘটা। বাস্তৱিকতে কিন্তু উৎপাদিত ভূমি বৃদ্ধি হৈছিল বহিৰাগত আৰু বিশেষকৈ পমুৱা মুছলমানসকলৰ বাবেহে, কিন্তু তেওঁলোকে দিব লাগিছিল 'প্ৰিমিয়াম' ভিত্তিক নামমাত্ৰ খাজনা, ইয়াৰ পৰিবৰ্তে স্থানীয় প্ৰজাসকলেহে মূল আৰ্থিক বোজা বহন কৰিব লগা হৈছিল।

এনে পৰিস্থিতিত প্ৰশ্ন উঠে— চাৰিওফালৰ বহিৰাগত অবস্থান আৰু তেওঁলোকৰ ভূমিকাই ব্ৰহ্মপুত্ৰ উপত্যকাৰ নিম্নবৰ্গীয় সমাজখন শংকিত কৰি তুলিছিল নেকি? আচলতে ১৯১২-৪৭ চনৰ ভিতৰত অসমৰ ইতিহাসৰ মূল সুঁতি আছিল দুখন ভিন্ন ধৰণৰ নিম্নবৰ্গীয় সমাজৰ মাজৰ ঘাত-সংঘাত তথা সমন্বয়ৰ ধাৰা। ইতিমধ্যে পমুৱা মুছলমানসকলক ধৰ্মীয় ভিত্তিত ভিতৰৰ পৰা সংগঠিত কৰাৰ যেনেকৈ চেষ্টা চলিছিল, ঠিক তেনেকৈ অসমীয়া মধ্যবিত্তৰ একাংশই স্থানীয় নিম্নবৰ্গৰ স্বাৰ্থ মানবীয় ভিত্তিত দাঙি ধৰিবলৈ চেষ্টা কৰিছিল। আনকি সাম্ৰাজ্যবাদী চৰকাৰেও ব্ৰহ্মপুত্ৰ উপত্যকাত দুই বিপৰীত ধৰ্মী জনগোষ্ঠীৰ মাজৰ সম্ভাব্য সংঘাতৰ প্ৰতি দৃষ্টি দি ১৯২০ চনত লাইন প্ৰথা প্ৰবৰ্তন কৰে। ই যিমান দূৰেই কাৰ্যকৰী হওক, এডাল বিশেষ কাল্পনিক ৰেখাৰ দুয়োপাৰে দুটা গোষ্ঠীৰ অবস্থানৰ যি আনুষ্ঠানিকতা ঘোষণা কৰা হৈছিল, তাৰ পৰাই নিম্নবৰ্গ ইতিহাস-চৰ্চাৰ এক নতুন দিশ উদ্ভাৱন কৰিব পৰা যায়। কিন্তু এই সময়ছোৱাত উচ্চবৰ্গীয় ৰাজনীতিয়েহে প্ৰব্ৰজনৰ বিষয়টো লৈ পানী ঘোলা কৰিছিল আৰু ইয়াৰ আধাৰতে ইতিহাস চৰ্চাত কেইটামান বিশেষ 'পলিটিকেল ডিছক'ৰ্চ'-এ প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়। এইসমূহ হ'ল— (১) অবৈধ প্ৰব্ৰজনৰ প্ৰতি উদ্বিগ্নতা সত্ত্বেও বৈধতা প্ৰদানৰ প্ৰচেষ্টা, বিশেষকৈ ৰাজ্যখনৰ আৰ্থিক বিকাশৰ স্বাৰ্থত, (২) ব্ৰহ্মপুত্ৰ উপত্যকাৰ স্ব-নিৰ্ভৰশীল অৰ্থনীতিক মহিমামণ্ডিত কৰা; যাৰ ফলত স্থানীয় কৃষকৰ লগত বহিৰাগত আৰ্থিক সংঘাতৰ সম্ভাৱনা নুই কৰা, (৩) মুলানৰ টোকাত অতিৰঞ্জনৰ গোন্ধ পোৱা, (৪) প্ৰব্ৰজনক লৈ হোৱা সংসদী ৰাজনীতিৰ উত্তপ্ত পৰিস্থিতিত গুৰুত্ব প্ৰদান, (৫) সাম্প্ৰদায়িক মেৰুকৰণৰ প্ৰসংগ ইত্যাদি। ইয়াৰ পৰিবৰ্তে ঔপনিবেশিক অসমত অবৈধ প্ৰব্ৰজনৰ বিৰুদ্ধে ভূমিপুত্ৰৰ মৰ্ম বেদনাৰ স্বৰূপ সঠিকভাৱে উপলব্ধি কৰিব পৰা নাই এলিট ইতিহাস চৰ্চাই।

স্বাধীনোত্তৰ কালত বাংলাদেশৰ পৰা হোৱা অবৈধ প্ৰব্ৰজন সমস্যাটো আৰু অধিক জটিল আৰু গুৰুত্বপূৰ্ণ হৈ উঠিছে। এফালেদি স্থানীয় জনগণৰ লগত এই মানুহখিনিৰ

কিছুসূৰীলে সমন্বয়ৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে, আনফালে পমুৱা মুছলমানসকলক লৈ আৰম্ভ হৈছে ভোট বেংকৰ ৰাজনীতৰ কুটিল খেল— যাৰ লগত জড়িত হৈ আছে সৰ্বভাৰতীয় শক্তি। এই সৰ্বভাৰতীয় শক্তিকে প্ৰতিনিধিত্ব কৰিছে স্বৰাজোত্তৰ অসমীয়া মধ্যবিত্তৰ প্ৰতিনিধিত্বকাৰী এটা ডাঙৰ অংশই। আনফালে, গণতান্ত্ৰিক অংশটোৰ মাৰ্ক্সবাদী শিবিৰসমূহেও সমস্যাটোৰ যথাযথ সমাধান উলিয়াব পৰা নাই, কাৰণ আত্মসংৰক্ষণমূলক তত্ত্বৰ প্ৰতি তেওঁলোক সিমান আগ্ৰহী নহয়। জাতীয়তাবাদী শিবিৰসমূহে আজিকোপতি নিম্নবৰ্গৰ স্বাৰ্থত স্থিতি গ্ৰহণ কৰি আছিলেও ক্ষমতাৰ ৰাজনীতিয়ে মাজে-সময়ে তেওঁলোককো অন্ধ নকৰাকৈ থকা নাই। আনফালে ভাৰতীয় জনতা পাৰ্টীৰ অসমত ৰাজনৈতিক ভৱিষ্যৎ বৰ স্পষ্টকৈ ফুটি নুঠিলেও সময়ে সময়ে আগবঢ়োৱা তেওঁলোকৰ ৰাজনৈতিক বক্তব্যয়ো অসমীয়া নিম্নবৰ্গীয় সমাজৰ অস্তিত্বক সমৰ্থন দি আহিছে।

কিন্তু এনেধৰণৰ ৰাজনৈতিক কাঠামোৰ মাজত সাধাৰণ অসমীয়া প্ৰজাৰ নিজৰ অস্তিত্ব সম্পৰ্কীয় আশংকা দূৰ হোৱাৰ পৰিৱেশ সৃষ্টি নহ'ল। অসম আন্দোলনত সৰ্বান্তৰে সহযোগ কৰা অসমীয়া সাধাৰণ মানুহখিনিয়ে নাপালে তেওঁলোকৰ ত্যাগ, দেশপ্ৰেমৰ প্ৰকৃত মূল্য। স্বৰাজোত্তৰ কালৰ ন-অসমীয়া সমাজ আৰু খিলঞ্জীয়া অসমীয়াৰ সমন্বয় ৰূপটো মানি লৈও সংখ্যাগৰিষ্ঠ অসমীয়াই বিচাৰিছে সাংবিধানিক বাধ্যবাধকতাৰ মাজেৰে বিদেশী বহিষ্কাৰ হওক, লিখিত চুক্তিৰ দফা পূৰণ হওক। এই লৈ চলি আছে অহৰহ এলিট চিন্তা-চৰ্চা। কিন্তু তাত অসমীয়া নিম্নবৰ্গীয় বা সাধাৰণ নাগৰিক সদায়েই উপেক্ষিত। সাম্প্ৰতিক সমস্যা সমাধানৰ পৰিৱৰ্তে বিদেশীৰ সোঁত বৈ থকা তেওঁলোকে নিজৰ চিন্তা-চেতনাৰে উপলব্ধি কৰিছে। উজনি অসমৰো বিভিন্ন স্থানত সন্দেহজনক নাগৰিকৰ অৱস্থানে শংকিত কৰি তুলিছে অসমীয়া প্ৰজাক। সাধাৰণ নিয়ম মতে, হয়তো ৰাজনীতি কৰা, চিন্তা-চৰ্চা কৰিব জনা লোকখিনিয়ে যুক্তি আৰু ব্যাখ্যাৰে পৰিস্থিতি চম্ভালিব লাগিছিল। কিন্তু সেয়া নহ'ল। ডিব্ৰুগড়ক কেন্দ্ৰ কৰি বিদেশী বিতাড়নৰ যি প্ৰক্ৰিয়া আৰম্ভ হ'ল, তাত সাধাৰণ নাগৰিক নিজেই ইতিহাসৰ মূল নায়কত পৰিণত হ'ল। এনে ধৰণৰ ঘটনাৰ ভৱিষ্যৎ কি হ'ব? কাৰ উচটনিত এনে কাৰ্য সম্পাদন হৈছে ইত্যাদি বিষয় লৈ এতিয়া আমাৰ তথাকথিত শিক্ষিত সমাজৰ এটা অংশ চিন্তিত, কিন্তু পাহৰি গ'লে নচলিব— বাংলাদেশী অনুপ্ৰৱেশৰ বিৰুদ্ধে যি ঘটিছে, সেয়া স্বৰাজোত্তৰ অসমীয়া দুৰ্বল মধ্যবিত্তৰ নেতৃত্বৰ বিৰুদ্ধে এক প্ৰবল নিম্নবৰ্গীয় প্ৰত্যাহ্বান। সকলো কথাৰে তাৎক্ষণিক ফলাফল আশা কৰা ধৰণে নহ'ব পাৰে, কিন্তু অসমীয়া প্ৰজাৰ সক্ৰিয়তাৰ মাজেৰেই যে আমি অসমৰ সৰ্বাংগীন উন্নতি কামনা কৰিব পাৰোঁ, অন্ততঃ সেই আশা সাম্প্ৰতিক ঘটনাৱলীয়ে কঢ়িয়াই আনিছে। প্ৰাক্ স্বাধীনতা কালৰ উদাৰনৈতিক মানৱতাবাদী বুৰ্জোৱা আধিপত্যৰ বিকল্প যে এতিয়া নিম্নবৰ্গীয় আধিপত্য হ'ব পাৰে, সেই কথা আমি বিশ্বাস কৰোঁ।

মধ্যবিত্তৰ মননত বিহু

আমাৰ জাতীয় উৎসৱ বিহুৰ উৎস হ'ল শ্ৰম। প্ৰাগৈতিহাসিক কালৰে পৰা অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত উৎপাদনশীল প্ৰক্ৰিয়াৰ লগত যুক্ত আচাৰ-অনুষ্ঠানসমূহৰ ভিতৰত বিহুৱে এক বিশেষ তাৎপৰ্য বহন কৰি আহিছে। আদিম উৎপাদকসকলে যাদুবিদ্যাৰ সহায়েৰে প্ৰকৃতিক বশীভূত কৰা তথা শ্ৰমৰ প্ৰয়োজনত কৰা মাংসপেশীৰ সঞ্চালন তথা উশাহ-নিশাহৰ ছন্দই কলা সৃষ্টি কৰাই নহয়, ইয়াৰ পুষ্টিসাধনো কৰিছিল। অৱশ্যে এনে সৃষ্টিশীলতাৰ শৈলী আছিল সহজ-সৰল, কাৰণ— নলিনীধৰ ভট্টাচাৰ্যৰ ভাষাত 'ইয়াৰ কোনো নান্দনিক ইচ্ছা নাছিল, জীয়াই থাকিবৰ বাবে মানুহে সমূহীয়াভাৱে ব্যৱহাৰ কৰা ঐন্দ্ৰজালিক হাতিয়াৰ বা অস্ত্ৰস্বৰূপেই ইয়াৰ জন্ম হৈছিল।' এনে বহুত আদিম কৃষ্টি, উৎসৱ আছে যি সমাজৰ সাম্প্ৰতিক দ্ৰুত পৰিৱৰ্তনৰ পৰিপ্ৰেক্ষিততো ইয়াৰ আদিমতম ৰূপ অপৰিৱৰ্তিত অৱস্থাত জীয়াই আছে। কিন্তু বিহু কৃষ্টিৰ কথা সম্পূৰ্ণ সুকীয়া, আদিম হৈও ই আধুনিক। বিহু গীত, বিহু নৃত্য, হুঁচৰি আদি ভিন্ন আচাৰ-অনুষ্ঠান সামৰি আজি ই লাভ কৰিছে এক সৰ্বজনগ্ৰাহ্য ৰূপ। সৃষ্টিৰ উৎসৱৰ লগত সম্পৰ্কীয় বিহু গীতসমূহৰ অন্তৰ্নিহিত প্ৰেমৰ সুৰ সময়ৰ বতাহে নিশ্চয় সলনি কৰি আহিছে, কিন্তু আজিও ড° ভূপেন হাজৰিকাৰ গীতত যেতিয়া শিৱসাগৰীয়া ডেকাই গৌৰীপুৰীয়া গাভৰুক বশীবলৈ ব'হাগৰ বিহু গায়— তাত একে সময়তে লোকায়তিক আৰু আধুনিক ব্যঞ্জনাৰ সুগভীৰ নান্দনিক ৰূপ অনুভূত হয়। এই সাৰ্বজনীনতাৰ আঁৰত আছে বিহু কৃষ্টিৰ বিৱৰ্তনৰ ইতিহাসৰ লগত যুক্ত হৈ থকা সচেতন মানৱিক ক্ৰিয়াকাণ্ড, যাৰ ভিত্তি হ'ল সমাজত প্ৰাধান্য শ্ৰেণীৰ ভূমিকা। ইয়াকে আলম কৰি মধ্যশ্ৰেণীৰ ভূমিকা বিচাৰৰ প্ৰসংগত প্ৰথমেই আদিম কলা-কৃষ্টিযে পূৰ্ণাংগ সাংস্কৃতিক ৰূপ পৰিগ্ৰহণৰ ক্ষেত্ৰত অৱলম্বন কৰিবলগীয়া তিনিটা পৰ্যায়ৰ কথা উনুকিয়াই লওঁ। প্ৰথমতে, ইয়াৰ মূল ভিত্তি হ'ল জীৱন সংগ্ৰামৰ বাস্তৱ উপকৰণসমূহ (material means); দ্বিতীয়তে, সংস্কৃতিৰ প্ৰধান আশ্ৰয় হ'ল সমাজ যাত্ৰাৰ বাস্তৱ অৱস্থা (social structure) আৰু তৃতীয়তে, সংস্কৃতিৰ শেষ পৰিচয় মানৱ সম্পদ (human resource)ৰ বিকাশ। মাৰ্ক্সবাদী সমাজতাত্ত্বিক গোপাল হালদাৰৰ মতে 'এই তিনিটা বিশেষ উপকৰণৰ মাজৰ ক্ৰিয়া, প্ৰতিক্ৰিয়া, ঘাত-প্ৰতিঘাতৰ মাজেৰেই প্ৰতি যুগৰ সংস্কৃতিৰ সমগ্ৰ ৰূপ ফুটি উঠে।' কিন্তু এনে ধৰণৰ সংযোগৰ শ্ৰেণী বিভক্ত কাঠামোটো কেনেকুৱা? নৱপ্ৰস্তৰ যুগৰ (আনুমানিক দহ হেজাৰ বছৰমানৰ পৰা আৰম্ভ হৈছে) শেষৰ ফাললৈ উপকৰণসমূহৰ উন্নতৰ স্তৰ

আৰু মানৱ সম্পদসমূহৰ লগত হোৱা ইয়াৰ অবিৰাম সংযোগে সমাজখনক অধিক বিকাশশীল পৰ্যায়লৈ লৈ গ'ল। কিন্তু অগাপিছাকৈ উদ্ভাৱন হোৱা পশুপালন আৰু কৃষি কৰ্মই আদি সাম্যতন্ত্ৰ ভাঙি পেলালে। সমাজত সম্পত্তিৰ প্ৰশ্ন আহিল, কিবা নহয় কিবা ধৰণে শ্ৰেণী বিভক্ত সমাজখনৰ প্ৰাথমিক ক্ষেত্ৰখন প্ৰস্তুত হ'ল। এনে পটভূমিত পথাৰৰ বিহু সমাজৰ ভিতৰচ'ৰালৈ আহি মঞ্চত প্ৰৱেশ কৰা তথা টি ভি, কেছেটত বন্দী হোৱালৈকে যি দীঘলীয়া পথ-পৰিক্ৰমা, তাৰ মূল্যায়ন কৰিবলৈ হ'লে আমি বিহু কৃষ্টিৰ লগত মধ্যযুগত আহোম ডা-ডাঙৰীয়া আৰু গণতান্ত্ৰিক যুগত বিশেষকৈ পশ্চিমীয়া শিক্ষাৰ সংস্পৰ্শলৈ অহা অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৰ লগত অবিৰাম সংঘটিত মানবিক সংযোগ তথা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ওপৰতে গুৰুত্ব দিব লাগিব।

সামগ্ৰিকভাৱে আহোম ৰাজত্বৰ সময়ত আহোম স্বৰ্গদেউ তথা অভিজাত ডা-ডাঙৰীয়া শ্ৰেণীটোৱে আগবঢ়োৱা পৃষ্ঠপোষকতাই বিহু সংস্কৃতিক এক নতুন ৰূপ প্ৰদান কৰিলে। সৃষ্টিশীলতা আৰু তাৰ লগত সম্পৰ্কিত যৌৱন উদ্দামৰ সাংস্কৃতিক ৰূপটো বোধহয় এওঁলোকে পচন্দ কৰিছিল, ফলত বিহু কৃষ্টিক আ-অলংকাৰ পিন্ধাই সুধী সমাজলৈ টানি অনা হৈছিল। বৰ বৰ মানুহৰ ঘৰত হুঁচৰি গোৱাৰ প্ৰথাকে ধৰি ন-ন কিছু ৰূপ উদ্ভাৱনৰ লগতে বিহুনাম সূত্ৰায়িত কৰাৰো এক সীমিত পৰিৱেশ সৃষ্টি হৈছিল এই যুগতে। অৱশ্যে এটা কথা লক্ষণীয় যে বিহু অনুষ্ঠানসমূহৰ সংস্কাৰ সাধন হ'লেও এই সময়ছোৱাত বিহুৱে এক নতুন বিশেষ সামাজিক ৰূপ পৰিগ্ৰহণ কৰিছিল বুলি ভবাৰ থল নাই, আধুনিক যুগৰ উন্মেষৰ আগলৈকে বিহু কৃষ্টিৰ ভিত্তিস্বৰূপ আদিম সৃষ্টিমূলক চৰিত্ৰই অধিক সক্ৰিয় হৈ আছিল। আনকি নব-বৈষ্ণব যুগৰ প্ৰভাৱত বিহুৰ ওপৰত এক আধ্যাত্মিক ৰূপ ঢালি দিয়াৰ চেষ্টা লোৱা হৈছিল যদিও সি সফল কাম হ'ব পৰা নাছিল। বৃটিছসকল অহাৰ পাছত পশ্চিমীয়া শিক্ষাৰ সম্পৰ্কলৈ অহা অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৱে কিছু পৰিমাৰ্জিত ৰূপত বিহুৰ এই আনুষ্ঠানিক আদিম আৰু লোকায়তিক ৰূপটোৱে প্ৰত্যক্ষ কৰিছিল। এনে পৰিস্থিতিত বিহু উৎসৱৰ প্ৰতি এওঁলোকৰ তৎকালীন প্ৰক্ৰিয়া আছিল বাৰু কেনে ধৰণৰ? ঊনবিংশ শতিকাৰ অসমীয়া মধ্যশ্ৰেণীৰ অন্যতম প্ৰতিনিধি গুণাভিৰাম বৰুৱাই তেওঁৰ 'আসাম বুৰঞ্জী'ত বিহুক ইতৰ লোকৰ উৎসৱ বুলি বৰ্ণনা কৰিছিল, আনকি তেওঁ বিহু অনুষ্ঠানত অবাচ্য আৰু অশ্লীল গীত গোৱাৰ লগতে নিৰ্লজ্জ ভাব-ভংগী প্ৰকাশ কৰাৰ কথাও উল্লেখ কৰিছে। নিঃসন্দেহে তেওঁৰ উত্তৰসুৰী এচামেও এনে দৃষ্টিভংগী প্ৰকাশ কৰিছিল। ইয়াৰ কাৰণ হিচাপে সাধাৰণতে পশ্চিমীয়া শিক্ষাৰে শিক্ষিত এচামৰ জনসংযোগবিহীন চাহাবীয়ানা তথা সামন্ততান্ত্ৰিক অভিজাতসুলভতাৰ প্ৰতি আঙুলিয়াই দিয়া হয়। কিন্তু মধ্যশ্ৰেণীৰ অতীত সম্পৰ্কৰ বদ্ধমূল ধাৰণাৰ বিপৰীতে ড° ৰাজেন শইকীয়াৰ গৱেষণাই অতীতৰ লগত বিচ্ছেদকৰণহে এই শ্ৰেণীটোৰ অন্যতম বৈশিষ্ট্য বুলি উল্লেখ কৰিছে। তেওঁৰ মতে ইংৰাজী শিক্ষাৰ প্ৰসাৰ, চাহ উদ্যোগৰ বিকাশ

তথা নতুন চাকৰি-বাকৰিৰ সা-সুবিধাইহে এই শ্ৰেণীটোৰ উত্থৱৰ প্ৰধান উপাদান আছিল। এক গণতান্ত্ৰিক পৰিৱেশত ঠন ধৰি উঠা শ্ৰেণীটোৰ মননৰ পুৰণা ধ্যান-ধাৰণাৰ ঠাইত বুৰ্জোৱা লিবাৰেল মানৱতাবাদী চিন্তা-ধাৰাইহে ঠাই পাইছিল। স্বাভাৱিকতে প্ৰশ্ন উঠিব— এনে ধৰণৰ চিন্তা-চেতনাৰ মাজত 'কৃষ্টি' বা 'সংস্কৃতি' আদিৰ তাৎপৰ্য কেনেকুৱা? কৃষ্টিৰ মূলগত অৰ্থ যি 'কৰ্ষণ কাৰ্য' বুলি কোৱা হয় তাক বিশ্বকবি ৰবি ঠাকুৰেও সহজভাৱে ল'ব পৰা নাছিল। আচলতে ১৯২২ চনৰ পাছতহে সুনীতি কুমাৰ চট্টোপাধ্যায়ে ইংৰাজী 'culture' অৰ প্ৰতিশব্দ হিচাপে 'সংস্কৃতি' শব্দটো ব্যৱহাৰ কৰি ইয়াক জনপ্ৰিয় কৰি তোলে। 'সংস্কৃতি' প্ৰতিশব্দটো ভাল পোৱা ৰবীন্দ্ৰনাথে কৈছে 'শিল্পই হৈছে আত্ম সংস্কৃতি, সম্যক ৰূপদানেই সংস্কৃতি, তাকেই কোৱা হয় শিল্প'। লিবাৰেল ধাৰাৰ অন্যতম অগ্ৰদূত জ্যোতি প্ৰসাদ আগৰৱালাই সুকুমাৰ কলা, সাহিত্য-চৰ্চাৰ মাজেৰে সাংস্কৃতিক শ্ৰেষ্ঠত্ব লাভ কৰা সমন্বয়ধৰ্মী সমাজ এখনতহে জনতাৰ সুষম বিকাশ হ'ব পাৰে বুলি মনে-প্ৰাণে বিশ্বাস কৰিছিল। আচলতে ৰবীন্দ্ৰনাথ বা জ্যোতিপ্ৰসাদ আদিৰ দৰে মনীষীয়ে সংস্কৃতিৰ পৰিসৰ সীমিত নকৰিও সংস্কৃতিত ৰুচিবোধৰ প্ৰসংগ আৰোপিত কৰিছিল। এক কথাত ক'বলৈ গ'লে উনবিংশ আৰু বিংশ শতিকাত ভাৰতবৰ্ষত গঢ় লৈ উঠা লিবাৰেল ঐতিহ্যৰ ভাষ্যও আছিল এনেকুৱা। এই ধাৰাৰে অসমৰ বাটকটীয়া গুণাভিৰাম আদিয়ে নিশ্চয় ৰক্ষণশীল মনোভংগীৰ পৰা বিহু কৃষ্টিৰ নেতিবাচক দিশটো চোৱা নাছিল, সম্ভৱতঃ এওঁলোকে সচেতন সমাজ চিন্তাৰ পৰাই আদিম ধৰণে সিচৰঁতি হৈ থকা বা তেতিয়ালৈকে আনুষ্ঠানিকতা লাভ কৰা ৰূপটো অধিক সংস্কৃত, সুষম আৰু পৰিমাৰ্জিত হোৱাটো বিচাৰিছিল। যুগৰ পৰিপ্ৰেক্ষিতত এনে ধৰণৰ দৃষ্টিভংগী আছিল গতিশীল। বিহুগীতৰ সৃষ্টিশীল উদ্যম আৰু ইয়াৰ গণ আবেদনৰ প্ৰতি সহানুভূতিশীল এই ঐতিহ্যৰ পাছৰ ধাৰক-বাহকসকলে পৰ্যায়ক্ৰমে বিহু কৃষ্টি বা উৎসৱক এই ৰূপতে আবিষ্কাৰ কৰিছিল আৰু এনেকৈয়ে আৰম্ভ হৈছিল বিহু কৃষ্টিৰ বিৱৰ্তনৰ ইতিহাস।

মন কৰিবলগীয়া যে স্বাধীনোত্তৰ কালতো বিভিন্ন ঘটনা-পৰিঘটনাৰ পৰিপ্ৰেক্ষিতত সাম্প্ৰতিক কাললৈকে এই লিবাৰেল চিন্তাধাৰাই অসমীয়া জাতীয় জীৱনত প্ৰধান মতাদৰ্শ হিচাপে পৰিগণিত হৈ আহিছে। এনে পৰিস্থিতিত পৰিৱৰ্তনৰ ধামখুমীয়াত বিহু উৎসৱক আমি যি ধৰণে জানো অৰ্থাৎ ব্যক্তিগত পৰিসৰৰ আচাৰ-অনুষ্ঠান, ৰীতি-নীতি প্ৰথাৰ পৰিশীলিত ৰূপ, বিহু নাম, মঞ্চৰ বিহু, সাংস্কৃতিক অনুষ্ঠান, কেছেট, টিভি, অডিঅ', চি ডি, ভি চি ডি সংস্কৃতিলৈকে— এয়া হ'ল উনবিংশ শতিকাৰ পৰা আজিলৈকে মধ্যবিত্তৰ সংস্কৃতি সম্পৰ্কীয় দৃষ্টিভংগীৰ লগত বিহুৰ আদিমতম ৰূপৰ দীৰ্ঘদিন ধৰি হোৱা মানৱিক সংযোগৰ ফচল। অৰ্থাৎ মধ্যবিত্তৰ মননত বিহুৱে এক সংস্কৃত ৰূপ ধাৰণ কৰিলে বিভিন্ন পৰ্যায়ৰ অতিক্ৰমৰ মাজেদিহে। এনে ইতিবাচক দৃষ্টিভংগী থকাৰ পাছতো কিন্তু বিহুৰ ব্যৱসায়ীকৰণ তথা বিকৃতকৰণ আদি বিষয় লৈ নানা প্ৰশ্ন উঠা দেখা যায়। আনকি নতুন প্ৰজন্মৰ এচাম

শিল্পীৰ হাতত বিহুৰ প্ৰাচীন ঐতিহ্য লুপ্ত হ'ব পাৰে বুলিও এচামে আশংকা কৰে। যতীন্দ্ৰ কুমাৰ বৰগোহাঞিয়ে সঠিকভাৱে মূল্যায়ন কৰি লিখিছে যে মনোৰঞ্জন আৰু যৌৱনৰ উদ্যম ভৰা বিহুৰ লোকায়তিক ৰূপটো প্ৰভাৱশালী হৈ থাকিলেও সমাজ বিকাশৰ শেষ পৰ্যায়ত ই মধ্যবিত্তীয় উদ্যোগ আৰু ব্যৱসায়ৰ প্ৰয়োজন পূৰণ কৰে। কিন্তু ব্যৱসায়ীকৰণৰ কথা স্বীকাৰ কৰিও নতুন প্ৰজন্মৰ হাতত বিহু কোনফালে গতি কৰিছে তাৰ মতামত দিয়াজনে অন্ততঃ বিহু কৃষ্টিৰ বিৱৰ্তনৰ ধাৰাৰ লগত নিজকে যুক্ত কৰাৰ লগতে বিহুৰ শুদ্ধ বা অশুদ্ধ ৰূপ সম্বন্ধেও এটা স্পষ্ট ধাৰণা ল'ব লাগিব। অন্যথা ইয়াৰ পৰিণাম বেয়াৰ ফালেহে যাব পাৰে, কাৰণ আধুনিকতাৰ বতাহত পঞ্জাবত হোৱাৰ দৰে অসমত লোক-সংস্কৃতি, লোক-সংগীতৰ চৰম বিপৰ্যয় সূচনা এতিয়াও হোৱা নাই। পাহৰিলে নচলিব যে পথাৰৰ বিহুৱে মধ্যযুগতহে দেউতাৰ পদূলিত সোমাইছিল বা বৃটিছ যুগত কোম্পানীৰ কথা, জাহাজৰ ভু-ভা পাইছিল। ঐতিহাসিকভাৱে যিটো সত্য সেয়া হ'ল— পৰিবৰ্তনৰ ফলত খোজ মিলাই আহিব পৰাৰ বাবেহে বিহুৱে আজিৰ সৰ্বজনগ্ৰাহ্য ৰূপ পৰিগ্ৰহণ কৰিবলৈ সমৰ্থ হৈছে। এনে পৰিস্থিতিত মধ্যবিত্তৰ উদ্যোগত বিভিন্ন সময়ত বিহুক লৈ পৰীক্ষা-নিৰীক্ষা চলাটো স্বাভাৱিক। আমি ইয়াৰ কোনোবা এটা পৰ্যায় শুদ্ধ বা আনটো অশুদ্ধ বুলি একে আষাৰতে কৈ দিব নোৱাৰো। গতিকে স্বাভাৱিকতে নতুন প্ৰজন্মৰ হাততো গায়নশৈলী, সুৰৰ ব্যৱহাৰ বা শব্দ প্ৰয়োগলৈ কিছু বিচিত্ৰতা আহিব, কিছু নতুন সংযোজনো হ'ব। আমি কেৱল এটা কথাৰ প্ৰতি সতৰ্ক হৈ থাকিব লাগিব যে সকলো ধৰণৰ উপস্থাপনৰ ৰীতি-নীতিৰ মাজতো যাতে বিহুৰ আদিম উৎপাদনশীল লোকায়তিক চহা ৰূপটো হেৰাই নেযায়।

শেষত মধ্যবিত্তৰ মতাদৰ্শগত সংগ্ৰামত বিহুৰ প্ৰাসংগিকতা সম্পৰ্কে চমুকৈ উল্লেখ কৰিব খুজিছো। সংস্কৃতি সম্বন্ধে মাৰ্ক্সৰ কিছু বিক্ষিপ্ত অৰ্থাৎ গুৰুত্বপূৰ্ণ চিন্তাধাৰাৰ সূত্ৰ ধৰিয়েই আণ্টোনিঅ'গ্ৰামচি, জৰ্জ লুকাচ, ই পি থমচন, ৰেইমণ্ড উইলিয়াম আদি সমাজতাত্ত্বিকসকলে পুঁজিবাদী সমাজত পৰিবৰ্তন, ৰাজনৈতিক বিপ্লৱ আদিৰ প্ৰসংগত সংস্কৃতিৰ ভূমিকাৰ বিষয়টোত বিশেষভাৱে গুৰুত্ব দি আলোকপাত কৰিছে। এওঁলোকৰ বেছিভাগেই সমাজ ৰূপান্তৰৰ প্ৰশ্নত উপৰিসৌধৰ সমস্যাক অগ্ৰাধিকাৰ দি দৃষ্টি নিক্ষেপ কৰিছে ৰাষ্ট্ৰ আৰু ভাবাদৰ্শৰ ওপৰত, যাক তেওঁলোকে দমন শক্তিৰূপে অভিহিত কৰিছে। স্বাধীনোত্তৰ অসমত বুৰ্জোৱা লিবাৰেল বীজটো যথেষ্ট শক্তিশালী হৈ থাকিলেও বৌদ্ধিক জগত অতিক্ৰম কৰি ৰাজনীতিত খোপনি পুতিব নোৱৰাৰ এক অন্যতম কাৰণ হ'ল ৰাষ্ট্ৰ সাংস্কৃতিক ভাবাদৰ্শৰ লগত ইয়াৰ সংঘাত, যাৰ ভিত্তি হ'ল পণ্য সংস্কৃতিৰ প্ৰসাৰ আৰু প্ৰভাৱ। অসমৰ গণতান্ত্ৰিক জাতীয়তাবাদী শক্তিসমূহে সময়ে সময়ে ভূমিকা লৈ আহিলেও ঊনবিংশ শতিকাৰ প্ৰতিষ্ঠিত ধাৰাটোৰ উত্তৰণ ঘটাব নোৱৰাৰ মূল কাৰণ জনগণৰ সক্ৰিয় সহযোগৰ অভাৱ, যাৰ ওপৰত প্ৰভাৱ পৰে ৰাষ্ট্ৰ ভাবাদৰ্শৰ সংস্কৃতি।

জনগণৰ চেতনাৰ এই নিষ্ক্ৰীয় স্তৰ অতিক্ৰমৰ বাবে ভাবাদৰ্শগত পৰিসৰত প্ৰয়োজন হৈ পৰিছে বিকল্প সংস্কৃতিৰ নিৰ্মাণৰ সংগ্ৰাম। অৰ্থাৎ ৰাষ্ট্ৰ সংস্কৃতিৰ সম্পূৰ্ণ বিকল্প সাংস্কৃতিক ভাবধাৰাৰ মাজেৰে জনগণক অসমীয়া জাতীয় জীৱনৰ ৰূপান্তৰৰ প্ৰশ্নত বুৰ্জোৱা মানৱতাবাদী সংগ্ৰামত অৱতীৰ্ণ কৰোৱা। এনে বিকল্প নিৰ্মাণত জাতীয় ভাবাবেগেৰে পৰিপূৰ্ণ বিহু সংস্কৃতিক পণ্য সংস্কৃতিৰ মায়াজাল অতিক্ৰমণৰ বাবে কৌশলগতভাৱে ব্যৱহাৰ কৰিব পাৰি নেকি, তাক ৰাজনৈতিকভাৱেও ভাবি চাব পাৰি। আনফালে, মতাদৰ্শগত প্ৰশ্নতে বিদ্যায়তনিক দিশটো বিহুৰ প্ৰাসংগিকতাৰ প্ৰশ্নটো অৱতাৰণা কৰিব পাৰি। ড° ৰঞ্জিত গুহ আৰু তেওঁৰ সহযোগীসকলে ছাব অলটাৰ্ণ ইতিহাস চৰ্চাৰ মাজেৰে এটা গুৰুত্বপূৰ্ণ দিশলৈ আঙুলিয়াই দিছে, সেয়া হ'ল নিম্নবৰ্গৰ মানুহে নিজৰ ইতিহাস নিজেই লিখাৰ সক্ষমতা আৰু এওঁলোকৰ সম্পৰ্কত উচ্চবৰ্গৰ ইতিহাস নিৰ্মাণত মধ্যবিত্তৰ ভূমিকাৰ অবিহনে যে সম্ভৱ নহয়, সেয়া বিতৰ্কৰ মাজেদি প্ৰমাণিত হৈছে। মূল প্ৰশ্নটো হ'ল মধ্যবিত্তৰ সচেতন এচামে নিম্নবৰ্গৰ মাজত প্ৰচলিত গীত-মাত, নৃত্য, ৰূপকথা আদিৰ মাজেৰে ইতিহাস পুনৰ নিৰ্মাণত সহযোগ কৰিব পাৰে। বিহু অকল প্ৰাচুৰ্যৰ উৎসৱেই নহয়, আদিম যুগৰ পৰা ঔপনিৱেশিক যুগলৈকে অসমীয়া সামাজিক জীৱনৰ আৰ্থ-সামাজিক ছবি প্ৰতিফলিত হোৱাৰ কথা পণ্ডিতসকলে আলোচনা কৰিছে। বিহুক সমল হিচাপে ব্যৱহাৰ কৰি জাতীয় জীৱনৰ বহু অকথিত কাহিনী পোহৰলৈ আনিব পাৰি— যেনেকৈ জয়মতীৰ চৰিত্ৰ আহিছে লোক প্ৰবাদ অনুসৰি, বুৰঞ্জী পুথিসমূহক আশ্ৰয় কৰি নহয়। অৱশ্যে, দুখৰ বিষয়, আমাৰ ইতিহাস চৰ্চাত বিহু-সংস্কৃতিয়ে সঠিক স্থান লাভ কৰিব পৰা নাই।

সমাজ-সংস্কৃতি, আর্থ-রাজনীতি বিষয়ক

আলোচনী 'প্রত্যয়'র

সম্পাদকীয়

অৰ্দ্ধ শতাব্দীৰ অনুভৱ*

জাতীয় জীৱনৰ প্ৰগতি তথা সামগ্ৰিক উত্তৰণৰ লগত বস্তুনিষ্ঠ ঐতিহ্য চৰ্চাৰ গভীৰ সংযোগ থাকে। সেয়েহে পঞ্চাশ বছৰ অতিক্ৰম কৰাৰ পিছতো সাম্প্ৰতিক ভাৰতবৰ্ষৰ জাতীয় নেতৃত্বৰ স্বৰূপ উপলব্ধি কৰাত স্বাধীনতা আন্দোলনৰ প্ৰসংগ অৱতাৰণা কৰাটোৱেই সমীচীন হ'ব। স্বাধীনতা আন্দোলনত ভাৰতীয় মধ্যবিত্তই নিজৰ শ্ৰেণী স্বাৰ্থৰ প্ৰতি সচেতনতাৰ মাজেদিয়েই এক পূৰ্ণাংগ শ্ৰেণীলৈ ৰূপান্তৰিত হৈছিল। ফলত ইয়াৰ সীমাবদ্ধতা তথা সবলতা দুয়োটা দিশেই আছিল। কথাটো মাৰ্ক্সবাদীসকলেও মানি লৈছে আৰু এই ঐতিহাসিক সত্যটোৰ ভিত্তিতেই ভাৰতক স্বাধীনতা প্ৰদানত সাম্প্ৰাজ্যবাদৰ অৰ্থনৈতিক স্বাৰ্থ সম্পূৰ্ণ সুৰক্ষিত আছিল বুলি ভবাৰ যুক্তি নাই। কাৰণ শেষৰ ফাললৈ ভাৰতৰ পৰা সম্পত্তি নিষ্কাষণৰ তত্ত্বই ওলোটাকৈহে কাম কৰিছিল। ইয়াৰ ওপৰিও স্বাধীনোত্তৰ যুগত ভাৰত ৰাষ্ট্ৰ তথা নেতৃত্বৰ চৰিত্ৰ সদায় প্ৰগতিশীলেই নাছিল। বৰঞ্চ প্ৰথম দুটামান দশকত পঞ্চম বাৰ্ষিক পৰিকল্পনাৰ আংশিক সাফল্য তথা কমিউনিষ্ট দেশৰ সাহায্যত সাম্ৰাজ্যবাদৰ পৰা স্বাধীন এক জাতীয় অৰ্থনীতিৰ বুনিয়াদ তৈয়াৰ হৈছিল। অৱশ্যে কংগ্ৰেছে কোনো দিনেই ধনী খেতিয়ক তথা উদীয়মান বুৰ্জোৱা শ্ৰেণীটোৰ স্বাৰ্থৰ উৰ্ধ্বত উঠিব পৰা নাছিল। ১৯৬৭ চনৰ নিৰ্বাচনৰ সময়ৰ পৰা জনসংঘ, স্বতন্ত্ৰ আদি প্ৰগতিশীল পাৰ্টিৰ উত্থান, বিভাজনে দুৰ্বল কৰা কমিউনিষ্ট পাৰ্টিৰ ভূমিকা, মাৰ্কিন আধিপত্যৰ প্ৰসাৰ আদিয়ে ভাৰতীয় জাতীয় জীৱনক এক চৰম বিপৰ্যয়ৰ ফালে ঠেলি দিলে। এই অৱস্থাটোৰ বাবে জগৰীয়া ৰাজনৈতিক নেতৃত্বৰ সমাজবাদৰ প্ৰতি থকা দায়বদ্ধতাৰ নমুনা কেনে আছিল-- বিখ্যাত উদ্যোগপতি জি ডি বিৰলাৰ ১৯৬৬ চনত ইন্দিৰা গান্ধীৰ সমৰ্থন দিয়া এষাৰি মন্তব্যৰ পৰা জানিব পাৰি 'Our slogan is democratic socialism Now nobody knows exactly what it means. The Prime Minister in her broadcast said that the private sector will be assisted and encouraged ' পিছৰ দশককেইটাতো বিদেশী ধনৰ প্ৰভাৱ বৃদ্ধি, মুদ্ৰাস্ফীতি, অত্যাধিকভাৱে খাদ্য সামগ্ৰীৰ আমদানি, ঘাটি বাজেট, নিকনুৱা সমস্যা, উৎপাদন হ্ৰাস আদি সমস্যাই জনগণক জুৰুলা কৰিছে। ৰাছিয়াৰ পতনৰ পিছত বিশ্বায়নে পৰিস্থিতি অধিক জটিল কৰি তুলিছে। নতুন আন্তৰ্জাতিক ব্যৱস্থাই অনুন্নত দেশৰ অৰ্থনীতি আৰু ৰাজনীতিত সাম্ৰাজ্যবাদী শক্তিসমূহক অবাধ প্ৰৱেশৰ সুবিধা দিয়াৰ এই বিশ্বৰ মাজতো সংকট ঘণীভূত হৈছে। একবিংশ শতিকালৈ এই ব্যৱস্থাক লৈ যোৱাৰ সন্দৰ্ভত

১৯৯৭ চনত বিশ্ব বেংকে প্ৰকাশ কৰা এক ৰিপ'ৰ্টে বজাৰৰ সুৰক্ষা আৰু চৰিত্ৰ সঠিকভাৱে নিৰ্ণয় কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসমূহৰ অধিক গতিশীল চৰিত্ৰৰ কথা উল্লেখ কৰিছে। ইয়াৰ মূল অৰ্থ হ'ল বিশ্বায়ন ঘৰতে আৰম্ভ হ'ব লাগিব। এই প্ৰসংগতে অসমৰ কথা উনুকিয়াব পাৰি। বিশ্বায়নে যিহেতু নিজৰ স্বাৰ্থতে কোনো অঞ্চলকে অনগ্ৰসৰ অৱস্থাত এৰি নিদিব, এনে ক্ষেত্ৰত অনুন্নত অঞ্চলসমূহত উৎপাদনশীল প্ৰক্ৰিয়া তথা স্থানীয় পুঁজি বিনিয়োগৰ বাট প্ৰশস্ত কৰিব নোৱৰাটো আত্মঘাতীৰ পথ হ'ব। অসমত আঞ্চলিকতাবাদী নেতৃত্বৰ কোনো অৰ্থনৈতিক তাত্ত্বিক ভিত্তি নাই, অথচ এক বজাৰ চেতনাৰে ব্যক্তিগত উদ্যোমত কৃষি খণ্ডৰ ব্যৱসায়ীকৰণ তথা ক্ষুদ্ৰ উদ্যোগ আদিৰ প্ৰসাৰে এই অঞ্চলৰ অনগ্ৰসৰতা দূৰ কৰিব পৰা যায়। শিল্প, উদ্যোগ তথা প্ৰযুক্তিৰ বিকাশে শ্ৰেণী বিৰোধৰ অৱসান ঘটাব নোৱাৰে। বৰঞ্চ গ্ল'বেল ইক'নমীয়ে বিভিন্ন অনগ্ৰসৰ অঞ্চলৰ শোষিত-নিপীড়িতৰ মাজত ঐক্য সাধন কৰাতহে ভূমিকা ল'ব পাৰে।

অঞ্চলভেদে সমস্যা বিভিন্ন হোৱা সত্ত্বেও আজি ভাৰতবৰ্ষৰ মূল সমস্যা আৰু সমাধানৰ প্ৰশ্নই আমাক ৰাজনৈতিক নেতাসকলৰ স্থিতি তথা মতাদৰ্শৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰে। আচলতে স্বাধীনতা আন্দোলনৰ গৰ্ভৰ পৰা জন্মলাভ কৰা পেটি বুৰ্জোৱা শ্ৰেণীটোৱে এফালেদি কিছু গণতান্ত্ৰিক প্ৰমূল্য ৰক্ষা কৰিছে, হয়তো ই সমাজবাদ প্ৰতিষ্ঠাৰ বাবে ভিত্তি হ'ব পাৰে। কিন্তু একে সময়তে ইয়াৰ সুবিধাবাদীৰ চৰিত্ৰ প্ৰতিও জনগণ সঁজাগ হ'ব লাগিব।

জাতীয় নেতৃত্বৰ এই দোদুল্যমান অৱস্থাটো কিন্তু ৰহস্যৰ আৱৰণে ঢাকি ৰাখিব খোজা হৈছে স্বাধীনতা আন্দোলনৰ ঐতিহাসিক চৰ্চাৰ এক সংশোধনবাদী প্ৰক্ৰিয়াৰ মাজেদি। এই ক্ষেত্ৰত উল্লেখযোগ্য ১৯৮৮ চনত প্ৰকাশিত অধ্যাপক বিপান চন্দ্ৰৰ 'Indian National Movement : The long term dynamics' নামৰ গৱেষণামূলক গ্ৰন্থখন। গ্ৰামচিৰ দৃষ্টিভংগী গ্ৰহণ কৰি লেখকে এক বিশেষ চৰিত্ৰৰ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে জাতীয় কংগ্ৰেছৰ নেতৃত্বাধীন অধিপত্যকামী সংগ্ৰামৰ কৌশল সঠিক আছিল বুলি যুক্তি প্ৰদৰ্শন কৰিছে। আধিপত্যৰ প্ৰসংগত আমাৰ আপত্তি নাই। কিন্তু আপত্তি এইখিনিতেই যে এই ধাৰাটোৱে কংগ্ৰেছৰ শ্ৰেণীগত সীমাবদ্ধতাক বিশেষ কায়দা-কৌশলেৰে বৈধতা প্ৰদান কৰিছে। সাম্প্ৰতিক জে এন ইউ গৱেষক সকলৰ মাজত এই চিন্তাধাৰাৰ যথেষ্ট প্ৰভাৱ দেখা যায়। তেওঁলোকৰ আক্ৰমণৰ মূল লক্ষ্য হৈছে আৰ পি দত্তৰ 'India Today'। আনফালেদি উত্তৰ আধুনিকতাৰ দ্বাৰা প্ৰভাৱান্বিত আন এটা ধাৰা হ'ল— 'ছাব অলটাৰ্ণ স্কুল'। সত্তৰদশকৰ প্ৰথম ভাগত ইউৰোপ আৰু লেটিন আমেৰিকাৰ দেশসমূহৰত বিকাশ হোৱা 'de-elitization of history'ৰ ফলশ্ৰুতিয়েই হ'ল নিম্নবৰ্গৰ ইতিহাস। ইতিহাস চৰ্চা ধৰ্মীয় তথা অন্যান্য সম্প্ৰদায়ৰ মাজলৈ প্ৰসাৰিত হ'লেও মাৰ্ক্সীয় দৃষ্টিত শ্ৰেণী-বিশ্লেষণৰ পৰা ই আঁতৰত থাকে। গুৰুত্বপূৰ্ণ কথাটো হ'ল এই ধাৰাই স্বাধীনতা

আন্দোলনত ভাৰতীয় মধ্য বিত্ত আনকি কমিউনিষ্টসকলৰ ভূমিকাও নাকচ কৰিছে। তেওঁলোকৰ বৰ্গৰ লোক আৰু দেশি বিদেশী 'elite'ৰ মাজতহে। কেম্ব্ৰীজ স্কুলৰ লগত এই ধাৰাৰ এটা সাদৃশ্য দেখা যায়। অধ্যাপক মহাদেৱ চক্ৰৱৰ্তীৰ ভাষাত 'the main aim of the two schools were the same- to denigrate nationalist historiography and marxist historiography' মাৰ্ক্সবাদী ইতিহাস চৰ্চাৰ পৰা উদ্ভৱ হোৱা এনে ধৰণৰ প্ৰৱণতাই ৰাষ্ট্ৰব্যৱস্থা তথা সাম্ৰাজ্যবাদক সুৰক্ষা দিয়াৰ লগতে জাতীয় নেতৃত্বৰ প্ৰশ্নৰ প্ৰগতিশীল মহলটো বিভ্ৰান্তিৰ সৃষ্টি কৰি পাৰে। সাম্প্ৰতিক সময়ৰ ঐতিহ্য চিন্তাক এনেধৰণৰ বৌদ্ধিক-সাংস্কৃতিক শোষণৰ পৰা আঁতৰত ৰখাটো আমাৰ কৰ্তব্য।

*'প্ৰত্যয়', চতুৰ্থ বছৰ : প্ৰথম সংখ্যা : এপ্ৰিল' ৯৯

সম্পাদকীয়*

সাম্প্ৰতিক অসমত বিভিন্ন আঞ্চলিক সংগঠনৰ নিজ নিজ অস্তিত্ব ৰক্ষা তথা ক্ষমতাৰ স্বত্বৰ বিষয়টোয়ে গুৰুত্ব পাইছে। অথচ এটা আঞ্চলিক শক্তি ক্ষমতাত থকাৰ সময়ত কেতবোৰ মৌলিক সমস্যা যেনে— ভাৰতীয় সংবিধানৰ চৰিত্ৰ, ৰাষ্ট্ৰব্যৱস্থাৰ স্বৰূপ, কেন্দ্ৰ-ৰাজ্য সম্পৰ্ক স্বায়ত্ত শাসন আদিৰ দৰে বিষয়বোৰৰ ওপৰত অধিক পৰীক্ষা-নিৰীক্ষা চলোৱাৰ সুযোগ আছিল। মন কৰিবলগীয়া যে কেন্দ্ৰীভূত ৰাষ্ট্ৰব্যৱস্থাই জাপি দিয়া অৰ্থনৈতিক অনগ্ৰসৰতাৰ এক গুৰুতৰ পৰিণাম হৈছে অসমীয়া জাতিগঠন প্ৰক্ৰিয়াৰ সমকালীন সংকট, যিটো আমাৰ অস্তিত্বৰ লগত সততে সাঙোৰ খাই থাকে। কিন্তু অসমীয়া অস্তিত্বৰ প্ৰশ্নটো বহুদূৰ 'ইছু' ভিত্তিক (যদিও অন্যান্য সমস্যাসমূহৰো গুৰুত্ব আছে) হোৱাৰ বাবে সমস্যাটোৱে মধ্যবিত্ত নেতৃত্বৰ আশানুৰূপ সঁহাৰি পোৱা নাই— যদিও বিষয়টো বৌদ্ধিক দৃষ্টিকোণৰ পৰা বিভিন্ন ধৰণেৰে পৰ্যালোচনা কৰি অহা হৈছে। স্বাধীনতাৰ আগতেই অৱশ্যে এই সংকটৰ ৰাজনৈতিক ভিত্তিৰ স্থাপন হৈছিল। নিজকে জাতীয়তাবাদী বুলি ঘোষণা কৰা, অসমীয়া সামুহিক মংগলৰ বাবে চিন্তা কৰা পদ্মনাথ গোহাঁই বৰুৱাৰ এষাৰি মন্তব্য ভাবি চাবলগীয়া— "যি চৰকাৰী ক্ষমতা বা বিষয় বাসনাৰ লালসাত কংগ্ৰেছ কৰ্মী আৰু তেওঁলোকৰ অঙহী-বঙহীসকলৰ লোভৰ পানী স'ততে পৰি থাকে, তাৰ এচাইমান বিচাৰিলেই সাম্প্ৰদায়িকতাবাদী নাম পায়। মই নিজে সাম্প্ৰদায়িকতাবাদী নহওঁ বৰঞ্চ স'ততে সৰ্বত্ৰে জাতীয়তাবাদী বুলিহে পৰিচিত" সম্ভৱত মন্দিৰৰ দুৱাৰ হৰিজনসকলৰ বাবে খুলি দিয়াৰ সাহস থকা কৃষ্ণ শৰ্মাৰ দৰে কংগ্ৰেছ কৰ্মী বেছি নাছিল। সাম্প্ৰতিক মনস্তাত্বিক দৃষ্টিকোণৰ পৰা বৰ্ণ ভিত্তিক সামাজিক ব্যৱধানে সমস্যাটো অধিক জটিলৰ কৰি তুলিছে। এনে পৰিস্থিতিত, গণতান্ত্ৰিক সংগঠন সমূহে জনমুখী চৰকাৰৰ সমৰ্থনত এক ব্যাপক জনজাগৰণৰ ভিত্তি প্ৰস্তুত কৰাৰ পৰিৱেশ এটি দিব পাৰে। ভাৰতীয় সামাজিক পৰিপ্ৰেক্ষিতত ৰামমোহন ৰায়ৰ পৰা গান্ধীলৈকে বিভিন্নজনৰ এই ক্ষেত্ৰত ইতিবাচক ভূমিকাৰ কথা ইতিহাসে সুঁৱৰি আছে। মনত ৰখা ভাল— আৰ্যমূলীয় অসমীয়া ভাষা এটাৰ জন্ম এক ঐতিহাসিক ঘটনা হ'লেও তাতোকৈ গুৰুত্বপূৰ্ণ কথাটো হৈছে— বাণীকান্ত কাকতিয়ে দেখুৱাই যোৱা অসমীয়া সংস্কৃতিৰ গভীৰতা আৰু ব্যাপকতাক উপলব্ধি কৰাৰ এক মানসিক প্ৰস্তুতি, যাৰ ভিত্তি এক সু-সংগঠিত প্ৰগতিশীল জাতীয় চেতনাৰ বিকাশৰ মাজতহে নিহিত হৈ আছে।

* 'প্ৰত্যয়', *দ্বিতীয় বছৰ : দ্বিতীয় সংখ্যা : ছেপ্টেম্বৰ' ৯৬*

প্ৰাসঙ্গিক চিন্তা*

অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ সমকালীন সংকটৰ পটভূমিত দৃষ্টিগোচৰ হোৱা কেতবোৰ নেতিবাচক প্ৰৱণতাই সাম্প্ৰতিক আমাৰ জাতীয় ঐতিহ্যত সভ্যতাৰ আৰু সাংস্কৃতিক প্ৰমূল্যসমূহৰ সাৰ্বজনীনতাৰ বিষয়টোৱে সন্দেহৰ সৃষ্টি নকৰাকৈ থকা নাই। মধ্যযুগতে জনজাতীয় পৰ্যায়ৰ পৰা সামন্তবাদলৈ উত্তৰণৰ প্ৰক্ৰিয়াত অসমীয়া সমাজখনতে সমন্বয়ৰ কিছুমান প্ৰাথমিক চৰ্তপূৰণ হোৱাৰ বিপৰীতে সাম্প্ৰতিক গণতন্ত্ৰৰ যুগত জাত-পাত, ধৰ্ম, ভাষা আদিৰ নামত দেখা দিয়া বিভাজনৰ চূড়ান্ত ৰূপটোৱে আমাক ভবাই তুলিছে বুৰ্জোৱা জাতীয়তাবাদী ভাবাদৰ্শৰ লগত স'ততে সাঙোৰ খাই থকা সংহতি, সমন্বয়, দেশপ্ৰেম, নৈতিকতা, মানৱতা আদি আদৰ্শসমূহৰ সাৰ্থকতা কিমান? বিশিষ্ট মাৰ্ক্সবাদী তাত্ত্বিক সত্যেন্দ্ৰ নাৰায়ণ মজুমদাৰে দেখুৱাইছে যে দেশপ্ৰেমৰ লগত মাৰ্ক্সবাদৰ বিৰোধ নাই। অৱশ্যে বিষয়টো শ্ৰমিক শ্ৰেণীয়ে ৰাষ্ট্ৰক্ষমতা দখল কৰাৰ লগত জড়িত হৈ আছে। আচলতে ধাৰণাসমূহ স্বয়ংসম্পূৰ্ণ নহয়. ফলত এইবোৰৰ প্ৰতি জনগণৰ স্বাভাৱিক আকৰ্ষণৰ সুযোগ লৈছে সাম্ৰাজ্যবাদৰ হেঁচাত পয়ালগা ভাৰতীয় পুঁজিবাদে। অৱশ্যে বেলেগ বেলেগ ঐতিহাসিক পৰিস্থিতিত জাতীয়দাবাদী আন্দোলন আৰু ভাবাদৰ্শই সমাজৰ চালিকা শক্তি হৈ বিশেষ ভূমিকা গ্ৰহণ কৰা দেখা যায়। স্বাধীনতা পূৰ্ব ভাৰতবৰ্ষত সমান্তৰালভাৱে গতি কৰা অসমীয়া জাতীয়তাবাদৰো এক বিকাশশীল ৰূপ আছিল। বিশেষকৈ নেতিবাচক দিশটোক প্ৰাধান্য দিও আমি ইয়াৰ আত্মৰক্ষামূলক চৰিত্ৰৰ তাৎপৰ্য সেই সময়ৰ পৰিস্থিতিত আওকাণ কৰিব নোৱাৰো। অম্বিকাগিৰীৰ মূল্যায়ন প্ৰসংগত ড° হীৰেন গোহাঁইদেৱে উল্লেখ কৰিছে যে, তেওঁৰ জাতীয়তাবাদী চিন্তাৰ উদ্ভৱ আৰু তীব্ৰতা সাম্ৰাজ্যবাদে সৃষ্টি কৰা বিশেষ আৰ্থ-সামাজিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতততহে বুজিব পাৰি। অৰ্থাৎ সততা আৰু স্বাৰ্থহীন সামাজিক দায়বদ্ধতাই ৰাজনৈতিক আদৰ্শৰ সীমাবদ্ধতা সত্ত্বেও জাতীয়তাবাদক কিছু হ'লেও সম্ভাৱনাপূৰ্ণ কৰি তুলিব পাৰে। স্বাধীনোত্তৰ অসমীয়া জাতীয়তাবাদৰ লগতো সমকালীন ৰাষ্ট্ৰ ব্যৱস্থাত অসমৰ সুৰক্ষাৰ প্ৰশ্নটো জড়িত হৈ আছিল। বিশিষ্ট সমাজ বিজ্ঞানী এ. আৰ দেশাইৰ মতে ঔপনিৱেশিক শাসনৰ পৰা স্বাধীনতা পোৱা দেশসমূহত ইমানদিনে জাতীয় মুক্তিৰ প্ৰশ্নত একত্ৰিত হৈ থকা বিভিন্ন শ্ৰেণী আৰু সামাজিক গোষ্ঠীৰ সংঘবদ্ধ জোঁটবোৰ ভাঙি পৰিল। গণতান্ত্ৰিক

অৰ্থনীতিৰ অনুন্নত চৰিত্ৰ বাবে জাতীয় বুৰ্জোৱাই জনগণৰ অসন্তুষ্টি দমাই ৰাখিব নোৱৰাৰ ফলত এই দেশ বিলাক তীব্ৰ শ্ৰেণী সংগ্ৰামৰ ৰংগমঞ্চত পৰিণত হ'বলৈ ধৰিছে। এই পটভূমিত দেখা যায় স্বাধীনোত্তৰ ভাৰতবৰ্ষত সামন্তবাদৰ লগত আপোচ কৰা সীমিত সংখ্যক পুঁজিপতিৰ দ্বাৰাই নিয়ন্ত্ৰিত ব্যৱস্থাই অসমৰ জাপি দিয়া অৰ্থনৈতিক অনগ্ৰসৰতাই আঞ্চলিক বুৰ্জোৱাৰ উত্থানৰ বাস্তৱ ভিত্তি প্ৰস্তুত কৰিলে। কিন্তু সুবিধাবাদী অসমীয়া মধ্যবিত্তই দালাল চৰিত্ৰৰেই পুঁজিবাদৰ গতিশীল সম্ভাৱনা নাকচ কৰি, প্ৰগতিশীল উপাদানসমূহ চেপি ৰাখি বৰ্ণবাদ, সাম্প্ৰদায়িকতা আদি কেতবোৰ নেতিবাচক প্ৰৱণতাক লালন-পালন কৰি অসমীয়া জাতিৰ চূড়ান্ত অৱক্ষয়ৰ সূচনা কৰিলে।

এনে পৰিস্থিতিত জাতীয় প্ৰশ্নত ৰাজপথলৈ ওলাই অহা গণতান্ত্ৰিক ভাবাপন্ন অসমীয়া নাগৰিকৰ অৱস্থাটো কি হ'ব? বহুতে ভাবে জাতীয় আশা-আকাংক্ষা সমূহৰ ক্ষেত্ৰত মাৰ্ক্সবাদ নিষ্ক্ৰিয়। আমাৰ বোধেৰে যোৱা এটা দশকৰো অধিককাল দিশহাৰা হৈ থকা এটা বৃহৎ অংশৰ উমৈহতীয়া আশা-আকাঙক্ষাসমূহৰ যথাযথ মূল্য দি প্ৰগতিশীল শিবিৰসমূহে মাৰ্ক্সবাদী দৃষ্টিকোণেৰে জাতি সমস্যা সমাধানৰ বিষয়টো অধিক তৎপৰতা দেখুৱা উচিত আছিল। সাম্প্ৰতিক অসমত জাতি গঠন প্ৰক্ৰিয়াৰ সংকটমোচনত শ্ৰেণীদশুৰ প্ৰশ্নটোও জাতীয়তাবাদৰ পৰিধিৰ মাজত উমৈহতীয়া জাতীয় সমস্যাৰ সমাধানৰ ভিত্তিতে হ'ব লাগিব। কেৱল নিৰ্বাচন ভিত্তিক পৰিবৰ্তনৰ সন্দৰ্ভত জাতীয় নেতৃত্বৰ দিশটো গোলমলীয়া হ'লেও সম্ভাব্য গণতান্ত্ৰিক মঞ্চত বাওঁপন্থীসকলে বিশেষ চৰ্ত সাপেক্ষেহে জাতীয় বুৰ্জোৱাৰ সহযোগ কৰা উচিত বুলি আমি ভাবো।

* *'প্ৰত্যয়', প্ৰথম বছৰ : তৃতীয় সংখ্যা : জানুৱাৰী, ১৯৯৬*

সম্পাদকীয়*

শৈলেশ কুমাৰ বন্দোপাধ্যায়ৰ গৱেষণামূলক গ্ৰন্থ 'জিন্না/ পাকিস্তান, নতুন ভাৱনা'ত সাম্প্ৰদায়িক ইতিহাসৰ বিতৰ্কিত ব্যক্তি মহম্মদ আলী জিন্নাৰ কেতবোৰ ধৰ্ম নিৰপেক্ষ দিশ পোহৰলৈ আহিছে। পাকিস্তান গণ-পৰিষদৰ সদস্যসকলৰ আগত দিয়া জিন্নাৰ প্ৰথম ভাষণৰ অংশ বিশেষৰ সাৰমৰ্ম আছিল এনেকুৱা, 'আপোনালোক স্বাধীন। এই পাকিস্তান ৰাষ্ট্ৰত আপোনালোক ইচ্ছা অনুসৰি মন্দিৰ, মছজিদ বা অন্য উপসনা স্থানলৈ যোৱাৰ অধিকাৰ আছে। আপোনালোকৰ ধৰ্ম, সম্প্ৰদায়, জাতি যিয়েই নহওক, মূলকথা হ'ল, আমি একেখন দেশৰেই নাগৰিক। এই নীতিক আমাৰ আদৰ্শৰূপে আমি ধৰি ৰাখিব লাগিব।' এই প্ৰসংগ উল্লেখ কৰাৰ কাৰণ হ'ল যে, শ্ৰেণীগত সীমাবদ্ধতা সত্বেও হিন্দু-মুছলমানৰ ঐক্যৰ প্ৰশ্নত ইতিবাচক ভূমিকা লোৱা জিন্নাই ১৯৪০ চনৰ পিছৰ পৰাই দ্বি-জাতি তত্ত্বৰ ভিত্তিত উগ্ৰ-সাম্প্ৰদায়িকতাৰ পৃষ্ঠপোষকতা কৰাৰ পটভূমিতেই মুছলিম বিচ্ছিন্নতাবাদৰ বাস্তৱভিত্তি আলোচনা কৰাৰ থল আছে। ঐতিহাসিক বিপান চন্দ্ৰই স্বাধীনতাপূৰ্ব ভাৰতবৰ্ষৰ সাম্প্ৰদায়িকতাৰ তিনিটা স্তৰ যথাক্ৰমে সাম্প্ৰদায়িক জাতীয়তা বাদ, উদাৰনৈতিক আৰু উগ্ৰ-সাম্প্ৰদায়িকতাবাদৰ কথা কৈছে। তেওঁ দেখুৱাইছে যে, প্ৰথম স্তৰতে ভাৰতীয় জাতীয়তাবাদৰ লগত কেতবোৰ হিন্দুবাদী ধ্যান-ধাৰণা সাঙোৰ খোৱাটো আছিল জাতীয়তাবাদৰ পোছাকৰ আঁৰত বিকাশ হোৱা সংখ্যাগৰিষ্ঠ সাম্প্ৰদায়িকতাবাদ, যাৰ পৰিণতি আছিল উদাৰনৈতিক সাম্প্ৰদায়িকতাবাদ, যিটো পৰ্যায়ত দুয়োপক্ষই নিজৰ সাম্প্ৰদায়িক স্বাৰ্থ ৰক্ষা কৰি ভাৰতীয় জাতীয় ঐক্যৰ পথত আগবঢ়োৱাটো হৈ পৰিছিল অপৰিহাৰ্য। অৱশ্যে এই পৰ্যায়ত সংখ্যালঘু অৱস্থানৰ পৰা ধৰ্মীয় প্ৰশ্নত মুছলমানসকল অধিক সক্ৰিয় হোৱাটো আছিল স্বাভাৱিক, কাৰণ ইতিমধ্যেই সাম্ৰাজ্যবাদৰ অধীনত হিন্দুসকলৰ অগ্ৰসৰ পদক্ষেপ আৰু মুছলমানসকলৰ পশ্চাদমুখীতাৰ প্ৰশ্নতেই ৰচনা হৈছিল সাম্প্ৰদায়িকতাৰ অৰ্থনৈতিক বুনিয়াদ। আনফালেদি হিন্দুসকলৰ স্বাৰ্থ বহুদূৰ জাতীয়তাবাদী মতাদৰ্শৰ মাজতে পূৰণ হৈছিল। এনে পৰিস্থিতিত, শেষ পৰ্যায়ত মুছলিম সাম্প্ৰদায়িকতাই উগ্ৰৰূপ লোৱাত উগ্ৰবাদী হিন্দু সংগঠনবোৰেও কিন্তু পিছ-পৰি থকা নাছিল তথা জাতীয় কংগ্ৰেছেও সন্দেহজনক ধৰ্মনিৰপেক্ষ অৱস্থানৰ পৰা পৰিস্থিতি নিয়ন্ত্ৰণত ব্যৰ্থ হৈছিল।

সাম্প্ৰতিক কালত উগ্ৰধৰ্মীয় চেতনা সাম্প্ৰদায়িক ৰূপত আত্মপ্ৰকাশ কৰিলেও ধৰ্মৰ লগত ইয়াৰ সম্পৰ্ক বৰ বেছি নহয়। বাংলাদেশৰ বিশিষ্ট বুদ্ধিজীৱী বদৰুদ্দিন ওমৰৰ ভাষাত 'ধৰ্মনিষ্ঠাৰ ক্ষেত্ৰত ব্যক্তিৰ নিজৰ আচৰণ আৰু ধৰ্ম বিশ্বাসৰ গুৰুত্ব বেছি, সাম্প্ৰদায়িকতাৰ ক্ষেত্ৰত নিজৰ ধৰ্ম সম্প্ৰদায়ৰ প্ৰতি বিশেষ এক জাতীয় আনুগত্যৰ গুৰুত্ব বেছি।' প্ৰকৃতপক্ষে, তথাকথিত বহুজনক সামৰি লোৱা গণতন্ত্ৰত মধ্যবিত্ত শ্ৰেণী স্বাৰ্থৰ ৰাজনৈতিক হাতিয়াৰ সাম্প্ৰদায়িকতাক ৰোধ কৰি হিন্দু-মুছলমানৰ সহ-অৱস্থানৰ বাবে উভয় পক্ষৰে সাম্প্ৰদায়িক চেতনাৰ ইতিবাচক আৰু নেতিবাচক দিশসমূহৰ বস্তুবাদী বিশ্লেষণৰ ব্যাপক গণভিত্তি প্ৰস্তুত কৰি ভাৰতীয় জাতীয় ঐতিহ্যক ৰক্ষণা-বেক্ষণ দিয়াটোৱেই হৈছে আজিৰ প্ৰতিজন সচেতন নাগৰিকৰ মহৎ আৰু প্ৰাথমিক দায়িত্ব।

* *'প্ৰত্যয়', প্ৰথম বছৰ ঃ দ্বিতীয় সংখ্যা ঃ চেপ্তেম্বৰ, ১৯৯৫*

সম্পাদকীয়*

মধ্যযুগৰ অসমত সামন্তবাদী অৰ্থনীতিৰ আধাৰত জন্ম লাভ কৰা সামাজিক আন্দোলনৰ পৰম্পৰা উন্নত পুঁজিবাদী অৰ্থ ব্যৱস্থা আৰু বস্তুনিষ্ঠ ইতিহাস চৰ্চাৰ লগত গভীৰভাৱে সংযোগ সাধন নোহোৱা তথা বৰ্তমানৰ স্থূল ভোগবাদী জীৱন বোধৰ পটভূমিত সোলোক-ঢোলোক। ঐতিহ্যহীনতা, শ্ৰমবিমুখিতাত ভোগা অসমীয়া জাতি ছিন্নমূল হোৱাৰ আশংকা আজি বোধকৰো অমূলক নহয়। সাম্প্ৰতিক সাংস্কৃতিক সংকটৰ কাৰণ বিচাৰি চাব পৰা যায় অৰ্থনৈতিক অনগ্ৰসৰতা তথা স্থানীয় পুঁজিৰ বিকাশৰ শামুকীয়া গতিৰ মাজত। ভৌগোলিক অৱস্থান তথা পাইক ব্যৱস্থাৰ কঠোৰ নিয়ন্ত্ৰণৰ বাবে সোতৰ, ওঠৰ শতিকাৰ অসমত সূচনা হোৱা বেপাৰ বাণিজ্যৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী নাছিল তথা সেই পটভূমিতে বৃটিছ সাম্ৰাজ্যবাদে সৃষ্টি কৰা কিছু নতুন সমস্যা যেনে-সহযোগী সৰ্বভাৰতীয় বণিক শ্ৰেণীৰ স্থানীয় বজাৰ দখল, খাজনা শোষণ প্ৰক্ৰিয়া, অনা অসমীয়াৰ হেঁচাই স্থানীয় সুযোগ সুবিধা বঞ্চিত কৰা আদিৰ প্ৰভাৱত পশ্চিমীয়া শিক্ষা আৰু চৰকাৰী চাকৰিৰ বাহিৰে অৰ্থনৈতিক সম্ভাৱনাযুক্ত পথসমূহ অসমীয়া মধ্যবিত্তৰ বাবে বন্ধ হৈ পৰিল।

সৰ্বভাৰতীয় অৰ্থনৈতিক কাঠামোৰ দ্বাৰা নিয়ন্ত্ৰিত স্বাধীনোত্তৰ অসমৰ ৰাজনৈতিক ব্যৱস্থাত স্থানীয় সমস্যাসমূহে বিশেষ গুৰুত্ব নোপোৱাত উদীয়মান অসমীয়া বুৰ্জোৱাই উক্ত সমস্যাসমূহৰ স্বকীয়তা প্ৰদান কৰি পৰ্যায় ক্ৰমে আঞ্চলিকতাবাদী তথা জাতীয়তাবাদী ৰাজনীতিৰ সূত্ৰপাত ঘটালে। অসম আন্দোলনৰ সময়ত এই ধাৰা যথেষ্ট সক্ৰিয় হৈ উঠিছিল যদিও দালালী চৰিত্ৰৰ বাবে সৰ্ব-ভাৰতীয় আৰু আঞ্চলিক অৰ্থনীতিৰ সংঘাতৰ ছবিখন স্পষ্ট নহ'ল। প্ৰগতিশীল ভূমিকা সত্বেও বাস্তৱৰ গুৰু অনুধাৱনৰ ভেটিত তত্বৰ 'অনুশীলন আৰু প্ৰয়োগৰ দিশত কিছু জড়তা বৈ যোৱা তথা জাতীয়তাবাদৰ উত্তাল জোৱাৰৰ হেঁচাত মাৰ্ক্সবাদী শিবিৰসমূহ আঞ্চলিক সমস্যাসমূহৰ ভিত্তিত যোৱা কেইটামান দশকত অধিক সক্ৰিয় নোহোৱাত সংখ্যাগৰিষ্ঠ জনগণ হৈ পৰিল কেৱল সুবিধাবাদী ৰাজনীতিৰ হাতিয়াৰ। এই পটভূমিত সুস্থ গতিশীল ৰাজনীতিৰ সাংস্কৃতিক ভিত্তি নিৰ্মাণত নিয়োজিত 'প্ৰত্যয়ে' জনমানসত প্ৰত্যয় জন্মাব পাৰিব বুলি আমাৰ দৃঢ় বিশ্বাস।

* 'প্ৰত্যয়', প্ৰথম বছৰ : প্ৰথম সংখ্যা : মে, ১৯৯৫

নতুন শতিকাৰ অভিমুখে*

পূব ইউৰোপ তথা ৰাছিয়াত সমাজতান্ত্ৰিক বিপৰ্যয়, বাওঁপন্থী শিবিৰসমূহত ভৱিষ্যতৰ কৰ্মসূচী সম্বন্ধে দেখা দিয়া অনিশ্চয়তা, অস্থিৰতা, বিশ্ব অৰ্থ-ব্যৱস্থাৰ অৰ্থনৈতিক-সাংস্কৃতিক আগ্ৰাসন আদি যোৱাটো শতিকাৰ অন্যতম গুৰুত্বপূৰ্ণ ঘটনা বুলি অভিহিত কৰিব পাৰি। নতুন শতিকাত বিজ্ঞান-প্ৰযুক্তিৰ ন-ন বিকাশৰ সম্ভাৱনাই হয়তো জনগণৰ একাংশক মোহগ্ৰস্ত কৰি ৰাখিছে, কিন্তু কথা হ'ল— এক সুস্থ ৰাজনৈতিক মতাদৰ্শৰ অবিহনে সামূহিক মংগলৰ কিবা সম্ভাৱনা আছেনে? এনে পটভূমিত সমাজতন্ত্ৰৰ ভৱিষ্যৎ, আহিবলগীয়া দিনবোৰত মাৰ্ক্সবাদ-লেনিনবাদৰ ভূমিকাৰ সন্দৰ্ভত গণতান্ত্ৰিক শিবিৰসমূহত নানা প্ৰশ্ন উঠিছে। যেনে— ১) ৰাছিয়া বা চীনৰ মডেলৰ মাজতে সমাজতন্ত্ৰ সুৰক্ষিত নে? ২) বিপ্লৱী শ্ৰমিক শ্ৰেণী আৰু বিপ্লৱী বুদ্ধিজীৱিৰ ভূমিকা একেই হোৱাটো নিশ্চিত নে? ৩) সমাজ তন্ত্ৰৰ ৰচনাৰ পৰ্যায়ৰ পৰা ৰাষ্ট্ৰ বিলুপ্তিৰ পথলৈ যায় নে অধিক দমনমূলক অৱস্থালৈ যায়? ৪) আমোলাকেন্দ্ৰিকতাৰ মাজতে গণতন্ত্ৰৰ সংজ্ঞা বিচাৰি ল'ব লাগিব নেকি? ৫) ৰাছিয়াৰ ব্যৱস্থাটোৰ সাৰ্মগ্ৰিক বিশ্লেষণ প্ৰাকষ্টেলিন আৰু ষ্টেলিনোত্তৰ— এইদৰে যুগ বিভাজন কৰাটো অপৰিহাৰ্য নে? ৬) সংশোধনবাদ কেৱল প্ৰতিক্ৰিয়াশীলেই নেকি— পৰিবৰ্তিত অৱস্থাত ইয়াৰ কোনো বাস্তৱিক বা গণতান্ত্ৰিক ভিত্তি নাই নেকি? ৭) শ্ৰেণী দণ্ডৰ স্বৰূপ কেনেকুৱা হ'ব? ৮) সামূহিক মংগলবোধ কেৱল পৰিকল্পিত অৰ্থনীতিৰ মাজতেই সীমাবদ্ধ থাকিব নে? ৯) ব্যক্তিগত সম্পত্তি, ভোগ, বৈষয়িক সুখ সমৃদ্ধিৰ কোনো সাংস্কৃতিক অৰ্থ নাই নেকি? ১০) পুঁজিবাদৰ পূৰ্ণ বিকাশৰ প্ৰতি লক্ষ্য ৰাখি মাৰ্ক্সে কৰা কিছু মন্তব্য অনগ্ৰসৰ অৱস্থাত অৰ্থনৈতিক বিকাশৰ প্ৰশ্নত নতুন মূল্যায়নৰ প্ৰয়োজন নাই নে? ১১) লেনিনৰ চিন্তাধাৰাৰ আলমত সমাজতান্ত্ৰিক-অৰ্থনৈতিক বিকাশৰ প্ৰশ্নত কিছু নতুন সম্ভাৱনা 'পেৰাষ্ট্ৰইকাৰ' আঁচনিত অন্তৰ্ভুক্ত হোৱা নাছিল নে? ১২) বিশ্ব অৰ্থ ব্যৱস্থাৰ সন্মুখীন হ'ব পৰাকৈ সমাজতান্ত্ৰিক দেশসমূহে সমূহীয়াভাৱে কোনো এক আন্তৰ্জাতিক ব্যৱস্থাৰ বিকাশ কৰাৰ প্ৰয়োজন নাছিল নে? ১৩) সমাজতান্ত্ৰিক অৰ্থনীতি আৰু বজাৰ অৰ্থনীতিৰ সহ-অৱস্থানৰ বিষয়টো আমি চীনৰ শেহতীয়া ঘটনাৱলীৰ আলমত কি ধৰণে পৰ্যালোচনা কৰিম?

বিজ্ঞমহলত নিশ্চয় আৰু বহু ধৰণৰ চিন্তা-চৰ্চা চলিছে। সীমিত জ্ঞান আৰু সীমিত পৰিসৰত সকলো প্ৰসংগৰ অৱতাৰণা বা আলোচনা সম্ভৱ নহয়। আমি মাথোঁ গুৰুত্ব দিবলগীয়া বিষয়টো হ'ল— মাৰ্ক্সবাদৰ মানৱীয় ভিত্তিত মাৰ্ক্সবাদৰ চিন্তাধাৰাৰ পুনৰ মূল্যায়নৰ ক্ষেত্ৰত যান্ত্ৰিক দৃষ্টিভংগী পৰিহাৰ কৰা। এঙ্গেলছৰ মাৰ্ক্সবাদে বিজ্ঞান আখ্যা পোৱাটো অস্বাভাৱিক নহয়, অৱশ্যে 'ডাৰউনৰ তত্ত্ব'ৰ সমগোত্ৰীয় বিজ্ঞানো নহয়। প্ৰসংগক্ৰমে উনুকিয়াব পাৰি যে পঞ্চাশৰ দশকৰ পৰাই সাংস্কৃতিক— বৌদ্ধিক ক্ষেত্ৰত অস্তিত্ববাদৰ, ষ্ট্ৰাকচাৰৰ ধাৰণা, ফ্ৰাংকফুৰ্ট বিশ্ববিদ্যালয়ৰ সমালোচনা তত্ত্ব আদিৰ মাজেৰে গঢ় লোৱা আলোচনা-প্ৰতি-আলোচনাই মাৰ্ক্সবাদক যান্ত্ৰিকতাবাদ তথা অৰ্থনৈতিক নিৰ্ধাৰণবাদৰ পৰা মুক্তি দিয়াৰ পথ তৈয়াৰ কৰিছিল। এই ক্ষেত্ৰত আন এক যুগান্তকাৰী ঘটনা হ'ল ১৯৩২ চনত প্ৰথম বাৰৰ বাবে প্ৰকাশ পোৱা তৰুণ মাৰ্ক্সৰ 'পাৰী পাণ্ডুলিপি'— যাৰ কেন্দ্ৰীয় বিষয়বস্তু আছিল মানুহ। 'পুঁজি' গ্ৰন্থৰ ৰাষ্ট্ৰীয় অৰ্থনৈতিক পাঠত থকা অমানৱীয় যান্ত্ৰিক পদ্ধতি অতিক্ৰমৰ বাবে— মানুহ, মানুহৰ শ্ৰম, শ্ৰমোৎপাদনৰ লগত উৎপাদক মানুহৰ নিযুক্তিৰ পৰা শ্ৰমিকৰ বা মানুহৰ অৱমূল্যায়নলৈকে— পাণ্ডুলিপিখনত ব্যক্তিগত সম্পত্তি আৰু পুঁজিৰ মালিকানা ভিত্তিক সমাজ আৰু অৰ্থনীতিক চৰিত্ৰৰ যি বিশ্লেষণ দাঙি ধৰা হৈছে— তাৰ অধ্যয়ন অপৰিহাৰ্য হৈ পৰিছিল। অৱশ্যে সকলো ধৰণৰ বিক্ষিপ্ত চিন্তনৰ বিপৰীতে, কিছু দেৰিকৈ বৌদ্ধিক মহলত আলোড়নৰ সৃষ্টি কৰা এণ্টোনিও গ্ৰামচ্‌িৰ 'কাৰাগাৰৰ লিখা' সমূহত বস্তুবাদী দৃষ্টিকোণৰ পৰা মাৰ্ক্সবাদক মানৱীয় কৰ্মকাণ্ডত পৰিণত কৰিব খোজা সকলো ধৰণৰ অভিব্যক্তি প্ৰণালীবদ্ধভাৱে ফুটি উঠিছে।

প্ৰায় পঞ্চাশৰ দশকৰ পৰাই, গ্ৰামচিৰ চিন্তাধাৰা প্ৰসাৰৰ লগে লগে মাৰ্ক্সবাদী চিন্তাধাৰাৰ উপৰিকাঠামোৰ লগত জড়িত জনগণৰ চিন্তা, চেতনা, সক্ৰিয়তা আদি বিষয়সমূহে বিশেষ গুৰুত্ব পাবলৈ ধৰিলে।

লেনিনৰ চিন্তাৰ আলমত জনগণৰ সচেতন কৰ্মকাণ্ডৰ ভিত্তিত প্ৰতিষ্ঠা কৰা গ্ৰামচ্‌িৰ বিশেষ প্ৰকল্পটো হ'ল আধিপত্য আৰু প্ৰাধান্যৰ ধাৰণা। কোনো এটা শ্ৰেণীয়ে বা গোষ্ঠীয়ে বিভিন্ন উপায়েৰে শক্তিৰ দ্বাৰা সমাজৰ অন্যান্য শক্তিৰ ওপৰত প্ৰাধান্য প্ৰতিষ্ঠা কৰিব পাৰে, কিন্তু এই প্ৰাধান্যক যদি যথাৰ্থই প্ৰতিষ্ঠা কৰিব লগা হয়; তেতিয়াহ'লে ক্ষমতা দখলৰ আগতে বা পিছতে চলাই নিব লাগিব আধিপত্য প্ৰতিষ্ঠাৰ সংগ্ৰাম। অৰ্থাৎ জনসমাজৰ মাজত সেই বিশেষ শ্ৰেণীটোৰ ভাবাদৰ্শ তথা মূল্যবোধ, সামগ্ৰিক চিন্তা পদ্ধতি সৰ্বস্তৰে প্ৰোথিত কৰিব লাগিব। সমাজতন্ত্ৰ বা সাম্যবাদৰ অভিযানটো শোষিত শ্ৰেণীৰ আন্দোলন কেৱল ৰাষ্ট্ৰ দখল নহয়, মাত্ৰ ৰাজকীয় বা চৰকাৰী যন্ত্ৰৰ ওপৰত প্ৰাধান্য প্ৰতিষ্ঠা নহয়; বৰঞ্চ জনসমাজৰ লগত

সম্পৰ্কিত শিক্ষা, সংস্কৃতি, নীতিবোধ, বুদ্ধিচৰ্চা আদি সকলো ক্ষেত্ৰতেই আধিপত্য প্ৰতিষ্ঠাৰ প্ৰয়াসেই বিপ্লৱৰ পৰিপূৰ্ণ বিকাশৰ সম্ভাৱনা আনি দিয়ে। এই আধিপত্য প্ৰতিষ্ঠাৰ সংগ্ৰামত প্ৰতিটো অৰ্থনৈতিক শ্ৰেণীৰ ভিতৰৰ পৰাই জন্মলাভ কৰি ভূমিকা গ্ৰহণ কৰা জৈৱ-বুদ্ধিজীৱী শ্ৰেণীটোৰ নতুন সংজ্ঞা দাঙি ধৰিছে গ্ৰামচিয়ে। তেওঁৰ মতে, পশ্চিমৰ উন্নত দেশসমূহত শ্ৰমিক শ্ৰেণীয়ে জৈৱ-বুদ্ধিজীৱীৰ সহায়ত জাতীয় চৰিত্ৰ গ্ৰহণেৰে বুৰ্জোৱা আধিপত্যৰ বলয় ভেদ কৰি নিজক প্ৰতিষ্ঠা কৰিব পাৰিব।

সাম্প্ৰতিক বিকাশশীল পৰ্যায়ত থকা ভাৰত ৰাষ্ট্ৰই দমনমূলক ব্যৱস্থাৰ উপৰিও বিভিন্ন অৰাষ্ট্ৰীয় সংগঠনৰ জৰিয়তে শোষক শ্ৰেণীৰ উপাদানসমূহ (শেহতীয়াকৈ সাম্প্ৰদায়িকতাবাদ) জনসমাজৰ সাংস্কৃতিক ক্ষেত্ৰত প্ৰতিষ্ঠা কৰিছে। ইয়াৰ এক বিকল্প ব্যৱস্থা গ্ৰামচিৰ মতাদৰ্শৰ ভিত্তিত গঢ়ি তুলিব পাৰি। অৱশ্যে মনত ৰখা ভাল, ভাৰতীয় প্ৰেক্ষাপটত মাৰ্ক্সবাদী আদৰ্শৰে প্ৰভাৱান্বিত মধ্যবিত্ত বুদ্ধিজীৱী শ্ৰেণীটোৱে সমাজ ৰূপান্তৰত বৈপ্লৱিক ভূমিকা গ্ৰহণ কৰি আহিছে আৰু থাকিব— যদিও এই শ্ৰেণীটোৰ লগত গ্ৰামচিৰ ধাৰণাৰ বুদ্ধিজীৱী শ্ৰেণীৰ মৌলিক প্ৰভেদ আছে। ইয়াৰ উপৰিও, সাম্ৰাজ্যবাদে এৰি থৈ যোৱা জটিল পৰিস্থিতিত উৎপাদান ব্যৱস্থাৰ অসম বিকাশৰ ফলস্বৰূপে শাসিত শ্ৰেণীসমূহৰ অৱস্থাৰ আৰু অৱস্থানৰ স্বৰূপ উপলব্ধি কৰাত গ্ৰমচিৰ দ্বাৰা উল্লিখিত, ড° ৰঞ্জিৎ গুহ আদিয়ে বিকাশ কৰা 'Subaltern' বা 'নিম্নবৰ্গৰ' ধাৰণাটোৰ প্ৰায়োগিক দিশত বিচাৰ কৰি চোৱাৰ প্ৰয়োজন আছে। এনে পৰিস্থিতিত আমাৰ ধাৰণা— ঔপনিৱেশিক ভাৰত বৰ্ষত কংগ্ৰেছে বুৰ্জোৱা আৰু পেটি বুৰ্জোৱা শ্ৰেণীৰ স্বাৰ্থত প্ৰতিষ্ঠা কৰা শ্ৰেণী আধিপত্যৰ বিপৰীতে স্বাধীনোত্তৰ যুগত, বিশেষকৈ সাম্প্ৰতিক অৱস্থাত বাওঁ গণতান্ত্ৰিক ঐক্যৰ জৰিয়তে বৈপ্লৱিক সম্ভাৱনা থকা শ্ৰেণীৰ সাংস্কৃতিক আধিপত্যৰ প্ৰতিষ্ঠাৰ সহায়ক হৈ সমাজতন্ত্ৰৰ প্ৰতিষ্ঠাৰ বাবে অগ্ৰসৰ হোৱাটো সম্ভৱ। সকলো গণতান্ত্ৰিক ব্যক্তি, সংগঠনৰ কাৰণে আজি সমাজতন্ত্ৰৰ ভৱিষ্যতৰ গুৰুত্বপূৰ্ণ— কাৰণ ইয়াৰ মাজতে নিহিত হৈ আছে আহিবলগীয়া শতিকাত আমাৰ ভৱিষ্যত।

* 'প্ৰত্যয়', চতুৰ্থ বছৰ : দ্বিতীয় সংখ্যা : জানুৱাৰী, ২০০০

ড° সুৰজিত বৰুৱাৰ জীৱনপঞ্জী

জন্ম	ঃ	২৩ চেপ্তেম্বৰ, ১৯৬১ চন
জন্ম স্থান	ঃ	বাদলাভেটা চাহবাগান (ডুমডুমা)
শিক্ষা	ঃ	ডুমডুমা হৰলাল হাইস্কুল বি. বৰুৱা মহাবিদ্যালয় গুৱাহাটী বিশ্ববিদ্যালয়
জীৱিকা	ঃ	অধ্যাপনা — বি. বৰুৱা মহাবিদ্যালয় উলুবাৰী মহাবিদ্যালয় ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়
গৱেষণাৰ বিষয়	ঃ	Revenue Administration in Assam, 1912-1947 Guide– Dr Ronju Bezboruah
ডক্টৰেট ডিগ্ৰী লাভ	ঃ	১৮-০৫-২০০১, গুৱাহাটী বিশ্ববিদ্যালয়

পাঠ্যপুথি প্ৰণয়ন ঃ

১। বিশ্বৰ প্ৰাচীন সভ্যতা (অষ্টম শ্ৰেণী) জানুৱাৰী, ২০০২
ড° মামনি বৰঠাকুৰৰ সহযোগত

২। ইতিহাসত সংগ্ৰাম (নৱম শ্ৰেণী) অক্টোবৰ), ২০০৩
ড° মামনি বৰঠাকুৰৰ সহযোগত
প্ৰকাশক ঃ অসম পাব্লিচিং কোম্পানী

৩। আধুনিক বুৰঞ্জী
(উচ্চতৰ মাধ্যমিক, প্ৰথম বৰ্ষ), জুলাই, ২০০৫
ড° অজিত দত্তৰ সহযোগত
প্ৰকাশক ঃ অসম পাব্লিচিং কোম্পানী

৪। প্ৰাচীন ভাৰতৰ ইতিহাস, ২০০৫ চন
ড° নিৰোদ বৰুৱাৰ সহযোগত
(Major & General Course, B.A. 1+1+1 Pattern)

৫। স্নাতক মহলাৰ অসমৰ ইতিহাস, ২০০৪ চন
ড° নিৰোদ বৰুৱাৰ সহযোগত
(Major & General Course, B A 1+1+1 Pattern)

গৱেষণা পত্ৰ পাঠ ঃ

১। নৰ্থ ইষ্ট ইণ্ডিয়া হিষ্টৰী কংগ্ৰেছৰ পঞ্চবিংশতম বৰ্ষত গৱেষণা পত্ৰ পাঠ, ২০০৩, শ্বিলং

২। ইণ্ডিয়ান হিষ্টৰী কংগ্ৰেছৰ ৬৪তম বৰ্ষত গৱেষণা পত্ৰ পাঠ, ২০০৩, মাইচোৰ

৩। ইণ্ডিয়ান হিষ্টৰী কংগ্ৰেছৰ ৬৫তম বৰ্ষত গৱেষণা পত্ৰ পাঠ, ২০০৪, বেৰিলী

৪। অন্যান্য........

প্ৰবন্ধকাৰ ঃ

১। বিশ্বকোষৰ ইতিহাস খণ্ডৰ নিবন্ধকাৰ

২। নৰ্থ ইষ্ট ইণ্ডিয়া হিষ্টৰী এছ'চিয়েছনৰ অধীনৰ গৱেষণামূলক গ্ৰন্থৰ নিয়মীয়া প্ৰবন্ধকাৰ।

৩। নতুন পদাতিক (২০০১-২০০৫)

৪। মধ্যবিত্তৰ মননত বিহু (দৈনিক জনমভূমি)

৫ চাবঅল্টাৰ্ণ দৃষ্টিত অসমৰ অনুপ্ৰৱেশ সমস্যা (দৈনিক জনমভূমি)

৬। সাম্প্ৰদায়িকতাবাদ ঃ দুটা মৌলিক প্ৰশ্ন (দৈনিক জনমভূমি)

সম্পাদনা ঃ

১। 'প্ৰত্যয়' — মননশীল অসমীয়া আলোচনী (১৯৯৩-১৯৯৯)

২। উপনিৱেশৰ কবিতা (১৯৯৮)

সমাজ-সাহিত্য-সংস্কৃতিমূলক কাৰ্য ঃ

১। 'চিৰন্তন সাহিত্যৰ দিন'ৰ কাৰ্যকৰী সভাপতি ২০০০ চনৰ পৰা ......

২। নিৰ্যাতন বিৰোধী ঐক্যমঞ্চৰ উপ-সভাপতি ২০০৩ চনৰ পৰা ....

Director : The North-East Forum for Promotion of Education and Research

Advisor . 'প্ৰজন্ম'
Brahmaputra Health Care Society from 2004 ....

Member : 'Pratisruti'
A Socio Cultural Organisation

❖❖❖